অসমৰ বিভিন্ন জনগোষ্ঠীৰ

বসন্ত উৎসৱ



সম্পাদনাত

পুতলী কায়স্থ • উৎপলা বৰুৱা

অসমৰ বিভিন্ন জনগোষ্ঠীৰ বসন্ত উৎসৱ



সম্পাদনা

পুতলী কায়স্থ

উৎপলা বৰুৱা



বীণা লাইব্ৰেৰী
গুৱাহাটী ঃ অসম

***Axamor Bhivinna Janagosthir Basanta Utsov**, a collection of articles on spring festival observed by different groups of Assam, edited by Putali Kayastha and Utpala Barooah and published by Chandan Dey, M.Sc., Bina Library, College Hostel Road, Panbazar, Guwahati-781001, Assam.*

1st Edition : September, 2014

Cover Design : Dadul Chaliha and Planning by Putali Kayastha.

Distributor : Bina Library, College Hostel Road, Guwahati-781001, Assam.
☎+91-361-2733410.

Price : Rs. 150.00

Code : ABJBU/PK/14/86

Printed at : Ajanta Printers, 61 Surya Sen Street, Kolkata-700009.

পাতনি

ব্যক্তিগত জীৱনৰ সামগ্ৰিক উপাৰ্জনৰ এক অংশ অৰ্থাৎ শাৰীৰিক-মানসিক আৰ্থিক ইত্যাদি, সমাজৰ নামত উৎসৰ্গা কৰাৰ ইচ্ছাৰে ১৯৯৬ চনৰ ২৯ চেপ্তেম্বৰত জন্ম লাভ কৰে সামাজিক সাংস্কৃতিক অনুষ্ঠান শতদলে। জন্মলগ্নৰে পৰা অনুষ্ঠানটিয়ে স্বাস্থ্য, শিক্ষা, সামাজিক, সাংস্কৃতিক পৰিবেশ আদিৰ উন্নতিৰ হকে বিভিন্ন ধৰণৰ কাৰ্যসূচী ৰূপায়ণ কৰি সেৱা আগবঢ়াই আহিছে।

"শতদল"ৰ কৰ্মৰাজীৰ ভিতৰত বিশেষকৈ আৰ্থিকভাবে দুৰ্বল শ্ৰেণীৰ ৰাইজৰ মাজত স্বাস্থ্য সজাগতাৰ বাবে কেইবাটাও স্বাস্থ্য সজাগতা শিবিৰ আয়োজন কৰি বিনামূলীয়াকৈ স্বাস্থ্য সেৱা আগবঢ়াই আহিছে। সুখৰ খবৰ যে অনুষ্ঠানটিয়ে কিছুবছৰ পূৰ্বে অসম চৰকাৰৰ পৰা পোৱা আঠবিঘা মাটিত গ্ৰাম্য চিকিৎসালয় এখন স্থাপনৰ প্ৰস্তুতিত ইতিমধ্যে মনোনিবেশ কৰিছে।

তদুপৰি অসমৰ সাহিত্য সংস্কৃতিৰ প্ৰতি থকা একাগ্ৰ নিষ্ঠা, আগ্ৰহ আৰু দায়বদ্ধতাৰ প্ৰকৃত মূল্য দিয়াৰ প্ৰয়াসেৰে অনুষ্ঠানটিয়ে কেইবাখনো মূলবান গ্ৰন্থ যেনে— 'অসমৰ মাঘবিহু', 'কাতিবিহুৰ ৰূপৰেখা', অসমৰ 'বিভিন্ন জনগোষ্ঠীৰ বিবাহ পদ্ধতি', 'অসমৰ বিভিন্ন জনগোষ্ঠীৰ জন্ম-মৃত্যু সম্পৰ্কীয় লোকাচাৰ', 'দীপালি বৰঠাকুৰ ঃ কথা আৰু গীতেৰে', 'নীলপৱন বৰুৱাৰ ছবি আৰু কবিতা' আদি আগবঢ়াই আহিছে। এই তত্ত্বগধুৰ গ্ৰন্থসমূহে ইতিমধ্যে পাঠকৰ বিপুল সমাদৰ লাভ কৰিছে।

বৃহৎ অসমীয়া সংস্কৃতি গঢ়ি উঠিছে বিভিন্ন জনগোষ্ঠীৰ সংস্কৃতিৰ সুকীয়া সুকীয়া বৈশিষ্ট্যৰ একাকীত্বৰে। অসমীয়া সংস্কৃতিৰ বুনিয়াদো গঢ়ি উঠিছে অসমৰ বৰ্ণাঢ্য জনগোষ্ঠীৰ মহামিলনেৰে। যুগ যুগ ধৰি অবিভক্ত অসমত বসবাস কৰি অহা বিভিন্ন জাতি-উপজাতি, ধৰ্ম-বৰ্ণ গোষ্ঠীয়ে নিজ নিজ পৰম্পৰা অনুসৰি বসন্তোসৱ পালন কৰি আহিছে। বসন্তোসৱ সাধাৰণতে প্ৰকৃতিৰ নতুন ৰূপক আদৰাৰ প্ৰস্তুতিত হৃদয়ত সৃষ্টি হোৱা ৰঙৰ মেলা। বসন্তৰ আগমনত আৰম্ভ হোৱা এই বসন্ত উৎসৱত সকলো জনগোষ্ঠীৰ লোকৰে এক সাৰ্বজনীন চৰিত্ৰগত মিলো দেখা পোৱা যায়। আনন্দ ফুৰ্ত্তি, ৰং-ৰহইচৰ লগে লগে কৃষি-কৰ্মৰ বাবে প্ৰস্তুতি চলোৱাও এই উৎসৱৰ বিশেষত্ব। বৈচিত্ৰ্যৰ মাজত ঐক্য আমাৰ অসমীয়া সংস্কৃতিৰ এক উল্লেখযোগ্য দিশ। প্ৰত্যেক জনগোষ্ঠীৰে বসন্তোসৱ পালনৰ ক্ষেত্ৰত দেখা পোৱা বিভিন্নতা স্বত্বেও ই যেন একেটা সুৰতে বন্ধা একোডাল এনাজৰী সদৃশ।

এইবাৰ "শতদল"ৰ তৰফৰ পৰা আগবঢ়োৱা হৈছে 'অসমৰ বিভিন্ন জনগোষ্ঠীৰ বসন্ত উৎসৱ' শীৰ্ষক এখনি গৱেষণা ধৰ্মী গ্ৰন্থ। গ্ৰন্থখনিত সন্নিবিষ্ট লেখনিসমূহ প্ৰতিটো গোষ্ঠীৰে পৰিচিত লেখকসকলৰ পৰা সংগ্ৰহ কৰা হৈছে যদিও দুটামান লেখনি "শতদল"ৰ বৰ্তমানৰ উপ-সভাপতি পুতলী কায়স্থ, ১৯৯২ চনত 'সদৌ অসম নবীন লেখক-লেখিকা আৰু শিল্পী সমিতি'ৰ সভাপতি হৈ থকা কালত তেখেতৰ দ্বাৰা সংগৃহিত আৰু ড° নবীন চন্দ্ৰ শৰ্মা দেৱৰ দ্বাৰা সম্পাদিত গ্ৰন্থ 'বসন্ত উৎসৱ আৰু অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোকনৃত্য' শীৰ্ষক গ্ৰন্থখনিৰ পৰা সংগ্ৰহ কৰা হৈছে।

এই সংকলনখনিৰ প্ৰকাশৰ যোজা কৰি শতদলে প্ৰতিজন সাহিত্য-সংস্কৃতিপ্ৰাণ লেখকক কৰা অনুৰোধৰ প্ৰত্যুত্তৰত পোৱা আশানুৰূপ সঁহাৰিত আমি কৃতাৰ্থ অনুভৱ কৰিছোঁ। তেখেত সকললৈ আমাৰ শ্ৰদ্ধা তথা কৃতজ্ঞতা যাচিছোঁ। গ্ৰন্থখনিৰ অবিচ্ছেদ্য অংগ বেটুপাতটি, বহু ব্যস্ততাকো আওকাণ কৰি চিত্ৰশিল্পী শ্ৰীযুত দাদুল চলিহা দেৱে অংকন কৰি দিয়াৰ বাবে তেখেতলৈকো আমাৰ আন্তৰিক ধন্যবাদ থাকিল। লগতে অপৰিচিত যিসকল লোকৰ বাবে আমি ইণ্টাৰনেটৰ পৰা চিত্ৰ কিছু সংগ্ৰহ কৰিবলৈ সক্ষম হ'লোঁ, তেখেতসকললৈকো আমাৰ ধন্যবাদ থাকিল।

গ্ৰন্থখনিৰ বিষয় বস্তুৰ প্ৰতি আগ্ৰহিত হৈ বীণা লাইব্ৰেৰীৰ স্বত্বাধিকাৰী শ্ৰীযুত চন্দন দেদেৱে প্ৰকাশৰ দায়িত্ব বহন কৰিবলৈ ইচ্ছা প্ৰকাশ কৰাত অধিক উৎসাহিত হওঁ আৰু সম্ভৱপৰ লেখনি সংগ্ৰহৰ প্ৰচেষ্টা হাতত লৈ সৰ্বমুঠ সাতাইশ (২৭) জন লেখকৰপৰা লেখনি সংগ্ৰহ কৰিবলৈ সক্ষম হওঁ। সেয়েহে আমি বীণা লাইব্ৰেৰীৰ স্বত্বাধিকাৰী গৰাকীৰ সদিচ্ছাৰ প্ৰতি কৃতজ্ঞতা জনোৱাৰ লগতে তেখেতৰ সমূহ কৰ্মকৰ্তালৈকো ধন্যবাদ জ্ঞাপন কৰিলোঁ।

গ্ৰন্থখনিয়ে যদি কিঞ্চিতো অসমৰ সাহিত্য-সংস্কৃতিৰ জগতলৈ বৰঙণি যোগাব পাৰে তাৰ কৃতিত্বৰ দাবীদাৰ সমূহ বুদ্ধিদীপ্ত লেখকৰ। সংস্কৃতিৱান পাঠকৰ সঁহাৰি আৰু সমাদৰে "শতদল"ৰ কৰ্মীসকলক ভবিষ্যতলৈ নিশ্চয় অনুপ্ৰাণিত কৰিব।

শেষত গ্ৰন্থখনিত বৈ যোৱা অনিচ্ছাকৃত ভুল ক্ৰুটিৰ বাবে পাঠক তথা ৰাইজৰ ওচৰত ক্ষমা ভিক্ষা মাগি ভবিষ্যতৰ বাবে দিহা পৰামৰ্শ কামনা কৰিলোঁ।

পুতলী কায়স্থ
উৎপলা বৰুৱা

'শতদল'ৰ কলম

১৯৯৬ চনতে জন্ম লাভ কৰা অসমৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান শতদলে জন্ম লগ্নৰে পৰা স্বাস্থ্য, শিক্ষা, পৰিৱেশ আদি বিভিন্ন দিশত সমাজলৈ সেৱা আগবঢ়াই আহিছে। এনে ধৰণৰ সেৱাৰ বাহিৰেও অসমৰ জন-জীৱনত পৰম্পৰাগতভাৱে পালন কৰি অহা উৎসৱ-পাৰ্বণ আদিৰ বিষয়ত বিভিন্ন গ্ৰন্থও প্ৰকাশৰ দিহা অব্যাহত ৰাখিছে। বৰ্তমানলৈকে "শতদল"ৰ প্ৰচেষ্টাত প্ৰকাশিত গ্ৰন্থসমূহ হৈছে "অসমৰ মাঘবিহু", "কাতিবিহুৰ ৰূপৰেখা", "অসমৰ বিভিন্ন জনগোষ্ঠীৰ বিবাহ পদ্ধতি", "অসমৰ বিভিন্ন জনগোষ্ঠীৰ জন্ম-মৃত্যু সম্পৰ্কীয় লোকাচাৰ" আদিৰ লগতে "দীপালি বৰঠাকুৰ : কথা আৰু গীতেৰে", নীলপৱন বৰুৱাৰ ছবি আৰু কবিতা" ইত্যাদি।

এইবাৰ স্বকীয় ৰীতি-নীতিৰে পৰম্পৰাগতভাৱে অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত উদ্‌যাপিত হৈ অহা বসন্ত উৎসৱৰ বিষয়ক এই গ্ৰন্থখনি প্ৰকাশৰ দিহা কৰা হৈছে। অসমৰ কৃষিজীৱি ৰাইজৰ মাজত অনৈক্যৰ বিপৰীতে ঐক্যৰ ধ্বজা বাহক বসন্ত উৎসৱ বা কৃষি উৎসৱ অথবা ৰঙালী বিহুৰ পৰম্পৰা ৰক্ষাৰ অৰ্থে "অসমৰ বিভিন্ন জনগোষ্ঠীৰ বসন্ত উৎসৱ" শীৰ্ষক গ্ৰন্থখনি ৰাইজৰ হাতত তুলি দিয়াৰ মানসেৰে অনুষ্ঠানটিৰ সক্ৰিয় কৰ্মী পুতলী কায়স্থ আৰু উৎপলা বৰুৱাক সম্পাদনাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। তেওঁলোকৰ জৰিয়তে অসমৰ বিভিন্ন জনগোষ্ঠীৰ লব্ধ প্ৰতিষ্ঠিত লেখক-লেখিকাসকলৰ পৰা লেখনি সংগ্ৰহ কৰি গ্ৰন্থখনি সমৃদ্ধ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলোৱা হৈছে।

অসমৰ সাহিত্য-সংস্কৃতিৰ জগতলৈ আমাৰ অনুষ্ঠানটিৰ জৰিয়তে আগবঢ়োৱা এয়া এক উল্লেখনীয় অৱদান হ'ব বুলি আমি অনুধাৱন কৰিছোঁ। পাঠক তথা সংস্কৃতিৱান ৰাইজৰ সমাদৰে "শতদল"ৰ এনে প্ৰয়াসক ভৱিষ্যতলৈ প্ৰেৰণা যোগাব বুলি আমাৰ বিশ্বাস।

"শতদল"ৰ সদিচ্ছাৰ প্ৰতি সঁহাৰি জনাই লেখা পঠোৱা সদাশয় লেখক-লেখিকাসকল, প্ৰকাশক গোষ্ঠীৰসমূহ কৰ্ম-কৰ্তা আৰু বেটুপাতৰ শিল্পীজনালৈ অনুষ্ঠানটিৰ তৰফৰ পৰা আমি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষত সমাজৰ বাবে, অনাগত দিনৰ বাবে শতদলে এনে প্ৰচেষ্টা অব্যাহত ৰখাৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিৱাকী সচেতন নাগৰিকৰ পৰাই আশিস কামনা কৰিলোঁ।

ধীৰেন্দ্ৰনাথ শইকীয়া
সভাপতি, 'শতদল'

সূচীপত্ৰ

উৎসৱ-অনুষ্ঠান আৰু ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ বসন্ত উৎসৱ

ড° নবীন চন্দ্ৰ শৰ্মা

পৃথিৱীৰ সৰ্বসমাজতে বছৰৰ বিভিন্ন সময়ত বিভিন্ন উৎসৱ-অনুষ্ঠান উদ্‌যাপিত হোৱা দেখা যায়। অৱশ্যে যিকোনো সমাজতে উৎসৱ-অনুষ্ঠান একে সময়তে উদ্‌যাপিত নহ'ব পাৰে; অথবা কোনো এক সমাজৰ বাবে তেনে সময় তাৎপৰ্যপূৰ্ণ হ'লেও আন এখন সমাজৰ বাবে সেই সময়ছোৱা বিশেষত্বপূৰ্ণ নহ'বও পাৰে। তেনে তাৎপৰ্য্যপূৰ্ণ সময়— এটা ঋতুৰপৰা আন এটা ঋতুৰ সংক্ৰমণ; অথবা জীৱনৰ এটা অৱস্থাৰপৰা আন এটা অৱস্থালৈ উত্তৰিত হোৱাৰ ক্ষণ অথবা ঐতিহাসিক ঘটনাৰ বাৰ্ষিক তিথি নাইবা কোনো জনশ্ৰুতিমূলক দেৱতা বা বীৰপুৰুষৰ জন্ম-মৃত্যুৰ তিথি অথবা কোনো এখন সমাজৰ প্ৰতিষ্ঠাতা নাইবা নায়কৰ বা ধৰ্মীয় পুৰুষৰ জীৱনৰ ঘটনা বিধিবদ্ধ কৰা প্ৰতীকী আচৰণ নাইবা কোনো জীৱন্ত ব্যক্তিক সন্মান প্ৰদৰ্শনৰ বাবে ৰক্ষিত হ'ব পাৰে। তেনে সময় বা দিন সামূহিক কৰ্ম, সামূহিক ভোজন, সামূহিক নৃত্য-গীত আৰু সামূহিক খেল-ধেমালিৰ বাবে সুনিৰ্দিষ্ট হ'ব পাৰে।

প্ৰকৃতাৰ্থত বিশেষ ধৰণৰ তাৎপৰ্য্যপূৰ্ণ সময়ত অনুষ্ঠিত অনুষ্ঠানৰ পৌনঃপুনিকতাই উৎসৱ।[১] লোক-উৎসৱ-অনুষ্ঠানবোৰ সামাজিক আচৰণৰ বহিঃপ্ৰকাশ মাথোন। পণ্ডিতসকলৰ মতে আধুনিক উৎসৱ-অনুষ্ঠানসমূহ আদিম মানৱৰদ্বাৰা অনুষ্ঠিত ঐন্দ্ৰজালিক ক্ৰিয়া-কাণ্ডৰ (magical ritual) উত্তৰজীৱিতা (survival) মাথোন। আদিম মানৱ সমাজত ঐন্দ্ৰজালিক ক্ৰিয়া-কাণ্ড উদ্‌যাপিত হৈছিল অজেয় আৰু ভয়াৱহ প্ৰাকৃতিক শক্তিক সন্তুষ্ট কৰিবলৈ, দিনবোৰ দীঘলীয়া কৰিবলৈ, কঠোৰ শীতক দূৰ কৰিবলৈ; খেতি-পথাৰ, হাবি-অৰণ্য, আকাশ-বতাহ, জল-স্থল আদিৰ দেৱ-দেৱীক সন্তুষ্ট কৰিবলৈ। বৃষ্টিৰ দেৱতাক সন্তুষ্ট কৰাটোও উৎসৱ-অনুষ্ঠানৰ অন্যতম লক্ষ্য আছিল। অন্যহাতে পথাৰৰ উৰ্বৰতা বৃদ্ধিৰ বাবেও যাদুমূলক ক্ৰিয়া সম্পাদন কৰা হৈছিল— উৎসৱ-অনুষ্ঠানৰ জৰিয়তে। উৎসৱৰ বিভিন্ন কাৰ্যাৱলীৰ লক্ষ্য আছিল তাত যোগ দিয়া বা ভাগ লোৱাসকলে বিচৰা অনুকূল পৰিস্থিতিক প্ৰতীকাত্মকৰূপে প্ৰকাশ কৰা। এইফালৰপৰা সহজে ক'ব পাৰি যে উচ্ছ্বসিত উপভোগৰ

১। R.G. Smith : 'Festivals and Celebrations' in *Folklore and Folklife*, ed. R.M. Dorson, P. 159

উদ্দেশ্য আছিল— উৰ্বৰতা বৃদ্ধি; পূজা-উপাসনাৰ লক্ষ্য আছিল কৃষিৰ প্ৰাচুৰ্য্যকামনা; উৎসৱৰ সময়ত অবাধ সংগমৰ সুবিধা দিয়া হৈছিল— যাদুমূলক ক্ৰিয়া সাধনৰ বাবে। এই যাদুমূলক ক্ৰিয়াৰো মুখ্য উদ্দেশ্য আছিল কৃষিৰ উন্নতি কামনা। ওপৰৰ আলোচনাৰপৰা সহজে অনুমান কৰিব পাৰি যে উৎসৱ-অনুষ্ঠান ব্যৱস্থাৰ অন্তৰালত বৰ্তমান আছে আদিম মনৰ প্ৰকৃতি, পুৰাণকাহিনী (myth) আৰু ক্ৰিয়া-কাণ্ডৰ মাজত থকা সম্পৰ্ক।[২]

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে পৃথিৱীৰ প্ৰায়বিলাক উৎসৱেই যাদুমূলক ক্ৰিয়া-কাণ্ড (magical-rituals)ৰপৰা বিকশিত হৈছে। আধুনিক সমাজবিজ্ঞানীৰ মতে ধৰ্মীয়কৃত্য প্ৰকৃতাৰ্থত পুৰাণ-কথা বা মিথৰ বিধিবদ্ধকৰণহে। গতিকে পৰম্পৰাগত উৎসৱ একোটিৰ অন্তৰালত একোটি মিথ থাকিব পাৰে। ইয়াৰপৰা সহজে অনুমান কৰিব পাৰি যে মিথ, ধৰ্মীয়কৃত্য আৰু উৎসৱ-অনুষ্ঠানৰ মাজত বিশেষ সম্পৰ্ক ৰক্ষিত হৈ আহিছে। মূলতঃ উৎসৱ-অনুষ্ঠানবোৰ ধৰ্মীয় অনুষংগৰ সৈতে সম্পৃক্ত আছিল। সাম্প্ৰতিক কালতো দেখা যায় যে প্ৰায়বিলাক উৎসৱ-অনুষ্ঠানৰ লগতেই ধৰ্মীয়কৃত্যাদি সংযোজিত।

আধুনিক জীৱনত উৎসৱ-অনুষ্ঠানৰ পৰিসৰ ক্ৰমশঃ বৃদ্ধি হৈছে; যিহেতু ধৰ্মনিৰপেক্ষ স্মৃতি ৰক্ষণাদিকো উৎসৱৰ পৰিসীমাত সামৰা দেখা যায়। ইয়াৰ বাহিৰেও ভাৰতৰ স্বাধীনতা দিৱস, গণতন্ত্ৰ দিৱস, শিশু দিৱস, শিক্ষক দিৱস, অসম সাহিত্য সভাৰ অধিৱেশন আদিকো উৎসৱ আখ্যা দিয়া হৈছে। তেনেদৰে অভিনয়, নৃত্য, সংগীত আদি আমোদজনক অনুষ্ঠানকো উৎসৱৰ চাৰিসীমাত ধৰা দেখা যায়। শংকৰদেৱ, হৰিদেৱ, দামোদৰদেৱ, মাধৱদেৱ, মহাত্মা গান্ধী আদি বৰেণ্য লোকৰ জন্মজয়ন্তী আৰু তিৰোধান উপলক্ষেও উৎসৱ অনুষ্ঠিত হয়। এইবোৰক প্ৰকৃতাৰ্থত উৎসৱ বুলিব নোৱাৰি, যিহেতু এইবোৰৰ জৰিয়তে উৎসৱ-আচৰণ প্ৰকাশ নাপায়; অথবা এইবোৰত প্ৰতীকী অৰ্থও অন্তৰ্নিহিত হৈ নাথাকে। কিছুমান উৎসৱ আকৌ পৰম্পৰাগতভাৱেই পালিত হৈ আহিছে— যদিও সেইবোৰৰ মূল প্ৰতীকী অৰ্থ সম্পূৰ্ণভাৱে পাহৰি পেলোৱা হৈছে।[৩] এই প্ৰসংগত আমি নামনি অসমত প্ৰচলিত 'ভঠেলি' উৎসৱলৈ আঙুলিয়াব পাৰোঁ।

উৎসৱ-অনুষ্ঠান সংস্কৃতিৰ এক অপৰিহাৰ্য্য অংগ। উৎসৱৰ সংযুতিত 'গ্ৰেইট ট্ৰেডিছন' (Great Tradition) আৰু 'লিটল ট্ৰেডিছন' (Little Tradition) উভয়ে উল্লেখযোগ্য বৰঙণি আগবঢ়াব পাৰে। ইয়াৰপৰা সহজে অনুমান কৰিব পাৰি যে

২। R.J. Smith. op-cit.

৩। R. J. Smith. op-cit. P. 160

পৰম্পৰাগত উৎসৱ-অনুষ্ঠানাদি বিভিন্ন সাংস্কৃতিক সমলৰ এক পৰিপূৰ্ণ যৌগ। হিন্দু উৎসৱ-অনুষ্ঠান সম্পৰ্কীয় বৰ্ণনা বিশিষ্ট ৰচনাৰ অভাৱ নহ'লেও এইবোৰ তাত্ত্বিক দিশত আলোকপাত কৰিব পৰা ৰচনা তেনেই সীমিত। গতিকে হিন্দু উৎসৱ-অনুষ্ঠানৰ ঐতিহাসিক অথবা প্ৰকাৰ্য্যত্মক (Functional) বিশ্লেষণ কৰিবলগীয়া হ'লে ইয়াৰ আনুষ্ঠানিক-বৃত্তৰ (ceremonial-cycle) ওপৰত নিৰ্ভৰ কৰিবলগা হয়। এই প্ৰসংগত অছ্কাৰ লিউইছ-এ (Oscar Lewis) সমীচীন মন্তব্য আগবঢ়াইছে ঃ 'Until we have such data, it will not be possible to assess the role of the Hindu festivals in Indian life and the varying degree of integration in different localities between the 'great' and 'little' traditions of Hinduism.'[৪]

অসমত তথা ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত পৰম্পৰাগত প্ৰায়বিলাক উৎসৱ-অনুষ্ঠানৰ অন্তৰালত বৰ্তমান আছে— আদিম মানৱৰ বিশ্বাস আৰু ধৰ্মীয়কৃত্য। পৃথিৱীৰ বিভিন্ন সংস্কৃতিত প্ৰবহমান উৎসৱ-অনুষ্ঠানৰ লগত আদিম মানৱৰদ্বাৰা অনুষ্ঠিত ঐন্দ্ৰজালিক ক্ৰিয়া-কাণ্ড সম্পৃক্ত হৈ থকাৰ দৰে অসমত প্ৰচলিত বিভিন্ন পৰম্পৰাগত উৎসৱৰ লগতো আদিম মানৱৰদ্বাৰা অনুষ্ঠিত ঐন্দ্ৰজালিক ক্ৰিয়া-কাণ্ডৰ সম্পৰ্ক পৰিদৃষ্ট হয়। উৰ্বৰতাবৃদ্ধি, কৃষিৰ প্ৰাচুৰ্য্য কামনা, যাদুক্ৰিয়া সম্পাদন আদি বিভিন্ন উদ্দেশ্য সাধনৰ বাবেই অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত উৎসৱ-অনুষ্ঠানসমূহ পৰম্পৰাগতভাৱে পালন কৰা দেখা যায়। এই উৎসৱ-অনুষ্ঠানসমূহৰ অন্তৰালতো অন্তৰ্নিহিত হৈ আছে প্ৰতীকাত্মক আচৰণ।

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ উৎসৱ-অনুষ্ঠানসমূহ তলত দিয়া ধৰণে ভাগ কৰিব পাৰি; যেনে—

(ক) ঋতুকালীন উৎসৱ (Seasonal festivals),

(খ) পঞ্জিকা আশ্ৰয়ী উৎসৱ (Calendaric festivals),

(গ) সীমিত অংশগ্ৰহণ কৰা উৎসৱ (Limited Participation festivals) আৰু

(ঘ) জীৱনবৃত্তৰ লগত জড়িত উৎসৱ অথবা সংস্কাৰমূলক উৎসৱ (Sacramental and domestic festivals or festivals associated with *rites-de-passage*।

কোনো কোনো পণ্ডিতৰ আদৰ্শানুসৰি তলত দিয়া ধৰণেও উৎসৱ-অনুষ্ঠানবোৰ ভাগ কৰি দেখুৱাব পাৰি ঃ

(ক) গ্ৰেইট ট্ৰেডিছন আৰু লিট'ল ট্ৰেডিছনৰ অন্তৰ্ভুক্ত উৎসৱ-অনুষ্ঠান (Festivals belonging to Great or Little Tradition),

৪। Oscar Lewis : *Village life of Northern India*. pp. 197-98.

(খ) পাৰিবাৰিক বা সামূহিক উৎসৱ-অনুষ্ঠান (Family or community festivals),

(গ) স্বেচ্ছাকৃত বা অস্বেচ্ছাকৃত উৎসৱ-অনুষ্ঠান (Voluntary or non-Voluntary festivals) আৰু

(ঘ) উদ্দেশ্যধৰ্মী উৎসৱ-অনুষ্ঠান (Purposive festivals).[৫]

অসম বা ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ উৎসৱ-অনুষ্ঠানৰ বিষয়ে আলোচনা কৰিবলৈ যোৱাৰ পূৰ্বে ইয়াৰ জনসাংখ্যিক প্ৰতিৰূপৰ বিষয়ে আলোচনা কৰা উচিত হ'ব। ভাৰতীয় সমাজৰ নিচিনাকৈ অসম তথা ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ সমাজো আৰ্য্য আৰু আৰ্য্যবহিৰ্ভূত ভাষা-গোষ্ঠীৰ সমন্বয়ত গঠিত। অসম তথা উত্তৰ-পূব ভাৰতত অধিবাসীসকলক আকৌ জাতি আৰু জনজাতি এই দুটা ভাগত ভগাব পাৰি। জনজাতীয়সকলৰ ভিতৰত বৰো-কছাৰী, ৰাভা, কাৰ্বি, মিচিং, ডিমাচা, তিৱা, দেউৰী, সোণোৱাল কছাৰী, হাজং, ওৰাংচু, নক্টে, তাংগচা, চিংফৌ, আদি, খামতি, নিচি, বংগ্ৰো, আপাতানি, খমিয়াং, মেয়োৰ, মোমবা, মনপা, ইদুমিচিমি, খম্বা, ছেৰদুকপেন, তাগিন, অকা, গালং, দফলা, খাছি, জয়ন্তীয়া, গাৰো, আংগামীনগা, চখেচাং (Chakhesang), ৰেংগমা, জেলিংগ্ৰোং (Zeliangroung), পোচুৰি বা চেংগতাম্ (Pochuri or Sangtam), আও, কন্যেক (Konyak), মিজু, মেইতি, ত্ৰিপুৰী আদিয়েই উল্লেখযোগ্য। বৈদিকীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে বিভিন্ন জনজাতীয় লোকে হিন্দুধৰ্ম গ্ৰহণ কৰিছে। দ্বিতীয়তে, অসমীয়াকৰণ প্ৰক্ৰিয়াৰ সংযোগত অসমত বাস কৰা জাতি-জনজাতি সকলোৱে মিলি সংগ্ৰহিত অসমীয়া সংস্কৃতিৰ শ্ৰীবৃদ্ধিত ইন্ধন যোগাইছে।

অসম তথা উত্তৰ-পূব ভাৰতত হিন্দু, মুছলমান, খ্ৰীষ্টান, বৌদ্ধ, জৈন, শিখ আৰু অন্যান্য ধৰ্মাৱলম্বী লোকে বাস কৰে। জনজাতীয় লোকৰ কিছুমানে পৰম্পৰাগত ধৰ্মকেই মানি আহিছে। ভাৰতৰ দৰে অসম তথা উত্তৰ-পূব ভাৰতৰ জনগণৰ সমাজ ব্যৱস্থাও পৰম্পৰাগত। গতিকে অসম তথা উত্তৰ-পূব ভাৰতৰ উৎসৱ-অনুষ্ঠানৰ স্বৰূপ নিৰ্ণয়ৰ অনুষংগত উপৰোল্লিখিত দিশ বা বিষয়কেইটিত দৃষ্টি নিবদ্ধ কৰিব লাগিব। এই সন্দৰ্ভত বিশেষকৈ অসমৰ হিন্দুসকলৰ প্ৰসংগত উল্লেখ কৰা উচিত হ'ব যে বৈষ্ণৱ, শাক্ত, শৈৱ আদি নামেৰে উৎসৱ-অনুষ্ঠানৰ নামকৰণ কৰাটো অন্ততঃ নৃতাত্ত্বিক দৃষ্টিভংগীৰ ফালৰপৰা সমীচীন নহয়; যিহেতু প্ৰতীকী আচৰণবিশিষ্ট উৎসৱৰ পূৰ্বৰূপ পাহৰি নতুনকৈ ধৰ্মীয় প্ৰলেপ দিহে উৎসৱৰ নামকৰণ কৰা হয়। গতিকে ধৰ্মীয় দৃষ্টিভংগীৰে উৎসৱৰ নামকৰণ কৰা প্ৰৱণতা তুলনামূলকভাৱে অৰ্বাচীন।

৫। S. L. Srivastav : *Folk-Culture and Oral Tradition*, pp. 187-88

(ক) ঋতুকালীন উৎসৱ-অনুষ্ঠান ঃ

উৎসৱ-অনুষ্ঠানবোৰৰ অন্যতম বিশেষত্ব— সিবিলাকৰ জনপ্ৰিয়তা আৰু সাৰ্বজনীনতা। বছৰৰ কোনো কোনো সময়ত লোকজীৱনে কঠোৰ শ্ৰম বা কৰ্মৰপৰা সাময়িকভাৱে বিৰতি লৈ আনন্দোৎসৱত যোগ দিয়ে। সেয়েহে পৃথিৱীৰ বিভিন্ন দেশত, বিভিন্ন ঋতুত, বিভিন্ন উৎসৱ পালন কৰাৰ পৰম্পৰা চলি আহিছে। অনেক ক্ষেত্ৰত ঋতুকালীন উৎসৱসমূহ কৃষিৰ লগত জড়িত বা সম্পৰ্কিত।

(খ) পঞ্জিকা আশ্ৰয়ী উৎসৱ-অনুষ্ঠান ঃ

পঞ্জিকা আশ্ৰয়ী উৎসৱ-অনুষ্ঠানবোৰ সাধাৰণতে মাহ, সংক্ৰান্তি, বিশেষ বিশেষ তিথি আদিত উদ্‌যাপিত হয়। ঋতুকালীন পূজা-উপাসনা আৰু উৎসৱ-অনুষ্ঠান কিছুমানকো পঞ্জিকা আশ্ৰয়ী উৎসৱ-অনুষ্ঠানৰ পৰিধিত সামৰিব পাৰি। বীৰপুৰুষৰ জন্মদিন, মহাপুৰুষসকলৰ জন্ম-মৃত্যু তিথি, জাতীয় উৎসৱ, ১৫ আগষ্ট, ২৬ জানুৱাৰী আদিকো পঞ্জিকা আশ্ৰয়ী উৎসৱ-অনুষ্ঠানৰ পৰিসৰত ধৰিব পাৰি। মুছলমানসকলে উদ্‌যাপন কৰা মহৰম, সবেবৰাত, ৰমজান, ঈদ-উজ-জুহা; খ্ৰীষ্টানসকলে পালন কৰা গুড্‌ফ্ৰাইডে, খ্ৰীষ্টমাছ আৰু বৌদ্ধ-জৈন-শিখসকলে উদ্‌যাপন কৰা বিভিন্ন উৎসৱক পঞ্জিকা আশ্ৰয়ী উৎসৱৰ ভিতৰত ধৰিব পাৰি।

(গ) সীমিত অংশগ্ৰহণ কৰা উৎসৱ ঃ

কোনো এক বিশেষ অঞ্চলৰ সীমিত লোকৰ মাজত প্ৰচলিত বিশেষকৈ ব্যৱসায়ী, মাছমৰীয়া, বাঢ়ৈ, মৰিয়া, কুমাৰ, কমাৰ, হীৰা, আদিৰ মাজত কিছুমান উৎসৱ-অনুষ্ঠান পৰম্পৰাগতভাৱে চলি আহিছে। এই উৎসৱ-অনুষ্ঠানবোৰত সাধাৰণতে সীমিত লোকেহে অংশগ্ৰহণ কৰে, গতিকে এনে ধৰণৰ উৎসৱ-অনুষ্ঠানক সীমিত অংশগ্ৰহণ কৰা উৎসৱ আখ্যা দিব পাৰি। মনসা পূজা, বিশ্বকৰ্মা পূজা আদি সীমিত অংশগ্ৰহণকাৰী উৎসৱে সময়ৰ অগ্ৰগতিত সাৰ্বিক ৰূপ পৰিগ্ৰহ কৰিছে। ইয়াৰপৰা ঠাৱৰ কৰিব পাৰি যে স্থানীয় বা সীমিত উৎসৱ-অনুষ্ঠানে সময়ৰ অগ্ৰগতিৰ লগে লগে সাৰ্বিক ৰূপ লাভ কৰিব পাৰে।

(ঘ) সংস্কাৰমূলক বা জীৱন-বৃত্তৰ লগত জড়িত অথবা ঘৰুৱা উৎসৱ-অনুষ্ঠান ঃ

মানৱ জীৱন বিভিন্ন পৰিবৰ্তন বা অতিক্ৰমণৰ সমষ্টি। ই কোনো এক স্তৰৰপৰা আন এক স্তৰলৈ নাইবা কোনো এক বৃত্তিৰপৰা আন এক বৃত্তিলৈ অতিক্ৰমিত হ'ব পাৰে। Arnold Van Gennep-ৰ ভাষাত 'The life of an individual in any society is a series of passages from one age to another and from one occupation to another.'[৬] এনেধৰণৰ অতিক্ৰমণৰ লগত প্ৰায়ে বিভিন্ন কৃত্য

৬। Arnold Van Gennep : *The Rites of Passage*. pp. 2-3

(rite) সম্পৃক্ত হৈ থকা দেখা যায়। জীৱন-বৃত্তৰ লগত জড়িত হৈ থকা ক্ৰিয়া-কাণ্ডক *rite-de Passage* আখ্যা দিছে আৰ্নল্ড বন জেনেপ-এ।[৭] Passage ফৰাচী শব্দ, ইয়াৰ ইংৰাজী প্ৰতিৰূপ transition[৮] বা অতিক্ৰমণ। Transition বা অতিক্ৰমণ তিনি প্ৰকাৰৰ হ'ব পাৰে। যেনে ঃ

১। পৃথককৰণ বা Separation (Se'paration),

২। সংক্ৰমণ বা উত্তৰণ বা Transition (marge), আৰু

৩। একত্ৰকৰণ বা Incorporation (agre'gation)।

পৃথককৰণ বা Separation বা Se'paration-ৰ পৰিসীমাত মৃতকৰ সংস্কাৰৰ লগত সম্বন্ধযুক্ত কৃত্যাদি সামৰিব পাৰি। সংক্ৰমণ বা উত্তৰণ বা transition বা *marge*-ৰ পৰিসীমাত গৰ্ভাৱস্থাৰ লগত জড়িত বিভিন্ন কৃত্য, বিবাহাৰ্য বাগ্‌দানৰ সৈতে জড়িত অনুষ্ঠান তথা দীক্ষা বা শৰণ গ্ৰহণৰ লগত সম্পৃক্ত কৃত্যাদি কৰা হয়। একত্ৰকৰণ বা incorporation বা agre/gation-ৰ পৰিধিত বিবাহাদিৰ লগত জড়িত কৃত্য আৰু উৎসৱ-অনুষ্ঠান আদি সামৰিব পাৰি।[৯]

জীৱন-বৃত্তৰ লগত জড়িত কৃত্যাদি আৰু উৎসৱ-অনুষ্ঠানসমূহ তলত দিয়াৰ দৰে ভাগ কৰি দেখুৱাব পাৰি ঃ

১। গৰ্ভধাৰণ আৰু সন্তান জন্ম দিয়াৰ লগত সম্পৰ্কযুক্ত কৃত্যাদি আৰু উৎসৱ-অনুষ্ঠান (Pregnancy and child birth);

২। জন্ম আৰু শৈশৱৰ লগত জড়িত কৃত্যাদি আৰু উৎসৱ-অনুষ্ঠান (Birth and childhood);

৩। দীক্ষা আৰু শৰণ গ্ৰহণৰ লগত জড়িত উৎসৱ-অনুষ্ঠান (Initiation rites);

৪। বিবাহাৰ্য বাগ্‌দান আৰু বিবাহৰ লগত সম্বন্ধযুক্ত উৎসৱ-অনুষ্ঠান (Betrothal and marriage); আৰু

৫। মৃতকৰ সংস্কাৰৰ লগত জড়িত উৎসৱ-অনুষ্ঠান (Funerals)।

উৎসৱ-অনুষ্ঠানৰ সংযুতি (Structure of festival) ঃ

উৎসৱ-অনুষ্ঠানক বিশেষ ধৰণৰ আচৰণৰূপে আখ্যা দিব নোৱাৰি; যিহেতু বিভিন্ন পৰম্পৰাগত আচৰণৰ সমষ্টিয়েইহে উৎসৱ-অনুষ্ঠান। দৰাচলতে গীত-পদ-নৃত্য-অভিনয় আদিবোৰেই উৎসৱ-অনুষ্ঠানৰ সাংযুতিক একক। সেয়েহে গীত-পদ-নৃত্য-অভিনয় আদি লোকবিদ্যাৰ (Folklore) অন্য শ্ৰেণীবোৰৰ পূৰ্বাপৰ সম্বন্ধ বা

৭। *Ibid.* Introduction. p. VII

৮। *Ibid*

৯। *Ibid.* Introduction. p. VIII

অনুষংগ (Context) অধ্যয়নৰ বাবে উৎসৱ-অনুষ্ঠান উৰ্বৰক্ষেত্ৰ।[১০] উৎসৱ-অনুষ্ঠানৰ সংযুতিৰ বিভিন্ন একক (unit)বোৰ, যেনে ঃ গীত-পদ, নৃত্য-অভিনয়, সভা-মেলা, উপাসনা, শোভাযাত্ৰা, প্ৰতিমা বা থাপনা, পৰম্পৰাগত বাদ্যযন্ত্ৰ আৰু পোছাক-পৰিচ্ছদ আদিৰ বিষয়ে ভালকৈ নুবুজাকৈ ইয়াৰ বিষয়ে প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰা টান। উৎসৱ-অনুষ্ঠানে কোনো এক অঞ্চলৰ জনসাধাৰণক পৰম্পৰাগত পোছাক-পৰিচ্ছদ পৰিধান কৰিবৰ বাবে অনুকূল পৰিৱেশ ৰচনা কৰে। অকল ইমানেই নহয়, উৎসৱ-অনুষ্ঠানত তেওঁলোকে পৰম্পৰাগত গীত-পদ আবৃত্তি কৰে, পুৰাণ-কথা (myth), জনশ্ৰুতি (legends), সাধুকথা (tales) আদি কয় আৰু শুনে, প্ৰতিমা বা বিগ্ৰহ বা প্ৰতীকসহ শোভাযাত্ৰা কৰে। উৎসৱ-অনুষ্ঠানে সামূহিক ভোজনৰ বাবে প্ৰয়োজনীয় অনুষংগ ৰচনা কৰে। উৎসৱৰ অনুষংগত পৰম্পৰাগত বাদ্যযন্ত্ৰ আদিয়ো বজোৱা হয়। উৎসৱৰ অনুষংগত পৰম্পৰাগত নৃত্য-গীত-অভিনয় আদি অনুষ্ঠিত হয় আৰু ইয়াৰ লগে লগে পৰম্পৰাগত গীত-নৃত্য অভিনয়ৰ সক্ৰিয় ধাৰক আৰু বাহকসকলে পৰম্পৰাগত পৰিৱেশ্য কলা সম্পৰ্কীয় তেওঁলোকৰ দক্ষতা প্ৰদৰ্শন কৰিবলৈও সুবিধা লাভ কৰে।

চমুকৈ ক'বলৈ গ'লে, উৎসৱ-অনুষ্ঠানক লোকবিদ্যাৰ এটা প্ৰধান শ্ৰেণী (genre) ৰূপে গণ্য কৰিব পাৰি; যিহেতু ইয়াত লোকবিদ্যাৰ আন আন উপশ্ৰেণীবোৰ, যেনে ঃ গীত-নৃত্য-অভিনয়, বাদ্য-বাজনা; পুৰাণকথা-জনশ্ৰুতি-সাধুকথা, যোজনা-পটন্তৰ-দৃষ্টান্ত আদি অন্তৰ্নিহিত হৈ থাকে। লোকবিদ্যাৰ বিভিন্ন উপশ্ৰেণীবিলাকৰ বৰ্ণনা আৰু সূত্ৰ দিয়াৰ সুবিধা প্ৰদান কৰে উৎসৱ-অনুষ্ঠানে। অনেক ক্ষেত্ৰ নিৰীক্ষকৰ বাস্তৱ অভিজ্ঞতাৰ ফালৰপৰা সহজে বুজিব পাৰি যে তেওঁলোকে পৰম্পৰাগত পৰিৱেশ্য কলাৰ স্বৰূপ আৰু সূত্ৰ নিৰ্ণয় কৰিছে— কোনো উৎসৱ-অনুষ্ঠানত অনুষ্ঠিত হোৱা গীত-পদ, নৃত্য-অভিনয় আদিৰপৰাহে।

অকল লোকবিদ্যাৰ গৱেষকসকলেই যে উৎসৱ-অনুষ্ঠানৰপৰা লোকবিদ্যাৰ সমল সংগ্ৰহ কৰিছে তেনে নহয়; আন আন গৱেষকসকলেও উৎসৱৰ অনুষংগত প্ৰয়োজনীয় আৰু প্ৰাসংগিক ক্ষেত্ৰসমল সংগ্ৰহ কৰিছে। উদাহৰণস্বৰূপে, তুলনামূলক ধৰ্ম মীমাংসাৰ (Comparative religion) গৱেষকসকলে উৎসৱ-অনুষ্ঠানৰ অনুষংগত ধৰ্মীয় বা কৃত্যতে সমলৰাজি সংগ্ৰহ কৰিব পাৰে। লোকধৰ্মৰ (Folk-religion) স্বৰূপ সম্পৰ্কে সমল সংগ্ৰহ কৰিবৰ বাবেও উৎসৱ-অনুষ্ঠানৰ বিচাৰ-বিশ্লেষণ অপৰিহাৰ্য্য। এজন নৰ্তকেই উৎসৱ-অনুষ্ঠানত কেতিয়াবা ধৰ্মীয় অনুষংগৰ (Sacred context) আৰু কেতিয়াবা লৌকিক অনুষংগৰ (Secular context) লগত জড়িত নাচ নচা দেখা যায়। গীত, ধ্বনি আৰু গতি প্ৰায় একেদৰেই থাকে; কিন্তু আচৰণৰ প্ৰসংগত বিভিন্নতা দেখা যায়। অৱশ্যে নৃত্যৰ বিষয়বস্তু আৰু প্ৰকাৰৰ সংযোগত তাৰ অৰ্থ আৰু কাৰ্য্য বুজা টান হৈ পৰে।

১০। R. J. Smith. op-cit. p. 168

কোনো এটা উৎসৱ যৌগিক (complex) আৰু সামগ্রিকভাৱে (integral whole) বিশ্লেষণ কৰিব লাগিলে কি সূত্র গ্রহণ কৰিব লাগিব? প্রথমতে, প্রত্যেকবিধ আচৰণে উৎসৱ-অনুষ্ঠানৰ কাৰ্য্যত কেনেধৰণে সমল যোগাইছে তালৈ লক্ষ্য কৰিব লাগিব। আমি ধৰি ল'ব পাৰোঁ যে উৎসৱ-আচৰণ ইচ্ছা প্রণোদিত আৰু যুগে যুগে জীৱন-পৰম্পৰা মানুহে সেই আচৰণৰ পৌনঃপুনিকভাৱে প্রদর্শন কৰি আহিছে; অর্থাৎ ব্যক্তিবিশেষৰ অন্যান্য ক্রিয়াই বিশেষ ধৰণৰ প্রত্যক্ষ আৱেগিক অনুক্রিয়া অথবা প্রত্যক্ষ আৱেগিক অৱস্থা প্রকাশ কৰে। পৰম্পৰাগত উৎসৱ-আচৰণে (festival behaviour) কাৰ্য্যকৰী প্রতীক স্বৰূপে কাম কৰা দেখা যায় বিশেষকৈ অভীপ্সিত আৱেগ প্রকাশ কৰাৰ অনুষংগত। উৎসৱ-আচৰণে প্রতীকী অন্যোন্য ক্রিয়াৰ (Symbolic interaction) ওপৰত প্রতিষ্ঠিত আৱেগৰ অনুক্রম গ্রহণ কৰে।

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে উৎসৱ অনুষ্ঠিত হোৱাৰ সময়ত মানুহে পৰম্পৰাগত পোছাক-পৰিচ্ছদ পৰিধান কৰে, যাৰদ্বাৰা তদীয়ত্ব প্রকাশিত হয়। আনুগত্য, বশ্যতা আৰু ভক্তিৰ পাৰম্পৰিক বা তাৰ লৌকিক ৰূপায়ণ দেখা যায়— শোভাযাত্রাত অংশগ্রহণ কৰাৰ ক্ষেত্রত, প্রতিমা বা বিগ্রহ বহনত; অথবা ধ্বজা বহনত বা নাচন-কাচনত। উৎসৱ-আচৰণত সন্তুষ্টি, মংগল কামনা আদি ভাব প্রকাশ পায়— খোৱা-লোৱা আদিৰ জৰিয়তে।

উপৰোল্লিখিত আচৰণৰ সমষ্টিয়েই উৎসৱ। উৎসৱ-অনুষ্ঠানৰ ধাৰণাত গুণাত্মকৰূপৰা মূর্ত আচৰণৰ দিশে গতি কৰাৰ প্রৱণতা বর্তমান থাকে। চমুকৈ ক'বলৈ গ'লে উৎসৱ-অনুষ্ঠান অতিকৈ জটিল আৰু অত্যাৱশ্যকীয় সামাজিক ব্যাপাৰ (Social phenomenon)।

উৎসৱ-অনুষ্ঠানৰ সামাজিক প্রকাৰ্য্য ঃ

উৎসৱ-অনুষ্ঠান উদ্‌যাপনৰ জৰিয়তে জনসাধাৰণৰ শক্তিৰ অপচয় হয় বুলি বহুতে আক্ষেপ কৰিলেও ইয়াৰ সুকাৰ্য্যাৱলী একোতে নুই কৰিব নোৱাৰি। উৎসৱ-অনুষ্ঠানৰ প্রকাৰ্য্যাৱলী বহলভাৱে দুভাগত ভগাব পাৰি; যেনে ঃ (ক) বাস্তৱিক (Positive) আৰু (খ) নঞৰ্থক (Negative)। বাস্তৱিক কাৰ্য্যাৱলীকো বিভিন্ন ভাগত ভগাব পাৰি, যেনে ঃ (i) সংস্কৃতিৰ প্রতিফলন, (ii) ধর্মীয় প্রকাৰ্য্যসাধন, (iii) নিষিদ্ধ আৰু অনুমোদিত আচৰণৰ অভিব্যঞ্জন, (iv) আমোদ-প্রমোদ বা অসৰৰ বিনোদনত ভূমিকা গ্রহণ, (v) বিশ্বাস আৰু কৃত্যৰ প্রমাণীকৰণ বা মান্যকৰণত ভূমিকা গ্রহণ, (vi) অনানুষ্ঠানিক শিক্ষা প্রদান, (vii) নৈতিক শিক্ষা প্রদান, (viii) সমাজীকৰণ, (ix) সমাজ নিয়ন্ত্রণ, (x) সামাজিক প্রতিবাদ, (xi) প্রচাৰ মাধ্যমৰূপে ভূমিকা গ্রহণ আৰু (xii) ঐক্য আৰু সম্প্রীতিৰ ভাব স্থাপন।

(i) সংস্কৃতিৰ প্ৰতিফলন ঃ

উৎসৱ-অনুষ্ঠান সামাজিক ব্যাপাৰ, গতিকে সমাজৰপৰা পৃথক বা একান্তীকৰণ কৰি উৎসৱ-অনুষ্ঠানৰ বিচাৰ-বিশ্লেষণ কৰিব নোৱাৰি। উৎসৱ-অনুষ্ঠানৰ বিভিন্ন উপাদান, যেনে ঃ বাচিক কলা, লোকাচাৰৰ লগত জড়িত বিশ্বাস-পদ্ধতি আৰু আচৰণ আদি সামাজিক আচৰণৰ বাহিৰে আন একো নহয়। সামাজিক আচৰণৰ অন্য নাম সংস্কৃতি। গতিকে উৎসৱ-অনুষ্ঠানৰ মাধ্যমেৰে সংস্কৃতিৰ প্ৰতিফলন হোৱাটো স্বাভাৱিক।

(ii) ধৰ্মীয় প্ৰকাৰ্য্য সাধন ঃ

উৎসৱ-অনুষ্ঠান, কৃত্য-কৰ্মকাণ্ড (rites and rituals) আদি ধৰ্মীয় বিশ্বাসৰ প্ৰত্যক্ষ অভিব্যক্তি মাথোন। ধৰ্মীয় অনুভূতি আৰু বিশ্বাস যথাৰ্থতে জটিল আচৰণ। জন-গণ-মনে এই জটিল আচৰণবোৰ উপলব্ধি কৰিব নোৱাৰে— যদিহে বিশেষ এক মাধ্যমৰ সংযোগত এইবোৰ অভিব্যঞ্জিত নহয়। উৎসৱ-অনুষ্ঠান, কৃত্য আৰু কৰ্মকাণ্ড আদি হ'ল সেই জটিল আচৰণৰাজিৰ চাক্ষুষ মাধ্যম যাৰদ্বাৰা ধৰ্মীয় আচৰণাদিক মান্যকৰণ কৰা (Validation) হয়।

উদাহৰণস্বৰূপে আমি বিহু উৎসৱলৈ আঙুলিয়াব পাৰোঁ। প্ৰজনন-যাদুৰ লগত সম্পৃক্ত বিহু-উৎসৱ বিশেষকৈ নামনি অসমত ধৰ্মীয় অনুষংগৰ জৰিয়তে উত্তৰিত হৈছে। পূজা-হোম, পাঠ-উপাসনা আদি ধৰ্মীয় আচৰণৰ সংযোগত নামনি অসমত বিহু উৎসৱ অনুষ্ঠিত হয়। পূজাৰী, দেউৰী আদিয়ে জনগণৰ হৈ কৃষিৰ প্ৰাচুৰ্য্য কামনা কৰি মাৰি-মৰক বিদূৰণৰ আকাংক্ষা আগত ৰাখি, সন্তানৰ মংগলইচ্ছা মনত ৰাখি দেৱ-দেৱীক পূজা কৰে, নৈৱেদ্য আগবঢ়ায়। জনসাধাৰণে শ্ৰদ্ধা-ৰতি-ভক্তিৰে এই পূজা-উপাসনা বা উৎসৱ-অনুষ্ঠানত অংশগ্ৰহণ কৰে, সেৱা কৰে, নিৰ্মালি গ্ৰহণ কৰে, তেওঁলোকৰ মাজত তেনে প্ৰসংগত কেৱল এটা আদৰ্শই অৰ্থাৎ ধৰ্মীয় আদৰ্শই বিৰাজ কৰে। মুঠতে সমাজৰ আদৰ্শৰাজিক ধৰ্মীয় কৃত্যাদিৰ জৰিয়তে অনুমোদন কৰাৰ পৰিণতি স্বৰূপে সমাজ ব্যৱস্থাও সুৰক্ষিত হয়। ইয়াৰ বাহিৰেও সমাজৰ আচৰণবিধিৰ (code of behaviour) প্ৰসংগতো ধৰ্মীয় কৃত্য বা উৎসৱ-অনুষ্ঠানৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি। তেনেদৰে সামাজিক আচৰণৰ অনুমোদনৰ (sanction) প্ৰসংগতো উৎসৱ-অনুষ্ঠানৰ তাৎপৰ্য্যপূৰ্ণ বৰঙণি লক্ষ্য কৰিব পাৰি।

(iii) নিষিদ্ধ আৰু অনুমোদিত আচৰণৰ অভিব্যঞ্জন ঃ

লোকবিদ্যাৰ বিভিন্ন উপাদানৰ ভিতৰত বিশেষকৈ মিথ-লেজেণ্ড-সাধুকথা আদিত স্থান পোৱা চৰিত্ৰই এনে কিছুমান কৰ্ম সম্পাদন কৰে যিবোৰৰ জৰিয়তে প্ৰাত্যহিক জীৱনত নিষিদ্ধ বা অনুমোদিত আচৰণ অভিব্যঞ্জিত হয়। উৎসৱ-অনুষ্ঠান আকৌ মিথ-লেজেণ্ড-সাধুকথা আদি আবৃত্তি কৰা বা কোৱাৰ বিশিষ্ট অনুষংগ। গতিকে

উৎসৱ-অনুষ্ঠানৰ অনুষংগত আবৃত্তি কৰা বা কোৱা মিথ-লেজেণ্ড-সাধুকথাৰ জৰিয়তে জন-গণ-মনক সামাজিক নিষিদ্ধ আচৰণৰ প্ৰতি সজাগ-সচেতন কৰি তোলা হয় আৰু সামাজিকভাৱে অনুমোদিত আচৰণৰ প্ৰতি তেওঁলোকৰ মন আকৰ্ষণ কৰা হয়।

(iv) আমোদ-প্ৰমোদ বা অৱসৰ-বিনোদনত ভূমিকা গ্ৰহণ ঃ

উৎসৱ-অনুষ্ঠানৰ মুখ্য কাৰ্য্যাৱলী হৈছে আজৰিবিহীন লোক-সমাজক একেলগে ৰং-ৰহইচ কৰিবলৈ সুবিধা প্ৰদান। উৎসৱ-অনুষ্ঠানৰ অনুষংগত লোকবিদ্যাৰ বিভিন্ন উপাদান বিশেষকৈ গীত-পদ, সাধুকথা, মিথ, লেজেণ্ড আদি আবৃত্তি হোৱাৰ উপৰিও এইবোৰ অভিনয় কৰি দেখুৱা হয় আৰু ইয়াৰদ্বাৰা কৰ্মব্যস্ত লোকক আনন্দ প্ৰদান কৰিবলৈ প্ৰয়াস কৰা হয়। গতিকে উৎসৱ-অনুষ্ঠানে লোক-জীৱনক আনন্দৰ খোৰাক যোগাই আহিছে।

(v) ধৰ্মীয় বিশ্বাস আৰু কৃত্যৰ প্ৰমাণীকৰণ বা মান্যকৰণত ভূমিকা গ্ৰহণ ঃ

সংস্কৃতিৰ প্ৰমাণীকৰণ বা মান্যকৰণত লোকবিদ্যাৰ বিভিন্ন উপাদানবোৰৰ ভূমিকা অৰ্থপূৰ্ণ। বিশ্বাস বা প্ৰত্যয় (belief) কোনো আদৰ্শমূলক সিদ্ধান্তৰ বুনিয়াদ। প্ৰযত্ন-ত্ৰুটিৰ (trial and error) সংশ্লেষণৰ জৰিয়তে পূৰ্বৱৰ্তী উপাদানৰ আধাৰত উদ্ভৱ হোৱা প্ৰতীকী আচৰণেই বিশ্বাস বা প্ৰত্যয়।[১১] সাধাৰণতে বিশ্বাস বা প্ৰত্যয়ৰ আধাৰত জন্ম হয় ধৰ্মীয় কৃত্যাদিৰ। আদিম ধৰ্মই হওক কিম্বা আধুনিক ধৰ্মই হওক মূলতঃ ই বিশ্বাস আৰু কৃত্যৰ ওপৰত প্ৰতিষ্ঠিত।

ধৰ্মীয়কৃত্য, কৰ্মকাণ্ড, উৎসৱ-অনুষ্ঠান আদিৰ লগত মিথ জড়িত হৈ থাকে। মিথবোৰ যথাৰ্থতে মেজিক, উৎসৱ, কৃত্য আৰু কৰ্মকাণ্ড তথা সামাজিক সংযুতিৰ চনদ বা পথ নিৰ্দেশক গ্ৰন্থ (guide book) নাইবা হুকুমনামা। মালিনৌৱচ্‌কিৰ ভাষাত ঃ "Myth serves as a warrant, a charter and often even a practical guide."[১২] পৰম্পৰাক অধিক শক্তিশালী কৰাৰ বাহিৰেও ইয়াৰ ওপৰত অত্যধিক গুৰুত্ব আৰু মৰ্যাদা আৰোপ কৰে মিথে ঃ "The function of myth, briefly, is to strengthen tradition and endow it with a greater value and prestige by tracing it back to a higher, better, more supernatural reality of initial events."[১৩]

সত্যনাৰায়ণ পূজা, মনসা বা মাৰৈ পূজা বা বৰমানী পূজা, দুৰ্গা পূজা আদিৰ লগত সম্পৃক্ত মিথবোৰ উক্ত পূজাসমূহৰ চনদ আৰু 'গাইড বুক' স্বৰূপ। পূজা-পৰম্পৰাক এই মিথবোৰে অধিক শক্তিশালী কৰাৰ উপৰিও ইয়াত মৰ্যাদা আৰোপ

১১। Richard T. Lapiere : *Sociology*, p. 274

১২। B. Malinowski : *Myth in Primitive Psychology*, p. 29

১৩। *Ibid.* pp. 91-92

কৰিছে। গৃহীত বা স্বীকৃত প্ৰতিমানৰ বিৰুদ্ধে অসন্তুষ্টি বা সন্দেহ প্ৰৱণতাই গা কৰি উঠিলে অথবা এই প্ৰতিমানক কোনোবাই ধৰ্মীয় নে ধৰ্মনিৰপেক্ষ বুলি প্ৰশ্ন তুলিলে মিথ, লেজেণ্ড আদিয়ে উক্ত প্ৰতিমানৰ প্ৰমাণীকৰণ বা মান্যকৰণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

(vi) অনানুষ্ঠানিক শিক্ষা প্ৰদান ঃ

জ্ঞানৰ অভিজ্ঞাপন উৎসৱ-অনুষ্ঠান আদিৰ লেখীয়া লোক-সাংস্কৃতিক সমলৰ উল্লেখযোগ্য সামাজিক প্ৰকাৰ্য্য। দৰাচলতে সংস্কৃতি অভিজ্ঞাপনিক তথ্যৰ সমষ্টি মাথোন। উৎসৱ-অনুষ্ঠানত অভিব্যঞ্জক কলা, লোকাচাৰ, বিশ্বাস-সংস্কাৰ আদি সম্পৃক্ত হৈ থাকে। এই প্ৰসংগত জনসাধাৰণে পৰিধান কৰা পৰম্পৰাগত পোছাক-পৰিচ্ছদ, খাদ্যদ্ৰব্য, বাদ্য-বাজনা, পৰিৱেশ্যকলা আদি উৎসৱৰ বহিঃআচৰণে অংশগ্ৰহণকাৰীসকলৰ অন্তৰত জাতীয় ভাব আৰু সাংস্কৃতিক চেতনাৰ সঞ্চাৰ কৰে।

ধৰ্মীয়কৃত্য আৰু কৰ্মকাণ্ড, উৎসৱ-অনুষ্ঠান আদিৰ প্ৰসংগত মহিলাসকলে বিভিন্ন গীত-পদ আবৃত্তি কৰে, পূজাৰীয়ে বিভিন্ন দেৱ-দেৱীৰ লগত জড়িত সৃষ্টিমূলক মিথ, মন্ত্ৰ আদি আবৃত্তি কৰে; ওজাপালিয়ে বিভিন্ন মিথ, জনশ্ৰুতি আদি নৃত্য-অভিনয়সহ আবৃত্তি কৰে। ওজাপালিয়ে প্ৰবচন, লোকোক্তি, সাঁথৰ আদি সাৰ্থকভাৱে প্ৰয়োগ কৰে। পুতলানাচ, খুলীয়া ভাউৰীয়া বা ভাৰৰীয়া, ঢুলীয়া, নামুৱৈ আদিয়ে পৌৰাণিক কাহিনী একোটিক চাক্ষুষ ৰূপ দিয়ে অভিনয়ৰ মাধ্যমেৰে। এইদৰে আখৰ লিখিব নজনা লোকসকলে নৈতিক, দাৰ্শনিক, ঐতিহাসিক, ধৰ্মীয়, আধ্যাত্মিক আদি নানা বিষয়ৰ শিক্ষা আৰু জ্ঞান লাভ কৰিবলৈ সক্ষম হয়।

(vii) নৈতিক শিক্ষা প্ৰদান ঃ

লোকবিদ্যাৰ বিভিন্ন সামাজিক প্ৰকাৰ্য্যৰ ভিতৰত নৈতিক শিক্ষা (ethical knowledge) প্ৰদান বিশেষভাৱে উল্লেখযোগ্য। ধৰ্মীয়কৃত্য, কৰ্ম-কাণ্ড, উৎসৱ-অনুষ্ঠানাদিৰ লগত সম্পৃক্ত বিশ্বাস বা প্ৰত্যয়ৰ প্ৰভাৱ মানৱ-আচৰণ (human behaviour) আৰু সমাজ-ব্যৱস্থাত অতিকে গভীৰ। মানৱ-আচৰণৰ নৈতিক মানকবোৰৰ পদ্ধতি বিশেষৰ নামান্তৰ নীতিশাস্ত্ৰ।[১৪] পৃথিৱীৰ বিভিন্ন সংস্কৃতিত অৱশ্যে এই মানকবোৰ একে ধৰণৰ নহ'ব পাৰে; কিন্তু বিভিন্ন সমাজত উদ্‌যাপিত উৎসৱ-অনুষ্ঠান আদিয়ে সামাজিকভাৱে গ্ৰহণযোগ্য আচৰণৰাজি সমৰ্থন কৰে অথবা সবল কৰে। তেনেক্ষেত্ৰত ধৰ্মীয় আচৰণৰ প্ৰসংগত নৈতিক আৰু অনৈতিকৰ প্ৰশ্ন উঠিব নোৱাৰে। ডাৰখেইমৰ (Durkheim) দৃষ্টিত সমাজৰ নৈতিক সংযম আৰু ধৰ্মীয় পদ্ধতি মূলতঃ অভিন্ন।[১৫]

১৪। "Ethics is commonly defined as a system of moral standards of conduct." A. D. W. Malefijt : *Religion and Culture*, p. 290

১৫। Emile durkheim : *The Elementary Forms of the Religious Life*, pp. 236-39

জীৱন-বৃত্তৰ লগত জড়িত বিভিন্ন কৃত্য বা উৎসৱত গেয় গীত-পদবোৰ নৈতিক শিক্ষাৰে সমৃদ্ধ; বিশেষকৈ উপনয়ন আৰু বিবাহৰ অনুষংগত গোৱা গীত-পদত ব্ৰতীৰ পালনীয় কাৰ্য্যাৱলী আৰু কৰ্তব্যাদি, দৰা-কন্যাৰ পাৰস্পৰিক কৰ্তব্য আৰু দায়িত্ববোধ, ব্ৰতী আৰু দৰা-কন্যা উভয়ৰে সমাজৰ প্ৰতি থকা দায়িত্ববোধ, বৈবাহিক জীৱনৰ নৈতিক আদৰ্শ আদিৰ শিক্ষাও এই গীত-পদবোৰৰ জৰিয়তে অনুৰণিত হোৱা দেখা যায়।

উৎসৱ-অনুষ্ঠানৰ অনুষংগত ওজাপালি অনুষ্ঠানে আবৃত্তি কৰা গীত-পদৰ জৰিয়তে নিৰক্ষৰ গঞা ৰাইজে পাপ-পুণ্য, স্বৰ্গ-নৰক, সৎ-অসৎ, ভাল-বেয়া, সঁচা-মিছা, শান্তি-অশান্তি, ধৰ্মৰ জয় তথা অধৰ্মৰ পৰাজয় আদি বিষয়ক নানা নৈতিক শিক্ষা লাভ কৰিবলৈ সমৰ্থ হয়।

(viii) সমাজীকৰণ ঃ

উৎসৱ-অনুষ্ঠানৰ আন এটি উল্লেখযোগ্য সামাজিক প্ৰকাৰ্য্য হৈছে— সমাজীকৰণ। সমাজীকৰণ এক গুৰুত্বপূৰ্ণ সামাজিক প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াৰ জৰিয়তে কোনো এক ব্যক্তি তেওঁৰ সমাজৰ লগত সংহতিত (integrated) হ'বলৈ সক্ষম হয়।[১৬] কোনো এখন সমাজৰ আচৰণৰ অনুকূলে সেই সমাজৰ অসামাজিক আচৰণ বিশিষ্ট ব্যক্তিবিশেষৰ আচৰণৰ পৰিৱৰ্তন সমাজীকৰণ প্ৰক্ৰিয়াৰ বিশেষ ফলশ্ৰুতি। সমাজীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে ব্যক্তিবিশেষৰ অপ্ৰকাশক শক্তি তুলনামূলকভাৱে জটিল আচৰণৰ লগত সম্পৃক্ত হোৱাৰ অনুকূলে পৰিৱৰ্তিত হ'বলৈ বাধ্য হয়। সামাজিক প্ৰমূল্যৰ দিশ অনুসৰি ব্যক্তিৰ শক্তি পৰিচালিত হোৱাৰ ফলস্বৰূপে সামাজিক ব্যক্তিত্ব প্ৰতিষ্ঠিত হয়। সমাজীকৰণ প্ৰক্ৰিয়াত সামাজিক হেঁচাৰ (Social Pressure) অব্যাহত প্ৰয়োগ উপলব্ধি কৰিব পাৰি। সমাজীকৰণ প্ৰক্ৰিয়াৰ ভূমিকা কোনো ব্যক্তিৰ কেৱল শিশুকালতে সীমিত বুলি ক'লে ভুল কৰা হ'ব, কাৰণ বৃদ্ধকাল আনকি মৃত্যুকাল পৰ্য্যন্ত ইয়াৰ অব্যাহত ক্ৰিয়া চলি থাকে।[১৭]

বিভিন্ন উৎসৱ-অনুষ্ঠানৰ লগত সম্পৰ্কযুক্ত বিভিন্ন গীত-পদ, আনুষ্ঠেয় কলা, মিথ-লেজেণ্ড-সাধুকথা আদিয়ে সমাজীকৰণ প্ৰক্ৰিয়াৰ প্ৰসংগত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। তেনেদৰে উৎসৱ-অনুষ্ঠানৰ লগত জড়িত ধৰ্মীয় কৃত্যাদিত অংশগ্ৰহণ কৰি মানুহে সমাজৰ প্ৰতিদৰ্শ আচৰণৰ অনুকূলে ব্যক্তিগত আচৰণ উত্তৰণ কৰি সমাজ জীৱনৰ লগত একীভূত হোৱাৰ আদৰ্শ লাভ কৰে।

১৬। H. J. Herkovits : *Cultural Anthropology*. p. 325
১৭। John J. Honigmann : *Understanding Culture*. p. 287

(ix) সমাজ নিয়ন্ত্ৰণ ঃ

লোকসংস্কৃতিৰ সামাজিক প্ৰকাৰ্য্যৰ ভিতৰত সামাজিক নিয়ন্ত্ৰণ (অৰ্থাৎ Social control) উল্লেখযোগ্য। মানৱৰ জৈৱিক প্ৰকৃতিয়ে সময়ে সময়ে সমাজৰদ্বাৰা অনুমোদিত আচৰণৰ বিৰুদ্ধাচৰণ কৰাৰ প্ৰৱণতা প্ৰকাশ কৰা দেখা যায়। অন্যহাতে সমাজৰ প্ৰত্যেকজন সদস্যই সমাজৰ পৰম্পৰা আৰু আদৰ্শ অক্ষুণ্ণভাৱে ৰক্ষা কৰিবলৈও সফল চেষ্টা চলোৱা দেখা যায়। সময়ে সময়ে দুই-চাৰিজন ব্যক্তিয়ে নিজৰ আদৰ্শ, নৱঅন্তৰ্দৃষ্টি, পৰিকল্পনা আৰু নৈতিক বিধানেৰে সাংস্কৃতিক প্ৰৱাহক সমৃদ্ধ কৰিবলৈও অশেষ যত্ন কৰে। ক্ষেত্ৰবিশেষে ব্যক্তিৰ মৌলিক চিন্তাই সমাজ-জীৱনত পৰম্পৰাগতভাৱে প্ৰচলিত মূল্যবোধৰ সম্পূৰ্ণ বিপৰীতে কাম কৰিবলৈ সচেষ্ট হয়। তেওঁৰ অভিনৱ প্ৰকাশ ক্ষমতাই সমাজৰ পৰম্পৰাগত সংবেদনশীলতাক কম্পিত কৰে। মানৱমাত্ৰেই ভুল-ত্ৰুটিৰ সন্মুখীন হোৱা স্বাভাৱিক। ভুল-ত্ৰুটিৰদ্বাৰা স্বাভাৱিকতে সমাজৰ গতি আক্ৰান্ত হয়।

ধৰ্মীয়কৃত্য, উৎসৱ-অনুষ্ঠান আৰু ইয়াৰ লগত জড়িত গীত-পদ, পৰিৱেশ্যকলা, প্ৰবচন-সাঁথৰ আদিয়ে সামাজিক নিয়ন্ত্ৰণত অৰ্থপূৰ্ণ অহিৰণা যোগাব পাৰে। ধৰ্মীয়কৃত্য, কৰ্ম-কাণ্ড, উৎসৱ-অনুষ্ঠান আদিৰ অন্তৰালত বিশ্বাস পুঞ্জীভূত হৈ আছে যে অত্যাচাৰ-উৎপীড়ন, ঘৃণা-লোভ-বাসনা-অহংকাৰ আদি অসামাজিক আচৰণে আই বসুমতীক বিক্ষুব্ধ কৰে আৰু ইয়াৰ পৰিণতিত অনাবৃষ্টি, আকাল, মাৰি-মৰক আদি সংঘটিত হ'ব পাৰে। পৰিৱেশ্য কলাৰ জৰিয়তে অনুষ্ঠিত মিথ-বৰ্ণনে সামাজিকক আত্মনিয়ন্ত্ৰণ তথা সমাজ নিয়ন্ত্ৰণৰ প্ৰতি সজাগ কৰি তোলে। এই প্ৰসংগত মনত ৰখা উচিত হ'ব যে সামাজিক নিয়ন্ত্ৰণত 'মিথ'ৰ ভূমিকা অবিসম্বাদিত। পাপত লিপ্ত হোৱা বাবে পৌৰাণিক চৰিত্ৰৰ ক্ষেত্ৰত পৰিদৃষ্ট হোৱা পৰিণতিয়ে লোকজীৱনক সুপথে পৰিচালিত হ'বৰ বাবে অনুপ্ৰেৰণা যোগায়। সামাজিক নিয়ন্ত্ৰণত বিভিন্ন বিশ্বাস, অভিবৃত্তি, প্ৰবচন, লোকোক্তি, সাঁথৰ আদিৰ ভূমিকা সুদূৰপ্ৰসাৰী।

(x) সামাজিক প্ৰতিবাদ ঃ

উৎসৱ-অনুষ্ঠানৰ সামাজিক প্ৰকাৰ্য্যসমূহৰ ভিতৰত সামাজিক প্ৰতিবাদৰ স্থানো মন কৰিবলগীয়া। উৎসৱৰ লগত মিথ-লেজেণ্ড-সাধুকথা, গীত-পদ, লোকোক্তি জড়িত। জনসাধাৰণৰ ক্ৰোধ, বিদ্বেষ, প্ৰতিবাদ আদি উপৰোল্লিখিত বাচিক কলাৰ সংযোগত মূৰ্ত হৈ উঠে।

বিভিন্ন ধৰ্মীয়কৃত্য, কৰ্ম-কাণ্ড, উৎসৱ আদিৰ অন্তৰালতো প্ৰতিবাদৰ বীজ নিহিত হৈ থাকে। অসামাজিক অথবা পৰম্পৰাগত সামাজিক ৰীতি-নীতি অনুসৰি অনুমোদন কৰিব নোৱাৰা বেশভূষা পৰিধানকাৰী অথবা ব্ৰতাদি পালন নকৰাকৈ ধৰ্মীয়কৃত্য বা

উৎসৱত অংশগ্ৰহণ কৰিবলৈ অহা অংশগ্ৰহণকাৰীসকলৰ বিৰুদ্ধে সামাজিকভাৱে প্ৰতিবাদ কৰা দেখা যায়। ধৰ্মীয়কৃত্য বা উৎসৱৰ অনুষংগত অনুষ্ঠিত পৰিৱেশ্যকলা বিশেষকৈ ওজাপালি, নাগাৰানাম, পালনাম আদি অনুষ্ঠানৰ জৰিয়তে গোৱা মিথ আদিৰ সংযোগত দেৱ-চৰিত্ৰ বা মানৱ-চৰিত্ৰই কৰা অসামাজিক কৰ্মৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ মানসিকতা এনেবোৰ মিথ শ্ৰৱণৰ জৰিয়তে জনসাধাৰণে লাভ কৰে। ইয়াৰ বিপৰীতে ভাল আৰু সজ কামৰ অনুকূলে সামাজিক অনুমোদন (Social approval) কৰাৰ আদৰ্শও এনে ধৰণৰ মিথ বা পুৰাণকথাৰ আবৃত্তিৰ মাধ্যমেৰে জনসাধাৰণে লাভ কৰে।

(xi) প্ৰচাৰ মাধ্যমৰূপে ভূমিকা গ্ৰহণ ঃ

লোকবিদ্যা বিশেষকৈ প্ৰকাৰ্য্যাত্মক লোকবিদ্যাই (Functional folklore) জনগণৰ মাজত প্ৰচাৰৰ বিশিষ্ট মাধ্যমৰূপে ভূমিকা গ্ৰহণ কৰি আহিছে। প্ৰকাৰ্য্যাত্মক লোকবিদ্যাৰ পৰিসৰে ওজাপালি, পুতলানাচ, ঢুলীয়া, খুলীয়া-ভাওৰীয়া, বহুৱা অনুষ্ঠান, কুশানগান, ভাৰীগান বা ভাওগান আদিক সামৰে। উৎসৱ-অনুষ্ঠানে আকৌ এনে ধৰণৰ প্ৰকাৰ্য্যাত্মক লোকবিদ্যাৰ বিশিষ্ট অনুষংগৰূপে প্ৰকাৰ্য্য সাধন কৰে। এই লেখীয়া অনুষ্ঠানৰ মাধ্যমেৰে কোনো এটা বিশেষ কাৰ্যসূচীৰ প্ৰতি জনগণৰ মনোযোগ আকৰ্ষণ কৰিব পাৰি; অৰ্থাৎ এইবোৰ অনুষ্ঠানক প্ৰচাৰ মাধ্যমৰূপে প্ৰয়োগ কৰিব পাৰি। পৰিয়াল পৰিকল্পনা, সামাজিক বননিকৰণ, অধিক শস্য উৎপাদন, বিস্তৃত গো-সম্পদ পালন, সাম্প্ৰদায়িক সম্প্ৰীতি আদিৰ নিচিনা কাৰ্য্যসূচীৰ প্ৰতি জন-গণ-মনক সজাগ কৰা হয় উৎসৱ-অনুষ্ঠানৰ মাধ্যমেৰে।

(xii) ঐক্য আৰু সম্প্ৰীতিৰ ভাব স্থাপন ঃ

উৎসৱ-অনুষ্ঠানৰ সামাজিক প্ৰকাৰ্য্যসমূহৰ ভিতৰত সামাজিক সংহতি স্থাপন অন্যতম। পৰস্পৰৰ মাজত গ্ৰহণ কৰিব পৰা বিশ্বাসসমূহৰ ভিতৰত ধৰ্মীয় বিশ্বাসে বিভিন্ন শ্ৰেণীৰ লোকক একেখন মঞ্চত একত্ৰিত হ'বৰ বাবে উপযুক্ত পৰিৱেশ ৰচনা কৰে। সমাজৰ অধিকসংখ্যক সদস্যই গ্ৰহণ কৰা ধৰ্মই সমাজৰ প্ৰত্যেকজন ব্যক্তিৰ মাজৰ পাৰস্পৰিক বুজাবুজিৰ ভাব সৃষ্টি কৰিব পাৰে।[১৮]

ধৰ্ম আৰু ধৰ্মীয়কৃত্যৰ ওপৰত প্ৰতিষ্ঠিত উৎসৱ-অনুষ্ঠান আদিয়ে সামাজিক সংহতি স্থাপনত যুগে যুগে তাৎপৰ্য্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। সমাজৰপৰা অপশক্তি নিষ্ক্ৰমণ কৰিবলৈ, কল্যাণকামী শক্তিক আদৰিবলৈ, বৃষ্টি আনয়নৰ যাদু উৎসৱৰ মাধ্যমত প্ৰয়োগ কৰিবলৈ, আই ধৰিত্ৰীক শস্যসম্ভৱা কৰিবলৈ সমৱেত হোৱা সৰ্বশ্ৰেণীৰ লোকৰ মাজত ভাবৰ আদান-প্ৰদান হোৱাৰ পৰিণতিত পৰস্পৰৰ মাজত

১৮। Elizabeth J. Wilkins : An Introduction to Sociology. p. 267

সৌহাৰ্দ্যৰ ভাব প্ৰতিষ্ঠিত হয় আৰু এইদৰে সমাজৰ বিভিন্নজনৰ মাজত ঐক্য আৰু সংহতি স্থাপিত হয়।

(খ) নঞাৰ্থক প্ৰকাৰ্য্য ঃ

উৎসৱ-অনুষ্ঠানৰ নঞাৰ্থক প্ৰকাৰ্য্য (Negative function) নোহোৱা নহয়। উৎসৱ উপলক্ষে জনসাধাৰণে টকা-পইচা খৰচ কৰি কাপোৰ-কানি, পোছাক-পৰিচ্ছদ আদি কিনে আৰু খাদ্যসামগ্ৰীও সংগ্ৰহ তথা প্ৰস্তুত কৰে। ইয়াৰ ফলত বজাৰ-সমাৰ বা মেলাৰ অৱস্থা ভাল হয়। অন্যহাতে উৎসৱ-অনুষ্ঠানত লাগি থকা বাবে জনসাধাৰণে কামৰপৰা অব্যাহতি লয় আৰু সঞ্চিত ধন খৰচ কৰে। পৰিণতিত জনসাধাৰণৰ অৰ্থনৈতিক দিশত বেয়াকৈ আঘাত পৰে। ৰাজ্যিক উৎসৱ-অনুষ্ঠানবোৰ প্ৰায়ে ৰাজনৈতিক উদ্দেশ্য আগত ৰাখি উদ্‌যাপন কৰা দেখা যায়।

বাসন্তিক উৎসৱ ঃ

সাধাৰণতে ফাগুন, চ'ত আৰু ব'হাগ এই তিনি মাহক বসন্তকাল বুলিব পাৰি আৰু এই সময়ছোৱাৰ ভিতৰত অনুষ্ঠিত উৎসৱ-অনুষ্ঠানসমূহক বাসন্তিক উৎসৱ বা বসন্তোৎসৱ আখ্যা দিয়া হয়। বাসন্তিক উৎসৱসমূহ বিশেষ এটা ঋতুত উদ্‌যাপিত হয়, সেইবাবে এই উৎসৱসমূহক ঋতুকালীন উৎসৱ বুলিলেও ৰজিতা খায়। দ্বিতীয়তে, বসন্তোৎসৱসমূহ কম-বেছি পৰিমাণে কৃষিৰ লগত জড়িত, গতিকে এই উৎসৱসমূহ কৃষি-উৎসৱৰূপেও পৰিচিত।

অসমৰ জনজাতীয় আৰু অজনজাতীয় সকলো জনগোষ্ঠীৰ মাজত উলহ-মালহৰে উদ্‌যাপিত ৰঙালী বা ব'হাগ বিহু নিশ্চিতভাৱে বাসন্তিক উৎসৱ। অসমীয়া সংস্কৃতিৰ অন্যতম প্ৰধান অংগ বিহু উৎসৱৰ জন্ম, বিকাশ আৰু অগ্ৰগতিত বিভিন্ন ভাষা-গোষ্ঠীৰ সাংস্কৃতিক প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি। কৃষিৰ প্ৰাচুৰ্য্য কামনা, আই বসুমতীৰ উৰ্বৰতা বৃদ্ধি, নৱবৰষক স্বাগতম জনোৱা আদিয়েই বিহু উৎসৱৰ অন্যতম লক্ষ্য। ভাৰতীয় সংস্কৃতিৰ পটভূমিত বিহু উৎসৱৰ উদ্ভৱ আৰু বিকাশ হোৱা স্বাভাৱিক। অৱশ্যে অসমৰ প্ৰসংগত বিহু উৎসৱৰ শ্ৰীবৃদ্ধিত চিনীয়-তিব্বতো-মংগলয়ডৰ সাংস্কৃতিক সমলৰ ভূমিকা তাৎপৰ্য্যপূৰ্ণ। 'বিহু' শব্দৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে বিভিন্নজনে বিভিন্ন মত আগবঢ়ালেও এইটো সত্য যে সংস্কৃত 'বিযুৱৎ' শব্দৰ পৰা 'বিহু' শব্দৰ উদ্ভৱ হৈছে। বৈদিক 'বিষুৱন' পদৰ অৰ্থৰ পৰিসৰে এবছৰব্যাপী অনুষ্ঠিত হোৱা 'সত্ৰ' বা 'যজ্ঞ'ৰ মাজৰ দিনটোক বুজায় অৰ্থাৎ দিন আৰু ৰাতিৰ প্ৰায় সমান হোৱা দিনটোৱেই 'বিযুৱৎ'ৰূপে পৰিচিত।[১৯] এই দিনটোতেই গৰু-ম'হ আদি সংগ্ৰহৰ অৰ্থে আৰু পোহনীয়া

১৯। ঐতৰেয় ব্ৰাহ্মণ, ১১।৭।১০

জন্তুৰ মংগল কামনা কৰি সূৰ্য্যদেৱতাক স্তুতি কৰা হৈছিল। দ্বিতীয়তে, এই দিনটোতেই মাটিৰ উৰ্বৰতা আৰু শস্যবৃদ্ধিৰ অৰ্থে সূৰ্য্যদেৱতাক সন্তুষ্ট কৰিবলৈ এটি উৎসৱ উদ্‌যাপন কৰিছিল। এই উৎসৱটো 'গোৰময়ন' নামেৰে প্ৰখ্যাত।[২০] 'বিষু' শব্দৰ অৰ্থ সংস্কৃতত দুটা সমান অংশ। তেনেদৰে 'বিষুৱন্' পদৰ আভিধানিক অৰ্থ 'বিষুৱ ৰেখা' আৰু ব্যঞ্জনাৰ্থ যজ্ঞ-সত্ৰৰ মধ্য দিনটো। অসমীয়া ভাষাত প্ৰচলিত 'বিহু' [বিহু < সং বিষু] পদটিৰ প্ৰকাৰ্য্যৰ লগত বৈদিক 'বিষুৱন্' পদৰ প্ৰকাৰ্য্যৰ মিল লক্ষ্য কৰা যায়, যিহেতু বিহু উৎসৱটো বিভিন্ন ধৰ্মীয়কৃত্য উদযাপিত হোৱাৰ বাহিৰেও গৰু-ম'হ আদি পোহনীয়া জন্তুৰ মংগল আৰু কল্যাণ কামনা কৰি অগ্নি আদি দেৱতাক প্ৰাৰ্থনা কৰা হয়। বৈদিক দেৱতা অগ্নিৰ লগত সূৰ্য্য আৰু বিষ্ণু অভিন্ন। গতিকে সূৰ্য্য-উপাসনাই যে অগ্নি-উপাসনা আৰু অগ্নি-উপাসনাই যে বিষ্ণু-উপাসনাৰূপে কল্প সলাইছে তাত সন্দেহ নাই। এই দৃষ্টিভংগীৰ ফালৰপৰা অতি সহজে অনুমান কৰিব পাৰি যে বৈদিক 'গোৰময়ন' উৎসৱেই ৰূপান্তৰিত হৈ বিহু উৎসৱৰূপে আত্মপ্ৰকাশ কৰিছে ঃ

উজনি অসমত 'বিহু', নামনি অসমত 'দোমাহী, 'দোমাসী', 'দুমেহী', 'দুম্হী' আৰু অবিভক্ত গোৱালপাৰাত 'বিসুৱা' আদি নামেৰে পৰিচিত ৰঙালী বিহু উজনি অসমত বিশেষভাৱে ধৰ্মীয়কৃত্য আৰু নৃত্য-গীতেৰে আৰু নামনি অসমত ধৰ্মীয়কৃত্যেৰে উদ্‌যাপিত হয়। চ'ত মাহৰ শেষৰ দিনটোত অৰ্থাৎ চৈত্ৰ সংক্ৰান্তিত ব'হাগ বিহু বা ৰঙালী বিহু অনুষ্ঠিত হৈ সাত দিন পৰ্য্যন্ত থাকে অৰ্থাৎ ব'হাগ মাহৰ ষষ্ঠ দিনত ৰঙালী বিহুৰ সামৰণি পৰে। অবিভক্ত কামৰূপ আৰু নৱগঠিত দৰং জিলাত গোটেই ব'হাগ মাহটোতেই ৰঙালী বিহুৰ উৎসৱ-অনুষ্ঠান চলে। পৰম্পৰামতে ৰঙালী বিহু সাত দিন পৰ্য্যন্ত থাকে। অঞ্চলবিশেষে এই সাত বিহুৰ নাম বেলেগ বেলেগ। সাধাৰণভাৱে এই সাত বিহুৰ নাম এনে ধৰণৰ ঃ গৰু বিহু, মানুহ বিহু, হাত বিহু, চেনেহী বিহু, মাইকী বিহু, ৰঙালী বিহু আৰু ছেৰা বিহু। বৰো-কছাৰীসকলৰ মাজতো ৰঙালী বিহু অৰ্থাৎ বৌসাগুৰ সাত দিন— মগৌ (গৰু বিহু), মানসৈ দোমাহী (মানুহ বিহু), মৌমা (কুকুৰ বিহু), অমা (গাহৰি বিহু), দাওনৌ (কুকুৰা বিহু), হাঁহ আৰু চৰাই-চিৰিকটিৰ বিহু আৰু আলহী-অতিথিক আপ্যায়িত কৰা বিহুৰূপে জনা যায়। নামনি অসমত ব'হাগৰ ষষ্ঠ দিনত 'বিহু-ভাঙা' বুলি কোৱা হয়।

ৰঙালী বিহুৰ সময়ত পৰম্পৰাগতভাৱে চলি অহা বিবিধ সামাজিক আৰু ধৰ্মীয় বিশ্বাসৰ আধাৰত জন্ম হোৱা নানা আচাৰ আৰু কৃত্য অনুষ্ঠিত হয়। এইবোৰৰ ভিতৰত প্ৰথম বিহুৰ দিনা ৰাতিপুৱা দীঘলতি, লাউ-বেঙেনা আদিৰে গৰু ধুওৱা আৰু সেইদিনা গধূলি গোহালিত যাগ দিয়া আৰু প্ৰতিটো গৰুক নতুন পঘাৰে বিহুৱান দিয়া

২০। উক্ত গ্ৰন্থ, ৪।১৮।৬

আদিয়েই উল্লেখযোগ্য। নিজৰ পৰিয়ালৰ সকলোকে নতুনকৈ বোৱা গামোচাৰে বিহুৱান দিয়াৰ বাহিৰেও অঙহী-বঙহী আৰু চেনেহৰজনক এনে বিহুৱান দিয়া হয়— আগন্তুক বছৰটোৰ বাবে মংগল আৰু কল্যাণ কামনা কৰি। গৰুৰ গা ধুওৱা, নতুন পঘা দিয়া আৰু গামোচাৰে বিহুৱান দিয়া আদি আচাৰ যাদুমূলক।

উজনি অসমত ৰঙালী বিহুৰ অনুষংগত ঘৰুৱা আৰু সামূহিকভাৱে (নামঘৰ, সত্ৰ আদিত) ধৰ্মীয়কৃত্য সম্পন্ন কৰা হয় আৰু ইয়াৰ পিছত পথাৰত ডেকা-গাভৰুসকলে যৌৱনৰ নাচ নাচে। পৰম্পৰামতে বিহু নৃত্যত ডেকা-গাভৰুসকলে একেলগে নানাচে, বেলেগ বেলেগকৈহে নাচে। বিহুগীত গোৱাৰ প্ৰসংগত ঢোল-পেঁপা, টকা, গগনা, শিঙা, তাল আদি বাদ্যযন্ত্ৰ সংগত কৰা হয়। বিহুগীত গাওঁতে হাতত চাপৰি মাৰি তাল ৰাখিবলৈ যত্ন কৰে। গীতৰ লগে লগে যৌনগন্ধী অংগি-ভংগি আৰু গতিৰে সৈতে ডেকা বা গাভৰুসকলে নৃত্য কৰে। বিহুগীত বা বিহুনামবোৰ প্ৰায়ে দ্বৈত সংগীতমূলক (antiphonal); যেনে ঃ

গাভৰু ঃ "ভাটীলৈ ভটীয়াই নেযাবা কেঁচা সোণ
নেলাগে বেপাৰৰ ধন,
ঘৰতে থাকিবা ৰামায়ণ পঢ়িবা
শুনিযে থাকিবৰ মন।।"

ডেকা ঃ "তুমি কৰি যাবা ৰোৱনী দাৱনী
মইনো বাই যাম হাল,
তুমি লগাই ল'বা বিহুৰে গামোচা
মইনো পাতি দিম ঐ শাল।।"

অসমত প্ৰচলিত বিহুনাচ কেইটামান সুনিৰ্দিষ্ট প্ৰতিমান (fixed pattern) বিশিষ্ট আৰু ই যৌনমূলক। প্ৰাচীনকালৰ বসন্তকালীন উৰ্বৰতাবাদৰ (fertility cult) লগত ইয়াৰ সম্পৰ্ক স্পষ্ট। নাচনিয়াৰ বা নাচনীবিলাকৰ প্ৰত্যেকে পোনতে তেওঁলোকৰ হাত দুখন নিতম্বৰ ওপৰভাগত ৰাখি মধ্য শৰীৰ আন্দোলিত কৰে আৰু লাহে লাহে হাত দুখন বহলাই মেলি দি প্ৰবলভাৱে নিতম্ব আৰু বক্ষ অঞ্চল পিছলৈ ঠেলি গীত, বাদ্য আৰু চাপৰিৰ তালে তালে নাচে।[২১] বিহুনৃত্যৰ লগত জড়িত খোজ বা বুলন (Step)বোৰ বৰ বিশেষ আকৰ্ষণীয় নহয়, কিন্তু নিতম্ব অঞ্চলৰ কম্পন, বাহু প্ৰসাৰণ আৰু বক্ষ আন্দোলন কৰাৰ ভংগীয়ে দৰ্শকক বিশেষভাৱে আকৰ্ষণ কৰিব পাৰে। বিহুনৃত্য সমতালযুক্ত বা ছন্দায়িত আৰু প্ৰাণৱন্ত।[২২]

২১। Dr. P. Goswami : *Bohag Bihu of Assam and Bihu Songs*, p. 38.
২২। *Ibid*

কোনো কোনো পণ্ডিতে বিহুগীত বা বিহুগীতসদৃশ গীতৰ পৰম্পৰা অনুধাৱন কৰি বৈদিক যুগ বিশেষকৈ 'সামগান'লৈ উভতি গৈছে।[২২ক] 'সামবেদ'ত দুইপ্ৰকাৰ গানৰ উল্লেখ পোৱা যায় ঃ

(১) যজ্ঞৰ অনুষংগত গেয় গীত আৰু (২) লোকগীত বা গ্ৰাম্য গেয় গীত অথবা প্ৰকৃতি গীত নাইবা 'বেয় গীত'। কৃষিজীৱীসকলে গোৱা গ্ৰাম্য বা প্ৰকৃতি বা বেয়-গীতবোৰ পথাৰ-সমাৰ, খেতি-বাতি আদিৰ লগত জড়িত আৰু এইবোৰ শৃংগাৰ ভাববিশিষ্ট গীত। সহজেই বুজিব পাৰি যে এইবিধ গীত গোৱা বা আবৃত্তিকৰণৰ মুখ্য উদ্দেশ্য আছিল প্ৰজনন-যাদুৰ উৎকৰ্ষ সাধন। এইফালৰপৰা 'বেয়' পদৰপৰা বিযো, বিসু বা 'বিহু' ৰূপটিৰ উদ্ভৱ হোৱা একো অস্বাভাৱিক নহয়। আই ধৰিত্ৰীৰ প্ৰজনন শক্তিৰ বৃদ্ধি কামনা কৰি আৰু বৃষ্টি আনয়নৰ অৰ্থে বৈদিক মহাব্ৰত-যজ্ঞত নাৰীসকলে প্ৰজ্বলিত অগ্নিৰ চাৰিওফালে বৃত্তাকাৰভাৱে নৃত্য কৰিছিল। ইয়াত বহ্নি বা অগ্নি কামনাৰ প্ৰতীক। প্ৰজনন শক্তিৰ বৃদ্ধিৰ বাবে বৈদিক মহাব্ৰত-যজ্ঞত অনুষ্ঠিত বৃত্তাকাৰ নৃত্যৰ লগত বিহুগীত আৰু নৃত্যৰ অৰ্থ, প্ৰতীক আৰু উদ্দেশ্যৰ সাদৃশ্য বৰ্তমান।

ৰঙালী বিহুৰ লগত জড়িত আন এবিধ গীত-নৃত্য হৈছে হুঁচৰি অনুষ্ঠান। ই নৃত্য আৰু গীতৰ সমষ্টি। 'হৰি'ৰ নাম উচ্চাৰণ কৰি যি গীত গোৱা হয় সেয়ে হুঁচৰি-গীত। বিহুগীত বিশেষভাৱে উজনি অসমৰ ডেকা-গাভৰুৰ মাজত সীমিত; কিন্তু হুঁচৰি অনুষ্ঠান উজনি-নামনি অসমৰ সৰ্বশ্ৰেণীৰ মাজতো প্ৰচলিত। অকল অসমতেই নহয়, আনকি পূৰ্ব-দক্ষিণ অসমৰ লুছাই, কুকি আৰু উত্তৰ-পূব অসমৰ আবৰবিলাকৰ মাজতো হুঁচৰিসদৃশ গীত গাই আৰু নাচ নাচি পইচা আদি সংগ্ৰহ কৰা দেখা যায়।[২৩]

অসমীয়া হুঁচৰি অনুষ্ঠানত কম-বেছি পৰিমাণে বৈষ্ণৱ ধৰ্মৰদ্বাৰা প্ৰভাৱান্বিত গীত-পদ গোৱা দেখা যায়। গৃহস্থৰ মংগল কামনা কৰি আশীৰ্বাদ দিয়া— হুঁচৰি অনুষ্ঠানৰ অন্যতম বৈশিষ্ট্য। 'বছৰৰ আৰম্ভণিৰ হুঁচৰিত ৰাইজৰ আশীৰ্বাদ মংগলজনক বুলি বিবেচনা কৰা হয়। গৃহস্থয়ো ৰাইজক পইচা আৰু গামোচা, কাপোৰ আদিৰে সন্মানিত কৰে।'[২৪]

হুঁচৰি অনুষ্ঠান, বিহু অনুষ্ঠানৰ 'পাতনি'সদৃশ। ৰঙালী বিহুৰ প্ৰসংগত গধূলি গাঁৱৰ ডেকা-বুঢ়াই ঢোল, টকা, তাল, পেঁপা আদি বজাই ঘৰে ঘৰে গৈ নৃত্যসহ গীত গায়। সাধাৰণতে গাঁৱৰ মান্যবন্ত লোকৰ ঘৰত প্ৰথমে হুঁচৰি গোৱা হয়। হুঁচৰি অনুষ্ঠানত গাভৰুৰ স্থান নাই আৰু ইয়াত যৌনতাৰ গোন্ধ নাই। এজনে হুঁচৰি গীত লগাই দিয়ে,

---

২২ক। ৰাজমোহন নাথ ঃ অসম সাহিত্য সভাৰ তিনিচুকীয়া অধিৱেশনৰ বুৰঞ্জী শাখাৰ অভিভাষণ (১৯৫৮)

২৩। ড° প্ৰফুল্ল দত্ত গোস্বামী ঃ অসমীয়া জনসাহিত্য, পৃঃ ২২

২৪। উক্ত গ্ৰন্থ, পৃঃ ২৩

বাকীবিলাকে বাদ্যযন্ত্ৰ সংগত কৰি আৰু চাপৰি বজাই বৃত্তাকাৰভাৱে ঘূৰি ঘূৰি নৃত্য কৰে। তলত এটা হুঁচৰি গীত দিয়া হ'ল ঃ

"হুঁচৰি বাই ঐ দলৌ চৰাই।
আমি যে আহিছোঁ হুঁচৰি গাই।।
হুঁচৰি বাই ঐ দলৌ চৰাই।
তামোল থোকা পাণ গুছি ৰূপৰ শৰাই।।
ইবাৰীৰ বাঁহ ঐ সিবাৰীৰ বাঁহ।
দুই বাঁহে ঠেকা লাগি যায় চ'ত মাহ।।" ইত্যাদি।
আৰু, "দেউতাৰ পদূলিত গোন্ধাইছে মাধুৰী।
কেতেকী মলেমলায় ঐ গোবিন্দাই ৰাম।।"[২৫]

নামনি অসমত ৰঙালী বিহুৰ অনুষংগত বাঁহৰ লগত জড়িত বিভিন্ন উৎসৱ অনুষ্ঠিত হয়। অবিভক্ত গোৱালপাৰাৰ বাঁশ-পূজা, কামৰূপৰ ভঠেলি, সুৱেৰি বা সোৰি, পাৰৰা বা পাউৰা তোলা, দহৰ ফুৰুৰা, দৰঙৰ 'দেউল', লাম্‌জা কৰা, পুতলাৰ বিয়া, বাঁহ গোসাঁইৰ পূজা আৰু গোৱালপাৰাৰ সোৰি আদি সমগোত্ৰীয় উৎসৱ। ভঠেলি উৎসৱ ব'হাগ মাহৰ বিভিন্ন দিনত ৰাজহুৱা স্থানত উদ্‌যাপিত হয় যদিও সাত বিহুৰ দিনা অৰ্থাৎ ব'হাগৰ ৬ দিনৰ দিনা ভঠেলি বা পাওৰা বা পাউৰা অনুষ্ঠান উদ্‌যাপিত হোৱাটো একপ্ৰকাৰ সুনিৰ্দিষ্ট। দুডাল দীঘল বাঁহ কাটি আনি অথবা মূঢ়াৰে সৈতে বাঁহ দুডাল উভালি আনি কঁটালি ৰং-বিৰঙৰ কাপোৰেৰে মেৰাই আগত একোটাকৈ চোঁৱৰ বান্ধি দিয়ে। দীঘল বাঁহডালক মতাপাৰ বা দৰা আৰু চুটি বাঁহডালক মাইকীপাৰ বা কইনা বোলে। বাঁহ দুডাল গাঁৱৰ মাজেৰে ঢোল-খোল-তাল-শংখ আদি বাদ্য বজাই দুজনকৈ মানুহে কান্ধত কঢ়িয়াই লৈ যায় হৰিধ্বনি কৰি বা গীত-পদ আবৃত্তি কৰি। ৰাজহুৱা স্থানত ডাঙৰ গছৰ গুৰিত বা গাঁত খান্দি আনুষ্ঠানিকভাৱে বাঁহ দুডাল পোতে বা ডাঙৰ গছত আঁওজাই থয়। বাঁহ দুডাল স্থাপন কৰা স্থানৰ ওচৰতে কলপাতেৰে এটি দুচলীয়া ঘৰ সাজে। ইয়াৰ নাম 'ভঠেলি ঘৰ'। ঘৰটো ওপৰলৈ জোঙাকৈ সজা দেখা যায়। এই ঘৰটোৰ ভিতৰত খাদ্যবস্তু আৰু পইচা থোৱা হয়। অঞ্চলবিশেষে নামঘৰৰ ওচৰতে বাঁহ দুডাল স্থাপন কৰে আৰু ওচৰতে ভঠেলি ঘৰটো সাজে। তেনে অৱস্থাত ভঠেলিৰ বাঁহ দুডাল স্থাপন কৰাৰ অন্তত নামঘৰৰ মূল বিগ্ৰহটি শোভাযাত্ৰা কৰি বাহিৰ উলিওৱা হয়। ওচৰ-চুবুৰীয়া ডেকা-গাভৰু, বুঢ়া-বুঢ়ী, ল'ৰা-ছোৱালী সকলোৱে ভঠেলিৰ বাঁহ স্থাপন আৰু বিগ্ৰহসহ কৰা শোভাযাত্ৰাত যোগ দিয়ে পৰম্পৰাগত পোছাক-পৰিচ্ছদ পৰিধান কৰি। ভঠেলি অনুষ্ঠিত

২৫। (—) ঃ বাৰ মাহৰ তেৰ গীত, পৃঃ ১২৭-১৩০

হোৱা ক্ষেত্ৰৰ নাম 'ভঠেলি খলা'। ভঠেলি খলাত মেলা বহে। মেলাত নানাধৰণৰ মিঠাই, সস্তীয়া অলংকাৰপাতি, মাটিৰ পুতলা, শাক-পাচলি, তাঁতশালৰ সঁজুলি, বিভিন্ন 'বাখাৰ' (মচলা), পোছাক-পৰিচ্ছদ আদি বিক্ৰী কৰা হয়। ভঠেলি উৎসৱত জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলোৱে অংশগ্ৰহণ কৰে। উৎসৱৰ শেষত সমবেত ৰাইজে 'ভঠেলি শেষ হ'ল', 'ভঠেলি শেষ হ'ল' বুলি হৰ্ষধ্বনি দিয়ে।

ভঠেলি ঘৰ নভঙাকৈ স্বৰূপাৰ্থত ভঠেলি উৎসৱৰ সামৰণি নপৰে। ভঠেলিৰ দিনা গধূলি দুদল লোকে হাতত কাঠ-বাঁহৰ অস্ত্ৰ লৈ ভঠেলি ঘৰৰ ওচৰলৈ যায়। এদলে ঘৰটো ভাঙিব খোজে, আনটো দলে ভাঙিব নিদিয়ে। ইয়াকে লৈ দুয়োদলৰ মাজত যুদ্ধ কৰাৰ মিথ্যা অভিনয় (mock-fighting) অনুষ্ঠিত হয়। অৱশেষত ভাঙিব খোজা দলৰ লোকসকলে অশ্লীল গীত গাই গাই ঘৰটো ভাঙে আৰু সেই ঘৰটোৰ ভিতৰত থকা খাদ্যদ্ৰব্যবোৰ আৰু পইচাখিনি লৈ যায়। ইয়াৰ নামেই 'ভঠেলি ভঙা' কৃত্য। পৰম্পৰামতে অতীতত ভঠেলি ঘৰ ভঙাক লৈ দুখন গাঁৱৰ মানুহৰ মাজত যুদ্ধ কৰাৰ অভিনয় অনুষ্ঠিত হৈছিল।

ভঠেলি-উৎসৱ উপলক্ষে নাম-কীৰ্তন, নাগাৰানাম, ওজাপালি, ঢুলীয়া আদি আনুষ্ঠেয়কলা অনুষ্ঠিত হয়।

দক্ষিণ কামৰূপৰ অঞ্চলবিশেষে ভঠেলি উৎসৱ 'সোৰি' নামেৰে পৰিচিত। সোৰিৰ অনুষংগত ওখ বাঁহ দুডাল পোতা নহয়, কিন্তু উপৰভাগৰ জেকেনি বা চেকনিবোৰ নকটা বাঁহৰ খুঁটাবোৰ এনেভাৱে পোতা হয়, যাতে ওচৰ গাঁৱৰ নামঘৰৰ পৰা শোভাযাত্ৰা কৰি সিংহাসনৰ সৈতে অহা বিগ্ৰহবোৰ স্থাপন কৰিব পাৰি। এই খুঁটাবোৰৰ নাম 'ছাট'। বিগ্ৰহবোৰ স্থাপন কৰাৰ অন্তত ইয়াৰ পৰা কিছুদূৰৈত তাহানি ম'হযুঁজ, হাতীযুঁজ আৰু ঘোঁৰাদৌৰ অনুষ্ঠিত হৈছিল। সোৰি উৎসৱ সাধাৰণতে দুপৰীয়াৰ পৰা আৰম্ভ হয় আৰু গধূলি হোৱাৰ পূৰ্বেই সিংহাসনৰ সৈতে স্থাপন কৰা বিগ্ৰহবিলাক নিজ নিজ নামঘৰলৈ লৈ যায়। প্ৰতিখন সিংহাসন বিগ্ৰহৰ সৈতে নিবলৈ ধৰাৰ লগে লগে সেই সিংহাসনৰ লগত যোৱা মানুহবিলাক দুটা দলত বিভক্ত হৈ এটা দলে বাটেৰে যাওঁতে বাটত পোৱা বাধাবোৰত যেনে ঃ ওলমি থকা গছৰ ডাল, ভাঁজ লাগি পৰি থকা কলপাত আদিত কোবায় অথবা কাটে; আনটো দলে তাত বাধা দিয়ে। এইদৰে দুয়োটা দলৰ মাজত মিথ্যা যুঁজৰ অভিনয় (mock fighting) অনুষ্ঠিত হয়। সিংহাসন লৈ যোৱা দলটোৱে পৰিশেষত জয়লাভ কৰে। ৰাস্তাৰ ওচৰতে থকা মানুহৰ ঘৰলৈ সিংহাসনসহ বিগ্ৰহ লৈ যোৱা হয় আৰু গৃহস্থই তামোল-পাণ, নৈবেদ্য, পইচা, ধূপ-দীপ আদি আগবঢ়াই বিগ্ৰহ বা গোসাঁইক আদৰে।[২৬]

২৬। Dr. P. Goswami : *Bohag Bihu of Assam and Bihu Songs*, p. 17

কামৰূপ জিলাৰ ৰামদিয়াত ভঠেলি আৰু সোৰি উৎসৱ মাধৱদেৱ ৰামদিয়ালৈ ভটীয়াই অহা আৰু মহাপুৰুষজনাৰ বিদায়ৰ সোঁৱৰণীৰ লগত সম্পৃক্ত কৰি বৈষ্ণৱ উৎসৱৰূপে পালন কৰাৰ পৰম্পৰা প্ৰচলিত।

পলাশবাৰী অঞ্চলত দধি-মথন কৃত্যৰ মাধ্যমত ব'হাগী উৎসৱ উদ্‌যাপন কৰা ঐতিহ্য প্ৰচলিত। সৰু সৰু আঠজনী ছোৱালীক গোপী সজোৱা হয়। এই গোপীসকলে দুজনীকৈ চাৰিটা দলত বিভক্ত হৈ দধিমন্থনৰ অভিনয় কৰে। বাৰজন সৰু ল'ৰাই বালগোপাল অৰ্থাৎ শিশুকৃষ্ণৰ নিচিনাকৈ পোছাক-পৰিচ্ছদ পিন্ধি নৃত্য কৰে। এই বাৰজন ল'ৰাই কৃষ্ণৰ সৈতে বাৰগোপালৰ অভিনয় কৰে।[২৭] উত্তৰ কামৰূপৰ চামতা অঞ্চলৰ কিছুমান মুছলমানে বাঁহ-বিয়া পাতে আৰু ইয়াৰ স্থানীয় নাম ভঠেলি। মদন-কামদেৱৰ পূজাই বাঁহ-বিয়াৰূপে পৰিবৰ্তিত হ'ব পাৰে। মদন-কামদেৱৰ পূজা বা বাঁশ বিয়া উৎসৱৰ প্ৰচলন উত্তৰবংগৰ কোচবিহাৰতো প্ৰচলিত। এই পূজা অনুষ্ঠিত হয় চৈত মাহৰ পূৰ্ণিমা তিথিত। বজালী অঞ্চলৰ কোনো কোনো ঠাইত এডাল দীঘল বাঁহ কলগছ এজোপাত আঁউজাই থৈ মদনমোহন গোসাঁইৰূপে পূজা কৰা দেখা যায়। মদনমোহন গোসাঁইৰ আন নাম কৃষ্ণ আৰু কলগছত আঁউজাই থোৱা বাঁহডালক কৃষ্ণৰূপে পূজা কৰে।[২৮]

কছাৰীসকলেও ভঠেলি উৎসৱ পালন কৰে। এই প্ৰসংগত তেওঁলোকৰ মাজত এডাল বাঁহৰহে ব্যৱহাৰ দেখা যায়। অঞ্চলবিশেষে ই 'ভৈঠেলি'ৰূপেও জনাজাত। 'ভৈঠেলি'ৰ অৰ্থ ভটিয়নী সোঁতত যি উটি যায়। ভঠেলিৰ নিচিনাকৈ বাঁহডাল ৰং-বিৰঙৰ কাপোৰেৰে মেৰিয়াই ৰাজহুৱা স্থানত বা ৰাজহুৱা পূজাস্থানত মাটিত পোতা হয় আৰু ইয়াৰ ওচৰতে সৰু জুপুৰি এটাও সজা দেখা যায় আৰু এই ঘৰটোৰ ভিতৰত কল্যাণকামী আৰু অকল্যাণকামী উভয় দেৱ-দেৱীলৈ ক'লা পাৰ চৰাই আৰু ক'লা পঠাসহ বিবিধ নৈৱেদ্য আগবঢ়াই প্ৰাৰ্থনা কৰে— তেওঁলোকৰ গাঁৱত মাৰি-মৰক আদি নহ'বলৈ আৰু দেৱ-দেৱীসকল ভটিয়াই যাবলৈ। এই উদ্দেশ্যৰে তেওঁলোকে এখন কলৰ ভেলত নৈৱেদ্যসহ পাৰ চৰাই আৰু পঠাটো তুলি দি নদীৰ ভটিয়নী সোঁতত এৰি দিয়ে। কছাৰীসকলৰ ভঠেলি কৃত্যক স্বৰূপাৰ্থত সামূহিকভাৱে অকল্যাণ বিদূৰণ কৃত্যৰ (Public expulsion of evils) লগত তুলনা কৰিব পাৰি।

ছিড্নী এণ্ডেলৰ (Sidney Endle) মতে ৰঙালী বিহু অৰ্থাৎ বৈসাগুৰ শেষৰদিনা কছাৰীসকলে এডাল দীঘল বাঁহ কাটি-চিকুণাই বিভিন্ন ৰং-বিৰঙৰ কাপোৰেৰে মেৰিয়াই সুসজ্জিত কৰে। ইয়াৰ নাম পাওৱা। ৰাতিপুৱাৰে পৰা পাওৱাডাল ওচৰ-চুবুৰীয়া গাঁৱৰ মানুহৰ ঘৰে ঘৰে শোভাযাত্ৰা কৰি লৈ ফুৰোৱা হয়। ইয়াৰ অন্তত পথাৰ বা

২৭। *Ibid*

২৮। *Ibid*

মুকলি ঠাইত থকা ডাঙৰ গছ এজোপাত পাওৱাডাল আঁউজাই থয়। ইয়াৰ ওচৰতে ডেকা-গাভৰু, বুঢ়া-বুঢ়ী আৰু ল'ৰা-ছোৱালী গোট খায়। পাওৱা তোলাৰ অনুষংগত তেওঁলোকে নাচ-গান কৰে। কেতিয়াবা কেতিয়াবা মল্লযুদ্ধও অনুষ্ঠিত হয়। মাদল-খাম-তাল-চিফুং আদি বাদ্যধ্বনিৰে পাওৱাস্থলী মুখৰিত হৈ পৰে। পাওৱা কৃত্যই প্ৰাচীন লিংগ পূজাৰ প্ৰতিনিধিত্ব কৰিব পাৰে। এই প্ৰসংগত পাওৱাই লিংগৰ ভূমিকা গ্ৰহণ কৰিছে।[২৯]

দক্ষিণ কামৰূপৰ নগৰবেৰা, উপৰহালী আদি অঞ্চলত ৰঙালী বিহু উপলক্ষে সুৰেৰি উৎসৱ উদ্‌যাপিত হয়। এই উৎসৱত প্ৰাধান্য লাভ কৰে নৃত্য আৰু অভিনয়ে। উৎসৱ উপলক্ষে দহজনী অকুমাৰী ছোৱালীয়ে আগদিনা লঘোনে থাকি পিছদিনা গোপিনী আৰু ৰাধিকাৰ ভাও লয়। এজন সৰু ল'ৰাই কৃষ্ণৰ ভাও লয়। দুজন বয়সীয়া লোকৰ এজনে নন্দৰ আৰু আনজনে যশোদাৰ ভাও লয়। কামৰূপত বিশেষকৈ দক্ষিণ কামৰূপত বৈষ্ণৱ ধৰ্মৰ লগত সম্পৃক্ত কাহিনী আৰু নৃত্য-অভিনয়ৰ সংযোগত ৰঙালী বিহু উদ্‌যাপিত হয়।

উত্তৰ কামৰূপত 'দহৰ ফুৰুৱা' কৃত্যৰ জৰিয়তে ৰঙালী বিহু পালিত হয়। 'মানুহটোৰ সমান ওখ'কৈ বাঁহৰ অংশ এটা কাটি চিকুণাই বিভিন্ন ৰঙৰ কাপোৰেৰে মেৰিয়াই বাঁহৰ অংশটোৰ শীৰ্ষভাগত চোঁৱৰ, ফুলৰ মালা আদি আঁৰি দিয়া হয়। এইদৰে 'দহৰ গোসাঁই' সজোৱা হয়। প্ৰথম বিহুৰ দিনাৰ পৰাই ঢোল-খোল-তাল বাদ্য বজাই নাম-কীৰ্তন আৰু শোভাযাত্ৰা কৰি দহৰ গোসাঁইক ঘৰে ঘৰে ফুৰোৱা হয়। প্ৰতিঘৰ মানুহে শৰাইত তামোল-পাণ আৰু পইচা দি দহৰ গোঁসাইক আদৰে আৰু 'দহৰ গোসাঁই' লৈ ফুৰাসকলে গৃহস্থক এনেদৰে আশীৰ্বাদ দিয়ে ঃ

'জয় দহৰ গোসাঁইক চিন্তি হৰিবোল হৰিবোল... হৰিবোল।
গৃহস্থৰ কুশল হক, বেটা-পুত্ৰ বাঢ়ক, ভাখৰীৰ ধান বাঢ়ক।।'

এইদৰে প্ৰথম বিহুৰ পৰা ছয় বিহু পৰ্য্যন্ত 'দহৰ গোসাঁই'ক ঘৰে ঘৰে ফুৰোৱা হয় আৰু সাত বিহুৰ দিনা দহৰ গোসাঁইক ৰাজহুৱা নামঘৰত স্থাপন কৰি নাম-কীৰ্তন কৰা দেখা যায়।

দহৰ গোসাঁই বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে; যেনে ঃ গোসাঁই-দহৰ (অৰ্থাৎ কৃষ্ণ গোসাঁইৰ দহৰ), বুঢ়া-গোসাঁইৰ দহৰ (অৰ্থাৎ শিৱৰ দহৰ), কামাখ্যা দহৰ (অৰ্থাৎ কামাখ্যা গোসাঁনীৰ দহৰ) ইত্যাদি। দৰাচলতে দহৰবোৰ বিভিন্ন দেৱ-দেৱীৰ প্ৰতিৰূপ (replica) স্বৰূপেহে সজোৱা হয়।[৩০]

২৯। Rev. Sidney Endle : *The Kacharis*, p. 34

৩০। শ্ৰীযতীন গোস্বামী ঃ 'কামৰূপত সাতবিহুৰ উৎসৱ' [ব'হাগ বিহুৰ বাৰেবৰণীয়া ছবি, ড° প্ৰফুল্ল দত্ত গোস্বামী সম্পাদিত] পৃঃ ৪৫

89310/A-DLN-DLS/2017

পাওৰা তোলা বা পাৰ তোলাৰ লগত ইন্দ্ৰধ্বজ উত্তোলন কৃত্যৰ সাদৃশ্য চকুতলগা। ৰাভা আৰু হাজংবিলাকৰ মাজতো পাওৰা বা পাউৰা বা পাৰ তোলা উৎসৱৰ সমগোত্ৰীয় উৎসৱ প্ৰচলিত। ভঠেলি বা পাওৰা বা পাউৰা তোলা উৎসৱত প্ৰাধান্য লাভ কৰে বাঁহে, তদ্ৰূপ ৰাভা আৰু হাজংবিলাকৰ মাজত প্ৰচলিত 'বাঁশ-পূজা'তো বাঁহে প্ৰাধান্য লাভ কৰে। ভঠেলি উৎসৱৰ নিচিনাকৈ হাজং আৰু ৰাভা সমাজত অনুষ্ঠিত 'বাঁশ-পূজা'ৰ অনুষংগতো এডাল দীঘল বাঁহ ৰং-বিৰঙৰ কাপোৰেৰে সজোৱা হয়।[৩১] ৰাভাসকলৰ মাজত অনুষ্ঠিত 'পাৰো-বাঁহ' উৎসৱ আৰু কামৰূপত উদ্‌যাপিত 'ভঠেলি' উৎসৱৰ মাজত পাৰ্থক্য লক্ষ্য কৰা নাযায়।[৩২] 'পাৰো-বাঁহ' উৎসৱত বিভিন্ন ৰঙৰ কাপোৰেৰে সুসজ্জিত দীঘল বাঁহ এডাল পুতি পৰম্পৰাগতভাৱে পূজা-উপাসনা কৰা হয়। এই পূজাত এযোৰ পাৰ চৰাই উছৰ্গা কৰাটো বাধ্যতামূলক। পাৰ চৰাইৰ লগত উৎসৱটো বিশেষভাৱে জড়িত বাবে ইয়াক পাৰো বা পাৰ উৎসৱ বোলে। শ্ৰীপ্ৰাণেশ্বৰ ৰাভাৰ মতে 'পাৰো' বা 'পাৰ' এগৰাকী দেৱীহে। তেওঁ মাৰি-মৰকৰ দেৱী। তেওঁক সন্তুষ্ট কৰি গাঁৱৰপৰা বিদায় দিবৰ বাবে যি উৎসৱ অনুষ্ঠিত হয় সিয়েই 'পাৰো' বা 'পাৰ' উৎসৱ।[৩৩]

ৰঙালী বিহু উপলক্ষে অথবা বসন্ত কালত গাৰোপাহাৰ আৰু গোৱালপাৰা জিলাৰ স্থানবিশেষে হাজং আৰু ৰাজবংশীসকলৰদ্বাৰা বাঁশ-পূজা বা বাঁহ-পূজা উৎসৱ অনুষ্ঠিত হয়। এই উৎসৱত মদন আৰু গোপাল দেৱতাৰ প্ৰতীক স্বৰূপে তিনিডাল বাঁহক পূজা কৰে। বাঁহকেইডাল চাঁচি-চুৰুকি লোৱা হয়। প্ৰথম বাঁহডালত বগা কাপোৰ মেৰোৱা হয়। দ্বিতীয় বাঁহডালত মেৰোৱা হয় ৰঙা কাপোৰ। এই দুয়োডাল বাঁহৰ শীৰ্ষভাগত একোটাকৈ চোঁৱৰ বান্ধি নিচেই ওচৰা-উচৰিকৈ ৰাজহুৱা স্থানত বা মকুলি পথাৰত পোতে। তৃতীয়ডাল বাঁহৰ ওপৰত জাকৈ-খালৈ আৰু এখন ভঙা নাঙল আঁৰি দিয়া দেখা যায়। এই বাঁহডালো বাকী দুডালৰপৰা অলপ দূৰৈত পোতা হয়। ইয়াৰ পিছত বাঁহ তিনিডালৰ গুৰিত তিনি দিন ধৰি পূজা কৰে। পূজাৰ প্ৰসংগত গাভৰু বা তিৰোতাৰ বাহিৰে আনবিলাকে বিশেষকৈ ডেকা-বুঢ়া আদিয়ে ঢোল-তাল বজাই গীত গায় আৰু গীতৰ লগে লগে নাচে। তিৰোতাসকলে 'বাঁশ-পূজা'ৰ গীত-নৃত্যত অংশগ্ৰহণ কৰিব নোৱাৰিলেও দৰ্শক হিচাপে উপভোগ কৰিব পাৰে। বাঁশ-পূজাৰ অনুষংগত গোৱা গীতবোৰ প্ৰায়ে শৃংগাৰ ৰসবিশিষ্ট। উদাহৰণস্বৰূপে দুটা গীত তলত দিয়া হ'ল ঃ

৩১। শ্ৰীপূৰ্ণচন্দ্ৰ ৰাভা ঃ 'পাৰো-বাঁহ' (জনশিক্ষা, ২৩শ সংখ্যা) পৃঃ ৩
শ্ৰীপৰেশচন্দ্ৰ হাজং ঃ 'বাঁহ-পূজাৰ গীত' (মহাজাতি, ১৯।৩।৬৯)

৩২। শ্ৰীপূৰ্ণচন্দ্ৰ ৰাভা, উক্ত প্ৰবন্ধ

৩৩। শ্ৰীৰাভাদেৱৰ ইতিমধ্যে পৰলোকপ্ৰাপ্তি ঘটিছে।

(ক) পৰিল বাৰিষা কালৰে় মোহন ভৰিয়া গেল নদী;
মনে কয় উৰিয়া যাং বিধি পাংখা নাই দেয় মোহনৰে।
(খ) জেঠ বৈশাখে ঘন কৰি উজাই লাগিছে মাছ;
ৰাধে গেল জল আনিতে কানাই লাগিল পাছ।
(গ) উপাৰে শ্যাম ৰাংগা ধানেৰ পাকিয়া হইল ঝুনা।
সোণাৰ মুখে চুম্বক দিতে ভাঙিল নটেৰ গুণা।।[৩৪]

কোনো কোনোৰ মতে 'পাৰ্বতী' শব্দৰপৰা পাওৱা বা পাউৰা বা পাৰা শব্দৰ বিকাশ হৈছে।[৩৫]

উত্তৰ কামৰূপত প্ৰচলিত পাওৱা বা পাউৰা উৎসৱতো দুডাল দীঘল বাঁহ কঁটালি বিভিন্ন ৰঙৰ কাপোৰ মেৰাই শীৰ্ষভাগত একোটাকৈ চোঁৱৰ বান্ধি মাজভাগত ফুলৰ থোপা বা ফুলৰ মালা আঁৰি দিয়া হয় আৰু দুজন দুজনকৈ মানুহে কান্ধত বাঁহ দুডাল তুলি লৈ গাঁৱৰ মাজে মাজে শোভাযাত্ৰা কৰি মুকলি ঠাইত অথবা নামঘৰ বা সত্ৰৰ সন্মুখত ওখ আৰু ডাঙৰ গছৰ গুৰিত গাঁত খান্দি পুতি গছজোপাত আঁউজাই থয়। বাঁহ দুডাল শোভাযাত্ৰা কৰি আনোতে ঢোল-খোল-তাল আদি বজোৱা হয় আৰু অঞ্চলবিশেষে গীত-পদো গোৱা দেখা যায়।

বজালী অঞ্চলৰ গোবিন্দপুৰত সত্ৰীয়া ৰীতিৰে পাওৱা বা পাউৰা উৎসৱ পালন কৰাৰ ঐতিহ্য প্ৰচলিত হৈ আহিছে— দামোদৰদেৱৰ অন্যতম আজ্ঞাপৰ শিষ্য আৰু গোবিন্দপুৰ সত্ৰ প্ৰতিষ্ঠাতা শ্ৰীভগৱানদেৱৰ দিনৰপৰা।[৩৬] গোবিন্দপুৰ সত্ৰ প্ৰতিষ্ঠাৰ পূৰ্বে সেই অঞ্চলত জনজাতিসকলেও বাস কৰিছিল। জনজাতিসকল বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱলৈ অহাৰ পূৰ্বে তেওঁলোক আছিল শিৱ-পাৰ্বতীৰ পূজক। তেওঁলোকে ছয় ব'হাগৰ দিনা অৰ্থাৎ সাত বিহুৰ দিনা শিৱ-পাৰ্বতীৰ প্ৰতীক বাঁহ-পূজা উদ্‌যাপন কৰিছিল।

দামোদৰদেৱে তেওঁৰ অনুগত আৰু আজ্ঞাপৰ শিষ্য শ্ৰীভগৱানদেৱক বৰ্তমানৰ গোবিন্দপুৰ অঞ্চলত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবলৈ নিৰ্দেশ দিয়ে। তদনুক্ৰমে তেওঁ আহিল আৰু তাত সত্ৰ স্থাপন কৰি নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰত মনোনিৱেশ কৰিলে যদিও শিৱ-পাৰ্বতী পূজকসকলৰপৰা তেওঁ বাধা পাবলৈ ধৰিলে। তেওঁ পুনৰ ঘূৰি গৈ গুৰু দামোদৰদেৱৰ ওচৰত সমাধান বিচাৰি সমস্যাটো উপস্থাপন কৰিলে। তেতিয়া দূৰদৰ্শী দেৱদামোদৰে বিশ্বস্ত শিষ্য ভগৱানদেৱক নিৰ্দেশ দিলে জনজাতিসকলৰ দেৱতা শিৱ-

৩৪। শ্ৰীপৰেশ চন্দ্ৰ হাজং, প্ৰাগুক্ত প্ৰবন্ধ
৩৫। সংবাদদাতা : শ্ৰীৰাম চন্দ্ৰ কলিতা (৭২), হৰিপুৰ, বজালী, ২০।৪।৮৭
: শ্ৰীধৰম কলিতা (৭৫), বৰভালা, বজালী, ২০।৪।৮৭
৩৬। (—) : শ্ৰীবৈকুণ্ঠ নাৰায়ণ গোস্বামী (৬৫), গোবিন্দপুৰ সত্ৰ, ২০।৪।৮৭

পাৰ্বতীকো সত্ৰায়িত কৰিবলৈ। গুৰু-আদেশ শিৰে ধৰি শিৱ-পাৰ্বতীৰ প্ৰতীক পাওৱা বা পাউৰাক সত্ৰায়িত কৰা হ'ল; অৰ্থাৎ গোবিন্দপুৰ সত্ৰত বৈষ্ণৱ ৰীতিৰে শ্যামৰায়ৰ চৰণ প্ৰান্তত পাওৱাৰ শীৰ্ষভাগ স্পৰ্শ কৰাই অৰ্থাৎ প্ৰণিপাত কৰাই সমূহ বৈষ্ণৱৰ উপস্থিতিত পাওৱা তোলা হ'ল। সেই অঞ্চলৰ জনজাতিসকলেও শ্ৰীভগৱানদেৱৰ ওচৰত শৰণ লৈ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰে আৰু গোবিন্দপুৰত সত্ৰীয়া ৰীতিৰে পাওৱা তোলা পৰম্পৰা আৰম্ভ হ'ল আৰু তেতিয়াৰেপৰা সেই পৰম্পৰা অবিচ্ছিন্নভাৱে বৰ্তমানো চলি আছে।[৩৭] গোবিন্দপুৰ সত্ৰত পাওৱা উত্তোলন কৰাৰ সময়ত বৰ্তমানো 'জয় পাৰ্বতী আইক চিন্তি হৰিবোল' বুলি হৰিধ্বনি দিয়ে। মহিলাসকলে পাওৱা তোলাৰ অনুষংগত পাৰ্বতীৰ গুণ-মহিমা প্ৰকাশক গীত-পদ গায়।[৩৮]

বাঘমাৰা, পাঠশালা, পাটাছাৰকুছি, বেজকুছি আদিতো পাউৰা উৎসৱ প্ৰচলিত। বাঘমাৰা অঞ্চলত পাওৱা তোলাৰ সময়ত আই-বাইসকলে গীত-পদ গায়। তেনে শ্ৰেণীৰ এটা গীত তলত দিয়া হ'ল দৃষ্টান্তস্বৰূপে ঃ

'পাউৰা পাউৰা সবাতকৈ চৰুৱা।
অ' ৰাম, আছিলি বাঁহৰে মাজে, অ' ৰাম।।
আজিহে পৰিলি মনুষ্যৰ হাতে।
অ' ৰাম, ন ন কাচানা কাচে, অ' ৰাম।।
ঝুন ঝুন তুল্যা টেঙাৰ ফুল।
আমাৰ পাউৰাৰ ৰূপ দেখি ৰাইজে গেইছি ভুল।।
ঝুন ঝুন তুল্যা টেঙাৰ ফুল।
ঝুন ঝুন তুল্যা টেঙাৰ পাহি।
আমাৰ পাউৰাৰ ৰূপ দেখি ৰাইজে তোলে হাঁহি।।
ঝুন ঝুন ঝাৰা টেঙাৰ পাত।
আমাৰ পাউৰাৰ ৰূপ দেখি ৰাইজে নাখে ভাত।।
ঝুন ঝুন তুল্যা টেঙাৰ সিয়া।
আমাৰ পাউৰাৰ ৰূপ দেখি ৰাইজে দিছি থিয়া।।'[৩৯]

সৰ্থেবাৰী অঞ্চলতো সাতবিহুৰ অনুষংগত পাওৱা বা পাউৰা উৎসৱ উদ্‌যাপিত হয়। পাউৰা সজোৱা, তোলা আদি বিভিন্ন অনুষংগত আই-বাই আৰু গাভৰুসকলে গীত-পদ গায়। পাউৰা সজোৱা গীতৰ উদাহৰণস্বৰূপে তলত এটি গীত দিয়া হ'ল ঃ

৩৭। (—) ঃ উক্ত সংবাদদাতা

৩৮। (—) ঃ ক্ৰমাংক ৩৫ত উল্লেখ থকা ব্যক্তি দুগৰাকী।

৩৯। (—) ঃ শ্ৰীমতী যাদৱী কলিতা (৫০), বাঘমাৰা (কঁঠলমুৰি), ১১।১।৮৭
ঃ শ্ৰীমতী কমলা দাস (৬০), বাঘমাৰা (কঁঠলমুৰি), ১১।১।৮৭

'বাঁহৰে বখুৰা থৈয়ো পাৰুৱা দেউ-এ
বাঁহৰে বখুৰা থৈয়ো।
তুমালৈ আনিছে শুৱালকুছিয়া পাটৰ কাপুৰ
আনন্দ কৰিয়া লৈয়ো।।
জামা নাইকা ঘৰে জামা নাইকা ঘৰে-এ
জামা আনি দিলাক ডিগবই বাজাৰে
পিন্ধাৰে পাৰুৱা দেউ-এ।।
চোঁৱাৰ নাইকা ঘৰে, চোঁৱাৰ নাইকা ঘৰে
চোঁৱাৰ আনি দিলাক সদিয়া বাজাৰে
পিন্ধাৰে পাৰুৱা দেউ-এ।।[৪০]

পাউৰা তোলাৰ সময়ত গোৱা গীতৰ নমুনা ঃ

এতদিনে পাউৰা দেৰে
আছিলা বাঁহৰে মাজতে
গৰ্খীয়া ছলিক লাগল পাই উঠিলা কান্ধতে।
পাৰুৱা পাৰুৱা সবাতো কৰি সৰুৱা
নপৰিবা হালিহে।
পাৰুৱা তোলা ছলি গিলাই
ধৰিব তুমাক ডাঙ্গিহে।।[৪১]

'পাউৰা' স্থাপন কৰাৰ অনুষংগত বয়সীয়া তিৰোতাবিলাকেও গীত-পদ গায়। তেনে শ্ৰেণীৰ দুটিমান গীত তলত দিয়া হ'ল ঃ

(ক) 'সভাৰ খলাৰ পথাৰতে
এ সখী বেতে গুঁথা বেৰা।
ছয় মাহে বছৰ দিনে
এ সখী উঠে হাতী ঘোঁৰা।।
পাৰুৱা দেউৰ গুৰিতে অ' কাঁচ পাতে
এটা কুমাৰ চৰু অ' কাঁচ পাতে।।
এমুঠি মলুখা ধৰে
কাঁচ পাতে লাজতে নামাতে।

* * *

৪০। সংবাদদাতা ঃ ড° উমেশ ডেকা, গুৱাহাটী বিশ্ববিদ্যালয়, ২৭।৪।৮৮
৪১। (—) ঃ উক্ত সংবাদদাতা

কোনবা গৰ্‌খীয়া ছলি
অ' কাঁচ পাতে।
দলিটো মাৰিলি, অ' কুঁচ পাতে
পাৰুৱা দেউ লঘনে পৰে
কাঁচ পাতে লাজতে নামাতে।।[৪২]

(খ) পাৰুৱা পাৰুৱা, অ' সৰগ পতি।
সবাতো কৰি চৰুৱা, অ' সৰগ পতি।।
নপৰিবা ঢলি অ' সৰগ পতি।
অ' ৰংগিয়াল কাকতি।।[৪৩]

(গ) তুমাক তুলা, অ' সৰগ পতি।
গৰ্‌খীয়া ছলি, অ' সৰগ পতি।।
তিয়ঁহৰে জালি, অ' সৰগ পতি।
অ' ৰংগিয়াল কাকতি।।[৪৪]

পাউৰা উত্তোলন কৰাৰ পিছত বয়সিয়াল তিৰোতাসকল দুটা দলত বিভক্ত হৈ ইটো দলে সিটো দলক আক্ৰমণ কৰি 'খিচা গীদ' [খিচা গীত = যোৰা নাম] গায় ঃ

প্ৰথমটো দল ঃ 'আতাথেৰ পাৰুৱা, তল্লাথেৰ পাৰুৱা
এ সখী তামুলীথেৰ পাৰুৱা কৈ হে?

দ্বিতীয়টো দল ঃ চৌধুৰীথেৰ পাৰুৱা দবৰে পৰুৱা
আতাথেৰ পৰুৱা কৈহে?
আতাথেৰ পাৰুৱা আহিবা ধৰিছে
গুৰ্‌গুৰি হোকাটো খাইহে।
ৰং গুৰি বং গেল বাগৰি।।

প্ৰথম দল ঃ সৈলকথেৰ পাৰুৱা সবাত কৰি চৰুৱা।
বথথেৰ পাৰুৱা চাপৰ হে ৰাম।।'[৪৫]

পাউৰা তোলা উৎসৱৰ অনুষংগত 'হাফলা দিয়া', 'হাউ', 'ঢোপ', 'গাতাগুটি', 'তেলৰ গাছ' (বাঁহ এডাল পুতি তাত মিঠাতেল সানি) বগোৱা আদি বিভিন্ন খেল

৪২-৪৪। (—) ঃ উক্ত সংবাদদাতা
৪৫। (—) ঃ উক্ত সংবাদদাতা

অনুষ্ঠিত হয়। ইয়াৰ লগে লগে ঢুলীয়াও উঠে। অঞ্চলবিশেষে থিয় নাম, নাগাৰা নাম আদিও পৰিৱেশন কৰা দেখা যায়।

নৱগঠিত দৰং, পুব কামৰূপৰ পাতিদৰং আদি অঞ্চলত দেউল, বাঁহ-পূজা আদিৰে ৰঙালী বিহু পালন কৰা হয়। দেউল উৎসৱৰ উদ্দেশ্য, অৰ্থ, আচৰণ আৰু সংযুতিৰ লগত ভঠেলি, সুৰি, সোৰি, সৰি, পাওৱা বা পাউৰাতোলা আৰু বাঁশ-পূজাৰ সাদৃশ্য স্পষ্ট। দৰং আৰু পাতিদৰঙত বাঁহ-পূজন কৃত্যত নতুন অৰ্থ আৰোপ কৰি অৰ্থাৎ শুদ্ধিৰ মাধ্যমেৰে 'গ্ৰেট ট্ৰেডিছন'ৰ লগত সমীভূত হৈ বিষ্ণুৰ দোলাৰোহণ কৃত্যত পৰিণতি লাভ কৰিছে। দ্বিতীয়তে, দেউলাৰ উদ্ভৱ আৰু বিকাশত ধৰ্মদেৱতা আৰু তেওঁৰ উপাসনা পদ্ধতিৰ ক্ষীণ প্ৰভাৱ পৰিব পাৰে। পূৰ্ববংগৰ 'দেল পূজা' বা 'চোত পূজা'ৰ লগতো 'দেউল পূজা'ৰ সাদৃশ্য লক্ষ্য কৰিব পৰি। 'দেল পূজা' প্ৰতি বছৰে ১লা চ'তৰ পৰা আৰম্ভ হৈ চ'ত আৰু ব'হাগৰ সংক্ৰান্তিৰ দিনা বিশেষ উৎসৱ-অনুষ্ঠানৰ সৈতে সামৰণি পৰে।[৪৬] দক্ষিণ গোৱালপাৰাৰ স্থানবিশেষে ৰঙালী বিহু বা বিষুৱা উপলক্ষে ডাঙৰ মেলা অনুষ্ঠিত হয়। এই মেলাৰ স্থানীয় নাম 'দেউল'। পুব কামৰূপ আৰু দৰঙৰ বাসন্তিক উৎসৱ দেউলৰ সাংযুতিক এককৰ অন্যতম একক মেলা। গতিকে গোৱালপাৰাৰ 'দেউল উৎসৱ'ৰ লগত পুব কামৰূপ আৰু দৰঙৰ 'দেউল উৎসৱ'ৰ যোগসূত্ৰ বিশেষভাৱে স্থাপন কৰিব পাৰি।[৪৭]

আচাৰ্য্য মনোৰঞ্জন শাস্ত্ৰীৰ মতে স্মাৰ্ত পণ্ডিত বেদাচাৰ্য্যই 'বাঁহ পূজা' অথবা 'ভঠেলি-উৎসৱ'ক শুদ্ধি প্ৰক্ৰিয়াৰদ্বাৰা 'দেউল পূজা'লৈ সমুন্নয়ন কৰে। অৱশ্যে বেদাচাৰ্য্যৰ দিনত 'দেউল পূজা'ৰ প্ৰসাৰ আছিল সীমিত। ইয়াৰ বিপৰীতে দৰঙী ৰজাসকলৰ ৰাজত্বত 'দেশ দৰংগ'ত দেউল পূজা বিশেষভাৱে সম্প্ৰসাৰিত হয়। আহোম স্বৰ্গদেউসকলৰ নিচিনাকৈ দৰঙী ৰজাসকলেও ৰজাঘৰীয়া উৎসৱৰূপে পূৰ্বৰেপৰা চলি অহা দেউল উৎসৱক স্বীকৃতি দিয়ে। আহোম স্বৰ্গদেউসকলে ৰঙালী বিহু উদ্‌যাপন কৰিছিল সাতদিনীয়াকৈ আৰু দৰঙী ৰজাসকলে সমগ্ৰ মাহটোতে দেউল-উৎসৱৰ সংযোগত ৰঙালী বিহু পালন কৰিছিল। আহোম স্বৰ্গদেউসকলে নৃত্য-গীত, ম'হযুঁজ, মালযুঁজ আদিৰ মাধ্যমেৰে ৰঙালী বিহু পালন কৰিছিল; কিন্তু দৰঙী ৰজাসকলে বিষ্ণুযজ্ঞ, নৃত্য-গীত-অভিনয়, মেলা আদিৰ জৰিয়তে এমহীয়াকৈ ৰঙালী বিহু পালন কৰিবলৈ কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছিল। ৰজাঘৰীয়া পৃষ্ঠপোষকতা লাভ কৰি দেউল পূজাই জনপ্ৰিয় উৎসৱৰূপে প্ৰসাৰতা লাভ কৰিছিল বৰদৰং আৰু

৪৬। মোহাম্মদ সাইদুৰ (সম্পাঃ) ঃ লোকসাহিত্য সংকলন ঃ আনুষ্ঠানিক গীত, বাংলা একাডেমী, ঢাকা, পৃঃ ২৯৭

৪৭। ড° বীৰেন্দ্ৰ নাথ দত্ত ঃ 'গোৱালপাৰাৰ বিহু' (ব'হাগ বিহুৰ বাৰেবৰণীয়া ছবি, ড° প্ৰফুল্লদত্ত গোস্বামী সম্পাদিত), পৃঃ ৮১

পাতিদৰং উভয় অঞ্চলতে। পূৰ্বৰ সেই পৰম্পৰা অব্যাহত আৰু নিৰবচ্ছিন্নভাৱে বৰদৰং আৰু পাতিদৰং উভয় অঞ্চলতে বৰ্তমানে প্ৰবহমান। ৰামদিয়াতো দেউল-উৎসৱৰ পৰম্পৰা নোহোৱা নহয়। ৰামদিয়াৰ ঢুলীয়া বুঢ়াৰ সত্ৰ অৰ্থাৎ ঢুলা সত্ৰত ব'হাগৰ ৫ তাৰিখে (অৰ্থাৎ ছয় বিহুত) দেউল উৎসৱ উদ্‌যাপন কৰে— বিষ্ণুপূজা, হোম আদিৰ সংযোগত। দেউল-উৎসৱ উদ্‌যাপন কৰিহে পিছদিনা অৰ্থাৎ ব'হাগৰ ৬ তাৰিখে (৭ বিহুত) এইখন সত্ৰৰ বিগ্ৰহ ভঠেলি বা সুঁৱেৰি খলালৈ নিয়ে। মৰিগাঁও অঞ্চলতো ৰঙালী বিহুৰ অনুষংগত 'দেউল'সদৃশ উৎসৱ পালন কৰা দেখা যায়।

পূব কামৰূপৰ পাতিদৰং অঞ্চলত বিশেষকৈ চাৰিআলি, বেজেৰা, শালমাৰা (সালমাৰা), পিংগলেশ্বৰ আদি বিভিন্ন স্থানত 'দেউল পূজা' বা উৎসৱক সভা বোলে। দৰঙৰ নিচিনাকৈ 'দেউল ভিঠি' নিৰ্মাণ কৰি বিষ্ণুপূজা, হোম আদি কৰা হয় আৰু ওচৰতে ডাঙৰ মেলা বহে। এইফালৰপৰা দৰঙৰ দেউল উৎসৱৰ লগত পাতিদৰং অঞ্চলত প্ৰচলিত সভাৰ সংযুতি, ৰূপ আৰু অৰ্থৰ সাদৃশ্য পৰিলক্ষণীয়। ব'হাগৰ প্ৰথম দোমাহীত বেজেৰাৰ সস্তৰত (সত্ৰত) সভা অৰ্থাৎ দেউল পূজা অনুষ্ঠিত হয়। এই সভা বা দেউলৰ অন্যতম বিশেষত্ব পাওৰা বা পাউৰা (বিভিন্ন ৰঙৰ কাপোৰেৰে সুসজ্জিত বাঁহ এডাল অৰ্জুন গছ এজোপাত আঁউজাই থোৱা) তোলা। দুডাল বা তিনিডাল বাঁহ যোৰা লগাইহে পাউৰাৰ বাঁহডাল প্ৰস্তুত কৰা হয়। সস্তৰৰ বাহিৰে পূব কামৰূপৰ আন ঠাইত সভা বা দেউলৰ অনুষংগত পাওৰা বা পাউৰা তোলা নহয়। বজালী অঞ্চলত প্ৰচলিত পাওৰা বা পাউৰা তোলা উৎসৱৰ লগত বেজেৰাৰ সস্তৰত অনুষ্ঠিত পাওৰা তোলা উৎসৱৰ সাদৃশ্য দেখা যায়।

দৰং জিলাৰ অন্তৰ্গত টংলাৰ সমীপস্থ পলাহগড়ত (ঝাৰগাঁও) ৬ ব'হাগৰ দিনা আনুষ্ঠানিকভাৱে বিভিন্ন ৰঙৰ কাপোৰেৰে সুসজ্জিত দুজোপা বাঁহৰ বিয়া পাতে। সুসজ্জিত বাঁহ দুডালৰ ওখডাল পাৰ্বতী আৰু চুটিডাল শিৱ বা ঝাপেৰী গোহাঁইৰ প্ৰতীক। বাঁহৰ বিয়াখন 'ঝাপেৰী গোহাঁইৰ বিয়া' নামেৰেও পৰিচিত। বিয়াৰ অন্তত বাঁহ দুডাল তিনি-চাৰিজন মতা মানুহে কান্ধত তুলি গৈ গাঁও ফুৰাবৰ বাবে অগ্ৰসৰ হয়। তেওঁলোকৰ লগত গাঁৱৰ ডেকা-বুঢ়াসকলেও ঢোল-তাল বজাই আগবাঢ়ে শোভাযাত্ৰা কৰি। বাঁহ দুডালসহ সমগ্ৰ অঞ্চলটো ঘূৰাৰ অন্তত শেষনিশা বাঁহ দুডাল নদীৰ সোঁতত বা পুখুৰীৰ পানীত উটুৱাই দিয়ে আৰু বাঁহ দুডাল কঢ়িওৱা মানুহকেইজনে গা-পা ধুই ঘৰলৈ ঘূৰি আহে। তেওঁলোকে বিশ্বাস কৰে যে পানীৰ সোঁতে বাঁহ দুডাল উটুৱাই নিয়াৰ ফলত গাঁৱৰপৰা বিপদ-বিঘিনি, অপায়-অমংগল, মাৰি-মৰক আদি আঁতৰি যায়। ইয়াৰপৰা সহজে অনুমান কৰিব পাৰি যে 'ঝাপেৰী গোহাঁইৰ বিয়া' মুখ্যতঃ সামূহিকভাৱে অকল্যাণ আৰু অমংগল বিদূৰণ কৃত্যৰ ওপৰত প্ৰতিষ্ঠিত।

দ্বিতীয়তে, উত্তৰ কামৰূপত প্ৰচলিত দহৰ ফুৰোৱা উৎসৱৰ লগতো 'ঝাপেৰী গোহাঁইৰ বিয়া'ৰ সংযুতিৰ অন্যতম একক 'গাঁও ফুৰোৱা'ৰ (দহৰ ফুৰোৱা) সাদৃশ্য স্পষ্ট। ৮ ব'হাগত এইখন গাঁৱতেই অনুষ্ঠিত হয়— 'গাছ বিয়া' বা 'শিৱ-পাৰ্বতীৰ বিয়া' বা 'বেউলা-লখিন্দৰৰ বিয়া'। সেইদিনা নিচেই পুৱাতে খেৰৰ দুটা জুমুঠিৰ ওপৰত কাপোৰ মেৰিয়াই দুটা পুতলা প্ৰস্তুত কৰি ওচৰতে থকা গছজোপাৰ ডাল এটিত বান্ধি থৈ আহে আৰু বিয়াৰ অনুষংগত কৰিবলগীয়া কৃত্যবোৰ, যেনেঃ তেল দিয়া, পানীতোলা আদি সম্পন্ন কৰি আনুষ্ঠানিকভাৱে পুতলা দুটা গছৰপৰা নমাই অনা হয়। বিয়াত যি ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ পালন কৰি দৰা-কন্যাক নোৱায় তদ্ৰূপ এই পুতলা দুটাকো দৰা-কইনাৰ নিচিনাকৈ গীত-পদ, বাদ্য-বাজনা উৰুলি-জোকাৰ আদিৰ মাজত নোওৱা-ধোওৱা হয়। ইয়াৰ পিছত যথাবিহিতভাৱে হোম পুৰি পুতলা দুটাৰ বিয়া পাতে। কলগছৰ দোনাৰে নিৰ্মিত মেৰঘৰত দৰা-কন্যাক (পুতলা দুটা) যথানিয়মে ৰাখে। ইয়াকে বোলে ঘৰদিয়া। আবেলি কলগছৰ দোনাৰে নিৰ্মিত দোলা এখনত দৰা-কন্যা' উভয়ৰে (পুতলা দুটা) তুলি নি পানীত উটুৱাই দিয়ে। পিছলৈ নোচোৱাকৈ দোলাভাৰী দুজন আৰু তেওঁলোকৰ দলৰ লোকসকল আৰু আন এটা দলৰ লোকৰ মাজত দলি মৰা-মৰি হয়। বিশ্বাস কৰা হয় যে এনেদৰে দলি বা চপৰা মৰামৰি কৰিলে ভূত-প্ৰেত-অপদেৱতা আদি আহিব নোৱাৰে। দোলাত তুলি নি পুতলা দুটা নদীৰ সোঁতত উটুৱাই দিয়াৰ যাদুমূলক অৰ্থ (magical meaning) গাঁৱৰপৰা বিপদ-বিঘিনি আৰু অপায়-অমংগল আদি সামূহিকভাৱে খেদি পঠোৱা। বিয়াৰ আঠ দিনত এই গাঁৱৰ লোকসকলে সামূহিকভাৱে আঠমঙলা বা নেওতা পাতে। আঠমঙলাত মাছ-মাংস আদিৰে ভোজ বান্ধি দুখন কলপাতত দৰা আৰু কইনাৰ উদ্দেশ্যে ভাত-ব্যঞ্জন, মাছ-মাংস, পিঠা-পনা আদি বাঢ়ি দি আওহতীয়া ডাঙৰ গছ এজোপাৰ তলত থৈ আহি ৰাইজে হৰিধ্বনি দি ভোজ খায়। অপদেৱতাক সন্তুষ্ট কৰি গাঁৱৰপৰা বিদায় দিবৰ বাবেই যে এইদৰে ভাত-আঞ্জা আদি আগবঢ়ায় তাত সন্দেহ নাই।

৭ ব'হাগৰ দিনা হৰিশিঙাৰ ওচৰৰ অম্বাগাঁৱৰ উত্তৰে অৱস্থিত ওদোলা গাঁৱতো বাঁহ-পূজা আৰু বাঁহ-বিয়া অনুষ্ঠিত হয়। অৱশ্যে বাঁহ এডাল। এই বাঁহডালত বিভিন্ন ৰঙৰ কাপোৰ মেৰোৱা হয়। কাঠেৰে নিৰ্মিত আন এডাল দীঘল স্তম্ভৰ শীৰ্ষভাগ উৰমাল, গামোচা আদিৰে সুমণ্ডিত কৰি উভয়কে দুই-তিনি দিন পূৰ্বৰেপৰা গাঁও ফুৰাই ৰাজহুৱা গোহাঁইঘৰৰ চোতালত উভয়ৰে বিয়া আনুষ্ঠানিকভাৱে সম্পন্ন কৰে। বাঁহডাল দীঘল আৰু ই পাৰ্বতী বা বেউলাৰ প্ৰতীক, কাঠৰ সৰু স্তম্ভডাল বাঁহডালতকৈ চুটি আৰু ই শিৱ বা লখিন্দৰৰ প্ৰতীক। দুয়োডালকে একে লগ কৰি বিয়া পতা কৃত্যক স্থানীয় ভাষাত 'লাম্‌জা' কৰা (অৰ্থাৎ লগ লগোৱা) বোলে। সেইবাবে উৎসৱটোৰ

নামো 'লাম্‌জা উৎসৱ'। বিয়াৰ অন্তত, গোহাঁইঘৰৰ সন্মুখত বিভিন্ন দেৱ-দেৱীক স্থানীয় ৰীতিমতে পূজা কৰা হয়। পূজাৰ পিছত দেওধনী নৃত্য অনুষ্ঠিত হয়। এই প্ৰসংগত জয়ঢোল আৰু তাল বজোৱা হয়। পহলাগড়ত 'গাছ-বিয়া'ৰ অনুষংগত ঢোল-তাল আদি বাদ্যযন্ত্ৰ বজোৱাৰ উপৰিও আগদিনা অৰ্থাৎ ৭ ব'হাগৰ দিনা (গোন্ধৰ উপলক্ষে) খুলীয়া ভাউৰীয়া অনুষ্ঠিত হয় আৰু পিছদিনা অৰ্থাৎ ৮ ব'হাগত পুতলা বিয়া আৰু বাসুদেৱ পূজা উপলক্ষে বিয়াহৰ ওজাপালি উঠে।

ওদোলাত আবেলি পাৰ্বতী বা বেউলাক বিসৰ্জন দিয়াৰ পূৰ্বে সেই অঞ্চলৰ মানুহ তাত গোট খায়। গোহাঁইঘৰৰ দাঁতিৰ বহল খলা এখনত ওলাই যাব নোৱাৰাকৈ চাৰিওফালে পাৰ বান্ধি কেইকলহমান পানী ঢালি খলাখন বোকা কৰে। তেনেতে গাঁৱৰ ১০/১৫ জন ডেকা ল'ৰাই আঁঠুৰ ওপৰলৈ কাপোৰ কোঁচাই খালী গাৰে আহি সেই বোকাত মিথ্যা যুদ্ধৰ অভিনয় (mock fighting) কৰে। এইদৰে কিছু সময় অভিনয় চলে। ইয়াৰ অন্তত ঢোল-তাল, জয়ধ্বনি, উৰুলি-জোকাৰ দি শোভাযাত্ৰা কৰি দীঘল বাঁহডালৰপৰা কাপোৰবোৰ সোলোকাই থৈ পানী আৰু বোকা থকা এখন পথাৰলৈ লৈ যায়। পথাৰৰ পানীলৈ নামি যোৱা ডেকা দলটো দুভাগত বিভক্ত হয়— এটা দলে বাঁহডালৰ গুৰিটো বোকাত পোতে, বাকীবিলাকে তাৰ সামান্য ওপৰভাগত ধৰি থাকে আৰু সেই দলৰ ভিতৰৰে এজন ডেকাই বাঁহডালৰ ওপৰলৈ উঠি গৈ বাঁহডালৰ আগটো হলাই আনি ভাঙিবলৈ প্ৰয়াস কৰোতে ইটো দলৰ ডেকাসকলে যুঁজ কৰি বাঁহডাল পানীত পেলাই দিয়ে। তেতিয়া এই দলটোৱেও তেনেদৰে বাঁহডাল ভাঙিবলৈ প্ৰয়াস কৰে। এইদৰে কিছু সময় যুঁজ কৰি থকাৰ পিছত এই দল দুটাৰ যিকোনো এটা দলৰ ডেকাহঁতে বাঁহডাল ভাঙিবলৈ সক্ষম হয়, আৰু তেওঁলোকেই জয়লাভ কৰে। বাঁহডাল টুকুৰা-টুকুৰ কৰি পানীত পেলাই দিয়ে। এই অনুষ্ঠানটোও বিপদ-বিঘিনি বিদূৰণ যাদুৰ লগত সম্পৃক্ত।

অতীততে দৰঙৰ বিভিন্ন ঠাইত সাতবিহুৰ ভিতৰতে 'গাছ বিয়া' উৎসৱ অনুষ্ঠিত হোৱাৰ প্ৰমাণ পোৱা যায়।

দৰং আৰু পূব কামৰূপত প্ৰচলিত দেউল উৎসৱ বাঁহ-পূজাৰ উন্নত অভিব্যক্তি। দেউল পূজা বা উৎসৱৰ বাবে প্ৰয়োজন এটা দেউল অৰ্থাৎ টিলাৰ দৰে সজা এটা মাটিৰ ঢিপ। সংস্কৃত 'দেৱদল' শব্দৰপৰা 'দেউল'ৰ বিকাশ হ'ব পাৰে। দেউলৰ 'ভিঠি'টোৰ গাত থাকে সাতোটা খলপ বা থাক। কোনো কোনোৰ মতে এই সাত খলপ সপ্ত স্বৰ্গৰ প্ৰতীক।[৪৮] দেউলৰ 'ভিঠি'টোৰ শীৰ্ষভাগত শিৱলিংগৰ আধাৰশিলাসদৃশ শিল এটা প্ৰতিষ্ঠা কৰা হয়। অৱশ্যে এই শিলটো লৰচৰ কৰিব পাৰি। দেউল-ভিঠিৰ

৪৮। সংবাদদাতা ঃ শ্ৰীবিদ্যাৰাম শৰ্মা শাস্ত্ৰী (৬৪), গোবিন্দধাম, ছিপাঝাৰ, ২০।৪।৮৮

চাৰি কোণত চাৰিডাল জাতিবাঁহ, গুৰি আৰু আগভাগ নকটাকৈ (অর্থাৎ সম্পূর্ণ বাঁহডাল) পোতে। বাঁহকেইডালৰ ৪ মিটাৰমান ওপৰ অংশৰহে জেকনিবোৰ কাটি পেলোৱা হয়। বাকী অংশৰ জেকনিবোৰ কটা নহয়। দেউল-ভেঠিৰ প্ৰায় ৪ মিটাৰ ওপৰত এখন নাগপাশ বাঁহ চাৰিডালত বান্ধি আঁৰি দিয়ে। নাগপাশত চামৰ বা চোঁৱৰ নাথাকে। এই বাঁহ চাৰিডালৰ লগতে একোটাকৈ ডাঙৰ কলপুলি ৰুব লাগে। প্ৰতিটো বাঁহ আৰু কলপুলিৰ লগতে জাতিবাঁহৰ দীঘল জেকনি চাৰি-পাঁচডাল বান্ধি দিয়া দেখা যায়। 'দেউল-ভিঠি'ৰ দক্ষিণফালে নামনিত বিষ্ণু-পূজাৰ বাবে ডাঙৰকৈ এটা বেদী নির্মাণ কৰি ইয়াৰ চাৰিও কোণত চাৰিটা কলপুলি পোতে। বেদীৰ ওপৰত থাকে চামৰযুক্ত চন্দ্ৰতাপ। পিঠাগুড়ি, ফাকু, পতান, বেলপাত আদিৰ গুড়িৰে বেদীত মনোৰমকৈ মণ্ডল দি ঘট, গছা, দীপ, ধূপ আদিৰে শোভিত কৰা হয়। দেউল-ভিঠিৰ সোঁমাজতে দুয়োফালে মৎস্যসহ দুটা মগৰ সংযুক্ত এখন সিংহাসন প্ৰতিষ্ঠা কৰে। দেউলৰ খলাত এখন ৰভা দিয়ে। দেউল-পূজা উত্তৰমুখে কৰা বিধেয়। পূজাৰ সময় সমাগত হোৱাৰ লগে লগে পুৰোহিতে বিগ্ৰহসহ সিংহাসনখন মূৰত লৈ দেউল-ভিঠিৰ প্ৰতিটো থাকেৰে সাতবাৰকৈ প্ৰদক্ষিণ কৰি দেউলৰ শীর্ষভাগত উপনীত হয়গৈ। পুৰোহিতৰ আগে আগে পূজাকৰ্তাই হাতত চামৰ লৈ গৈ থাকে। এই সময়ত ওজাপালিয়ে বন্দনা গায় আৰু নামুৰেই অৰ্থাৎ নামগোৱা দলে নাম-কীৰ্তন কৰে। আই-বাই, বোৱাৰী-জীয়ৰী আদিয়ে দিয়ে মাংগলিক জোকাৰ। দেউলৰ শেষ থাকৰ ওপৰভাগত পুৰোহিতে যথা নিয়মে আৰু যথাৰীতিৰে বিগ্ৰহসহ সিংহাসনখন প্ৰতিষ্ঠা কৰি সেই সিংহাসনখন মূৰত তুলি লৈ পুনৰ পূজাৰী ব্ৰাহ্মণজন পূজাস্থলীলৈ নামি আহে আৰু নামনিত থকা বেদীটোত সিংহাসনখন প্ৰতিষ্ঠা কৰি বিধিপূৰ্বক পূজা আৰম্ভ কৰে। পূজাৰ শেষত গধূলি আকৌ সেই একেই নিয়মে সিংহাসনৰ সৈতে বিষ্ণু মূৰ্তিটো মন্দিৰলৈ নিয়া হয়। অধিবাসৰ সময়ত আৰু সেইদিনা গোটেই ৰাতিটো আৰু দেউলৰ দিনা গোটেই দিনটো বিয়াহৰ ওজাপালি উঠে। অঞ্চলবিশেষে নাম-কীৰ্তন ধৰা হয় নাইবা খুলীয়া ভাউৰীয়া উঠে।

ৰাতিপুৱাৰেপৰা দেউল-পূজা আৰম্ভ হয়। দেউলখলাৰ ওচৰতে মেলা বহে। কোনো কোনো দেউলত আকৌ দুদিনীয়াকৈও মেলা বহে। ইয়াৰপৰা দেখা যায় যে দেউল-উৎসৱে লোক-সমাজত উমৈহতীয়া বজাৰৰ ভূমিকা গ্ৰহণ কৰি আহিছে। তাহানি বজাৰ-সমাৰ নোহোৱা দিনত দেউলৰ লোক উপযোগিতা একোতে অস্বীকাৰ কৰিব নোৱাৰি। এনে মেলাত জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো মানুহে যোগ দিয়ে।

যি অঞ্চলত দেউল-উৎসৱ অনুষ্ঠিত হয় সেই অঞ্চলৰ জনসাধাৰণে তাৰ কেইদিনমান আগৰেপৰা কানি-কাপোৰ ধোৱে, অঙহী-বঙহী, ইষ্ট-কুটুম্বৰ বাবে তৰহে

তৰহে খাদ্য-সামগ্ৰী প্ৰস্তুত কৰে। ল'ৰা-ছোৱালীক ন-কাপোৰ দিয়ে। দেউল-উৎসৱে যোগাযোগৰ মাধ্যমৰূপেও ভূমিকা গ্ৰহণ কৰি আহিছে। ৰাজহুৱা খা-খবৰ, বা-বাতৰি, চৰকাৰী ঘোষণাদি প্ৰচাৰত দেউল উৎসৱৰ গুৰুত্ব লক্ষ্য কৰিব পাৰি। দেউল উৎসৱে পৰম্পৰাগত দৃশ্য-শ্ৰব্য পৰিৱেশ্যকলা ৰাজহুৱাভাৱে.অনুষ্ঠিত হোৱাৰ প্ৰসংগত সুবিধা প্ৰদান কৰে।

বিয়া-বাৰুৰ ক্ষেত্ৰতো দেউল উৎসৱৰ ভূমিকা নোহোৱা নহয়। অনেক ক্ষেত্ৰত বিবাহযোগ্য পুৰুষে তেওঁৰ ভাবী পত্নীক চোৱা-মেলা কৰা আৰু বিপৰীতে বিবাহযোগ্যা কন্যাই তেওঁৰ ভাবী স্বামীক চোৱা-মেলা কৰাৰ সুবিধা লাভ কৰে— দেউল উৎসৱ চাবলৈ অহাৰ জৰিয়তে। কেতিয়াবা আকৌ ডেকা-গাভৰু উভয়ে বাপেক-মাকৰ চকুত ধূলি মাৰি দেউল চাবলৈ অহাৰ সুবিধা গ্ৰহণ কৰি পলাই যায়। কোনো কোনো ডেকাই আকৌ দেউল চাবলৈ অহা গাভৰুক ধৰি লৈ গৈ আনুষ্ঠানিকভাৱে বিয়া-বাৰু কৰাই সুখে-সন্তোষে দাম্পত্য জীৱন অতিবাহিত কৰে। এই প্ৰসংগত বিহু উৎসৱৰ লগত দেউল উৎসৱৰ সাদৃশ্য দেখা যায়।

প্ৰচলিত জনশ্ৰুতিমতে সাত বিহুলৈকে দৰঙৰ বিভিন্ন স্থানত অনুষ্ঠিত হোৱা দেউলকেইটা ৰাজকীয় পৃষ্ঠপোষকতাত উদ্‌যাপিত হৈছিল। ইয়াৰ বাহিৰে ব'হাগৰ ৩১ তাৰিখলৈকে বিভিন্ন ঠাইত অনুষ্ঠিত দেউল উৎসৱ সেই সেই অঞ্চলৰ ধনী আৰু বিশিষ্ট ব্যক্তিৰ পৃষ্ঠপোষকতাত উদ্‌যাপিত হৈ আহিছে। ব্যক্তিবিশেষৰদ্বাৰা উদ্‌যাপিত হ'লেও দেউল উৎসৱৰ বিভিন্ন আচৰণত ৰাজহুৱা জীৱনৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী। বৰ্তমান দেউল উৎসৱ কেৱল ব'হাগ মাহতে সীমিত থকা নাই— জেঠ মাহ পৰ্য্যন্তও সম্প্ৰসাৰিত হৈছে। এদিনতে বিভিন্ন স্থানত বিভিন্ন দেউল উৎসৱ অনুষ্ঠিত হোৱাও দেখা যায়। যি স্থানত দেউল অনুষ্ঠিত হয় সেই ঠাইৰ নাম অনুসৰি দেউল উৎসৱটোৰো নামকৰণ কৰা হয়। যেনে— ঘোঁৰাবান্ধাত হোৱা দেউল উৎসৱৰ নাম ঘোঁৰাবান্ধাৰ দেউল। ছিপাঝাৰ চহৰৰ নিকটৱৰ্তী মাৰৈ বা মাৰেই গাঁৱত অনুষ্ঠিত দেউলটোক 'সুঁৱেৰি' বোলে; যেনে ঃ 'মাৰেই সুঁৱেৰিৰ দেউল'। পাতিদৰং আৰু বৰদৰঙত অনুষ্ঠিত হোৱা আন আন দেউলক কিন্তু 'সুঁৱেৰি' আখ্যা দিয়া নহয়। এইফালৰপৰা দক্ষিণ কামৰূপৰ 'সুঁৱেৰি' বা 'ভঠেলি'ৰ লগত যে দেউল উৎসৱৰ যোগসূত্ৰ ৰক্ষিত হৈ আহিছে তাত সন্দেহ নাই। প্ৰচলিত পৰম্পৰামতে ১ম বিহুৰ দিনা বৰদেউলগুৰিত অনুষ্ঠিত দেউলটো পোনতে স্থাপন কৰিছিল ব্ৰাহ্মণসকলৰ ভিতৰত শ্ৰেষ্ঠ ধৰ্মদেৱ ভূঞাই।

কোনো কোনো দেউল উৎসৱৰ অনুষংগত মিথ্যা যুদ্ধাভিনয় অনুষ্ঠিত হোৱা দেখা যায়। ঘোপাত অনুষ্ঠিত বিহু-ভাঙা দেউল উৎসৱ 'চাঙ সংঘৰ্ষ'ৰ বাবে প্ৰসিদ্ধ। কটাহিৰ ধোপৰ তলত অনুষ্ঠিত দেউল উৎসৱ 'গড়ভাঙা' কৃত্যৰ বাবে জনাজাত।

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে বৰো-কছাৰীসকলে ৰঙালী বিহু অৰ্থাৎ বীসাগু খোৱা-লোৱা আৰু নৃত্য-গীতৰ মাধ্যমেৰে উদ্‌যাপন কৰে। ৰাভাসকলৰ মাজত প্ৰচলিত বসন্ত উৎসৱ 'বায়খু'ৰ লগত বিহু উৎসৱৰ সাদৃশ্য স্পষ্ট। তেওঁলোকৰ মতে 'বায়খু' শব্দৰপৰা বিহু শব্দৰ উদ্ভৱ হৈছে; যেনে ঃ বায়খু>বায়হু>বিহু। ৰাভাসকলৰ মতে 'বায়' মানে দেৱতা আৰু 'খু' মানে দিয়া; অৰ্থাৎ 'বায়খু'ৰ অৰ্থ দেৱতাই দিয়া ৰং-ধেমালি।[৪৯] ব'হাগ-জেঠ মাহত শালি খেতিৰ বাবে কঠীয়া সিঁচাৰ আগে আগে 'বায়খু' আৰু 'ৰিসি' দেৱতাক বলি-বিধানেৰে পূজা কৰি খেতি-বাতিৰ মংগল কামনা কৰাৰ অনুষংগতেই 'বায়খু-উৎসৱ' পালিত হয়। নৃত্য-গীত আৰু বাদ্য-বাজনা এই উৎসৱৰ অপৰিহাৰ্য্য অংগ।

মিচিংসকলৰ বাসন্তিক উৎসৱ 'আলি-আই-লৃগাং'-ৰ লগতো ৰঙালী বিহুৰ সাদৃশ্য নথকা নহয়। 'আলি-আই-লৃগাং' মুখ্যতঃ কৃষি উৎসৱ।[৫০] আনকি অজনজাতীয় অসমীয়া লোকৰ নিচিনাকৈ মিচিংসকলেও ব'হাগ বিহু উদ্‌যাপন কৰে ধৰ্মীয় কৃত্য আৰু যৌনগন্ধী গীত আৰু নৃত্যৰ জৰিয়তে। মিচিংসকলে বিহুগীত সদৃশ 'অইনিতম' গায় 'আলি-আই-লৃগাং'ৰ অনুষংগত। 'অইনিতম'ৰ লগত জড়িত নৃত্যই লৃগাং নৃত্য। ডিমাচাসকলৰ দৃষ্টিত 'বুসু' অৰ্থাৎ ৰঙালী বিহু উৎসৱৰ প্ৰধান লক্ষ্য শস্যৰ দেৱতা ব্ৰাই শিব্ৰাই আৰু বতাহ-বৰষুণৰ দেৱী গামাডী বা দেৱী পাৰ্বতীক সন্তুষ্ট কৰা। 'বুসু'ৰ অৰ্থ হ'ল সকলোৱে একগোট হৈ নৃত্য-গীত প্ৰদৰ্শন কৰি ভোজভাত খোৱা।[৫১] আবৰসকলৰ উভ্ৰিং (Uing) বা আৰাণ (Aran) উৎসৱৰ লগত অসমৰ ৰঙালী বিহুৰ মিল চকুত লগা।[৫২] অৰুণাচলৰ ৱাঞ্চো সমাজত ৰঙালী বিহুৰ সমধৰ্মী উৎসৱ 'লুকু' প্ৰচলিত। নক্টেসকলেও ৰঙালী বিহুসদৃশ উৎসৱ পালন কৰে। টাংছাসকলৰদ্বাৰা উদ্‌যাপিত 'চামবুনমোৰ' (sambunmor) উৎসৱৰ লগত অসমৰ ব'হাগ বিহুৰ উৎসৱ-আচৰণৰ সাদৃশ্য দেখা যায়। এই উৎসৱত টাংছাসকলে 'বিহউচি' (bihausi) গীত গায়। 'বিহউচি' পদটো 'বিহু'ৰপৰা আহিব পাৰে।[৫৩] উত্তৰ লখিমপুৰৰ দেউৰীসকলে কুণ্ডি-মামা অথবা হৰ-গৌৰীক কুকুৰা আৰু গাহৰিৰে পূজা কৰি ৰঙালী বিহু উৎসৱ পালন কৰে গীত আৰু নৃত্যৰ জৰিয়তে।[৫৪] অৰুণাচলৰ আদি গোলংসকলে পালন কৰা 'মপিন' বা 'চলোং' কৃষি উৎসৱ। ৰঙালী বিহু উৎসৱৰ লগত 'মপিন'ৰ সাদৃশ্য চকুত লগা। কামেঙৰ ছেৰদুকপেন আৰু মনপাসকলৰ কৃষি উৎসৱ 'লোচে'ৰ সৈতে ৰঙালী বিহুৰ প্ৰসংগত

৪৯। শ্ৰীমণি ৰাভা ঃ ৰাভা সংস্কৃতিৰ ধাৰা (অপ্ৰকাশিত প্ৰবন্ধ)
৫০। শ্ৰীভৃগুমুনি কাগয়ুং (সম্পাঃ) ঃ মিচিং সংস্কৃতিৰ আলেখ্য, পৃঃ ৯৮
৫১। শ্ৰীনগেন্দ্ৰ নাথ বৰুৱা ঃ ডিমাচাসকলৰ গীত-মাত, পৃঃ ৯
৫২। শ্ৰীটাংগাং টাকি ঃ আবৰসকলৰ বিহু (উছৱৰ ৰং চ'ৰা), পৃঃ ৪৯
৫৩। Dr. P. Goswami *The spring time Bihu of Assam*. p. 42.
৫৪। *Ibid*

অনুষ্ঠিত উৎসৱ প্ৰায় একে। সেইদৰে আপাটানিসকলৰ 'মলকো'; ডফলাৰ 'চিৰম-মালোচ্চম', গাৰোৰ 'ৰংচুগালা', 'ওৱাংগালা' আদি বিভিন্ন কৃষি উৎসৱৰ অনুষংগ, সংযুতি, বিষয়বস্তু, অৰ্থ, তাৎপৰ্য্য আৰু প্ৰতীকৰ ফালৰপৰা বিহু উৎসৱৰ লগত সাদৃশ্য দেখুৱাব পাৰি।

মিজোৰামৰ কুকিসকলে খেতিৰ পূৰ্বে 'আৰেম' (Arem) উৎসৱ পালন কৰে চাৰিদিনীয়াকৈ। আকৌ খেতিৰ মংগল কামনা কৰি তেওঁলোকে 'ছপ-ছৰ-কুট' (Chap-char-kut) উৎসৱ পালন কৰে।[৫৫] মণিপুৰৰ পুৰুষসকলে খেতি উঠাৰ ঠিক পিছতে এবাৰ আৰু খেতি পতাৰ আৰম্ভণিতে তেওঁলোকৰ প্ৰধান দেৱতা 'নাংছুংবা'ক (Nungchungba) নৃত্য-গীত আৰু ভোজভাতেৰে সাদিনীয়াকৈ পূজা কৰে। অন্ততঃ অৰ্থ, অনুষংগ, উদ্দেশ্য আদিৰ ফালৰপৰা 'নাংছুংবা' আৰু ৰঙালী বিহু উৎসৱৰ মিল দেখা যায়।

আৰাকান আৰু চিটাগঙত বাস কৰা চাক্‌মাবিলাকৰ প্ৰধান উৎসৱ বিষো। এই উৎসৱ এপ্ৰিল মাহত উদ্‌যাপন কৰা দেখা যায়। উৎসৱৰ সময়ত সৰ্বস্তৰৰ নৰ-নাৰী মহানুনিৰ মন্দিৰলৈ যায় আৰু গৌড়মা মন্দিৰত নৈৱেদ্য আগবঢ়ায়।[৫৬] ত্ৰিপুৰাৰ জনজাতিসকলৰ মাজত বিশেষকৈ ৰেংগ (The Reangs)সকলৰ মাজত চৈত্ৰ সংক্ৰান্তি বা ব'হাগ বিহু 'বিসুচনি' নামেৰে পৰিচিত।[৫৭] এই প্ৰদেশৰ আন আন জনজাতীয় লোকেও এই উৎসৱটো লাহে লাহে পালন কৰিবলৈ লৈছে। সাধাৰণতে এপ্ৰিল মাহত জনজাতীয় লোকসকলৰদ্বাৰা অনুষ্ঠিত 'কেৰ পূজা'ৰ অনুষংগত বিভিন্ন ৰঙৰ কাপোৰেৰে সুসজ্জিত দীঘল বাঁহ এডাল পুতি পূজা কৰা হয়। এই পূজাৰ নাম 'নাগ্ৰী পূজা'।[৫৮] ভঠেলি, পাউৰা আদিৰ উৎসৱৰ লগত 'নাগ্ৰী পূজা'ৰ সাদৃশ্য মন কৰিবলগীয়া।

পশ্চিমবংগত ৰঙালী বিহু নৱবৰ্ষৰ উৎসৱৰূপে পালিত হয়। তেনেদৰে পঞ্জাবত বৈশাখী উৎসৱৰূপে চৈত্ৰ সংক্ৰান্তিত পৰম্পৰাগতভাৱে পালন কৰা দেখা যায়। বৈশাখী-উৎসৱ কৃষি-যাদুৰ লগত সম্পৃক্ত। হিমাচল প্ৰদেশৰ খাচবিলাকৰ মাজতো 'বিষু', নৱবৰ্ষৰ উৎসৱৰূপে অনুষ্ঠিত হয়। দক্ষিণ ভাৰতৰ নায়াৰসকলৰ মাজত প্ৰচলিত নৱবৰ্ষৰ উৎসৱটোও 'বিযু' নামেৰে পৰিচিত।[৫৯] ওৰান (The Oraons) সমাজত গ্ৰীষ্ম চিকাৰ, বিষু চিকাৰৰূপে জনাজাত। ইয়াৰ বাহিৰেও ভাৰতৰ বিভিন্ন প্ৰদেশত বসন্তোৎসৱ, মহাবিষুৱ সংক্ৰান্তি আদি ৰূপেও ব'হাগ বিহু পালিত হয়।

৫৫। Dr. P. Goswami : *The Spring time Bihu of Assam.* p. 42
৫৬। T. H. Lewia : *Wild Races of South Estern India.* p. 176
৫৭। Dr. N. C. Sarma : *Essays on the Folklore of North Eastern India.* p. 132
৫৮। *Ibid.* p. 128
৫৯। Dr. P. Goswami. *op-cit.* p. 23

কৃষি উৎসৱৰূপে ৰঙালী বিহুৰ বিশেষভাৱে মিল দেখা যায় চোটনাগপুৰৰ 'হো'সকলৰ মাজত প্ৰচলিত কৃষি উৎসৱৰ লগত। নীলগিৰি পৰ্বত নিবাসী 'কোট'সকলেও আই বসুমতীৰ উৰ্বৰতা বৃদ্ধি আৰু কৃষিৰ প্ৰাচুৰ্য্যৰ বাবে খেতিৰ আৰম্ভণিৰ পূৰ্বে এটি উৎসৱ পালন কৰে যাৰ লগত ৰঙালী বিহু উৎসৱৰ অন্ততঃ তাৎপৰ্য্য আৰু প্ৰতীকৰ ফালৰপৰা সাদৃশ্য স্পষ্ট। তেনেদৰে উৰিষ্যাৰ (ওড়িশা) ভুঁইয়াসকলৰ সমাজত পৰম নিষ্ঠাৰে উদ্‌যাপিত 'মাঘপোৱাই' উৎসৱৰ লক্ষ্যও কৃষি-যাদুৰ প্ৰয়োগ। আই বসুমতীৰ উৰ্বৰতা বৃদ্ধিৰ বাবে যেনেকৈ ৰঙালী বিহুত অসমীয়া ডেকা-গাভৰুৱে যৌৱনৰ নিৰ্দোষ নাচ নাচে, তদ্ৰূপ 'মাঘপোৱাই' উৎসৱতো ডেকা-গাভৰুসকলে বিভিন্ন কৃত্য সম্পাদন কৰে।

অসম তথা ভাৰতৰ বিভিন্ন অঞ্চলত প্ৰচলিত মহাবিষুৱ সংক্ৰান্তি বা চৈত্ৰ সংক্ৰান্তি বা ব'হাগ দোমাহী বা ৰঙালী বিহুৰ মাজত কিছুমান উমৈহতীয়া বৈশিষ্ট্য দেখা যায়। যেনে ঃ

(ক) প্ৰধানতঃ ই কৃষি উৎসৱ।

(খ) প্ৰজনন কৃত্যৰ লগত সম্পৃক্ত।

(গ) বাসন্তিক বা বসন্তকালীন উৎসৱ।

(ঘ) নৱবৰ্ষৰ উৎসৱ।

(ঙ) ধৰ্মীয় অনুষংগৰ সৈতে সম্পৃক্ত।

(চ) নৃত্য-গীত-বাদ্যৰ প্ৰাধান্য।

(ছ) খোৱা-লোৱাতকৈ নৃত্য-গীত বা পূজা-উপাসনাৰ ওপৰত অধিক গুৰুত্ব। আৰু

(জ) বিভিন্ন বিশ্বাস-জনশ্ৰুতি আৰু মিথৰ লগত জড়িত।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে বসন্তোৎসৱৰ ৰঙালী বিহু বিভিন্ন সমাজৰ সাংস্কৃতিক সমলৰ এক সমন্বিত ৰূপ বা সংহতিত যৌগৰূপ। গতিকে বিহু উৎসৱ সমলয়, সমাহৰণ আৰু সম্প্ৰীতিৰ প্ৰতীকৰূপে অভিহিত হ'ব পাৰে।

অসম তথা উত্তৰ-পূব ভাৰতৰ বিভিন্ন অঞ্চলত বাস কৰা বঙালী হিন্দু আৰু চাহ বাগিচাৰ সমাজত চৈত্ৰ সংক্ৰান্তিৰ অনুষংগত চড়ক পূজা অনুষ্ঠিত হয়। 'ভঠেলি', 'দেউল' আদি উৎসৱৰ লগত চড়ক পূজাৰ অৰ্থ, তাৎপৰ্য্য, প্ৰতীক আদিৰ ফালৰপৰা সাদৃশ্য নথকা নহয়।

বসন্তকালত উদ্‌যাপিত উৎসৱসমূহৰ ভিতৰত ফাকুৱা বা 'হ'লি' বা দৌলোৎসৱ উল্লেখযোগ্য। দৰং আৰু পূব কামৰূপত ব'হাগ মাহত অনুষ্ঠিত বিষ্ণু পূজা আৰু মেলাৰ সমষ্টিবিশিষ্ট উৎসৱটি 'দেউল'ৰূপে পৰিচিত। দ্বিতীয়তে, 'হ'লি' বা ফল্গুৎসৱকো

অঞ্চলবিশেষে দেউল বোলা হয়। 'হ'লি' বা ফল্গুৎসৱ সৰ্বভাৰতীয় উৎসৱ। ই উৰ্বৰতাবাদৰ লগত সম্পৃক্ত। এইফালৰপৰা 'হ'লি'ক যৌন উৎসৱ আখ্যা দিব পাৰি।[৬০] উৎসৱটিৰ মূল তাৎপৰ্য্য হ'ল মানুহ, জন্তু আৰু খেতি-বাতিৰ উৰ্বৰতা কামনা।[৬১] 'হ'লি' উৎসৱত আবিৰ বা ফাকুৰ প্ৰাধান্য দেখা যায়। ফাকুৰ বৰণ ৰঙা। ৰঙা বৰণৰ প্ৰতীকাৰ্থ বৰ্তমান। ই নৱজীৱন লাভৰ প্ৰতীকী অৰ্থ সূচায়। আবিৰ বা ফাকুৰদ্বাৰা পৃথিৱীৰ উৰ্বৰতা বাঢ়ে— এনে বিশ্বাসৰ আধাৰত যে 'হ'লি' উৎসৱৰ জন্ম, তাত সন্দেহ নাই। অসম আৰু ভাৰতৰ অনুষংগত এই উৎসৱ কৃষ্ণ-ৰাধা বা গোপী মিথৰ লগত সম্পৃক্ত। অসমৰ সত্ৰবোৰতো 'হ'লি' উৎসৱ উদ্‌যাপিত হয়। সত্ৰৰ বাহিৰেও বিভিন্ন অঞ্চলতো 'হ'লি' উৎসৱ পালন কৰা দেখা যায়। হাজোৰ মাধৱ মন্দিৰতো ফল্গুৎসৱ পালন কৰা হয় পৰম্পৰাগতভাৱে। ফাকুৱা উৎসৱৰ পিছৰ কৃষ্ণা ত্ৰয়োদশীত হাজোত মদনোৎসৱ বা চৈত্ৰালি উৎসৱ অনুষ্ঠিত হয়।[৬২]

সৰ্বভাৰতীয় বসন্তকালীন উৎসৱৰ পৰিসীমাত বাসন্তী-পূজা আৰু অশোকাষ্টমীকো সামৰিব পাৰি। এই উৎসৱ দুটা যিহেতু বসন্তকালত উদ্‌যাপিত হয় সেইবাবে উৎসৱ দুটিক ঋতুকালীন উৎসৱ বুলিব পাৰি। দ্বিতীয়তে, তিথিৰ ওপৰত নিৰ্ভৰ কৰি এই উৎসৱ দুটা পালন কৰা হয় বাবে বাসন্তী পূজা আৰু অশোকাষ্টমীক পঞ্জিকা আশ্ৰয়ী উৎসৱ আখ্যা দিব পাৰি। বসন্তকালত দেৱী দুৰ্গাক কৰা পূজাই বাসন্তী পূজা। দুৰ্গা পূজাৰ নিচিনাকৈ বাসন্তী পূজা পাঁচ দিন চলে। ধৰ্মীয় কৃত্য, গীত-নৃত্য-অভিনয়, মেলা আদি বাসন্তী পূজাৰ অন্যতম বৈশিষ্ট্য। সেইবাবে দুৰ্গা পূজাৰ নিচিনাকৈ বাসন্তী পূজাকো উৎসৱ বুলিব পাৰি। অসমৰ বিভিন্ন ঠাইত বাসন্তী পূজা উদ্‌যাপন কৰা দেখা যায়।

বাসন্তী পূজাৰ অষ্টমী তিথিৰ দিনা অশোকাষ্টমী উৎসৱ পালিত হয়। এইদিনা মৃতকৰ অস্থি গংগা, ব্ৰহ্মপুত্ৰ আদি নদ-নদীত আনুষ্ঠানিকভাৱে নিক্ষেপ কৰাৰ উপৰি পৱিত্ৰ নদীত স্নান কৰা হয়। শুৱালকুছি, পলাশবাৰী আদিত অশোকাষ্টমী উপলক্ষে অনেক মানুহৰ সমাগম হয় আৰু ডাঙৰ ডাঙৰ মেলা বহে। অশোকাষ্টমী উপলক্ষে শুৱালকুছিত বহা মেলাত স্থানীয় কুমাৰৰদ্বাৰা মাটিৰে নিৰ্মিত বিভিন্ন ধৰণৰ পুতলা বিক্ৰী কৰা দেখা যায়।

অসম তথা ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক জীৱনৰ সম্যক পৰিচয়ৰ বাবে এই অঞ্চলত উদ্‌যাপিত উৎসৱ-অনুষ্ঠানসমূহৰ প্ৰণালীবদ্ধ অধ্যয়ন অতিকৈ প্ৰয়োজনীয়।

৬০। Dr. N. N. Bhattacharyya : *History of Indian Erotic Literature*, p. 10

৬১। W. Crooke : *Folklore of Northern India, Vol. II*, p. 321

৬২। ড° প্ৰবীণ দাস : 'হাজোৰ দৌল আৰু মদনোৎসৱ' (ব'হাগ বিহুৰ বাৰেবৰণীয়া ছবি, ড° প্ৰফুল্লদত্ত গোস্বামী সম্পাদিত) পৃঃ ১০৫-১০

বড়োসকলৰ বসন্ত উৎসৱ বৈসাগী

ভূপেন নাৰ্জ্জাৰী

বৈসাগী বড়োসকলৰ জাতীয় উৎসৱ। 'বৈসাগী' উৎসৱে বড়োসকলৰ মাজত কেতিয়া জন্ম লাভ কৰিলে বা বৈসাগী সময়ত বড়োসকলে ৰং-ৰহইচ কোন সময়ৰ পৰা কৰিবলৈ শিকিলে তাৰ কোনো নিৰ্ভৰযোগ্য মতামত বড়ো পণ্ডিত অথবা গৱেষকসকলে দিব পৰা নাই। কিন্তু এই কথা সকলো বড়ো লোকেই বিশ্বাস কৰে যে 'বড়োসকলে যেতিয়াই খেতি-বাতি কৰি সমাজ পাতি জীৱন নিৰ্বাহ কৰিবলৈ শিকিলে তেতিয়াৰ পৰাই বৈসাগীৰ সময়ত নাচি-বাগি ৰং-ৰহইচ কৰি আনন্দ উপভোগ কৰিছিল।' বড়োসকলে বৈসাগীৰ সময়ত ৰং-ৰহইচ যেতিয়াৰ পৰাই নকৰক, বৰ্তমান বৈসাগী কৃষিজীৱী বড়োসকলৰ মূল উৎসৱ। এই উৎসৱৰ ঘাইকৈ ঋতু অৰ্থাৎ বতৰৰ লগত নিবিড় সম্বন্ধ আছে। বৈসাগীৰ সময়ত প্ৰকৃতিৰ মনমোহা ৰূপ দেখি সৰল প্ৰাণৰ আনন্দপ্ৰিয় বড়োসকলৰ মনত আনন্দৰ ঢৌ উঠে আৰু তেতিয়াই মনৰ আনন্দত নাচি-বাগি ৰং-ৰহইচ কৰে।

বৰ্তমান বড়োসকলে 'বৈসাগী' শব্দৰ লিখিত ৰূপ 'বৈসাগু' কৰিছে। কিন্তু বৰ্তমানেও জনসাধাৰণৰ মুখত 'বৈসাগী' শব্দটোহে অতি প্ৰিয়, বহুল প্ৰচলিত। শিক্ষিত লোকসকলৰ মাজত লিখিবৰ সময়ত 'বৈসাগু' লিখা হয় যদিও কথা-বতৰা পতাৰ সময়ত 'বৈসাগী' শব্দটোহে উচ্চাৰিত হোৱা শুনিবলৈ পোৱা যায়। সেয়ে এই লিখাত 'বৈসাগী' আৰু 'বৈসাগু' দুয়োটা শব্দই ব্যৱহাৰ কৰা হ'ব।

বৈসাগী অথবা বৈসাগু শব্দৰ ব্যুৎপত্তিগত অৰ্থ ঃ

বড়োসকলৰ অতি প্ৰিয় উৎসৱ হ'ল 'বৈসাগী' অথবা 'বৈসাগু'। এই দুটা শব্দৰ ভিতৰত 'বৈসাগী' শব্দৰ কোনো ব্যুৎপত্তিগত অৰ্থ উলিয়াবলৈ যত্ন কৰা নাই। কিন্তু লিখিত ৰূপ 'বৈসাগু' শব্দৰ ব্যুৎপত্তিগত অৰ্থ কেইজনমান বড়ো লেখক আৰু গৱেষকসকলে উলিয়াবলৈ চেষ্টা চলাইছে। প্ৰথমতে একমাত্ৰ 'সংগীত নাটক অকাডেমীৰ' পুৰস্কাৰ বিজেতা বড়ো নৃত্য প্ৰশিক্ষক কামিনী নাৰ্জ্জাৰী[১]ৰ উক্তিটোকে উনুকিওৱা যাওক। তেখেতৰ মতে ঃ

> বৈসাগু বড়ো শব্দৰ মূল শব্দ হ'ল 'বৈস' [Baisa], যাৰ অৰ্থ 'বছৰ' অথবা 'বয়স' আৰু 'আগু'ৰ অৰ্থ হ'ল 'আৰম্ভণি'। অৰ্থাৎ "বৈস + আগু > বৈসাগু" অথবা বছৰৰ আৰম্ভণি।

১. K. Brahma : A Study of socio Religious Beliefs Practices and Ceremonies of the Bodos, p. 104

কামেশ্বৰ ব্ৰহ্মাই উল্লেখ কৰিছে যে ঃ

> This Spring time festival is observed at the starting part of the Assamese month Bohag, which they call Baisakh. It may be stated that as it is observed at the very early part of the first month of the year, it is called as Baisakh + Agu > Baisagu.[২]

বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আৰু লেখক প্ৰফেছৰ লক্ষেশ্বৰ ব্ৰহ্মাই কৈছে যে ঃ

> বৈসাগ+হু>বৈসাগু। বড়ো শব্দ হু মানে হ'ল পূজা দিয়া। ব'হাগত ঘৰৰ দেৱতাসকলক পূজা দিয়া হয় কাৰণে 'বৈসাগু' শব্দটো হ'ব পাৰে বুলি মন্তব্য আগবঢ়াইছে।[৩]

পুৰণি কামৰূপ জিলা আৰু দৰং জিলাৰ বড়োসকলে 'বৈসাগুক' 'বিহু' কয় বুলি কামেশ্বৰ ব্ৰহ্মাই উল্লেখ কৰিছে। কিন্তু পুৰণি কামৰূপ জিলাৰ অতি কমসংখ্যক অঞ্চল বিশেষকৈ ৰঙিয়া, নলবাৰী, পাঠশালা আদি কেইটামান অঞ্চলৰ বড়োসকলে অন্য ভাষা-ভাষীৰ সংস্পৰ্শত আহি 'বিহু' বুলি কোৱা হৈছে। দৰং জিলাৰ কোনো কোনো ঠাইত যিসকলে মাতৃভাষা বড়ো ভাষা ক'ব নজনা হ'ল তেনে অঞ্চলত 'বৈসাগু'ক 'বিহু' বুলি কোৱা হয়। ধূপাৰাম বসুমতাৰীয়ে ঃ

> 'বিহু শব্দটো 'বি আৰু হু' সমন্বয়ত হৈছে বুলি কৈছে। তেখেতৰ মতে 'বি' মানে হ'ল খোজা আৰু 'হু' মানে দিয়া।'[৪]

ওপৰত বিভিন্ন লেখক আৰু গৱেষকসকলে বিভিন্ন ধৰণে 'বৈসাগু'ৰ ব্যুৎপত্তিগত অৰ্থ দিবলৈ চেষ্টা কৰিছে যদিও সকলোৱে তেওঁলোকৰ যুক্তিবোৰ মানি ল'ব খোজা নাই। প্ৰথমতে নাৰ্জ্জাৰীয়ে উল্লেখ কৰাৰ দৰে বড়ো 'বৈস' শব্দৰ অৰ্থ বছৰ অথবা বয়স কেতিয়াও হ'ব নোৱাৰে। বছৰ অথবা বয়স শব্দৰ বড়ো প্ৰতিশব্দ হ'ল, 'বৌসৌৰ' আৰু 'বৈসৌ'। এই ফালৰ পৰা চাবলৈ গ'লে তেখেতৰ ব্যাখ্যা গ্ৰহণ কৰিব পৰা বিধৰ হোৱা নাই। আনহাতে লক্ষেশ্বৰ ব্ৰহ্মাই ব্যাখ্যা দাঙি ধৰাৰ দৰে 'বৈসাগু' উৎসৱৰ সময়ত ঘৰৰ দেৱতাক পূজা দিয়াতকৈ মানুহৰ ৰং-ৰহইচহে বেছিকৈ প্ৰকাশ পায়। পূজা, বৈসাগু উৎসৱৰ মাজত দিয়া প্ৰায় নহয়েই। বেছিভাগ ঠাইতে কেৱল পূৰ্বপুৰুষসকলক সুঁৱৰি এভাগ পূজা দিয়ে। সেয়ে বৈসাগ+হু>বৈসাগু হোৱা বুলি দিয়া মন্তব্যও বৰকৈ গ্ৰহণযোগ্য হৈছে বুলি বিবেচিত হোৱা নাই।

২. Ibid, p. 104
৩. লক্ষেশ্বৰ ব্ৰহ্মা ঃ বৈসাগু আৰৌ হাৰিমু, পৃ. ৬-৪
৪. ধূপাৰাম বসুমতাৰী ঃ বৰ'কছাৰী সংস্কৃতিৰ কিঞ্চিত আভাষ, পৃ. ২১

ব্ৰহ্মৰ ব্যাখ্যাত 'বীসীৰ' অৰ্থাৎ বছৰ শব্দটোৱে প্ৰাধান্য লাভ কৰিছে। এই সংক্ৰান্তত লীলা গগৈৰ উক্তি প্ৰণিধানযোগ্য হৈছে ঃ

> ভৈয়ামৰ অসমীয়াই বিষুৱ সংক্ৰান্তিৰ দিনা এই বসন্তকালীন উৎসৱ পালন কৰে। কিন্তু পৰ্বত আৰু ভৈয়ামত বাস কৰা অন্যান্য অসমীয়াই কেতিয়াবা দিনচেৰেক আগতে কেতিয়াবা দিনচেৰেক পিছত এই উৎসৱৰ আয়োজন কৰে। বতৰ একে, উদ্দেশ্য একে, আয়োজনো একে।[৫]

বড়োসকলে বিশ্বাস কৰে যে বৈসাগী উৎসৱ অতি প্ৰাচীন অৰ্থাৎ খেতি কৰি সমাজ পাতি বসবাস কৰিব জনাৰ পৰাই উৎসৱ পালন কৰি আহিছে। যদি সেয়ে হয়, তেনেহ'লে ক'ব লাগিব যে বড়োসকলেও বীসীৰ অৰ্থাৎ বছৰ গণনা কৰিব জনাৰ আগৰ পৰাই বৈসাগী উৎসৱ পালন কৰিছে। এই সংক্ৰান্তত বড়োসকলৰ মাজত বৰ্তমানেও প্ৰচলিত এটি লোকগীত উল্লেখ কৰি বৈসাগীৰ ব্যুৎপত্তিগত অৰ্থ উলিয়াবৰ বাবে যত্ন কৰা হ'ল ঃ

বড়ো লোকগীত ঃ 'সৌফৈলায়বায় সাদ মুলুগনি
লৈথী বাৰনানৈ-
ৰিন্দাৰ-ৰিনসি-
বীথীৰ বাৰালিয়া সৌফৈলায়বায়
বৈ বীথীৰা সৌফৈলায়বায়।
বাদাৰি জাংগিলা খাম দামদীং
ঔৰা বিজৌৰা সিফুং সুদীং
বাথা বিলায়া গংগনা দামদীং
দাৰ হুদুৰা জথা দামদীং
হায়নাৰি সিখীলা মৌসাবায়দীং
বৈ বীথীৰা সৌফৈলায়দীং'[৬]

('আহি পালে সাত মুলুকৰ
সাগৰ পাৰ হৈ
চিঞৰি-নাচি
উৎফুল্লিত বতৰ আহি পালে

---

৫. **লীলা গগৈ ঃ অসমৰ সংস্কৃতি**, পৃ. ৩৪৫

৬. **দক্ষিণ বিজনী বিহু সন্মিলনিৰ** (দক্ষিণ বিজনী ৰংজালি আফাদ) সাংস্কৃতিক সন্ধিয়া অনুষ্ঠানৰ পৰা **সংগৃহীত।**

সেই বতৰ আহি পালে।
খৰিকটীয়া ডেকাই মাদল বজালে
আগলি বাঁহে বাঁহী বজালে
বতা বনে গগনা বজালে
হুদু চৰায়ে খঞ্জৰী বজালে
ভৈয়ামৰ গাভৰুৱে নাচিলে
সেই বতৰটো আহি পালে।')

এই গানৰ পৰা যদি বৈসাগী শব্দৰ ব্যুৎপত্তিগত অৰ্থ বিচাৰি চোৱা যায়, তেনেহ'লে ক'ব পাৰি যে 'বৈসাগী' শব্দৰ উৎপত্তিৰ লগত ব'হাগ মাহৰ কোনো সম্বন্ধ নাই। সেই গানত বতৰ শব্দৰহে উল্লেখ আছে, যি বতৰত প্ৰকৃতি জগতে নিজে মনোমোহা ৰূপ গ্ৰহণ কৰাৰ লগে লগে জনসাধাৰণক উৎফুল্লিত কৰিব পাৰে তেনে বতৰৰ কথাকেই উল্লেখ কৰিছে। এই ফালৰ পৰা চাবলৈ গ'লে 'বৈসাগী' শব্দৰ উৎপত্তি বছৰৰ লগত কোনো সম্বন্ধই নাই বুলি ক'ব লাগিব। এনেও বড়োসকলৰ মাজত বছৰ গণনাৰ মাহৰ সুকীয়া নাম নাই। অসমীয়া মাহৰ নামকেইটাকেই বড়ো হিচাপে উচ্চাৰণ মাত্ৰ কৰে। সেয়ে উল্লিখিত বতৰত উদ্‌যাপন কৰা বৈসাগী শব্দৰ উৎপত্তি সম্ভৱতঃ এনেদৰেহে হৈছেঃ 'বাথাৰ + আগাল > বাথাৰগা > বাসাৰগা > বৈসাগী'। বাথাৰ মানে হ'ল বতৰ, আগাল মানে হ'ল আগত। বছৰ গণনা কৰিব জনাৰ পৰা অৱশ্যে চ'তৰ সংক্ৰান্তিৰ পৰা আৰম্ভ কৰি ব'হাগত শেষ কৰা হয়।

বৈসাগী উৎসৱ পালন ঃ

'কৃষিজীৱী বড়োসকলে পুৰণি কালত এমাহলৈ 'বৌসাগী উৎসৱ' পালন কৰিছিল বুলি শুনা যায়।'[৭] বুলি লক্ষেশ্বৰ ব্ৰহ্মাই উল্লেখ কৰিছে। বৰ্তমান সাত দিনলৈ বৈসাগী উৎসৱ উদ্‌যাপিত হোৱা দেখিবলৈ পোৱা যায়। বড়োসকলৰ মাজত বৈসাগী উৎসৱ উদ্‌যাপন দুটা পৰ্বত উদ্‌যাপিত কৰা দেখিবলৈ পোৱা যায়। প্ৰথম পৰ্বত গৰুৰ আৰু দ্বিতীয় পৰ্বত মানুহৰ। প্ৰথম পৰ্বত গৰুক গা ধুৱাই সন্ধিয়া পূজা দিয়া হয়। উৰুকাৰ দিনা অৰ্থাৎ চ'তৰ সংক্ৰান্তিৰ দিনা গৰু বিহু পালন কৰা হয়। সংক্ৰান্তিৰ আগদিনা গৰু বিহুৰ প্ৰয়োজনীয় সামগ্ৰী মাখোনা বিবাৰ (ভেটমালীৰ ফুল), খাথ্ৰি বিবাৰ (কেঁতুৰিৰ ফুল), দিগ্লিলিথি (দীঘলতি), ৰায়দাং বিলাই (বেতৰ পাত), লাউ (লাউ), ফানথাৱ (বেঙেনা), হালদৈ গাথাং (কেঁচা হালধি), নালৌ (নল) আদি প্ৰয়োজনীয় বস্তুবোৰ যোগাৰ কৰি ৰখা হয়। পিছদিনা অৰ্থাৎ সংক্ৰান্তিৰ দিনা দোকমোকালিতে বিছনাৰ পৰা উঠি লাউ-বেঙেনা-হালধিবোৰ

৭. লক্ষেশ্বৰ ব্ৰহ্ম ঃ বৈসাগু আৰো হাৰিমু, পৃ. ৮

সৰু সৰুকৈ কাটি লৈ সেইবোৰ তমালেৰে গুঁঠি মালা গুঁঠা হয়। প্ৰয়োজন অনুসাৰে মালা প্ৰস্তুত কৰাৰ পিছত বাকীখিনি 'দোণ' এটাত থৈ দিয়া হয়। তাৰ পিছত এটা সাজত কেৰাহীৰ তলৰ এঙাৰ প্ৰয়োজন অনুসৰি লৈ তাৰ লগত মিঠাতেল মিহলাই ক'লা ৰং প্ৰস্তুত কৰি, এফুটমান নল গছৰ টুকুৰা তিনিটা একেলগে বান্ধি লৈ গৰুৰ গাত ফোঁট দিয়া হয়। কিছুমান পৰিয়ালত আকৌ গৰুৰ গাত ফোঁট দিয়াৰ নিয়ম নাই। তেওঁলোকে গৰুৰ শিং আৰু খুড়াত সৰিয়হৰ তেল সানি দিয়ে। এইবোৰ যো-জা হোৱাৰ পিছত এটা দোণত লাউ-বেঙেনা-হালধিৰ টুকুৰা অলপ, মালা কেইডালমান, আগদিনা গোটাই থোৱা সামগ্ৰীবোৰৰ প্ৰতিটো বিধৰে অলপ অলপ লৈ আৰু গোহালিৰ গৰু বন্ধা পঘাকেইডালমান লৈ গৰুবোৰ নৈৰ পাৰলৈ নিয়া হয়। নৈৰ পাৰলৈ নিয়াৰ সময়ত গৰুবোৰ দীঘলতিৰ পাতযুক্ত ঠানিৰে কোবোৱা হয়। নৈৰ ঘাটত নিজ নিজ গৰুবোৰ একগোট কৰি লৈ লাউ-বেঙেনা-হালধিৰ টুকুৰাবোৰ গৰুৰ গালৈ দলিয়াই দি গান গায় ঃ

'লাউ জা ফানথাৰ জা
জৌংনি মৌসৌৱা বৌসৌৰে বৌসৌৰে এৰজা
ফিফানি খিথেৰ বিমানি খিথেৰ
নৌং জা জৌলৈ গেদেৰ।'

(লাউ খা বেঙেনা খা
বছৰে বছৰে বাঢ়ি যা
বাপেৰ প্ৰতিশোধ মাৰৰ প্ৰতিশোধ
তই হ'বি বলদ গৰু।'

তাৰ পিছত গৰুবোৰ নৈত নমাই দি গা-ধুৱাই এৰি দিয়া হয়। ইফালে ঘৰৰ পৰা লৈ যোৱা মালা, সামগ্ৰী আৰু পঘাকেইডাল অইন পৰিয়ালৰ স'তে সালসলনি কৰি সকলোবোৰ বস্তু নৈৰ পানীত ধুই ঘৰলৈ উভতি আহি ঘৰৰ মুখ্য মানুহজনে তিতা গামোচাৰে মালা, গোটাই থোৱা সামগ্ৰীবোৰ গোহালি ঘৰৰ চাৰি কোণত, নঙলা-মুখৰ দুয়োকাষে, ভঁৰাল ঘৰৰ সমুখৰ ফালে আৰু 'বাথৌসালি'ৰ দুৱাৰমুখত ওলোমাই থোৱা হয়। তাৰ পিছতহে ঘৰৰ মূল মানুহজনে গামোচা সলনি কৰে। গৰুবোৰ গোহালিৰ পৰা লৈ যোৱাৰ পিছতে ঘৰখনৰ মূল তিৰোতাগৰাকীয়ে গোবৰ পেলোৱা পাচি (গৌবৌৰ খাদা) অথবা তামোলৰ ঢকুৱাত (গয় দুনায়খং) এপাচি গোবৰ আৰু ব্যৱহাৰ কৰা বাঢ়নী এটা (হাসিব) লৈ ৰাজহুৱা পথ আৰু ঘৰৰ সোমোৱা পথৰ সংলগ্ন স্থলৰ দাঁতিত একেলগে পেলাই থৈ অহা হয়।

পুৱাৰ ভাগত এইবোৰ কাম সমাধা কৰি গাঁৱলীয়া সমাজৰ মেল-মিটিং বিশেষকৈ গৰখীয়া ৰখা (লাৱখাৰ লাখিনায়), বান্ধ বন্ধা (বান্দী থেনায়) অথবা সমূহীয়া পূজা আদিৰ বিষয়ে আলোচনা কৰে। যদিহে কোনোবা গাঁৱত এইবোৰ ব্যৱস্থা নাথাকে বা থাকিলেও ঘৰৰ মূল মানুহজনে সমাজৰ লগত উপস্থিত থাকি বাকীবোৰ লোকে বাৰীত বাঁহ, তামোল, কল আদি ৰুই দিয়ে।

গধূলি গৰুবোৰ ঘৰলৈ উভতি অহাৰ সময়ত গোহালি ঘৰত চাকি-বন্তি জ্বলাই ন-পঘাৰে বন্ধা হয়। এইদৰেই গৰু বিহু সম্পন্ন কৰা হয়।

প্ৰথম ব'হাগৰ পৰা মানুহৰ বিহু আৰম্ভ হয়। বড়োসকলৰ মানুহৰ বিহু সাত দিনক সাতটা নামেৰে নামকৰণ কৰা হৈছে ঃ

> প্ৰথম দিনটো মানুহৰ, দ্বিতীয় দিনটো কুকুৰৰ, তৃতীয় দিনটো গাহৰিৰ, চতুৰ্থ দিনটো চৰাই-চিৰিকটিৰ, পঞ্চম দিনটো জ্ঞাতি-কুটুম্বৰ, ষষ্ঠ দিনটো জ্ঞাতি-কুটুমৰ মিলন আৰু সপ্তম দিনটো মিলাপ্ৰীতিৰ বিহু হিচাপে পালন কৰা হয়।[৮]

মানুহ বিহু আৰম্ভ হোৱাৰ লগে লগে কাৰোবাৰ ঘৰত পূজা-পাতল দিবলগীয়া হ'লে পূজা দিয়ে। এই কথা ঠিক যে প্ৰায় প্ৰতিজন মৃত পূৰ্বপুৰুষৰ নামত খোৱাবস্তু উৎসৰ্গা কৰে। কোনোবা পৰিয়ালত পূজা দিলেও বৰ জাকজমকতাপূৰ্ণ পূজা নহয়, সামান্যভাৱেহে কৰে। কাৰণ ব'হাগৰ সময়ত সকলো লোকৰে প্ৰাণ উৎফুল্লিত হৈ থাকে, তেনে ক্ষেত্ৰত পূজা-পাতলত মনোনিৱেশ কৰাটো সম্ভৱপৰ নহয়।

বৈসাগীৰ আৰম্ভণিৰ দিনাই পুৱাৰ ভাগতে 'খাম' বাদকজনে অথবা বাঁহীবাদকজনে দীঘলকৈ বাঁহীৰ সুৰ বজাই নাইবা 'খামত' ডাঙৰকৈ চাপৰ মাৰি গঞা ৰাইজক 'বৈসাগী'ৰ ৰং-ৰহইচৰ কথা সোঁৱৰাই দিয়ে। খামৰ শব্দ অথবা বাঁহীৰ সুৰ শুনাৰ লগে লগে 'খুংখ্ৰা' (খুংখা) জানানৈ[৯] বুঢ়া অথবা বয়স্কসকলে 'খাম' বজোৱা মানুহৰ ঘৰলৈ বাদ্য-বাজনাবোৰ লৈ উপস্থিত হয়গৈ। তাৰ পিছত খামবাদকজনৰ বাথৌসালিত খাম, সিফুং, জথা, সেৰজা আদি বাদ্য-বাজনাবোৰৰ নামত পূজা দিয়ে। এই পূজাৰ উদ্দেশ্য হ'ল বাদ্যযন্ত্ৰবোৰ ব্যৱহাৰ কৰি ৰং-ৰহইচ কৰি থকাৰ সময়ত যাতে বাদ্যযন্ত্ৰবোৰৰ কোনো বিজুতি নঘটে। পূজাৰ অন্তত সেইটো পৰিয়ালত মদ খাই বাদ্যযন্ত্ৰবোৰ বজাই ৰং-ৰহইচৰ পাতনি মেলে। কোনো কোনো ঠাইত আকৌ খামবাদকৰ ঘৰত বাদ্যযন্ত্ৰবোৰৰ নামত পূজা নিদি গাঁৱৰ বয়সিয়াল ব্যক্তি অথবা গাঁওবুঢ়াৰ ঘৰত পূজা দি পূজাৰ অন্তত মদ খাই ৰং-ৰহইচৰ পাতনি মেলে।

---

৮. লক্ষেশ্বৰ ব্ৰহ্ম ঃ বৈসাগু আৰৌ হাৱিমু, পৃ. ১৩

৯. খুংখ্ৰা জানায় ঃ কোনো ঠাইত প্ৰথম বহাগৰ দিনা খুংখ্ৰা নামৰ এবিধ তিতা বনৰ স'তে মুগীৰ মাংস ভজা কৰি কৰ্কৰা ভাতেৰে খায়। ইয়াকে খুংখ্ৰা জানায় বুলি কোৱা হয়।

ভবেন নাজ্জীয়ে উল্লেখ কৰিছে যে ঃ

মানুহৰ বিহু নতুন বছৰৰ প্ৰথম দিনা ব্ৰহ্মমুহূৰ্ততে খেৰায় পূজাৰ ছত্ৰাওলি সুৰ বাঁহীত বজাই দি নৱ বছৰক সম্ভাষণ জনায়। বড়ো-কছাৰীৰ মতে ছত্ৰাওলি বাঁহীৰ সুৰৰ দ্বাৰা মানুহ তথা জীৱৰ পৰম শত্ৰু সাপৰ কণী ঘোলা হয়।[১০]

আকৌ এঠাইত উল্লেখ কৰিছে যে ঃ

খুংখা নামৰ এবিধ বনৰীয়া তিতা শাকৰ লগত মুৰ্গী চৰাইৰ মঙহ ভাজি পৰিয়ালৰ আটাইকেইজন মানুহে খায়। ইয়াৰ তাৎপৰ্য যোৱা বছৰক চিৰদিনৰ বাবে বিদায় দিয়া।[১১]

'নতুন বছৰক সম্ভাষণ' আৰু 'বিদায় দিয়া' তাৎপৰ্য দুটা বৰ্তমান সমাজৰ বড়োসকলে মানি লোৱা নাই। তেওঁলোকৰ মতে বাঁহীৰ সুৰেৰে বৈসাগীৰ ৰং-ৰহইচৰ সম্ভেদ দিয়া আৰু খুংখ্ৰা অথবা খুংখা খোৱাৰ অৰ্থ হ'ল বৈসাগীৰ প্ৰথম দিনত ভালকৈ এসাঁজ খাই লৈ ৰং-ৰহইচৰ বাবে সাজু হোৱা।[১২]

ব'হাগৰ প্ৰথম দিনৰ পৰা আৰম্ভ কৰি সাত দিনলৈ গঞ্জ ৰাইজে চাৰিটা ভাগত বিভক্ত হয়। বুঢ়া অৰ্থাৎ বয়সিয়ালসকলৰ দল, বুঢ়ী অথবা বয়সীয়া মহিলাসকলৰ দল, ডেকাসকলৰ দল আৰু গাভৰুসকলৰ দল। এই চাৰিটা ভাগৰ প্ৰতিটো দলেই নিজ নিজ বাদ্য-বাজনা বিশেষকৈ বুঢ়াসকলে খাম, চিফুং, জথা, সেৰজা, বুঢ়ীসকলে গংগনা, থৰখা, জাৰখ্ৰিং, ঔৱানি ৰেগে গন, গাভৰুসকলেও বুঢ়ীসকলৰ বাদ্যযন্ত্ৰবোৰেই ব্যৱহাৰ কৰে। ডেকাসকলে খাম, চিফুং, সেৰজা, জথাৰ বাহিৰেও থৰখা, নতুন যুগৰ হাৰমনিয়ম, ঢোল আদি বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰি নাচি-বাগি সাত দিনলৈ কটাই দিয়ে।

বৈসাগীনি ৰংজানায় বাজানায় (ব'হাগ বিহুৰ ৰং-ৰহইচ) ঃ

বড়োসকলৰ ৰংজানায় বাজানায় অৰ্থাৎ ৰং-ৰহইচ বুলিলে সাধাৰণতে নাচ-গানৰ কথাই আমাৰ মনলৈ আহে। বড়োসকলৰ এই নাচ-গানৰ সম্পৰ্কে বিভিন্ন পণ্ডিতে বিভিন্ন মত পোষণ কৰিছে। কলাগুৰু বিষ্ণু ৰাভাৰ মতে ঃ

বড়ো হাৰিয়া ফৗথায়ৗদি মৗসানায় আখুখৗ বড়ো হাৰিনী সিগাং-সিগাং ফৗৰৗংগ্ৰৗয়ৗ বৗৰৗয় বাথৗ মহাৰাজা সিবৗৰায়া। দামনায় দেনায়নি দৗহৗ, খননায় মৗসানায়নি খবাম আৰৗ লৗগৗসে খাম

১০. ভবেন নাজ্জী ঃ বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি, পৃ. ২৩৯
১১. উক্ত গ্ৰন্থ, পৃ. ২১০
১২. সূচক ঃ ধনসিং বড়ো, পৃ. ৬৫ বছৰ, ৰঙিয়া

সিফুং জথা, বিণ্ডি, সেৰজা দাননায় বানায়নায় গাসিবী সিবীৰায়ানী ফাৰীংলাংজীবী।[১৩]

('বড়ো জাতিয়ে বিশ্বাস কৰে যে বড়োসকলক পোনপ্ৰথমে বুঢ়া বাথৌ সিবীৰায়ে নৃত্য শিকাইছিল। বাদ্য-বাজনাৰ ঢৌ, নৃত্য-গীতৰ ছন্দ আৰু মাদল, বাঁহী, খুটিতাল, গগনা, সেৰজা আদিৰ প্ৰস্তুত প্ৰণালীও শিকায়।')

বড়োসকলৰ সুগায়ক আৰু পোনপ্ৰথমে বড়ো গীত বাণীবদ্ধ কৰোঁতা নীলেশ্বৰ ব্ৰহ্মাই এইদৰে কৈছে ঃ

গীদী গীদায়নিফ্রায়নী বড়োহা দামনায় দেনায়, খননায় মীসানায়, আখু-খান্থিয়া দংখায়ীমীন। গীদী বেফীৰনি মহৰখৌ সাৰেনায় হায়াও দানানৈ (ভাস্কৰ্য) দীনলাংনায় নুনী মীনী। দৰং জিলানি বৰগাং সাহাবাগাননি সাহা থানায় নকসা হাজীয়াও মীননায় হায়াও দানায় মুসুখায়াও খেৰায় মীসানায় দাননায় মীননায় জাদীং। বিদিনী ১৯৫১ মায়থায়াও তেজপুৰাও বাণ ৰাজানি গীদীনি বায়খীন্দা উলাফাদাও গীগ্লেনা থানায় অনথায়নি বিখায়াও দাননায় বড়োনি খাম দামনায় আৰী হৌৰা হিনজাও মীসানায়, আখাই আথিং সুৰনায় বেৰখাংনায় মীননায় জাদীং।[১৪]

(আদিম কালৰ পৰাই বড়োসকলৰ বাদ্য-বাজনা, নাচ-গানৰ ৰীতি আছিল। পুৰণি কালত এইবোৰৰ ভাস্কৰ্য পোৱা গৈছিল। দৰং জিলাৰ বৰগাং চাহ বাগানৰ উত্তৰে অৱস্থিত নক্সা পাহাৰত পোৱা ভাস্কৰ্যত খেৰায় নৃত্যৰ সম্ভেদ পোৱা যায়। সেইদৰে ১৯৫১ চনত তেজপুৰত বাণৰজাৰ ভগ্নাৱশেষৰ শিলৰ টুকুৰাবোৰত বড়োসকলৰ মাদল বজোৱা আৰু নাৰী-পুৰুষৰ যুগ্ম নৃত্য, হাত-ভৰিৰ অংগি-ভংগিৰ নিদৰ্শন পোৱা গৈছে।)

সুনীতি কুমাৰ চেটাৰ্জীয়েও বড়োসকলৰ নৃত্য-গীতৰ বিষয়ে এইদৰে উল্লেখ কৰিছে ঃ

In 619 A.D. a Chinese prince, a son of the Tang emperor Kao-tsu, had defeated some rebels against 'the son of Heven' the Chinese emperor. A song was composed in celebration of the event and in praise of the emperor of China. This song travelled to India (it was probably the melody only which

১৩. লক্ষেশ্বৰ ব্ৰহ্ম ঃ 'সিফুং' দিন্থনাগিবি, পৃ. ১৮

১৪. নীলেশ্বৰ ব্ৰহ্ম ঃ বিৰ্সাৰ্থি ঃ বড়ো সাহিত্য সভা, মহাকালগুৰী, ১৯৭০

came to India-the Chinese words could possibly not have come, but a translation of the song in some Tibeto-Burman Language, it may be old Bodo, might have also been current). Bhaskar Varman had taken note of this Chinese song, which was popular with his people; and when he saw. Hiuen-Ts'ang in 638 A.D. in his capital, he, on the Testimony of Hiuen-Ts'ang, told him as follows : At present in various states of India a song has been heard from some time called "the Music of the Conquests of Ts'in-wang (i.e. of the Prince or King of Ts'in)" of Maha China (i.e. China proper)[১৫]

বিষ্ণুপ্ৰসাদ ৰাভাই বড়ো নৃত্যৰ বিষয়ে এইদৰে উল্লেখ কৰিছে ঃ

তামোলৰ পিকেৰে হোৱা ৰঙচুৱা ওঁঠৰ পৰশেৰে হৰ্ষ ভৰা 'চিফুং' লৈ 'বাৰ'ই ছেৰে-ছেৰে নাচি কান্ধৰ পৰা ওলমি পৰা চেলেংখন ডেউকা মেলা বিহঙ্গমৰ দৰে মেলিছিল; যি সুৰৰ তালে-তালে 'বাৰজু'য়ে মূৰত ওৰণি, কাণত কেৰু, ডিঙিত গেজেৰা, হাতত গামখাৰু, বুকু পৰা খাৰু, গাঁথিছোৱা ফুলাম বিবিধ ধৰণৰ মেখেলা পিন্ধি কঁকালত ৰাঙলী 'ফালি' বান্ধি পাঁজিসেৰীয়া আঙুলিৰে আলফুলকৈ 'জোথা' (খুটিতাল) কোবাই লৰণু দেহত নাচোনৰ লহৰ মেলিছিল আৰু 'ডাওথোপ' বিবাহৰ বিয়াথলীত উলাহৰ উখল-মাখল দলদোপ হেন্দোলদোপ মেল পাতিছিল।[১৬]

বিৰিঞ্চি কুমাৰ বৰুৱাই বড়োসকলৰ নৃত্য-গীতৰ বিষয়ে এইদৰে উল্লেখ কৰিছে ঃ

অসমীয়া শিল্পী আৰু সুকুমাৰ কলাত তিব্বত-বৰ্মীভাষী সুস্পষ্ট ছাপ আছে। বিহু নাচকে মুখ্য কৰি অসমৰ বিভিন্ন তিব্বত-বৰ্মীভাষীৰ মাজত যি নৃত্য-গীত প্ৰচলিত আছে সেইসমূহৰ পুনৰুদ্ধাৰ আৰু চৰ্চা হ'লে নতুন ৰূপ ল'ব। বস্তুত বিহুগীতৰ মূল ভাব আৰু মুকলিমূৰীয়া সুৰে তিব্বত-বৰ্মীৰ স্বচ্ছন্দ জীৱনৰ পৰা আহিছে বুলি

১৫. S.K. Hazarika : Kirata Jana Kriti, p. 50

১৬. বিষ্ণুপ্ৰসাদ ৰাভা ঃ নায়ক, 'চিফুং বাঁহীৰ সুৰ', ৮ম সংখ্যা, ১৮৬৩

অনুমান কৰে। বাদ্যযন্ত্ৰৰ ভিতৰত দবা, ভোৰতাল, টকা, গগনা, চিফুং-বাঁহী আদি তিব্বত-বৰ্মীৰ সংসৰ্গত পোৱা।[১৭]

এণ্ডেলেও বড়োসকলৰ নৃত্য-গীতৰ বিষয়ে এইদৰে কৈছে ঃ

> Among the Darrang Kacharis, this festival (Boisagu) lasts for seven days, during which little or no work is done, the whole period being given up to marry making, dancing, feasting etc. ... The people abandon themselves to sheer marriment, the younger folks specially giving themselves up to dancing and singing etc.[১৮]

উল্লিখিত পণ্ডিত-গৱেষকসকলৰ উক্তিৰ পৰা এটা সত্যত উপনীত হ'ব পাৰি যে বড়োসকল বৈসাগীৰ সময়ত পূৰ্বৰ পৰাই নৃত্য-গীত আদি কৰি ৰং-ৰহইচৰে দিনবোৰ কটাই দিছিল।

বৈসাগী গীতৰ শ্ৰেণীবিভাজন ঃ বৈসাগীৰ সময়ত গোৱা গীতবোৰক বিষয়বস্তু আৰু প্ৰস্ফুটিত হোৱা প্ৰতিচ্ছবিৰ ওপৰত নিৰ্ভৰ কৰি কেইবাটাও ভাগত ভগোৱা হৈছে। সেইবোৰ হ'ল ঃ

(ক) মিথিংগানি মহৰ বেখাংহৗনায় (প্ৰকৃতিৰ ৰূপ প্ৰস্ফুটিত হোৱা গীত)

(খ) মাৱনায় দাংনায়নি মেথায় (কৰ্মবিষয়ক গীত)

(গ) গৗসৗ থৗনায় (প্ৰেমবিষয়ক গীত)

(ঘ) দানায়-লুনায় বেৰখাংহৗনায় (বস্ত্ৰশিল্পবিষয়ক গীত)

(ঙ) দাহা (খেদ)

(চ) জংখায়নায় (জোকোৱা গীত)

১। বিগুমৈ বিবৗনাং (ভিনিহিয়েক-খুলশালীয়েক)

২। বিবাজৈজৗং জংখায়লায়নায় মেথায় (বৌৱেকক জোকোৱা গীত)

৩। মেগন খেবনায় সেংগ্ৰা-সিখ্‌লাখৗ জংখায়নায় (পছন্দ কৰা অচিনাকি যুৱক-যুৱতীক জোকোৱা)

৪। বেৱায়াইখৗ জংখায়নায় (ভাইবোৱাৰীক জোকোৱা)

৫। বিখুনজৗ বিজামাদৈজৗং জংখায়লায়নায় (শাহুজোঁৱায়েকৰ মাজত জোকোৱা)

৬। গাবজৗন থাখাখৗ লানানৈ খননায় মেথায় (গা-ধনক উদ্দেশ্যি গোৱা গীত)

---

১৭. বিৰিঞ্চি কুমাৰ বৰুৱা ঃ অসমীয়া ভাষা আৰু সংস্কৃতি, পৃ. ৮৪

১৮. Sidney Endle : The Kacharis. p. 50

মিথিংগানি মহৰ বেৰখাংহৌনায় (প্ৰকৃতিৰ ৰূপ প্ৰস্ফুটিত হোৱা গীত) ঃ বড়োসকলৰ জীৱন নিৰ্বাহ প্ৰণালী প্ৰকৃতিৰ লগত নিবিড়ভাৱে জড়িত। তেওঁলোকে নিৰলস নিষ্কলুষ অন্তৰত প্ৰকৃতিৰ মনমোহা ৰূপে খলকনি তুলি ঢৌৰ সৃষ্টি কৰে আৰু বৈসাগীৰ সময়ত গীতৰ মাজেদি প্ৰকাশিত হৈ উঠে ঃ

সৌফেলায়বায় সাদ মুলুগনি
লৈথৌ বাৰনানৈ
ৰিনাৰ ৰিনসি
বৌথৌৰ বাৰালিয়া সৌফেলায়বায়
বৈ বৌথৌৰা সৌফেলায়বায়
বাদাৰি জাংগিলা খাম দামদৌং
ঔৰা বিজৌৰা সিফুং সুদৌং
বাথা বিলায়া গংগনা দামদৌং
দাৰ হুদুৰা জথা দামদৌং
হায়নাৰি সিখৌলা মৌসাবায়দৌং
বৈ বৌথৌৰা সৌফেলায়দৌং।

বৈসাগী গীতসমূহৰ মাজেদি প্ৰকৃতিৰ মনোমোহা ৰূপ এনেদৰে প্ৰকাশ পাইছে যে কোনোবা ছোৱালীৰ ৰূপ-লাৱণ্যৰ কথা ব্যক্ত কৰিবলগীয়া হ'লেও প্ৰকৃতিৰ লগতহে ৰিজাই বৰ্ণনা কৰে ঃ

বাথা বিলাই গ্ৰৌ গ্ৰৌ
আগৈ জাৰৌ ৰৌ
নাৰেং খমলা জাৰেং ৰেং
আগৈ খুমায়ৰেং।
(বতা বনৰ পাত লহপহীয়া
মৰমৰ ভণ্টীজনী তেজগঢ়া
কমলা টেঙা ৰং চঙীয়া
ভণ্টীজনীও তেজ ৰঙা।)

বৈসাগী বতৰত প্ৰকৃতিৰ মনোমোহা ৰূপ দেখা পোৱাৰ লগে লগে সকলোৰে মন আনন্দমুখৰ হৈ উঠে। তাতেই খাম, চিফুং, জথা, সেৰজাৰ মাত শুনাৰ লগে লগে সকলোৰে মন প্ৰাণ নাচি উঠে। তেনে ভাৱেই প্ৰকাশ পাইছে তলৰ গীতটিত ঃ

দেহায় লৌগীফৌৰ ফৈহায় লৌগীফৌৰ
গীদান বৌথৌৰনি বৈসাগী বৌথৌৰাৱ
গীসৌ হৌসাৱ হৌসাৱ মৌসাদিনি

ভ্রিন্দা-ভ্রিন্দা খাম দামনায় আয়
ৰিৱা ৰিৱ ৰিৱা ৰিৱ সিফুং সুনায়
থিংথ থিংথ জথা দামনায়
গীসী হীসাৰ মীদাদে লীগীফীৰ
বাগুৰুম বাগুৰুম সীসাদে সায় মীসাদে।
(এৰা বান্ধৱীসকল অহা বান্ধৱীসকল
নতুন বতৰৰ ব'হাগৰ বতৰত
হিয়া উজাৰি নাচো আহা।
ভিন্দ্রা ভিন্দ্রা মাদল বজাইছে
ৰিৱা-ৰিৱ বাঁহী বজাইছে
থিংথ থিংথ জথা বজাইছে
হিয়া উজাৰি নাচা বান্ধৱীসকল
ডেওদি ডেওদি নাচাহে, নাচা।)

মাৱনায় দাংনায়নি মেথায় (কর্মবিষয়ক গীত) ঃ বড়োসকলে যে ব'হাগৰ বতৰত কেৱল ৰং-ৰহইচ কৰিয়েই অতিবাহিত কৰে তেনে নহয়। বৈসাগীৰ সময়ত গোৱা নৃত্য-গীতৰ মাজেদি প্রস্ফুটিত হৈ উঠিছে কর্মৰ প্রেৰণাময়ী উৎসাহ-উদ্দীপনা আৰু কর্মময় জীৱনৰ প্রতিচ্ছবি ঃ

থুদীলৈ লীগীফীৰ ফাম জানৈনি
হাগীদান নুবীদীং আং জাহাৰ বাৰিয়াৱ
গীসীম বন্দাদা লৈ গং মেনা না
মৈসী বেহেৰা ঔংখাৰী ফামথিলিয়াৱ;
আথিং থীংবা ঔংখাৰী ফামথিলিয়াৱ।
থিয়াৰি জাদী লীগী জানজ্রিখাফ্রাদী
হাগীদান সিফায়নী জাহাৰ বাৰিয়াৱ
ফাম জাহৈনী জাহাৰ বাৰিয়াৱ।

(ব'লা বন্ধুসকল পামলৈ যাওঁ
নতুন মাটি দেখিছো মই জাৰণিত
ক'লা বন্দা শিং মেনা
গোনা ম'হ ওলাই পাম তলীত;
ঠেং পাঁচটাও ওলাই পাম তলীত।
সাজু হোৱা টঙালি বন্ধা ন-মাটি উলিয়াবলৈ জাৰণিত
পাম পাতিবলৈ জাৰণিত।)

আকৌ,

ৰংজাদী দে লৌগীফৌৰ ৰংজাদী দে
বৌথীৰ গীদাননি ৰংজালি বৈসাগীয়াৱ।
এব-অং এব অং এম্বু গাবলায়গৌ
দৈলাং বৌথীৰা সৌফৈলাইগৌ।
ৰংজাস্রাদী হালুৱা জাম্বা
গীদান বৌথীৰনি ৰংজালি বৈসাগীয়াৱ।
দাৱলা গিসিববানী মৌসৌ হালুৱাখৌ ফৌজানাংগৌ
অখা নায়বীলানী নাংগীল-জুংগালজৌং খমলায় নাংগৌ।

(ৰং-তামাচা কৰা বন্ধুসকল
ৰং-তামাচা কৰা
নতুন বতৰৰ ৰঙালী বিহুত
এব-অং এব-অং ভেকুলী টোৰ্টোৰাইছে
বাৰিষা বতৰ আহি পালেহি
ৰং-তামাচা কৰি লোৱা হালোৱা হোজা
নতুন বতৰৰ ৰঙালী বিহুত
কুকুৰাই ডাকিলেই হালোৱা গৰুক
জগাব লাগে
ৰাতি পুৱালেই নাঙল-যুৱলিৰে
যুঁজিব লাগে।)

গীসীথীনায় (প্ৰেমমূলক গীত) ঃ বড়োসকলৰ বৈসাগী গীতৰ অধিকাংশই গীসী থীনায় (প্ৰেমমূলক) গীত। গীতৰ মাজেদিয়ে প্ৰেমিক-প্ৰেমিকাই নিজ নিজ অন্তৰৰ কথা প্ৰকাশ কৰি পৰস্পৰৰ মাজত যোগাযোগ কৰে। এই প্ৰেমমূলক গীতবোৰৰ মাজেদিয়ে সংসাৰ-যাত্ৰাৰ আভাস পোৱা যায়। তলত কেইটামান প্ৰেমমূলক গীত সন্নিৱিষ্ট কৰা হ'ল ঃ

(ক) আগৈ লৈ গামি নুহ্নায়নি গীসীমৈ সীমজীৰী
নীংখৌ নুৱাবীলা গীসীয়া খামগ্নিয়ী দীহী দীহী।
আদাসায় গুফুৰৈ জাংগিলা নায়নীলায় দেলামালা
মাব্লা লাংনী নীংলাই মানীথী আলাগলা।
মাবাৰ লাংদী মাবাৰ লাংদী আদা
গেৱলাংনায় বিবাৰা মুৰুন্নীসৈ

বেৰে সিখিৰিয়াবী উৰায়নীসৈ।
জিংগা দাসি জিংগাদাসি আগৈ
ফৈবাৰগীন বৈসাগী খালমাসি
অন্না লাংসিগীন আং সিৰি সিৰি।

(হেৰা ভনী দেখা পোৰা গাঁৱৰ শ্যামবৰণীয়া জনী
তোমাক দেখা নাপালে অন্তৰখন তুঁহ জুইৰ দৰে জ্বলে।
অ', মোৰ ককাই বগাকৈ ধুনীয়া বৰকৈ দেখনিয়াৰ
কেতিয়াকৈ নিবা মোক কেলেই অজলাৰ দৰে আছা।
সোনকালে নিয়া সোনকালে নিয়া ককাই
প্ৰস্ফুটিত ফুল লেৰেলি যাবহি
মৌ-পখিলাও উৰিবহি।
চিন্তা নকৰিবা, চিন্তা নকৰিবা ভনীজনী
অহা বছৰলৈ আকৌ আহিব বিহু
তেতিয়া নিমহি মনে মনে।)

(খ) আংখৌ লাংফৈ
আংখৌ ল্লাংফৈ আদা
জামফৈ সেৰাৱনি সায়াৰাম
মান্দাৰ বিবাৰ
আদা সায়াৰাম মান্দাৰ বিৰাৰ।
আংখৌ লাঙা বৌলা
হাংমা থাগীন আদা
বৰ' মুজৌং মুসে
হাৰসা মুজৌং মুসে
হাংমা থাগীন আদা
সায়াৰাম মান্দাৰ বিবাৰ।
দিনৈ বৈসাগীয়াৱ হাংমা হাংসানি
নৈবে ফালিখৌ
লাংফৈদী নীং আদা
সায়াৰাম মান্দাৰ বিবাৰ
আদা সায়াৰাম মান্দাৰ বিবাৰ।
(মোক লৈ যোৱাহি

মোক লৈ যোৱাহি
ডোঙৰ কাষৰ সায়াৰাম মদাৰৰ ফুল
ককাই সায়াৰাম মদাৰৰ ফুল।
মোক নিনিলে দুখ থাকিব ককাই
বড়ো হাতেৰে এহাত
হাৰসা (অবড়ো) হাতেৰে এহাত
হা-হুমুনিয়াহ থাকিব ককাই
সায়াৰাম মদাৰৰ ফুল।
আজিৰ বিহুৰ মৰমৰ চিন স্বৰূপে
এইখন ফালিকে
লৈ যোৱাহি ককাই
সায়াৰাম মদাৰৰ ফুল
ককাই সায়াৰাম মদাৰৰ ফুল।)

দানায় লুনায় বেৰখাংহীনায় (বস্ত্ৰ-শিল্পবিষয়ক গীত) ঃ বয়ন শিল্প বড়োসকলৰ আপুৰুগীয়া সম্পদ। প্ৰতিগৰাকী বড়ো মহিলাই এই শিল্পৰ প্ৰতি বৰ আগ্ৰহী। কাপোৰ বব নজনা ছোৱালীক কোনো ল'ৰাই বিয়া কৰাব নোখোজে। সেয়ে মাক অথবা আইতাকহঁতেই নিজৰ সন্তানক কাপোৰ ববলৈ শিকায়। কাপোৰ বোৱাক লৈয়ে বহু বৈসাগী গীত ৰচিত হৈছে। তলত কেইটামান বয়ন-শিল্পবিষয়ক গীত উল্লেখ কৰা হ'ল ঃ

(ক) বিবৗনাং ঃ ফৰবদ জৰা ফৰবদ জৰা
দংফাং দাননৗ থাংবৗলা
সাল জৰা মাখু জৰা
লাবৗ লাবৗ গুমৈ লাৰু বান্দাৰু।

বিগুমৈ ঃ দে লাবৗ গীন আগৈ দদেৰে মায়নাৰ
মায়ব্ৰানি জৌ, জৌসানি মায়ৰং
সংখা সৌখা দীনখা আগৈ দদেৰে মায়নাৰ।

বিবৗনাং ঃ ফৰবদ জৰা ফৰবদ জৰা
দংফাই দাননৗ থাংবৗলা
না গীৰান, বেদৰ গীৰান
থি না দীনগীন গুমৈ লাৰু বান্দাৰু।

(খুলশালী ঃ ফৰবদ জৰা, ফৰবদ জৰা পাহাৰত
গছ কাটিব গ'লে

শাল এযোৰ মাকো এযোৰ
আনিবা আনিবা ভিনদেউ লাৰু বান্দাৰু।

ভিনিহিয়েক ঃ দে আনিম খুলশালী লক্ষ্মীজনী
বৰা চাউলৰ মদ, জহা চাউল
বনাই, বানি থৈ দিবা খুলশালী লক্ষ্মীজনী

খুলশালী ঃ ফৰবদ জৰা ফৰবদ জৰা পাহাৰত
গছ কাটিব গ'লে—
শুকান মাছ, শুকান মাংস
সাঁচি থ'ম ভিনদেউ লাৰু বান্দাৰু।)

আকৌ ঃ

(খ) থুহায় লৗগীফৗৰ
আবৈনিফ্রাই দানায় লুনায়খৌ সৗলৗংদিনি
বিবাৰাৱ সিখিৰি বানায়খৌ
অখ্রাঙাৱ দাৱ বিৰনায়খৌ
বৗবৈ এৰনাংগৌ সৗলৗংদিনি।

বিদিনৗ ঃ দেহায় লৗগী বিমা বুৰৈনি
দানায় লুনায় আগৰ এৰনায়খৌ সৗলৗংদিনি
সিখিৰি বিদৈ সৗবনায়
অখ্রাঙাৱ দাৱ বিৰনায়
আগৰ এবৈ এবৈ বয়নিবৗ সিগাঙাৱ
খিনথিনি লৗগী খিনথিনি।

(ব'লা সখিহঁত
আইতাৰ পৰা বোৱা-কটা শিকোহঁক
ফুলত পখিলা পৰাটো
আকাশত চৰাই উৰাটো
কেনেকৈ তুলিব লাগে শিকোহঁক।

সেইদৰে ঃদে সখিহঁত বুঢ়ী মাৰ
বোৱা-কটা ফুলবছা শিকোহঁক
পখিলাই মৌ পান কৰা
আকাশত চৰাই উৰা
ফুল বাছি-বাছি সকলোৰে আগত
দেখুৱাও সখি দেখুৱাও।)

দাহা মেথায় (বিৰহৰ গীত) ঃ ডেকা-গাভৰুসকলে নিজৰ নিজৰ প্ৰেমিক-প্ৰেমিকাক নোপোৱাৰ বিৰহ-বেদনাৰ পৰিসমাপ্তি বিচাৰি বৈসাগী গীতৰ জৰিয়তে নিজ নিজ বিৰহৰ ভাববোৰ প্ৰকাশ কৰে। তেনে বিৰহৰ গীত তলত উল্লেখ কৰা হ'ল ঃ

হাবাব আদা
নৌংখৌ মৌনিনি
বড়ো মুজৌং মুসে
হাংমা থাবায়।

না বাথৌন দেদিয়া দেদিয়া
হৌৱা গীসী থীনায়খৌ মৌনহৰদিয়া।
হাবাব আদা
নৌংখৌ মৌননায় বীলা
মালায় জানায় বাদি
মালায় লৌংনায় বাদি
হায়লী জাথিৰীম
জানীসী হাগৌমীন আং।

দাৰথু গু গু দাৰথু গু
আংবী থাংফানি থু।
দাৰখা গা গা দাৰখা গা
আংবী থাংফানি দা।
গৰায়া হীনী সেৱ
হৌৱা মৌজাংনি ফালি গানথিয়া খেৱ
য়ৈ ফালি গানথিয়া খেৱ।

(হায় ককাই
তোমাক নোপোৱাৰ বাবে
বড়ো হাতেৰে এহাত
হাৰসা (অবড়ো) হাতেৰে এহাত
দুখ থাকিল।
মাছৰ পিটিকা নবনালো নবনালো
ভালপেৱা ডেকাক নাপালো।

হায় ককাই
তোমাক পোৱা হ'লে
আনে খোৱাৰ দৰে
আনে খোৱাৰ দৰে
আনে পি খোৱাৰ দৰে
সুখেৰে ভালদৰে
খাব পাৰিলোহেঁতেন মই।

ময়ো লগত যাওঁ ব'লা।
কাউৰীৰ কা কা কাউৰীৰ কা
ময়ো লগত যাওঁ এতিয়া।
ঘোঁৰাই বলে সেওঁ
ভাল ডেকাৰ মনৰ কথা খোলা
ঐ মনৰ কথা খোলা।)

জংখায়নায় মেথায় (জোকোৱা গীত) ঃ বড়োসকলৰ বৈসাগী গীতত এক উল্লেখনীয় ভূমিকা গ্ৰহণ কৰি আহিছে জংখায়নায় মেথায় (জোকোৱা গীত)সমূহে। সমাজৰ সকলো শ্ৰেণীৰ লোকৰ মাজতে ব'হাগৰ বতৰত জোকাই-মেলি গীত গোৱা হয়। জোকোৱা গীতবোৰক আকৌ কেইবাটাও ভাগত ভগোৱা হৈছে।

বিগুমৈ বিবৌনাংনি জংখায়লায়নায় মেথায় (ভিনিহিয়েক খুলশালীয়েকৰ মাজত জোকোৱা গীত) ঃ

(ক) ঐ আগৈ বিবৌনাং গদায়
আসাৰি মৌনসাৰি
ফৈ মৌসানি বয়বৌ সাৰি সাৰি
নৌংসৌৰ মৌসায়াব্লা আগৈ
নৌংসৌৰ ৰংজায়াব্লা
মৈবৌ গাৱা, দাৱবৌ গাৱা
নৌংসিনি বাৰি খোনানি অমা খাসিখৌনৌ
হগগ হৌনজাসে গাৱনৌসে গাৱনৌসৈ আং।

(হেৰা মোৰ সৰুজনী খুলশালী
আসাৰি মৌনসাৰি
আহা নাচো সকলোৱে শ্যাৰী শাৰী
তোমালোকে নানাচিলে

তোমোলোকে ৰং-ৰহইচ নকৰিলে
হৰিণাও নামাৰো, কুকুৰাও নামাৰো
তোমালোকৰ বাৰীৰ কোণৰ গাহৰিটোকে
হ গ গ-গ কোৱাকৈ মাৰিম মই।)

বিবাজৈজৌং জংখায়লায়নায় মেথায় (বৌৱেকক জোকোৱা গীত) ঃ বৈসাগীৰ সময়ত বৌৱেকক বিশেষকৈ নতুনকৈ বিবাহিত বৌৱেকসকলক জোকাই গোৱা গীতৰ বহুল প্ৰচলন আছে। তলত উল্লেখ কৰা হ'ল ঃ

দৈ জিৱি জিৱি সাম খিংখিৰি
সনানি জিনজিৰি লৈ বাজৈ
সনানি জিনজিৰি।
ঔৱানি খানজং খানায় খানখৗ
গৗদৗনি দিনা বৗজৗং থাংখৗ লৈ বাজৈ।
জৌনি ফুখ্ৰিং, ঔংখামনি আলি
গৈলিয়া লৈ বাজৈ
দিনৈ গৈলিয়া।

(পানী জিৰি জিৰি, শামুক কেঁকুৰি
সোণৰ জিনজিৰি অ' বৌ
সোণৰ জিনজিৰি।
বাঁহৰ ফণিৰে ওপৰলৈ ফণিয়াই
পুৰণি দিনবোৰ ক'লৈ গ'ল অ' বৌ
ক'লৈ গ'ল।
মদৰ পুখুৰী ভাতৰ আলি
নাই অ' বৌ
আজি নাই।)

মেগন খেবনায় সেংগ্ৰা সিখ্‌লাখৌ জংখায়নানৈ খননায় মেথায় (পছন্দ কৰা ডেকা বা গাভৰুক জোকাই গোৱা গীত) ঃ এই শ্ৰেণীৰ গীতক প্ৰেমমূলক গীতৰ শ্ৰেণীত পেলাব পাৰি। কোনোবা ডেকা অথবা গাভৰুৱে একপক্ষীয়ভাৱে ভালপাই বিবাহপাশত আবদ্ধ হ'ব খুজিলে আৰু ডেকা বা গাভৰুৱে যদি প্ৰত্যাখ্যান কৰে আৰু অইনৰ স'তে বিবাহপাশত আবদ্ধ হয় তেনেহ'লে প্ৰত্যাখ্যিত ব্যক্তিজনে বিবাহিত ডেকা বা গাভৰুৰ বিবাহিত জীৱনৰ জ্বালা-যন্ত্ৰণাবোৰ বৰ্ণাই জোকাই বৈসাগীৰ সময়ত গীত গায়। তলত তেনে গীত দিয়া হ'ল ঃ

উখুম বেসানি খুমব্রা গুফুৰ
ঐ আগৈ খুমব্রা গুফুৰ
সাত বাসি-বাসি
এন্দা বাসি-বাসি
ফিসায় জনায়া
জৌংবাদি হালুৱা বহুত
লৈ আগৈ জাম্ফৈ বাৰনায়নি
গীসীমৈ সীমজীৰী।

(ঘৰৰ চালৰ বগা কোমোৰা
ঐ ভনী বগা কোমোৰা
আমাক বাছি বাছি
বিয়া হোৱাতো
আমাৰ দৰে হালোৱাহে
ঐ ভনী—
ডোঙৰ সিপাৰৰ
ক'লাকৈ শ্যামবৰণীয়া।)

বেৱাইখৌ জংখায়নানৈ মেথায় খননায় (ভাইবোৱাৰীক জোকাই গোৱা গীত) ঃ বড়ো সমাজত এই সম্বন্ধটো বৰ ৰক্ষণশীল। ভাইবোৱাৰীৰ স'তে নাচি-বাগি ৰং-ধেমালি কৰাটো দূৰৰ কথা ভাইবোৱাৰীৰ কাপোৰ অথবা গাৰ কোনোবা অংশ কেনেবাকৈ লাগিলেও পৰজন্মত কুমজেলেকুৱা হ'ব লাগে বুলি লোকবিশ্বাস প্ৰচলিত আছে। তথাপি বৈসাগীৰ সময়ত আলেঙে আলেঙে থাকি হ'লেও ভাইবোৱাৰীক জোকাই গীত গাই ৰং-ধেমালি কৰে ঃ

হানুথু লেনদায়খৌ জবৌলা
হানথু লেনদায়খৌ জবৌলা
গীৰনা মগথায় - মগথায়
থৈনায় গীন
বৈৱাইফৌৰ সিনদাৱৰি।

(আঁঠুৰ ঘিলা ওলোৱাজনক বিয়া কৰালে
গল মোচৰাই মৰিব লাগিব
ঐ গল মোচৰাই মৰিব লাগিব
ভাইবোৱাৰী সিনদাৱৰি জনী।)

বিখুনজৌ বিজামাদৈজৌং জংখায়লায়নানৈ খননায় মেথায় (শাহুৱেক জোঁৱায়েকৰ ৰং-ধেমালিৰ গীত) ঃ এই শ্ৰেণীৰ গীত বৰ আমোদজনক। কিয়নো নিজ মাতৃতুল্য শাহুক নাইবা শাহুৱেকে নিজ পুত্ৰসম জোঁৱায়েকক জোকাই গীত গাই ৰং-ধেমালি কৰাটো অইন সময়ত হ'লে নিতান্তই অশোভনীয় আৰু সমাজবৰ্জিত হ'লহেঁতেন কিন্তু বৈসাগীৰ সময়ত এই সকলোবোৰ গতানুগতিকভাৱে চলি যায় ঃ

থৌৰি বাৰিনি সেসা খুলি
জৌংহা জাৰৈসৌয়া
অফ্ৰে গৌসায়জৌংনৌ
গুলি-গুলি
ঐ গুলি-গুলি

(উলুৱনিৰ শহা পহুৰ বাহ
আমাৰ জোঁৱাই
ছেৰা মদৰ স'তেই
দিন নিয়াই।)

গাৰজৌন থাখাখৌ লানানৈ খননায় মেথায় (গা-ধনক উদ্দেশ্যি গোৱা গীত) ঃ বড়ো সমাজত ছোৱালীৰ দেউতাকে গা-ধন লোৱা প্ৰথা বৰ্তমানেও প্ৰচলিত হৈ আছে। কোনো কোনো দেউতাকে এই ধনৰ পৰিমাণ বেছিকৈ ল'লে বৈসাগীৰ সময়ত গীত গাই ৰং-ৰহইচ কৰে ঃ

বিলৌ বুদাংনি না বিংসি
আয় নৌংলায়
মা এসে দাম বিসি।
নৌংখৌ লাংনৌ বৌলা
নাংলায়গীন বানগাসে থাখা।
হাবাব! গৌৰিব গুন্দ্ৰায়া
জালায়গীন জালায় জাখা।

(বন্ধ বিলৰ বিছি মাছ
হেৰা তুমিনো
কিয় ইমান দাম বেছি
তোমাক নিবলৈ হ'লে
লাগিব এভাৰ টকা
হায় গৰিবৰ
হ'ব জালাই জাখাই।)

এনেদৰেই বিভিন্ন নৃত্য-গীত গাই ৰং-ৰহইচৰ মাজেৰে সাতদিনলৈ কটাই দিয়ে। ব'হাগৰ এই ৰং-ৰহইচৰ সময়ত প্ৰতিটো বিহুৱা দলেই গাঁৱৰ প্ৰতিটো ঘৰলৈ গৈ 'মায়নাৱ সখনয়ী' আৰু নৃত্য-গীতৰ লগে লগে গৃহস্থই আগবঢ়োৱা মদ খায়। বৈসাগীৰ নৃত্যক তিনিটা নামেৰে নামকৰণ কৰা হৈছে ঃ (ক) 'আগান খৌলৈনায়' (খ) 'মৌসাফুনায়' বা 'বহৰ' আৰু (গ) আগান গাখৌমৌৰনায়। আগান খৌলৈনায়ৰ অৰ্থ হ'ল ভৰিৰ খোজ পেলোৱা অৰ্থাৎ বিহুৱা দলৰ পদাৰ্পণ। মৌসাফুনায় বা বহৰৰ অৰ্থ হ'ল গৃহস্থই অৰ্পণ কৰা মদ আদি খাই আনন্দত মতলীয়া হৈ কৰা নৃত্য। শেষৰটো অৰ্থাৎ আগান গাখৌমৌৰনায়ৰ অৰ্থ হ'ল বিহুৱা দলে গৃহস্থৰ ঘৰত পদাৰ্পণ কৰাৰ সময়ত যিবোৰ খোজৰ চিহ্ন পৰিছিল সেইবোৰ নৃত্যৰ জৰিয়তে শেষ কৰা। এইদৰে নৃত্য-গীত কৰি সাত দিনৰ দিনা সাতটা সোৱাদযুক্ত শাকৰ তৰকাৰী খোৱা হয়। ইয়াকেই 'গৌখা-গৌখৈ' জানায় বোলা হয়। সেই শাকবোৰ হ'ল ঃ (১) খেৰাদাফিনি (মাটি কাঁদুৰী) (২) বেসৰ দাবা (সৰিয়হ তলিৰ সৰিয়হ), (৩) থাৰাই গাজ্‌লা (তৰালি বনৰ গাজ), (৪) ৰায়দৌং বিজৌ (বেতৰ আগ), (৫) লাফা সায়খ (এবিধ লতাজাতীয় বন), (৬) খাৰৌ খান্দাই বিজৌ (দিনদিঙা গছৰ পাতৰ আগ), (৭) বুৰৈ থখন এবা দাৱলা খংগুৰ (এবিধ তৰালি বনৰ দৰে গছ), (৮) মায়সুন্দ্ৰি (এবিধ মাটিত লাগি থকা লতা), (৯) সিৰু থাৰা (সিৰু গছৰ থোৰ), (১০) দৌস্ৰেম (এবিধ সৰু গছ), (১১) দিংখিয়া (ঢেঁকীয়া)। এইবোৰৰ পৰা যিকোনো সাতবিধ সংগ্ৰহ কৰি খোৱা হয়। 'গৌখা-গৌখৈ' খোৱাৰ কেইদিনমান পিছত সুবিধা অনুযায়ী গাঁৱৰ সকলোৱে মিলি, নহ'লে প্ৰতিটো দলেই 'মায়নাৱ সখন' নায়'ৰ সময়ত পোৱা চাউল, টকা-পইচাৰে বজাৰ-সমাৰ কৰি নৈৰ পাৰত অথবা চৰণীয়া পথাৰত নাইবা গাঁৱৰে কাৰোবাৰ ঘৰত ভোজ খাই ব'হাগৰ ৰং-ৰহইচক বিদায় দি আগন্তুক কৃষি কৰ্মৰ বাবে নতুন উৎসাহেৰে সংকল্পবদ্ধ হয়।

ৰাভাসকলৰ বসন্তকালীন উৎসৱ-পাৰ্বণ

ড° উপেন ৰাভা হাকাচাম

মানুহ মাত্ৰেই ব্যক্তিগতভাৱে আৰু সামাজিকভাৱে ৰং-আনন্দত মতলীয়া হ'বৰ নতুবা ভোগ-উপভোগ কৰিবৰ সুযোগ বিচাৰি ফুৰে। সেইবুলি বাৰেওটি কালে তেনে সুবিধা নোলায়। জীয়াই থকাৰ বাবে সংগ্ৰাম কৰোঁতে কৰ্ম পৰিশ্ৰান্ত মানৱে নতুন উদ্যম পাবৰ বাবেই হওক বা প্ৰতিকূল পৰিৱেশৰ পৰা হাত সাৰিবৰ বাবেই হওক 'বাৰ মাহত তেৰ পূজা' পাতি আহিছে। আকৌ, আত্মীয়-কুটুম্বক সোধ-পোছ কৰাৰ লগে লগে সতি-সন্ততিৰ মংগলামংগল আৰু নিজৰো ইহকাল-পৰকালৰ ইষ্ট-সাধনাৰ উদ্দেশ্যে তেনে কেতবোৰ উছৱ-পৰৱৰ আয়োজন কৰি আহিছে। ইংৰাজীত বহুলভাৱে প্ৰচলিত Fairs শব্দৰ সমাৰ্থকভাৱে অসমীয়াত সভা/সবাহ, মেলা (ৰাভাতো সবা/মেলা) আৰু Festivals (Feast বা ভোজৰ লগত জড়িত)ৰ সমাৰ্থকভাৱে অসমীয়াত উৎসৱ উছৱ, পৰ্ব পৰৱ (ৰাভাত দি'ৰা/দেৰা) ইত্যাদি শব্দৰ প্ৰয়োগ আছে। আনহাতে, বিভিন্ন দেৱ-দেৱীৰ পূজা-উপাসনা (Worship), গুৰু সেৱা-বন্দনা (Salutation), জন্ম-মৃত্যু-বিবাহ আদি দশ সংস্কাৰৰ লগত জড়িত মাংগলিক অনুষ্ঠান (rites and rituals)।

ৰাভাসকলৰ বেছিভাগ উছৱ-পৰৱ, পূজা-উপাসনাৰ লগত জড়িত যদিও ইয়াৰ লগত ভোজ-ভাত আৰু নাচ-গানৰো সম্পৰ্ক আছে। ৰাভা উছৱবিলাক অনুষ্ঠিত হয় বিশেষ কালত বিশেষ বিশেষ তিথি বা দিৱসত নহয়। অৱশ্যে বিশেষ উছৱ বিশেষ বিশেষ বাৰ আৰু সময় (আগবেলা, আবেলি, ৰাতি নতুবা পূৰ্ণিমা বা অমাৱস্যা) অনুযায়ী উদ্‌যাপন কৰা হয়। জন্ম-মৃত্যু-বিবাহৰ লগত জড়িত আৰু অন্যান্য পাৰিবাৰিক অনুষ্ঠানবিলাক সাধাৰণতে তৎকালীনভাৱে যেতিয়াই প্ৰয়োজন হয় তেতিয়াই অনুষ্ঠিত কৰা হয়। ৰাভাসকলৰ সামাজিকভাৱে অনুষ্ঠিত পূজাবিলাকো (বায় ধাংকায়) সেয়ে বিশেষ কালত অনুষ্ঠিত হয়। কিন্তু ৰোগ-ব্যাধি দূৰীকৰণৰ বাবে পতা ব্যক্তিগত বা পাৰিবাৰিক পূজাবিলাক (বায় থাকায়) তৎকালীনভাৱে আয়োজন কৰা হয়। ৰাভাসকলে পৰম্পৰা অনুযায়ী বছৰটোক (বি'ছাৰ) বাৰটা মাহ (ৰাংগ্ৰে), চাৰিটা ঋতু (বু'ত্ৰি)ত ভগাই গণনা কৰে যদিও এই মাহবিলাকৰ অৱধিত অসমীয়া বা বাংলাৰ সৈতে কিছু ক্ষেত্ৰত ভিন্নতা আছে। ৰাভাসকলে মাহবিলাক মুছলমানৰ হিজৰী প্ৰথাৰ দৰে জোনৰ গতিবিধি অনুযায়ী গণনা কৰে। সেইবাবে থূলমূলকৈ প্ৰতিটো মাহ ত্ৰিশদিনীয়া আৰু সংশ্লিষ্ট মাহ আৰম্ভ হয় জোন ওলোৱাৰ দুই/তিনি দিন আগৰ পৰাই। ৰাভাত বসন্ত

কালক পিদান বু'ত্রি অর্থাৎ নতুন বতৰ বা পাৰ বু'ত্রি অর্থাৎ ফুলৰ বতৰ বোলা হয়। সেই অনুযায়ী ফাগুনৰ (ছাৰাজা ৰাংগ্রে/জোৰছি) শেহভাগৰ পৰা জেঠৰ (চাকপ্রাং/বায়খো ৰাংগ্রে) আগভাগলৈ এই তিনিমাহ কাল ৰাভাসকলে বসন্তকাল হিচাপে ধৰি লয় যদিও কেৱল ব'হাগ মাহটোকহে (বিছুৱা ৰাংগ্রে/চংছিৱি) পিদান বু'ত্রি অর্থাৎ নতুন ঋতুৰ মর্যাদা দিয়ে। বছৰৰ বাকী কালছোৱা গি'মাৰ (গ্রীষ্ম), ফাচি (বর্ষা) আৰু ছি'খাম (শীত) এই তিনিটা কালত সমানে ভগাই বছৰৰ লেখ-জোখ লয়। বসন্তকালীন উছৱ-পৰৱ (Springtime festivals) বোলোতে কিন্তু অকল চ'ত-ব'হাগ মাহৰ পৰিৱৰ্তে ফাগুনৰ পৰা জেঠ মাহলৈকে এই সময়ছোৱাত উদ্যাপিত ৰাভাসকলৰ প্ৰধান উছৱ কেতবোৰৰ বিষয়ে ইয়াত আলোকপাত কৰা হৈছে।

হাছি (মাৰাংগা) ঃ

হাছি বা মাৰাংগা হ'ল দুর্ভিক্ষ, অপায়-অমংগল আৰু পাপ বা অধর্মৰ দেৱতা। সেয়েহে গাঁওখনত মাৰি-মৰক, হাইজা, কটা-কটি, মৰা-মৰি, অপমৃত্যু বা অগ্নিদাহ হ'লে প্ৰতিকাৰ পাবৰ বাবে এই দেৱতাক অকালবোধন কৰি প্ৰয়োজনসাপেক্ষে পূজা দিয়া হয়। সাধাৰণতে প্ৰতিবছৰে চ'ত মাহৰ কোনোবা এদিন শনিবাৰে বা মংগলবাৰে আবেলি বেলিকা গোটেই গাঁওবাসীয়ে লগ লাগি বিগত বছৰটিৰ সকলো অপকাৰ্য, অপঘাত আৰু অপবাদ মৰিষণৰ বাবে আৰু আহিবলগীয়া দিনকেইটাত নিয়মিত বৰষুণ আৰু অনুকূল বতৰেৰে গাঁওবাসীৰ শ্ৰীবৃদ্ধি কামনা কৰি এই পূজা অনুষ্ঠিত কৰা হয়। এই পূজাৰ বাবে উপচাৰ হিচাপে— উঁই পৰুৱাৰ শুকান বাহ (হাখানচি), পুৰণি তিতা লাউৰ খোল (ব্ৰেক), নকৈ বৈ উলিওৱা দীঘল নালযুক্ত বিচনী (জাপ) আদিৰ প্ৰয়োজন আৰু এইবিলাক সামগ্ৰী বাঁহৰ খুঁটি কেইটামানৰ ওপৰত গুঁজি দি এজোপা প্ৰকাণ্ড গছৰ গুৰিত বা এটা শিলৰ খোৰোঙত বেদী (হাচিদাম) নিৰ্মাণ কৰি তাত মদ বাকি, বলিৰ তেজ দি, পিঠাগুৰি ছটিয়াই স্তুতি গীতেৰে আৰাধনা কৰি হাছি দেৱতাক পূজা দিয়া হয়। ৰাইজে নিৰ্বাচন কৰা দেউৰী আৰু পালিৰ হতুৱাই এই পূজাত বলি-বিধান দিয়া হয় যদিও সকলো গৃহস্থৰ মুৰব্বীসকলে এই পূজাত প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰে। এই পূজাত তিৰোতাসকলক আৰু নাবালক ল'ৰা-ছোৱালীক অংশগ্ৰহণ কৰিবলৈ দিয়া নহয়। এই পূজাত সেইবাবে নৃত্য-গীতৰ বিশেষ আয়োজন নাথাকে। তেওঁলোকৰ মাজত বিশ্বাস আছে যে এই পূজা দিয়াৰ পিছতহে বতাহ-বৰষুণ হয় আৰু তেতিয়া ঝুমখেতি আৰু অন্যান্য আহু খেতিৰ বাবে বতৰ উপযোগী হৈ পৰে। ইয়াক কাৰ্বিসকলৰ চজুন পূজাৰ লগত ৰিজাব পাৰি।

ৰোন্তাক বা মাম্বেবাকায় (লক্ষ্মী পূজা) ঃ

ফাগুন-চ'তত উদ্‌যাপিত আন এটি ৰাজহুৱা পূজা হ'ল মায়তাৰি ৰাভাৰ 'মাম্বেবাকায়' আৰু কোচ ৰাভাৰ 'ৰোন্তাক/ৰুন্তুক'। দৰাচলতে এই দুয়োবিধেই লক্ষ্মী আদৰা উৎসৱহে।

তাহানিতে ফাগুন-চ'ত মাহত ৰাভাসকলে ঝুমতলী মোকলাই নানা ধৰণৰ আলু-কচু, আহুধান, লাউ-বেঙেনা আদিৰ খেতি কৰিছিল। বৰ্তমানে কেৱল টিলা বা টাৰি মাটিত আহুখেতি কৰে। এই খেতি কৰাৰ পূৰ্বে তেওঁলোকে ৰাজহুৱাভাৱে ৰোন্তাক বা কুতুচাৰি/বামাচাৰি দেৱীক আৰাধনা কৰে। সাধাৰণতে মায়তাৰি ৰাভাসকলে যিকোনো নদী বা নিজৰাপাৰত এই পূজাৰ বাবে থান প্ৰস্তুত কৰে। আগদিনাখনে সকলো গৃহস্থই ঘৰ-দুৱাৰ মচি-কাচি শুচি কৰি লয়। ইয়াকে 'নোক খি'তাৰকায়' বোলা হয়। সেইদিনাখনে মূল দেউৰীৰ ঘৰত পৱিত্ৰ মদ (চুচায়) পতা হয় আৰু সিদিনাৰ পৰা দেউৰী-পালি উপবাসে থাকিব লাগে। মূল পূজাৰ দিনাখন সকলো গৃহস্থৰ মুৰব্বীসকলে পূজাৰ বলি, উপচাৰৰ লগতে এখৰাহি এখৰাহিকৈ নিজ নিজ ভঁৰালৰ পৰা ধান নি পূজাৰ বেদীত শাৰী পাতি থৈ দিয়ে। তাতে নকৈ প্ৰস্তুত কৰি লোৱা কেইটামান সৰু সৰু নাঙল-যুৱলিৰে মানুহে নিজ হাতে টানি এটুকুৰা ঠাই চহাই লয়। তাৰ পিছত ৰোন্তাক দেৱীৰ উদ্দেশ্যে কুকুৰা কাটি বলি দিয়াৰ পিছত প্ৰতিটো খৰাহিৰ পৰা এমুঠি এমুঠিকৈ ধান আনি মাটি টুকুৰাত সিঁচি দিয়া হয়। সেই সময়ত কৃষিৰ অধিষ্ঠাত্ৰী দেৱী আৰু বসুমতীক বন্দনা কৰা হয়। তাত তেওঁলোকে বলিৰ মাংসৰে ভোজ ৰান্ধি মদৰ লগত খায়। সন্ধিয়া বেলিকা পূজাৰ সামৰণি পৰে আৰু ঘৰেপতি একোজনীকৈ অকুমাৰী ছোৱালী নসাজ পৰিধান কৰি একোখনকৈ নতুন 'কাম্বুং' (বোকোচাত লোৱা কাপোৰ) লৈ পূজাথলীত উপস্থিত হৈ নিজ নিজ ঘৰৰ ধানৰ খৰাহিটো বোকোচাত লৈ (পাত্ৰটি আগফালে কোলাত লোৱাৰ দৰে বান্ধি) শাৰী পাতি মৌনভাৱে ঘৰলৈ উভতি আহি নিজ নিজ ভঁৰালত বোকোচাৰ পৰা নমাই স্থাপন কৰেহি। স্থাপন কৰাৰ পিছতে নিজ নিজ ঘৰত চাকি-বন্তি জ্বলাই দেৱীগৰাকীক আৰাধনা কৰে। পূজাৰ দিনাখন সমূহ গাঁওবাসীয়ে হালখতি (হাৰি চোককায়) পালন কৰে আৰু কাকো কোনো বস্তু সিদিনাখন ধাৰলৈ নিদিয়ে। বোকোচাত বান্ধি অনা বাবে (বাকায়) এই পূজাৰ নাম 'মাম্বেবাকায়' বুলি জনাজাত। পূজাৰ থানত সিঁচি থৈ অহা ধান গজিলেহে গাঁৱৰ ৰাইজে নিজ নিজ পথাৰত ধান সিঁচা আৰম্ভ কৰে।

আনহাতে কোচ ৰাভাসকলে ঘৰে ঘৰে বৰঘৰৰ নুংছু'ৰ অৰ্থাৎ ভাত ৰন্ধা কোঠালিত পাতি থোৱা বৃহদাকাৰ চাউলপূৰ্ণ মৃৎপাত্ৰ (ৰোন্তাক) দুটাকে দেৱী জ্ঞান

কৰি তিনিদিনীয়াকৈ ইয়াক উদ্‌যাপন কৰে। পূজাৰ দিনাখন প্ৰাচীন অস্ত্ৰ-শস্ত্ৰ আৰু ত্ৰিশূলসহ প্ৰতিষ্ঠাপিত স্থায়ী বেদীত 'মেঘেলা' তৃণেৰে আবৃত কৰি, 'নাগাৰফাং' তৃণেৰে সুসজ্জিত কৰি, মাকৈৰ আখৈৰে সী লোৱা মালা পিন্ধাই পিঠাগুৰি ছটিয়াই, জাতীয় বাদ্য বজাই মদ-কুকুৰা-কণী-তামোল-পাণসহ বলি বিধানেৰে স্তোত্ৰ আৰাধনাৰ মাজেদি এই পূজা সম্পাদন কৰা হয়। মূল দেৱী ৰোন্তাকৰ লগতে ৰিছি দেৱতা, হাদাতাৰ-বিদাতাৰ, হৌলী-গৌলাক এইকেইগৰাকী আনুষংগিক দেৱ-দেৱীকো সেইদিনাখন বন্দনা কৰা হয়। ৰাইজৰ উপস্থিতিত উদ্‌যাপিত হয় বাবে এই পূজা ব্যক্তিগত হৈও ৰাজহুৱা পূজাৰ মৰ্যাদা লাভ কৰিছে। অতীজতে ফাগুন-চ'ত মাহৰ যিকোনো এদিন এই পূজা আয়োজন কৰা হৈছিল যদিও বৰ্তমান হোলীৰ দিনাখনহে এই পূজা অনুষ্ঠিত কৰা হয়। ইয়াক মিচিংসকলৰ শইচ ৰোপণ কৰা ফাগুনৰ প্ৰথম বুধবাৰে পালন কৰা 'আলি আই লিগাং' উছৱৰ সৈতে ৰিজাব পাৰি।

ছোংবাই তাংগুি বা হাছং বা লাঙামাৰা (কাচাইখাতী) ঃ

সকলো শ্ৰেণীৰ ৰাভাৰ মাজতে পূজিত ই এটা প্ৰধান সামূহিক পূজা। গাঁও বা জগত (ছোং/হাছং) সৃষ্টিৰ দেৱতা হিচাপে বছৰেকত একো একোখন স্থায়ী থানত সাধাৰণতে নতুন বছৰত এই পূজা পতা হয়। এই পূজাৰ প্ৰধান উপাস্য দেৱতা আৰু দেৱী হ'ল যথাক্ৰমে মামা ছিবু দাৰামাং বা লাঙা/বুঢ়ালাঙা (মহাদেৱ) আৰু কাচাইখাতী (ভগৱতী)। হাৰি চককাই অৰ্থাৎ হালখতি কৰি উদ্‌যাপিত এই পূজাতো আগদিনাখন ঘৰ-দুৱাৰ শুচি কৰি পৱিত্ৰ মদ পাতি, উপবাস ব্ৰত পালনৰ মাজেদি দেওধনী নচুৱাই গাঁৱৰ পৰা অপায়-অমংগলৰ অধিষ্ঠাত্ৰী দেৱ-দেৱীক বেঢ়ি-কুঢ়ি খেতি কলপটুৱাৰে নিৰ্মিত ডিঙাখনত উঠি গুচি যাবলৈ তুতি-মিনতি কৰি কেঁচা ভোগ (কেঁচা কল, কণী আৰু জীয়া ক'লা পঠা ছাগলী) সহ সেই ডিঙাখন নদীৰ ভটিয়নী সোঁতত উটুৱাই দিয়ে। এই পূজাৰ বিশেষত্ব এয়ে যে আইৰ নভনী আৰু অন্যান্য অপদেৱতাক দেওধনীৰ হতুৱাই গাঁওখনৰ পৰা খেদি দিওঁতে গাঁৱৰ ডেকা ল'ৰা বা পূজাৰীৰ দলে গৃহস্থৰ ঘৰৰ বাহিৰত য'তে যি পায় তাকে মহটিয়াই লৈ যায় ('হুৰ হুৰ ৰঙি বা হাওল খেদা পৰ্ব) আৰু সিদিনাখন ঘৰৰ গৃহিণীয়ে সৰু সৰু ল'ৰা-ছোৱালীৰ সৈতে ঘৰৰ ভিতৰত সোমাই থাকিব লাগে। পূজাৰ শেষত সমূহ পূজাৰীৰ দলে পিছফালে উভতি নোচোৱাকৈ পোনছাটে আহি ঘৰ সোমাবহি লাগে। তাহানিতে এই পূজাৰ সমদল উলিয়াওঁতে কেৱল জাতীয় বাদ্যহে বজোৱা হৈছিল। বৰ্তমান কোৰ্কা ঢুলীয়া নতুবা সংকীৰ্তনমালাৰে শোভাযাত্ৰা উলিওৱা হয়। এই পূজাৰ অন্তত গাঁওবাসীয়ে এখন স্থায়ী থানত একোডোখৰ স্থায়ী আসনত (প্ৰতিজন গৃহস্থৰ বাবে পাতি থোৱা একোডোখৰ আছুতীয়া শিলৰ আসন) বহি অন্যান্য থলুৱা দেৱ-দেৱীক বিভিন্ন বলি

উপচাৰেৰে পূজি, মদ-ভাত খাই উছৱমুখৰ পৰিৱেশৰ মাজেদি দিনটো অতিবাহিত কৰে। কথিত আছে যে কাচাইখাতী বা ঠাকুৰাণী দেৱীৰ পূজা ৰাভাসকলে থলুৱা আৰ্যভাষা হিন্দুসকলৰ পৰা (লেমাবায় অৰ্থাৎ আৰ্যদেৱতা) লাভ কৰা সেইবাবে এই পূজাৰ স্তোত্ৰ গীত থলুৱা অসমীয়া ভাষাত (লেমা কাথা) ৰচিত আৰু পূজাত বৰ্ণহিন্দুৰ অস্পৃশ্য কুকুৰা-গাহৰি আদিৰ বলিদান আৰু মদ অৰ্পণ কৰা নিষেধ। ইয়াক দেউৰীসকলৰ গোসাঁনী উটুৱা পৰ্ব বা কামৰূপ অঞ্চলৰ ভেল উটুৱা পৰ্বৰ লগত তুলনা কৰিব পাৰি।

জাগাৰ (কালী/হোলী) ঃ

ৰাভাসকল এহাতে জড়োপাসক আনহাতে শাক্ত। শাক্ত হিচাপে শক্তি দেৱী কালীৰ বিভিন্ন ৰূপক জাগৃত কৰি বছৰেকত একোবাৰ দেওধনী নচুৱাই স্থায়ী থানত পূজা দিয়ে। সাধাৰণতে চ'ত, ব'হাগ বা জেঠৰ যিকোনো এদিন (গাঁওখনত জন্মৰ অশৌচ নথকা দিন চাই) দেউৰীৰ ঘৰতে আগতীয়াকৈ কাটি পকাই থোৱা কল-চাউল-চেনিৰ প্ৰসাদ, পাৰ-পঠাৰ বলি, চাকি-বন্তি, তেল-সেন্দূৰেৰে, দবা-নাগাৰা জাতীয় বাদ্য বজাই, নাচন ঘৰত কোৰ্কা ঢুলীয়াৰ বাদ্যৰ ছেৱে ছেৱে নতুবা পদ্মপুৰাণৰ ওজাৰ ৰাগেৰে দেওধা-দেওধনী নচুৱাই এই পূজা উদ্‌যাপন কৰা হয়। অঞ্চল আৰু ৰূপসাপেক্ষে এই পূজাৰ ভোগ বা বলিদানৰ তাৰতম্য আছে। শ্মশান কালী, ৰূপ কালীৰ ক্ষেত্ৰত যুপকাষ্ঠত বলিদান দিয়া হয় বা ডিঙি মুচৰি ৰক্তপান কৰা হয়। কিন্তু জগন্নাথ কালী, খেলাৰাম আদিৰ ক্ষেত্ৰত ধৰ্ম দেৱতাৰ নামত পাৰ উৰুৱাইহে এই পূজা পালন কৰা হয়। এই পূজাত জঁকা দেওধা-দেওধনীৰ পৰা ৰাইজে ভূত-ভৱিষ্যৎ সম্বন্ধে জ্ঞাত হ'ব পাৰে। মন কৰিবলগীয়া যে জাগাৰ বা কালী পূজাৰ পূজা বিধি সম্পূৰ্ণ ব্ৰাহ্মণ্য আৰ্য পন্থাৰ (অৱশ্যে বৃত্তিজীৱী বামুণ বা পুৰোহিত নাথাকে) আৰু ইয়াতো কেৱল আৰ্য ভাষাৰহে প্ৰচলন আছে। কোনো কোনো ঠাইত দৌল পূৰ্ণিমাৰ দিনাখনেই 'হোলী' নামেৰে এই জাগাৰ উদ্‌যাপন কৰে আৰু হোলীৰ শেষৰ দিনাখন সুৱেৰি নমাই (ধুল দি'বাৰকায়) এই পূজাৰ সামৰণি পেলায়। আজিকালি কোনো কোনো ঠাইত মূৰ্তি সাজি শ্যামা পূজা নতুবা দুৰ্গা পূজাৰ সময়ত জাগাৰ পূজাৰ আয়োজন কৰি পূৰ্বৰ কিছু সংস্কাৰ সাধন কৰা হৈছে। ইয়াক বড়ো-কছাৰীৰ গাৰজা পূজাৰ লগত তুলনা কৰিব পাৰি।

হানাঘোঁৰা বা জাৰীঘোঁৰা আৰু পাৰবাহ বা পাওৰা দেও ঃ

এই পূজা অকল দক্ষিণ কামৰূপ অঞ্চলৰ পাতি ৰাভা আৰু হানা ৰাভা (?) সকলৰ মাজতহে অনুষ্ঠিত হোৱা দেখা যায়। সাধাৰণতে ই পহিলা ব'হাগৰ পৰা সাত

(?) "হানা ৰাভা" অতীজত হানা গাৰো হিচাপে পৰিচিত আছিল যদিও বৰ্তমান তেওঁলোকে নিজকে পাতি ৰাভা বুলি পৰিচয় দি ভাল পায়।

দিন ধৰি অনুষ্ঠিত হয়। হানাঘোঁৰা বা জাৰীঘোঁৰা হ'ল ঘোঁৰাৰ প্ৰতীকী সাজ (দেৱীৰ বাহন) বিশেষ। বিশেষ এজন মানুহে (বাপেকে) ইয়াক পৰিধান কৰি বাদ্যবাদকৰ দলসহ ঘৰে ঘৰে হুঁচৰি গোৱাদি গাই, গৃহস্থৰ পৰা আশীৰ্বাদ দানেৰে চাউল, কুকুৰা কণী (চৰে ডিমা) পচা তুলি আনি গাঁওখনৰ বাহিৰত ভোজভাত ৰান্ধি দেৱীৰ নামত আগবঢ়াই নিজেও লগেভাগে খাই এই পূজা সমাপ্ত কৰে। জাৰীঘোঁৰাৰ বেলিকা ঘোঁৰাৰ জলম হিচাপে ব্যৱহাৰ কৰা কাপোৰডোখৰ বাঁহৰ কামীৰ পৰা এৰুৱাই আনি গোসাঁইঘৰত পৰৱৰ্তী বছৰলৈ সংৰক্ষণ কৰি ৰখা হয়। কিন্তু হানাঘোঁৰাৰ সকলো সামগ্ৰী পূজাথলীত ভাঙি-ছিঙি মাটিত পুতি থৈ অহা হয়। উল্লেখযোগ্য যে দুয়োটা অনুষ্ঠানতে আৰম্ভণিতে লাঙাদেওৰ নামত পূজা এভাগি দিয়া হয় আৰু ঘোঁৰা নচুৱাজনক মহাদেৱৰ ঘোঁৰা অৰ্থাৎ অনুচৰ বুলি ভক্তিসহকাৰে গৃহস্থৰ পদূলিমুখলৈ আগবঢ়াই আনি যথোচিত মাননিৰে বিদায় দিয়া হয়। পাৰ্থক্য মাথোন ঘোঁৰা নচুৱাপৰ্বতহে— জাৰীঘোঁৰা এদিনীয়াকৈ ৰাতিৰ ৰাতিটো নচুৱায় কিন্তু হানাঘোঁৰা এসপ্তাহ বা ততোধিক কাললৈ দিনৰ বেলিকা নচুৱায়। ঘোঁৰাৰ মূৰত দেওছাগলীৰ শিং এযোৰ, কপালত সাত ধাতুৰ মাদলী এটা আৰু চকু দুটা পিতলেৰে জিলিকি থকাকৈ তৈয়াৰ কৰা হয়। ঢোল, শিঙা, কালি, বাঁহীৰ লগতে বেসুৰাকৈ ভগা কোৰ বজাই, আঁঠুমূৰীয়া গামোচা পিন্ধি গাঁৱৰ ডেকা ল'ৰা বা মুৰব্বীসকলে এলানি গীত গাই হানা গাৰোসকলৰ গোৰে ৰদলা নাচৰ দৰে আদবলিয়ালি (জাৰী) কৰি নাচে বাবে এই পৰ্বটোক 'হানাঘোঁৰা' বা 'জাৰীঘোঁৰা' বোলা হৈছে যেন ধাৰণা হয়। এই অনুষ্ঠানটোৰ প্ৰচলন ৰাভা সমাজত সতীৰ বিৰহত দগ্ধ হৈ উলংগ মহাদেৱে কৰা তাণ্ডৱ নৃত্যৰ পৰা হোৱা বুলি ভবা হয়। ই দৰাচলতে লাঙামাৰাৰে স্থানীয় সংস্কৰণ। পাৰবাহ বা পাওৰা দেও এইলেখীয়া এটি অনুষ্ঠানেই মাত্ৰ ইয়াত ঘোঁৰাৰ সলনি ভিন্নৰঙী কাপোৰেৰে মেৰিয়াই চিত্ৰ-বিচিত্ৰ কৰি লোৱা এডাল পৱিত্ৰ বাঁহ (পাওৰা বা পাৰ বুলি অভিহিত) নচুৱা হয়। পূজাৰ অন্তত এই বাঁহডালক গাঁৱৰ কাষত থকা বিল বা নদীৰ বোকাত আধা পোত যোৱাকৈ থিয়কৈ পুতি থৈ অহা হয়। পাৰবাহ বা পাওৰা দেও নচুৱা পৰ্বৰ সৈতে কালি সাধকসকলৰ চ'তৰ সংক্ৰান্তিত উত্তোলন কৰা চড়ক পূজাৰ চড়কদণ্ডৰ দূৰণিবটীয়া সাদৃশ্য পৰিলক্ষিত হয়। কামৰূপত প্ৰচলিত 'ভঠেলি'ৰ লগতো ইয়াৰ সাদৃশ্য আছে। দৰাচলতে ই লিংগ পূজাৰে নামান্তৰ বাঁহ পূজাহে।

বিছুৱা আৰু বহুৰাঙী বা বগেজাৰী ঃ

ৰাভাসকলে পৰম্পৰাগতভাৱে ব'হাগ বিহুটো 'বিছুৱা' হিচাপে উদ্‌যাপন কৰে। বিছুৱাৰ উৰুকাত কেইবিধমান বনৰীয়া গছ-পাত আৰু আলু (জাব্ৰে) ঘৰে-চোতালে বান্ধি দি বতাহ-বৰষুণৰ লগতে অপায়-অমংগলৰ পৰা হাত সাৰিবৰ বাবে ব্যৱস্থা লয়। গৰু বিহুৰ দিনাখন সেই 'জাব্ৰে'ৰে কোবাই গৰুক গা-ধুৱায় আৰু বছৰটোৰ বাবে

প্ৰথমবাৰ গৰু এৰাল দিয়াৰ আৰম্ভণি কৰে। সিদিনাখন ঘৰৰ গৃহিণীয়ে বাহীচোতাল সাৰি-মচি এটা পুৰণি খদাত এখদা গোবৰ লৈ তাত দহিকটা সূতা আৰু বুঢ়ী বাঢ়নীটাৰেৰে সৈতে পদুলিমুখত পেলাই দি পুৰণি বছৰটোক বিদায় দিয়ে। ব'হাগৰ প্ৰথম দিনাখন পূৰ্বপুৰুষৰ মৃত আত্মীয়-কুটুম্বৰ নামত মদ-ভাত অৰ্পণ কৰি ন-সাজ পৰিধান কৰি ওচৰত অনুষ্ঠিত চড়কমেলা বা বুঢ়া-বুঢ়ীৰ মেলা আদি চাবলৈ নতুবা আত্মীয়-কুটুম্বৰ ঘৰলৈ মিতিৰ ফুৰিবলৈ যায়। পাতিৰাভাৰ বয়সস্থ বা আদহীয়া পুৰুষ-মহিলাই সিদিনাৰ প'ৰা প্ৰায় এসপ্তাহ কাল ইঘৰে-সিঘৰে মদ খাই বহুৱাঙী বা বগেজাৰী গীত গাই নাচি-বাগি মচগুল হৈ বিছুৱাটি উদ্‌যাপন কৰে। তাহানিতে বিছুৱাৰ বতৰত ডেকা ল'ৰা বা গাভৰুৱে জাকে জাকে বনৰীয়া শাক-পাচলি বিচৰাৰ অচিলাত মুকলি বিহাৰ কৰিবলৈ ওলাইছিল নতুবা জালেৰে চিকাৰ কৰাৰ অচিলাত দূৰ-দূৰণিৰ হাবি-বন চলাথ কৰিছিল। আজিকালি চড়কমেলা বা বুঢ়া-বুঢ়ীৰ মেলাত মিলিত হয় আৰু মনে বিচৰাজনক মনৰ জোখাৰে মিঠাই খুৱাই, খাৰু-মণি পিন্ধাই ঘৰ পতাৰ সু-বন্দৱস্ত কৰে।

বায়খো বা খোকচি আৰু ছাথাৰ ঃ

বায়খোকচিৰ কেইবাটাও ৰূপ বা নাম— দাদুৰি, নাকাতি, ছুচাৰি, তামাই, বায়খো অথবা খোকচি। ভিন ভিন পূজাত আনুষংগিক দেৱী হিচাপে এওঁলোক পূজিত হয় যদিও মায়তাৰি ৰাভাৰ বায়খো (জেঠ মাহৰ পূৰ্ণিমাত উদ্‌যাপিত) আৰু দাহৰি ৰাভাৰ খোকচি পূজাতহে প্ৰধানভাৱে এওঁলোক পূজিত হয়। তামাই দেৱীক কৃত্ৰিম দুৰ্গ (কিল্লা) ভেদ কৰি, দাদুৰি দেৱীক দেওধনী নচুৱাই, খোকচি দেৱীক জ্বলন্ত অগ্নিকুণ্ডত বুলন দি, বায়খোচুং পূজাত অগ্নিস্নান কৰি (ডগ্‌মগীয়া অঙঠা মূৰৰ ওপৰেদি ছটিয়াই দি) ভিন ভিন ৰীতিৰে বলি দিয়া অসংখ্য কুকুৰা-গাহৰিৰ তেজেৰে এহোৰা পূৰ্ণ কৰি (খোকচা ছি খোকচি), চুঙাপিঠা (ফোকচাক) আৰু মদ-মাংসৰ ভোগ-উপচাৰেৰে অটব্য হাবিত এদিনীয়াকৈ এই পূজা উদ্‌যাপন কৰা হয়। মায়তাৰি ৰাভাসকলে এই পূজাৰ সময়তে তিনিৰ পৰা সাত দিনজুৰি ৰাতিৰ ৰাতিটো উজাগৰে থাকি বয়োবৃদ্ধসকলে 'হৈমাৰু' গীত গাই, চুতলা-চুতলি নচুৱাই পূৰ্বপুৰুষক স্মৃতিচাৰণ কৰে আৰু ডেকা-গাভৰুসকলে 'লেৱা বি'কায়' (লেৱাটানা), 'ছাথাৰ ত্ৰককায়' (ছাথাৰ নাচ) ইত্যাদি পৰ্বৰ মাজেদি যৌনগন্ধী নৃত্য-গীতেৰে জীৱনৰ লগৰী নিৰ্বাচন কৰি ঘৰ পতাৰ পৰিৱেশ ৰচনা কৰে। ইয়াৰ বিপৰীতে দাহৰি ৰাভাৰ খোকচি পূজাত অতি নৈষ্ঠিকভাৱে মাত্ৰ বিবাহিত পুৰুষসকলেহে জুইৰ অঙঠাৰ ওপৰত নাচি নিজৰ শুচিতা প্ৰমাণ কৰি অগ্নিদেৱীক বন্দনা কৰে। উভয়তে আনুষংগিক দেৱতা হিচাপে লাঙা বা দাৰমাং বা ছিংৰা বুৰা হাছংত্ৰাই বিশেষভাৱে পূজিত হয়। ৰাভাসকলে অতি উছৱমুখৰ পৰিৱেশত এইগৰাকী দেৱীক আদ্যাদেৱী হিচাপে বছৰেকত একোবাৰ পূজা দি আহিছে।

দদানমেলা, বায়খোমেলা আৰু আইথানৰ মেলা ঃ

ৰাভাসকলৰ জাতীয় উত্থানৰ সময়ছোৱাত কেতবোৰ প্ৰাচীন পূজাক যুগোপযোগী কৰি দ্বিতীয় অস্তিত্বৰ মাজেদি নিৰ্দিষ্ট দিৱসত এখন মেলা বা সভা হিচাপে বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰাৰ প্ৰৱণতা সম্প্ৰতি গা কৰি উঠিছে। তেনে মেলাসমূহৰ ভিতৰত গোৱালপাৰা জিলাৰ বায়দাত ফাগুন মাহৰ শুক্লাষ্টমী, নৱমী আৰু দশমী তিথিত উদ্‌যাপিত্ 'শ্ৰীশ্ৰী ৰিছি আশ্ৰিত দদানমেলা' (আদিজনা দদান ৰজা আৰু বীৰ মাৰু ক্ষেত্ৰীৰ মূৰ্তি সাজি মাহ-প্ৰসাদেৰে, আবিৰৰ ফোঁট দি ৰাভা লোকনৃত্য-যাত্ৰা প্ৰদৰ্শন কৰি পালন কৰা হয়), গোৱালপাৰা জিলাৰ নদীয়াপাৰত চ'ত-ব'হাগৰ পূৰ্ণিমা তিথিত 'বায়খোমেলা' (বলি-বিধানেৰে মূৰ্তি সাজি, জাতীয় নৃত্য-বাদ্য পৰিৱেশনৰ মাজেদি এদিন-এৰাতি অতি উলহ-মালহেৰে পালন কৰা হয়) আৰু গোৱালপাৰা জিলাৰে দেউৰীপাৰাত মাঘ বিহুৰ এসপ্তাহ পূৰ্বে অৰ্থাৎ ২১ পুহত অনুষ্ঠিত আইথানৰ মেলা। আইথানৰ মেলাত ভক্তসকলে নিজে দেৱীপীঠত সভক্তিৰে মাহ-প্ৰসাদৰ উপৰিও তেল-সেন্দূৰসহ চাকি-বন্তি প্ৰজ্বলন কৰিহে মনোবাঞ্ছা কামনা কৰে, ইয়াত বলি-বিধান নচলে। ইয়াত কোৰ্কা ঢুলীয়া চাৰ্কাছৰ প্ৰদৰ্শন আৰু ভাৰীগান পৰিৱেশন বাধ্যতামূলক।

সেইদৰে ৰাভাসকলে শ্ৰীসূৰ্য পাহাৰত অনুষ্ঠিত মাঘী পূৰ্ণিমাৰ মোল, নন্দেশ্বৰ মাটিয়া, আমবাৰী দুধ কোঁৱৰ, বকো দুধ কোঁৱৰ পাহাৰত অনুষ্ঠিত শিৱৰাত্ৰিৰ মেলা আৰু চৈবাৰী-ধামৰ-ৰংচাই লক্ষীপুৰত অনুষ্ঠিত বুঢ়া-বুঢ়ীৰ মেলা বা চড়কমেলাত অংশগ্ৰহণ কৰি বসন্তকালীন উছৱমুখৰ পৰিৱেশত নিজকে খাপ খুৱাই লৈ উছৱৰ ৰংচৰাত ৰং ছটিয়াই হাঁহি-কান্দোনৰ মেলাত নিজকে নিমগ্ন কৰি ৰাখি নৱ-উদ্যমেৰে কৃষিজীৱী সমাজৰ গুৰি ধৰিবলৈ সামৰ্থৱান কৰি ৰাখিছে। ইয়াৰ সমান্তৰালকৈ নানাধৰণৰ পাৰিবাৰিক মাংগলিক অনুষ্ঠান (অন্নপ্ৰাসন, শ্ৰাদ্ধ আৰু বিবাহৰ ভোজ)— বাৰ মাহত তেৰ দিন অনুষ্ঠিত হৈ থাকেই। বসন্তকালত যেনিবা ইয়াৰো ভৰপক হয়। সেইবাবেই ৰাভাসকলৰ বাবে বসন্তকাল মানেই ফুলৰ আৰু ৰঙৰ বতৰ 'পাৰ বু'তাৰ' আৰু নতুন নতুন লগা বতৰ 'পিদান বু'তাৰ'। এনে বতৰত নানা ধৰণৰ ৰং-ৰহইচৰ গীত, গৰখীয়া গীত (লাখৰ চায়), বনগীত (গ্ৰি'মিনি চায়) গাবৰ আৰু নানা ধৰণৰ উলাহৰ নাচ নাচিবৰ পৰিৱেশ বেলেগেইবা লাগে কে'লৈ। য'তে বুঢ়া-বুঢ়ী, ডেকা-গাভৰু, সমনীয়া গোট-পিট খায় ত'তেই সংগীতৰ আখৰা একোখন অনুষ্ঠিত হয়। সেয়েহে ৰাভা জনজীৱনত সংগীত হ'ল পুৰুষোত্তম দাসৰ ভাষাৰে— 'জনমত সংগীত, মৰণত সংগীত/সংগীত শিশুৰ মুখত'।

পাহাৰীয়া কাৰ্বিসকলৰ বসন্ত উৎসৱ

জন ইংতি কাথাৰ

অসমৰ অন্যান্য জনজাতিসকলৰ দৰেই কাৰ্বিসকলো অসমৰ আদিবাসীসকলৰ ভিতৰত এক অন্যতম জনগোষ্ঠী। অসমৰ পূৰ্বাংশত অৱস্থিত পাহাৰীয়া অংশই হৈছে কাৰ্বিসকলৰ আদিভূমি— কাৰ্বি আংলং। পাহাৰীয়া জিলা হিচাপে কাৰ্বি আংলঙত বসবাস কৰা কাৰ্বিসকলৰ উপৰি অন্যান্য জনগোষ্ঠীসমূহৰ জীৱনযাত্ৰা স্বাভাৱিকতে অসমৰ বাকীবিলাক জিলাতকৈ সুকীয়া। সেয়েহে কাৰ্বি আংলঙৰ আদিবাসী কাৰ্বিসকলে পালন কৰা উৎসৱ-পাৰ্বণ আদিৰ স্বকীয় বৈশিষ্ট্য মন কৰিবলগীয়া। অসমৰ বাৰেৰহণীয়া সংস্কৃতিৰ পথাৰখনত কাৰ্বিসকলে এক গুৰুত্বপূৰ্ণ স্থান লাভ কৰি আহিছে।

অসমৰ অন্যান্য জনগোষ্ঠীসমূহে পালন কৰাৰ দৰে কাৰ্বিসকলেও কৃষিৰ লগত সংগতি ৰাখি কৃষি উৎসৱ পালন কৰে। যদিও কাৰ্বি আংলঙৰ পাহাৰীয়া অংশতহে প্ৰধানকৈ ঝুমখেতি কৰা হয়, তথাপি জিলাখনৰ অধিকাংশ ধানেই সমতল ক্ষেত্ৰতহে উৎপন্ন হয়।

ভৈয়ামৰ ৰঙালী বিহু, বৌসাগু, আলি-আই-লৃগাং আদিৰ দৰে বসন্ত কালত কাৰ্বিসকলৰ মাজত কোনো বিশেষ নৃত্য-গীতৰ প্ৰচলন নাই; যদিও পাহাৰৰ বিভিন্ন ধৰণৰ খেতিৰ লগত সংগতি ৰাখি কাৰ্বিসকলে কৃষি উৎসৱ বা বসন্ত উৎসৱ পালন কৰে।

কাৰ্বি ভাষাত চুবক্ (chubok— এবিধ ৰঙা ধান) নামৰ ধানখেতিয়েই পাহাৰৰ প্ৰধান খেতি। চমুকৈ ক'বলৈ হ'লে, কাৰ্বিসকলৰ উৎসৱসমূহ বিভিন্ন ঋতুত কৰা ঝুমখেতিৰ ওপৰতে নিৰ্ভৰ কৰে। এই শস্যসমূহ জুন মাহৰ যিকোনো সময়তে সিঁচা হয় আৰু এই শস্যসমূহ ডিচেম্বৰ মাহত চপোৱা হয়। শস্যসমূহ মুঠি কৰি সাধাৰণতে মান্দু (mandu— পামঘৰ) নামৰ পামঘৰৰ সন্মুখত গোটোৱা হয়। জানুৱাৰী মাহত শস্য সৰোৱা কাম কৰা হয় আৰু শস্যসমূহ পেলু (Pelu— এবিধ বিশেষ কাপোৰ) নামৰ এবিধ বিশেষ কাপোৰেৰে প্ৰস্তুত কৰা মানটুং (Mentung— ধন মেৰিওৱা কাপোৰৰ বেগ) নামৰ মোনাত ভৰাই ঘৰলৈ কঢ়িওৱা হয়।

শীতৰ শেষৰফালে আৰু বসন্তৰ আগমনৰ আগে আগে অৰ্থাৎ জানুৱাৰী, ফেব্ৰুৱাৰী মাহত শস্যসমূহ ঝুম খেতি-পথাৰ (Jhum land)ৰ পৰা মাৰি, চপাই গাঁৱলৈ কঢ়িওৱাৰ সময়তে মূল কৃষি উৎসৱ পালন কৰা হয়। শস্যসমূহ কাটি, চপাই

ভঁৰাললৈ কঢ়িওৱা— এই প্ৰতিটো স্তৰৰ আৰম্ভণিতে একো একোটা বিশেষ পূজা পালন কৰা হয়।

শস্য চপোৱাৰ লগত জড়িত এই উৎসৱক 'হাচা কেকান' (Hacha kekan—কৃষি উৎসৱৰ নৃত্য) উৎসৱৰূপে পৰিচিত। শস্য চপোৱাৰ পিছত কাৰ্বি ডেকা-গাভৰুৱে লগ লাগি 'হাচা কেকান' নামৰ নৃত্য-গীত কৰে। দুই বা তিনিগৰাকী গায়ক-গায়িকাই এজনৰ পিছত এজনকৈ গীতসমূহ পৰিৱেশন কৰে আৰু ডেকা-গাভৰুসকলে গীতৰ লগে লগে নৃত্য কৰে। এই নৃত্য-গীত সাধাৰণতে পিছদিনা পুৱালৈকে চলে। 'হাচা কেকান' উৎসৱৰ গীতসমূহ এনেধৰণৰ ঃ

(ক) 'এ...
ল'প্ৰি বাছান হেই জংকে
অ'কপ্ৰ ডাম নাং নে কাৰণে
জিৰ্‌ল' খাৰু চক্ পাংজে...।'

অৰ্থাৎ,

বিষ দি মাছ মাৰিবলৈ যাবলৈ ৰাতিতে উঠাই ডাঙৰ দাদাই (গাঁওবুঢ়া) মোক আমনি কৰে।

(খ) হিং চং ৰছক টালিৰাং
কেকান আ হান চ ল' নাং।

অৰ্থাৎ,

সপ্তৰ্ষিমণ্ডলে পশ্চিমলৈ গতি কৰিছে। ৰাতিপুৱাবৰ হ'ল। এতিয়া নৃত্যানুষ্ঠানৰ ভোজ খাব লাগে।

এনেদৰে নৃত্য-গীতৰ লগে লগে ৰন্ধা-বঢ়াৰ কামো চলি থাকে আৰু ৰন্ধনৰ সামগ্ৰীসমূহ নাচনীসকলে নিজেই ভঁৰালৰ পৰা ৰন্ধনশাললৈ আনে। অনুষ্ঠানত অংশগ্ৰহণ কৰাসকলো ব্যক্তিয়েই নৃত্য-গীতৰ অন্তত আহাৰ গ্ৰহণ কৰে। আকৌ পৃথিৱীৰ বিভিন্ন জনজাতিসকলৰ অনুৰূপে কাৰ্বিসকলেও নৈৱেদ্য হিচাপে হৰ্লাং (মদ) ব্যৱহাৰ কৰে। জনজাতিসকলৰ ই এক অন্যতম জাতিগত বৈশিষ্ট্য। 'হাচা কেকান' উৎসৱতো হৰ্লাঙৰ ব্যৱহাৰ বাধ্যতামূলক।

কাৰ্বিসকলৰ অন্যান্য উৎসৱসমূহ সাধাৰণতে জানুৱাৰী মাহৰ পৰা এপ্ৰিল মাহলৈকে পালন কৰা হয়। যেনে— ১। চ'জুন্‌ড় (Chojund), ২। চ'মাংকান (Chomangken), ৩। ৰংকেৰ (Rongker) ইত্যাদি। চ'জুন্‌ডক কাম-মে (Kam-me) বুলি কোৱা হয়। যাৰ সাধাৰণ অৰ্থ সৎ কাৰ্য বা Good work। খোৱা আৰু পিয়াই (Eat and Drink) হৈছে চ'জুন্‌ডৰ সাহিত্যগত অৰ্থ। ইয়াক ভৈয়ামৰ ভোগালী

বিহুৰ লগত তুলনা কৰিব পাৰি। চ'জুন্‌ড় উৎসৱত খাদ্য আৰু পানীয় দেৱতাসকলৰ নামত উছৰ্গা কৰা হয়। চ'জুন্‌ড় এটি সামূহিক উৎসৱ। চ'মাংকান উৎসৱ মৃতকৰ স্মৃতিত পালন কৰা পৰিয়ালৰ উৎসৱ। এই উৎসৱত গাঁৱৰ সকলো মানুহে অংশগ্ৰহণ কৰাৰ উপৰি কাৰ্‌বি আংলঙৰ বিভিন্ন ঠাইৰ পৰা অহা লোকৰ লগতে মৃতকৰ পৰিয়ালৰ মিতিৰ-কুটুমেও অংশগ্ৰহণ কৰে। চ'মাংকানক 'কাম-ন' (Kamno) বুলিও কোৱা হয়। কাম-ন'ৰ সাহিত্যগত অৰ্থ অসৎ কাৰ্য বা Bad work। ৰংকেৰ (Rong-ker) নামৰ সামূহিক উৎসৱটি ফেব্ৰুৱাৰী বা মাৰ্চ মাহৰ যিকোনো সময়ত পালন কৰা হয়। গাঁৱলৈ কোনোধৰণৰ অশুভ শক্তি যাতে নাহে, সেই উদ্দেশ্যে এই উৎসৱৰ সময়ত ভগৱানক উদ্দেশ্য কৰি প্ৰাৰ্থনা কৰা হয়।

কাৰ্‌বিসকলৰ পুৰণি ৰাজধানী ৰংহাংৰংবঙত ৰাষ্ট্ৰীয় পৰ্যায়ত বহুতো উৎসৱ পালন কৰা হয়। ৰংহাংৰংবঙৰ উৎসৱসমূহ কাৰ্‌বি ৰেচ' (Recho) অৰ্থাৎ কাৰ্‌বিসকলৰ ৰজা আৰু কাথাৰপ' (Katharpo)সকলৰ দ্বাৰা পালন কৰা হয়। কাথাৰপ' হৈছে কাৰ্‌বিসকলৰ মূল পুৰোহিত।

জানুৱাৰী মাহত অৰ্থাৎ ভোগালী বিহুৰ সময়ত আৰ্‌নাম্‌কিটি (Arnamkiti) নামৰ উৎসৱটি ৰংহাংৰংবঙত পালন কৰা হয়। অতীজতে ভগৱানে দিয়া আশীৰ্বাদৰ বাবে ভগৱানক ধন্যবাদ দিয়াৰ উদ্দেশ্যে এই উৎসৱ ৰংহাংৰংবঙত পালন কৰা হয়। 'আৰ্‌নাম্' শব্দৰ অৰ্থ হৈছে বিদায়।

শস্য চপোৱাৰ সময়ত বিশেষকৈ এপ্ৰিল মাহত ৰংহাংৰংবঙত ৱল'কেটেৰ (Voloketer) উৎসৱ পালন কৰা হয়। কেতিয়াবা মাৰ্চ মাহত পুৰোহিত (কাথাৰপ')জনে পৃথিৱীত বৰষুণ দিবৰ বাবে পৃথিৱীৰ সকলো মানুহৰ হৈ ভগৱানক প্ৰাৰ্থনা কৰে। ই এক গুৰুত্বপূৰ্ণ উৎসৱ। এই উৎসৱৰ সময়ত কাথাৰপ'জনে এটি গীতেৰে ভগৱানক প্ৰাৰ্থনা কৰে। অন্য কাৰ্‌বি লোকৰ বাবে এই গীত পৰিৱেশন কৰাটো নিষিদ্ধ।

কাৰ্‌বিসকলে এইদৰে পৰম্পৰাগতভাৱে কৃষি উৎসৱ বা বসন্ত উৎসৱ পালন কৰি প্ৰকৃতিৰ নিয়মৰ অধীনত জীৱন নিৰ্বাহ কৰি আহিছে।

ভৈয়ামৰ কাৰ্বিসকলৰ বসন্তকালীন উৎসৱ

ৰাজেন্দ্ৰ টুমুং

কাৰ্বিসকল অসমৰ প্ৰাচীন জনগোষ্ঠীসমূহৰ ভিতৰত এটি লেখত ল'বলগীয়া জনগোষ্ঠী বুলি ধৰিব পাৰি। এই জনগোষ্ঠীটো খাছি জনগোষ্ঠীৰ পিছতে কছাৰী জনগোষ্ঠীৰ লগতে প্ৰায় অগাপিছাকৈ অসমত প্ৰৱেশ কৰা বুলি ক'ব পাৰি। ৬০০ খ্ৰীষ্টাব্দত মণিপুৰ নদী আৰু নাগালেণ্ডৰ গিৰিপথেদি অসমত প্ৰৱেশ কৰা বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। এই জনগোষ্ঠীটোৰ অতীত বুৰঞ্জী বিচাৰিলে গম পাওঁ যে তেওঁলোক মধ্য এছিয়াৰ বিস্তৃত ষ্টেপি অঞ্চলত বসবাস কৰা জনগোষ্ঠী। এই জনগোষ্ঠীটোৰ আৱয়বিক বৈশিষ্ট্যলৈ চালে গম পাওঁ যে তেওঁলোকৰ চৰ্ম-বৰ্ণ পীত বা পীতপিংগল, কেশ ক'লা, ঋজু আৰু অমসৃণ দাড়ি-গোঁফ আৰু গাব নোম তাকৰ। মুখমণ্ডল বহল আৰু চেপেটা, কপোলাস্থি বৰ স্পষ্ট, নেত্ৰ বক্ৰ, নেত্ৰকোণ ঠেক। অন্তঃনেত্ৰচ্ছেদ বা সম্পূৰ্ণ নেত্ৰচ্ছেদত মংগোলীয়ৰ বিশেষ লক্ষণ বিদ্যমান। ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা ইয়াত তিব্বত-বৰ্মী ভাষা-গোষ্ঠীৰ অন্তৰ্গত বুলি ক'ব পাৰি।

বৰ্তমান অসমত কাৰ্বিসকলে প্ৰৱেশ কৰে ১১শ-১২শ খ্ৰীষ্টাব্দত। প্ৰথমে সুৰমা আৰু বৰাক উপত্যকাত বসবাস কৰে। বৰাক উপত্যকাত বসবাস কৰা সময়ত কাৰ্বিসকলৰ দলপতি আছিল ৰিয়াং টেৰণ। তেওঁৰ নেতৃত্বত কাৰ্বিসকলে বৰাইল পৰ্বতৰ ওখ শৃংগ মুকিন্দন আংলং আৰু অছলু আংলঙত আৰোহণ কৰি বসবাস কৰে। এই পৰ্বতত কাৰ্বিসকলে বসবাস কৰে ১৩০০ খ্ৰীষ্টাব্দৰ পৰা। তাৰ পৰাই কাৰ্বি গাঁৱৰ প্ৰসাৰ লাভ কৰে। ক্ৰমে মাহুৰ, হাফলং, জাটিংগা, ডিমাপুৰ আদি অঞ্চললৈ বিয়পি পৰে।

কিংবদন্তিমতে ডিমাপুৰৰ ওচৰৰ 'হায়ং' নামৰ ঠাইত কাৰ্বিসকলৰ এটা গোটে বাস কৰিছিল। এই ঠাইত নিগাজিকৈ থকাৰ কথাও কাৰ্বিসকলে ভাবিছিল। সেয়ে নিয়াৰি আৰু পৰিপাটিকৈ থাকিবলৈও শিকিছিল। কিন্তু এই 'হায়ং' গাঁওখন এটা সময়ত ডিমাচা কছাৰীৰ ৰজাই দখল কৰি লৈছিল। তেতিয়াৰ পৰা হায়ঙৰ নাম হয় 'হায়ং ডিমাচা' বা 'হায়ং ডেমৰা'। ডিমাচা ৰজাৰ হাতলৈ হায়ং ঠাইডোখৰ অন্তৰ্ভুক্ত হোৱাৰ লগে লগে কাৰ্বিসকললৈও সমস্যা আহিল। কাৰ্বিসকলক ডিমাচা ৰজাই চৰ্ত বান্ধি দিলে। চৰ্তৰ মতে 'প্ৰতিদিনে কাৰ্বিসকলে পহু মাংস যোগান ধৰিব লাগিব। অন্যথা হায়ং এৰিব লাগিব।' এনে কঠোৰ নিৰ্দেশ দিয়া ৰজাজন হ'ল আনুমানিক বিক্ৰমাদিত্যফা। তেওঁ এজন বিলাসী ৰজা আছিল। বিলাসী জীৱন কটোৱাৰ স্বাৰ্থত

তেওঁ দিয়া নিৰ্দেশত কিছু কাৰ্বি লোক অসন্তুষ্ট হৈছিল। উপাই নাপাই পশু মাংস যোগান ধৰি হ'লেও থাকিবলৈ লয়। মাংস দিব নোৱাৰিলে গালি-গালাজৰ উপৰি অত্যাচাৰ-উৎপীড়নো পাইছিল। এই ব্যৱস্থাত কাৰ্বি নাৰীসকল বেছি অসন্তুষ্ট হৈছিল।

এদিনাখন ৰাতি আলোচনা কৰি পিছদিনাখনৰ (১৪৩২ খ্ৰীষ্টাব্দ) ৰাতিয়েই তাৰ পৰা কাৰ্বিসকলৰ প্ৰধান দলে দেৱীসদৃশ নাৰী ক্লেংমেকাৰ, টুমুংফুচং আৰু বেহাল বেপীৰ নেতৃত্বত পলায়ন কৰে। পলাই আহি মাৰলী পৰ্বত পায়হি। মাৰলী পৰ্বত পাৰ হৈ বৰ্তমান নেলী অঞ্চল পায়হি। নেলীৰ ওচৰত থকা কিলিং নদীখন পাৰ হোৱাৰ কোনোধৰণৰ সুবিধা কৰিব নোৱাৰি কপিলী আৰু বৰাপানীৰ সংযোগ স্থলেদি পাৰ হৈ কিলিং নদীৰ ইটো পাৰত উপস্থিত হয়। উল্লেখ থাকিল যে নদী পাৰ হওঁতে এজনী নাৰী টুমুংফুচংজনী অন্তৰ্ধান হয়। কিলিঙৰ ইটো পাৰত কাৰ্বিসকল বহুদিন বসবাস কৰিবলৈ লয়। ক্ৰমে আগুৱাই ডিমৰীয়াৰ 'ডুমৰা আংলঙ'ৰ বুকুত থকা 'ইংলংমেকাৰ'ত প্ৰৱেশ কৰে ১৪৩৫ খ্ৰীষ্টাব্দত। ইংলংমেকাৰত থকা ক্লেংমেকাৰপীৰ কাৰ্যত 'ডাইনী' বুলি সন্দেহ ওপজাত তাইক ইংলংমেকাৰতেই মাৰি পুতি থয়। এই কাৰ্যত কাৰ্বিসকলৰ মাজত পৰস্পৰে পৰস্পৰৰ প্ৰতি সন্দেহ ওপজিবলৈ ধৰে আৰু কাৰ্বিসকল চাৰিওফালে সিঁচৰতি হ'বলৈ ধৰে। এই সমস্ত প্ৰক্ৰিয়া ৰংহাং কুলৰ দ্বাৰা পৰিচালিত হৈছিল। ৰংহাং কুলৰ ব্যক্তিজনৰ তিনিজন ককাই-ভাই আছিল। তেওঁলোকৰ ভিতৰত মাজুজন বেছি বুধিয়ক আছিল। ডাঙৰ আৰু সৰুজনে মাজুজনৰ কাৰ্যত অসন্তুষ্ট হৈ ইংলংমেকাৰ পৰিত্যাগ কৰি এলেঙা পায়হি। এলেঙাৰ ওচৰৰ গাঁও নৰতাপ, বৰকুছি, ৰংফাৰ আদি ঠাইত বসবাস কৰিবলৈ লয়। এলেঙাৰ পৰা বমানী হৈ ডুব্‌নিৰ পাৰলৈ আহে। ডাঙৰজনে সুবিধা পাই দক্ষিণবামত থাকিবলৈ লয়। সৰুজনে ক্ৰমে আগুৱাই গৈ মালিজান-ইটিলাজান হৈ দিয়ং পায়হি। তাতে এখন ক্ষুদ্ৰ 'চেৰেং ডুমৰা' (নিজ ডিমৰীয়া) গাঁওখন পাতে।

ইফালে ক্লেংমেকাৰজনীৰ আত্মাৰ বিচৰণভূমি ইংলংমেকাৰৰ পৰা মাজুজনে দলে-বলে পূবলৈ আগুৱাই গৈ 'শিং ইটচাং' (গভীৰ অৰণ্যত জিৰণি লোৱা স্থান) নামৰ ঠাইলৈ গমন কৰে। বাকী অংশবোৰ ক্ৰমে কিলিং, তালনি, কাছমলা, মাৰ্মে, বাচৰং, কলংপুৰ তিকিৰা, বৰতিলী, মাগুৰচিলা, বান্দৰগোগ, হিমগোগ, গাছোৱাই, তেন্তেলা, ৰতাবি আদি কৰি প্ৰায় ২২খন গাঁৱলৈ বিয়পি পৰে। এই ২২খন গাঁৱক সেই সময়ৰ আৰিমত্তৰ বংশধৰ মৃগাংকই 'ৰংঠে' (ৰাজ প্ৰতিনিধি) একোজন পাতি দিয়ে। ফলত তেওঁলোক কমতাৰাজৰ আশ্ৰিত লোক হিচাপে পৰিগণিত হয়।

এনেতে ১৪৪০ চন আহিল। আৰিমত্তৰ শেষ বংশধৰ মৃগাংক নিঃসন্তান হৈ মৃত্যুবৰণ কৰে। আৰিমত্তৰ অধিকৃত এই অঞ্চল ৰজাবিহীন হৈ পৰে। এনে সময়তে

এলেঙাৰ পৰা অধিক অঞ্চললৈ কাৰবিসকল বিয়পি পৰে। বিয়পি পৰা সেই গাঁওকেইখন হ'ল চেনিমূৰ, পহুগাঁও, ঘগুৰা, বেলগুৰি, পাণবাৰী, ঠাকুৰকুছি, হাজংবুৰী, মায়ং। ৰজাবিহীন ঠাইডোখৰৰ শাসনৰ সুবিধাৰ কাৰণে ৰংহাং ৰংঠেজনে ২২খন গাঁৰৰ বাংঠেসকলক মাতিলে আৰু আলোচনা কৰিলে। আলোচনাত উল্লিখিত চেনিমূৰকে আদি কৰি গাঁওকেইখনৰ ৰংঠেৰ বিষয়ে আলোচনা কৰিলে। তেওঁলোকৰ আলোচনাত বিস্তৃত গাঁও কেইখনক একলগ কৰি ৩০খন সৰ্বমুঠ গাঁও হ'ল। ৩০খন গাঁৰৰ মুৰব্বী হিচাপে উদ্যোক্তা ৰংহাং ৰংঠেজনকে ৰেচ' (ৰজা) পাতিলে। ৰেচ'জনে 'ঠেব আৰং' (ডিমৰু)ৰ গুৰিত দেৱীসদৃশ তিনিজনী নাৰী, ক্ৰমে ক্লেংমেকাৰ, টুমুংফুচং, বেহাল বেপী'ৰ নামত 'ছাৰকিদুং' (পূৰ্বপুৰুষক মদ তৰ্পণ) কাৰ্য সমাপন কৰি ৰাজ্য শাসনৰ ভাৰ গ্ৰহণ কৰে। উল্লেখ থাকিল যে 'ঠেব আৰং' (ডিমৰু)ৰ গুৰিত মদ তৰ্পণ কৰি ৰজা হোৱা কাৰণে ৰজাজনক 'ঠেব ৰেচ'' বুলি কয়। ডিমৰীয়াৰ কাৰ্বিসকলে ঠেব আৰঙক 'ডুমৰু' বোলে। সেয়ে ডুমৰু ৰেচ' হয়। কালক্ৰমত ডুমৰুৰ পৰা ডিমৰীয়া হয়। 'চেৰেং ডুমৰা'ৰ সৰু ভায়েকেও দিয়ঙৰ পাৰত ৰেচ' (ৰজা) হোৱাৰ প্ৰয়াস কৰে। কিন্তু তেওঁক নস্যাৎ কৰি মাজু ভায়েকেহে ৰজা হয়। ডিমৰীয়া ৰজাৰ ডাঙৰ ককায়েকক 'বুৰা ৰেচ'' (বুঢ়া ৰজা) মৰ্যাদা দিলে। তেওঁক অতিৰিক্তভাৱে 'দেধৰা' (তৰোৱাল ধৰা দিয়া) ভাৰ দিয়ে। ককায়েকক বুঢ়া হ'লেও 'বুঢ়া ৰজা'ৰ মৰ্যাদা দিয়াৰ পিছত ৰংবং (ৰাজধানী) পতাৰ চিন্তা-চৰ্চা কৰিবলৈ ধৰিলে।

এদিনাখন ডিমৰীয়া ৰজাই প্ৰাকৃতিকভাৱে আসনৰ নিচিনাকৈ শিলেৰে সজ্জিত ঠাই এডোখৰত জিৰণি লৈ বৰ তৃপ্তি পাইছিল। গভীৰ অৰণ্যত ঠাইডোখৰ অৱস্থিত হ'লেও চাই বৰ ভাল পাইছিল। গভীৰ অৰণ্যত জিৰণি লোৱা কাৰণে ঠাইডোখৰৰ নাম 'শিংইটচাং' হয়। কালক্ৰমত অসমীয়া ভাষাৰে 'শিলচাং' হয়। এই শিংইটচাঙতে ডিমৰীয়াৰ দৰবাম (চাই থাক চাই থাক লগা) ৰাজধানীখন পাতে। দৰবামৰ পৰা পিছলৈ ধৰবাম হয়। এই দৰবাম বা ধৰবামত ৰাজধানী পতাৰ পিছত ৩০ খন গাঁৱক ৯'টা আছুন (ৰাজমণ্ডল)ত ভাগ কৰে। ইয়াক কেন্দ্ৰীয় মন্ত্ৰী পৰিষদ বুলিব পাৰি। এই মণ্ডলকেইটা হ'ল— ১। খামাৰ্, ২। কিলিং, ৩। কাছমলা (পিছলৈ চেনিমূৰ), ৪। মাৰ্মে, ৫। বাচৰং, ৬। কলংপুৰ, ৭। ডিকিৰা, ৮। তেন্তেলা, ৯। বুৰছি। কমতাৰাজৰ দ্বাৰা নিযুক্ত ৰংঠেসকলক এই আছুনত বাহাল ৰখা হ'ল। তাৰ তলতে ডিমৰীয়া ৰাজে ৯টা আছুনত নজন বাংঠে নিযুক্ত কৰে। কাছমলাৰ বাংঠেজনক 'বৰ বাংঠে' (বৰুৱা) পাতে। বাংঠেসকলৰ ভিতৰত মাৰ্মে 'মাংঠে'জন বেছি প্ৰতাপশালী আছিল। ৩০ খন গাঁৱক লৈ ৩০ জনীয়া মন্ত্ৰী পৰিষদ গঠন কৰে। এই মন্ত্ৰীপৰিষদখন ৰাজ্যিক পৰ্যায়ৰ

বুলি ক'ব পাৰি। ইয়াৰ প্ৰতিনিধি হিচাপে যুৱচামক অধিক কৰ্তৃত্ব দিছিল। তেওঁলোকক ৰিছ'বাংঠে (যুৱ মুৰব্বী)ৰ বাব প্ৰদান কৰা হয়।

এনেতে ১৮২৬ চন আহিল। ইংৰাজে অসমখন দখল কৰাৰ সূত্ৰে ডিমৰীয়া ৰাজ্যখনো দখল কৰে। সেই সময়ত ডিমৰীয়াৰ ৰজা আছিল উত্তমসিং। তেওঁকেই প্ৰাচীন ডিমৰীয়াৰ শেষ ৰজা আছিল বুলি কোৱা হয়। তেওঁৰ ১৮৩৩ চনত মৃত্যুৰ পিছত এটা যুগৰ অৱসান হয়। ইয়াৰ পিছত ৰজাজন নামমাত্ৰ পৰম্পৰা ৰজা হৈ থকিল। বাকী মন্ত্ৰী পৰিষদৰ অস্তিত্ব নাইকিয়া হ'ল। ডিমৰীয়া ৰজাৰ পৰম্পৰাগত শাসন আৰু সমাজ ব্যৱস্থাবোৰ অৱশ্যে গাঁওবিলাকত প্ৰাচীন ৰাজ্যৰ নিচিনা জ্ঞান কৰি আজিও বিষয়বাবেৰে চলি আছে। চৰকাৰৰ স্বীকৃতি ইয়াত নাই। হ'লেও চলি আছে। চলি থাকিব।

এই ডিমৰীয়া ৰজাৰ শাসনকালতে কাৰবিসকলৰ কৃষি-ব্যৱস্থাৰ লগতে উৎসৱ-পাৰ্বণবোৰো কোনো আউল নলগাকৈ চলিছিল। কাৰ্বিসকল পাহাৰী জনগোষ্ঠী হিচাপে তেওঁলোকৰ কৃষি 'ঝুম পদ্ধতি' আছিল। এই ঝুম পদ্ধতিৰ খেতিবোৰ চ'ত-ব'হাগৰ মাজত সম্পন্ন কৰা হয়। ফাগুন মাহৰ 'দেহাল পূজা' সমাপনৰ পিছতে পাহাৰৰ ৰেত (ঝুম)ৰ কাৰণে হাবি কাটি ঠিক-ঠাক কৰা হয়। গোটেই চ'ত মাহ ৰ'দ পোৱাৰ পিছত হাবিবোৰ জুই লগাই দিয়া হয়। আৰু ঠাইবোৰ পৰিষ্কাৰ কৰি লোৱা হয়। কৃষি ব্যৱস্থাৰ যাতে পাহাৰত কোনোধৰণৰ আউল নালাগে তাৰ কাৰণে ব'হাগ মাহত নাচ-গানৰ উৎসৱ 'ৰেওকিনং আলুন' (আৰকোৰা গীত) আৰু ঘৰত দ'মাহী 'কিকান আলুন' (দোমাহী নাচ-গীত) গোৱা হয়।

খেতি কৰাৰ কাৰণে যিখিনি ঠাই তেওঁলোকে নিৰ্বাচন কৰে সেইখিনি ঠাইক ৰেত (ঝুমতলী) বোলে আৰু যিহেতু কোৰ মাৰি খেতি কৰে সেইকাৰণে ইয়াক 'কিনং' বোলে, অৰ্থাৎ যি খেতি পাহাৰৰ নিৰ্দিষ্ট ঠাইত কোৰেৰে কুৰি বা চহাই কৰা হয় তাকে 'ৰেতকিনং' বোলে। ইয়াক নাচৰ ছেৱে ছেৱে মাটি কুৰি খেতি কৰা হয়। ইয়াত নিৰ্বাচিত কিছুমান গীত পৰিৱেশন কৰা হয়। গীতবোৰত হাঁহি-কান্দোনেৰে ভৰা কিছুমান কাহিনী থাকে। ব'হাগত নতুন বৰষুণ দিয়াৰ লগে লগে এদিন ভাল দিন-বাৰ চাই ধান ছটিওৱাৰ কাৰণে আগবাঢ়ে। গাঁৱৰ সকলোকে চিৰণে (সাউৰী) মাতে।

সেইদিনাখন পৰিয়ালৰ লগতে গাঁৱৰ ডেকা-গাভৰু, বুঢ়া-বুঢ়ীৰে ৰেত কিনঙৰ কিছুমান সামগ্ৰী নিয়ে। সেইবোৰ হ'ল কোৰ, দা, কটাৰী, হালধীয়া মাইকী কুকুৰা এটা, মদ এক জাৰি, বীজৰ কাৰণে ধান, তিয়ঁহ, বাঙী, খাং এটা আৰু তাত থাকিব তিনিটা মদৰ লাউ, পিঠাগুড়ি, তামোল-পাণ আৰু ঢোল এটা। সেইবোৰ নি এটা

বেদী তৈয়াৰ কৰি তাতে থৈ দিয়ে। বেদীত সেইবোৰ যথানিয়মেৰে সজাই পিঠাগুড়ি ছটিয়াই পবিত্ৰ কৰি লোৱা হয়। মাইকী কুকুৰা চৰাইজনী ৰেত আৰ্ণাম (ঝুম দেৱতা)লৈ উদ্দেশ্য কৰি বলি দিয়া হয়। বলিৰ পিছত 'ৰেতকিনং' (ঝুমতলী চহোৱা) কামত আগবঢ়া হয়।

অনুষ্ঠানটোত এটা চেং (ঢোল) থাকে। চেং বজোৱাজনক চেংবে (ঢুলীয়া) বোলে। তেওঁ ৰেতকিনং আলুন (ঝুমতলী চহোৱা গীত) গায়। চেংবেই ঢোল বজোৱা আৰু গীত গোৱা দুয়োটা অনুষ্ঠান পৰিচালনা কৰে। গীতৰ ছেৱে ছেৱে এজনে বীজবোৰ ছটিয়াই যায়। বাকীবোৰে শাৰী পাতি ঢোলৰ ছেৱে ছেৱে কোৰ মাৰি গীত গাই যায়। শাৰীটোৰ দুই মূৰত থকা ব্যক্তিকেইজনক 'ম'টান' বোলে। ম'টানৰ কাম হ'ল কি প্ৰকাৰে বাম চহালে থিয় ঠাইডোখৰ কষ্ট নোহোৱাকৈ চহাব পাৰি আৰু ওপৰলৈ উঠিব পাৰি। লগতে সংখ্যা অনুসৰি মাটিভাগত পৰিছে নে নাই চাব লাগে। বেছি বহল হ'লে কোৰৰ চাব পাতলিব আৰু ঠেক হ'লে ভৰিত কোৰৰ আঘাত হোৱাৰ সম্ভাৱনা থাকে। মাজত থকাসকলক 'ম'আৰ' বোলে। ম'আৰৰ পিছত তিৰোতাসকলে বন-বাতবোৰ বুটলি যায়।

প্ৰথম গীত শেষ হোৱাৰ লগে লগে তিনিজনী গাভৰুৱে মদ বিলাই দিয়েগৈ। চতুৰ্থজনীয়ে লাউত ভৰোৱা মদ বিতৰণ কৰে আৰু আৰম্ভণিতে কটা কুকুৰাৰ মাংস বনৰীয়া শাকৰ সৈতে ৰন্ধা আঞ্জা চাটনি হিচাপে দিব লাগে। মদ পাই ম'টান আৰু ম'আৰসকলে দুগুণ উৎসাহেৰে কামত লাগে। উল্লেখ থাকিল যে ঝুমতলী চহোৱা লোকসকলে কোৰৰ নাল মাটিত পেলাব নোৱাৰে আৰু কান্ধতো ল'ব নোৱাৰে। এটা সময়ত ঝুমতলী চহোৱা কাম শেষ হয়। শেষত ৰেত আফু কিতাক (ঝুমতলীৰ মূৰ কটা) অনুষ্ঠান হয়। সচৰাচৰ 'ৰেত'ৰ ওপৰৰ মালভূমি অংশত অনুষ্ঠান সামৰা হয়। মালভূমি অংশৰ চাৰিওফালে বৃত্তাকাৰে ঘূৰি ঘূৰি মাটি চহায়। বেদীৰ নিচিনা এটা অংশ তৈয়াৰ কৰি তাক বাটি নিচিনাকৈ কোৰেৰে উঠাই লৈ ঢোলৰ ছেৱে ছেৱে নাচে। পিছত পূব মুৱাকৈ মূৰৰ ওপৰেদি পিছফালে মাটিৰ টুকুৰাটো পেলাই দিয়ে আৰু তেনেকৈ ঝুমতলীৰ মাটি চহোৱা কাম শেষ হয়।

ঝুমতলীত চহোৱা কাম শেষ হ'লেও সন্ধিয়ালৈ আয়োজক পৰিয়ালত কিছু কাম থাকি যায়। সেই বৈ যোৱা কামখিনি হ'ল আয়োজক পৰিয়ালৰ ভাগিনীয়েকে 'ৰেতৰ' পৰা প্ৰথমতে মাটি চহোৱা কোৰখন ঘৰলৈ আনিব লাগে আৰু বোকোচাত লৈ মদ বিলোৱা ছোৱালীজনীকো ঘৰলৈ নিমন্ত্ৰণ কৰি আনিব লাগে। মদ ভগোৱা ছোৱালীজনীক 'বাটি বুলনি' বোলে। বাটি বুলনিয়ে ঘৰলৈ ঘূৰি আহোতে খাওত অলপ বীজ কটিয়াই আনিব লাগে আৰু সেইখিনি 'নুমপে আৰমু' (বৰখুঁটা)ত স্থাপন

কৰিব লাগে। কোৰ অৰ্না ভাগিনীয়েকক লোটাৰ পানীৰে ভৰি ধুই দিব লাগে আৰু সন্মানেৰে মাটি অনা দুজনক এসাঁজ ভাত খুৱাব লাগে। খাই-বৈ তেওঁলোক যাবলৈ দিয়া হয়। এনেদৰে প্ৰত্যেক ঘৰে কৰাৰ ফলত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি ব'হাগ মাহটোত হয়।

কাৰ্বিসকলৰ বসন্তকালীন কৃষিভূমি চহোৱা অনুষ্ঠানৰ লগে লগে নাচ-গানৰ অনুষ্ঠান 'দ'মাহীপে' (বৰবিহু) সম্পন্ন হয়। দ'মাহী শব্দৰ প্ৰতিশব্দ হ'ল বিহু। এই 'দ'মাহী' শব্দটো কাৰবিসকলৰ দ'মহী শব্দৰ পৰা আহিছে। দ'ম মানে হালিজালি বা হালিপৰা, 'হী' মানে ইফালে-সিফালে, 'পে' মানে ডাঙৰ বা বৰ (ইফালে-সিফালে হালি-জালিকৈ নচা ডাঙৰ বিহু)। দ'মহী শব্দটো মুখ বাগৰি বৰ্তমান দ'মাহী হৈছে।

দ'মাহীপে ব'হাগৰ উৰুকাৰ আগদিনাৰ পৰা অনুষ্ঠিত হয়। উৰুকাৰ আগদিনা ডেকাসকলে ঘৰে ঘৰে মদ তুলি ফুৰে। ৰাতি সেই মদখিনি ৰংঠৈ (গাঁৱৰ মুৰব্বী) ঘৰত জমা দিয়ে। মদ চেকাৰ কাৰণে গাঁৱৰ গাভৰুসকলে তালৈ যায়। ৰংঠৈৰ ঘৰত গৰখীয়া আৰু বুঢ়া-বেথাসকলে একলগ হৈ ঘৰে ঘৰে বিহু নাচে নে নানাচে তাৰ সিদ্ধান্ত গ্ৰহণ কৰে। যদি গাঁৱত বেমাৰ-আজাৰ বেছি হয় অথবা গাঁওখন কিবা কাৰণত অশান্ত হৈ থাকিলে বিহু নচা বাতিল কৰে। বিহু নচাৰ সিদ্ধান্ত হ'লে বছৰটোৰ শাকবোৰ বিষমুক্তৰ কাৰণে 'হান আনি কিতি' (শাকৰ বিষমুক্ত কৰা) অনুষ্ঠানো কৰিবলগা হয়। এই ব্যৱস্থাত যে কৃতকাৰ্য হৈছে তাৰ ফলাফলৰ কাৰণে হান বামচ'ক কিঠাক (মুঠা শাক বিতৰণ) কাম সম্পন্ন কৰা হয়।

এই মুঠা শাক বিতৰণ ব্যৱস্থা অতীতত ফেব্ৰুৱাৰী মাহ (থাং থাং আচিক্লি')ৰ এক তাৰিখে অনুষ্ঠিত হৈছিল। কাৰ্বিসকলৰ বৰ্ষগণনামতে ফেব্ৰুৱাৰী মাহেই বছৰৰ প্ৰথম মাহ। সেই হিচাপে সেই ফেব্ৰুৱাৰী মাহতেই খেতি-বাতিৰ কাম দেহাল পূজাৰ পিছতেই আৰম্ভ কৰা হয় বুলি আগতে উল্লেখ কৰা হৈছে। কিন্তু প্ৰকৃত বীজ ছটিওৱা কামটো যিহেতু ব'হাগ মাহত কৰিবলগা হয়, সেয়ে ফেব্ৰুৱাৰীত মুঠা শাক ভগোৱা কামটোও সম্পন্ন কৰা হয়। ঝুমখেতিৰ কাৰণে দুমহীয়া হোৱাকৈ সময়ৰ প্ৰয়োজন হয়। সেয়ে নতুন খেতি নতুন বছৰ গৈ ব'হাগ মাহতহে অনুষ্ঠিত হোৱা হৈছে।

কাৰ্বিসকল প্ৰধানকৈ বনৰীয়া শাক ভক্ষণ কৰা লোক। সেয়ে বছৰটোৰ কাৰণে যাতে বনৰীয়া শাকবোৰ বিষমুক্ততাৰ কাৰণে হেমফু আৰ্নাম (গৃহদেৱতা)ক অৰ্পণ কৰা হয়। কাৰ্বি মানুহৰ বিশ্বাস গৃহদেৱতাক শাক-পাচলিবোৰ আগবঢ়ালে অপায়-অমংগল নাইকিয়া হয়। গৃহদেৱতাক আগবঢ়োৱাৰ পিছত কাৰবি ৰেচ' (ৰজা)ৰ ক্ষেত্ৰীয় পাৰিষদবৰ্গ আৰু ডেকা-গাভৰুসকলে ৰজাঘৰকো শাক-পাচলিৰ ভাৰ-ভেটী অৰ্পণ কৰিব লাগে। ৰজাই তেতিয়া বিষমুক্ত শাক-পাচলিবোৰৰ নিজৰ ভাগটো ৰাখি প্ৰজাসকলে প্ৰত্যেকে এসাঁজ খাব পৰাকৈ মুঠা মুঠাকৈ বান্ধি ভগাবলৈ হুকুম দিয়ে।

মুঠা শাকবোৰ গাভৰুসকলে ঘৰে ঘৰে ভগাই দিয়ে। তাত হাত উজান দিয়ে ডেকাসকলে। বিষমুক্ত শাকবোৰৰ মুঠাবোৰত কমেও সাতবিধ শাক থকা উচিত। এই মাহত কাৰ্বিসকলে ৰিণিকি ৰিণিকিকৈ অহা এচেৰেঙা পোহৰ দেখিবলৈ পায়। এই পোহৰ প্ৰকৃততে কঢ়িয়াই আনে 'হেমফু আৰ্ণামে'। এই আন্ধাৰৰ স্বাৰ্থপৰ দেৱতাবোৰক পোহৰেৰে জয় কৰাৰ সপোন দেখে কাৰ্বিসকলে। ব'হাগ এটি মাহ, য'ত মানৱতা সংস্থাপিত হয়।

উৰুকাৰ দিনাখন গৰুক গা-ধুৱাবৰ কাৰণে বটু হিয়াপ (মাখিয়তী), বটু ভললং আৰু (গৰু ভোটএৰা), বেংজাৰী (নৰসিংহ)ৰ ডাল-পাত পদূলিমুখত বান্ধি দিয়া হয়। গছৰ ডাল-পাতখিনিক একেলগে 'ভোন' বুলি কোৱা হয়। চংহন (বাৰগমাৰী) গছৰ ডাল কাটি পদূলি মুখত দিয়া হয়। চেবং (লাউ), হাগেক (বেঙেনা), পাম্প্ৰি (থেকেৰা), থাৰমিত (হালধি) আদি বাঁহশলাৰে গাঁঠি ভালকৈ বান্ধি লোৱা হয়। গোটেইখিনি বস্তুক 'বাছেৰা' বুলি কোৱা হয়। গৰু বন্ধা পুৰণি পঘাৰে তামোলৰ ঢকুৱাৰ সৈতে 'বাছেৰা'খিনি বন্ধা হয়। নতুন পঘাখিনি গৰুক গা ধুওৱা ঠাইলৈ নি ধুই অনা হয়। গাঁৱৰ গোটেই গৰুবোৰ একগোট কৰা হয়। এছাৰি হিচাপে 'ভোন'কে ব্যৱহাৰ কৰা হয়। নৈ-নিজৰা, জান-জুৰি অথবা পুখুৰী-বিলৰ পাৰত 'গৰ লক্ষ্মী' (গৰু) পূজা কৰা হয়। ঢোল-কালি বজোৱা হয়। পূজা সমাপন হোৱাৰ পিছত পূজাথলীৰ ওপৰেৰে গৰুজাকক পাৰ কৰা হয় আৰু 'বাছেৰা'বোৰ গৰুৰ গালৈ মৰা হয়। গৰুক গা ধুওৱাৰ পিছত তাতেই আবেলি কোনটো পাহাৰত ফাক কিহুম (পহু দকোৱা) হ'ব তাৰ সিদ্ধান্ত কৰা হয়। আবেলি মৰাপাটৰ ডোলেৰে তৈয়াৰ কৰা 'ছুৰ' (জাল)ৰে পহু দকোৱা হয়। জালত পহু পৰিলে জালৰ গৰাকীক সুকীয়াকৈ এভাগ মাংস দিয়া হয়। পহুটো ৰংঠে (গাঁৱৰ মুৰব্বী)ৰ ঘৰতেই কুটা-বছা কৰা হয় আৰু ভগাই দিয়া হয়। ৰংঠেৰ ঘৰত পহু মাংসৰে অকয়িট (চাটনি) খোৱা হয়। সন্ধিয়া গৰুক নতুন পঘাৰে বন্ধাৰ আগতে গৰুৰ শিং আৰু খুৰাবোৰ মজবুত হোৱাৰ কাৰণে মানেং (এলান্ধু), খামবি (ঘিলা) গুড়ি কৰি মিঠাতেলেৰে মিহলাই সানি দিয়া হয়। গৰুক নতুন পঘাৰে বন্ধাৰ পিছত ঘৰৰ বৰখুঁটাৰ গুৰিত পূৰ্বপুৰুষৰ নামত 'ছাৰ কিদুং' (মদ ঢলা) ব্যৱস্থা কৰা হয়। মদৰ লগত খনীয়া তামোল দিয়া হয়।

ইয়াৰ পিছত ৰাতি ৰংঠে (গাঁৱৰ মুৰব্বী)ৰ ঘৰৰ পৰা দ'মাহী চৰহেক (বিহুহুঁচৰি) আৰম্ভ কৰা হয়। ইয়াৰ নেতৃত্ব দিয়ে বৰ গৰখীয়াই ইঘৰৰ পৰা সিঘৰলৈ যাওঁতে ৰাস্তাত নিৰ্দিষ্ট ছেও বজাই যোৱা হয়। গৃহস্থৰ ঘৰত প্ৰৱেশ কৰোতে পদূলিমুখৰ পৰা নাচনীসকলে গায়—

অ হেমবাং অ হেমবাং
হালিপাছি থা,
দনি-দনথম চিকানবাং
হালি হুদিয়া।

(হেৰা গৃহস্থ, হেৰা গৃহস্থ, ওলাই মাত দিয়া, দুই-তিনি ঘৰ নাচিবলৈ আছে, আমাক সোনকালে বিদায় দিয়া।)

এইদৰে প্ৰত্যেক ঘৰতে বিহু নাচনীসকলে নাচি ফুৰে। প্ৰতিটো পৰিয়ালে নাচৰ অন্তত বৰ গৰখীয়াৰ পৰা আশীৰ্বাদ বিচাৰে। বৰ গৰখীয়াজনে আশীৰ্বাদ দিয়ে এইবুলি—

হলা আছ'কে— হলা আছুকে
কিদাম আলং— কিৰাং আলং
চিক্ল' আতুৰবাদি— আৰাণি আতুৰবাদি
দাম ঠাআংনাঙে— ৰাং ঠাআং নাঙে।
কিপু আলং— কাংজে আলং
ছাপপে আছাপ বাদি— কুঠাৰপে আংতাত বাদি
পু পাহ্লেমনাং— দাৰ পাহ্লেমনাং

(এই সতীসৰে— এই সন্তানসৰে, যোৰা-অহা কৰা ঠাইবোৰ চন্দ্ৰ-সূৰ্যৰ পোহৰৰ দৰে পোহৰ হ'ব লাগে, কথা কোৱা ঠাইত বক্তব্য দিয়া ঠাইত ছাহুৰ ছাপৰ দৰে— কুঠাৰৰ কোবৰ দৰে ছাপ পৰিব লাগে—কোব পৰিব লাগে)

প্ৰতি পৰিয়ালক বৰ গৰখীয়াই আশীৰ্বাদ দি গাঁওখন ছয়দিনৰ ভিতৰত নাচি শেষ কৰা হয়। সাত দিনৰ দিনাখন সন্ধিয়া ৰংঠেৰ ঘৰত পুনৰ ঢোল-কালি জমা দি বছৰটোৰ কাৰণে বিহু সামৰা হয় আৰু বসন্তকালীন উৎসৱৰো সমাপ্ত হয়।

মিচিংসকলৰ বসন্ত উৎসৱ

ড° যতীন মিপুন

অসমৰ জনগোষ্ঠীসমূহৰ ভিতৰত উজনি অসমৰ বিভিন্ন অঞ্চলত বিশেষকৈ ব্ৰহ্মপুত্ৰকে ধৰি সৰু-বৰ নদী, উপনদীৰ পাৰত তথা চৰ এলেকাত বসবাস কৰি অহা মিচিংসকল এক অন্যতম জনজাতি। কাৰ্বি, ডিমাচা, বৰো আদি জনজাতিৰ দৰে মিচিংসকলৰ সামাজিক আৰু সাংস্কৃতিক জীৱনো বৈশিষ্ট্যপূৰ্ণ।

'আলিয়াই লৃগাং' আৰু 'পঃৰাগ্' হ'ল মিচিংসকলৰ দুটা প্ৰধান উৎসৱ। পঃৰাগ্ উৎসৱ গাঁৱৰ বিয়া হৈ ওলাই যোৱা গাভৰুক পা-পৰিয়ালসহ পিতৃ-মাতৃৰ গাঁৱলৈ আমন্ত্ৰণ কৰি আনি আপ্যায়িত কৰা উৎসৱ। এই উৎসৱ প্ৰতিবছৰে পতাৰ নিয়ম নাই, গাঁৱৰ সুবিধানুসৰিহে ৩/৪ বছৰৰ মূৰে মূৰে পতা হয়; কিন্তু আলিয়াই লৃগাং উৎসৱ প্ৰতিবছৰে পালন কৰা হয়। লৃগাং মূলতঃ কৃষিভিত্তিক ধৰ্মীয় উৎসৱ যদিও বৃহত্তৰ অসমীয়া জাতিৰ ৰঙালী বিহুৰ দৰে প্ৰতিবছৰে বসন্তকালত মিচিংসকলে বৰ উলহ-মালহেৰে এই উৎসৱটি পালন কৰে। প্ৰতিবছৰে ফাগুন মাহৰ প্ৰথম বুধবাৰে এই আলিয়াই লৃগাং উৎসৱ অনুষ্ঠিত হয়। আলিয়াই লৃগাংৰ অৰ্থ হ'ল— 'আলি' মানে মাটিৰ তলত হোৱা আলু বা ফল-মূল; 'আয়ে' মানে গছৰ গুটি বা ফল আৰু 'লৃগাং' মানে সিঁচিবলৈ আৰম্ভ কৰা অৰ্থাৎ (আলিয়াই লৃগাংৰ অৰ্থ) শস্য সিঁচাৰ প্ৰথম দিন।

নৈপৰীয়া কৃষিজীৱী মিচিংসকলৰ প্ৰধান খেতি হ'ল ধান, মাহ, সৰিয়হ, আলু, কচু, ৰঙালাও, বেঙেনা আদি। ফাগুন-চ'ত মাহত কচু, ৰঙালাও আদি খেতিৰ লগতে বিশেষকৈ আহুধানৰ কঠীয়া সিঁচা হয়। সেয়ে ফাগুন মাহৰ প্ৰথম সপ্তাহত পথাৰত অধিক শস্য উৎপাদনৰ বাবে আলিয়াই লৃগাং উৎসৱ পতা হয়। সপ্তাহৰ বুধবাৰটো মিচিংসকলে মাংগলিক দিন বুলি গণ্য কৰে বাবে ফাগুন মাহৰ প্ৰথম সপ্তাহৰ বুধবাৰে আলিয়াই লৃগাং উৎসৱ পতা হয়।

আলিয়াই লৃগাং উৎসৱৰ দিনা পুৱাবেলা বা আবেলি লৃগাংৰ বাবে নিৰ্বাচিত মাটিডোখৰত 'উৰম আপিন্' অৰ্থাৎ প্ৰেতাত্মালৈ ভাত আগবঢ়াই দি লগত 'পঃৰ আপং' বা ছাই মদ, বৰা চাউল ছটিয়াই দি দঞি-পঃলৰ (সূৰ্য-চন্দ্ৰ) নাম লৈ 'পেনাম্' বা স্তুতি আৰম্ভ কৰে ঘৰৰ মুৰব্বীজনে বা মুৰব্বীৰ অবিহনে পুত্ৰ সন্তানে। এনে স্তুতি উপৰিপুৰুষৰ প্ৰেতাত্মাৰ সন্তুষ্টিৰ বাবে কৰা হয়। যাতে তেওঁলোকৰ আশীৰ্বাদত পথাৰত অধিক শস্য উৎপাদন হয় আৰু সকলোকে যাতে মংগলে ৰাখে।


লৃগাঙৰ স্তুতিপৰ্ব শেষ হোৱাৰ পিছত ভোজৰ আয়োজন কৰা হয়। বৰা ধানৰ চাউল কৌপাতত বান্ধি সিজোৱা 'পুৰাং' নামৰ ভাতৰ লগত মাছ, গাহৰিৰ মঙহ, আপং আদিয়েই ভোজৰ অন্যতম উপাদান। সেইদিনা ঘৰে ঘৰে পুৰাং আৰু আপঙৰ ব্যৱস্থা কৰা হয় আৰু গাঁৱৰ ৰাইজে ঘৰে ঘৰে গৈ পুৰাং আৰু আপং ভোজন কৰে। এনে ভোজৰ প্ৰসংগত ডেকা-গাভৰু, মুনিহ-তিৰোতা, বুঢ়া-বুঢ়ী, ল'ৰা-ছোৱালী সকলোৱে সমানে ভাগ ল'ব পাৰে।

আলিয়াই লৃগাং উৎসৱত নচা নাচক 'গুম্ৰাগ্ পাক্চ' বুলি কোৱা হয় আৰু লৃগাঙত গোৱা নি-তম্ বা গীতক বৃঃৰগ্ নিঃতম্' বোলা হয়। 'বৃঃৰগ্ নিঃতম্'ৰ অৰ্থ উৎসৱত গোৱা গীত। পথাৰত শস্য সিঁচাৰ পূজা-পাৰ্বণ শেষ হোৱাৰ লগে লগে পূজা স্থানত ডেকা-গাভৰুসকলে বৃত্তাকাৰে ঘূৰি ঘূৰি 'গুম্ৰাগ্ পাক্চ' নাচ নাচে। নিশাৰ ভাগত ডেকা-গাভৰুৱে বিহু পাতে। এনে বিহুত 'ঐ-নিতম্' বা বিহুগীত গোৱা দেখা যায়। অৱশ্যে লৃগাং উৎসৱৰ বিহুত গীততকৈ নৃত্যৰহে প্ৰাধান্য বেছি। নৃত্যপ্ৰধান বিহুত নাচনীয়ে চিকাৰ কৰা, ধেনুকাঁড় মৰা, মাছ মৰা, নাও বোৱা, ধান সিঁচা, ধান কটা, তাঁত বোৱা আদি বিভিন্ন পৰিস্থিতি নৃত্যৰ যোগেদি প্ৰদৰ্শন কৰে।

মিচিংসকলে আলিয়াই লৃগাং উৎসৱ পাঁচদিনীয়াকৈ পালন কৰে। অঞ্চলবিশেষে অৱশ্যে ইয়াৰ তাৰতম্য হোৱা দেখা যায়। লৃগাং উৎসৱৰ সময়ত গেনা ধৰাৰো নিয়ম আছে। এই সময়ছোৱাত মিচিংসকলে মাটি নাখান্দে, জীৱ বধ নকৰে আৰু কেঁচা ফলমূল নাখায়। আলিয়াই লৃগাং উৎসৱ আৰম্ভ হোৱাৰ দুই-তিনি দিনমানৰ আগতে গাঁৱৰ ৰাইজে চিকাৰলৈ যোৱাৰ নিয়মো আছে। অৱশ্যে আজিকালি এই প্ৰথা উঠি যোৱাৰ দৰে হৈছেগৈ। মিচিংসকলে জাতীয় পোছাক পিন্ধি বেছ উৎফুল্ল মনেৰে এই বসন্ত উৎসৱ আলিয়াই লৃগাং পালন কৰে।

এতিয়া আলিয়াই লৃগাং উৎসৱত ব্যৱহৃত গীত-মাতৰ বিষয়ে আলোচনা কৰাৰ পূৰ্বে মিচিংসকলৰ মাজত মুখ পৰম্পৰা প্ৰচলিত গীত-পদবোৰৰ সাধাৰণ আভাস এটি তলত দিয়া হ'ল। মৌখিকভাৱে চলি অহা মিচিং লোক-সাহিত্যক ঘাইকৈ তিনিটা ভাগত ভগাব পাৰি— অনুষ্ঠানমূলক, আখ্যানমূলক আৰু বিবিধ বিষয়ক। 'নি-তম্' বা লোকগীতবোৰ বিষয়বস্তু আৰু লক্ষণ অনুসৰি এনেদৰে ভগাব পাৰি ঃ

লোকগীত (নি-তম্)



মিচিংসকলৰ মিবু বা মিৰিয়ে অৰ্থাৎ দেওধায়ে গোৱা গীতক আবাং বোলা হয়। এনে গীতৰ ভাষা জটিল। মিবুৱে সৃষ্টি পাতনিৰ পৰা আৰম্ভ কৰি গছ-গছনি, চৰাই-চিৰিকটি, পৰ্বত-পাহাৰ, পোক-পৰুৱা, মানুহ আৰু জীৱ-জন্তুৰ জন্ম কাহিনী আবাং গীতৰ যোগেদি ব্যক্ত কৰে। সৃষ্টিৰ আৰম্ভণি, ইয়াৰ বিকাশ, বিভিন্ন খেল, পৰিয়ালৰ গোত্ৰৰ বংশ-পৰম্পৰাৰ বুৰঞ্জী আবাং গীতৰ যোগেদি মিবু বা দেওধায়ে দাঙি ধৰে। আবাং গীতবোৰক সেয়ে মিচিংসকলৰ গীতি বুৰঞ্জী বুলি আখ্যা দিব পাৰি। কাবান্ অৰ্থাৎ বিননি গীতৰ যোগেদি জীৱনৰ দুখ-বেদনা, হৰ্ষ-বিষাদ আদি প্ৰকাশ কৰা হয়। লুপ নি-তম্ হ'ল কথোপকথনমূলক। এনে গীত ডেকা-গাভৰুৱে প্ৰণয়ৰ ভাব প্ৰকাশ কৰাত ব্যৱহাৰ কৰে যাক অসমীয়াত প্ৰণয়মূলক দ্বৈত গীত বুলিব পাৰি। ঠিক তেনেকৈ মিদাং নি-তম্ হ'ল বিয়ানাম বা বিয়াত গোৱা গীত, মামন্ নি-তম্ খেল-ধেমালিৰ গীত, ক-নি-নাম্ নিচুকনি গীত। মিচিংসকলৰ আটাইতকৈ জনপ্ৰিয় গীত হ'ল ঐনিতম্ যাক অসমীয়াৰ বনগীত বা বিহুগীতৰ লগত তুলনা কৰিব পাৰি।[১]

ঋতু উৎসৱত গোৱা গীতক বৃঃৰগ্ নি-তম্ বুলি কোৱা হয়। বিশেষ কোনো বছৰেকীয়া উৎসৱ বা পূজা-পাতলত এই শ্ৰেণীৰ গীত গোৱাৰ পৰম্পৰা মিচিং সমাজত বৰ্তমানো প্ৰচলিত। উৎসৱ অনুসৰি বেলেগ গীত হ'ব পাৰে অৰ্থাৎ আলিয়াই লৃগাঙত গোৱা গীত আন উৎসৱত গোৱা নহয়। 'ল-লালে' নামৰ গীতটি বসন্তোৎসৱ আলিয়াই লৃগাঙৰ অনুষংগত গোৱা হয়। এনে বৃঃৰগ্ নি-তম্‌বিলাকত উৎসৱৰ তাৎপৰ্য, ঋতুৰ বৰ্ণনা আৰু ডেকা-গাভৰুৰ আনন্দ-উলাহ আদি প্ৰকাশ পোৱা দেখা যায়।[২]

মিচিংসকলৰ বসন্তোৎসৱ আলিয়াই লৃগাঙৰ পূজা-পাৰ্বণৰ কাৰ্য সমাধা হোৱাৰ লগে লগে গাঁৱত 'বিহু মাৰোঁ'তে এনে গীত গোৱা হয়,

"নলুকে এৰাঙা কেবাঙে গিকুমচুদং
আপিন্‌ক বিতকা আপংক বিতকা।
লত্তাল কেবাঙে গিকুমচুদং
নলুচিন পেছলাংকা—
ৰক্‌পুঙে আপিন্‌দেম্ বিতইকা
লেলং দিদুবং
মাৰ্পং দিদুবং।

১। নাহেন্দ্ৰ পাদুন ঃ 'মিচিং লোকসাহিত্য' (ভৃগুমুনি কাগয়ুং সম্পাদিত— মিচিং সংস্কৃতিৰ আলেখ্য), গুৱাহাটী, পৃঃ ১১৭-১২১
২। উক্ত গ্ৰন্থ, পৃঃ ১১৯

ছিলকে লঙেছ লক্‌কীয়েম্ লুচিন
দিচাঙাউ দিদুবং।
অদেম্ কাৎমাডেম্ কাত্‌তম্
বিলাংকা চব য়েগ— বাদেম্ বাতমবিলাংকা।
আৰিগ্‌বকেক্‌ম্ য়ুম্‌ৰাবকেক্‌মে লক্‌কীয়েম্
ঙলুচিন্ লালিগদুং।"

অৰ্থাৎ হেৰা গৃহস্থ, আমি ৰাইজ তোমালোকৰ চোতালত গোট খাইছো, আমাক ভাত দিব লাগিব। তোমালোকৰ চোতালত আমি গোট খাইছো; তোমালোকে (গোটেই গৃহস্থই) ভয় কৰিবা। মতা কুকুৰা মাৰি আমাক বগা ভাত খুৱাব লাগিব, 'পৰ আপং' (ছাই মদ) চাকি খুৱাব লাগিব— আমি 'লেলং মাবাং' নামৰ বৰকাঁহ বজাইছো। আমি আজিৰ দিনত লক্ষ্মীক আদৰি আনিছো। ভালৰো ভাল 'ছাই মদ' চাকি দিয়া, দঁতাল গাহৰি মাৰা। আজি আমি পথাৰৰ লক্ষ্মী বননিৰ লক্ষ্মী চপাই আনিম।[৩]

লৃগাঙত 'ল-ললে' নামৰ গীতটি গায় এইদৰে—

'ল-ল-লে ললে ললে
দাৰ দাৰ ললে ললে ল-লে
চিচুক্ চুক্‌ব চুক্‌ব বদি-য়া
ৰেগাম্ গাম্‌ব গাম্‌ব বদি-য়া"

—আজি এই লৃগাং উৎসৱত গোৰা-নচাৰ দৰে আমাৰ সমাজৰ ঐক্য যুগে যুগে বৈ থাকিব। যিদৰে শৰপহুৰে ভেলেঙীক পাই উন্মাদ আৰু উদাত্ত মনেৰে আনন্দত মতলীয়া হয়, সেইদৰে (আমিও) আনন্দত আত্মহাৰা হৈছো। তেনেদৰে তেওঁলোকে গায় ঃ

"য় এতচাঙে চাম্ চুদ্-চেম
লেমিং এতচাঙে চাম্ চুদ্-চেম,
য় লেচেনেম চেনমান লা-জে
মেব্ বুলুৱা লেচেনেম চেনমান লা-জে।"

—আহা আমি সুস্থ হৈ থাকোতে আনন্দ কৰো, যাতে আনন্দত নাচি নাচি আমাৰ দুখ-শোক পাহৰি পেলাওঁ, আহা ডেকা সমনীয়াহঁত।[৪]

৩। তৰুণ চন্দ্ৰ পামেগাম ঃ 'আলিয়াই লিগাং' (মিচিং সংস্কৃতিৰ আলেখ্য, সম্পা ঃ ভৃগুমুনি কাগয়ুং), পৃঃ ৯৪

৪। দুৰ্গা ৰেগন ঃ 'আলিয়াই লিগাং ঃ ইয়াৰ বৈশিষ্ট্য' (মিচি সংস্কৃতিৰ আলেখ্য), পৃঃ ১১০-১১

এনেদৰেই মিচিংসকলে তেওঁলোকৰ বসন্তোৎসৱ আলিয়াই লৃগাং বৃঃৰগ্ নি-তমেৰে, নাচ-গানেৰে উলহ-মালহেৰে পালন কৰি আহিছে। ইংৰাজীত এনেদৰে ক'ব পাৰি, "The onset of the monsoon is marked by the universal celebration of Aliyai-ligang or Aliligang– a spring a dance festival of cultural significance and national importance; This virile tribe since time immemorial has been taken to agriculture and the Ahu paddy being the main product of their cultivation, the day of implanting the first handful of Ahu seed on the manured soil of Mother Earth, has been celebrated with due enthusiaism and merry making."[৫]

আধুনিকতাৰ প্ৰভাৱত মিচিংসকলৰ বৃত্তি, সাজ-পোছাক, ঘৰ-বাৰী আদিত বহু পৰিৱৰ্তনৰ ছাপ দেখা যায়[৬] যদিও পৰম্পৰাগতভাৱে চলি অহা বসন্তোৎসৱ আলিয়াই লৃগাং এতিয়াও মিচিং জনজাতিৰ অতি আদৰৰ, অতি চেনেহৰ আৰু সেয়ে অতি উলহ-মালহেৰে এই উৎসৱ তেওঁলোকে প্ৰতিবছৰে পালন কৰি আহিছে।

৫। Dr. Nomal C. Pagu : *The Miris or the Mishings of the Brahmaputra Valley*: 1956, Guwahati, pp. 82-83

৬। Dr. J. Mipun : 'Acculturation, Communication and Development in a Mishing Village' in *North-East India, A Sociological Study*, ed. S.M. Dubey, Delhi. 1977

তিৱাসকলৰ ছগ্রা মিছাৱা (বসন্ত উছৱ)

চাও লোকেশ্বৰ গগৈ

ছগ্রা মিছাৱা (বসন্ত উছৱ) তিৱাৰ এক বিশেষ উছৱ। তিৱা ভাষাত 'ছগ্রা' আৰু 'মিছাৱা' শব্দৰ অৰ্থ হৈছে— একাদিক্রমে সকলোৱে নচা নাচ। অৰ্থাৎ সকলোৱে মিলিজুলি কৰা নাচকেই ছগ্রামিছাৱা বোলে। এই উছৱ ফাগুন মাহৰ মধ্যাংশত আড়ম্বৰে পালন কৰে। কোনো এক ৰবিবাৰে বা বুধবাৰে এই উছৱৰ দিন নিৰ্ধাৰিত হয়।

পৰিচালনা সমিতি ঃ

অতীজত ছগ্রা পৰিচালনাৰ প্রধান পৃষ্ঠপোষক আছিল লৰ' আৰু তেওঁৰ সহায়ক 'হাতাৰী'। নৃত্য-গীতৰ বাবে ওজা খেল, ডেকা দলৰ ডেকাচাং, বুঢ়া দলৰ বুঢ়াচাং, চাংদলৈৰ সহায়কাৰী চাংমাজি, ৰন্ধনশালিৰ বাবে ভাণ্ডাৰী খেল, আখৰাৰ পৰ্যবেক্ষক 'হোৰমাধৰ আৰু টাগলা যোগনীয়া 'পাতৰ', এইসকলক লৈয়েই ছগ্রাৰ পৰিচালনা সমিতি গঠিত হয়।

ছগ্রা মিছাৱাৰ কেইবিধমান বাদ্যযন্ত্র ঃ

থুৱাং বিজুলী বাঁহৰ দুটা পাব সংযুক্ত কৰি সজা দুই বিন্ধাযুক্ত দীঘল বাঁহী। এটা পাবৰ মূৰত এটা গাঁঠি আৰু গাঁঠিৰ ওপৰত ফু দিবলৈ এটা ফুটা থাকে। আনটো পাবত সুৰ দিবৰ বাবে এটা ফুটা থাকে। পাংচি এবিধ সৰু চুটি বাঁহ। দগাৰা বা তুংস্বাঙৰ আকৃতি নাগাৰৰ লেখীয়া। ইয়াক দুডাল বাৰিৰে বজোৱা হয়। খ্রাম— ই প্রায় খোলটোৰ দৰে। খোল আৰু খ্রামৰ মাজত যৎকিঞ্চিৎ পাৰ্থক্য আছে। খোলৰ বৰটি ঘন আৰু দুই তালি ঘুণ দিয়া। কিন্তু খ্রামৰ বৰটি পাতল আৰু দুই তালি ঘুণহীন আৰু মাতটোও ৰিঙা। এইকেইটা বাদ্যযন্ত্রই ছগ্রামিছাৱাত প্রয়োজন। চামাদিৰ পথালি চ'তিত এই বাদ্যযন্ত্রসমূহ তুলি সংৰক্ষিত কৰি থয়। কোনো উছৱৰ আখৰা কৰিবৰ বাবে ইয়াক চ'তিৰ পৰা সেৱা-সৎকাৰ কৰি নমাই মেৰামতি কৰে। ইয়াৰ বাদে কোনেও এই বাদ্য চুব নোৱাৰে।

ছগ্রা মিছাৱাৰ পালনীয় ৰীতি-নীতি ঃ

তিৱাই ছগ্রা মিছাৱা উছৱৰ কেইদিন কিছুমান সামাজিক ৰীতি-নীতি পালন কৰে। বাৰিখাই ছগ্রা উছৱৰ চাৰি দিন আগৰ পৰা গাঁৱৰ চাৰিওফালে চিঞৰে। এনে কৰাৰ উদ্দেশ্য হ'ল, নিজ নিজ ঘৰ-বেৰ লিপি-মচি চাফা কৰা, অতিথিক পৰিচৰ্যা নকৰা, কোনেও গাঁৱত চলাচল নকৰা, জীৱ-জন্তু বধ নকৰা, হাই-কাজিয়া নকৰা,

পাদুকা নিপিন্ধা, কাপোৰ নোধোৱা, লংপেণ্ট-পাইজামা নিপিন্ধা, যান-বাহনত নুঠা, মাছ নমৰা, হাল নোবোৱা, ধান নুখুন্দা, তাঁতশাল স্পৰ্শ নকৰা, চাউল নজৰা, কোৰ নমৰা, গছ নকটা, খৰি বা লাখুটি নোলোৱা, নৃত্যতলীত ধূমপান নকৰা, ঘৰত আলহী নৰখা, ছুগ্ৰাত ব্যৱহৃত বাদ্যৰ বাদে আন বাদ্যত হাত নিদিয়া, ভঁৰাল নুচুৰা, চুলি নকটা আৰু ছুগ্ৰাতলীত সকলোৱে উপস্থিত থকা ইত্যাদি। আলহীয়েও এনে ৰীতি-নীতি পালিব লাগে। পাতৰসকল বিবাহিত লোক, তেওঁলোকে ঘৰৰ ভিতৰত আৰু ফুৰাখেলে ঘৰৰ বাহিৰত চোৰাংচোৱাগিৰি কৰে। ছুগ্ৰাৰ কেইদিন 'চামচুৰি', 'মায়ংমচুৰা' আদি পাত খাৰ দি খোৱাৰ নিয়ম। পাতৰ আৰু ফুৰা খেলে দায়-জগৰবোৰ চাংদলৈক জনায়হি। তেওঁ মন্ত্ৰণা সভা পাতি দোষীক কঠোৰ শাস্তি বিহে।

ছুগ্ৰা মিছাৱাৰ ৰন্ধন কাৰ্য ঃ

ছুগ্ৰাত ৰন্ধা-বঢ়া কৰিবলৈ ভাণ্ডাৰী নামৰ এটি খেল আছে। সৰুমা, তঙৰীয়া আদি বিষয়াক লৈয়েই ভাণ্ডাৰী খেল গঠিত হয়। খেলৰ বিষয়াসকলে জ্যেষ্ঠসকলক, ডেকাসকলক, চাংদলৈ, চাংমাজি, গাঁৱৰ বাৰ্তাবাহী আৰু অন্যান্য বিশিষ্ট ব্যক্তিক হাত-মুখ ধুবলৈ পানী আৰু মদ খাবলৈ দিয়ে। সামাজিক মৰ্যাদানুসৰি জ্যেষ্ঠসকলক পিতলৰ বাচন, বাৰ্তাবাহীক কৌপাতত আৰু অন্যান্যসকলক চুঙাত মদ খাবলৈ দিয়াৰ ৰীতি আছে। মদ খাওঁতেও সামাজিক মৰ্যাদানুসৰি খোৱা হয়।

ছুগ্ৰাৰ সুৰদি সুৰীয়া গীত ঃ

ছুগ্ৰাৰ গীতবোৰ আদি ৰসাত্মক হ'লেও দাৰ্শনিক দৃষ্টিভংগীৰ গোন্ধ নথকা নহয়। ছুগ্ৰাত শ্লীল-অশ্লীল গীত গালেও দায়-জগৰ নধৰে। গীতৰ মাধ্যমেদি প্ৰণয়িনীক প্ৰণয়ীয়ে প্ৰেম নিবেদন কৰে। এনে ধৰণৰ প্ৰণয়াসক্ত লোক চাংদলৈ প্ৰমুখ্যে অন্যান্য বিশিষ্ট ব্যক্তিৰ উপস্থিতিত বিবাহ পাতি দিয়ে। ছুগ্ৰা গীতৰ প্ৰতি দফা সাতবাৰকৈ একেটা সুৰতে পুনৰাবৃত্তি কৰে। এটা দলে বাদ্য বজাই ভাগৰিলে আন এটা দলে সেই ঠাই পূৰায়। দিন-ৰাতি ছেদ-ভেদ নোহোৱাকৈ ছুগ্ৰানৃত্য তিনি দিনৰ পৰা সাত দিনপৰ্যন্ত উদ্‌যাপন কৰা প্ৰথা মন কৰিবলগীয়া। তলত ছুগ্ৰাত গোৱা দুটিমান গীতৰ দফা উদ্ধৃত কৰা হ'ল—

'চাল্ নাৱানে দাও দাও, জনাই নাৱানে দাও,
অমুখী বালিক' নিখাল্ থ' য়াংথ' য়াংকৰা দাও
থাচুখী বালিক' নিখাল, থ' জনাই লেখা মখাং ব্লাও।'

ভাবাৰ্থ ঃ চোৰাচোন চোৱাহঁক, মোৰ সোণজনীৰ ভৰিকেইখনিলৈ, তেজৰঙা পটাকিখনলৈ আৰু উজ্জ্বল জোনটোৰ দৰে জিলিকি থকা মুখখনলৈ।

'খুলচিং খাবলৈ' অদাল্ অদাল্' খুলচিং খাবাল' অদাল্
আমুখী ৰালিনে না না লিৰানা আঙা খুচা কদাল্।
থাচুখী ৰালিনে না না লিৰানা আঙা খাংচী কদাল্।

ভাবাৰ্থ ঃ শুনাচোন শুনাহঁক, মই সোণজনীৰ ঘৰলৈ গ'লেই তেওঁলোকে সকলোতকৈ আগত মোকহে নতুন বাটিত ভাল ভাল মদ আনি খাবলৈ দিয়ে। ইয়াৰ পিছত বঢ়িয়াকৈ সজাই-পৰাই আহাৰ যোগান ধৰে। ইয়েই মোৰ প্ৰতি অকৃত্ৰিম ভালপোৱাৰ ইংগিত দিয়ে। (উৎস ঃ 'দাঁতিপৰীয়া তিৱা কৃষ্টি' সম্প্ৰদায়ৰ পৰিচয়; বুধিমান বৰদলৈ, পৃঃ ১০৭-১১০)

পাংচি টানা ঃ

ঠাইভেদে ধান দোৱাৰ আগ লোৱা (মাইচিচা)ৰ পিছদিনা লৰ'ৰ ঘৰৰ পথাৰত গাঁৱৰ বিষয়ববীয়াসকলে গোট খাই বৰঘৰলৈ গৈ চাৰিভাই-চাৰিকৰাক সেৱা জনাই ছগ্ৰাৰ উদ্দেশ্যে পাহাৰত বিজুলী বাঁহ কাটিবলৈ যায়। বিজুলী বাঁহৰ তলীখন পৰিষ্কাৰ কৰি লৰ'ই সাতটা তৰাপাত স্থাপন কৰি তামোল-পাণ আৰু সিকি এটা আগ কৰে। চাংদলৈয়ে মদাৰ গছৰ পৰা চাৰিভাই-চাৰিকৰাক প্ৰতিনিধিত্ব কৰিবলৈ মিন্দাইখাম সাজে। ইয়াৰ বাওঁফালে এখন তৰাপাতত তামোল-পাণ এযোৰা আগ কৰে পিতৃ-পিতামহৰ পৰা আশীৰ্বাদ বিচাৰি। এনে ধৰণৰ আশীৰ্বাদ বিচৰা ৰীতি টাই-মংগোলীয়ৰ 'মে-দাম-মে-ফি' উছৱত থকা লক্ষ্য কৰিবলগীয়া। তিৱাই প্ৰতিটো তামোল-পাণৰ কাষত ধূপ-ধূনা জ্বলাই আৰু মদৰ লাউৰ পৰা মদ ঢালি বিজুলী বাঁহৰ গৰাকী 'চলজা ৰজা'ক গীতেৰে স্তুতি কৰে। স্তুতিৰ উদ্দেশ্য হৈছে— কিয় তেওঁলোকে বাঁহ কাটিবলৈ আহিছে আৰু বাঁহ কটাৰ অনুমতি দিয়া। পুৰোহিতে প্ৰথমে স্তুতি কৰে আৰু দ্বিতীয়তে চাংদলৈয়ে পুনৰাবৃত্তি কৰে। স্তুতিৰ শেষত সকলোৱে দেৱতালৈ উৎসৰ্গিত মদ খাই বাঁহ কাটিবলৈ যায়। বাঁহ কাটি আনি পুনৰ পূজা কৰা ঠাইত গোট খায়হি।

তাৰ পিছত সেই ঠাইত থকা মিন্দাইখামৰ পুৰণা বাঁহী সাতটা কোবাই ভাঙি ঠাইডোখৰ পৰিত্যাগ কৰে। বাঁহী ভঙাৰ গূঢ়াৰ্থ হৈছে— কোনো অপদেৱতাৰ কোপদৃষ্টিৰ পৰা ৰক্ষা পোৱা। ইয়াৰ পিছত বাঁহ কান্ধত লৈ 'হে কুৰু, হে কুৰু' (হে গুৰু, হে গুৰু) বুলি চিঞৰি গাঁৱলৈ প্ৰত্যাগমন কৰে। এই নিচিনা বাঁহপূজা পূৰ্ববংগৰ বসন্ত কালৰ উছৱ বাঁহপূজা আৰু কামৰূপী গঞা উছৱ ভঠেলিৰ লগত যথাযথ সাদৃশ্য আছে। (উৎস ঃ 'তিৱা সমাজ' অসম সাহিত্য সভা, মনেশ্বৰ দেউৰী, পৃঃ ৮৩-৮৭, ১৯৮০)

পাংচি ফেলানি ঃ

তিৱাই চামাদিৰ মাজৰ খুঁটা 'মিন্দাইনে থুনাক' 'হজাইদেউ'ৰ প্ৰতীক বুলি বৰ ভক্তি কৰে। ই অনন্ত শক্তিৰ অধিকাৰী মিন্দাইৰ কাষত এখন কৌপাতত সাতটা তামোল, সাতখিলা পাণ আৰু এডোৰণ মদ স্থাপন কৰে। চাংদলৈয়ে থুনা খুঁটাত সেৱা জনাই মদ অলপ ঢালে আৰু বাকীখিনি সকলোৱে ভগাই খায়। এনে পূজাৰ তাৎপৰ্য হৈছে বাঁহী সজাৰ অনুমতি বিচৰা। ইয়াৰ পিছত চাংদলৈয়ে একুৰা জুই ধৰে আৰু ইয়াৰ চাৰিওকাষে ডেকাসকল বহি বাঁহী সাজে। এই কাৰ্যক পাংচি ফেলানি বোলে। পৱিত্ৰ দিন শনিবাৰে পাংচি আৰু থুৰাঙত অনানুষ্ঠানিকভাৱে ফুটা কৰে। সেইদিনা সকলোৱে মিলি খৰি সংগ্ৰহ কৰে আৰু গধূলিলৈ চামাদিত একুৰা ডাঙৰ জুই ধৰে। জুইৰ চাৰিওফালে ঘূৰি ছগ্ৰাৰ আখৰা কৰে। ইয়াৰ তাৎপৰ্য হৈছে— অগ্নি দেৱতাক সন্তুষ্ট কৰি ঐন্দ্ৰজালিক শক্তিসমূহক দূৰ কৰা। চামাদিত অনুষ্ঠিত হোৱা পাংচি ফেলানিত যোগদান নকৰাসকলে এপাচিকৈ চাউল জৰিমনা ভৰে। এইদৰে সংগৃহীত চাউলেৰে ছগ্ৰা উছৱৰ বাবে মদ তৈয়াৰ কৰে। অৱশ্যে চাংদলৈয়ে প্ৰতি ঘৰৰ পৰাও চাউল সংগ্ৰহ কৰে।

ঠাইভেদে মংগলবাৰে চামাদিত সকলোৱে গোট খাই পৰম্পৰাগত বাদ্যযন্ত্ৰবোৰ বজোৱাৰ আখৰা কৰে। বুধবাৰেও সকলোৱে সন্ধ্যা আহাৰ কৰি চাৰিভাই-চাৰিকৰাক পূজি বাদ্যসমূহ বজাই আৰু বৃত্তাকাৰত তিনিপাক নাচি তিনিবাৰ কিৰিলি মাৰে। (উৎস ঃ 'ছগ্ৰামিছাৰাৰ স্বৰূপ', 'অসমবাণী' বিহু সংখ্যা, পদ্ম পাটৰ, পৃঃ ১৫-৩১, ১৯৭৪/৭৫)

ইয়াৰ পিছত উছৱ পালিবলগীয়া ঠাইডোখৰ হাবি কাটি চাফা কৰে আৰু কোৰেৰে চিকুণাই সমান কৰে। ৰভাতলিৰ পৰা চামাদিৰ মুখলৈকে কেইবাখনো তোৰণ সাজে, য'ত বিবিধ ফুল কাটি আঁকি দিয়ে। তিৱাৰ ই চাৰুকলাৰ চূড়ান্ত নিদৰ্শন। জংঘলৰ পৰা বিবিধ বন-শাক বুটলি আনি চামাদিৰ চোতালত সংগ্ৰহ কৰে। আগতে স্থাপন কৰা মিন্দাইখামৰ কাষত নতুন বাঁহীবোৰ ৰাখে। চাংদলৈয়ে গাঁৱৰ এমূৰত মদাৰ গছত ডালি এটা পোতে। ইয়েই চাৰিভাই চাৰিকৰাক প্ৰতিনিধিত্ব কৰে। সেইদিনা সন্ধ্যা পাম্থাইসকলে কৌপাতেৰে বন্ধা এবটা তামোল-পাণ দি চাংদলৈক সন্মান জনায়। চাংদলৈয়ে তামোলৰ বটাটো বয়োবৃদ্ধসকলৰ ফাললৈ আগ কৰি অপৰাধ ক্ষমা মাগে, যদি ছগ্ৰা পৰিচালনাত ডেকাসকলে দায়-জগৰ লগায়।

উছৱৰ আয়োজন ঃ

চামাদি পাম্থাইসকলে মদ খোৱা চুঙা, কৌপাত, খৰি, পানী আৰু অন্যান্য বস্তু সংগ্ৰহ কৰে। পাংচি টানা উছৱৰ সাত দিনৰ পিছত ছগ্ৰাৰ নৃত্য-গীতৰ আখৰা শেষ

হয়। সেইদিনা চামাদিত সকালোৱে গোট খায় আৰু চাংদলৈয়ে জুই একুৰা ধৰে। জুইৰ চাৰিওফালে ঘূৰি ঘূৰি গুৰু খেলৰ বাদ্যধ্বনি আৰু থুবাঙৰ সুৰে সুৰে ডেকাসকলে নাচে। আখৰা কৰাত কিবা দায়-জগৰ লগাইছে বুলি ক্ষমা কৰিবলৈ চাংদলৈয়ে মিন্দাইনে থুনাৰ সন্মুখত সাষ্টাংগে পৰি প্ৰণিপাত জনায়। অকল এয়ে নহয়, লৰ'ই চাংদলৈ আৰু চাংমাজি থুনা খুঁটাত কণী ভাঙে আৰু মিন্দাই দেৱতাক স্তুতি কৰে।

পুৰোহিতে ৰাতি বয়োবৃদ্ধসকলক তেওঁৰ ঘৰলৈ নি বৰঘৰত চাবিভাই-চাৰিকৰাক পূজা দিয়ে। বৰঘৰৰ নুংঠিত স্থাপন কৰা উধানৰ সোঁফালে সাতখন কৌপাতত পিতৃ-পিতামহৰ নামত পিঠাগুড়ি, চাউল আৰু তামোল-পাণ উচৰ্গি পূজা কৰে। পুৰোহিতে মতা আৰু মাইকী ৰঙা কুকুৰা দুটা কাটি তাৰ ৰক্ত দেৱতাসকলক উচৰ্গা কৰে আৰু মন্ত্ৰ মাতে। মন্ত্ৰৰ শেষত মাংসখিনি ৰান্ধি তাৰে একাংশ দেৱতালৈ উচৰ্গি বাকীখিনি উপস্থিত থকা ৰাইজে ভগাই খায়। ইয়াৰ পিছত বৰজালাই পুৰোহিতক সাতটা তামোল-পাণেৰে মান ধৰি সকলোৱে চামাদিলৈ যায়।

পুৰোহিতে চামাদিৰ বাহিৰ আৰু ভিতৰ তুলসী মিশ্ৰিত মন্ত্ৰপূত জল ছটিয়াই পৱিত্ৰ কৰে। চাংদলৈয়ে জ্বলোৱা জুইকুৰাৰ দাঁতিত কণী এটা কাটে। ডেকাসকলে জুইকুৰাৰ চৌপাশে ঘূৰি ঘূৰি ছগ্ৰা গীত গায় আৰু গুৰুখেলে বাদ্যযন্ত্ৰত সুৰৰ কঁপনি তোলে।

ছগ্ৰাৰ নৃত্য চামাদিতেই আৰম্ভ হয়। বাদ্যসমূহ বজাই 'মন্ত্ৰ'ৰ বাদে বাকীকেইজন মূল নৰ্তকক মাজত লৈ বৃত্তাকাৰত নাচে। প্ৰত্যেকটো নাচ সাতবাৰকৈ পুনৰাবৃত্তি কৰে। বৰঘৰৰ মুখত এনে নাচ বহুপৰ চলে। ডাঙৰীয়া আৰু উমুদীৰ পিছত অন্যান্য বিষয়ববীয়াসকলে ৰাতি দহ-বাৰ বজালৈকে নাচি নাচি তিৱা ৰজা বা দলৈৰ ঘৰলৈ যায়। শোভাযাত্ৰাৰ আগত এজনে জ্বলা জোঁৰ আৰু এজনে ঢাল-বাৰু লৈ বাদ্যৰ ছেৱে ছেৱে নাচি যায় নৰ্তকসকলৰ আগে আগে। তেওঁলোকে একেৰাহে তিনি দিন আৰু ঠাইভেদে সাত দিন চাংদলৈ, চাংমাজি, লৰ' আৰু ওজাৰ ঘৰত, চামাদিত ননচা পাঁচবিধ নাচ আৰু পাঁচবিধ সুৰৰ কঁপনিৰে ডেকাসকলক নচুৱায়। ওজাৰ গৃহত নাচ পৰিৱেশন কৰাৰ দিনা আন্তঃগাঁৱৰ পৰা অনেক দৰ্শক আহে। ডেকাসকলে প্ৰেমাৱেদনমূলক গীত গায় আৰু বন্যজন্তুৰ মূৰ্তিৰে খোদিত কৰা ফণিৰে গাভৰুসকলৰ মূৰ ফণিয়াই পৰস্পৰে ৰং-তামাচা কৰে। অৱশ্যে এনে ধৰণৰ ধেমালি একে কুলৰ ভিতৰত হোৱা নিষেধ। ইয়াৰ মাধ্যমেদি ডেকা-ডেকেৰীসকলৰ মাজত যুগ্মজীৱনৰ কঠীয়া সিঁচে আৰু সপোন দেখে ৰঙীন ভৱিষ্যতৰ। (উৎস ঃ 'ছগ্ৰামিছাৱা' (ছগ্ৰানৃত্য), পাহাড়ী, গণেশ সেনাপতি, পৃঃ ১৩)

ছগ্ৰাৰ নৰ্তক আৰু সাজ-সজ্জা ঃ

'উমুদী' নামে দুজন আৰু 'ডাঙৰীয়া' বা 'তঙৰীয়া' (মহাদেউ) নামে এজন মূল নৰ্তকে ছগ্ৰা নৃত্যত অংশগ্ৰহণ কৰে। ইয়াৰ বাহিৰেও 'বুৰা' আৰু 'মছ' (পশু) নামে দুজন বিশেষ নৰ্তকো আছে। মছ নৰ্তকে বাঁহ আৰু কাপোৰেৰে তৈয়াৰ কৰা মাছৰ প্ৰতীক পিন্ধে। উমুদীকেইজনে দহ-বাৰ হাত দীঘল কপাহী বা মুগাৰ ফুলাম কাপোৰেৰে পাগ মাৰে। ইয়াৰ নেজ পিঠিফালে গাৰ অৰ্ধ অংশলৈকে ওলোমাই ৰাখে। ই বৈষ্ণৱসকলৰ অংকীয়া নাটকৰ সূত্ৰধাৰৰ তুল্য।

উমুদী আৰু তঙৰীয়াকেইজনে পাগৰ তলত ওৰণিৰ দৰে বগা কাপোৰ পৰিধান কৰে। ওৰণি কাপোৰ ভৰিৰ আঁঠুলৈকে ওলমি থাকে। 'খাইদংফা' গছৰ মাটিৰ তলত থকা শাহটো উলিয়াই ধুনীয়াকৈ ফুল কাটি মুকুট সাজে। এই লেখীয়া ফুল ছগ্ৰাৰ আগদিনা কোনো বহিৰাগতে নেদেখাকে সাজিব লাগে। ফুলেৰে অলংকৃত মুকুট পাগুৰি আৰু ওৰণিৰ ওপৰত পিন্ধে। ইয়াৰ ওপৰত ক'লা বস্ত্ৰ এখন শিৰস্ত্ৰাণ লোৱাৰ আগতে কপালত আটি আটি বান্ধে। নৰ্তকসকলে তিৰাৰ জাতীয় পোছাক টাগলা পৰিধান কৰে। টাগলাৰ ওপৰত দহ-বাৰহতীয়া দীঘল কপাহী বা মুগাৰ বস্ত্ৰ এখন বুকুত পূৰণ চিনৰ দৰে স্থাপন কৰে। ইয়াৰ আগ দুটা দুই কান্ধেদি পিঠিত ওলোমাই লয়। কঁকালত পাঁচ-ছয়হতীয়া ফুলাম কপাহী বা মুগাৰ ফুলবছা ধুতী পিন্ধে সৰু গাঁঠিত পৰাকৈ। খাছিয়াৰ লেখীয়া ৰূপৰ চেইন নৰ্তকসকলে ডিঙি আৰু কঁকালত লয়।

চতুৰ্থ দিনা বিয়লি চাৰিভাই চাৰিকৰাৰ ধৰ্মীয় বাধাবোৰ উঠাই লয়। সেইদিনা বিষয়ববীয়াসকলৰ সৈতে ডেকাসকল চামাদিলৈ ঘূৰি আহে নৃত্য-গীত কৰি। 'ছগ্ৰা-কৰা ছগ্ৰাত' চাংদলৈয়ে মিন্দাইফা সাজে, যাক চাৰিভাই চাৰিকৰাৰ প্ৰতীক বুলি জ্ঞান কৰে। ইয়াতেই ছগ্ৰানৃত্যৰ সামৰণি মাৰে। বাদ্যযন্ত্ৰসমূহ চামাদিৰ চ'তিত তোলে আৰু নৰ্তকে পহৰা দিয়ে। ইচ্ছা কৰিলে তেওঁলোকে ৰং-ধেমালি কৰিব পাৰে। সাত দিনৰ মূৰত পুনৰ সাজ-পাৰ পিন্ধি শনি পূজাৰ আয়োজন কৰি নৃত্য-গীতেৰে ছগ্ৰা মিছাৰা উছৱক বছৰটোৰ বাবে বিদায় দিয়ে। (উৎস ঃ 'ছগ্ৰামিছাৰা' (ছগ্ৰানৃত্য), পাহাড়ী, গণেশ সেনাপতি, পৃঃ ১২-১৩)

ঠাইভেদে ছগ্ৰাৰ সামৰণি পৃথক দেখা যায়। উছৱত যোগদান নকৰা বোৱাৰী-জীয়ৰী সকলোৱে উছৱৰ সামৰণিৰ দিনা যোগদান দিয়েহি। পুৰোহিতে মিন্দাইফাৰ ওচৰত একুৰা ডাঙৰ জুই ধৰে, য'ত বাদ্যকাৰসকলে বাদ্যযন্ত্ৰত বিষাদৰ করুণ বিননি তুলি উছৱতলী করুণ কৰেহি। নৃত্যকাৰসকলে তিনিবিধ নতুন নতুন নৃত্য সাতবাৰকৈ পুনৰাবৃত্তি কৰে। পুৰোহিতে চাৰিভাই চাৰিকৰাৰ নামত এটা ৰঙা কুকুৰা ঠেং মুচৰি এৰি দিয়ে। ইয়াৰ অন্তত বাঁহীয়াই বাঁহী বজাই এজন এজনকৈ আহি মিন্দাইফাত

বাঁহীবোৰ কোবাই ভাঙে। গায়কসকলে কৰুণ গীত গায়। দৰ্শকসকলৰ মনত বিষাদৰ বিননি তোলে। পান্থাইয়ে এনে মৰ্মান্তিক দৃশ্য চাই থুৰাঙত কৰুণ বিননি তুলি আঁতৰি যায়।

ৰাতিলৈ কেৱল খ্ৰাম বজাই ওজাখেলক নচুওৱা হয়। ওজাখেলে আনে ননচা সাতবিধ নৃত্য পৰিৱেশন কৰে। চাংদলৈ, চাংমাজি আদি সকলোৱে ফা-মহাদেউৰ উদ্দেশ্যে নৃত্য কৰে। ইয়াত থুৰাং, পাংচি আদি বাদ্যসমূহ বজোৱা নহয়। সৰ্বশেষত পুৰোহিত লৰ'ৰ নতুন নৃত্যৰ ভংগিমাৰে ছগ্ৰা উছুৱৰ সামৰণি পৰে। এই লেখীয়া নৃত্যসমূহক প্ৰতীকধৰ্মী বোলে।

কাৰ্বিসকলৰ গুৰুত্বপূৰ্ণ উছুৱ 'জহং' তিৱাৰ ছগ্ৰা মিছাৱাৰ লগত থকা সাদৃশ্য মন কৰিবলগীয়া। কাৰ্বিয়ে জহং উছুৱ গাঁৱৰ মৰঠা বাংঠেৰ ঘৰত পালন কৰে, য'ত কৌটিকলীয়া ঢাল-বাৰ্দ্ধ লৈ কাৰ্বি ডেকাসকলে নৃত্য কৰি পৰম্পৰা ৰক্ষা কৰি আহিছে। অতীজত যুদ্ধ জয়ৰ বাবে ৰণ-দেৱতা জহঙৰ আশীৰ্বাদ বিচাৰি এই উছুৱ তথা পূজা পালন কৰা হৈছিল। বৰ্তমান ইয়াক বসন্ত উছুৱ বুলি ক'ব পাৰি, য'ত বাংঠেৰ ঘৰত দুদিন মূল পূজা দি ঘৰে ঘৰে গৈ অসমীয়াৰ হুঁচৰি মৰাৰ নিচিনাকৈ নৃত্য-গীত কৰাৰ সামাজিক ৰীতিৰ প্ৰচলন আছে। ইয়াতেই গাঁৱৰ গিয়াতিক পৰম্পৰাগত প্ৰথাৰে আদৰ-অভ্যৰ্থনা জনায় আৰু সমজুৱাসকলেও গৃহস্থক নৱবৰ্ষৰ সম্ভাষণ জনাই হিয়াভৰা আশীৰ্বাদ দিয়ে। (উৎস ঃ 'জহং উছুৱ' ৰংঘৰ, বিশেষ সংখ্যা, ২য় বছৰ ১ম সংখ্যা, তীৰ্থ ফুকন, পৃঃ ২১, ১৯৮২)।

ভৈয়ামৰ তিৰাসকলৰ (বসন্ত উৎসৱ) ঃ চ'ত বিহু

বলাইৰাম সেনাপতি

মাঘৰ বিহু পাৰ হৈ গৈছিল। তাৰ পিছত অঞ্চলে অঞ্চলে ম'হযুঁজ পাতিছিল। সেইবোৰো পাৰ হৈ গৈছিল। তাৰ পিছত ৰিঙা ৰিঙা লগা উদং পথাৰত খেতিয়কে হালজুৰি লৈ আহু, মৰাপাট, বাওধান সিঁচিবৰ বাবে হালৰ গৰুবোৰ হালবাই উঠি একো নথকা উদং পথাৰত ঘাঁহ খাবলৈ এৰি থৈ আহিছিল হালোৱাসকলে। হালোৱাসকল ঘৰলৈ আহি ভাত খাই অলপ জিৰাই পুনৰ পথাৰ পাইছিলগৈ, পথাৰত উঠা দলি-চপৰাবোৰ খুন্দিবলৈ আৰু কোনো কোনোৱে গৈছিল জাল লৈ বিলত মাছ মাৰিবলৈ। তাৰ পিছত বেলি ডুবাৰ সময়ত উদং পথাৰত চৰি থকা নিজৰ গৰুকেইটি লৈ ঘৰ পাইছিল। এইদৰে মাটি চহ কৰি চ'ত মাহ সোমোৱাৰ লগে লগে ইঘৰৰ পিছত সিঘৰকৈ গাঁৱৰ প্ৰতিঘৰে আহুধান সিঁচিবলৈ ধৰিছিল। আমাৰ তিৰা মানুহবিলাকে সচৰাচৰ মংগলবাৰ, দেওবাৰ, শুক্ৰবাৰে পথাৰত ধানৰ বীজ নিসিঁচিছিল। তাৰ বাহিৰে সোমবাৰ, বুধবাৰ, বৃহস্পতিবাৰ, শনিবাৰেহে ধানৰ বীজ সিঁচাটো ভাল বুলি ভাবিছিল। এই বীজ সিঁচা দিনকেইটাত কোনেও ধান-চাউল ইঘৰৰ-সিঘৰলৈ আদান-প্ৰদান নকৰিছিল। গৃহস্থ ঘৰে ধানৰ বীজ সিঁচা বা মুঠি লোৱা বাৰটো স্থিৰ কৰাৰ পিছত ঘৰত মদ বান্ধিবলৈ কৈছিল। মদ বন্ধা হ'লে ধান পেলাব বিচৰা মানুহঘৰে ওচৰ-চুবুৰীয়াৰ পৰা ধন পেলোৱাৰ দিনটোত তেওঁলোকৰ পৰা হালখন বিচাৰিছিল। ওচৰ-চুবুৰীয়ায়ো বিশেষ লেঠা নহ'লে তেওঁৰ ঘৰত হাল বাবলৈ যাব পাৰিব বুলি কৈছিল। ধান পেলোৱাৰ আগদিনা গৃহস্থই কঠীয়া ধানৰ টোমৰ পৰা ধান উলিয়াই পাচিত ভৰাই তাৰ ওপৰত এযোৰ তামোল-পাণ থৈছিল। পিছদিনা পুৱা গৃহস্থ ঘৰে কঠীয়া ধানৰ ভাৰখন আৰু গৰুহাল লৈ পথাৰলৈ গৈছিল। পথাৰত তামোল-পাণযোৰ ঈশ্বৰলৈ আগ কৰি ধান সিঁচিছিল। ধান সিঁচা হোৱাৰ পিছত সহায়ৰ কাৰণে যোৱা হালোৱাসকলে গৃহস্থৰ লগত এফালৰ পৰা হালবাই গৈছিল। গৃহস্থৰ ঘৰৰ পৰা মদ দুকলহ পথাৰলৈ দি পঠাইছিল আৰু হালবাই থকা হালোৱাসকলক পথাৰৰ মাজতে বহুৱাই মদ খুৱাইছিল। মদ খাই উঠাৰ পিছত পুনৰ হালোৱাসকলে হাল বাইছিল। এইদৰে হালবাই এঘাৰমান বজাত সকলোৱে গৰু যুৱলিৰ পৰা খুলি দি নাঙল-যুৱলি লৈ ঘৰলৈ আহিছিল। ঘৰলৈ আহি হালোৱাসকলে গা-পা ধুই ধান পেলোৱা গৃহস্থৰ ঘৰলৈ আহিছিল। ধান পেলোৱা গৃহস্থঘৰে মাটিমাহৰ খাৰ দি বন্ধা মাছৰ তৰকাৰীৰ লগতে জাতিলাউ সৰু

সৰুকৈ কুটি টেঙা দি ৰন্ধা মাছৰ ভাজিৰ লগত ভাত খাবলৈ দিছিল হালোৱাসকলক। ভাত খোৱাৰ আগতে হালোৱাসকলক মদ খাবলৈ দিছিল। মদ আৰু ভাত খাই হালোৱাসকলে গৃহস্থৰ পৰা বিদায় লৈছিল। এইদৰে গোটেই চ'ত মাহটো ইঘৰৰ পিছত সিঘৰকৈ গাঁওখনৰ মানুহবোৰে ধান পেলাইছিল। চ'ত বিহুলৈ পোন্ধৰ-বিশ দিন থকাৰ পৰাই গৰুক নতুন পঘা দিবৰ বাবে মৰাপাটৰ ৰছী বাটিছিল মাজত তৰা গছৰ আঁহ সুমুৱাই দি। এইদৰে বিহুলৈ এসপ্তাহমান থাকোঁতেই আমাৰ তিৱাসকলে মদ ৰান্ধিছিল উপাস্য দেৱতাক আগবঢ়াবলৈ আৰু আগবঢ়াই নিজে বন্ধু-বান্ধৱৰ লগত খাবলৈ। চ'ত বিহুত সচৰাচৰতে সান্দহ খুন্দা নহৈছিল, বৰা ধানৰ পিঠাগুড়িহে খুন্দিছিল। সেই পিঠাগুড়িৰে তেলপিঠা, মাজত তিল দিয়া শুকান পিঠা আদি সজাইছিল। বিহুৰ উৰুকাৰ দিনা ওচৰৰ বিলত ৰাইজে মিলি মাছ মাৰিছিল। গৰখীয়া ল'ৰাবিলাকে বিহুৰ দিনা গৰুক কোবাবলৈ বিহুগছ, দীঘলতি গছ-পাতসহ বিচাৰি আনিছিল। প্ৰতিঘৰ গৃহস্থই তেওঁলোকৰ লাগনি গছবোৰ ধানখেৰ পকাই ৰছী কৰি বান্ধিছিল, বাঁহগছৰ গুৰিবোৰত কোৰেৰে মাটি চপাই দিছিল। পথাৰত পেলাই অহা ধানবোৰত ইকৰাৰ আগ, পচতীয়া, মাখিয়তী, ভাং গছৰ আগ পুতি দিছিল। আমাৰ তিৱাসকলে বিহু বুধবাৰেহে পাতিছিল। সেয়ে চ'ত আৰু ব'হাগ মাহৰ দোমাহীত বুধবাৰ নপৰিলে বিহু নেপাতিছিল। যদি চ'ত-ব'হাগৰ দোমাহীৰ দিনা বুধবাৰ পৰে তেতিয়া অন্যান্য সকলোৰে লগত একেলগে বিহু পাতিছিল। বুধবাৰৰ দিনটোক তেওঁলোকে পৱিত্ৰ দিন বুলি গণ্য কৰিছিল। বিহুৰ দিনা পুৱাই কেইজনমান ডেকা ল'ৰা ওলাই আহি তিৱাসকলৰ উপাস্য দেৱতাৰ পূজাৰ স্থলী বৰঘৰৰ চোতালৰ আগৰ এডোখৰ ঠাইৰ বন-বাত নিৰাই পৰিষ্কাৰ কৰিছিল। সেই পৰিষ্কাৰ কৰা ঠাইডোখৰতে পূজাৰ বেদী স্থাপন কৰি দীঘলীয়াকৈ এটি মাটিৰ ঢাপ তুলি দিছিল। সেই ঢাপ তুলি দিয়া মাটিৰ ওপৰত ইকৰাৰ কুমলীয়া আগৰ লগতে বাঁহৰ লেকেচি শাৰী শাৰীকৈ লানি লগাই পুতি দিছিল। বনমলা গছৰ পাত কিছুমান বিচাৰি আনিছিল। সেই বনমলা গছৰ পাতেৰে মালা গাঁথি মালাবোৰ লানি লগাই পোতা ইকৰা লেকেচিৰ প্ৰত্যেক ডালতে বান্ধি ওলোমাই দিছিল। মাটি তুলি ঢাপ কৰি দিয়া বেদীৰ ওপৰত দুফাল বাঁহ পাৰি দি তাৰ ওপৰত চাৰি জাপ পত্ৰ পাৰি দিছিল। পত্ৰৰ ওপৰত সাত আখি কুমলীয়া চেনিচম্পা কল দিছিল। বেদীৰ দক্ষিণ মূৰে দুডাল বাঁহৰ ফেৰেঙনিৰ মাজত এটি পানী ভৰা বাঁহৰ চুঙা ৰাখি দিছিল। পানীৰ চুঙাটোৰ ওচৰতে এটি জুই লগোৱা জুমুঠিত ধূনা ভৰাই দিছিল। বেদীৰ উত্তৰফালে কুবেৰৰ নামত মাহ-প্ৰসাদ, কল দি এগছি শলিতা লগাই দিছিল। এটা বাটিত কিছুমান পিঠাগুড়ি লৈ তাত পানী দি গুলি লোৱা পিঠাগুড়িৰ পানীবোৰ শান্তিয়নী পানীৰ নামত বনমলা গছৰ আগেৰে ছটিয়াইছিল। তাৰ পিছত

ঘৰৰ বুঢ়াই ঈশ্বৰলৈ তুতি ধৰিছিল, 'আ ৰাম ঈশ্বৰ প্ৰভু ঘৰজ্যোতি, ঘৰ গোসাঁনী ডাঙৰ ডাঙৰ দেৱতা, লাখি কোঁৱৰ, পাখি কোঁৱৰ, বৰদেউ-মাহাদেউ, থানবলি-মাহাবলি দেৱী কামাখ্যা বলি। এতিয়াও ৰজা ৰাইজৰো বিহু, দুখীয়া প্ৰাণীৰো বিহু। দিমনো কি? থাকিমনো কি? সাগৰত কুটা পেলাই ভাৰসা মাগিছো, অজান হাৰী, অজান বুঢ়া, দিওঁতে থাকোঁতে আগেহে পাছ, পাছেহে আগ হ'ব পাৰে সৰ্বদোষ মাৰ্জনা কৰি নিলগৰ ঢউ বজাৰ, মাৰি-মৰক সবাকো দূৰ কৰি হাতে আৱৰণ কৰি ৰাখিব লাগে।' পুনৰ পিঠাগুড়ি মিহলোৱা পানীখিনি ছটিয়াই দি তাৰ পিছত পৰিয়ালৰ বিভিন্ন ঘৰে ঈশ্বৰলৈ আগবঢ়াই থোৱা চৰাইকেইটি কাটি চৰাইৰ তেজ আৰু নাড়ী-ভুঁৰুখিনি আগলি কলপাতৰ পত্ৰকেইজাপৰ ওপৰত দিছিল। বাঘদেউৰ কাৰণে এটি পখৰা চৰাই আৰু কুবেৰৰ নামত এটি বগা চৰাই কাটিছিল। এনেকৈ পূজা চলি থাকোঁতেই পৰিয়ালৰ বিভিন্ন ঘৰে তেওঁলোকৰ খেতিৰ সঁজুলি লৈ নাঙল-যুৱলিবোৰ ভালদৰে ধুই বৰঘৰৰ চোতালত জমা কৰিছিলহি। তাৰপিছত কেইজনমান ডেকা ল'ৰাই লগ লাগি লাউ-বেঙেনা, থেকেৰা আৰু হালধি কুটিছিলহি। সেই কুটা বস্তুবোৰ নিয়ম অনুসাৰে তিনিডলীয়া দুডলীয়া বাঁহৰ শলিত ভৰাইছিল। পিছত তামোলৰ ডাঙৰ ঢকুৱা এটিত সেইখিনি থৈ দুয়োমূৰে নতুন পঘাৰে বান্ধিছিল এটি দোনাত কিছু মিঠাতেল আৰু এলান্ধু লৈ এটি ব'চুঙাৰে বংশৰ গোটেই গৰুবিলাকৰ গাত ফোঁট দিছিল। ইতিমধ্যে যদি পূজা কৰাৰ কাম শেষ হৈছে, বাঘ ৰজা, মহাদেও আৰু কুবেৰৰ নামত চৰাই কটা গৈছে তেনেহ'লে গৰুক গা ধুৱাবলৈ নিবৰ সময় হৈছে বুলি শিঙাৰে ডাক দিছিল। তেতিয়া প্ৰত্যেকে নিজৰ নিজৰ গোহালিৰ গৰুৰ গাত মাহ-হালধি আৰু তেল ঘঁহিছিল। এইবোৰ কৰাৰ পিছত নিয়ম অনুসাৰে এটি বংশৰ পিছত এটি বংশৰ গৰুবিলাক মেলি লৈ গৈছিল। প্ৰত্যেকে গৰু মেলি লৈ যাওঁতে লগত একোপাট যাঠি, নতুন-পুৰণি পঘা, মাহ-হালধি আৰু গৰু খেদিবৰ বাবে হাতত দীঘলতি, বিহুগছ আদি লৈ গৈছিল। তামোলৰ ঢকুৱাত বন্ধা লাউ-বেঙেনা-হালধি-থেকেৰাৰ শলিকেইডাল যাঠিপাটত আঁৰি লৈছিল। পাৰিলে প্ৰত্যেক দলেই এটি পাতিঢোল, এটি ম'হৰ শিঙৰ পেঁপা, শিঙা আৰু এযোৰকৈ তাল লগত নিছিল। আমাৰ দিনত গৰুবিলাকক আমাৰ গাঁৱৰ পৰা পাঁচ কিলোমিটাৰমান দূৰৰ পাঁচ-ছয় ফুট দ পৰিষ্কাৰ পানী থকা কাচধৰা বিলতহে ধুৱাইছিল। গৰুবিলাক গা ধুৱাই দিয়াৰ পিছত বিলৰ পাৰত লাউ-বেঙেনা-হালধি-থেকেৰা গৰুৰ গাত দলিয়াই কৈছিল— 'লাউ খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা। মাৰে সৰু, বাপেৰে সৰু তই হ'বি বৰ গৰু।' সেই সময়ত গৰখীয়া ল'ৰাবিলাক তাত বৈ আছিল আৰু পৰিয়ালৰ গৰুবোৰ চমজি লৈছিল। তেতিয়া আন ডাঙৰ মানুহবিলাকে প্ৰথা অনুযায়ী পুৰণা পঘাবোৰ

তাতে পেলাই দিছিল আৰু নতুন পঘাবিলাকৰ এডাল আনৰ লগত সলাই লৈছিল। ইয়াৰ পিছত নিজৰবিলাক বেলেগে ৰাখি বিলৰ পাৰত যাঠি খেল পাতিছিল। লাউ-বেঙেনা বান্ধি নিয়া তামোলৰ ঢকুৱাবিলাক একেলগে বান্ধি পানী যুৱলিত পেলাই থৈছিল আৰু বিলৰ ওখ পাৰৰ পৰা সেই ঢকুৱালৈ লক্ষ্য কৰি যাঠি দলিয়াইছিল। যাৰ যাঠিয়ে ঢকুৱা হানিব পাৰে তেওঁকেই জয়ী বুলি ধৰা হৈছিল। এইদৰে যাঠি খেল খেলাৰ পিছত খেল সামৰি সকলোৱে ঢোলত চাপৰ মাৰি আৰু পেঁপাত ফুক দি ঘৰলৈ উভতিছিল। গৰুক গা ধুৱাবলৈ লৈ যোৱাৰ পিছতে পৰিয়ালৰ বৰঘৰৰ ভিতৰত ইষ্টদেৱতাৰ বেদীৰ সন্মুখত বুঢ়া আৰু হাৰী কুঁৱৰীয়ে পৰিয়ালৰ প্ৰতিঘৰৰ পৰা আনি দিয়া সান্দহ, পিঠা-পনা, তামোল-পাণ অৰ্পণ কৰি আকৌ আগৰদৰে তুতি ধৰিছিল— 'আ ৰাম ঈশ্বৰ প্ৰভু ঘৰজ্যোতি ঘৰ গোসাঁনী, ডাঙৰ ডাঙৰ দেৱতা লাখি কোঁৱৰ পাখি কোঁৱৰ বৰদেউ মাহাদেউ থানবলি মাহাবলি দেৱী কামাখ্যা বলি। এতিয়াও ৰজা ৰাইজৰো বিহু দুখীয়া প্ৰাণীৰো বিহু দিমনো কি থাকিমনো কি? সাগৰত কুটা পেলাই ভাৰসা মাগিছো, অজান হাৰী, অজান বুঢ়া দিওঁতে থাকোঁতে আগেহে পাছ, পাছেহে আগ হ'ব পাৰে, সৰ্বদোষ মাৰ্জনা কৰি নিলগৰ ঢৌ বজাৰ, মাৰি-মৰক সবাকো দূৰ কৰি হাতে আৱৰণ কৰি ৰাখিব লাগে।' এইদৰে ঈশ্বৰলৈ তুতি ধৰাৰ পিছত সান্দহ পিঠাবোৰ পুনৰ ঈশ্বৰলৈ অৰ্পণ কৰিবলৈ নিয়াসকলকে বিলাই দিছিল। সেইদৰে ৰাতিসেৱাৰ লগত জড়িত তিৱাসকলৰ সচংঘৰৰ বিষয়ববীয়া, বুঢ়াভকত, পাৰিষদ, চাঁকৰি, মাঁজনী-পাচনীয়ে বিহুৰ দিনা পুৱা সচংঘৰলৈ আহি সচংঘৰটো তেওঁলোকে লিপি-পুচি পৰিষ্কাৰ কৰিছিল। ধ্বজ চাকিকো চাঙৰ পৰা নমাই ভালদৰে ধুই থাপনাৰ ওচৰত আগপাত পাৰি থৈ দিছিল। দুপৰীয়া দুইমান বজাত প্ৰতিঘৰ গৃহস্থই মিঠাতেল, সাঁজ (মদ), পিঠা-পনা, তামোল-পাণ লৈ সচংঘৰলৈ আহিছিল আৰু সচংঘৰৰ চাকৰি সাজনী, পাচনীৰ হাতত বস্তুবোৰ দিছিল। তাৰ পিছত বুঢ়াভকতে সমূহ ভকতসহ লগ লাগি নীতি-নিয়ম, গীত-মাতেৰে চাকৰিৰ হতুৱাই পিতৃধ্বজত শিখা জ্বলাইছিল। শিখা জ্বলোৱাৰ পিছত শংকৰৰ নামত এযোৰ, মূলৰ নামত এযোৰ তামোপ-পাণ দিছিল। তামোল-পাণ দিয়াৰ পিছত এখনি আগপাতেৰে ঢাকি দি চাৰিও কোণে চাৰিটি তামৰ পইচা দিছিল। ভিতৰৰ মাতৃধ্বজতো শিখা জ্বলাই দুযোৰ তামোল-পাণ আৰু পত্ৰ এখনেৰে ঢাকি দি ওপৰৰ চাৰিও কোণত চাৰিটি তামৰ পইচা দিছিল। তাৰ পিছত সকলো ভকতে ঈশ্বৰলৈ অৰ্পণ কৰিবলৈ অনা সান্দহ, পিঠা-পনা ধ্বজৰ আগত এখনি আগপাতত দিছিল। তাৰ পিছত ভকতে নিয়া সাজখিনি এটি পাত্ৰত থৈ সেই পাত্ৰৰ পৰা অলপ সাজ এটি বাটিত লৈ ধ্বজৰ গুৰিত থৈ দিছিল। সেইদৰে মিঠাতেলৰো ধ্বজৰ চাকিত বাকি দিয়াৰ অৱশিষ্ট জলফুলৰ বাটিত লৈ সাজৰ গুৰিত থৈ দিছিল।

তাৰ পিছত সকলো ভকতকে সাজ দিছিল। সাজ দিয়াৰ পিছত সকলোৱে যদি পাইছে বুঢ়াভকতে সকলোকে খাবলৈ কৈছিল কিন্তু বুঢ়াভকতে নোখোৱাকৈ কোনেও নেখাইছিল। তাৰ পিছত এটি তুতি ধৰি সকলো ভকতে সাজ খাইছিল আৰু লগে লগে বিচাৰৰ গীত গাইছিল। বিচাৰৰ গীত কিছুসময় চলাৰ পিছত চাকৰিয়ে জলফুলৰ বাটিতো লৈ সকলো ভকতৰ মূৰে-গায়ে জলফুল সানি দিছিল। তাৰ পিছত চাকৰি পাচনীয়ে সান্দহ, পিঠা-পনা ভকতৰ আগত পত্ৰ পাৰি বিলাই দিছিল। সকলো ভকতে পালে বুঢ়াভকতে খাদ্যদ্ৰব্য গ্ৰহণ কৰিবলৈ কৈছিল তেতিয়া সকলো ভকতে খাদ্যদ্ৰব্যবোৰ খাইছিল। তাৰ পিছত ধ্বজৰ আগত দিয়া পত্ৰখনকো ভাঙি সকলো ভকতকে বিলাই দিছিল। বিলাই দিয়া শেষ হ'লে ভকতসকলক পত্ৰ সামৰিবলৈ কৈছিল। পত্ৰ সামৰাৰ পিছত ধ্বজত সাজ লগাই ভকতসকলে গাইছিল—

দেৱৰ কি দেৱ সাজ হে স্বামী দেৱকে শোধাইছো
স্বামীহে শোধাবৰ শকতি নাই স্বামীহে শোধাবৰ শকতি নাই।
সৰ্বহেন দায়কে অ' স্বামী ক্ষমা নিজে গুৰু অ'
দিবা চৰণ তলে ঠাই পূৰ্ণ স্বামী নাথ অ' দিবা চৰণ তলে ঠাই।।

তাৰ পিছত ধ্বজৰ ওপৰত জ্বলি থকা অগ্নিৰ শিখাত সাজ (মদ) তিনিবাৰ আঙুলিৰে ছটিয়াই দিছিল। ধ্বজৰ শিখাত লগোৱা অৱশিষ্ট সাজ প্ৰথমতে বুঢ়াভকতক খাবলৈ দি তাৰ পিছত সমূহ ভকতকো গীত-মাতেৰে চাকৰিয়ে খাবলৈ দিছিল। সকলো ভকতে চাকৰিৰ গীতৰ প্ৰত্যুত্তৰ গীতেৰে দি সাজ গ্ৰহণ কৰিছিল। সমূহ ভকতক সাজ লগোৱা শেষ হ'লে সমূহীয়াভাৱে এটি তুতি ধৰিছিল আৰু চাকৰিয়ে ধ্বজ লৰাই দিয়াৰ পিছত ধ্বজত এটি আৰু বুঢ়াভকতক এটি সেৱা জনাই সকলো ঘৰাঘৰি গুচি গৈছিল। ইফালে আবেলি ঘৰ গৃহস্থনীসকলে মাহ-হালধিৰে গা-পা ধুই পঘাবোৰত তুলসী পাত ভৰাইছিল আৰু গৰু বন্ধা গোহালিত খুঁটাই খুঁটাই পঘা বান্ধি থৈছিল। সেই আবেলি সময়তে গাভৰুবিলাকে গধূলি কুকুৰা চৰাইৰ মঙহৰ লগত খাবলৈ গাঁৱৰ পৰা কিছু আঁতৰত কচু কাটিবলৈ গৈছিল। সেই সময়ত গাঁৱৰ ডেকা ল'ৰাবোৰেও পাতিঢোল আৰু পেঁপা বজাই বজাই গৰুক আদৰি আনিবলৈ গৈছিল। নিজৰ প্ৰেমিক থকা যেন গম পাই এজনী গাভৰুয়ে কচুকটা ঠাইৰ পৰা প্ৰেমিকলৈ শুনাই গীত জুৰিছিল—

অ' হৈ অলিয়া কৰিলি অ' সোণাই বলিয়া কৰিলি
মোৰ মনক কৰিলি অ' বাউল
পদুলি ওলায়ে পেঁপাৰ সুৰে দিয়ে
সিজা ভাতক কৰিলি অ' চাউল, সিজা ভাতক কৰিলি চাউল।

অ' হৈ বকুল বৰা ধানৰ অ' সোণাই চিৰা খুন্দি থৈছো
চপোৱা গাখীৰৰ দৈয়ে
তই যে নহ'লে খামে কেনে কৰি
চাই থাকো আগতে অ' লৈয়ে চাই থাকো আগতে লৈ।।

ডেকাবিলাকেও গৰু আগবঢ়াবলৈ গৈ ম'হৰ শিঙৰ পেঁপাত ফু দিছিল, গাইছিল, নাচিছিল, ঢোলত চাপৰ মাৰিছিল। কোনো এজন প্ৰেমিকে গাভৰুলৈ বুলি উত্তৰ দিছিল এনেদৰে—

কিনো চেনেহ জৰী অ' হৈ লগাই থাক লাহৰী
এৰিব মই নোৱাৰো তোক।
সেইনো চেনেহ জৰী ছিঙিবনো লাগিলে
কান্দিলেও নেপাবি মোকে হেৰ তৰামাই তোৰেমান শুৱনি নাই
চাইনো থাকি হেঁপাহ নপলায়।
বাৰীৰ পিছে পিনে অ' হৈ মোমাই তামোল এজুপি
ওলমি অ' লাগিলে থোক।
মুখৰ মিচিকনি অ' হৈ দাঁতৰ জিলিকনি
কেনেকৈনো পাহৰিম তোকে হেৰ তৰামাই তোৰে মান শুৱনি নাই
চাইনো থাকি হেঁপাহ নপলায়।

গৰু আহি পোৱাৰ আগতে পদূলিৰ মূৰে মূৰে তুঁহ আৰু বিহলঙনিৰে জুই ধৰিছিল। ঘৰে ঘৰে পদূলিয়ে পদূলিয়ে চাকি-বন্তি জ্বলি উঠিছিল। ভঁৰাল ঘৰতো মাহ-প্ৰসাদ দি চাকি-শলিতা জ্বলাই গৃহস্থই সেৱা কৰিছিল। গধূলি হোৱাৰ লগে লগে পুনৰ সকলোৱে বৰঘৰত গোট খাই নাঙল-যুৱলিৰ আগত পূজা দি চৰাই কাটিছিল। তাৰ পিছত ঘৰৰ বুঢ়াই কেইজনমান বুঢ়া লগত লৈ বংশৰ প্ৰত্যেক ঘৰৰ গৃহস্থলৈ গৈ তেওঁলোকৰ গোহালিত সোমাই গৰুৰ প্ৰতি সেৱা আগবঢ়াই বছৰটোত কৰা ব্যৱহাৰৰ কাৰণে ক্ষমা খুজিছিল আৰু লগত নিয়া পিঠাগুড়ি গুলি লোৱা পানী বনমলা পাতেৰে গৃহস্থৰ দুৱাৰত ছটিয়াই দি আন এঘৰলৈ যাত্ৰা কৰিছিল। এইদৰে বংশৰ গোটেইকেইঘৰতে ঘূৰাৰ পিছত বৰঘৰলৈ গুচি আহিছিল। বৰঘৰতে নাঙল-যুৱলিৰ আগত কটা চৰাইটিৰে ৰান্ধি থৈ দিয়া আঞ্জাৰে মদ-পানী খাই ঘৰঘৰি গুচি গৈছিল। ঘৰত সকলোৱে ডাঙৰক সেৱা কৰিছিল। বিহুৰ বাবদ গৃহস্থই ভালৰো ভাল বস্তু আনি গৃহিণীক দিছিল আৰু গৃহিণীয়েও ৰান্ধি-বাঢ়ি পৰিয়ালৰ মৃতকসকললৈ এখনি আগলি কলপাতত খাদ্যদ্ৰব্য সেৱাৰে আগবঢ়াই দি, ঘৰৰ সকলোৱে অন্ন ভোজন কৰিছিল। সচৰাচৰ বিহুৰ দিনা হুঁচৰি নাগাইছিল। পিছদিনাৰ পৰাহে ল'ৰা-ছোৱালীবোৰে হুঁচৰি

গাইছিল। বিহুৰ তিনি দিনমানলৈকে আমাৰ তিৰাৰ গাভৰু ছোৱালীবিলাকে পথাৰৰ মাজৰ গছৰ তলত বিহুনাম গাইছিল আৰু নাচিছিল কিন্তু তালৈ কোনো পুৰুষ মানুহ নগৈছিল। মুকলি আকাশৰ তলত পথাৰৰ মাজত সাত-আঠজনী ছোৱালীয়ে ঘূৰণীয়াকৈ থিয় হৈ মাজত নাচনীক লৈ গাইছিল আৰু নাচনীয়ে নাচিছিল। গীতৰ লগত ছন্দ মিলাই গায়িকাসকলে হাতচাপৰি বজাইছিল আৰু নাচনীয়ে গীতৰ ছন্দে ছন্দে পখিলাৰ দৰে ঠেও ধৰি ধৰি নাচিছিল। এজনী নাচনীৰ ভাগৰ লাগিলে গায়িকাৰ মাজতে আন এজনী নাচনী ওলাই গায়িকাৰ মাজত সোমাই পৰিছিল আৰু আগৰ নাচনীজনীয়ে গায়িকাৰ শাৰীত সোমাই সুৰ জুৰিছিল। এজনীয়ে গাইছিল—

বাৰীৰে মাজতে মূলা পেলাইছিলো অ'
তাৰ মাজত দিছিলো অ' লাই
মোৰ সোণামুৰা কামলৈ ওলালে
আছিলো এবেলা চাই। চাইয়ে বালিদৈ অ' আহে বালিদৈ অ'
বালিতে ওমলো গৈয়ে বালিদৈ অ' আহে বালিদৈ অ' বালিতে ওমলো, বালিতে ওমলো গৈ।

হাতে মেলি নেপালো তামোলৰ খৰাহি অ'
ভৰি মেলি নেপালো অ' গুৱা।
দূৰৰ কলিকতাত সোমাল মোৰ লাহৰা
নেদেখো গধূলি পুৱা। পুৱা বালিদৈ অ' আহে বালিদৈ অ' বালিতে ওমলো গৈয়ে বালিদৈ অ' আহে বালিদৈ অ' বালিতে ওমলো বালিতে ওমলো গৈ।

নাৱতে ধৰিব শেলাই ঐ লাহৰা ঐ
নাৱতে ধৰিব ঐ শেলাই।
তোমাক মনত পৰি ওলাই চকুপানী
কান্দো মই মূৰটি পেলাই। পেলাই বালিদৈ অ' আহে বালিদৈ অ' বালিতে ওমলো গৈয়ে বালিদৈ অ' আহে বালিদৈ অ' বালিতে ওমলো, বালিতে ওমলো গৈ।

কাপোৰ ক'লা হ'লে ধূলিয়ে মাটিয়ে অ'
মন ক'লা হ'লে অ' দুখে।
তোমাৰ চিন্তাতে দেহা ক'লা হ'লে
মাৰিও নিনিয়ে যমে। যমে বালিদৈ অ' আহে বালিদৈ অ' বালিতে ওমলো গৈয়ে বালিদৈ অ' আহে বালিদৈ অ' বালিতে ওমলো, বালিতে ওমলো গৈ।।

তাৰ পিছত আন এজনীয়ে গাইছিল—

চাকৰি কামলৈ নেলাগে যাবলৈ অ'
নেলাগে চৰকাৰী অ' ধন।
ঘৰতে বহি থাক দহো বন কৰি থাক
চাই থাকিবৰে মন। মনে ৰৈয়া পাটী দৈয়া তামোল কাটো কটাৰী
দিয়া ৰেপত চোলা জেপত মাছ মাৰো হাৰিয়াৰ টুপত।
যঁতৰৰ ছিঙিব চাতে ঐ লাহৰা ঐ
যঁতৰৰ ছিঙিব ঐ চাত।
তুমি যে যাবাগৈ চৰকাৰী কামলৈ
কান্দোতে ভাঙিব মাত। মাতে ৰৈয়া পাটী দৈয়া তামোল কাটো
কটাৰী দিয়া ৰেপত চোলা জেপত মাছ মাৰো হাৰিয়াৰ টুপত।
আলৈ সাজি দিয়া খালৈ অ' লাহৰা ঐ
আলৈ সাজি দিয়া অ' খালৈ।
তুমি যে যাবাগৈ চৰকাৰী কামলৈ
মোকে এৰি যাবা কালৈ।। কালৈ ৰৈয়া পাটী দৈয়া তামোল কাটো
কটাৰী দিয়া ৰেপত চোলা জেপত মাছ মাৰো হাৰিয়াৰ টুপত।
সোণৰ লগত যাবলৈ মোৰো মনে গ'লে অ'
মোৰে হ'ল বিধৃতি অ' গা।
হাঁচতি লৈ যা ছুৰীখন থৈ যা
কলিজাত মাৰি ল'ম ঘা। ঘায়ে ৰৈয়া পাটী দৈয়া তামোল কাটো
কটাৰী দিয়া ৰেপত চোলা জেপত মাছ মাৰো হাৰিয়াৰ টুপত।

পুনৰ দুজনীমানে জাকৰ মাজত সোমাই পখিলা উৰাদি হাত মেলি মেলি ঘূৰি ঘূৰি নাচিলে। পুনৰ আন এজনীয়ে গালে—

পানী দিয়া আনি অ' সোণাই অ'
ঘৰটো মচো মই অ' সোণাই অ'
ৰঙা পথাৰৰে মাটি।
চেঁচা পায়ে পায়ে অ' সোণাই অ'
টোপনি নাহে মোৰ অ' সোণাই অ'
লোকে পাৰি দিয়া পাটী অ' চেনাই ধোপ জবৰাই ধৰিম তোক সুদা
নেদেখিবি মোক।
হাতে মেলি নেপালো অ' সোণাই অ'

তামোলৰ খৰাহি অ' সোণাই অ'
ভৰি মেলি নেপালো বাতি।
মোৰে সোণামুৰা অ' সোণাই অ'
অকলে আছেগৈ অ' সোণাই অ'

পোৰা নাই বিচনীৰ ছাটি অ' সৰুমাই তোৰে লগত মানুহ নাই কোনে মাতে লগাই যায়।

কোনে আনি দিব অ' সোণাই অ'
নৈৰ পানীটুপি অ' সোণাই অ'
কোনে ৰান্ধি দিব ভাত।
এইহেন বিপদত অ' সোণাই অ'
কোনো চায়ে যাব অ' সোণাই অ'
কোনে লগাই যাব মাতে অ' সোণাই ঐ কোনে লগাই যাব মাত।

তাৰ পিছত আন এজনীয়ে গালে আৰু নাচিলে। নাচত গীতৰ ছন্দে ছন্দে নাচনীয়ে ভৰি সামান্য ওপৰলৈ তুলি জঁপিয়াই আঁঠু ভাঙি হাত দুখনেৰে মেখেলাখন উজাই ধৰি কঁকাল লৰাই লৰাই নাচিলে। কোনো সময়তে কঁকাল হলাই চাপৰি এখন হাত কঁকালত আৰু এখন মেলা হাত মূৰত থৈ ঘূৰি ঘূৰি নাচিলে।

ধূম গুৰু নুগুৰো গধূলি গধূলি
ধূম গুৰু নুগুৰো মই ফুৰো পদূলি
ধূম গুৰু নুগুৰো বাঘে খাই ঘোঙে খাই খাক।
ধূম গুৰু নুগুৰো তোৰ লগত মৰি যাওঁ
ধূম গুৰু নুগুৰো মৰমৰ লাহৰা
ধূম গুৰু নুগুৰো দেহা যাই এ যদি যাকে ধূমেগিৰি ধূমুনিজাং এনিজাং
দেহা যাই এ যদি যাক।
ধূম গুৰু নুগুৰো বঙালৰ গলাৰে
ধূম গুৰু নুগুৰো লঙে অই লাহৰা
ধূম গুৰু নুগুৰো বঙালৰ গলাৰে লং
ধূম গুৰু নুগুৰো লাহত লাবৰা
ধূম গুৰু নগুৰো মৰমৰ লাহৰা
ধূম গুৰু নুগুৰো ওলাই আহ চিনাকি হঙে ধূমেগিৰি ধূমুনিজাং এনিজাং
ওলাই আহ অ' চিনাকি হও

ধূম গুৰু নগুৰো হাতীয়ে পোৱালি
ধূম গুৰু নুগুৰো নিলে চিৰিকালে
ধূম গুৰু নগুৰো মাউতক লৈয়ে গ'ল শেনে
ধূম গুৰু নুগুৰো পাটীৰে তিৰোতাক
ধূম গুৰু নুগুৰো যেনে যেন দেখিবা
ধূম গুৰু নুগুৰো আমাকো দেখিবা তেনে ধূমেগিৰি ধূমুনিজাং
এনিজাং আমাকো দেখিবা তেনে।।

এনেকৈয়ে বিহুগীত গাইছিল আৰু নাচিছিল। সেইদৰে তিৰা গাভৰুসকলে লগ লাগি ধোপ খেলিছিল। তালৈ দুই-এজন ডেকা ল'ৰা গৈছিল। বিহুৰ পিছৰ ৰবিবাৰৰ পৰা নগাঁও, মৰিগাঁও জিলাৰ বিভিন্ন অঞ্চলত এদিন বাদে এদিনকৈ মেলা উলিয়াইছিল। এইদৰে জেঠ মাহৰ কিছুদিনলৈকে এই মেলা উলিওৱাৰ কামটো চলিছিল। সেই দিনবোৰ আজি আৰু নাপাওঁ। আজি যুগ সলনি হ'ল। সংস্কৃতি সলনি হ'ল। তথাপি আমি আজিও সেই পুৰণি দিনবোৰৰ স্মৃতি পাহৰিব পৰা নাই।

ডিমাচাসকলৰ বসন্ত উৎসৱ

লোকেশ্বৰ গগৈ

বসন্তৰ আগমনীত অসমৰ পৰ্বত-ভৈয়ামৰ সকলো মানুহৰ মনত আনন্দৰ জোৱাৰ উঠে। এনে জোৱাৰক স্মৃতিপটত সজীৱ কৰি ৰাখিবৰ বাবেই যে উছৱ-অনুষ্ঠানৰ আয়োজন কৰা হয় তাত সন্দেহ নাই। এনে উছৱ-অনুষ্ঠান বিভিন্ন জনগোষ্ঠীয়ে একে সময়তে নাপাতি সুবিধা অনুযায়ী পতাৰ ব্যৱস্থা হ'ল। কোনো কোনোৱে বসন্ত কালৰ কিছুদিনৰ আগত, কোনোৱে বসন্ত কালৰ ভিতৰত আৰু কোনোৱে বসন্ত কালৰ কিছুদিনৰ পিছত এনে উছৱ-অনুষ্ঠান পাতে।

বসন্ত উছৱ বুলিলে সাধাৰণতে কৃষি উছৱকেই বুজায়। কৃষি অবিহনে মানৱজাতি জীয়াই থাকিব নোৱাৰে। এনে উছৱ কোনোৱে শস্য দাই-তুলি-চপাই আনিবৰ সময়ত আৰু কোনোৱে শস্যৰ গেঁৰ মেলিবৰ সময়ত উদ্‌যাপন কৰে। সেয়ে ভৈয়ামত বসবাস কৰাসকলে কৃষিৰ পাতনিত ব'হাগ বিহু আৰু চপাই ভঁৰালত সুমুৱাই শেহত মাঘ বিহু আড়ম্বৰেৰে পালন কৰে।

নতুন বছৰ আগমনীৰ প্ৰাক্‌মুহূৰ্তত ভোজ-ভাত খাই আনন্দ-উৎসৱ কৰি কৃষিৰ মংগল সাধন আকাংক্ষা প্ৰকাশ কৰা প্ৰথা ডিমাচাসকলৰ মাজতো প্ৰচলিত। ডিমাচাসকলৰ মাজত অতীতত বিহু উদ্‌যাপনৰ অৰ্থে এজন ডেকা নেতা (নাগা হজা) আৰু এগৰাকী গাভৰু নেত্ৰী (মাটলা হজা) গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচিত হৈছিল। অধুনা অঞ্চলভেদে এনে প্ৰথাৰ প্ৰচলন থকা দেখা যায়। বিহুৰ বিষয়ববীয়াৰ আদেশত ডেকা আৰু গাভৰুসকলে কৰিবলগীয়া কাৰ্যবোৰ শৃংখলাবদ্ধভাৱে কৰে। বিহুৰ খৰচৰ বাবে টকা-পইচা আমাৰ দৰে ডিমাচাসকলে দান-বৰঙণি তুলি নুফুৰে। সেয়ে ডেকা-গাভৰুসকলে যৌথভাৱে পাহাৰত জুম পদ্ধতিৰে কৃষিকৰ্ম কৰে। ইয়াৰ পৰা যি ফচল পায়, সেইখিনি ৰাজহুৱা ভঁৰালত সংগ্ৰহ কৰে আৰু অভাৱ-অনাটনৰ দিনত গঞাক কম সুদত ধাৰলৈ দিয়ে।

বিহুৰ সময় আহিলে ডেকা-গাভৰুসকলে ধৰুৱাৰ পৰা সুদ আৰু মূলখিনি সংগ্ৰহ কৰে। তেওঁলোকে বিহুৰ বাবে কৰণীয় কৰ্তব্যখিনিৰ বিষয়ে নদ্ৰাঙৰ কাঠৰ টুকুৰাত বহি আলোচনা কৰে। 'নদ্ৰাং' হ'ল ডেকাসকলৰ ৰাতি শোৱা ঘৰ, য'ত বহি গঞাই গাঁৱৰ সমস্যাৰ বিষয়ে আলোচনা কৰে।

ইয়াৰ বাহিৰেও ডেকা-গাভৰুসকলে বাৰ্ষিক একাধিক দিন হাজিৰা হিচাপত শ্ৰমদান দিয়ে। এনেধৰণৰ শ্ৰমদানবোৰ হৈছে, কৃষিতলীত মাটি চহোৱা, শস্য তোলা, শস্য কঢ়িওৱা, ঘৰ সজা, গাঁৱৰ আলি-পদূলি নিৰ্মাণ, বন নিৰোৱা, খেৰ কটা, খৰি কটা

আৰু কড়িওৱা ইত্যাদি। এনেদৰে সমূহীয়া প্ৰথাৰে কাম কৰি পোৱা অৰ্থবোৰ বিহু উপলক্ষে খৰচ কৰিবৰ বাবে সাঁচে।

নভঙা, কোমোৰাকটা, লংকা আদি ভৈয়াম অঞ্চলত বসবাস কৰা ডিমাচাসকলে তিনিটা বিহু পাতে, যেনে ঃ ব'হাগ বিহু (বাঈশাগী বিচু), মাঘ বিহু আৰু কাতি বিহু (গাড্ডী বিচু)। তেওঁলোকে সংক্ৰান্তিক 'সাঁংগজোৰা' বোলে। অসমীয়াৰ দৰে চ'তৰ সাঁংগজোৰা, পুহ মাহৰ সাঁংগজোৰা আৰু আহিন মাহৰ সাঁংগজোৰাৰ দিনা বিহুৰ পাতনি মেলে। এই তিনিটা বিহুৰ ভিতৰত ব'হাগ বিহুৱেই বসন্তকালীন উৎসৱ।

অতীতত ডিমাচাই কাতি বিহুৰ দিনা হেৰেমডী বা 'হেড়েম্বেশ্বৰী', চাণ্ডী বা ৰণচণ্ডী আদি দেৱীক আদ্যাশক্তিৰূপে পূজা এভাগি আগ কৰিছিল। এই পূজাত নৰবলি হৈছিল। নৰবলি দিয়াৰ দিনা পুৰুষ আৰু মহিলাই 'গেৰবা' পালন কৰিব লাগিছিল। ডিমাচা ভাষাত ইয়াৰ অৰ্থ হৈছে গেনা পালন কৰা, অৰ্থাৎ কেতবোৰ নিষিদ্ধ কাৰ্যৰ পৰা বিৰত থকা। সেইদিনা তেওঁলোকে পৰিয়ালৰ বয়োজ্যেষ্ঠজনৰ গৃহলৈ যায়। বৃদ্ধগৰাকীয়ে তেওঁলোকক নিজ নিজ বংশলতাৰ বুৰঞ্জীৰ কথা কয়। ক্ষেত্ৰ অধ্যয়ন কৰোতে এনেধৰণৰ বুৰঞ্জীবিদ লেখকৰ দ্বাৰা উত্তৰ কাছাৰ আৰু কাছাৰ জিলাত লগ পোৱাৰ সৌভাগ্য ঘটিছিল।

ডেকা-গাভৰু, কিশোৰ-কিশোৰীসকলে মান্যলোকক সেৱা কৰি মঙল-আশীৰ্বাদ লয়। তেওঁলোকে মান্যসকলক 'জু' আৰু ভজা মাংসৰে আপ্যায়িত কৰে।

ডিমাচাসকলৰ ব'হাগ বিহু পালনৰ উদ্দেশ্য হ'ল, নৱবৰ্ষক আদৰণি জনোৱা আৰু গোটেই বছৰটোৰ বাবে মংগল কামনা কৰা। তেওঁলোকে ব'হাগ বিহুৰ প্ৰথম দিনা নৰসিংহ, লাইজাবৰি, হেলচী, চাঙেৰী, মছন্দৰী, বৰমানিমুনি আদিৰে বাৰবিধ শাকৰ আঞ্জা প্ৰস্তুত কৰি খোৱাৰ প্ৰথা আছে। এনেধৰণৰ আঞ্জাই কুৰিবিধ ৰোগ নাশ কৰে বুলি তেওঁলোকে বিশ্বাস কৰে।

বিহুত চিৰা (ৰংটেপ), কড়াইগুড়ি (ৰীয়াউ), আখৈ (আখিবুবাৰ), মুৰি (আখি), পিঠা (হন), বৰাভাত (মাইব্ৰেং) আদি অনেক বস্তু খোৱাৰ ৰীতি আছে। বিহুৰ আৰম্ভণিৰ পৰা পঠা, খাহী, কুকুৰা চৰাই, হাঁহ, পাৰ আৰু ঘৰুৱা মদৰ যোগাৰ কৰে। সংগৃহীত জীৱ-জন্তুবোৰ সাই-শিব্ৰাইৰ নামে উছৰ্গা কৰি, তাৰ মাংস কাটি-বাছি ভাজি প্ৰসাদৰূপে গ্ৰহণ কৰে। বিহুৰ দিনকেইটাত কোনো অসুখ-অশান্তি নহ'বৰ বাবে ব্ৰাই-শিব্ৰাইক প্ৰাৰ্থনা জনোৱা হয়। তেওঁলোকৰ মানত ব্ৰাই-শিব্ৰাই হৈছে সৃজন, পালন আৰু সংহাৰ কৰোতা স্বয়ং ভগৱান।

তেওঁলোকে মাঘ বিহুৱেই হওক বা ব'হাগ বিহুৱেই হওক, বৰাচাউলৰ ঘিলাপিঠা, তিলপিঠা আদি প্ৰস্তুত কৰি তাৰ দ্বাৰা অতি আপোনজনক আপ্যায়িত কৰাটো বৰ গৌৰবৰ কথা বুলি ভাবে। ডেমেৰা আৰু ডিজোৱা এলেকাৰ ডিমাচাৰ বাদে আন ঠাইৰ ডিমাচাই সান্দহ খুন্দিব নাজানে।

ডিমাচাই ব'হাগৰ বিহুত নাচে আৰু আনন্দত মতলীয়া হয়। ডেকা-গাভৰুসকলে 'বৈধদমা', 'আওহাইবাণী', 'বাইখন', 'বাইমাই যায়' আদি নৃত্য অংগি-ভংগিৰে নাচে আৰু ঢোল, মৰী বা মুৰী আদি পৰম্পৰাগত বাদ্য বজায়। বিহুৰ সময়ত ওচৰৰ গাঁৱৰ পৰা দৰ্শকসকল আহি বিহুতলীত গোট খায়হি। বয়সস্থ লোকে কথোপকথনৰ শৈলীত গীত (দোহা) গাই সকলোকে আনন্দ দিয়ে। বিহু নাচৰ সময়ত বয়সিয়ালসকলে বোৱাৰী কৰি আনিবৰ বাবে ছোৱালী চাবলৈ সুযোগ পায়। বিহুৰ অন্তত ডেকা-গাভৰুসকলৰ বিয়াৰ বতৰ আহি পৰে। সেয়ে বিহুনাচত পছন্দ কৰা, ছোৱালীৰ ৰূপ-গুণৰ লগত মিল হ'লে ডেকাৰ অভিভাৱকে গাভৰুৰ অভিভাৱকক বিয়াৰ প্ৰস্তাৱ আগবঢ়ায়। অৱশ্যে প্ৰস্তাৱ গ্ৰহণ কৰিলেহে বিয়াৰ আয়োজন কৰে।

উত্তৰ কাছাৰৰ ডিমাচাই বিষু উছৱ সাধাৰণতে তিনি বা পাঁচ বা সাতদিনীয়াকৈ পালন কৰে। উছৱৰ দিনকেইটা বিযুৰীয়া হ'ব লাগে। তিনি বা পাঁচ দিন ব্যাপি পতা বিষুক 'চুৰেম' আৰু সাতদিনীয়াকৈ উদ্‌যাপন কৰা বিযুক 'হাংচেউ-মানাউৰা' বোলে।

ডিমাচা ভাষাত হাংচেউ শব্দৰ অৰ্থ হৈছে যুৱকৰ দল। এই শব্দটো জেমী-নগা ভাষাৰ পৰা আহিব পাৰে। অতীতত হেড়ম্ব ৰাজ্যৰ ৰজাই, জেমী-নগাৰ কন্যা এগৰাকীক বিয়া কৰাইছিল। এইগৰাকী ৰাণীয়ে ডিমাচা যুৱকৰ দল (হাংচেউ) এটিক কহিমাত জেমী-নগাৰ কৃষ্টিবোৰ শিকিবলৈ পঠাইছিল। ডিমাচাসকলৰ 'হাউবা', 'বাগউবা' আদি উছৱ ইয়াৰেই ফল বুলিব পাৰি।

উত্তৰ কাছাৰৰ ডিমাচাই এই বিষুৰ বাবে এবছৰৰ পূৰ্বৰ পৰাই অৰ্থ সংগ্ৰহৰ ব্যৱস্থা কৰে। অৰ্থ সংগ্ৰহৰ পদ্ধতিবোৰ পূৰ্বতে উল্লেখ কৰি অহা বিধৰ।

উছৱৰ দিন চমু চাপি অহাৰ লগে লগে গাজাইবাওৰ চোতালত ৰাইজ বহি বিষু উদ্‌যাপন কেনেকৈ কৰিব আৰু কামৰ দায়িত্বভাৰ অৰ্পণ কৰাৰ বিষয়ে আলোচনা কৰে। সেই আটাইকেইদিন উৰলত (চাম থ) ধান খুন্দি চাউল উলিয়াই জুডিমাত থয়। উছৱত খাবলৈ লাগে ৫-৬ কুইণ্টল চাউলৰ মদ। 'জু'ৰ অনুপাতে মাছ-মাংসও সংগ্ৰহ কৰে। ওচৰ-চুবুৰীয়া গাঁৱৰ পৰা নিমন্ত্ৰিত অতিথিক অভ্যৰ্থনা জনাবৰ বাবেই খাদ্য-সামগ্ৰী উভৈনদীকৈ সংগ্ৰহ কৰা হয়। মদ-মাংসৰ বাহিৰেও তেওঁলোকক বিষুৰ আটাইকেইদিন ভোজ-ভাত খুওৱাৰ সুন্দৰ প্ৰথা আছে।

তেওঁলোকে এই উছৱত ম'হ বলি দিয়ে। কাটিবলগীয়া ম'হটো এমাহৰ আগৰ পৰাই ঘাঁহ-পানী খুৱাই, তেল-টেঙা ঘঁহি বৰ আদৰত ৰাখে। উছৱ উদ্‌যাপনৰ প্ৰায় দুসপ্তাহৰ আগতে ম'হটো এখন তোৰণৰ (ফাংস্লা) তলেদি বিধিবদ্ধ প্ৰণালীৰে সৰকাই গাজাইবাওৰ চোতাললৈ নিয়াৰ ৰীতি আছে। গাজাইবাওৰ চোতালত থকাকেইদিন ডেকা-গাভৰুসকলে খুৱাই-ধুৱাই ম'হটো নিপোটল কৰি ৰাখে।

ডিমাচাৰ ফাংস্লাখনৰ কাৰুকাৰ্য শলাগিবলগীয়া। এনে ফাংস্লা নিৰ্মাণ কৰিবলৈ কমেও দহজন ডেকাৰ সাত দিন সময়ৰ প্ৰয়োজন। ফাংস্লা গাঁৱৰ ভিতৰলৈ সোমোৱা

পথত নিৰ্মাণ কৰে। ইয়াৰ তলেদি ম'হটো পাৰ কৰাৰ দিনা ফাংস্লাৰ সন্মুখত ডেকা-গাভৰুসকলে হিয়া উবুৰিয়াই নাচে আৰু বাদ্যযন্ত্ৰসমূহ বজাই দশোদিশে উছৱৰ আগজাননী দিয়ে। নাচৰ অন্তত ৰীতি-নীতিৰ মাজেদি ম'হটো সৰকোৱা হয়। ইয়াৰ গূঢ়াৰ্থ হৈছে নৱবৰ্ষক আৰু ম'হটোক আদৰণি জনোৱা। ইয়াৰ অন্তত ডেকা-গাভৰুসকলে ম'হটোৰ পিছে পিছে গৈ গাজাইবাওৰ চোতালত নাচে। একপ্ৰকাৰ এই নাচে বিযু উছৱৰ আগবতৰা দিয়ে।

বিষুৰ আৰম্ভণিৰ দিনাই ম'হটো বলি দিয়ে। এনে কাৰ্যক ডিমাচাই 'ছাটাইবা' বোলে। ইয়াৰ অন্তত এটা বা একাধিক গাহৰি আৰু কুকুৰা চৰাই বলি দি যথাবিহিত প্ৰথাৰে বিষুৰ পাতনি মেলে। বলি দিয়া পশু-পক্ষীৰ মাংস ভোজত লগায়। ভোজ-ভাত ৰান্ধি শেষ হ'লেই ডেকা-গাভৰুসকলে গাঁওবুঢ়াৰ ঘৰলৈ গৈ বিষু উছৱ আৰম্ভ হ'ল বুলি অৱগত কৰে। ইয়াৰ অন্তত ৰং-ৰহইচৰ মাজেদি ভোজ-ভাত খোৱা পৰ্ব আৰম্ভ হয়। প্ৰথমে বয়স্কসকলক আৰু দ্বিতীয়তে ল'ৰা-ছোৱালীবোৰক ভোজ-ভাত খুওৱা হয়। সকলোকে খুৱাই-বুৱাই সন্তোষ দিয়াৰ পিছত ডেকা-গাভৰুসকলে ভোজ-ভাত খায়। অৱশ্যে ভোজ-ভাতৰ লগে লগে চুঙাত মদ দিয়ে। ডিমাচাৰ বিষুত মদ নহ'লেই নহয়।

ভোজ-ভাত খোৱাৰ শেষত খ্ৰাম, মৰী বা মুৰী, মড়ীছা, সুফীন আদি বাদ্যযন্ত্ৰসমূহ বজাবলৈ আৰম্ভ কৰে। উছৱৰ আটাইকেইদিন ডেকা-গাভৰুসকলে পাল পাতি পাতি ভোজৰ ভাত-আঞ্জা ৰন্ধা আৰু অতিথিসকলক ইয়াৰেই অভ্যৰ্থনা জনোৱাত ব্যস্ত থাকে। অতিথিক অভ্যৰ্থনা জনোৱা আৰু অন্যান্য কামত কোনো আউল লগা দেখা নাযায়।

আনফালে বিহুতলীত ডেকা-গাভৰুসকলে কেইবাটাও ভাগত ভাগ হৈ নাচে। এটা দলৰ নাচি ভাগৰ লাগিলে আন এটি দলে সেই ঠাই পূৰ কৰে। গাজাইবাওৰ চোতালত নাচি থকা সময়ত গাজাইবাওৰ ঘৰৰ ভিতৰত বহি বুঢ়া-বুঢ়ীসকলে গীতৰ মাধ্যমেদি তৰ্কাতৰ্কি কৰে। বয়োজ্যেষ্ঠসকলে চোতালত বহি নৃত্য-গীত চাই মনত বৰ আনন্দ পায় আৰু মাজে মাজে শিল্পীসকলক উৎসাহ-উদ্দীপনা দি থাকে।

বিষুৰ দ্বিতীয় দিনাৰ বৈশিষ্ট্য হৈছে মান্যজনক মান ধৰি সেৱা-সৎকাৰ কৰা। অবিবাহিত ডেকা-গাভৰুসকলে মান্যজনক ঘৰত বৈ-কাটি লোৱা কাপোৰ দিয়ে আৰু সৰু লাউৰ খোলাত জু-ডি খাবলৈ অনুৰোধ কৰি সন্মান জনায়। এয়ে ডিমাচাসকলৰ 'বিযুওৱা'। সেয়ে বিহুৰ দ্বিতীয় দিনক 'বিযুমা' বোলে। বিষুমাত বিগত বছৰটোত মৃত্যু হোৱা ব্যক্তিসকলৰ আত্মাৰ কুশলৰ অৰ্থে জু-ডি আৰু ভাত-আঞ্জা উছৰ্গা কৰে। এনেদৰে মৃতকক খাদ্য দিয়া পদ্ধতি 'তাই জনগোষ্ঠী' সমাজতো প্ৰচলিত।

মৃতকক খাদ্য দিয়া অনুষ্ঠানৰ অন্তত জীৱিত আৰু মৃত ব্যক্তিসকলৰ মাজত থকা সম্বন্ধ চিৰকালৰ বাবে ছিঙি যায় বুলি বিশ্বাস প্ৰচলিত থকা দেখা যায়। সেই

দিনাও প্ৰথম দিনাৰ দৰে বৰভোজ পাতি গঞা আৰু আলহী-অতিথিক আপ্যায়িত কৰে। ধনীঘৰেও ব্যক্তিগতভাৱে যিমান পাৰে সিমান জু-ডি, ভজা মাংস আৰু অন্যান্য খাদ্যবস্তুৰে ৰাইজক আপ্যায়িত কৰে। ইয়াৰ মাধ্যমেদি ধনীয়ে নিজৰ প্ৰতিপত্তি সমাজত বিস্তাৰ কৰিবলৈ সক্ষম হয়।

খোৱা-বোৱাৰ অন্তত ডেকাসকলে নদ্ৰাঙৰ সন্মুখত দীঘল জাঁপ, ওখ জাঁপ, গধুৰ শিল দলিওৱা, দৌৰ মৰা, ৰুমুননেবা আদি বিভিন্ন খেলৰ প্ৰতিযোগিতা পাতে। অৱশ্যে ছোৱালীবোৰে এনে প্ৰতিযোগিতাত অংশগ্ৰহণ নকৰে। প্ৰতিযোগিতাৰ শেহত প্ৰতিযোগীসকলে গাঁওবুঢ়াৰ (কুনাঙ) ঘৰলৈ গৈ পুৰস্কাৰ বিচাৰে। কুনাঙে বিজয়ী লোকক জু-ডিৰে আপ্যায়িত কৰে আৰু নগদ ধনৰে পুৰস্কাৰ দিয়ে। সেইদিনা গধূলি হোৱাৰ লগে লগে নাগা আৰু মাটলাসকলৰ মাজত নৃত্য-গীত আৰু বাদ্যযন্ত্ৰসমূহৰ প্ৰতিযোগিতা আৰম্ভ হয়।

দ্বিতীয় দিনাৰ দৰে তৃতীয়, চতুৰ্থ, পঞ্চম আৰু ষষ্ঠ দিনাও ভোজ-ভাত, মদ আৰু মাংসৰ সুব্যৱস্থা কৰে। প্ৰতিদিনেই ভোজ-ভাত খোৱাৰ পিছত ডেকা-গাভৰুসকলে নিতৌ নৃত্য-গীতত অংশগ্ৰহণ কৰি গাঁওখন আনন্দমুখৰ কৰি তোলে। বিষুৰ শেহৰ দিনা অৰ্থাৎ সপ্তম দিনা 'গৰবা' নামে এটি অনুষ্ঠান পালন কৰে। 'গৰবা' শব্দৰ অৰ্থ হৈছে সমূহীয়াকৈ পূজা এভাগ আগবঢ়োৱা।

ডিমাচাসকলে বিশ্বাস কৰে যে বিষুৰ সময়ত গাঁৱৰ বাহিৰৰ পৰা কোনো মানুহ গাঁৱত প্ৰৱেশ কৰিলে, গাঁও অপৱিত্ৰ হয়। সেয়ে গাঁওখনৰ পৱিত্ৰতা ৰক্ষা কৰিবলৈ 'গৰবা পূজা' পাতে। পূজাৰ দিনা গাঁৱলৈ অহা-যোৱা পথ সাময়িকভাৱে বন্ধ থাকে। আনকি কোনো মানুহক গাঁৱৰ পৰা বাহিৰলৈ যাবলৈও দিয়া নহয়। এনেকৈ বিষু উছৱৰ সামৰণি পৰে। ইয়াৰ অন্তত গাঁৱৰ প্ৰৱেশ পথ মুকলি কৰি দিয়া হয় আৰু গাঁৱৰ মানুহে ন-উদ্যমেৰে কৃষিকৰ্মত মন মেলে।

দেওধনী নৃত্য ঃ

ডিমাচাই গাঁৱত মহামাৰী বা অপায়-অমংগল হ'লে দেওধনী (ফাত্ৰী) জঁকায়। এনেধৰণৰ দেওধনী জঁকোৱা প্ৰথা মংগোলীয়সকলৰ সমাজত পৰম্পৰাগতভাৱে চলি আহিছে। ফাত্ৰী জঁকোৱাৰ আগতে পূজাৰীয়ে বেদী সাজে। বেদীত আকৌ কলপাত পাৰি ঘৰুৱা মদ (জুমায়), তামোল-পাণ, কল আৰু পিঠাগুড়ি স্থাপন কৰে।

ইয়াৰ অন্তত ফাত্ৰী জঁকাবৰ বাবে প্ৰথমে নিৰ্দিষ্ট বোলত ঢোল (খ্ৰাম) আৰু পেঁপা (মুৰী) বজায়। আগলি কলপাতত বহি থকা ফাত্ৰীগৰাকী লাহে লাহে কঁপিবলৈ ধৰে। ডিমাচাসকলে বিশ্বাস কৰে যে ফাত্ৰী জঁকাৰ কিছু সময়ৰ পিছতেই ফাত্ৰীৰ গাত দেও লম্ভে। দেও লম্ভাৰ লগে লগে ফাত্ৰীয়ে চাৰিওদিশে মূৰ লৰায় আৰু দীঘল চুলিকোছাৰে নিজৰ গাত কোবাবলৈ ধৰে। ফাত্ৰীয়ে হাতত দা এখন লয় আৰু হাত

জোকাৰি জোকাৰি তাণ্ডৱ নৃত্য প্ৰদৰ্শন কৰে। ফাত্ৰীৰ এগৰাকী সহকাৰিণীও থাকে। ফাত্ৰীয়ে তাণ্ডৱ নৃত্য কৰাৰ সময়ত সহকাৰিণীজনীয়ে ফাত্ৰীলৈ ভাওলা কুকুৰা চৰাই দলিয়াই দিয়ে। ফাত্ৰীয়ে কুকুৰাটো থপিয়াই ধৰি টেঁটু মুচৰি ছিঙি তেজ পিয়ে।

সাধাৰণতে ফাত্ৰীগৰাকী মহিলা হ'ব লাগে। ইয়াৰ অন্তত সহকাৰিণীগৰাকীয়ে ফাত্ৰীক তেওঁৰ উদ্দেশ্যে আগবঢ়োৱা নৈৱেদ্যখনি ৰীতি-নীতি মতে সজাব পাৰিছে নে নাই চাবলৈ প্ৰাৰ্থনা কৰে। তেতিয়া ফাত্ৰীয়ে চাৰিওদিশে এবাৰ চাই নৈৱেদ্যখনিলৈ এবাৰ চকু ফুৰায়। নৈৱেদ্যবোৰ যথাবিহিত প্ৰথামতে সজোৱা দেখিলে ফাত্ৰীয়ে কোনোধৰণৰ বাহ্যিক আচৰণ প্ৰকাশ নকৰে। যদি নৈৱেদ্য ৰীতিমতে সজোৱা দেখা নাপায়, তেতিয়া তেওঁ মাটিত এগোৰ শোধাই চেতনাহীন হৈ পৰে। এনে সময়ত ফাত্ৰীৰ নৃত্যৰ লগত সংগত কৰা বাদ্যবোৰ খন্তেক সময়ৰ বাবে বন্ধ হৈ যায়।

পূজাৰীৰ প্ৰাৰ্থনামতে পুনৰ ফাত্ৰী জঁকোৱা কাৰ্য আৰম্ভ হয়। কিছু সময়ৰ পিছত ফাত্ৰীয়ে চেতনা ঘূৰাই পালে জীৱ-জন্তুৰ অবিকল মাত মাতিবলৈ ধৰে। সাধাৰণতে ফাত্ৰীৰ গাত যি দেৱে লম্ভে সেই দেওৰ মাত অনুকৰণ কৰি তেওঁ মাত মাতে। টেলেংগা দেৱে লম্ভিলে হলৌবান্দৰৰ লেখীয়া মাত; ঘোঁৰা হ'লে হিঁ-হিঁ, ফেৰুৱা হ'লে ফেউ-ফেউ, হাতী হ'লে হোঁকৰে, ভালুক হ'লে হোক-হোকায় আৰু সিংহ হ'লে গোঁজৰণি মাৰে।

ইয়াৰ অন্তত ফাত্ৰীগৰাকীক সহকাৰিণীয়ে যিকোনো প্ৰশ্ন সুধিব পাৰে। ফাত্ৰীয়ে উত্তৰসমূহ এটি এটিকৈ দি যায়।

ডিমাচাসকলৰ যিকোনো মহিলাই ফাত্ৰী হ'ব নোৱাৰে। যিগৰাকীয়ে সপোনত স্বয়ং ব্ৰাই-শিব্ৰাইৰ পৰা আদেশ পায়; তেওঁহে ফাত্ৰী হ'বৰ যোগ্যতা লাভ কৰে। যিকোনো মানুহ ফাত্ৰী হোৱাৰ অন্তত তেওঁ পাতিহাঁহ, ৰাজহাঁহ, চীনাহাঁহ, কুকুৰা চৰাই, পাৰঘূমা, মাছৰোকা, বগলী আদি চৰাই খোৱা নিষেধ। তেওঁ কেৱল পাৰ চৰাইহে খাব পাৰে। তেওঁ নিজে কঢ়িয়াই নিয়া বাচনতহে ৰন্ধা-বঢ়া কৰি খোৱাৰ ৰীতি আছে। পুৰুষ ফাত্ৰী হ'লে দাড়ি-চুলি খুৰোৱা নিষেধ; আন মানুহৰ লগত স্পৰ্শ কৰা উভয়বিধ ফাত্ৰীৰে বাধা আছে, শোৱা আৰু বহাৰ ক্ষেত্ৰতো আনে ব্যৱহাৰ কৰা আসন বা শেতেলিত বহা বা শোৱা নিষেধ।

ডিমাচাই ফাত্ৰী জঁকাইচ জণ্ঠাই আৰু দাইয়াঃ নিৰ্বাচন কৰে। অতীতত ডিমাচাৰ মাজত বেদী সজা প্ৰথাৰ প্ৰচলন নাছিল। জণ্ঠাই আৰু দাইয়াঃ সৃষ্টিৰ দিনৰ পৰা বেদী সজা পৰম্পৰা সৃষ্টি হোৱা বুলি বিশ্বাস কৰা হয়। জণ্ঠাই আৰু দাইয়াঃই যজমানিৰ পালনীয় ৰীতি পালিব নোৱাৰিলে দেৱ-দেৱীসকল অসন্তুষ্ট হয়। তেতিয়া ৰাইজে ফাত্ৰী জঁকায় আৰু তেওঁৰ মুখৰ পৰা নতুনকৈ জণ্ঠাই আৰু দাইয়াঃ নিৰ্বাচিত কৰে।

ডিমাচাৰ দেওধনী নৃত্যত খ্ৰামৰ বোল এনেদৰে দিয়ে, যথা—

কিটিন্ টিন্ কিটিন্
টিন্ কিটিন্ টিন্
টিন্ টাও কিটিন্
টিন্ কিটিন্ টিন্
টিন দাও টিন্ দাও টিন্
টিন্ কিটিন্ টিন্।

ডিমাচাই 'মংৰাং' দেৱতাক ব্ৰাই-শিব্ৰাইৰ পুত্ৰ গণেশ বুলি মানে। 'টেলেংগা' আৰু 'ডিয়ালাউ' গণেশৰ ভ্ৰাতৃদ্বয়। তেওঁলোকৰ সমাজত গণেশ বাবাক পূজা দিলে তেওঁৰ ভ্ৰাতৃদ্বয়কো পূজিব লাগে। সেয়ে ফাত্ৰী জঁকোৱাৰ আগতে মংৰাং, টেলেংগা আৰু ডিয়ালাউ দেৱতাৰ অৰ্থে যথাক্ৰমে এঘাৰ, ন আৰু সাথখন বেদী সাজে, প্ৰতিখন বেদীতেই কলপাত পাৰি জুমায়, তামোল-পাণ, কল আৰু পিঠাগুড়ি স্থাপন কৰে।

দেওধনীয়ে নিজৰ মন-প্ৰাণ দেৱতাৰ সৈতে একীভূত কৰি নৃত্য কৰে। দেৱতাই যেন ভয়ত নিজৰ সমস্ত শক্তি প্ৰয়োগ কৰি দেওধনীৰ গাত ৰন্ধ্ৰে ৰন্ধ্ৰে প্ৰৱেশ কৰে। দেওধনী যেন দেৱতালৈ ৰূপান্তৰিত হয়। দৈৱিক শক্তিয়ে প্ৰৱেশ কৰাত দেওধনীয়ে নৃত্যৰ অংগি-ভংগিৰ মাধ্যমেদি অস্বাভাৱিক স্বৰূপ এটি প্ৰকাশ কৰে। তেওঁ যেন দৈৱিক শক্তিৰ দ্বাৰা নিয়ন্ত্ৰিত। ইয়াৰ যোগেদি পৃথিৱী কেনেকৈ ৰজস্বলা হ'ল, সন্তান কামনা কৰিলে, কুমাৰী পৃথিৱী সন্তানসম্ভৱা হ'ল, মাতৃত্বৰ অসম্ভৱ যন্ত্ৰণা ইত্যাদি অপৰূপভাৱে এই নৃত্যত পৰিস্ফুট হৈছে।

ৰণনৃত্য (বাইজাবা) ঃ

ৰণনৃত্যৰ বিষয়ে জনাৰ আগতে ডিমাচাসকলৰ ডেকাচাং (নদ্ৰাং)ৰ বিষয়ে জনা আৱশ্যক। অতীতত ডিমাচা তথা অন্যান্য জনজাতিসকল ক্ষুদ্ৰ ক্ষুদ্ৰ গোটত বিভক্ত আছিল। আৰু এনে ক্ষুদ্ৰ ক্ষুদ্ৰ গোটৰ মাজত প্ৰায়েই অন্তঃকলহৰ সৃষ্টি হৈছিল। যেতিয়া কিবা কাৰণত এটা গোটৰ মাজত অন্তঃকলহৰ সৃষ্টি হৈছিল, তেতিয়া বিপক্ষ গোটে তেওঁলোকক আক্ৰমণ কৰে। এই আক্ৰমণ প্ৰতিহত কৰিবৰ বাবে ডেকা ল'ৰাবোৰে গাঁওখনৰ প্ৰতিৰক্ষক হিচাপে থিয় দিয়ে। সেইবাবে ডেকাসকল 'নদ্ৰাঙ'ত ৰাতি থাকে। কেতিয়াবা শত্ৰুৱে গাঁও আক্ৰমণ কৰিলে এই ডেকাসকলে গঞাক তুৰন্তে গৈ খবৰ দিছিল। গঞাই পলাবলৈ সুযোগ নাপালে হাতত অস্ত্ৰ-শস্ত্ৰ লৈ ৰণক্ষেত্ৰত প্ৰৱেশ কৰিছিল। অধুনা শত্ৰুৰ আক্ৰমণ নাইকিয়া হ'ল যদিও ইয়াৰ স্মৃতি ৰোমন্থন কৰিবৰ বাবে 'বাইজাবাৰ' আয়োজন কৰে।

ডিমাচাৰ বাইজাবাত শিল্পীসকলে দুটা দলৰ মাজত যুদ্ধ কৰি দেখুৱায়। প্ৰতিটো দলত কমেও ৭-১২ জনলৈকে শিল্পী থাকে। শিল্পী ৰণুৱাসকলে ডিমাচাৰ জাতীয় সাজপাৰ পৰিধান কৰে। ভৰিৰ কলাফুল ঢকাকৈ ধুতী, মূৰত পাগুৰি মাৰি পিছফালে

দীঘল নেজ ওলোমাই লয়। ওভোতা কোটৰ দৰে এবিধ চোলা (ছলাহুলাউ) অতীতত পিন্ধিছিল। অধুনা কামিজ পৰিধান কৰে। ৰণনৃত্যৰ অনুষংগত ঢোল আৰু পেঁপাৰ ব্যৱহাৰ লক্ষ্য কৰিব পাৰি। শিল্পীসকলে সোঁহাতত যাঠি বা জোং আৰু বাওঁহাতত ম'হৰ ছালৰ ঢাল লয়। বাদ্যৰ বিভিন্ন ছেৱত অংগি-ভংগি কৰি কৌশলপূৰ্ণভাৱে ৰণ কৰে। উভয়ে উভয় পক্ষক আক্ৰমণ কৰা আৰু নিহত কৰাৰ ভাও দেখুৱায়। এনে নৃত্য ৰাংচু, নক্টে, আদি, কাৰ্বি, তিৱা আদি জনজাতিৰ মাজতো কম-বেছি পৰিমাণে দেখা যায়। ডিমাচাৰ বাইজাবাত নৃত্যৰ লয়লাসৰ অভাৱ যদিও ৰণকৌশলৰ দক্ষতা আৰু গতিবেগ স্পষ্ট।

বিহুনাচ ঃ

আদিম মানুহৰ সন্তান জন্ম দিয়া আৰু শস্য উৎপাদনতেই আছিল প্ৰবল স্পৃহা। সন্তান জন্মৰ পিছত মানুহক জীয়াই থাকিবলৈ লাগে আহাৰ। আহাৰ নহ'লে কোনো প্ৰাণী জীয়াই থাকিব নোৱাৰে। অত্যাধিক আহাৰ উৎপাদনৰ বাবে প্ৰয়োজন ব্যক্তিগত আৰু সামূহিক শক্তিৰ। এই ব্যক্তিগত আৰু সামূহিক শক্তিয়ে য'ৰ পৰা আহাৰ উৎপাদন কৰিছিল সেয়ে আছিল ধৰিত্ৰী; যাক তেওঁলোকে এগৰাকী নাৰীৰূপে অভিহিত কৰিছিল। নাৰীৰ দৰে ধৰিত্ৰীৰ দেহতো সন্তান (ফল, ফুল, শস্য আদি) জন্ম দিব পৰা আচৰিত শক্তি নিহিত হৈ আছে। এনেধৰণৰ শস্য-মৎস্য উৎপাদনৰ বাবে আদিম যুগৰ মানুহে মুকলি ঠাইত, যৌৱনপ্ৰাপ্ত ডেকা-গাভৰুসকলে মুকলি মনে নাচিছিল আৰু বাদ্য বজাইছিল।

মুকলি ঠাইত নচা বিহুনাচ আৰু ঢোলৰ উত্তেজক ছেৱে তথা অংগি-ভংগিয়ে যৌন পৰিৱেশ আৰু গীত বা মুৰী আদিৰ সুৰে যৌন কামনা-বাসনাৰ বাবে আকুল আহ্বান জনায়। সেয়ে ঢোলৰ মাততো শস্যৰ উৰ্বৰা শক্তি বৃদ্ধি হয় বুলি বিশ্বাস প্ৰচলিত হৈ আছে। কোনোৱে ঢোল বজোৱা বাৰিক জননাংগ বুলি বিশ্বাস কৰে। এইবোৰ বিশ্বাস ডিমাচা বিহুনাচ আৰু বাদ্যযন্ত্ৰৰ প্ৰসংগতো প্ৰযোজ্য।

ডিমাচাসকলৰ বিহুনাচ সকলো ঠাইতে একে নহয়। ডিজোৱা অঞ্চলত প্ৰদৰ্শন কৰা গুটি সিঁচা (হাদুবানী), মৰণামৰা নাচ (মাইনাও বানী) অতি চমৎকাৰ। উত্তৰ কাছাৰত বসবাস কৰা ডিমাচাসকলৰ সমাজত কেইবাধৰণৰো বিহুনাচ আছে, যথা— জাওবা, মাভাইখুলুম্বা, জুবাও লাজৰা আৰু মাজাংডিনী। ডিজোৱা অঞ্চলৰ বিহুনাচৰ সৈতে আন অঞ্চলৰ বিহুনাচৰ সামান্য পাৰ্থক্য আছে। এই অঞ্চলত নচাৰ বেলা বিহুগীত নাগায়, কিন্তু খ্ৰামৰ বোল, মুৰীৰ সুৰ আৰু বীণৰ লহৰতেই তাল মিলাই নাচে। এই অঞ্চলৰ মুৰী আন অঞ্চলৰ মুৰীতকৈ সৰু।

ডিমাচাৰ বিহুনাচত বিশেষকৈ ডেকাই-ডেকাই, গাভৰুৱে-গাভৰুৱে যুৰীয়াকৈ, দুশাৰীকৈ (ৰেনগিনবানী), অৰ্ধবৃত্তাকাৰত (জাওপিনবানী), পাক ঘূৰি ঘূৰি (জাওবানী) আৰু হাত প্ৰসাৰণ কৰি (যাওহাইবানী) নাচে।

সাজপাৰ ঃ

বিহুনৃত্যত অংশগ্ৰহণ কৰা ছোৱালী (মাখলা) শিল্পীয়ে কঁকালৰ পৰা ভৰিৰ সৰু গাঁঠিত পৰাকৈ নীলা পাৰচকুৰা বা সেউজীয়া ৰঙৰ মেখেলা (ৰিগু) পৰিধান কৰে। ৰিগুৰ ওপৰত ৰামধেনুবুলীয়া ৰিহা (ৰিজামফাই) মনোৰমকৈ মেৰিয়াই লয়। ইয়াৰ ওপৰত হালধীয়া ৰঙৰ চুটি চাদৰ (ৰিকাউসা) বুকুত কচিয়াই লয়। তেওঁলোকে হাতত খাৰু, কাণত থুৰীয়া আৰু ডিঙিত সোণ-ৰূপৰ অলংকাৰ পৰিধান কৰে। অকল এয়ে নহয়, তেওঁলোকে সেওঁতা ফালি খোপাও বান্ধে।

নভঙা, কোমোৰাকটা অঞ্চলত আকৌ মাটলাই পিন্ধা 'ৰিগু' হালধীয়া ৰঙৰ। ইয়াৰ তলপাৰিত বিচনী আকৃতিৰ ভমকা ফুল থাকে, বিচনীৰ ওপৰত হাতী বা ময়ূৰ আৰু তাৰ ওপৰত তাল বাদ্য দুহাতে লৈ থকা মানুহৰ প্ৰতীক থাকে। 'ৰিজাম্‌ফাই'খনতো বগা বস্ত্ৰত আধা অংশলৈকে ৰঙীন ফুল (ওপৰত উল্লিখিত) থাকে আৰু আধা অংশত যিকোনো ৰঙেৰে বোলায়। ৰিকাউসাখনো ৰঙীন ফুলেৰে ভৰা। অৱশ্যে ৰিকাউসাখন ইংৰাজী 'ভি' আখৰৰ দৰে ভাঁজ দি বুকুত স্থাপন কৰি তাৰ আগ দুটা উভয় কান্ধেদি নি পিঠিত ওলোমাই লয়।

ডেকা (নাগা) শিল্পীয়ে নীলা বা সেউজীয়া ৰঙৰ পাৰ চকোৰা পাৰি থকা ধুতী, ভৰিৰ সৰু গাঁঠিত স্পৰ্শ কৰাকৈ পিন্ধে। হাত দীঘল বগা চোলা পিন্ধি কঁকালত শুদ্ধ বগা গামোচাৰে (বাছল) টঙালি বান্ধে। এখন বিশেষ ধৰণৰ চাদৰ (জুপাই) বাওঁ কান্ধেদি বুকু আৰু পিঠিৰ ওপৰত পেলাই লয় আৰু দুয়োটা মূৰ সোঁকাষলতিৰ তলত কঁকালত স্থাপন কৰি গাঁঠি দিয়ে। গাঁঠিৰ কিছু তললৈ জুপাইৰ আগ দুটাৰ কিছু অংশ ওলমি থাকে। জুপাইৰ দুয়োফালে আঁচলত বেলেগ বেলেগ ৰং কৰে। তাঁতশালত বওঁতে আঁচলৰ শুচৰত গোটেই সূতাখিনি ছিঙি আন ৰঙৰ সূতা জোৰা দি লয়। বওঁতে জোৰাৰ চিন-মোকাম নাইকিয়া কৰে। ইয়াৰ উপৰি ফুলৰ চানেকী তুলি আকৰ্ষণীয় কৰে। শুদ্ধ বগা কাপোৰেৰে পাগুৰি মাৰে আৰু পাগুৰিৰ নেজ শিল্পীৰ পিঠিৰফালে দীঘলীয়া হৈ পৰি থকে। অৱশ্যে মাঘ বিহু পালন কৰা অঞ্চলত নাগাই নাচত এনে সাজপাৰ পিন্ধা দেখা নাযায়।

ডিমাচাৰ বিহুনাচৰ অংগি-ভংগি আৰু ইয়াৰ লগত পৰিৱেশন কৰা বিহুগীতবোৰ আদিৰসেৰে ৰঞ্জিত। সাজপাৰত ৰিগুৰ ব্যৱহৃত হালধীয়া ৰঙে, মেদিনীৰ গৰ্ভৰ পৰা সোণালী ৰঙৰ শস্য উৎপন্ন কৰা, ৰিখাউচাৰ সাতো ৰঙে আকাশত ৰামধেনু সৃষ্টি, ৰৱষুণ কামনাৰে মেদিনী উৰ্বৰা কৰা আৰু জীৱ-জন্তু-ফুলৰ প্ৰতীকে মেদিনীৰ সন্তান-সন্ততিৰ কথাৰেই ইংগিত দিয়া যেন লাগে।

কাছাৰৰ ডিমাচাসকলে মণিপুৰী কৃষ্টিৰ সদৃশ হোলি নাচ বসন্ত কালতে পাতে।

সোণোৱাল কছাৰীসকলৰ বসন্ত উৎসৱ

বেণু বড়া

ডুমডুমা আৰু ইয়াৰ উপকণ্ঠ অঞ্চল ঘাইকৈ তিনিটা জনগোষ্ঠীৰ বসতি অঞ্চল। ইয়াৰে ভিতৰত সোণোৱাল কছাৰীসকল আৰু মৰাণ-মটকসকল তিব্বত-বৰ্মী জনগোষ্ঠীৰ প্ৰাচীন ভূমিপুত্ৰ; আনহাতে চাহ জনগোষ্ঠীৰ লোকসকল বৰ্তমানে কেৱল ডুমডুমা অঞ্চল বুলিয়েই নহয়, সমগ্ৰ অসমৰ এক বৃহৎ জনগোষ্ঠী। এই তিনিওটা জনগোষ্ঠীৰ জীৱন ধাৰণ প্ৰণালী যিদৰে ৰঙীন আৰু বাৰেৰহণীয়া, সেইদৰে তেওঁলোকৰ সাংস্কৃতিক জীৱনো ৰঙীন আৰু বাৰেবৰণীয়া। অসমৰ বৃহৎ সাংস্কৃতিক জীৱনত এই জনগোষ্ঠীকেইটাৰ বহু সাংস্কৃতিক অভিলেখ অখ্যাত আৰু অজ্ঞাত যদিও সিবিলাক আপোন সৌন্দৰ্যৰে মহীয়ান আৰু গৰিমাময়।

বৰ্তমানে ডুমডুমা জনগণৰ প্ৰাণকেন্দ্ৰত সোণোৱাল কছাৰীসকলৰ বসতি পোৱা নাযায় যদিও সমগ্ৰ ডুমডুমাৰ চৌপাশে সোণোৱালসকলে আদি কালৰ পৰাই বসতি কৰি আহিছে। এই অঞ্চলৰ ৮০-৯০খন গাঁৱৰ ভিতৰত কেৱল ছৈখোৱা (বৰ্তমান শদিয়া) সমষ্টিত প্ৰায় ৪৫% লোকেই সোণোৱাল কছাৰী জনগোষ্ঠীৰ লোক। শদিয়াৰ হালালী ৰাজ্যত সোণোৱালসকলৰ মদন, মাণিকীয়াল আদি ১৪টা বংশই ৰাজত্ব কৰা আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণলৈ ৰাজ্য বিস্তাৰৰ অভিলেখ পোৱা যায়। ১৪টা বংশৰ এই বৃহৎ কছাৰীসকল কেতিয়াৰ পৰা সোণোৱাল নামেৰে পৰিচিত হ'ল সেই বিষয়েও খাটাংকৈ ক'ব পৰা নাযায়। বহুতে সোৱণশিৰি নদীত সোণ কমোৱা বৃত্তিৰ লগত সোণোৱালসকলক জড়িত কৰিব বিচাৰে। এওঁলোকেই হেনো সোৱণশিৰি নদীত সোণ কমাই ৰজাঘৰীয়াক সোণৰ যোগান ধৰিছিল।

আকৌ শদিয়াৰ টেঙাপানী নদীৰ পাৰত বাহৰ পতা কেশদেউ গুৰুৰ ওচৰত কাকবাঁহৰ চুঙাত সোণ পৰীক্ষা কৰি বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰাৰ কাহিনীৰ পৰাও তেওঁলোক সোণোৱাল নামেৰে পৰিচিত হয় বুলি ভবা হয়।

হুগ্ৰা বা মিৰি পহু সোণোৱালসকলৰ এক আদিম লোকনৃত্য। এই নৃত্যৰ লগত সোণোৱালসকলৰ আদিম চিকাৰজীৱী জীৱনৰ ধ্যান-ধাৰণা জড়িত হৈ আছে। সাধাৰণ দৃষ্টিত হুগ্ৰা নৃত্য বিহুৰ লগত জড়িত যদিও ইয়াৰ মটিফটো চিকাৰজীৱী সমাজৰ আদিম জৈৱিক তাড়নাৰ লগতহে সম্পৰ্কযুক্ত। আমাৰ উপৰিপুৰুষসকলে জীৱন নিৰ্বাহৰ বাবে যেতিয়া কেৱল চিকাৰৰ ওপৰতেই নিৰ্ভৰ কৰিবলগা হৈছিল, সেই সময়তো মানুহৰ মাজত আনন্দ-উছৱৰ স্থায়ী ভাবৰ জোৱাৰ প্ৰৱাহিত হৈছিল। সেই

সময়ত মানুহে চিকাৰত পোৱা অভিজ্ঞতা আৰু আনন্দক লগৰ লগৰীয়াৰ লগত অনুকৰণ কৰি আনন্দ লাভ কৰিছিল। আনন্দ-উছৱৰ এই আদিম প্ৰবৃত্তিটো কেৱল সোণোৱালসকলৰ বুলিয়েই নহয়, প্ৰাচীন মানৱ সমাজৰ বিভিন্ন জনগোষ্ঠীৰ মাজতো দেখা যায়। আনকি প্ৰাচীন গ্ৰীকসকলৰ মাজতো চিকাৰৰ অভিজ্ঞতাক লৈ কৰা আনন্দ-উছৱৰ উদাহৰণ আছে। পিছৰ কালত গ্ৰীকসকলৰ এই আদিম চিকাৰজীৱী উছৱৰ মটিফটোৰ পৰাই ট্ৰেজিক আৰু কমিক নাটকৰ জন্ম হৈছে বুলিও বহুতে ভাবে। অৱশ্যে এই লোকনৃত্যৰ লগত গ্ৰীক ট্ৰেজেডীৰ সম্পৰ্ক বহু দূৰণিবটীয়া। গ্ৰীক ট্ৰেজেডীৰ লগত জড়িত ডায়নিচাচ দেৱতাৰ পূজা উপলক্ষে গোৱা ডিমাই ৰাম্ব কোৰাচ গীতবিলাক আৰু সেই দেৱতাৰ পূজা উপলক্ষে ছাগলী দেৱতাৰ চাৰিওকাষে কৰা নৃত্য-গীতত গ্ৰীকসকলৰ আদিম চিকাৰজীৱী জীৱনৰ অভিব্যক্তি প্ৰকাশ পায়।

সোণোৱাল কছাৰীসকলৰ হুগ্ৰা নৃত্যৰ লগত গ্ৰীক ট্ৰেজেডীৰ মিল কোনোপধ্যে মানি ল'ব নোৱাৰি। তথাপি দুয়োটা লোকনৃত্যৰ আদিম মটিফটোত এক দূৰ-দূৰণিৰ মিল অনুভূত হয়।

সাধাৰণতে ব'হাগ বিহুৰ সাদিনৰ আগতে এই নৃত্যৰ আয়োজন কৰা হয়, অনাখৰী সোণোৱালসকলে প্ৰকৃতিৰ পৰিৱৰ্তন, জোনৰ অৱস্থিতি আৰু ঘাইকৈ এটা আহু খেতিৰ পৰা খেতিৰ পথাৰত গহৰা গজা আৰু ধানলৈ লক্ষ্য ৰাখি চ'ত অহাৰ অনুমান কৰি লৈছিল আৰু তেতিয়াই এই নৃত্যৰ আয়োজন কৰিছিল। আগৰ কালত যি ঘৰ গৃহস্থৰ ঘৰত আগৰ বছৰৰ বীজ সামৰা হৈছিল, সেইঘৰ গৃহস্থৰ ঘৰৰ পৰাই বিহুনৃত্য আৰম্ভ কৰিছিল। স্বৰূপাৰ্থত সোণোৱালসকলে হুগ্ৰা নৃত্যৰে বিহু আৰম্ভ কৰিছিল। কিন্তু বৰ্তমান সমূহীয়াভাৱে নামঘৰৰ পৰাই নৃত্য আৰম্ভ কৰে। মিৰি পহু বা হুগ্ৰা ঘাইকৈ চিকাৰ কৰা আৰু চিকাৰ আয়োজনৰ সামূহিক নৃত্য। সোণোৱালসকলে কয় যে বিহুৰ সামগ্ৰী বিচাৰি বিহুৰ সাদিনৰ আগতে চিকাৰ অভিযান কৰা হয়। এই নৃত্য তথা অভিযান (চিকাৰ অভিযান) একেৰাহে সাদিনলৈ চলে। তাৰ পিছতহে বিহু পাতে। আগৰ দিনত চিকাৰত পোৱা শাক-পাচলি, মাছ-পহুৰেহে বিহু পতা হৈছিল। বিহুৰ লগত হুগ্ৰাৰ সম্পৰ্কৰ এই আপাহতে সোণোৱালসকলৰ বিশ্বাস আৰু ধাৰণাক সত্য বুলি ভবাৰ পিছতো এটা কথা মনলৈ আহে— সোণোৱালসকলৰ এই লোকনৃত্যৰ মাজত ঘাইকৈ আদিম মানুহৰ চিকাৰী জীৱনৰ আদিম জৈৱিক মটিফটোহে প্ৰকাশ পায়। অনুমান কৰিব পাৰি যে পৃথিৱীৰ অন্যান্য জনগোষ্ঠীৰ দৰে সোণোৱালসকলেও এসময়ত কেৱল চিকাৰৰ ওপৰত নিৰ্ভৰশীল জীৱিকা বৃত্তিৰ পৰ্যায় এটা অতিক্ৰম কৰি আহিবলগা হৈছিল। মিৰি পহু সোণোৱালসকলৰ সেই আদিম জীৱনৰেই অভিজ্ঞতা।

কছাৰীসকলৰ বিশ্বাস— কছাৰী বীৰ হগ্ৰাৰ নেতৃত্বত এই চিকাৰ অভিযান চলোৱা হৈছিল। কোৱা বাহুল্য যে হগ্ৰাক কছাৰীসকলৰ সকলো বীৰ আৰু ব্যক্তিৰ ভিতৰত শ্ৰেষ্ঠ বুলি ভবা হয়। কছাৰীসকলৰ এটা বংশক নৰকাসুৰ তথা কুম্ভবীৰৰ পৰিনাতি বা হগ্ৰা নৃত্যত হগ্ৰাল বংশৰ প্ৰাধান্যক লৈ আন এক বেলেগ ধৰণৰ জনশ্ৰুতিও শুনা যায়, কছাৰীসকলে এসময়ত কেঁচাইখাতী বা বুঢ়া-বুঢ়ী আদি শালত নৰবলি দিছিল। কিন্তু পিছৰ কালত নৰবলিৰ ঠাইত গাহৰি বলি দিয়া হৈছিল। বহুতে ভাবে, বলিৰ বাবে হাবিত গাহৰি বিচৰাৰ অভিযানটোৱেই হগ্ৰা নৃত্য। বহুতৰ বিশ্বাস— হগ্ৰা বা হগৰা শব্দৰ অৰ্থ গাহৰি। পূজাৰ বলিৰ বাবে গাহৰি বিচৰা এই নৃত্য-গীতত হগ্ৰাবীৰে গাহৰিৰ জাঁপ ধৰি নৃত্য কৰে। কিন্তু আন কিছুমানৰ মতে মূল চিকাৰীজনহে হগ্ৰাবীৰ। হগ্ৰাবীৰৰ নেতৃত্বত এই নৃত্য অনুষ্ঠিত হয় বাবেই ইয়াৰ নাম হগ্ৰা নৃত্য হয়।

গোটেই হগ্ৰা নৃত্যটোত কেইবাজনো লোকে অংশগ্ৰহণ কৰে। গাহৰিৰূপী চিকাৰৰ উপৰিও হগ্ৰাবীৰ চিকাৰী, ডাহা চিকাৰী অৰ্থাৎ প্ৰধান চিকাৰীৰ সহায়কসকল, জাকৈ, খালৈ বা যখ-যখিনী (পুৰুষ আৰু তিৰোতা উভয় ৰূপত) অন্যান্য লগৰীয়াসকল থাকিব। ইয়াৰ উপৰি চিকাৰৰ পৰিশ্ৰম লাঘৱ কৰা আৰু গোটেই অভিযানটো আনন্দমুখৰ কৰি তুলিবৰ বাবে বহুৱা চৰিত্ৰও থাকে।

হগ্ৰা নৃত্যত চিকাৰী হগ্ৰাবীৰে সম্পূৰ্ণ চিকাৰীৰ সাজত সাজি-কাচি ওলায়। পিন্ধনত তেওঁ লেংটি বা কৌপিন, গাত কিন্তু কোনোধৰণৰ বস্ত্ৰ পৰিধান নকৰে। গোটেই গা আৰু মুখত বিভিন্ন ধৰণৰ টটেম লয়। হাতত ধনুকাঁড় আৰু আলু খন্দা ঠাৰেং (বাঁহেৰে তৈয়াৰ কৰা সঁজুলি)। হগ্ৰাবীৰে চিকাৰীৰ বেশত চিকাৰ বিচৰাৰ নৃত্য কৰে। চিকাৰৰ অনুসন্ধানত চিকাৰীয়ে যিবোৰ সমস্যা আৰু অসুবিধাৰ সন্মুখীন হয় সেইবোৰো নৃত্যৰ মাজেৰে পৰিৱেশন কৰা হয়। আনকি চিকাৰৰ গাহৰি বধ কৰি শালত দিয়া আৰু তাৰ মাংস প্ৰসাদ হিচাপে বিতৰণ কৰা— এই আটাইবোৰ বিষয় নৃত্যৰ মাজেদি পৰিৱেশন কৰা হয়।

হগ্ৰাৰ চিকাৰীকেইজন চিকাৰী হগ্ৰাবীৰৰ লগৰীয়া আৰু সহায়ক। তেওঁলোকেও হগ্ৰাবীৰৰ দৰে লেংটি মাৰে আৰু গাত টটেম লয়। অস্ত্ৰ হিচাপে সিহঁতৰ হাতত ধনুকাঁড়ৰ পৰিৱৰ্তে তৰোৱাল থাকে। তেওঁলোকে চিকাৰীক চিকাৰ দেখুৱাই, বাট দেখুৱাই লৈ যায়। অৱশ্যে কেতিয়াবা প্ৰধান চিকাৰীতকৈ তেওঁলোকৰ উদ্ধতালি বেছি হয়। চিকাৰী হগ্ৰাই বধ কৰা চিকাৰ তেওঁলোকে ধৰে। এই সকলোবোৰ বিষয় নৃত্যৰ মাধ্যমত প্ৰকাশ কৰা হয়।

জাকৈ-খালৈ যথাক্ৰমে নাৰী আৰু পুৰুষ চৰিত্ৰ। জাকৈৰ হাতত জাকৈ আৰু খালৈৰ হাতত খালৈ থাকে। নাৰী চৰিত্ৰ জাকৈয়ে বুকুত ফটা কাপোৰৰ মেঠনি বা

বক্ষবন্ধনী আৰু কঁকালৰ তলৰ অংশত কলপাতৰ ছিৰিলি ছিৰিলি বস্ত্ৰ পৰিধান কৰে। খালৈয়েও বুকুত ফটা কাপোৰৰ বক্ষবন্ধনী লয় আৰু লেংটি মাৰে। দুয়োৰে গাত বিভিন্ন ধৰণৰ টটেম থাকে। তেওঁলোকে নৃত্যৰ মাধ্যমত জাকৈৰে মাছ ধৰা, খালৈত ভৰোৱা আদি প্ৰদৰ্শন কৰে। চিকাৰী দলটোৰ অন্যান্যসকলে জাকৈ-খালৈক নানান ধেমেলীয়া গীতেৰে নৃত্য কৰোৱায়। এই নৃত্যত বাদ্য হিচাপে সুঁহুৰি আৰু হাতচাপৰি ব্যৱহাৰ কৰে ঃ

কেৰেপ কেৰেপ কচুকলা বিচাৰি খাওঁ।
কেৰেপ কেৰেপ লেধাই শামুক বিচাৰি খাওঁ। ইত্যাদি।

এনেধৰণৰ গীতৰ তালে তালে জাকৈ-খালৈয়ে নানান ধৰণৰ হাস্যমধুৰ নৃত্য কৰে।

এইবিলাকৰ উপৰিও চিকাৰৰ মূল বিষয় পহুতো আছেই। হুগ্ৰা নৃত্যত পহুটোৱে সম্পূৰ্ণৰূপে পহুৰ পোছাক পৰিধান কৰে। চিকাৰী হুগ্ৰাবীৰৰ আগে আগে চাৰি ঠেঙৰ ওপৰত ভৰ দি ছঁয়াময়াকৈ দেখা দিয়া, পলায়ন আৰু আত্মৰক্ষাৰ বাবে কৰা প্ৰচেষ্টাৰ ভংগি দেখুৱাই নৃত্য কৰে। কেতিয়াবা চিকাৰীক বিভ্ৰান্ত আৰু বিপদাপন্ন কৰি তুলিবলৈ চেষ্টা কৰে। খেনোৰ মতে এই পহুৰূপী চিকাৰটোৱেই মিৰি পহু। ইয়াৰ ভিতৰত চোমনিৰ শ্ৰীগম্ভীৰ শইকীয়াৰ মতে— বীৰ হুগ্ৰাই কাছাৰৰ পৰা তেওঁৰ লগৰীয়াসকলৰ সৈতে উজাই আহোতে ডিবং লালিমুখত সাত ঘৰ মিৰি মানুহ পাইছিল (কাৰ্দং, ছেদং, লিকাম, হাগো, তাগো, নৰ আৰু ডফলা)। সোণোৱালসকলৰ হুঁচৰি গীতত এই প্ৰব্ৰজনৰ ইতিহাস আৰু অভিজ্ঞতা বৰ্ণিত হৈছে। এওঁলোকৰ তিনি ঘৰ মিৰি কছাৰীসকলৰ লগত মিলি যায় আৰু হুগ্ৰাৰ চিকাৰ অভিযানৰ নৃত্যত অংশগ্ৰহণ কৰে। পিছলৈ মিৰিসকলেই পহুৰ ভাও দিছিল আৰু সেইবাবেই এই নৃত্যক মিৰি পহু বোলা হয়।

হুগ্ৰা নৃত্যৰ চিকাৰৰ দলটোত এইবিলাক মূল চৰিত্ৰৰ উপৰিও অন্যান্য লগৰীয়াসকল থাকে। তেওঁবিলাকে নানান ধৰণৰ হাস্যৰসাত্মক নৃত্য কৰে। কেতিয়াবা প্ৰধান চিকাৰী আৰু ডাল চিকাৰীয়ে জাকৈ-খালৈকো নচুৱায়, হঁহুৱায়, যেনে— কেতিয়াবা জোক দেখাৰ নৃত্য কৰি, পৰি যোৱাৰ নৃত্য কৰি, ভয়ত বিভ্ৰান্ত হোৱাৰ নৃত্য কৰি হাঁহিৰ খোৰাক যোগায়। দেখা যায়, হুগ্ৰা নৃত্যত এই ধেমেলীয়া দিশটো আচলতে তেনেই আনুযংগিক। মূল নৃত্যৰ লগত ইয়াৰ বিশেষ সম্পৰ্ক নাই। তথাপি এই ধৰণৰ হাঁহি-তামাচাৰ মাজত পথশ্ৰম লাঘৱ কৰাৰ, অভিযানটোক হাস্যমধুৰ আৰু ৰঙিয়াল কৰি তোলাৰ নতুবা বিপদ-বিঘিনি অতিক্ৰম কৰাৰ মানসিকতা নিহিত হৈ আছে।

প্ৰাচীন গ্ৰীচৰ ডায়নিচাচ দেৱতাৰ পূজা উপলক্ষে কৰা নৃত্যৰ কোৰাচ গীতবিলাকৰ দৰেই হগ্ৰা নৃত্যত সমূহীয়া (কোৰাচৰ নিচিনাই) হুঁচৰি গীতৰ ব্যৱহাৰ মন কৰিবলগীয়া। এই গীত (হুঁচৰি গীত)বিলাক বৰগীত আৰু থিয় গীতৰূপে দুভাগত বিভক্ত।

মূল নৃত্যৰ আগে আগে এই হুঁচৰি গীতবিলাক প্ৰশস্তিমূলক গীত হিচাপে গোৱা হয়। গীতৰ লগত সোণোৱালসকলে হুঁচৰিত ব্যৱহাৰ কৰা বাঁহৰ টকাডালো লয়।

সাধাৰণতে বৰগীতেৰে নৃত্য আৰম্ভ কৰা হয়।

বৰগীত ঃ

অ' হুৰে হুৰে বাঁহ জালত কাপোৰ ঘূৰে।
হুৰে হুৰে গীতক কোনে সৰজায়।।
মহাদেউ পাৰ্বতী সিও সৰজায়।
গজায় মনায় সিও সৰজায়।।
খিৰিং ৰজা দেৱতা সৰজায়।
চাৰিশাল গোসাঁনী সিও সৰজায়।।
অ' হুৰে হুৰে বাইজালত কাপোৰ ঘূৰে
হুৰে হুৰে গীতক কোনে সৰজায়।। ইত্যাদি।

সেইদৰে থিয় গীতৰ ভিতৰত ঃ

ভোমোৰাই ঐ ওঁ হৈয়া।
ছাদে ভোমোৰাক বিয়া কৰি নিয়া।
কঁঠাল গছৰ খাটকলিকা মদাৰ গছৰ হলৌ।
সাত সতিনী তাঁত লগাই কৰে হলৌ জপৌ।। ইত্যাদি।

এনেদৰে প্ৰশস্তিমূলক হুঁচৰি গীত সমদলীয়ভাৱে গোৱাৰ পিছত নাচ আৰম্ভ হোৱাৰ গীত গোৱা হয় ঃ

শ্ৰীশ্ৰীশ্ৰীবায়ে শ্ৰীনদবাই
ডাল ভাঙি ফল খাই হলৌ বান্দৰাই
ফৌ মিৰি ফৌ দুলো লৌ।
মায় গৈছে মিছা মাৰিব নাকান্দিবা ফৌ।।
বাপেৰ গৈছে খৰি আনিব নাকান্দিবা ফৌ
ককায়েৰ গৈছে আলু খান্দিব নাকান্দিবা ফৌ। ইত্যাদি।

আচলতে এই গীতৰ লগে লগে নৃত্য আৰম্ভ হয়। দেখা যায়, প্ৰাচীন গ্ৰীচৰ ডায়নিচাচ দেৱতাৰ পূজাৰ দৰেই হগ্ৰা নৃত্যত নৃত্য-গীতৰ পয়োভৰ। এই নৃত্য-গীতৰ

মাজেৰে হুগ্ৰা নৃত্যৰ বলি-বিধানৰ ধৰ্মীয় দিশটোতকৈ ইয়াৰ ব্যৱহাৰিক দিশৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় যে হুগ্ৰা নৃত্যৰ গোটেই প্ৰক্ৰিয়াটোত সোণোৱাল কছাৰীসকলৰ আদিম চিকাৰজীৱী জীৱনৰ জৈৱিক প্ৰেৰণাৰ বিষয়টোৱেই ঘাইকৈ প্ৰকাশ পায়।

শ্ৰীগম্ভীৰ শইকীয়াই উল্লেখ কৰা মতে হুগ্ৰা নৃত্যত বলি-বিধান বা ধৰ্মীয় দিশতকৈ বিহুৰ সাত দিনৰ আগতে বিহুৰ সামগ্ৰী গোটোৱাৰ প্ৰবৃত্তিৰ লগতহে অধিক মিল আছে। এইফালৰ পৰাও চিকাৰীজীৱী সমাজৰ মটিফটোৱেই ওলাই পৰে। স্বাভাৱিকতে চিকাৰৰ ওপৰত নিৰ্ভৰশীলসকলেহে চিকাৰৰ যোগেদি খাদ্য-সামগ্ৰী গোটোৱাৰ কথা ভাবিব পাৰি।

তেওঁলোকে দলবান্ধি চিকাৰ অভিযান কৰি খাদ্য-সামগ্ৰী সংগ্ৰহ কৰিছিল আৰু সেই চিকাৰ-অভিজ্ঞতাৰ ঘাত-প্ৰতিঘাত, সুবিধা-অসুবিধা বা তেওঁলোকে কেনে অৱস্থাত চিকাৰ ধৰিছিল নাইবা চিকাৰত তেওঁলোকে কেনেদৰে ৰং-ধেমালি কৰিছিল তাৰ আৰ্হি লগৰ লগৰীয়াক অনুকৰণ কৰি দেখুৱাইছিল। সেই অনুকৰণৰ প্ৰাচীন প্ৰক্ৰিয়াটোৱেই মিৰি পহু বা হুগ্ৰা নৃত্য। অনুমান কৰিব পাৰি যে পিছলৈ সি বিহুৰ আগে আগে বিহুৰ সামগ্ৰী গোটোৱা সমূহীয়া নৃত্যত পৰিণত হয়।

আগতেই উল্লেখ কৰা হৈছে, বিহুৰ সাদিনৰ আগতে হুগ্ৰা নৃত্যৰ আয়োজন কৰা হয়। সাধাৰণতে আগৰ বছৰ যিঘৰ মানুহৰ ঘৰত বিহু সামৰা হয়, পিছৰ বছৰ সেইঘৰ মানুহৰ ঘৰৰ পৰাই বিহু আৰম্ভ কৰা হয়। আগৰ বছৰৰ বিহু সামৰণিতেই পিছৰ বছৰৰ হুগ্ৰা নৃত্যৰ বাবে নাম ডাঙৰীয়া, জ্ঞাতিগুৰি, মাটিগিৰি আদি দেৱ-দেৱতাক উদ্দেশ্য কৰি উলু খেৰেৰে টোপোলা বান্ধে আৰু সেইমৰ্মে পিছৰ বছৰ সমূহীয়াভাৱে জ্ঞাতিগুৰি, মাটিগিৰি, নাম ডাঙৰীয়াক উদ্দেশ্য কৰি সেৱা জনোৱা হয়। সোণোৱালসকলৰ জ্ঞাতিগুৰি সবাহৰ নিচিনাকৈ হুগ্ৰা নৃত্যৰ দিনা গাঁওখনৰ ৰাইজৰ অপায়-অমংগল, মাৰি-মৰক দূৰ কৰাৰ অৰ্থে প্ৰাৰ্থনা জনোৱা হয়।

সোণোৱালসকলৰ ভোগবৰীয়াসকলৰ মাজত এই হুগ্ৰা নৃত্যৰ প্ৰচলন আছে। আনহাতে ঢোলীয়ালসকলৰ মাজত বহুৱা নৃত্যৰ ঐতিহ্য ৰক্ষিত হৈছে।

বহুৱা নাচ ঃ

সোণোৱাল কছাৰীসকলৰ মাজত প্ৰচলিত বিভিন্ন লোকনৃত্যৰ ভিতৰত বহুৱা নাচ বুলিও এটা লোকনৃত্য আছে। ডাঙৰী অঞ্চলৰ ধলা, কছাৰী গাঁও, ডিব্ৰুগড়ৰ জামিৰা ধমল গাঁও, শদিয়াৰ কুকুৰামৰা গাঁৱত কিছু অলপ বেলেগ বেলেগ ৰূপত বহুৱা নাচৰ প্ৰাচীন পৰম্পৰা ৰক্ষিত হৈছে।

বহুৱা শব্দৰ প্ৰতিবাদ্য অৰ্থ বিচাৰি শ্ৰীবিধান চন্দ্ৰ বৰাদেৱে কৈছে ঃ "দেখদেখকৈ 'বহু' শব্দত ৱা প্ৰত্যয়ৰ যোগত (বহু + ৱা) বহুৱা শব্দ হৈছে। 'বহু' শব্দৰ প্ৰতিপাদিক

অৰ্থ হৈছে বাহুল্য বা বেছি। কিন্তু 'ৱা' প্ৰত্যয় যোগ হোৱাত এই শব্দৰ প্ৰতিপাদক অৰ্থৰ ঠাইত ব্যঞ্জনা বা ঔপচাৰিক অৰ্থত বৈসাদৃশ্য অৰ্থাৎ সৰ্বসাধাৰণৰ পিন্ধন-উৰণ, ভাব-ভংগী, কথন-মথনৰ লগত মিলি নোযোৱা, চলন-ফুৰণ, আচৰণ আদিত স্বাভাৱিকতকৈ বেছি লোকক বুজায়।'

বহুৱা নৃত্যৰ উৎপত্তি সম্পৰ্কত ধলা গাঁৱত এক প্ৰচলিত জনশ্ৰুতি আছে। সেই জনশ্ৰুতি মতে এসময়ত কোনোবা অজান ঠাইৰ পৰা নাভূত-নাশ্ৰুত কেইটামান জীৱ আহি গাঁৱৰ পথাৰৰ কাষৰীয়া ঠাইত লুকাই থকা দেখা পোৱা গ'ল। সিহঁতৰ গাৰ বৰণ মানুহৰ লগত নিমিলে, মূৰত পহুৰ দৰে শিং, পিন্ধনত ছিৰিলা-ছিৰিলি গছৰ পাত। এই অদ্ভুত জীৱকেইটা যে মানুহৰ মংগলৰ কাৰণে অহা নাই সেই কথা গাঁওবাসীয়ে উপলব্ধি কৰিলে। তেওঁলোকক গাঁৱৰ পৰা খেদি পঠাবৰ বাবে গএগ ৰাইজৰ মাজত আলোচনা হ'ল। তাল-মৃদংগৰ ধ্বনি কৰি সেই জীৱকেইটাক লুকাই থকা ঠাইৰ পৰা উলিয়াই আনিবলৈ সিদ্ধান্ত কৰিলে। তেওঁলোকে গাঁৱৰ পূজাস্থলীত সেৱা জনাই সেই জীৱকেইটা লুকাই থকা ঠাইৰ সন্মুখত বিশেষ সুৰ আৰু লয়ত তাল-মৃদং বজাবলৈ ধৰিলে। তাল-মৃদংগৰ ধ্বনিত সেই অদ্ভুত জীৱকেইটাই নিজ ভংগীত নাচি নাচি ওলাই আহিল। তাল-মৃদং বজাই বজাই গায়নৰ দলে জীৱকেইটাক গাঁৱৰ মাজৰ নামঘৰৰ চোতাললৈ লৈ আহিল। সেই অদ্ভুত জীৱকেইটা চাবলৈ গাঁৱৰ সকলো ওলাই আহিল। গায়নৰ ছেৱে ছেৱে অদ্ভুত জীৱকেইটাই নাচি নাচি ৰাইজৰ মাজত ফুৰিবলৈ ধৰিলে। ভালেমান সময়ৰ পিছত গাঁৱৰ মানুহে তেওঁলোকক নচুৱাই নচুৱাই নৈৰ পাৰলৈ লৈ গ'ল। নৈৰ পানীত নাচি সেই অদ্ভুত জীৱকেইটা অদৃশ্য হৈ গ'ল। গাঁৱৰ মানুহে জীৱকেইটাৰ জৰিয়তে হ'ব পৰা বিপদৰ পৰা মুক্ত হৈ স্বস্তিৰ নিশ্বাস পেলালে। গাঁৱলৈ আহিব পৰা সকলোধৰণৰ অপায়-অমংগল দূৰ হ'বলৈ আৰু বাধা-বিঘিনি নাশ হ'বলৈ কামনা কৰিলে। জনশ্ৰুতিমতে এনেকৈয়ে বহুৱা নৃত্যৰ আৰম্ভ হয়।

জনশ্ৰুতিত উল্লেখ থকা অদ্ভুত জীৱকেইটাৰ অনুকৰণত সোণোৱালসকলে আজিও নৃত্য কৰে আৰু গাঁওবাসীৰ অপায়-অমংগল, মাৰি-মৰক দূৰ হোৱাৰ কামনা কৰে। সেই অদ্ভুত জীৱকেইটাৰ প্ৰতীক দেখুৱাবলৈকে এতিয়াও বহুৱা নৃত্য কৰা ব্যক্তিকেইজনে গোটেই গাটো কলপাতৰ ছিৰিলা-ছিৰিলি পাতেৰে ঢাকি লৈ মুখা ব্যৱহাৰ কৰে।

বহুৱাকেইজনে নদীত বুৰ মাৰি ঘাটলৈ ঘূৰি আহে। সোণোৱালসকলৰ বিশ্বাস— তেওঁলোকে পানীত বুৰ মৰাৰ লগে লগে গাঁওখনৰ মাৰি-মৰক, অপায়-অমংগল নাশ পায়।

বহুৱা নাচৰ সম্পৰ্কত জনশ্ৰুতি আৰু লোককথাৰ এইখিনি কথা একান্তভাৱে স্বীকাৰ কৰি লোৱাৰ পিছতো আলোচনাৰ অৱকাশ ৰৈ যায়। আচলতে বহুৱা নৃত্য সোণোৱালসকলৰ এক প্ৰাচীন ঐতিহ্য। প্ৰকৃতি আৰু প্ৰক্ৰিয়াৰ ফালৰ পৰা বহুৱা নৃত্যই সোণোৱালসকলৰ মাজত প্ৰচলিত নৃত্য-গীতৰ ভিতৰত প্ৰাচীনতম। বোধহয়, সভ্যতাত সংগীতকলাৰ পূৰ্বাৱস্থাৰেই লোকনৃত্য সোণোৱালসকলৰ এই বহুৱা নৃত্য, কিয়নো এই নৃত্যত কোনোধৰণৰ সংগীতৰ ব্যৱহাৰ নাই। বিষ্ণু ৰাভা ডাঙৰীয়াই অৱশ্যে হো হো হো ধৰণৰ এক সংগীতৰ কথা উল্লেখ কৰিছে। বিধান বৰাদেৱেও এনেদৰে ক'বলৈ বিচাৰে ঃ 'বহুৱা নৃত্যত কোনো গীত-মাত বৰ্তমানে সংগত কৰা নহয় যদিও আগতে নিশ্চয় তেনে অৱস্থাত আছিল।'

বহুৱা নৃত্যৰ এই প্ৰাচীন ঐতিহ্য বিচাৰত এই নৃত্যৰ পৰিৱেশন ৰীতিৰ মাজত তাৰ প্ৰাচীনতাৰ উমান পোৱা যায়। এই নৃত্যৰ পৰিৱেশন প্ৰক্ৰিয়াৰ পৰা অনুমান কৰিব পৰা যায় যে বহুৱা নৃত্য সোণোৱালসকলৰ আদিম অৰণ্য জীৱনৰ প্ৰতিভূ— যি সময়ত সোণোৱালসকলৰ সংগীতৰ বিষয়ে কোনো জ্ঞানেই নাছিল। আজিও সোণোৱাল কছাৰীসকলে ভাবে— বহুৱা জীৱন তেওঁলোকৰ অৰণ্য জীৱনৰ স্মৰণ। অৰণ্য জীৱনত বন্য প্ৰকৃতিগত বিপদ-আপদৰ পৰা আত্মৰক্ষাৰ কামনা কৰি সোণোৱালসকলে কোনোবা অৰণ্য দেৱতাৰ অৰ্চনা কৰিছিল। বৰ্তমানে এই ব্যৱস্থা হৈছে যদিও পূৰ্বতে এই নৃত্যত অংশগ্ৰহণ কৰা বহুৱা-বহুৱানীৰ লগৰ লগৰীয়াকেইজনমানেৰে সৈতে নৃত্যৰ ৪-৫ দিন আগৰে পৰা হাবিত থাকিবলৈ দিয়া হৈছিল, যাতে অৰণ্যৰ বন্য প্ৰকৃতিৰ লগত তেওঁলোকে খাপ খুৱাই ল'ব পাৰে। তেওঁলোকে পৰিধান কৰা বস্ত্ৰৰ বিষয়ে ওপৰৰ জনশ্ৰুতিৰ বাহিৰে জানিবৰ উপায় নাই যদিও বৰ্তমানে বস্ত্ৰৰ পৰিৱৰ্তে কলপাতৰ ছিৰিলা-ছিৰিলি বসন বহুৱা-বহুৱানীয়ে পৰিধান কৰে। জনশ্ৰুতিৰ অদ্ভুত জীৱ বুলিয়েই নে বন্য জীৱনৰ সেই আদিম ঘটনাটোৰ কাৰণেই বহুৱা-বহুৱানীক সজাওঁতে কাকো চাবলৈ দিয়া নহয়। সোণোৱালসকলৰ মাজত আজিও জনবিশ্বাস প্ৰচলিত আছে যে কোনোবাই ধেমালিতো কলপাতৰ নিচিনা বসন পৰিধান কৰিলে সেইজন সময়ত অৰণ্যবাসী হ'বলগা হয়।

প্ৰধানতঃ বহুৱা-বহুৱানীয়েই বহুৱা নৃত্যৰ মূল ব্যক্তি। বহুৱা-বহুৱানীক চমুকৈ বহু-বহুনী বুলিও জনা যায়। ইয়াৰে ভিতৰত বহুৱা পুৰুষ আৰু বহুৱানীক নাৰী ৰূপত কল্পনা কৰা হয়। বহুৱা-বহুৱানীয়ে ছিৰিলি বসন পৰিধান কৰাৰ উপৰিও মুখা পিন্ধে আৰু মুখাত টটেম আঁকি লয়। পুৰুষ বহুৱাই সাধাৰণতে পশুৰ নিচিনা শিং থকা মুখা পৰিধান কৰে। বৰ্তমানে মূল বহুৱা-বহুৱানীৰ উপৰিও লোক-চিত্ত বিনোদনৰ কাৰণে আনুষংগিক চৰিত্ৰয়ো অংশগ্ৰহণ কৰে। এই চৰিত্ৰই বহুৱা-বহুৱানীৰ লগতে নানান

অংগি-ভংগিৰে হাস্যমধুৰ পৰিবেশৰ সৃষ্টি কৰে। নৃত্যৰত বহুৱা-বহুৱানীক মানুহে গাৰ অলংকাৰ খহাই দান কৰাৰ নিয়ম। সোণোৱালসকলে বিশ্বাস কৰে, এনেদৰে অলংকাৰ দান কৰিলে মানুহৰ গাত থকা অপদেৱতা আঁতৰ হয়। নৃত্যৰ শেষত বহুৱা-বহুৱানীয়ে জনশ্ৰুতিৰ অদ্ভুত জীৱকেইটাৰ দৰে পানীত বুৰ মাৰি সকলো বস্তু তাতে এৰি থৈ আহে। তাৰ পিছত নদীৰ পাৰতে ভোজ-ভাত খায়।

নৃত্যত অংশগ্ৰহণ কৰা বহুৱা-বহুৱানীয়ে সেইদিনা উপবাসে থকাৰ নিয়ম। বহুৱা-বহুৱানী যদিও পুৰুষ আৰু নাৰী তথাপি পুৰুষেই বহুৱানী হয় আৰু গোটেই নৃত্যটোত পুৰুষৰেই প্ৰাধান্য। সাধাৰণতে বৰলা বা সন্তানহীন লোকহে বহুৱা-বহুৱানী হ'ব পাৰে। উঠি অহা ডেকা-গাভৰু নাইবা পুত্ৰ-কন্যা থকা লোক বহুৱা-বহুৱানী হ'ব নোৱাৰে। আগৰ দিনত নৃত্যৰ শেষত বহুৱা-বহুৱানীক আকৌ হাবিত এৰি থৈ অহাৰ নিয়ম আছিল। আজিকালি অৱশ্যে এই নিয়ম নাই, ভোজ খোৱাৰ শেষতেই নৃত্যৰ সামৰণি পৰে। বোধকৰো জনশ্ৰুতিৰ অদ্ভুত জীৱকেইটাক খেদাৰ আনন্দতেই গঞা ৰাইজে ভোজ-ভাত খাইছিল।

আগতে কোৱা হৈছে যে বহুৱা নৃত্য সোণোৱালসকলৰ আদিম অৰণ্য জীৱনৰ স্মৰণ। এই স্মৰণ তেওঁলোকে বহুৱা-বহুৱানী এই দুই প্ৰতীকৰ মাজেৰেই কৰে। সম্ভৱতঃ এই দুই (বহুৱা-বহুৱানী) প্ৰতিভূ আদিম মানৱৰেই প্ৰতিনিধি। বহু সোণোৱাল কছাৰী লোকে বিশ্বাস কৰে বহুৱা-বহুৱানী মানৱীয় ৰূপত পুৰুষ আৰু প্ৰকৃতি। এইফালৰ পৰা ধাৰণা কৰিব পাৰি— বহুৱা নৃত্যৰ লগত সৃষ্টিৰ আদি প্ৰক্ৰিয়াৰ সম্পৰ্ক আছে। স্বাভাৱিকতে আদিম জীৱনৰ স্মৰণ প্ৰক্ৰিয়া আৰু পুৰুষ-প্ৰকৃতিৰ সৃষ্টি প্ৰক্ৰিয়াত কোনো দেৱ-দেৱতাৰ অস্তিত্বৰ কথা ভাবিব পৰা নাযায়।

সাধাৰণতে ব'হাগৰ সাত বিহুৰ দিনা বহুৱা ওলায়। আগৰ দিনত প্ৰতিবছৰেই বহুৱা ওলাইছিল। আজিকালি দুই-তিনি বছৰৰ মূৰকত বহুৱা ওলায়। ব'হাগৰ সাত বিহুৰ লগত বহুৱাৰ কি সম্পৰ্ক স্পষ্টকৈ ক'ব পৰা নাযায়। কিন্তু দেখা যায় যে সোণোৱালসকলে তেওঁলোকৰ সকলো মাংগলিক আৰু আনন্দ-উছৱৰ অনুষ্ঠান ব'হাগৰ নতুন বছৰতে উদযাপন কৰে। সেই অনুক্ৰমে বহুৱা নৃত্যও সেই সময়তে অনুষ্ঠিত হয় বুলি ভাবিব পাৰি।*

---

* প্ৰবন্ধটি যুগুতাওঁতে সৰ্বশ্ৰী বিধান বৰা, অধ্যাপক লংকেশ্বৰ সোণোৱাল, গম্ভীৰ শইকীয়া আৰু প্ৰাঞ্জল সোণোৱালে দিহা-পৰামৰ্শৰে আমাক সহায় কৰিছে।

ঠেঙাল কছাৰীসকলৰ ব'হাগ বিহুৰ স্বকীয় পৰম্পৰা

বিপিন কুমাৰ বৰা

বসন্ত উৎসৱ মূলতঃ কৃষিমূলীয়া গ্ৰাম্য সংস্কৃতি। সেয়ে অসমৰ জনজীৱনত ব'হাগ বিহু অতিকে আদৰৰ লোকউৎসৱ। অসমৰ এনে সমন্বয়-সংস্কৃতিৰ উপাদানেই বিভিন্ন জাতি-উপজাতি আৰু সম্প্ৰদায়ক একেডাল এনাজৰীৰে বান্ধি ৰাখিছে। বিহুৰ বৰ্ণাঢ্য সংস্কৃতিৰ বৈশিষ্ট্যসমূহ ভিন ভিন জাতি-গোষ্ঠী বা সম্প্ৰদায়ৰ মাজত স্বকীয়ভাৱে পালন কৰা দেখা যায়। এনে গোষ্ঠীগত বা সম্প্ৰদায়গত কিছুমান নিজা সাংস্কৃতিক বৈশিষ্ট্যই সেই গোষ্ঠী বা সম্প্ৰদায়সমূহক মহীয়ান কৰি ৰাখিছে। প্ৰত্যেক জনগোষ্ঠীৰে ব'হাগ বিহু নিজ নিজ গোষ্ঠীগত সুকীয়া পৰম্পৰাৰে পালন কৰাৰ দৰে ভূমিপুত্ৰ ঠেঙাল কছাৰীসকলেও কিছুমান স্বকীয় নিজা বৈশিষ্ট্যৰে অতীজৰে পৰা ব'হাগ বিহু পালন কৰি আহিছে। ঠেঙাল কছাৰীৰ বিহু উৎসৱ নিজস্ব আচাৰ-অনুষ্ঠানেৰে সমৃদ্ধ।

অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰেই ঠেঙাল কছাৰীসকলে স্বকীয় আচাৰ-নীতিৰে চ'তৰ সংক্ৰান্তিৰ দিনাৰ পৰাই বিহু পালন কৰে যদিও চ'ত মাহ সোমোৱাৰ পিছৰ পৰাই বিহু মৰা আৰম্ভ কৰে। এই বিহু ঠেঙাল কছাৰীৰ গাভৰুসকলে ৰাতি মৰা বিহু 'ৰাতি বিহু'। পথাৰৰ আঁহত গছ বা বৰগছৰ তলত 'ৰাতি বিহু'ৰ খোলাবোৰ পতা হয়। ৰাতি গছৰ তলত গাভৰুসকলে জুম বান্ধি চক্ৰাকাৰে ঘূৰি বিহুনাম গাই কেঁচীয়াকৈ (Digonal) নাচি বিহু মাৰে। ৰাতি বিহুৰ স্বাক্ষৰ বিহুনামে আজিও বহণ কৰি আছে। যেনেকৈ—

ইয়ে বোলে চেনাইটি   সিয়ে বোলে চেনাইটি
চেনাইটি ক'লৈনো গ'ল।
লেম বাতি লগাই লৈ   চেনেহীক লগত লৈ
ৰাতি বিহু চাবলৈ গ'ল।

চ'তৰ সংক্ৰান্তিলৈকে ৰাতি মৰা বিহুত টকা, গগনা, বীণ আদি বাদ্যৰ ব্যৱহাৰ কৰে। চ'তৰ সংক্ৰান্তিলৈকে ৰাতি বিহু মাৰি গাভৰুসকলে প্ৰথম ব'হাগৰ পৰা দিনত গছৰ তলত বিহু মাৰে। বৰ্তমান এই বিহুকেই 'মাইকী বিহু' অথবা 'গাভৰু বিহু' নামে আখ্যা দিয়া হৈছে। ৰাতি বিহুৰ দৰেই পাটগাভৰু আৰু বুঢ়ীসকলেও ঘৰে ঘৰে গৈ বিহু মাৰি আনন্দ কৰে। ঠেঙাল কছাৰী গাভৰু বিহুৰ জুমে গাঁৱত জোঁৱাই পাতি নতুন জোঁৱাই শহুৰৰ ঘৰলৈ আহিলে, জোঁৱাই অহা ঘৰলৈ গৈ বিহু মাৰি আনন্দ কৰি জা-জলপান খোৱা আৰু জোঁৱাইৰ পৰা বা-বৰঙণি লোৱাৰ নিয়ম আছে। এনে পৰম্পৰা ঠেঙাল কছাৰীসকলৰ অন্যতম নিজা বৈশিষ্ট্য।

ঠেঙাল কছাৰীৰ লোক পৰম্পৰাত থকা আন তিনিটা প্ৰচলিত প্ৰধান বিহু হ'ল— তৰাছিৰা বিহু বা বালি বিহু, নৰাছিঙা বিহু আৰু বোকা বিহু।

তৰাছিৰা বিহু বা বালি বিহু ঃ জাতীয় উৎসৱ বিহু সংস্কৃতিৰ পৰম্পৰাগত প্ৰথা অনুসৰি চ'তৰ সংক্ৰান্তিৰ গৰু বিহুৰ দিনা গৰুক তৰাগছৰ নতুন পঘা গধূলি গোহালিত যথাৰীতি সৎকাৰ কৰি পিন্ধোৱা হয়। নতুন বছৰত গৰু বিহুৰ দিনাখন গৰুক নতুন পঘা পিন্ধাবৰ উদ্দেশ্যে চ'ত মাহৰ পোন্ধৰ-যোল্ল দিন যোৱাৰ পিছতে ডেকাসকলে তৰাগছ ছিৰি আনিবলৈ দূৰৈৰ হাবি, নৈৰ পাৰ বা গেৰেকনিলৈ দলবান্ধি যায়। ঠেঙাল কছাৰীসকলে তৰা ছিৰিবলৈ যোৱাৰ দিনা পুৱাৰ ভাগত কৈতৰাজ সদাশিৱ বা মহাদেৱলৈ এভাগি পূজা অগবঢ়ায়। পূজাভাগ পথাৰৰ বৰগছ বা জৰিগছৰ তলৰ হাফলু থকা ঠাইত অনুষ্ঠিত কৰে। পূজাভাগত ধূপ-ধূনা, চাকি-বন্তি জ্বলাই আগলি কলপাতত পায়স, এযোৰ ৰঙা কুকুৰা অৰ্চনা কৰি স্তুতি প্ৰাৰ্থনা কৰা হয়। একান্ত পৱিত্ৰতা আৰু যথাৰীতিৰে সেৱা সৎকাৰ কৰি ডেকা আৰু ইচ্ছুক গঞাই তৰা ছিৰিবলৈ যাবৰ বাবে প্ৰস্তুত হয়। থলীতে ডেকাসকলে ঢোলত কছাৰী ছেও, বুঢ়া ছেও, টকা, পেঁপা, গগনা বজাই বিহু আৰম্ভ কৰে। শেষত পান-ভোজন কৰি তৰা ছিৰিবলৈ যাত্ৰা কৰে। প্ৰত্যেকে হাত মেচী দা, কপি দা, কটাৰী, চকুৰা, লাখুটি আদি লৈ আঁতৰৰ খাল-বিল, গেৰেকনিৰ তৰাগছ থকালৈ যায়। গৰু বিহুৰ সপ্তাহছেৰেক আগলৈকে তৰা ছিৰি আনি তৰাৰ বৌখাবোৰ (বেটু) ৰ'দত শুকুৱাই ৰাখে। সেই একে সময়তে গাঁৱৰ বুঢ়াসকলে ঘৰে ঘৰে গৈ হাবিৰ পৰা আনি থোৱা তৰাৰ বৌখাৰে পঘা বাটি বিহু মাৰি জা-জলপান, মদ-মাংস খায়। ইয়াকে তৰা ছিৰা বিহু বোলা হয়। অন্যহাতে ইয়াৰ দ্বাৰাই আগন্তুক বিহু মাৰিবলৈ বিহুৰ আখৰাও কৰা হয়।

নৰাছিঙা বিহু ঃ খেতি-বাতি চপাই মাঘৰ বিহু পালন কৰাৰ পিছত চ'ত সোমোৱাৰ পিছতে নতুনকৈ আহু খেতি বা পানী খেতি কৰিবৰ বাবে পথাৰখন মুকলি কৰিবলৈ গাঁৱৰ কৃষক, ডেকা-গাভৰুসকল জাকে জাকে পথাৰত গৈ ধানৰ নৰা ছিঙা আৰম্ভ কৰে। নৰা ছিঙা সময়ছোৱাত অৱসাদ অনুভৱ নকৰিবলৈ বিহুনাম গাই আনন্দ-স্ফূৰ্তি কৰি কামত ব্যস্ত থাকে। এনে বিহুকে নৰাছিঙা বিহু বোলা হয়। নৰাছিঙা বিহু অসমৰ মিচিংসকলৰ অন্যতম প্ৰধান উৎসৱ।

বোকা বিহু ঃ ঠেঙাল কছাৰীসকলৰ মাজত ব'হাগ বিহুত প্ৰচলিত অন্য এটা স্বকীয় লোক পৰম্পৰা হৈছে বোকা বিহু। বোকা বিহু ঠেঙাল কছাৰীসকলৰ নিজস্ব সংস্কৃতিৰ অন্যতম বৈশিষ্ট্য। অসমৰ বিহু সংস্কৃতিৰ গৰু বিহু ধৰ্মীয় লোকাচাৰ হিচাপে পৰিগণিত। গৰু বিহুৰ দিনাখন গৰুক যথাৰীতি গা-পা ধুৱাই ল'ৰা-বুঢ়া সকলো মিলি

নামঘৰলৈ যায়। কণী যুঁজায়, হুঁচৰি আৰু বিহুমৰাৰ সম্পৰ্কে আলোচনা কৰে। সৰুৱে ডাঙৰক সেৱা-সৎকাৰ জনায়। ডাঙৰে সৰুক নতুন কাপোৰ পিন্ধায়। দিনটো জা-জলপান, লঘু আহাৰ গ্ৰহণ কৰি গধূলি গৰুক নতুন পঘা হিচাপে আগতে বাটি থোৱা তৰাৰ নতুন পঘা পিন্ধাই গোহালিত বান্ধে। ঠেঙাল কছাৰীৰ বিহুৰ ধৰ্মীয় পৰম্পৰা মতে চলি অহা মৃতকক দিয়া অনুষ্ঠান আৰম্ভ কৰে। মৃতকক দিয়া কাৰ্য ঠেঙাল কছাৰীসকলে তিনিওটা বিহুতে পালন কৰে। উপৰিপুৰুষ মৃত ব্যক্তিক স্মৰণ কৰি মৃত আৰু জীৱিত পৰিয়ালৰ মাজত সু-সম্পৰ্ক ৰক্ষা কৰাৰ আত্মবিশ্বাসৰ মাজেদি আত্মাৰ সদ্‌গতিৰ অৰ্থে মৃতকক অৰ্পণ কৰে। মৃত আত্মাক সন্তুষ্ট কৰিলে বছৰটোৰ বাবে অপায়-অমংগল দূৰ হয় বুলি ঠেঙাল কছাৰীসকলে বিশ্বাস কৰে। বিহুৰ প্ৰথম দিনাই মৃতকক দিয়া আচাৰ-অনুষ্ঠানৰ নিয়মত মৃত পুৰুষে জীৱিত কালত যিবোৰ খাদ্য খাইছিল— ভাত, শাক, মাছ, মঙহ, জা-জলপান আদি আগলি কলপাতত থুৰীয়া তামোলৰ স'তে আসন পাতি ৰান্ধনিশালত সজাই-পৰাই আগবঢ়াই দিয়ে। অগ্নিক সাক্ষী কৰি মিঠাতেলৰ চাকি এগছি জ্বলাই পৰিয়ালৰ মুৰব্বী গৃহস্থজনে এটুকুৰা জ্বলা ৰঙা অঙঠা উচৰ্গিত নৈৱেদ্যৰ ওপৰত ঘূৰাই ঘূৰাই এফাকি স্তুতি প্ৰাৰ্থনা গায়— 'বেৰেও নেৰাখে, চালেও নেৰাখে, নেৰাখে সহোদৰ ভাই, মৰা মৃতকে ৰাখিব নোৱাৰিলে ৰাখোতা কেৱেই নাই।' এনেদৰে সেৱা-সৎকাৰ কৰি মৃতকক দিয়া অনুষ্ঠান শেষ কৰে। মৃতকলৈ আগবঢ়োৱা খাদ্যসমূহ মৃতকৰ আত্মাই কোনেও নেদেখাকৈ আহি গ্ৰহণ কৰি জীৱিত পৰিয়ালৰ মংগলৰ অৰ্থে আশীৰ্বাদ কৰে বুলি বিশ্বাস কৰে। গধূলি প্ৰত্যেক পৰিয়ালৰ আখা শালত যথাৰীতি মতে সম্পাদন কৰি মদ-ভাত, মাংস আদি খায়। কোনো কোনো পৰিয়ালে জা-জলপানেৰে মৃতকক দিয়া অনুষ্ঠান পালন কৰে। মৃতকক দিয়া অনুষ্ঠান শেষ কৰি ডেকা-গাভৰু, বুঢ়াসকল গাঁৱৰ মুখিয়াল মেধিৰ ঘৰত অথবা গাঁওবুঢ়াৰ ঘৰৰ চোতালত কলহে কলহে পানী ঢালি নাচি-বাগি বোকা খচি লুতুৰি-পুতুৰি হৈ বিহু মাৰে। গৃহস্থই গঞা ৰাইজক মদ-মাংস, জা-জলপানেৰে অভ্যৰ্থনা জনায়। এয়ে ঠেঙাল কছাৰীসকলৰ বোকা বিহু। অধিক শস্য উৎপাদনৰ উপযোগীকৈ পথাৰৰ উৰ্বৰতা বৃদ্ধিৰ বাবে তেনেদৰে কৰ্ষণ কৰা প্ৰাৰম্ভিক প্ৰস্তুতিয়েই ঠেঙাল কছাৰীসকলৰ বোকা বিহুৰ তাৎপৰ্য। বোকা বিহুৰ পিছদিনাৰ পৰা মূল বিহু আৰম্ভ হয়। ঠেঙাল কছাৰীসকলে হুঁচৰি গোৱাৰ পিছত বিহু নাম গাই ঢোল-পেঁপাৰ ছেৱত নাচিবলৈ মজিয়াত পানী ঢালি লয়। গাঁওখনীয়া খেলৰ মেধিৰ ঘৰত বা বৰাৰ ঘৰত বিহু আৰম্ভ কৰিলে খেলৰ ধনী-দুখীয়া প্ৰত্যেক গৃহস্থী ঘৰেত হুঁচৰি, বিহু গোৱাটো ঠেঙাল কছাৰীসকলৰ বাধ্য-বাধকতাৰ প্ৰচলিত নিয়ম। হুঁচৰি ব'হাগ বিহুৰ উল্লেখনীয় দিশ। ঠেঙাল কছাৰী জনগোষ্ঠীৰ হুঁচৰিৰ অৱদান লক্ষ্য কৰিবলগীয়া। কছাৰীসকলৰ এটি জনপ্ৰবাদ মতে— ব্ৰহ্মা, ধৰ্ম, বিষ্ণু, সদাশিৱ আদিক হুঁচৰিৰ লগত জড়িত

কৰিছে। প্ৰবাদ মতে এদিনা ব্ৰহ্মা নিজৰ জীয়েক অপ্সৰাৰ প্ৰেমত পৰিল। তাকে জানি ধৰ্মই অপ্সৰাক স্বৰ্গৰ পৰা খেদি পঠালে। অপ্সৰাই মৰ্ত্যত ঘূৰি ফুৰিবলৈ ধৰিলে। বসন্ত কালত দেৱতাসকলৰ অপ্সৰালৈ মনত পৰিল আৰু বিষ্ণুদেৱৰ ওচৰলৈ গৈ অপ্সৰাৰ বিষয়ে ক'লে। বিষ্ণুৱে দেৱতাসকলক মহাদেৱৰ ওচৰলৈ পঠালে। মহাদেৱে পিপল গছৰ তলত বহি তেওঁলোকক হুঁচৰি নৃত্য-গীত শিকালে। দেৱতাসকলে অপ্সৰাক লৈ স্বৰ্গৰ প্ৰতি ঘৰে ঘৰে নৃত্য-গীত দেখুৱালে। ধৰ্মই অপ্সৰাৰ নৃত্য-গীতত সন্তুষ্ট হৈ স্বৰ্গলৈ পুনৰ লৈ গ'ল। কিন্তু পৃথিৱীত থাকি গ'ল নৃত্য-গীত, হুঁচৰি। সেয়ে কছাৰীসকলে ব'হাগ বিহুৰ দ্বিতীয় দিনা বাথৌ (শিৱ বা মহাদেৱ) পূজা পালন কৰে। হুঁচৰিত বিশেষকৈ উজনি অসমৰ এটি ছেৱৰ নাম কছাৰী ছেও বা বুঢ়া ছেও বৰ্তমান আপুৰুগীয়া সম্পদ। হুঁচৰি দলক গৃহস্থই সান্দহ, পিঠা-পনা, জা-জলপান খাবলৈ দিয়াৰ উপৰি মদ-মাংসৰে আপ্যায়িত কৰে। সাধ্যানুসাৰে গামোচা, চেলেং কাপোৰ, দা-দক্ষিণাৰ শৰাই আগবঢ়াই আশীৰ্বাদ লোৱাৰ নিয়ম আজিও বৰ্তি আছে।

ঠেঙাল কছাৰীসকলে সাত দিন বিহু মৰাৰ পিছত বিশেষ নিয়মেৰে বিহুৰ সামৰণি মাৰে। ইয়াকে বিহু উৰুৱা অনুষ্ঠান বোলে। গাঁৱত বা বাহিৰত হুঁচৰি গোৱা, বিহু মৰা শেষ হ'লে পুনৰ সকলো নামঘৰত গোট খায়। গঞা ৰাইজে নামঘৰৰ সন্মুখৰ পৰা 'নিলাজী চ'ত, আছিল ক'ত/নিলাজী নাম নেথাকো যাম।' আদি বিহু সামৰা গীত গাই মুকলি পথাৰলৈ দলবান্ধি যায়। পথাৰৰ মাজত থকা গছৰ তলত হুঁচৰি আৰু বিহু মাৰে। বিহুৰ ৰং-ধেমালিৰ মাজতে ইজন-সিজনলৈ পানী-বোকা ছটিয়াই বোকাত লুতুৰি-পুতুৰি হয়। শেষত টকা, পেঁপা, গগনা গছত ওলোমাই গছত গামোচা বান্ধি তাৰ পৰা বিদায় লয়। কোনো কোনোৱে খেতিৰ দিনত ঢোল নবজাবলৈ ঢোল ফুটায়। ভুঁই ৰোৱাৰ পিছত ঢোল বজালে ৰুৱা পোকে ধৰে বোলা জনবিশ্বাস ঠেঙাল কছাৰীসকলৰ মাজতো আছে। বিহু উৰুৱাই পথাৰৰ পৰা ঘৰলৈ আহোতে কেৱে মাত-বোল, চিঞৰ-বাখৰ নকৰে আৰু পিছলৈ ঘূৰি নাচায়। বিহু উৰুৱাৰ দিনা গঞা ৰাইজ ৰাজহুৱা স্থানত গোট খাই ভোজ-ভাত খোৱাৰ পিছত বিহুৰ হিচাপ-নিকাচ কৰি ঘৰা-ঘৰি যায়।

বৰ্তমান আধুনিক যুগৰ বিভিন্ন সমস্যাৰ প্ৰতিবন্ধকতাত সকলো জাতিৰ লোক-সংস্কৃতিৰ পৰিমণ্ডল কিছু পৰিমাণে হ'লেও সংকুচিত হৈ আহিছে। এনে এক পৰিৱৰ্তিত প্ৰেক্ষাপটত ঠেঙাল কছাৰীসকলৰ বিহু সংস্কৃতিৰ বহু স্বকীয়তা লোপ পাব ধৰিছে। অসমৰ বিভিন্ন জাতিৰ বিহু সংস্কৃতিৰ লগত সংমিশ্ৰণ আৰু পৰিগ্ৰহণ কৰি এক বৰ্ণাঢ্য সংস্কৃতি গঢ় দিয়াত সহায়ক হ'লেও ব'হাগ বিহুৰ স্বকীয় বৈশিষ্ট্য বহু ঠাইত ঠেঙাল কছাৰীসকলে সুৰক্ষা দিবলৈ সচেষ্ট হৈ আহিছে।

তাই-বৌদ্ধসকলৰ বসন্ত উৎসৱ

অধ্যাপক ললিত শ্যাম

অতীজৰে পৰা অসম ৰাজ্য নানা জাতি-উপজাতি, ভাষা-ভাষী আৰু ধৰ্মাৱলম্বী লোকসকলৰ বাসভূমি। এই কথা স্বীকাৰ্য যে এই লোকসকলৰ বিভিন্ন ভাষা, ধৰ্ম, বুৰঞ্জী, সাহিত্য আৰু কলা-সংস্কৃতিসমূহে অসমীয়া সাহিত্য আৰু কলা-সংস্কৃতিলৈ অপৰিসীম বৰঙণি আগবঢ়াই আহিছে। সেয়ে অসম আজি বাৰেবৰণীয়া কলা-সংস্কৃতিৰ সংগমস্থল।

অসম আৰু উত্তৰ-পূব ভাৰতৰ বিভিন্ন ঠাই আৰু অঞ্চলত বসবাস কৰা তাই-বৌদ্ধ জনগোষ্ঠীৰ লোকসকল, যেনে— তাই খাময়্যাং (শ্যাম), তাই খামতি, তাই ফাকে, তাই আইতন আৰু তাই তুৰুংসকল দক্ষিণ-পূব এছিয়াৰ বিৰাট শ্বান বা তাই জাতিৰ লোক। উক্ত তাই জাতিৰ লোকসকল অতীজতে চীন দেশৰ দক্ষিণ-পশ্চিম অঞ্চলৰ অধিবাসী আছিল। মুচোটেৰিণ নামৰ ফ্ৰান্সৰ বুৰঞ্জীবিদ এজনৰ মতে তাই জাতিৰ লোকসকলৰ আদিভূমি আছিল চীন দেশৰ কিন্‌লুং পৰ্বত সমষ্টিত আৰু য়ুনান প্ৰদেশত ঃ 'The Tais are descended from a parent racial Group, cognate to the Chinese, which is thought to have made its first historical appearance in the 6th century B.C.' দক্ষিণ-পূব এছিয়াত বিস্তৃত হৈ থকা তাইসকলৰ নাম ঠাই অনুসৰি ভিন ভিন। তেওঁলোক একে মূলৰ ঠাল আৰু সংস্কৃতিৰ মানুহ হ'লেও সময়ৰ গতিত বিভিন্ন নামেৰে পৰিচিত হয়।

ইতিহাসৰ মতে ১২২৮ খ্ৰীষ্টাব্দত তাই ৰজা চ্যুকাফাৰ নেতৃত্বত অহা তাই লোকসকলৰ পিছত বাকী তাইসকলৰ (তাই খাময়্যাং, তাই খামতি, তাই আইতন, তাই ফাকে আৰু তাই তুৰুং) অসম আৰু উত্তৰ-পূব ভাৰতলৈ প্ৰব্ৰজিত হোৱাৰ লগে লগে তাই কলা-সংস্কৃতি, ভাষা-সাহিত্য, বুৰঞ্জী আৰু ধৰ্মৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ আৰম্ভণি হ'ল।

তাই সংস্কৃতি এক বিশাল আৰু চহকী সংস্কৃতি। তাই জাতিৰ লোকসকলৰ বিভিন্ন পৰম্পৰা আৰু প্ৰসিদ্ধ উৎসৱসমূহৰ পালনৰ জৰিয়তে সাম্প্ৰতিক কালৰ কলা-সংস্কৃতি আৰু সভ্যতা উপৰিপুৰুষসকলৰ যুগ যুগান্তৰজোৰা চিন্তা-চৰ্চা আৰু সাধনাৰ সুফলহে প্ৰতিফলিত হৈছে। লগতে অতীতৰ ঐতিহ্য আৰু সামাজিক তথা সাংস্কৃতিক প্ৰমূল্যসমূহৰ বিষয়ে জনাৰ সুবিধা হৈছে।

অতীজৰে পৰা তাই বৌদ্ধ-জনগোষ্ঠীৰ লোকসকল উৎসৱপ্ৰিয় লোক। তেওঁলোকে বছৰটোৰ ভিতৰত পালন কৰা বিভিন্ন উৎসৱসমূহৰ ভিতৰত বসন্ত উৎসৱ 'পয়চাংকেন' অন্যতম। তাই-বৌদ্ধ জনগোষ্ঠীৰ লোকসকলে 'পয়চাংকেন উৎসৱ'ক বসন্ত উৎসৱ হিচাপে পালন কৰাৰ উপৰিও 'সংক্ৰান্তি উৎসৱ' আৰু 'বুদ্ধ মূৰ্তি ধুওৱা উৎসৱ' হিচাপেও পালন কৰে। 'পয়চাংকেন উৎসৱ' ঋতু পৰিৱৰ্তনৰ লগত জড়িত।

তাই-বৌদ্ধ জনগোষ্ঠীৰ লোকসকলে চ'তৰ সংক্ৰান্তিৰ দিনৰ পৰাই 'পয়চাংকেন উৎসৱ' পালন কৰে। এই উৎসৱৰ প্ৰায় এমাহৰ আগৰ পৰা আৰম্ভ হয় 'লিক্‌চাংকেন' (তাই পুথিৰ স্তুতি)। এই জনগোষ্ঠীৰ লোকসকলে এমাহৰ আগৰ পৰা লিক্ শিকে আৰু 'পয়চাংকেন উৎসৱ'ৰ সময়ত পানী ঢালি গায়।

তাই গণনা 'ছাকেট'ৰ মতে পয়চাংকেন উৎসৱৰ দিন, ঘণ্টা আৰু মিনিট আদি নিৰ্ণয় কৰা হয়। উৎসৱৰ আৰম্ভণিৰ কেইদিনমান আগতে বৌদ্ধ বিহাৰসমূহৰ প্ৰাংগণৰ এক আছুতীয়া ঠাইত তাই-বৌদ্ধ কলা-সংস্কৃতিৰ আৰ্হিত 'ক্যংক্ৰা' (বুদ্ধ মূৰ্তি থাপনা কৰা ঘৰ) ৰাইজে নিৰ্মাণ কৰে। 'ক্যংক্ৰা' ঘৰটোৰ এফালে এখন কাঠৰ নেওৰা বাহিৰৰ পৰা ভিতৰৰ ফালে এটা সুন্দৰ 'কোংপান'ৰ (বিবিধ ৰঙৰ সূতাৰে সজ্জিত বাঁহৰ চুঙাৰ চকৰি) লগত সংযোগ কৰি দিয়া হয়। এই চুঙাৰ চকৰিটো ওপৰৰ ফালে নেওৰাখনৰ বিন্ধাত সুমুৱাই দিয়া হয় আৰু তলফালে এটি সৰু শিলৰ ওপৰত বহুৱাই দিয়া হয়।

তাই গণনামতে উৎসৱৰ সময় আহি পোৱাৰ লগে লগে বৌদ্ধ ভিক্ষু-শ্ৰমণ আৰু ৰাইজ বৌদ্ধ বিহাৰৰ ভিতৰলৈ যায় আৰু যথাবিহিতভাৱে ধৰ্মীয় কাম-কাজসমূহ সম্পাদন কৰাৰ পিছত ভিক্ষু বা শ্ৰমণে বুদ্ধ মূৰ্তি এটি বা ততোধিক বিহাৰৰ (মন্দিৰ) পৰা কঢ়িয়াই আনি 'ক্যংক্ৰা' ঘৰত প্ৰতিষ্ঠা কৰে। এই কাৰ্যসূচী সম্পাদন কৰোতে ৰাইজে নানাবিধ তাই-বৌদ্ধসকলৰ পৰম্পৰাগত বাদ্যযন্ত্ৰ বজাই শোভাযাত্ৰা কৰি মূৰ্তিৰ ওপৰত আখৈ আৰু নানাবিধ ফুল ছটিয়াই আহে। 'ক্যংক্ৰা' ঘৰত থাপনা কৰাৰ আগতে ইয়াৰ সন্মুখত সজাই থোৱা এখন বহল আসনত কিছুসময়ৰ বাবে মূৰ্তিটো ৰখা হয় আৰু সেই সময়ত সকলোৱে সুগন্ধি পানী মূৰ্তিৰ ওপৰত ঢালিবলৈ লয় আৰু পূজা-সেৱা কৰে। ইয়াৰ পিছতে ভিক্ষু বা শ্ৰমণে মূৰ্তিবিলাক এটি এটিকৈ 'ক্যংক্ৰা' ঘৰৰ ভিতৰলৈ লৈ যায় আৰু তাই গণনামতে পৰিপাটিকৈ মূৰ্তিবিলাক থাপনা কৰা হয়। তাৰ পিছত ভিক্ষু-শ্ৰমণ আৰু ৰাইজে পুনৰ মূৰ্তিৰ প্ৰতি সেৱা-সৎকাৰ কৰে আৰু লগে লগে উৎসৱ আৰম্ভ হয়। সেই সময়ৰ পৰা সকলোৱে হাতত বিবিধ পাত্ৰ লৈ নতুন নতুন সাজ-পোছাক পিন্ধি শাৰী পাতি সেই পাত্ৰসমূহত চন্দন বা আন সুগন্ধি তেলৰ লগত মিহলোৱা পানী ভৰাই আনি মূৰ্তিবিলাকক স্নান কৰোৱায়।

ইয়াক তাই ভাষাত 'চনফ্ৰা' (বুদ্ধ মূৰ্তি স্নান) বোলা হয়। ব'হাগ বিহুত গৰুক গা ধুওৱাৰ লগত 'চনফ্ৰা'ৰ কিছু সাদৃশ্য আছে। পাত্ৰসমূহত ভৰাই নিয়া পানী পোনে পোনে মূৰ্তিবিলাকৰ গাত ঢালি দিয়া নহয়। সেই পানী পাত্ৰসমূহৰ পৰা নেওৰাখনত ঢালি দিয়া হয় আৰু সেই পানীখিনি গৈ চকৰিটোৰ গাত থকা সৰু সৰু নলীৰ চুঙাত বিন্ধাইদি জোৰেৰে ওলাই যায়; সেই জোৰতে চকৰিটো ঘূৰিবলৈ ধৰে আৰু পানী ছিটিকি গৈ মূৰ্তিবিলাকৰ ওপৰত পৰেগৈ। এইদৰে গোটেই দিনটো 'চনফ্ৰা' কৰা হয়। ইয়াৰ লগতে ল'ৰা-ছোৱালী, ডেকা-গাভৰু আনকি বুঢ়া-বুঢ়ীসকলেও পানীৰ খেল খেলি ৰং-তামাচা কৰে। ইয়াৰ লগত ফাকুৱা উৎসৱৰ সাদৃশ্য আছে। 'চন্‌ফ্ৰা' কৰা দৃশ্য অতি মনোৰম। ইয়াত সকলো সম্প্ৰদায় আৰু ধৰ্মাৱলম্বী লোকে অংশগ্ৰহণ কৰে। ইয়াক চাবলৈ অনেক লোকৰ সমাৱেশ হয়।

সন্ধ্যাৰ লগে লগে 'চনফ্ৰা' বন্ধ হয় আৰু তেতিয়া ৰাইজে 'ক্যংফ্ৰা' ঘৰৰ সন্মুখত সমবেত হৈ খাম্‌চিন (প্ৰাৰ্থনা), চিমিথং (বন্তি প্ৰজ্বলন) আদিৰ আয়োজন কৰে। নিশাটো ডেকা-গাভৰুহঁতে তাই বিহুনাম গাই মূৰ্তিবিলাক ৰখে। তদুপৰি, সাংস্কৃতিক অনুষ্ঠান, আলোচনা চক্ৰ, ধৰ্মসভা আদিও অনুষ্ঠিত হয়। ৰাতিপুৱা ৰাইজ পুনৰ 'ক্যংফ্ৰা' ঘৰৰ সন্মুখত সমবেত হৈ তাংচম্ (অন্নদান প্ৰাৰ্থনা), পুষ্পদান আদি কৰি বুদ্ধ-পূজা কৰে আৰু নতুন বছৰটোৰ আৰম্ভণিৰ লগে লগে বিশ্বত মানৱ জাতিৰ আৰু জীৱ-জন্তুৰ কল্যাণ আৰু সুখ-শান্তি হ'বলৈ ভগৱান বুদ্ধৰ ওচৰত প্ৰাৰ্থনা জনায়। সেই সময়ৰ পৰা পুনৰ 'চন্‌ফ্ৰা' আৰম্ভ হয়। এইদৰে চ'তৰ সংক্ৰান্তিৰ দিনাৰ পৰা তিনি দিনলৈ এই উৎসৱ তাই-বৌদ্ধ জনগোষ্ঠীৰ লোকসকলে অতি ৰং-ৰহইচ আৰু উলহ-মালহেৰে পালন কৰে। উৎসৱৰ সামৰণি পৰাৰ লগে লগে মূৰ্তিবিলাক পৰম্পৰাগত ৰীতি-নীতি অনুসৰি সেৱা-সৎকাৰ কৰাৰ পিছত ভিক্ষু-শ্ৰমণে পুনৰ বিহাৰৰ ভিতৰলৈ লৈ যায় আৰু বছৰটোৰ বাবে চাফ-চিকুণ কৰি পালঙত (থাপনা) আগৰ দৰে ৰখা হয়। লগে লগে বিহাৰৰ ভিতৰখন চন্দনৰ পানী ছটিয়াই পবিত্ৰ কৰা হয়। এই চন্দনৰ পানী ৰাইজৰ গাত ছটিয়াই দি তেওঁলোকৰ মংগল আৰু সুখ-শান্তি কামনা কৰা হয়। উৎসৱৰ সামৰণিৰ পিছদিনা অথবা কেইদিনমানৰ পিছত ৰাইজে 'চম্ চাংকেল' (ধৰ্মীয় অনুষ্ঠান) পাতে আৰু ইয়াৰ জৰিয়তে গাঁৱৰ ৰাইজৰ মংগল কামনা কৰা হয় আৰু লগতে বিশ্বশান্তি কামনা কৰা হয় আৰু পুৰণি বছৰক বিদায় দি নতুন বছৰক আদৰণি জনোৱা হয়। সামৰণিত ভিক্ষু-শ্ৰমণে বুদ্ধ মূৰ্তিবিলাক বিচনীৰে বিচি দিয়াৰ পিছত ৰাইজে বিচনী ব্যৱহাৰ কৰিব পাৰে।

অসমৰ ৰঙালী বিহুৰ সময়তে 'পয়চাংকেন উৎসৱ' পালন কৰা হয় বাবে উভয়ৰ মাজত এক নিবিড় সাংস্কৃতিক সমন্বয় গঢ়ি উঠিছে। সেয়ে তাই-বৌদ্ধসকলে

বহু বছৰৰ আগৰ পৰা ৰঙালী বিহুক জাতীয় উৎসৱ হিচাপে পালন কৰি আহিছে। বিহুত হুঁচৰি গোৱাৰ দৰে 'পয়চাংকেন উৎসৱ'ৰ শেষত তাই-বৌদ্ধ জনগোষ্ঠীৰ লোকসকলৰ মাজত তাই বিহু হুঁচৰি, পিতৃ-মাতৃ আৰু বয়োজ্যেষ্ঠ লোকসকলক নতুন বছৰৰ উপলক্ষে সেৱা-সৎকাৰ কৰা, খোৱা-বোৱা (পিঠা, জলপান আদি), ফুৰা-চকা কৰা আদি প্ৰথাও আছে। তদুপৰি, 'পয়চাংকেন উৎসৱ' পালনৰ উপলক্ষে তাই লোকগীত, নৃত্য আদিৰো আয়োজন কৰা হয়।

উল্লেখযোগ্য যে 'পয়চাংকেন উৎসৱ' অসম আৰু উত্তৰ-পূব ভাৰতৰ তাই-বৌদ্ধসকলৰ বাহিৰেও দক্ষিণ-পূব এছিয়াৰ তাই অধ্যুষিত দেশসমূহৰ আৰু বিশ্বৰ বিভিন্ন দেশত ভিন ভিন নামেৰে একে সময়তে আৰু একে পৰম্পৰা আৰু ৰীতি-নীতি অনুসৰি পালন কৰা হয়। সেয়ে এই উৎসৱ পালনৰ জৰিয়তে এক ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক সাংস্কৃতিক সমন্বয় গঢ়ি উঠিছে আৰু এই সমন্বয়ৰ জৰিয়তে আমাৰ ওচৰ-চুবুৰীয়া দেশসমূহৰ উপৰিও বিশ্বৰ অন্যান্য দেশসমূহৰ লগত সাংস্কৃতিক ঐক্য স্থাপিত হৈছে।

মটক জনগোষ্ঠীৰ ব'হাগ বিহু ঃ এক আলোকপাত

সুশীল কুমাৰ গগৈ

নামনি অসমৰ তুলনাত উজনি অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ লোক-সংস্কৃতিৰ গীত-নৃত্য অনুষ্ঠানৰ বিচিত্ৰতা কিম্বা লোকাচাৰজনীন পূজা-পাৰ্বণ আদিৰ বৈচিত্ৰ্যময় সমাহাৰ দেখাত কম। যিখিনি আছে সেইখিনি সীমিত আৰু গোষ্ঠীগত পৰিসীমাৰ মাজতে আৱদ্ধ হৈ থকা যেন লাগে। বৰঞ্চ ব্যাপক আৰু উমৈহতীয়া ৰূপত বছৰে বছৰে উদ্‌যাপিত হৈ অহা লোক-সংস্কৃতিমূলক উৎসৱ এটাৰ বিবিধা-বৈচিত্ৰ্য ৰূপহে উজনি অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ মাজত বহুলভাৱে বৰ্তি থকা দেখা যায়। সেয়াই হ'ল বিহু, বিশেষকৈ চ'তৰ সংক্ৰান্তিত পালন কৰা ব'হাগ বা ৰঙালী বিহু। আনকি উজনি অসম খণ্ডৰ কোনো কোনো জনগোষ্ঠীৰ মাজত কাতি বিহু বা ভোগালী বিহুৰ বিশেষ প্ৰাদুৰ্ভাৱ নাই। 'বিহু' বুলিলেই তেওঁলোকে ব'হাগৰ বিহুটোকে মাথোঁ জানে আৰু উৎসৱমুখৰ পৰিৱেশত উদ্‌যাপন কৰে প্ৰায় মাহজুৰি। উজনি অসমৰ খিলঞ্জীয়া জনগোষ্ঠীয় মিশ্ৰিত সমাজখন মূলতঃ তিব্বত মংগোলীয় জনগোষ্ঠীৰ। তেওঁলোকৰ জীৱিকাৰ প্ৰধান উপায় কৃষিনিৰ্ভৰশীল হোৱাৰ বাবেই হয়তো মংগোলীয়প্ৰধান পূব এছিয়াৰ অন্যান্য দেশসমূহে পালন কৰা কৃষি বা বসন্ত উৎসৱৰ দৰে কৃষিমূলীয় বিহু উৎসৱক খণ্ডটোৰ ভিন ভিন মংগোলীয়মূলীয় জনগোষ্ঠীৰ লোকসকলে আদিম কালৰে পৰা স্পষ্টবাদী জীৱনৰ প্ৰয়োজনীয়তাতে নিজস্ব ধ্যান-ধাৰণা আৰু নিষ্ঠা-আগ্ৰহেৰে বছৰে বছঁৰে পালন কৰি আহিছে। আৰু, সেইদৰে ঋতুকালীন শস্যসম্ভৰা পৃথিৱীৰ বিপুলায়তনত উৎসৱমুখৰ পৰিৱেশ সৃষ্টি, নৃত্য-গীতৰ উপচাৰেৰে কৃষ্টিৰ অমিয়া ঢালি জীৱন সাৰ্থক কৰাৰ তৃপ্তি-আনন্দও অনুভৱ কৰে। সঁচা কথা যে উজনি অসমকে লৈ সমগ্ৰ ৰাজ্যখনতে ৰঙালী বিহু আজি জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে এক উমৈহতীয়া তথা জাতীয় উৎসৱ হিচাপেই পালন কৰা হয়। পিছে ইয়াৰ মূল প্ৰৱাহটো এই খিলঞ্জীয়া জাতি-গোষ্ঠীসমূহৰ সত্তাৰ পৰাহে যে উৎপত্তি হৈছে সেই কথা প্ৰত্যক্ষ কৰিলেই উপলব্ধি কৰিব পাৰি। একেযাৰতে ক'বলৈ গ'লে বিহু গ্ৰাম্য সমাজৰ দান। অসমীয়াৰ জাতীয় জীৱনৰ চৰিত্ৰ আৰু গণসংস্কৃতিৰ আৱশ্যকীয় সমস্ত উপাদানেই ইয়াৰ মাজত নিহিত হৈ থকাৰ সুবাদতহে বিহুৱে আজি উৎসৱলৈ ৰূপান্তৰিত হোৱাৰ কৃতিত্ব বহন কৰিব পাৰিছে। ইয়াৰ পাখিত ভৰ দিয়ে জাতীয় উৎসৱ বিহুৰ বৰ্তমান ক্ৰমাগত বিস্তাৰো পৰিলক্ষিত হৈছে।

মটকসকল উজনি অসম খণ্ডত প্ৰাগ্‌আহোম যুগৰে পৰা বসবাস কৰি অহা এক অন্যতম জনগোষ্ঠী। ধৰ্মীয় প্ৰলেপ আৰু বিশেষকৈ অন্যান্য কিছু একেমূলীয় জনজাতিৰ সংমিশ্ৰণত বৈষ্ণৱ ধাৰা এটাৰ গণতান্ত্ৰিক প্ৰভাৱত ধৰ্মীয় দিশেৰে একে মতত বিশ্বাসী হৈ উঠাৰ বাবেই অনেক বুৰঞ্জী লেখকে ইয়াক ধৰ্মীয় সম্প্ৰদায় বুলি মূল্যায়ন কৰিছে যদিও মটক ঐতিহাসিকভাৱে তাই মংগোলীয় জনগোষ্ঠীৰ চ্যুকাফাৰ আগমনৰ পূৰ্বেই অসমলৈ আহি বসবাস কৰা এক নৃগোষ্ঠীহে। 'আহোম বুৰঞ্জী'ত মটকসকলক 'আনখ্যাও ফুক্যাও' (Ankhao phukhao) অৰ্থাৎ 'পূৰ্বে অহা ফুক্যাও' বুলি উল্লেখ কৰিছে। 'ফুক্যাও' হ'ল তাইসকলৰ বৃহৎ 'পুথ্যাই' শাখাৰ এক অন্যতম ঠাল। বুৰঞ্জীখনত যোল্লশ শতাব্দীলৈকে মটকৰ কথাহে বিশেষভাৱে ঠাই পাইছে আৰু পৰৱৰ্তীকালৰ ঘটনাৱলীৰ বৰ্ণনাত মটক, মোৱামৰীয়া আৰু মৰাণ তিনিওটাৰে প্ৰসংগ সুকীয়া সুকীয়াকৈ উল্লেখ ঘটিছে। সেয়েহে হয়তো তাই আহোমসকলৰ ৰঙালী বিহুৰ পালনীয় ৰীতি-নীতি, আচাৰ-সংস্কাৰসমূহৰ সৈতে মটকসকলৰ বিহু সংস্কৃতি যথা, গৰুক গা ধুওৱা, কণী যুঁজোৱা, কড়ি খেলা, হুঁচৰি গোৱা, জেং বিহু বা গছতলৰ বিহুৰ উপৰিও বিহুৰ ঢোল, পেঁপা, গগনা, গীত-মাত, নাচোনভংগি আদি ৰূপতাত্ত্বিক দিশ বা উপাদানসমূহৰ এক নিকট সামঞ্জস্য প্ৰত্যক্ষ কৰা যায়। ধৰ্মীয় আৱেষ্টনীৰ আঁৰকাপোৰখন গুচাই চালেই গোষ্ঠী দুটাৰ মাজত প্ৰাচীনতা আৰু মিলখিনি স্পষ্টকৈ ধৰা পৰে।

যি কি নহওক, বিহু অসমীয়াৰ 'বাপতি সাহোন' বোলা কথাষাৰ মটকসকলৰ ক্ষেত্ৰত আখৰে আখৰে প্ৰতিপালিত হৈ থকা কথাটোৱে পৰিলক্ষিত হয় আৰু সেইবাবেই বিহু উদ্‌যাপন কৰা কথাটো এই জনগোষ্ঠীত আজিও বাধ্যতামূলক। অসমীয়াৰ বিহু উৎসৱৰ ক্ষেত্ৰত 'সাতবিহু' পালনৰ কেউটা বিশিষ্টমান বা ৰূপ, যেনে— 'গৰু বিহু', 'মানুহ বিহু', 'গোসাঁই বিহু', 'কুটুম্ব বিহু', 'চেনেহী বিহু', 'চেৰাবিহু' আৰু 'বিহু উৰুৱা' মটকসকলৰ বিহু উদ্‌যাপনত আজিও কিছু শিথিলভাৱে হ'লেও পৰম্পৰা মানি বৰ্তি আছে। অৱশ্যে এইক্ষেত্ৰত বিহু পূৰ্বৰ সাত দিনৰ ঠাইত বাৰ-পোন্ধৰ দিন ধৰি উদ্‌যাপন কৰা কথাটো বিশেষভাৱে চকুত নপৰা নহয়। সেয়া দৰাচলতে পৰিৱৰ্তিত সময় আৰু পৰিস্থিতিয়ে সন্মুখীন কৰা পৰিৱেশটোৰ প্ৰভাৱ। কিয়নো মটক সমাজত গাঁৱৰ প্ৰতিঘৰ গৃহস্থত হুঁচৰি গোৱাটো পৰম্পৰাগতভাৱেই বাধ্যতামূলক। আজিৰ ঘন বসতিপূৰ্ণ গাঁও এখনৰ প্ৰতি গৃহস্থ ঘৰত নিশা পুৱতিও হুঁচৰি গাই সাত দিনৰ ভিতৰত যিহেতু অন্ত পেলোৱাটো অসম্ভৱ সেয়েহে বিহু পালনৰ দিন দীঘলীয়া কৰাৰ অবিহনে গত্যন্তৰ নাথাকে। আৰু বিহু ওৰ নপৰা পৰ্যন্ত 'চেনেহী'সকলৰ 'গছ তলৰ বিহু' সামৰণি পৰাৰ প্ৰসংগও নুঠে। সেয়েহে গাঁৱৰ বিহু আজিকালি বাৰ-পোন্ধৰ দিন থকাকৈ দীঘলীয়া হয়। বিহুৰ আৰম্ভণিৰ দিনা নামঘৰত ভকত-গৃহস্থবৃন্দ গোট খাই অনুষ্ঠিত কৰা 'বিহুৰ চালি' (বিহু কীৰ্তন) খোৱা দিনাই বিহু সেইবাৰ কেইদিনীয়া হ'ব

তাক নিৰূপণ কৰে। সাধাৰণতে বিহুৰ এনে দিন বাৰ-এঘাৰ দিনৰ পৰা পোন্ধৰ দিনৰ ভিতৰত থাকে।

অন্যান্য খিলঞ্জীয়াসকলৰ দৰেই গৰু বিহু মটকসকলৰো লোকায়তী বিশ্বাস-ধাৰণাৰে পৰম্পৰাগতভাৱে পালন কৰি অহা বিহুৰ এক অন্যতম প্ৰধান অংগ। কৃষিজীৱী গোষ্ঠী হিচাপে গো বা গৰু মটক জনগোষ্ঠীৰো কৃষি প্ৰণালীৰ উৎকৰ্ষ আৰু সমৃদ্ধিৰ এক ডাঙৰ সম্পদ। কৃষিভিত্তিক বাপতি সাহোনীয়া বিহু উৎসৱৰ সৈতে সংগতি ৰাখি সেয়েহে চৈত্ৰ সংক্ৰান্তিৰ দিনা গৰু বিহু পাতি সেইদিনাখন পুৱাই নৈ বা পথাৰৰ পুখুৰীলৈ নি সমূহীয়াকৈ মাহ-হালধিৰে গৰুক গা ধোৱায়। দুডলীয়া আৰু তিনিডলীয়া বাঁহৰ চাকত মালাৰ আকাৰে গাঁথি নিয়া লাউ-বেঙেনা-হালধি-থেকেৰাৰ বিবিধ টুকুৰাৰে 'লাউ খা, বেঙেনা খা, দিনে দিনে বাঢ়ি যা/ মাৰে সৰু বাপেৰে সৰু তই হ'বি বৰ বৰ গৰু' বুলি গালৈ দলিয়াই গাত লাহনিৰে পানী মাৰি মাৰি দুই হাতেৰে গৰুৰ পিঠি-মূৰ মোহাৰি গা ধোৱায় আৰু অন্তত পথাৰত চৰিবলৈ এৰি দিয়ে। পথাৰলৈ নিওঁতে দীঘলতি-মাখিয়তী পাতেৰেহে হুৰাই খেদি নিয়ে। গৰুক গা ধুওৱাৰ প্ৰাক্‌ক্ষণত উপস্থিত থকা বয়োজ্যেষ্ঠ ভকত এগৰাকীৰ সন্মুখতে পাণ-তামোলেৰে শৰাই আগবঢ়াই গৰুক গা ধোৱাবলৈ অহা সকলোৰে একগোট হৈ বছৰ দিনলৈ গোহালিৰ গৰুকেইটাই যাতে বল-শক্তি আৰু দীৰ্ঘ আয়ুস পায় তাৰ বাবে সেৱা-প্ৰাৰ্থনা কৰি আশীৰ্বাদ লয়। গৰুক গা ধুৱাবৰ সময়ত 'হিলৈ' ফুটুৱায়। গধূলি গৰু গোহালিৰ সন্মুখত আৰু ঘৰৰ পদূলিত তুঁহগুড়ি, ভাং গছ, পচতীয়া, বিহলঙনি আদিৰ পাতেৰে জুই জ্বলাই ধোঁৱাৰ যাগ দিয়ে। পিঠা-পনা আদি গৰুৰ মুখত দি গোহালিত সন্ধ্যা সেইদিনা গৰুৰ ডিঙিত ন-পঘা পিন্ধায়। সাধাৰণতে চ'ত মাহ সোমোৱাৰ লগে লগেই ডেকাসকলে জুম পাতি নৈৰ পাৰৰ হাবিয়নি, চাপৰিৰ পৰা গৰুৰ ন-পঘা বাটিবৰ বাবে তৰাগছ আনিবলৈ যায়। বাৰীত থকা ওদাল গছৰ ছাল উলিয়াই কোনোৰে পঘা বাটিলেও তাৰ লগত তৰাগছৰ এছটা ৰছী লগাই দিয়াটো নিয়ম।

উল্লেখ্য যে গৰুক গা ধোৱাবলৈ নিয়া লাউ-বেঙেনাৰ চাকবোৰৰ পৰম্পৰ ঘৰৰ মাজত গা-ধুওৱাসকলে সাল-সলনি কৰি আনে আৰু গোহালিৰ চালত গোঁজ মাৰি থৈ দিয়েহি। জনবিশ্বাসমতে এনে কৰিলে গোহালিৰ গৰু-গাইৰ মাৰি-মৰক বেমাৰ-আজাৰ গুচে। সেইদৰে গধূলি তুঁহগুড়িৰ জুই জ্বলাই ভাং পাত, পচতীয়া পাত আদিৰে যাগ ধোঁৱা দিলে মহ-ডাঁহ-মাখি আদিৰ প্ৰকোপ ৰোধ হয় বুলি বিশ্বাস। গৰু বিহুৰ দিনাখন আমৰলি পৰুৱাৰ টোপ্ মটকসকলে উপকাৰী আৰু সুখাদ্য হিচাপে গ্ৰহণ কৰে। সেইদিনাখন মুকলি পথাৰত আটায়ে লগ হৈ কণী যুঁজ খেলে। কণীৰ সৈতে এশবিধ বনশাকৰ আঞ্জা পইতা ভাতেৰে খায়। জীয়ৰী-বোৱাৰীহঁতে হাতত

আৰু নখত জেতুকাৰ বোল দিয়ে। জেতুকাৰ বোলে বসন্ত বা তেনে অন্য চৰ্মৰোগ প্ৰতিহত কৰে বুলি বিশ্বাস কৰে। তদুপৰি গৰু বিহুৰ দিনাই পথাৰৰ পৰা অহাজনে বাহিৰে বাহিৰে একে উশাহতে ঘৰৰ চাৰিওফালৰ চাৰি খুঁটাত চাৰি কোৰ মাটি দিয়াৰ পৰম্পৰা মটক সমাজত বৰ্তি আছে। উদ্দেশ্য— নতুন বছৰত বিহুৰ আৰম্ভণিৰ দিনাই ঘৰৰ ভেটি নতুন কৰা। সেইদৰে গৰু বিহুৰ দিনাখন ডেকাহঁতে চেনেহীক দিবৰ বাবে কপৌফুল, বৰহমথুৰি আদি বিচাৰি হাবিলৈ যোৱা, নৈৰ ন-পানীত সাঁতুৰি গা ধোৱা, আবেলি গপ খেলা, কড়ি খেলা আদি বিভিন্ন প্ৰথা প্ৰচলিত আছিল। যিবোৰৰ অৱক্ষয়ী ৰূপ এটাহে আজিকালি সমাজখনৰ অ'ত-ত'ত দেখিবলৈ পোৱা যায়।

অন্যান্য খিলঞ্জীয়াসকলৰ দৰে মটকসকলৰ মানুহ বিহু, গোসাঁই বিহু, কুটুম্ব বিহু, চেনেহী বিহু, চেৰা বিহু, বিহু উৰোৱা আদি পৰম্পৰাবোৰ প্ৰথম ব'হাগৰ দিনটোৰ পৰাই সানমিহলি অৰ্থাৎ প্ৰত্যক্ষভাৱে সমাজখনত জড়িত থকাসকলে সুবিধানুযায়ী নিজা নিজাকৈ পালন কৰি যায়। সেইদিনাখনৰে পৰা ডেকাসকলে হুঁচৰি গোৱা, গাভৰুৰ গছতলৰ বিহু, পিতৃ-মাতৃ তথা জ্যেষ্ঠজনক সেৱা-সন্মান জনোৱা, নতুন সাজ-কাপোৰ পিন্ধাৰ মাজেৰে আপোনজনৰ ঘৰলৈ গৈ বিহুৰ পিঠা-পনাৰে আপ্যায়িত হোৱা, গোসাঁইক বিহুৰ সেৱা জনাবলৈ সত্ৰলৈ যোৱা, কুটুম্ব খোৱা, গৃহস্থৰ ঘৰত ভকতৰ 'বিহুছালি খোৱা' আদি বিবিধ নিয়মিত পৰ্ব-সূচীবোৰেৰে সাত দিনৰ পৰা পোন্ধৰ দিন পৰ্যন্ত মটকসকলৰ গ্ৰাম্য জীৱনৰ পৰিৱেশ বিহু উৎসৱেৰে খদম্‌দমাই থাকে। বিশেষকৈ ডেকা-গাভৰুৰ হাঁহি-কিৰিলি, ঢোল-পেঁপা-টকা-গগনাৰ মাতে বাপতি সাহোন বছৰৰ বিহুটোৰ স্বাচ্ছন্দ্য ৰূপটো জীপাল কৰি তোলে ঠিক যেন— 'এইবাৰ বিহুটো ৰমকে-জমকে নাহৰ ফুল ফুলিবৰ বতৰ' সদৃশেৰে।

হুঁচৰি গোৱাটো মটক সমাজত বাধ্য-বাধকতাজনীন ৰীতি। হুঁচৰি গোৱা ডেকাসকলক 'গৰখীয়া ল'ৰা' বোলা হয় আৰু ডেকাচাং বা ডেকাসকল যিহেতু গাঁওখনৰ অতন্দ্ৰ প্ৰহৰী স্বৰূপ অমোঘ শক্তি, সেয়েহে মটক সমাজত 'গৰখীয়া' বা ডেকা ল'ৰাজাকৰ স্থান অভেদ আৰু সেইমতে হুঁচৰিৰ স্থানো প্ৰতিঘৰ গৃহস্থৰ বাবে আছুতীয়া। এই সমাজত চ'ত মাহৰ পোন্ধৰ দিনমানৰ পৰা পথাৰৰ নিৰ্দিষ্ট এজোপা গছৰ তলত 'বালি হুঁচৰি' গাই 'বিহু নমোৱা'ৰ পৰম্পৰা আছে। মটকসকলৰ হুঁচৰি ধৰ্ম প্ৰভাৱযুক্ত আৰু সেয়েহে অন্যান্যসকলৰ তুলনাত ধীৰ আৰু সংবেদনশীল। পদসমূহ প্ৰথমে ঢোল-তালৰ লেহেমীয়া লহৰেৰে মন্থৰকৈ গতি লৈ ক্ৰমে ক্ৰমে দ্ৰুততৰ হৈ শীৰ্ষলৈ উঠে আৰু অন্ত পৰে। হুঁচৰিৰ গীত-পদ, হস্ত, পদচালনা, দেহভংগী, ঢোলৰ ছেও আদিৰ যিহেতু অলিখিত ব্যাকৰণ আছে সেয়েহে সেইবোৰ হুঁচৰি গাওঁতে যাতে নিখুঁত আৰু দৃষ্টিনন্দন হয় তাৰ বাবেই এই বালি হুঁচৰিৰ আখৰা। সেই উদ্দেশ্যে বিহু প্ৰথম নমোৱাৰ দিনাখন 'নামভকত' এগৰাকীক বিহু নমোৱা ঠাইলৈ নিমন্ত্ৰণ কৰি নি

তাপোল-পাণৰ শৰাই আগবঢ়াই হুঁচৰি গোৱাৰ নীতি-নিয়মখিনি যাতে সুচাৰুৰূপে পালন কৰিব পাৰে তাৰ বাবে আটায়ে একগোট হৈ আশীৰ্বাদ লয়। 'বালি হুঁচৰি' গাওঁতে গোৱা পদবোৰো সুকীয়া ধৰণৰ, যিবোৰ পৰম্পৰাগতভাৱে মুখে মুখেই প্ৰচলিত হৈ আহিছে। যেনে—

১। হুৰাই ল' সৰগৰ তৰা
চাই থাক চাই থাক নিলগৰ পৰা।

২। হুৰাই ল' ধানখেৰৰ ছাই
অতি মোৰ চেনেহৰ ব'হাগৰ বিহুটি
নমাই আনিবলৈ যাওঁ।

৩। হুৰাই ল' নাহৰৰ কলি
চ'তৰ বিহুৰ আহিছে
তিৰ্‌বিৰ্ কৰি। ইত্যাদি

পদসমূহ ইংগিতধৰ্মী আৰু প্ৰতীকী অৰ্থত বিহুৰ আগমনত যৌথ কৃষি আৰু চিকাৰী জীৱনৰ প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হ'বলৈ অংগীকাৰবদ্ধ হোৱাটোকে যে সূচাইছে সেয়া অনুমান কৰিব পাৰি।

ব'হাগৰ প্ৰথম দিনাখনৰ পৰা মটক সমাজত ডেকাসকলে ঘৰে ঘৰে হুঁচৰি গোৱা আৰম্ভ কৰে। প্ৰথমে গাঁৱৰ সৰ্বজ্যেষ্ঠ আৰু মান্যজন হিচাপে 'গাঁওবুঢ়া'ৰ ঘৰত আৰু তাৰ পিছত জ্যেষ্ঠতাৰ গুণ অনুসৰি ধনী-দুখীয়া নিৰ্বিশেষে প্ৰতিজনৰ ঘৰৰ চোতালত সন্ধ্যাৰ পৰা নিশাটো হুঁচৰি গাই বাৰ-পোন্ধৰ দিনত নিৰ্দিষ্ট কৰি লোৱা দিন অনুযায়ী অন্ত পেলায়। বয়স বা জ্যেষ্ঠতা অনুযায়ী হুঁচৰিৰ গীত-পদসমূহ বিচাৰ কৰি চাই-মেলি গোৱাৰ পৰম্পৰা এটাই মটক সমাজত প্ৰচলিত আছে। উদাহৰণস্বৰূপে—

গাঁওবুঢ়াৰ ঘৰত— 'দেউতাৰ পদূলিত গোন্ধাইছে মাধৰী
কেতেকী মলেমলাই ঐ গোবিন্দাই ৰাম।'

ভজনীয়া বা শৰণীয়াৰ ঘৰত—'শংকৰ চ'তি মাধৱ মাৰলি
হৰি নামে হুঁচৰি গাই ঐ।'

অশৰণীয়া গৃহস্থৰ ঘৰত— 'কৃষ্ণই আহি বজাই বাঁহী
পদূলিতে বৈ।
ৰুক্মিণীয়ে তুতি কৰে
ঘৃত মধু লৈ।' ইত্যাদি

'গাঁওবুঢ়া'ৰ ঘৰত হুঁচৰি গাওঁতে পূৰ্বে 'বাৰমাহী গীত'ৰ পদহে লগোৱা হৈছিল বুলি জনা যায় আৰু তাৰ পিছতহে 'দেউতাৰ পদূলিত গোন্ধাইছে মাধৰী' পদটি গোৱা হৈছিল। উদ্ধাৰ কৰা তেনে এফাকি 'বাৰমাহী গীত' এইধৰণেৰে পোৱা গৈছে—

'চ'ততে শ্ৰীকৃষ্ণাই বিহুৱা চৰাই/শিপিনীৰ
সুখ নাই গৃহিণী বোলাই।
ব'হাগত বিলা (বিলাই) বিহু/ বুধে গৰু ধুৱাই।
পিতৃ-মাতৃ সেৱা কৰি গুৰু সেৱা পায়।
জেঠত কৃষক কঠীয়া পৰায়/জীৱিকা অষ্টে
যুগুতি কৰায়।
শাওণত অন্ধৰাক মেঘে কৰে ক্ৰিয়া/সেহিবেলা
শ্ৰীকৃষ্ণ কদমে চলিয়া।
আহিনত দুৰ্গা পূজা কাটে হাঁহ ছাগ/ সেহিবেলা
শ্ৰীকৃষ্ণা পায়লান্ত লাগ।
কাতিত কুটলুকা মৎস্যে কৰে লয়/আকাশত
বন্তি লগাই মিছাতে মৰয়।
পুহত পাত পতন্বৰ বিৰিখে নাই গুটি/এহি
মাহে যায় আয়ু চুলি তুতি।
মাঘত মাধৱক নুপূজিলে কেও/ইষ্টদেৱ
নুপূজে পূজে অন্যদেৱ।
ফাগুনত কন্যাদান কৰাইলা ভোজন।
অনিৰুদ্ধ কিংকৰ অৰুণ চৰণ।' (পৱিত্ৰ চুতীয়া ঃ 'ৰজাবাৰী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ বিহু', 'বিহুৱান', চাবুৱা আঞ্চলিক ৰঙালী বিহু সন্মিলন, ২০০৭ চন)। ঘোষা হুঁচৰি গাওঁতে ওজাই নৃত্যভংগী, বিভিন্ন হস্ত আদিৰ ঠাৰেৰে দৰ্শোৱা নিৰ্দেশ অনুযায়ী বাকীসকলে বৃত্তাকাৰে ঘূৰি ঘূৰি গায়। ঘোষা গোৱা অন্ত পৰাৰ পিছতহে ঢোলৰ ছেওত মালিতা, বিহুগীত আদি গাই বিহু মাৰে। হুঁচৰি আহিলে গৃহস্থই বিহু সোমাবৰ দিনৰে পৰা ঘৰৰ চালত তুলি থোৱা 'ঠোটনিবন' এখিনি হুঁচৰি দলৰ ভৰিৰ গচক পোৱাকৈ চোতালত সিঁচৰতি কৰি দিয়াটো নিময়। 'গৰখীয়া ল'ৰা'ৰ নাচোন-বাগোনত ভৰিৰ ধূলি লগা বনগোছা পুনৰ চালৰ ওপৰত তুলি থৈ দি গৃহস্থই বহু আলৈ-আথানিৰ পৰা বছৰটোলৈ সকাহ পায় বুলি মটক সমাজত এক বিশ্বাস আছে। বিহু মৰাৰ অন্তত গৃহস্থৰ হৈ পা-পৰিয়ালসৱে তামোলৰ শৰাই আগবঢ়ায় আৰু সাধ্যানুযায়ী অৰিহণা লগতে দি সেৱা ধৰে। ওজাই লগৰীয়াসকলৰ সমস্বৰে ঢোল-তাল বজাই 'জয় ৰাম বোলা, জয় হৰি বোলা' বুলি আৰম্ভণিতে জয়ধ্বনি দি 'খুঁটিত ম'হ, গোহালিত গৰু, আগে-পাছে চাৰিটা ভঁৰাল, পোৱে-জীয়ে নদন বদন, বেপাৰে-বাণিজ্যে উভৈনদী, খেতিয়ে-বাতিয়ে ভৰপূৰ হওক, মাৰি-মৰক-বিঘিনি আঁতৰক' আদি মংগলসূচক ধ্বনিৰে

তিনিবাৰ ঘূৰাই ঘূৰাই গৃহস্থ ঘৰক আশীৰ্বাদ দি হৰিধ্বনিৰে অন্ত পেলায়। উল্লেখ্য যে মটক সমাজত শৰণীয়া-ভজনীয়া ব্যক্তিয়ে 'গৰখীয়া ল'ৰা'ক সাধাৰণতে সেৱা নকৰে, সেৱা লয়হে। সেইদৰে গাভৰু ছোৱালী বা তিৰোতাই হুঁচৰিত অংশ নলয়। অৱশ্যে দৰ্শক হিচাপে চোৱাত বাধা নাই।

মটক সমাজৰ মাজত ৰাতিবিহুও এসময়ত আছিল, য'ত ডেকা-গাভৰুৱে একেলগে ৰাতি ৰাতি লগ বিহু পাতিছিল। তাৰ পৰিৱৰ্তে গাভৰু ছোৱালীসকলে এতিয়া দিনৰ ভাগত 'জেং বিহু' বা 'গছতলৰ বিহু' পাতে য'ত ডেকাসকলেও এক নিৰ্দিষ্ট সীমাত থাকি বিহু উপভোগ কৰে। বিহুনাম, যোৰানাম গাই মনৰ আদান-প্ৰদানো কৰাত সুবিধা পায়। বিহুৰ আগমনৰ লগে লগেই গাভৰুসকলে টকা, গগনা যোগাৰ কৰি প্ৰকৃতিৰ বুকুৰ পৰা মৰমৰ বিহুটোক আদৰি আনিবলৈ সাজু হয়। বিহু পতা ঠাইডোখৰক কোৱা হয় 'বিহু খোলা'। সাধাৰণতে যিডোখৰ ঠাই বা গছৰ তলত 'গৰখীয়া ল'ৰাই বিহু নমায়, সেইডোখৰ ঠাই বা গছজোপাৰ কাষৰ ওখ টিপ এটাতে গাভৰুৰ বিহু খোলাখন পতা হয়। ডেকাসকলেই গাভৰু বিহুৰ খোলাখন চিকুণাই বহলাই বিহুতলীঘৰ একোটাও নিৰ্মাণ কৰি দিয়ে। পিছে গাঁৱৰ ল'ৰাই নিজৰ বাই-ভনীয়েকে অংশ লোৱা নিজা গাঁৱত গছতলৰ বিহুখন নাচায়। আনকি ভুমুকিও নামাৰে। গাঁওখন আয়তনত ডাঙৰ হ'লে গাঁওখনৰ একো একোটা চুবুৰিক লৈয়ে গাভৰুৰ বিহু খোলা নিৰ্মাণ হয় বা পাতে। মানুহ বিহুৰ দিনাৰ পৰাই মটক সমাজত গাভৰু ছোৱালীৰ 'গছতলৰ বিহু' বা 'জেং বিহু' আৰম্ভ হয় আৰু বাৰ-পোন্ধৰ দিনৰ নিৰ্দিষ্ট সময়লৈকে চলে। প্ৰথম দিনা বিহুৱতীসকলে হাতে হাতে তামোল-পাণ লৈ গৈ বিহু খোলাত গোট খায় আৰু শৰাই এখন সজাই গছৰ তলত সেৱা কৰি বিহু আৰম্ভ কৰে। জাউৰিয়ে জাউৰিয়ে ভাহি উঠা বিহুনাম, টকা-গগনাৰ মাতত গাঁৱৰ নিৰ্জন দুপৰীয়াবোৰ সজাল-সবাক হৈ উঠে।

মটক সমাজৰ ব'হাগ বিহুৰ গছতলৰ গাভৰু 'বিহু খোলা'বোৰ ডেকা-গাভৰুৰ হিয়া-নিয়া-দিয়াৰ থলীও। ডেকা-গাভৰুৰ মুকলিমূৰীয়া প্ৰেম-পিৰীতি, আৱেগ-অনুভূতিৰ ছবিখনো প্ৰতিফলিত হয় ইয়াৰ গীত-মাত-নাচত। এই বিহুত প্ৰেম আছে, ভাবাৱেগৰ আদান-প্ৰদান আছে। পাছে সি দেহজ বা কৃত্ৰিম নহয়। আহিব পৰা সকলোধৰণৰ প্ৰতিকূল পৰিৱেশ বশ কৰাৰ ঐন্দ্ৰজালিক কল্পনাৰ ঐতিহ্যৰে ই মধুৰ। বিহুতলীত ঘটা এই মনৰ আদান-প্ৰদানে বস্তুতঃ ডেকা-গাভৰুৰ সৌষ্ঠৱময় দাম্পত্য জীৱন গঢ়াৰ দুৱাৰ এখনহে শেষলৈ মুকলি কৰি দিয়া দেখা যায়। গাভৰু বিহু খোলাৰ সবাতোকৈ প্ৰণিধানযোগ্য কথাটো হ'ল যে ভাবৰ আদান-প্ৰদান হিচাপে ডেকা-গাভৰুৰ একোগৰাকীয়ে ঠাইতে ৰচনা কৰি স্বৰবিন্যাসেৰে গোৱা অলিখিত বিহুনামবোৰ। যেনে—

ছোৱালী ঃ 'আমাৰ বিহুলৈ আহিছা ককাইটি
টকাটি যাচিছো লোৱা।
বৰতা নকৰি গোৱা নাম এযাৰি
নাচো ঘূৰি ঘূৰি চোৱা।।'

ডেকা ঃ 'নামৰো আছিলো ঘাইয়ে অ' লাহৰী
পদৰো আছিলো ঘাই।
নামো পাহৰিলো পদো পাহৰিলো
তোমাৰে মুখলৈ চাই।'

সেইদৰে আকৌ—

ছোৱালী ঃ 'আমাৰে ঘৰলৈ যাবানে চেনাইটি
আইৰ লগত চিনাকি হ'বা।
সুযোগ উলিয়াই আহি গৈ থাকিলে
ঘৰৰ মৰম চেনেহ পাবা।।'

ডেকা ঃ তোমাৰ ঘৰলৈ সদায় যাব পাৰো মই
যদি দিয়া মৰমৰ মাত।
তোমাৰ মাৰ বাপেৰে দেখিবকে নোৱাৰে
দেখা পালে কটৰা মাত।।' ইত্যাদি।

এয়া মাথোঁ হাততে পোৱা দুটি উদাহৰণহে। এনে সহস্ৰ যোৱানাম মুখে মুখে ঠাইতে ৰচনা হৈ ঠাইতে মৰহি গৈছে। তাৰ কিছু কিছুহে আৰ-তাৰ মুখ বাগৰি এনে ধৰণেৰে ৰৈ আছে। গছতলৰ বিহুৰ বিহুনামবোৰ স্বাভাৱিকতে নৈসৰ্গিক আৰু দেহবাদী ঐন্দ্ৰজালিক কল্পনাৰে সমৃদ্ধ। ধৰ্মীয় দৰ্শন বা আধ্যাত্মিক তত্ত্ব তাত নাই। জীৱনৰ আশা-আকাংক্ষা, পোৱা-নোপোৱাৰ আনন্দ-বিৰহ, সুখ-দুখ, ঘাত-প্ৰতিঘাত আদিয়েই গীতসমূহৰ মুখ্য বস্তু। শব্দ গাঁথনিও নিতান্ত সহজ, নিভাঁজ গাঁৱলীয়া। বিহু অন্ত পৰিবৰ দিনা ডেকা-গাভৰুৰ গীত-মাত, টকাৰ জাউৰি জাউৰি মাত আৰু নাচোনৰ গিৰিপনিত বিহু পকি উঠে। গাভৰুসকলে সেইদিনাখন প্ৰাণভৰি নাচে, হাঁচতিৰ তামোল-পাণ কাটি আটায়ে বিলাই খাই শেষত 'খাওঁ খাওঁ তামোলৰ পেলাই যাওঁ পিক্/ বিহু থৈ আহোঁগৈ কাকৰে তলীত' বুলি পদ এযাৰ গায় আৰু হাতৰ টকা গছৰ তললৈ দলিয়াই পেলাই পিছলৈ উভতি নোচোৱাকৈ ঘৰমুৱা হৈ হাঁহি-খিকিন্দালি কৰি দৌৰ ধৰে। লগে লগে বিহুটোৱেও বছৰ দিনলৈ বিদায় লয়। একেদিনাখনে বিহুৱা ডেকাসকলেও চ'তৰ বিহু নমোৱা ঠাইডোখৰতে ঢোল-তাল-পেঁপা লৈ পদ-ঘোষা গাই বিহু উৰুৱায়। বিহু উৰাওঁতে গোৱা পদসমূহ এনেধৰণ—

১। 'গাই ল' গাই ল' ল'ৰাহঁত ঐ
বিহু ভাটি মাৰি যাইনা ঐ।'
২। 'হুৰাই ল' সাপৰ কলপ
বিহু থৈ আহোঁকৈ কাকৰ তলত।'
৩। 'হুৰাই ল' ধানখেৰৰ ছাই
অতিকৈ চেনেহৰ ব'হাগৰ বিহুটো
হাততে মলঙি যায়।' ইত্যাদি

এইদৰে ঢোল-তালৰ ছেৱেৰে পদ গাই গাই অন্ত পৰাৰ পিছত ঢোলৰ মাৰি দূৰলৈ দলিয়াই দি নামঘৰমুখীয়া হয়। নামঘৰত বিহু ৰাজহুৱাভাৱে উৰুৱাবৰ বাবে গোট খাই থকা ভকত প্ৰমুখ্যে গৃহস্থ ৰাইজক বিহুৱা ডেকা-গাভৰুসকলে সমূহীয়াকৈ সেৱা জনায় আৰু বিহুটো পালন কৰোতে অজানিতে যদি কিবা দোষ-দায় লগাইছে তাৰ ক্ষমা ভিক্ষা মাগে।

মটকসকলৰ বিহু পালনৰ ৰীতিসন্মত কিছু ধৰ্মীয় বান্ধোন আছে যিবোৰ সচৰাচৰ অন্যান্যসকলৰ ক্ষেত্ৰত প্ৰত্যক্ষ কৰা নাযায়। শৰণীয়া বা বিবাহিতা পুৰুষ-তিৰোতাই বিহু ইয়াত নানাচে। নচাটো 'নামব্যভিচাৰ' বুলি গণ্য কৰা হয়। বিহুৰ ধৰ্মীয় দিশ সম্ভাৰসমূহৰ সৈতেহে তেওঁলোকৰ সম্বন্ধ। ডেকা ল'ৰাৰ হুঁচৰি গোৱাটো বাধ্যতামূলক। পৰিয়ালটোৰ প্ৰতি এজনে হ'লেও হুঁচৰি দলত প্ৰতিনিধিত্ব কৰাটো বাঞ্ছনীয়। সেয়া সম্ভৱ নহ'লে নিৰ্ধাৰিত অৰিহণা শৰাইসহ আগবঢ়াই আগতীয়াকৈ অনুমোদন লোৱাটো নিয়ম। বিহুৰ কেঁইদিনত গাঁৱত কাজিয়া কৰাটো দণ্ডনীয়। বিহু অন্ত পৰাৰ পিছতহে নীতিগতভাৱে গৃহস্থই ধানৰ ভঁৰাল খোলে। বিহু অন্ত পৰাৰ পৰা মাঘ মাহলৈকে গাঁৱত ঢোল নবজাই সামৰি থোৱাটোৱেই নিয়ম। মটক জনগোষ্ঠীৰ ওপৰত ধৰ্মৰ (মায়ামৰা বৈষ্ণৱ ধৰ্ম) প্ৰভাৱ বিস্তৰ। সেইদৰে বিহুটোৰ ওপৰতো। ধৰ্মই জনগোষ্ঠীটোৰ বহুতো বিশিষ্ট প্ৰাচীন উপাদান হয় পিষ্ট কৰিছে নহয় লুপ্ত ঘটাইছে। আনকি শদিয়া অঞ্চলৰ বহু জনগোষ্ঠীৰ মাজত সম্প্ৰতিও কেঁচাইখাতী গোসাঁনীৰ সম্পৰ্ক ৰহিত' মংগলে উৰুকা বুধে গৰু বিহু' বোলা ৰীতি প্ৰচলিত হৈ থকাৰ দৰে মটকসকলেও যে এসময়ত বিহু পালনৰ সেই ৰীতিৰে অনুগামী আছিল সেই কথা ওপৰত উল্লেখ কৰি অহা বাৰমাহী হুঁচৰি পদৰ 'ব'হাগত বিলা (বিলাই) বিহু / বুধে গৰু ধুৱাই...' বোলা কথাংশই প্ৰতীয়মান কৰে।

তাইফাকেসকলৰ বসন্ত উৎসৱ পয়চাংকেন

চাই একা গোহাঁই

অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীয়ে বছৰটোৰ বিভিন্ন ঋতুত ভিন ভিন উৎসৱ পালন কৰাৰ দৰে বৌদ্ধ ধৰ্মাৱলম্বী তাইফাকেসকলেও ঋতুভেদে ভিন ভিন উৎসৱ পালন কৰে। কিন্তু এই থেৰবাদী (হীনযানী) বৌদ্ধ তাইফাকেসকলে পালন কৰা উৎসৱবিলাক বিশেষকৈ ধৰ্মীয় সংস্কৃতিৰ পৰম্পৰাৰে প্ৰৱাহমান। যেনে— ইংৰাজী বৰ্ষৰ মে' মাহত (ব'হাগী পূৰ্ণিমা) বুদ্ধৰ জন্ম-বুদ্ধত্ব লাভ-মহাপৰি নিৰ্বাণৰ দিন হিচাপে সমগ্ৰ বিশ্বই পালন কৰা বুদ্ধজয়ন্তী, আহাৰী পূৰ্ণিমাৰ পৰা আহিনী পূৰ্ণিমালৈ বৌদ্ধধৰ্মীয় দায়ক-দায়িকাসকলৰ বৰ্ষাবাস (তিনিমহীয়া ব্ৰতৰ) নিবৃতিৰ অন্তত প্ৰবাৰণা উৎসৱ পয় অ'কৰা, আহিনী পূৰ্ণিমাৰ পৰা কাতিৰ পূৰ্ণিমালৈ কঠিন চীৱৰ দান মাহ, ফেব্ৰুৱাৰী মাহত বুদ্ধদেৱে নিজৰ পৰিনিৰ্বাণৰ দিন ঘোষণা কৰি আয়ু ক্ষয়ৰ দিন হিচাপে পৰিগণিত মেজি জ্বলোৱা, মাইক' চুম ফাই, সম্ৰাট অশোকে বুদ্ধৰ অস্থি ভস্মৰে সমগ্ৰ বিশ্বত চৌৰাশী হাজাৰ পেগুদা নিৰ্মাণৰ প্ৰতীক হিচাপে মাৰ্চ মাহত পয় চ্যেতি আৰু তাইফাকেসকলৰ আটাইতকৈ ৰঙিয়াল উৎসৱ বসন্ত উৎসৱ পয়চাংকেন। পয় মানে উৎসৱ আৰু চাংকনে মানে পানী ধোৱা কাৰ্য। অৰ্থাৎ বুদ্ধ মূৰ্তিক পানীৰে ধোৱা উৎসৱ।

প্ৰথমতে এটা নিৰ্দিষ্ট দিনত মূল বিহাৰৰ পৰা সম্ভৱ ক্ষেত্ৰত তুলি অনাৰ সামৰ্থ থকা মূৰ্তিবিলাকক বিহাৰ চৌহদৰ ভিতৰত আছুতীয়াকৈ নিৰ্মাণ কৰি থোৱা গৃহত সুশৃংখলভাৱে স্থাপন কৰা হয়। আৰু সেই স্থাপনৰ ব্যৱস্থা লোক বিশ্বাসৰ ভিত্তি মতেই সপ্তাহটোৰ বাৰ অনুযায়ী আগমন ঘটিব পৰা অশুভ শক্তিবিলাকক প্ৰতিহত কৰিব পৰাকৈ বুদ্ধ মূৰ্তিবিলাককো সেই দিশত সন্মুখ কৰি সজোৱা হয়। যেনে—

দেও আৰু শুকুৰ— পশ্চিম দিশ

সোম আৰু শনি— পূব দিশ

মঙল আৰু বুধ— দক্ষিণ দিশ

বৃহস্পতি— উত্তৰ

এতিয়া বুদ্ধৰ মূৰ্তিবিলাক মূল বিহাৰৰ পৰা তলৰ সুৰক্ষিত বুদ্ধ গৃহটোত (ক্যাং ফ্ৰা) ৰখা সময়ছোৱাক বুদ্ধৰ ধৰাত অৱস্থান কৰা সময় বুলি ধৰি লোৱা হয় আৰু সেই সময় মাত্ৰ বাৰন্ন ঘণ্টা। বুদ্ধ মূৰ্তিক তললৈ নমাই অনা আৰু তুলি নিয়াৰ শুভ সময় ম্যানমাৰৰ জ্যোতিৰ্বিদৰ দ্বাৰা পৰিৱেশিত প্ৰচাৰ পত্ৰত নিৰ্দেশ কৰা সময়ৰ ভিত্তিতে

সমাধা কৰা হয়। ম্যানমাৰৰ ধৰ্মীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ দ্বাৰা প্ৰেৰিত এই প্ৰচাৰ পত্ৰ পয়চাংকেন উদ্‌যাপনৰ এমাহমানৰ আগতেই অসমত বাস কৰা সকলো বৌদ্ধ ধৰ্মাৱলম্বী গাঁওসমূহে লাভ কৰে। আৰু সেইমতে নিৰ্ধাৰিত সময়সূচী অনুসৰিয়ে থেৰবাদী গাঁওসমূহে পয়চাংকেন উদ্‌যাপন কৰি আহিছে। বুদ্ধমূৰ্তি (ক্যংফ্ৰা)ত সংৰক্ষিত কৰি ৰখা বুদ্ধমূৰ্তিক পানীৰে ধুৱাবৰ বাবে গৃহটোৰ সোঁমাজত এডাল ডাঙৰ আকাৰৰ নলী যিডাল নলীৰ পাৰ্শ্ববৃত্তাকাৰ বেৰত সৰু সৰু বিন্ধা থকা সৰু আকাৰৰ নলীৰ লগত সংযুক্ত কৰি উলম্বভাৱে সংযোগ কৰা থাকে। আৰু সেই ডাঙৰ আকাৰৰ নলীৰ তলিভাগ অন্য এডাল নলীৰে সংযোগ কৰি গৃহটোৰ বাহিৰভাগত নাও আকৃতিৰ জলাধাৰতো সংলগ্ন কৰা থাকে। জলাধাৰটোত পানী ঢালিলে পানীভাগ নলীয়েদি পানীৰ ঊৰ্ধ্বমুখী হেঁচাৰ ফলত গৃহটোৰ সোঁমাজৰ নলীয়েদি পানী ঊৰ্ধ্বগামী হোৱা বাবে ডাঙৰ নলীডাল ঘূৰিবলৈ আৰম্ভ কৰে। আৰু সেই ঘূৰ্ণন গতিৰ বাবে নলীডালৰ লগত সংলগ্ন থকা সৰু সৰু বিন্ধা থকা সৰু নলীবিলাকো ঘূৰাৰ ফলত বিন্ধাইদি ওলোৱা পানীয়ে মূৰ্তিবিলাকক ধুৱাই যায়। নাৰত পানী ঢলাৰ কামত দিনৰ ভাগত সকলোৱে অংশগ্ৰহণ কৰে। পানী ঢলাৰ সময়ত সকলোৱে নিজৰ মনত পুহি ৰখা বাসনাবিলাক যাতে পূৰ্ণ হয় তাৰ বাবে একান্তমনে কামনা কৰে। নতুবা কিছুমান পানী ঢলাৰ আগতে পানীৰ পাত্ৰ ৰাখি প্ৰাৰ্থনা কৰি লয়। নদীৰ পৰা বা নৈলেগ উৎসৰ পৰা বাল্টি বা লোটাৰে পানী আনোতে পৰস্পৰে পৰস্পৰক পানী ছটিয়াই ৰং-ধেমালি কৰে। যুৱক-যুৱতীসকলৰ বেলিকা সেই ৰং-ধেমালি অধিকতৰ ৰূপত হোৱা দেখা যায়। আৰু এটা সময়ত সেই পানী ছটিওৱাৰ পৰা পানী ঢলা আনকি বোকা পানীৰ পৰা গৈ বোকা সনা-সনি পৰ্যায়লৈ ৰূপান্তৰিত হয়। এনেদৰেই বোকা-পানীৰ স'তে ৰং-ধেমালি, হাঁহি-খিকিন্দালিৰ উখল-মাখল পৰিৱেশেৰেই দিনৰ বেলিকা তাইফাকেসকলে উদ্‌যাপন কৰে পয়চাংকেন।

সন্ধিয়া হোৱাৰ লগে লগে সকলোৱে ফুল-মম-ধূপেৰে বুদ্ধমূৰ্তি সংৰক্ষিত গৃহ (ক্যংফ্ৰা)ত পেগুদা আৰু বোধিবৃক্ষত বুদ্ধ-বোধি বন্দনাৰ উপৰি বিহাৰৰ বাকৰিত থকা ধৰ্মীয় সৌধবিলাকতো মম জ্বলাই আলোকময় কৰি তোলে। পুৱা দোকমোকালিতে যুৱক-যুৱতী, দায়ক-দায়িকা, বয়সস্থ-বয়সস্থা সকলোৱে বিহাৰৰ সেই মূৰ্তি সংৰক্ষিত স্থানত থকা বুদ্ধৰ উদ্দেশ্যে অন্নপূজাৰ বাবে শাকান্ন, ফল-মূল, বিস্কুট, মিঠাইসহ যাৱতীয় খোৱাৰ সামগ্ৰীৰে শৰাই পূৰ্ণ কৰি যথাস্থানত সমৱেত হয় আৰু নিজৰ ধ্যান-ধাৰণাৰে বুদ্ধ বন্দনা কৰি পুৱাৰ বুদ্ধৰ উদ্দেশ্যে যোগাৰ কৰি অনা অন্ন পূজাৰ পৰ্ব সমাপ্ত কৰে। এনেদৰে দিনত পানীৰে মূৰ্তি ধোৱা কাৰ্য, সন্ধিয়া মম-ফুল-ধূপেৰে আলোকময় কৰি ফুল-মম পূজা আৰু পুৱা অন্ন-জলেৰে বুদ্ধ পূজাই পয়চাংকেনৰ

বৈশিষ্ট্য। যি বৈশিষ্ট্যত সংস্পৃক্ত হৈ আছে ধৰ্মীয় শীল-ভাবনা, মানৱীয় আৱেগ-অনুভূতি, জনজীৱনৰ প্ৰীতি-সম্প্ৰীতি, মৰম-চেনেহ, পাৰস্পৰিক ৰং-আনন্দ ধেমালি, সকলোৰে প্ৰতি কৰুণা-মুদিতাৰ ভাব। আৰু বছৰটোত এনে ধৰণৰ পূৰ্ণ পয়োভৰৰ উৎসৱ এবাৰহে আহে বাবে কৰ্মসূত্ৰে য'তেই নেথাকক লাগিলে সকলোৱে এই পয়চাংকেনৰ সময়ত ঘৰত উপস্থিত হয় আৰু প্ৰাণভৰি উপভোগ কৰে উৎসৱৰ আনন্দ। তথাপিতো সকলোৰে আদৰৰ ৰঙালী বিহুটোৰ যেনেদৰে আগৰ স্বকীয়তা ক্ৰমান্বয়ে লোপ পাইছে সেইদৰে তাইফাকেসকলৰ ৰঙিয়াল উৎসৱ পয়চাংকেনেও নিজৰ স্বকীয়তা হেৰোৱাৰ উপক্ৰম হৈছে। কাৰণ আগতে ব'হাগ বিহু আহিল বুলি ক'লে চ'ত মাহৰ পৰাই নদীৰ সিপাৰৰ গাঁৱৰ পৰা ঢোলৰ ধিনি ধিনি মাত ৰিণি ৰিণি শুনা গৈছিল। কিন্তু আজি আধুনিকতাৰ পৰশত মোহ্যমান হোৱা আজিৰ প্ৰজন্মৰ ধৰণ-কৰণৰ স'তে ব্যৱহাৰ্য সামগ্ৰীৰ জুই-ছাই দামৰ উপৰি বজাৰত বিদেশীৰ খাদ্যদ্ৰব্য-সামগ্ৰীয়ে কৃষক ৰাইজৰ গাঁঠিৰ ধন ছানকাঢ়ি লৈ যোৱাৰ সময়ত অসমীয়া সংস্কৃতিৰ বৰঘৰত প্ৰাচ্য-পাশ্চাত্যৰ বজৰুৱা সংস্কৃতিয়ে ভিৰ কৰি ৰঙালী বিহুৰ সেই আগৰ গছতলৰ বিহুক মঞ্চত উপৱিষ্ট কৰাই প্ৰতীকধৰ্মিতাৰ আশ্ৰয় লৈ পৰিৱেশন কৰাৰ ব্যৱস্থা কৰিলে। তেনেদৰেই পয়চাংকেনো সেই আগৰ দৰে চামে চামে যুৱতীসকলে ৰাতিৰ পৰত বুদ্ধৰ উদ্দেশ্যে বুদ্ধ বন্দনাৰ আখৰা, আহাৰ-মম-ফুলৰ পূজাৰ সময়ত প্ৰাৰ্থনাৰ আৰ্হিৰ আখৰা কৰাৰ ব্যৱস্থাও নাইকিয়া হ'ল। আৰু সেইদৰে যুৱকসকলো সেই চামে চামে যুৱতীসকলৰ বন্দনাৰ আখৰাত ব্যস্ত থকাৰ পৰাও বঞ্চিত হ'ল। অৱশ্যে কৰ্মময় জীৱনত সকলো কৰ্মসূত্ৰে দেশখনৰ বিভিন্ন প্ৰান্তত বসবাস কৰিবলৈ লোৱাৰ বাবে ল'ৰা-ছোৱালীবিলাকো শিক্ষাগ্ৰহণৰ অছিলাতে ঘৰৰ পৰা বহুদিনলৈ আঁতৰি থাকিবলগা হোৱাৰ কথাও নুই কৰিব নোৱাৰি। তেনে ক্ষেত্ৰত গাঁৱৰ যিকোনো উৎসৱ-পাৰ্বণত নিজক জড়িত কৰাটো সম্ভৱপৰ নহয়। আগতে সংৰক্ষিত বুদ্ধমূৰ্তি (ক্যংফ্ৰা)ৰ ব্যৱস্থা নাছিল বাবে বুদ্ধ মূৰ্তিবিলাক সাধাৰণভাৱে নিৰ্মাণ কৰা গৃহত সজাই ৰাখিছিল। তেনে ক্ষেত্ৰত কিছুমানে পোনে পোনে মূৰ্তিত পানী ঢালিছিল। পানী ঢলা সুবিধাৰ কাৰণে সেই সময়ত ধুনীয়াকৈ চাঁচি-মচি বিশেষ চিত্ৰ অংকনেৰে কাটি লোৱা বিজুলী বাঁহৰ চুঙাৰে পানী অনা-নিয়া কৰিছিল। আজিকালি সেই ব্যৱস্থাও নাইকিয়া হ'ল। কিন্তু বুদ্ধ বন্দনাৰ ক্ষেত্ৰত এতিয়াও আগৰ চামে বুদ্ধ বন্দনাৰ আৰ্হি প্ৰস্তুত কৰি নিজৰ ঘৰতেই অনুশীলনেৰে যথাসময়ত যথাস্থানত উপস্থিত হৈ একেলগে বুদ্ধ বন্দনাৰে মম-ফুল-ধূপ-আহাৰ পূজা কৰা দেখা যায়।

বুদ্ধ মূৰ্তি সংৰক্ষিত গৃহত নিৰ্ধাৰিত বাৰন্ন ঘণ্টা থকাৰ অন্তত সময়সূচী অনুযায়ী বুদ্ধমূৰ্তিবিলাকক মূল বিহাৰলৈ নি নিৰ্মল পানীৰে ধুই-মচি বিহাৰৰ ওখ আসনত

স্থাপন কৰা হয়। তাৰ পিছদিনা বৌদ্ধ বিহাৰত গাঁৱৰ ৰাইজ সমৱেত হৈ বুদ্ধ-ধৰ্ম-সংঘৰ উদ্দেশ্য কৰি প্ৰাৰ্থনা জনায়। ভিক্ষুৰ পৰা শীলগ্ৰহণৰ অন্তত সকলোৱে মংগল কামনাৰে ভিক্ষু-শ্ৰমণে মংগলাচৰণ পাঠ কৰে। আৰু গোটেই বছৰজুৰি বেমাৰ-আজাৰ, ৰোগ-ব্যাধিহীনভাৱে নিৰোগী জীৱন, অপায়-অমংগল, শংকা-দুৰ্ভাৱনা বিনে শান্তিময় জীৱন অতিবাহিত কৰে সেয়া কামনা কৰি সুগন্ধি চন্দন-সুবাসিত দ্ৰব্যৰে মিহলি পানী ছটিয়াই বিহাৰত আয়োজিত সেই ধৰ্মানুষ্ঠান সমাপ্ত কৰে। এই ধৰ্মানুষ্ঠানবিলাকৰ ক্ষেত্ৰত ভিক্ষু আৰু উপাসক-উপাসিকাসকলৰ মাজৰ সমন্বয়ক হিচাপে পাঠকগৰাকীয়ে মুখ্য ভূমিকা পালন কৰি সেই অনুষ্ঠান সমাপন কৰে। অনুষ্ঠান সমাপনৰ পিছত সকলোৱে সমূহীয়া প্ৰীতিভোজৰ আয়োজনত অংশগ্ৰহণ কৰি ৰঙালীৰ হাঁহি-আনন্দৰ পৰ্ব সামৰে।

সেইদিনাখনেই গাঁৱৰ পূব দিশত বৌদ্ধ দৰ্শনৰ প্ৰতীকধৰ্মী হিচাপে ধৰি লৈ নটা খলপাৰে নিৰ্মাণ কৰি থোৱা পেগুদাত (চ্যেতি) মম-ফুল-ধূপ জ্বলাই গাঁওখনৰ মংগল কামনা কৰি পূজা কৰা হয়। তাৰ পিছদিনাখনো বিহাৰত সকলোৱে মিলি কৰা দীক্ষা গ্ৰহণেই বছৰটোৰ আটাইতকৈ ৰঙিয়াল উৎসৱ পয়চাংকেন সামৰণী অনুষ্ঠান।

তাইফাকেসকলৰ বছৰটোৰ প্ৰথম দিন হৈছে— যিটো দিনত বুদ্ধমূৰ্তি সংৰক্ষিত গৃহটোৰ পৰা মূল বিহাৰলৈ তুলি নিয়া হয়, তাৰ পৰাই নৱবৰ্ষ আৰম্ভ হোৱা বুলি ধৰে। আৰু চন বা বৰ্ষটোক তাইফাকেসকলে 'চাক্ৰেট' বুলি কয়। চাংকেনৰ পৰাই চাক্ৰেট হোৱা যেন মনে ধৰে। বৰ্তমান তাইফাকেসকলৰ বৰ্ষ হৈছে ১৩৭৫ চাক্ৰেট।

তাই-খামতিসকলৰ বসন্ত উৎসৱ ঃ পয়চাংকেন

চন্দ্ৰ মানচে

অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে তাই-খামতিসকলেও নিজস্ব ধৰ্মীয় আৰু সামাজিক ৰীতি-নীতিৰে যুগ যুগ ধৰি পালন কৰি আহিছে বসন্ত উৎসৱ। বসন্ত ঋতুত অনুষ্ঠিত হোৱা প্ৰধান উৎসৱ হ'ল পয়চাংকেন। খামতিসকলৰ গোটেই বছৰটো (পি) তিনিটা ঋতুত ভাগ কৰা হয়। সেই তিনিটা হৈছে— কিং মানটা, বাসান্তা আৰু হেমন্ত।[১] উৎসৱপ্ৰিয় খামতিসকলৰ পয়চাংকেন ধৰ্মীয় আৰু পঞ্জিকা আশ্ৰয়ী কৃষিভিত্তিক লোক উৎসৱ। খামতিসকলৰ প্ৰায়বিলাক লোক উৎসৱতে ধৰ্মীয় পৰম্পৰা বিদ্যমান। খামতি ভাষাত 'পয়' মানে উৎসৱ আৰু চাংকেন শব্দটোৰ মূল হ'ল ইন্দো-ইউৰোপীয় ভাষাৰ শব্দ সংক্ৰান্তি। পয়চাংকেন মূলত সংক্ৰান্তি উৎসৱ।[২] এই উৎসৱক পয়-চাম-নাম— বুদ্ধমূৰ্তি ধুওৱা উৎসৱ নামেৰেও জনা যায়।[৩] অসমীয়া চ'ত মাহৰ সংক্ৰান্তিত আৰম্ভ হোৱা এই উৎসৱ পৃথিৱীৰ বিভিন্ন প্ৰান্তত বসবাস কৰা বৌদ্ধ ধৰ্মাৱলম্বী তাই জাতিৰ লোকসকলে উদ্‌যাপন কৰে। অসমত বসবাস কৰা তাই-খামতি, তাই-আইটন, তাই-ফাকে, তাই-খাময়াং আৰু তাই-তুৰংসকলে একে ধৰ্মীয় পৰম্পৰাৰে বসন্ত উৎসৱ পয়চাংকেন পালন কৰে। অৰুণাচল প্ৰদেশৰ তাই-খামতি, চিংফৌ আৰু টিখাক টাংচাসকলৰ উপৰি দক্ষিণ-পূব এছিয়াৰ বৌদ্ধ সম্প্ৰদায়, ম্যানমাৰ, থাইলেণ্ড, লাওচ আৰু কম্বোডিয়াৰ লোকসকলেও চাংকেন উৎসৱ উদ্‌যাপন কৰে।[৪] এই উৎসৱক থাইলেণ্ডৰ উত্তৰাঞ্চলত 'পি মাই' আৰু মধ্য থাইলেণ্ডত মহা 'চংক্ৰন' বুলি কয়।[৫] খামতিসকলৰ বছৰৰ পঞ্চম মাহ (ল'নহা)ত (সচৰাচৰ ইংৰাজী এপ্ৰিল মাহৰ ১৩/১৪ তাৰিখে) আৰম্ভ হোৱা পয়চাংকেন তাই পঞ্জিকা 'চাক্ৰেট'ৰ গণনা অনুসৰি পালন কৰা হয়। অসমৰ খামতিসকলে ম্যানমাৰ বা থাইলেণ্ডৰ গণনাকাৰীসকলে প্ৰস্তুত কৰা চাক্ৰেট বা বৌদ্ধ পঞ্জিকাৰ বিধান অনুসৰি চাংকেন উৎসৱ পালন কৰে। বৌদ্ধ ভিক্ষুসকলৰ যোগেদি এই পঞ্জিকা ম্যানমাৰ অথবা থাইলেণ্ডৰ পৰা যথা সময়ৰ বহু পূৰ্বে উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰা তাই গাঁওসমূহলৈ আহে।

চাংকেন উৎসৱৰ উৎপত্তি সম্পৰ্কে খামতিসকলৰ মাজত লোক-কাহিনী আছে। লোকবিশ্বাসলৈ ৰূপান্তৰ হোৱা এই কাহিনী এনেধৰণৰ— খামতিসকলৰ পৱিত্ৰ গ্ৰন্থ 'বিনয় কাথিংনা'[৬]ৰ মতে পৃথিৱীৰ সৃষ্টিৰ ঠিক পিছতেই পৃথিৱীৰ উপৰিভাগ সুগন্ধি আৰু ফল-মূলেৰে ভৰি পৰিছিল। পৃথিৱীৰ ফল-মূল আৰু সুগন্ধিয়ে সকলোকে মোহিত কৰিছিল যাৰ সুবাস লভিবলৈ ব্ৰহ্মলোক (মুং চেং)ৰ বহু ব্ৰহ্ম (খুন চেং) পৃথিৱীলৈ

নামি আহিছিল। পৃথিৱীৰ অমৃত সুধা পান কৰি সকলো খুনচেং ব্ৰহ্মালোকলৈ ঘূৰি গ'ল যদিও লুভীয়া লাকাব্ৰহ্মা নামৰ দেৱতাজনে ব্ৰহ্মালোকৰ সকলো নীতি-নিয়ম উলংঘা কৰি ব্ৰহ্মালোকৰ পৰিৱৰ্তে দেৱলোক (মুংফি)ত বৈ গ'ল। লাকাব্ৰহ্মা নামৰ দেৱতাজনৰ উপস্থিতিত দেৱলোকৰ দেৱতা (চাওখোন ফি)সকলৰ বহু অপায়-অমংগল হ'ল। দেৱলোকৰ চাওখোন ফিসকলে লাকাব্ৰহ্মাৰ অপকৰ্মৰ পৰা পৰিত্ৰাণ পাবলৈ এটি উপায় বিচাৰি উলিয়ালে। দেৱতাসকলৰ সিদ্ধান্তমৰ্মে লাকাব্ৰহ্মাক চাও খোন কেউ (দুৰ্ভাগ্য, মাৰি-মৰকৰ দেৱতা)ৰ ভনীয়েক এজনীৰ লগত বিবাহপাশত আবদ্ধ কৰি দিলে। বিবাহৰ ফলত তেওঁলোকৰ খোলাকা, মাহোলাকা নন্দালাকা আৰু তাত্থিলাকা নামৰ চাৰিগৰাকী সুন্দৰী কন্যাৰ জন্ম হয়।

এদিনাখন দেৱলোকৰ চাওখোন ফিসকল একত্ৰিত হৈ সৌৰজগত সম্পৰ্কে এক আলোচনাত মিলিত হয়। সেই আলোচনাত দেৱলোকৰ ৰজা ফা-চিকিয়াই (ইন্দ্ৰ) ব্ৰহ্মাণ্ডৰ সৃষ্টি হোৱা দিনৰ পৰাই পৃথিৱীক কেন্দ্ৰ কৰি সূৰ্য আৰু চন্দ্ৰই পৰিভ্ৰমণ কৰি আছে বুলি মন্তব্য আগবঢ়ায়। এই মন্তব্যৰ ঘোৰ বিৰোধিতা কৰি চাওখোন চেং লাকাব্ৰহ্মাই ক'লে যে সৌৰজগতৰ কেন্দ্ৰ হৈছে সূৰ্য। পৃথিৱী আৰু চন্দ্ৰই সূৰ্যক কেন্দ্ৰ কৰিয়েই পৰিভ্ৰমণ কৰি থাকে। ফা-চিকিয়া (ইন্দ্ৰ) ৰজাই লাকাব্ৰহ্মাক তাৰ প্ৰমাণ দিবলৈ ক'লে আৰু লাকাব্ৰহ্মাই তাৰ প্ৰমাণ দিব নোৱাৰিলে লাকাব্ৰহ্মাৰ মূৰ কটা যাব বুলি চুক্তি কৰিলে। যুক্তি-তৰ্কত লাকাব্ৰহ্মাৰ জয় হ'ল। লাকাব্ৰহ্মাক হত্যা কৰাৰ সকলো প্ৰচেষ্টা ব্যৰ্থ হোৱাত ফা-চিকিয়া (ইন্দ্ৰ) ৰজাই দুৰ্ভাগ্য, মাৰি-মৰকৰ দেৱতা চাও খোন কেউক বেমাৰ-আজাৰ, মাৰি-মৰকেৰে লাকাব্ৰহ্মাৰ অপকাৰ কৰিবলৈ নিৰ্দেশ দিলে। ৰজাৰ নিৰ্দেশ অমান্য কৰিবলৈ সাহস নকৰি চাও খোন কেউৱে নিজৰ ভনীজোঁৱায়েকৰ ওপৰত বেমাৰ-আজাৰ মেলি দিলে যদিও তেওঁক অনিষ্ট কৰিব নোৱাৰিলে। শেষত ফা-চিকিয়া আৰু চাও খোন কেউ দুয়ো মিলিত হৈ লাকাব্ৰহ্মাৰ চাৰি কন্যাৰ সহায় ভিক্ষা কৰিলে। লাকাব্ৰহ্মাৰ চাৰিও কন্যা যৌৱনপ্ৰাপ্ত হোৱাৰ পিছতো বিয়াৰ বাবে কোনো পাত্ৰ আগবাঢ়ি অহা নাছিল। কাৰণ লাকাব্ৰহ্মাৰ কন্যাক বিয়া কৰিবলৈ আগবাঢ়ি কোন আহে? বিয়াৰ সন্দৰ্ভত নিৰ্বিকাৰ লাকাব্ৰহ্মাৰ জীৱিত কালত তেওঁলোকৰ বিবাহ অসম্ভৱ বুলি জানি কন্যাসকলে তেওঁৰ পিতৃৰ মৃত্যু চিন্তিবলৈ ধৰিলে। এদিন লাকাব্ৰহ্মা শোৱাৰ সময়ত গা-মূৰ পিটিকি থকা অৱস্থাত কেউজনী জীয়াৰীয়ে কৌশলেৰে সোধা প্ৰশ্নৰ উত্তৰত লাকাব্ৰহ্মাই জীয়েকহঁতক বুজাই দিলে যে আশী হাজাৰ বছৰৰ মূৰত তেওঁৰ মাত্ৰ এডাল চুলি পকে আৰু তেতিয়াই পৃথিৱীৰ এক কল্প পূৰা হয়। সেই সোণালী চুলিডাল কেনেবাকৈ তেওঁৰ ডিঙিত মেৰিয়াই ধৰে তেন্তে তেওঁৰ থিতাতে শিৰশ্চেদ ঘটিব। এই গোপন তথ্য কৌশলেৰে চাও খোন

কেউৰে ভাগিনীয়েকৰ পৰা জানি ল'লে। ভাগিনীয়েকহঁতে মোমায়েকৰ অভিসন্ধিৰ কথা ভু-কে নাপালে। সোণালী চুলিৰ সহায়ত লাকাব্ৰহ্মাৰ শিৰশ্ছেদ কৰা হ'ল। কিন্তু সেই ছিন্ন শিৰে সমস্যা অধিক জটিলহে কৰি তুলিলে। সেই ছিন্ন শিৰ য'তেই থয় ত'তেই মহা অথন্তৰ ঘটিবলৈ ধৰিলে। সাগৰত থ'লে সাগৰ শুকায়, পৰ্বতত থ'লে পৰ্বত খহি পৰে, অৰণ্যত থ'লে জুই লাগে, মাটিত থ'লে বসুমতী তলমল কৰে। লাকাব্ৰহ্মাৰ ছিন্ন শিৰৰ পৰা ওলোৱা ধোঁৱাৰ সন্দেদ পাই ব্ৰহ্মালোকৰ (মুঙ চাং) ৰজা চাহামপাতি দেৱলোকলৈ নামি আহিল। দেৱলোকৰ ৰজা ফা-চিকিয়া (ইন্দ্ৰ)ক জনালে যে লাকাব্ৰহ্মাৰ ছিন্ন শিৰ যদি মাটিত পৰে ব্ৰহ্মালোক, দেৱলোক আৰু পৃথিৱীলোকৰ ধ্বংস হৈ পৰিব। চাহামপাতিয়ে ফা-চিকিয়াক ঐৰাৱতৰূপী বুদ্ধ এলাৱান নামৰ হাতীটোৰ মূৰ আনি লাকাব্ৰহ্মাৰ ডিঙিত জোৰা লগাবলৈ পৰামৰ্শ দিলে। ফা-চিকিয়াই চাটু লোকপালা নামৰ দূত এজনক এলাৱান নামৰ হাতীটোৰ ওচৰলৈ পঠালে। এলাৱানে (বুদ্ধ) স্বেচ্ছাই নিজৰ মূৰ দান কৰিলে। চাটু লোকপালা দূতে এলাৱানৰ শিৰ লৈ উভতি আহিল দেৱলোকলৈ। দেৱলোকৰ লাকাব্ৰহ্মাই নতুন জীৱন পালে। কিন্তু লাকাব্ৰহ্মাৰ ছিন্ন শিৰৰ কোনো সমাধান নহ'ল। তেতিয়া ব্ৰহ্মালোকৰ ৰজা চাহামপাতিয়ে দেৱলোকৰ ৰজা ফা-চিকিয়াক পিতৃহন্তা ছোৱালীকেইজনীক শাস্তি দিবলৈ উপদেশ দিলে। চাহামপাতিৰ উপদেশমৰ্মে ত্ৰিলোকৰ সুৰক্ষাৰ স্বাৰ্থত ফা-চিকিয়াই ছোৱালী চাৰিজনীক এদিন এদিনকৈ পাল পাতি অনিৰ্দিষ্ট কাললৈ বাপেকৰ ছিন্ন শিৰ ধৰি থাকিবলৈ আদেশ দিলে। আদেশ মতেই কাম হ'ল। দেৱলোকৰ এটা দিন মৰ্ত্যৰ এবছৰৰ সমান। ইজনীৰ পৰা সিজনীলৈ ছিন্ন শিৰটোৰে কোলা সলাওঁতে পৃথিৱীৰ এবছৰ পূৰ হয় আৰু বছৰে বাগৰ সলায়। এই প্ৰক্ৰিয়া অনাদিকালৰ পৰা চলি আহিছে আৰু যিহেতু দেৱলোকৰ এদিন মৰ্ত্যৰ এবছৰৰ সমান সেয়েহে যেতিয়াই চাও খোন কেউৰ শিৰ এজনীৰ হাতৰ পৰা আনজনীৰ হাতলৈ সলায় তেতিয়া এটা নতুন বছৰৰ জন্ম হয়।[৭] এইদৰে অনন্ত কালৰ পৰা বছৰে বাগৰ সলাই আহিছে।

চাংকেন উৎসৱৰ প্ৰস্তুতি বহুদিনৰ পূৰ্বৰ পৰাই আৰম্ভ হয়। শালি খেতিক মূল জীৱিকা হিচাপে গ্ৰহণ কৰা খামতিসকলে ফাগুন-চ'ত মাহৰ পৰাই চাংকেন উৎসৱৰ বাবে প্ৰস্তুতি আৰম্ভ কৰে।

শিপিনীসকলে তাঁতশালত লুঙি, মেখেলা, গামোচা, ত্ৰানখন আদি ববলৈ আৰম্ভ কৰে। গৃহিণীসকলে কোমল চাউল, সান্দহ, চিৰা-মুড়ি আদি তৈয়াৰ কৰিবলৈ আৰম্ভ কৰে। ডেকা আৰু গাভৰু ছোৱালীবোৰে বৌদ্ধ বিহাৰৰ প্ৰাংগণত নাইবা কোনো শাস্ত্ৰজনা ব্যক্তি (চাও ম')ৰ ঘৰত সন্ধ্যা লিক চাংকেন (ধৰ্মীয় স্তুতিমূলক/ লোকগীত)ৰ আখৰা কৰে। পালি আৰু তাই ভাষাত ৰচিত এই গীতসমূহ বহু দীঘলীয়া আৰু

জটিল। ন-শিকাৰুৱে আয়ত্ত কৰিবলৈ যথেষ্ট সময়ৰ প্ৰয়োজন হয়। সেইকাৰণে ফাগুন, চ'ত মাহৰ আজৰি সময়ৰ পৰাই এই গীতৰ আখৰা কৰে। চাংকেনৰ দিন ওচৰ চাপি অহাৰ লগে লগে গাঁৱৰ বুঢ়া-মেথা, ডেকা-গাভৰুৱে সমূহীয়া শ্ৰমদানেৰে বৌদ্ধ বিহাৰৰ চৌহদ পৰিষ্কাৰ কৰা আৰু চংফ্ৰা (অস্থায়ী বৌদ্ধ বিহাৰ) নিৰ্মাণ কাৰ্যত ব্ৰতী হয়। চংফ্ৰা হৈছে বাঁহ-কাঠেৰে নিৰ্মিত এটি সৰু চাংঘৰ য'ত চাংকেনৰ সময়ত বৌদ্ধ মূৰ্তিসমূহ ৰাখি বিভিন্ন আনুষ্ঠানিকতা পালন কৰা হয়। চংফ্ৰাৰ দুটা প্ৰধান বস্তু হৈছে হাংলিং আৰু লৌংকৌং। টকৌপাত বা টিনপাটেৰে সজা এই সৰু ঘৰটোৱে চাৰি/পাঁচফুট ওখকৈ এটি বিশেষ কাঠৰ নাও সংস্থাপন কৰা হয়। নাওখনৰ এটা মূৰ চংফ্ৰাৰ ভিতৰত ৰখা হয় আৰু নাওখনৰ তলিত এটি ফুটা ৰাখি তাত এটি বাঁহৰ চুঙা ভৰাই দিয়া হয়। এই চুঙাটোত লৌংকৌং নামৰ এটি বাঁহৰ চকৰি স্থাপন কৰা হয়। নাওখনৰ আনটো মূৰ বাহিৰৰ ফালে কিছু ওখ কৰি কেপেয়াৰ ওপৰত স্থাপন কৰা হয় যাতে কেপেয়াৰ ফালে পানী ঢালিলে সহজেই পানী গৈ সিটো মূৰৰ চুঙাইদি লৌং কৌঙত পৰেগৈ। ৩/৪ ফুট দীঘল এডাল বাঁহক কেন্দ্ৰ কৰি নিৰ্মাণ কৰা পানী ছটিয়াব পৰা বাঁহৰ যন্ত্ৰটো (লৌংকৌং)ৰ পাবত বাঁহীৰ দৰে ফুটা ৰখা সৰু সৰু বাঁহৰ নীল সংলগ্ন কৰা থাকে। ৰং-বিৰঙৰ সূতা মেৰিয়াই আকৰ্ষণীয়ভাৱে সজোৱা এইটো এটা বাঁহৰ কৃত্ৰিম ফোৰাৰা। হাং লিং বা নাওখনত পানী ঢালি দিয়াৰ লগে লগে বাঁহৰ নলীয়েদি সৰকি লৌং কৌঙত পৰিলেই স্বয়ংক্ৰিয়ভাৱে ঘূৰি ঘূৰি চাৰিওফালে পানী ছটিয়াই থাকে। চংফ্ৰাৰ ভিতৰভাগ ১৪ ভুবনৰ ধাৰণা আগত ৰাখি লৌংকৌঙৰ ওপৰফালে ৭ তৰপ চন্দ্ৰাতপ আৰু তলৰ অংশত ৭ তৰপ কাপোৰ পাৰি দিয়া হয়। চংফ্ৰাটো গাঁৱৰ ডেকা-গাভৰুৱে ফুল-পাতেৰে সজাই তোলে। ৰং-বিৰঙৰ কাগজত কটা বিচিত্ৰ নক্সাৰে সৰু বাহুৰ পতাকা (চাকু ত্বানখন)সমূহ ঘৰটোৰ চাৰিওফালে বেৰত গুঁজি দিয়া হয়। চংফ্ৰাৰ চাৰিওযালে আৰু বৌদ্ধ বিহাৰৰ চৌহদত ত্বানখন আঁৰি দিয়া হয়। ত্বানখন হৈছে খামতি শিপিনীয়ে দেৱ-দেৱী, মঠ-মন্দিৰ, জীৱ-জন্তু, চৰাই-চিৰিকটি, প্ৰাকৃতিক দৃশ্য আদিৰ বিচিত্ৰ নক্সা তুলি সূতা বা বাঁহৰ কাঠী-কামীৰে বৈ উলিওৱা এবিধ বৈশিষ্ট্যপূৰ্ণ দীঘল লাহী ওখ বাঁহৰ আগটো ভিৰাই বান্ধি দিয়া এই পতাকাখনে চৌহদটো আকৰ্ষণীয় কৰি তোলে। দুডাল বাঁহৰ খুঁটাত ওখকৈ মেলি থোৱা দুটা বাৰ্মিজ ছাতি চংফ্ৰাৰ দুৱাৰমুখত দুফালে ৰখা হয়।

চাংকেন উৎসৱৰ আগদিনা যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হয়। চাংকেনৰ দিনা পঞ্জিকাৰ বিধান অনুসৰি লগ্ন আৰম্ভ হোৱাৰ কিছুসময় পূৰ্বে গাঁৱৰ ৰাইজ বৌদ্ধ বিহাৰত উপস্থিত হৈ পঞ্চশীল গ্ৰহণ কৰে। খামতিসকলৰ সকলো ধৰ্মীয় আৰু সামাজিক অনুষ্ঠানত দিন আৰু লগ্নক গুৰুত্ব দিয়া দেখা যায়।[৮] পঞ্জিকাৰ ক্ষণ আৰম্ভ হোৱাৰ

লগে লগে কং (ঢোল), ছে (তাল), য়ামঙ (বৰকাঁহ), কেচে (ত্ৰিভুজাকাৰৰ বিশেষ ঘণ্টা) বাজি উঠে। বৌদ্ধ বিহাৰাধক্ষ্য ভিক্ষু বা শ্ৰমণজনে থাপনাত থকা ভগৱান বুদ্ধৰ মূৰ্তিসমূহ এটি এটিকৈ পুৰুষসকলক আগবঢ়াই দিয়ে। গাত থকা চেলেং চাদৰ বা গামোচাখনেৰে মেৰিয়াই দুহাতে মূৰ্তি একোটা লৈ পুৰুষসকলে এজন এজনকৈ শাৰী পাতি চেলেং চাদৰৰ ওপৰেদি চংফ্ৰা অভিমুখে খোজ লয়। সেই সময়ত শাৰী পাতি ৰৈ থকা মহিলাসকলে প্ৰাৰ্থনা কৰি পুৰুষসকলে লৈ যোৱা বুদ্ধ মূৰ্তিসমূহলৈ ফুল আৰু আখৈ দলিয়ায়। ইতিমধ্যে চংফ্ৰাত উপৱিষ্ট এজন বৌদ্ধ ভিক্ষুৱে মূৰ্তিসমূহ সযতনে এটি এটিকৈ লৌংকৌঙৰ চাৰিওফালে স্থাপন কৰে। লৌংকৌঙৰ পৰা ওলোৱা পানীৰ ছিটিকনি যাতে মূৰ্তিসমূহত পৰে তাৰ প্ৰতি লক্ষ্য ৰাখি মূৰ্তিসমূহ এক নিৰ্দিষ্ট ব্যাসাৰ্ধত ৰখা হয়। পঞ্জিকাৰ বিধানমতে উক্ত বছৰ চাও খোনকেউ (শনি দেৱতা) কোনদিশে আহিব সেই দিশলৈ মুখ কৰি বুদ্ধৰ মূৰ্তিসমূহ ৰখা হয়। খামতি লোকবিশ্বাস তথা বৌদ্ধ পঞ্জিকা অনুসৰি নতুন বছৰ সোমোৱাৰ লগে লগে অপায়-অমংগলৰ দেৱতা চাউ খোনকেউ হাতত অস্ত্ৰ-শস্ত্ৰ লৈ পৃথিৱীলৈ এটি দিশেৰে নামি আহে আৰু অন্য দিশেৰে গমন কৰে। এই অপদেৱতাৰ কোপদৃষ্টিৰ পৰা পৃথিৱীক ৰক্ষা কৰিব পাৰিব কেৱল ভগৱান বুদ্ধই। সেই কাৰণে জ্যোতিষ গণনা মতে অপদেৱতা চাউ খোনকেউৰ আগমনৰ দিশলৈ মুখ কৰি বুদ্ধৰ মূৰ্তিসমূহ ৰখা হয়। বৌদ্ধ বিহাৰৰ থাপনাত থকা মূল মূৰ্তিৰ বাহিৰে সকলো মূৰ্তি চংফ্ৰালৈ অনা হয়। বুদ্ধ মূৰ্তিৰ উপৰি বসুন্ধৰা দেৱীৰ মূৰ্তিও চংফ্ৰালৈ অনা হয়। খামতিসকলৰ সকলো ধৰ্মীয় আৰু মাংগলিক অনুষ্ঠানত বসুমতী (নাং ৱচুং তলি)ক সাক্ষী কৰি পূজা-অৰ্চনা কৰা হয়। চংফ্ৰাৰ মূৰ্তিসমূহ আঁতৰৰ পৰা মানুহে নেদেখাকৈ আঁৰ কাপোৰ দি ৰাখে।

চংফ্ৰাৰ অস্থায়ী থাপনা বুদ্ধ মূৰ্তি আৰু বসুন্ধৰা মূৰ্তিৰ উপৰি গাঁৱৰ প্ৰত্যেক ঘৰৰ একোটাকৈ ফুল-পাত ভৰোৱা পানীভৰ্তি মাটিৰ টেকেলি বা কাঁহৰ লোটা মূৰ্তিৰ চাৰিওফালে ৰখা হয় যাতে মূৰ্তিৰ গাত পৰা পানীৰ ছিটিকনি টেকেলি বা লোটাত পৰি সেইখিনিও পৱিত্ৰ হয়। লোটা বা টেকেলিৰ ডিঙিত একোছা এৰাঁ সূতা মেৰিয়াই ৰখা হয়। পঞ্জিকাৰ বিধান অনুসৰি ফুল আৰু পাতবোৰ সপ্তাহটোৰ প্ৰতিটো বাৰৰ মংগলৰ প্ৰতীক হিচাপে ভৰোৱা হয়। প্ৰতিটো পৰিয়ালৰ সদস্যসকলৰ জন্মৰ বাৰৰ লগত সংগতি ৰাখি ফুল আৰু গছৰ পাতসমূহ টেকেলিত ভৰোৱা হয়। কোনো বছৰত সোমবাৰে জন্মগ্ৰহণ কৰাজনৰ বাবে দুবৰি বনৰ পাত, মংগলবাৰে জন্মগ্ৰহণ কৰাজনৰ বাবে বট গছৰ পাত যদি হয়, অন্য বছৰৰ সোমবাৰে জন্ম লোৱাজনৰ বাবে হয়তো জামু পাত, মংগলবাৰৰ জনৰ বাবে নাৰিকলৰ পাত হ'ব পাৰে। অৰ্থাৎ প্ৰতিবছৰে ইয়াৰ সালসলনি ঘটি থাকে। টেকেলিত ভৰোৱা ফুল-পাতসমূহৰ ভিতৰত তগৰ

ফুল, দুবৰি বন, জামু গছৰ পাত, বগৰী গছৰ ডাল-পাত, বচ গছৰ পাত, নাৰিকল গছৰ পাত ইত্যাদিয়েই প্ৰধান।

পঞ্জিকাৰ লগ্ন অনুসৰি বুদ্ধ মূৰ্তিসমূহ চংফ্ৰাত স্থাপন কৰাৰ পিছত পুৰুষ-মহিলা, ডেকা-গাভৰুৱে পুৱাৰ পৰা গধূলিলৈকে নিজৰ সুবিধা অনুযায়ী হাংলিঙত পানী ঢালি মূৰ্তিসমূহক গা ধুৱায়। ডেকা-গাভৰুৱে জাকে জাকে স্তুতিমূলক গীত (লিক্‌চাংকেন) গাই হাংলিঙত পানী ঢালে। হাংলিঙৰ পানী গৈ লৌংকৌং নামৰ স্বয়ংক্ৰিয় বাঁহৰ যন্ত্ৰত পৰেগৈ আৰু পানী পৰি ফোৰাৰাই ঘূৰি ঘূৰি বৌদ্ধ মূৰ্তিবোৰৰ গাত পানী ছটিয়াই মূৰ্তিবোৰক পৰিষ্কাৰ কৰে। পানীৰ ছিটিকনি পৰি মাটিৰ টেকেলি (নাম মেত্তা)বোৰ ওপচাই পেলায়। মূৰ্তি ধুওৱা এই কাৰ্যক চনফ্ৰা বোলে। চংফ্ৰাত থকা মূৰ্তিসমূহৰ উপৰি বৌদ্ধ বিহাৰৰ মূল থাপনাত থকা প্ৰধান মূৰ্তিটোত প্ৰতীকী অৰ্থত পানী ঢলা হয়। এডাল নতুন ৰছী মূৰ্তিটোত সংলগ্ন কৰি ৰছীডালৰ আনটো মূৰ বাহিৰলৈ উলিয়াই এটা বাঁহৰ খুঁটাত বান্ধি দিয়ে আৰু বাঁহডালৰ লগত নাহৰ ফুলৰ ডাল এটা বান্ধি দি বেদী বনাই তাত মানুহে পানী ঢালে। ঠিক সেইদৰে খামতিসকলৰ পৱিত্ৰ ধৰ্মপুথি ত্ৰিপিটক, লিক্‌খাম, বৌদ্ধস্তূপ আৰু অন্যান্য কীৰ্তি-স্থাপত্যসমূহতো একে আৰ্হিৰে নিৰ্মল পানী ঢালি অপায়-অমংগল, বেমাৰ-আজাৰৰ পৰা মুক্ত হৈ বছৰটো যাতে সুখে-শান্তিৰে অতিবাহিত হয় তাৰেই কামনা কৰে। ভক্তপ্ৰাণ ৰাইজে বৌদ্ধ বিহাৰৰ প্ৰাংগণত থকা বোধিদ্ৰুম আঁহত গছজোপাৰ গালৈ পানী ঢালি বছৰটোৰ বাবে মংগল কামনা কৰে। মূৰ্তিত পানী ঢালি আহোতে ডেকা-গাভৰুসকলে ইজনে-সিজনলৈ পানী ছটিয়াই স্ফূৰ্তি কৰে। আনন্দত তেওঁলোকৰ পৱিত্ৰ অন্তৰেৰে ভগৱান বুদ্ধৰ গুণ-গান গাই 'কা-আলং' আদি নৃত্য পৰিৱেশন কৰে।[৯]

বুদ্ধ মূৰ্তিসমূহ পানী ঢালি পৰিষ্কাৰ কৰাৰ উপৰি চাংকেনৰ সময়ত ভিক্ষু বা শ্ৰমণসকলৰ গা বা ভৰি ধুৱাই ৰাইজে আশীৰ্বাদ বিচাৰে। কনিষ্ঠসকলে পিতৃ-মাতৃ আৰু জ্যেষ্ঠজনকো পৰিষ্কাৰ পানীৰে ভৰি ধুৱাই আশিস বিচাৰে। চাংকেনৰ প্ৰথম দিনা ৰাতিপুৱা গাঁৱৰ সৰু সৰু ল'ৰা-ছোৱালীবোৰে গা-পা ধুই নতুন সাজপাৰ পিন্ধি নানাবিধ পিঠা-পনাৰ টোপোলা সজাত ভৰাই নিজৰ গাঁৱৰ বা ওচৰৰ গাঁৱৰ প্ৰত্যেক ঘৰে ঘৰে টোপোলা দি নতুন বছৰৰ ওলগ জনায়। সন্ধিয়া সময়ত গাঁৱৰ সকলো মানুহ চংফ্ৰাৰ ওচৰত সমৱেত হৈ মম, ধূপ জ্বলাই ফুল, আখৈৰে সমূহীয়া প্ৰাৰ্থনা কৰে। ৰাতি চংফ্ৰাত থকা মূৰ্তিসমূহৰ ৰখীয়াৰ ভাৰ গাঁৱৰ ডেকাসকলৰ। ডেকাসকলে গীত-মাত, নৃত্যৰে ওৰেৰাতি উজাগৰে থাকি চংফ্ৰাৰ নিৰাপত্তাৰ দায়িত্ব লয়। ভগৱান বুদ্ধৰ মূৰ্তিসমূহ চংফ্ৰাত কিমান থাকিব সেয়া নিৰ্ণীত হয় চাওখোন কেউ (শনি দেৱতা) কি বাহনত আৰু কি কি অস্ত্ৰ-শস্ত্ৰ লৈ আহে তাৰ ওপৰত। ঘোঁৰা, ৰথ আদি

ক্ষিপ্ৰগতিৰ বাহনত আহিলে চংক্ৰাৰ কাল চমু হয়। অন্যহাতে শামুক বা পোক-পৰুৱা আদি মন্থৰ গতিৰ বাহনত আহিলে চংক্ৰাৰ কাল দীঘলীয়া হয়। শনি দেৱতাৰ হাতৰ অস্ত্ৰ-শস্ত্ৰৰ ভয়াৱহতাৰ ওপৰত নিৰ্ভৰ কৰিও চংক্ৰাৰ কাল নিৰ্ভৰ কৰে। সেইকাৰণে চংক্ৰাৰ কাল বছৰভেদে বেলেগ বেলেগ হয়। সেয়েহে বছৰভেদে এদিনৰ পৰা সাত দিনলৈকে চংক্ৰাৰ কাৰ্যসূচী বা চাংকেন উৎসৱ পালন কৰা হয়।

বুদ্ধ মূৰ্তিসমূহ চংক্ৰাত থাকিবলগীয়া সময় উকলি যোৱাৰ কিছুসময়ৰ পূৰ্বে ঘণ্টা, বৰকাঁহ বজাই ৰাইজক সতৰ্ক কৰি দিয়া হয়। ঘণ্টা, বৰকাঁহ, ঢোলৰ মাত শুনাৰ লগে লগে গাঁৱৰ সকলোৱে বৌদ্ধ বিহাৰলৈ ঢাপলি মেলে। লগ্ন শেষ হোৱাৰ লগে লগে চংক্ৰাৰ মূৰ্তিসমূহ বৌদ্ধ বিহাৰলৈ লৈ অহা হয়। বৌদ্ধ মূৰ্তিসমূহ যি নিয়মেৰে চংক্ৰালৈ অনা হৈছিল, ঠিক একে নিয়মেৰেই বৌদ্ধ বিহাৰলৈ নিয়া হয়। চংক্ৰাত থকা পানীৰ টেকেলিসমূহ বৌদ্ধ বিহাৰৰ থাপনাৰ সন্মুখত শাৰী পাতি সজোৱা হয়। বৌদ্ধ বিহাৰত থকা ভিক্ষু, শ্ৰমণ আৰু গাঁৱৰ বয়োজ্যেষ্ঠসকলে চন্দনৰ পানীৰে মূৰ্তিসমূহ পৰিষ্কাৰকৈ স্নান কৰাই দুববি বনেৰে মূৰ্তিবোৰৰ গাত সুগন্ধি ঘঁহি দিয়ে আৰু এটি এটিকৈ মূৰ্তিবোৰ পুনৰ থাপনাত প্ৰতিষ্ঠা কৰে। সেই সময়তে বৌদ্ধ বিহাৰৰ প্ৰাংগণত থকা আপুৰুগীয়া বস্তু, পুথি-পাঁজিবোৰ পৰিষ্কাৰ কৰি সযতনে ৰখা হয়। বুদ্ধ মূৰ্তিবোৰ থাপনাত প্ৰতিষ্ঠা কৰাৰ পিছত সকলোৱে 'খাম চিন থম ট্ৰা' (পঞ্চশীল) গ্ৰহণ কৰে আৰু গৃহস্থই নিজৰ টেকেলি বা লোটা (নাম মেত্তা)বোৰ ঘৰলৈ নি বাসগৃহ, ভঁৰালঘৰ, গাড়ী, গোহালি আদিত ছটিয়াই দিয়ে। বুদ্ধ মূৰ্তি স্নান কৰোৱা এই পানী (নাম মেত্তা) খামতিসকলে খুব পৱিত্ৰ বুলি ভাবে। তেওঁলোকে ইয়াক নাম-নং-চিতা অৰ্থাৎ সঞ্জীৱনী পানী বুলি কয়। ঘৰৰ মংগলজনক কামৰ বাবে এই পানী কিছু লোকে সাঁচি ৰাখে। টেকেলিত থকা ফুল-পাতবোৰ ঘৰৰ চাললৈ দলিয়াই দিয়ে বা মানুহে নগছকা ঠাইত পেলাই দিয়ে। টেকেলিত মেৰিওৱা এৰাঁ সূতা পুৰোহিতে মন্ত্ৰপূত কৰি দিয়ে আৰু বছৰটোৰ বিভিন্ন আৱশ্যকীয় ক্ষণত যেনে— জন্ম, বিবাহ, মৃত্যু, অপায়-অমংগল হ'লে নাইবা ৰোগগ্ৰস্ত হ'লে পুৰোহিত বা শাস্ত্ৰজ্ঞ লোকে আক্ৰান্ত লোকৰ মণিবন্ধত বান্ধি আশীৰ্বাদ দি আক্ৰান্ত লোকজনৰ আৰোগ্য কামনা কৰে। সুখ-সমৃদ্ধি, দীৰ্ঘায়ু, মংগল কামনা কৰি বন্ধা এই এৰাঁ সূতাক ৰক্ষাসূত্ৰ হিচাপেও ব্যৱহাৰ কৰা হয়।

চংক্ৰাৰ পৰা বুদ্ধ মূৰ্তিসমূহ লৈ অহাৰ পিছত পুনৰ বিহাৰৰ থাপনাত প্ৰতিষ্ঠা কৰাৰ লগে লগে পুৰণি বছৰৰ অন্ত পৰে আৰু নতুন বছৰৰ আগমন হয়।[১০] চাংকেনৰ দিনকেইটাত ডেকা-গাভৰুৱে ইজনে-সিজনৰ গালৈ পানী ছটিয়াই, বোকা দলিয়াই ৰং-ধেমালি কৰে। ডেকা-গাভৰুৱে নিজৰ মনৰ মানুহজন নিৰ্বাচন কৰাৰ এয়ে উপযুক্ত সময়।[১১] ইজনে সিজনৰ গাত পানী ছটিয়াই পূৰ্বৰ দুৰ্ভাগ্যজনক ঘটনাসমূহ, শত্ৰুতা, ভুল বুজাবুজি আঁতৰাই সুখ-শান্তি আৰু সন্তুষ্টিৰ নতুন বতৰা কঢ়িয়াই আনে।[১২]

বৌদ্ধ বিহাৰত মূৰ্তি প্ৰতিষ্ঠা কৰাৰ দুই-এদিনৰ পিছত চাংকেন উৎসৱৰ সামৰণি অনুষ্ঠান পতা হয়। এয়া তেওঁলোকৰ মাজত অনুষ্ঠিত গাঁৱৰ বাৰ্ষিক সকাম। সেইদিনা পুৱাবেলা গাঁৱৰ ৰাইজে একত্ৰিত হৈ বৌদ্ধ বিহাৰত পঞ্চশীল গ্ৰহণ কৰি ভিক্ষুসকলক পাৰ্যমানে ধান, মাহ, ফল-মূল, টকা-পইচা দান কৰে আৰু প্ৰীতিভোজৰ আয়োজন কৰে। সেইদিনাখনেই গাঁওখনৰ দুটা বিপৰীত কোণত পাঁচ খলপীয়া নাইবা সাত খলপীয়া একোটাকৈ বালিৰ দেউল সাজি চাফু-ত্ৰানখন আৰু ফুল-পাতেৰে সজাই মম, ধূপ, নৈবেদ্য আগবঢ়াই চাও ম' ওৰফে পাঠকে (খামতি পুৰোহিত) গাঁৱৰ সমূহীয়া মংগলৰ বাবে ভক্তিভাবেৰে গাঁৱৰ দেৱতা (ফি-মান)ক প্ৰাৰ্থনা জনায়। আবেলিলৈ বৌদ্ধ বিহাৰ প্ৰাংগণত অস্থায়ী মঞ্চ আৰু বেদী সাজি অভিধৰ্ম পাঠ কৰে। অভিধৰ্ম পাঠ কৰাৰ পিছত অপায়-অমংগল, অপদেৱতাৰ পৰা গাঁওখনক ৰক্ষা কৰিবলৈ বান্ধনিসদৃশ মন্ত্ৰপূত এৰাঁ সূতাৰে গাঁৱৰ চাৰিওফালে বান্ধি পেলোৱা হয়। অৱশিষ্ট এৰাঁ সূতাৰে গাঁৱৰ প্ৰত্যেকে নিজৰ নিজৰ ঘৰৰ বান্ধনি দিয়ে। মন্ত্ৰপূত এৰাঁ সূতাৰে গাঁৱৰ চাৰিওফালে বান্ধনি দিয়াৰ লাগে লগে চাংকেন অনুষ্ঠানৰ আনুষ্ঠানিকতা অন্ত পৰে।

চাংকেন উৎসৱ বিভিন্ন আনুষ্ঠানিকতাৰ দ্বাৰা শান্তি, সমন্বয়, সু-স্বাস্থ্য, সৌভাগ্য কামনা কৰাৰ লগতে অপদেৱতা চাও খোন কেউৰ কোপদৃষ্টিৰ পৰা পৰিত্ৰাণ বিচাৰি অনুষ্ঠিত কৰা তাই খামতিসকলৰ এক পৱিত্ৰ ধৰ্মীয় অনুষ্ঠান। ৰঙালী বিহুৱে যিদৰে এক নতুন বছৰক আদৰণি জনায়, ৰং-ৰহইচ কৰি এক নতুন দিনক স্বাগতম জনায়, ঠিক তেনেদৰে পয়চাংকেন উৎসৱৰ দ্বাৰাও ৰং-ৰহইচ কৰি নতুন বছৰক আদৰণি জনোৱা হয়। পাৰ্থক্য মাথোঁ এটাই যে ব'হাগ বিহুত প্ৰকৃতি, যৌৱন, গুৰুত্বসহকাৰে বন্দনা কৰা হয় আৰু পয়চাংকেন সম্পূৰ্ণ ধৰ্মীয়, সামাজিক পৰম্পৰা আৰু পৱিত্ৰ স্তুতিৰে মূৰ্ত হৈ থাকে।[১৩]

ধৰ্মীয় উৎসাহ-উদ্দীপনাৰে পালন কৰা চাংকেন উৎসৱ বিহংগম দৃষ্টিত ধৰ্মীয় উৎসৱ যেন লাগিলেও অতীজৰ পৰা স্থায়ী শালি খেতি কৰি জীৱন নিৰ্বাহ কৰা খামতিসকলৰ কৃষিকেন্দ্ৰিক জীৱনৰ বহু উপাদান ইয়াত নিহিত হৈ আছে। পানীৰ ব্যাপক ব্যৱহাৰলৈ লক্ষ্য ৰাখি বহু গৱেষকে এই উৎসৱক পানী উৎসৱ বুলিও ক'ব বিচাৰে। এই উৎসৱৰ পিছৰ পৰাই খামতিসকলে খেতিৰ বাবে নাঙল ধৰে। খেতিৰ বাবে পানী অতি প্ৰয়োজনীয়। সম্ভৱতঃ বছৰটোত খেতিৰ বাবে পানীৰ প্ৰয়োজনীয়তাক উপলব্ধি কৰি খামতিসকলৰ মাজত এইদৰে জলপূজা কৰা পৰম্পৰা গঢ় লৈ উঠিছিল বুলি কোৱাৰ থল আছে। পূৰ্বতে খামতিসকলে চাংকেন উৎসৱৰ ঠিক পিছতেই গৰু, ম'হৰ কুশল কামনা কৰি গাঁৱৰ নিলগৰ পথাৰৰ মাজত পুৰুষসকলে কলপটুৱাৰ

অস্থায়ী ঘৰ সাজি (মতান্তৰে হাঁহ-কুকুৰা বলি দি) গৰখীয়া সকাম পাতিছিল। বৰ্তমানে এই প্ৰথাৰ অৱসান ঘটাই চাংকেনৰ লগত পতা বাৰ্ষিক সকামতেই সকলো সামৰি লোৱাৰ ব্যৱস্থা কৰা হৈছে। চাংকেন উৎসৱত অপৰিহাৰ্য কিছুমান উদ্ভিদ যেনে—বাঁহগছ, নাৰিকল গছ, নাহৰ গছ, জামু গছ, বগৰী গছ, তৰাপাত, কৌপাত, বচ, তগৰ আদিৰ ব্যৱহাৰে প্ৰকৃতি সংৰক্ষণ আন্দোলনত কিছু অৰিহণা যোগাব পাৰে। চাংকেনৰ সময়ছোৱাত বুদ্ধ পুনৰ পৃথিৱীত উপৱিষ্ট হয় বুলি খামতিসকলে বিশ্বাস কৰে। সেই কাৰণে চাংকেন উৎসৱৰ দিনকেইটাত ধৰ্মীয় বিধি উলংঘা হোৱা কাম নকৰে। জীৱ-জন্তু হত্যা নকৰে, বেচা-কিনা, জুৱা খেলা, ৰাগিয়াল দ্ৰব্য সেৱন কৰা, কোনো গুৰুত্বপূৰ্ণ কামৰ আৰম্ভণি কৰা ইত্যাদি কৰ্মৰ পৰা বিৰত থাকে। গছকটা, গছ-গছনিৰ পাত ছিঙা আনকি শাক-পাচলি ছিঙা, মাটি খন্দা কামৰ পৰা তেওঁলোক বিৰত থাকে। কাৰণ উৎসৱৰ দিনকেইটাত এই বস্তুবোৰেও শ্বাস-নিশ্বাস লয় বুলি তেওঁলোকে বিশ্বাস কৰে।[১৪] চাংকেন উৎসৱৰ সময়খিনিতে পোহনীয়া মাছ, চৰাই মুকলি কৰি আগন্তুক বছৰটোৰ দুৰ্ভাগ্য নাশি সুখ-শান্তি আৰু সমৃদ্ধি কামনা কৰে।[১৫] চাংকেন উৎসৱৰ উৰুকাৰ নিশা তৰা-গজালিৰ আঞ্জা খালে বসন্ত ৰোগ নহয় বুলি খামতি সমাজৰ এটি লোকবিশ্বাস আছে। আনহাতে চাংকেন উৎসৱত নাহৰ গছৰ ছাল-পাত-ফুল ব্যৱহাৰ কৰাৰ বাবে নাহৰ গছক পৱিত্ৰ গছ বুলি ধৰা হয় আৰু সেয়ে ইয়াক বাসস্থান, গোহালি, ভঁৰাল আদিত ব্যৱহাৰ কৰা নহয়। আনকি বাৰীৰ নাহৰ গছৰ ছাই ঢুকি পোৱা ঠাইত ঘৰো নাসাজে। ৰঙালী বিহুৰ সমান্তৰালভাৱে অনুষ্ঠিত হোৱা চাংকেন উৎসৱত বিভিন্ন ধৰণৰ পৰম্পৰাগত খাদ্যৰ উপৰি দৈ, গাখীৰ, কোমল চাউল, সান্দহ, চিৰা, মুড়ি ইত্যাদিৰ ব্যৱহাৰে অনৈক্যৰ মাজত ঐক্যৰ এক মহান অসমীয়া ঐতিহ্যৰ স্বাক্ষৰ বহন কৰিছে। পৰম্পৰাগত জনজাতীয় সমাজত সচৰাচৰ ব্যৱহৃত মদ বা লাওপানী খামতি সমাজৰ কোনো মাংগলিক কাৰ্যত ব্যৱহৃত নহয়। চাংকেন উৎসৱ হৈছে ভক্তি, সংযম, ত্যাগ, আনন্দ, সমন্বয় আৰু প্ৰকৃতিপ্ৰেমৰ প্ৰতীক। শান্তি, সমন্বয় আৰু আনন্দেৰে পালন কৰা এই বসন্ত উৎসৱে খামতিসকলৰ মাৰ্জিত ৰুচিবোধ আৰু কলাসুলভ মনোবৃত্তিৰ পৰিচয় দাঙি ধৰে। অসমীয়া হিন্দুসকলৰ ৰঙালী বিহুৰ সময়তে এই উৎসৱ উদ্‌যাপিত হয় যদিও তাৰ লগত চাংকেনৰ কোনো চৰিত্ৰগত সাদৃশ্য নাই।[১৬] কঠোৰ ধৰ্মীয় ৰীতি-নীতি আৰু সু-শৃংখলিত পৰম্পৰাগত সামাজিক ৰীতি-নীতিৰে পৰিচালিত খামতিসকল সাংস্কৃতিক ক্ষেত্ৰত কিছু আঁকোৰগোজ আৰু গোড়া যেন লাগিলেও সাম্প্ৰতিক কালত বিভিন্ন সমাজত দেখা দিয়া পৰিৱৰ্তনৰ দৰে খামতি সমাজৰো সাজ-পোছাক, খাদ্যাভ্যাস, সংগীত, ৰীতি-নীতি, পৰম্পৰা আদিত কিছু পৰিৱৰ্তনে দেখা দিছে। বিশেষকৈ খামতি গাঁওসমূহৰ সাংস্কৃতিক কেন্দ্ৰস্বৰূপ বৌদ্ধ বিহাৰসমূহত থলুৱা বৌদ্ধ ভিক্ষুৰ অভাৱত আমদানিকৃত ভিক্ষুসকলৰ দ্বাৰা উৎসৱ-

পাৰ্বণসমূহ উদ্‌যাপন কৰিবলগীয়া হোৱাত পৰম্পৰাগত ৰীতি-নীতি পালনত কিছু অসুবিধাৰ সৃষ্টি হৈছে। তাই ভাষাৰ প্ৰতি নতুন প্ৰজন্মৰ অনীহাৰ ফলত লিক্‌ পয়চাংকেন, খাম ছিঁখৌ (বৌদ্ধ বন্দনাৰ গীত), অ'ই-খাম-পালি, অ'ইখাম-ফয়, অ'ই-খাম-টালেং আদিৰ দৰে লোকগীতসমূহ খামতি সমাজত লোপ পোৱাৰ উপক্ৰম হৈছে। শিক্ষিত সচেতন শ্ৰেণীয়ে সময়োচিত পদক্ষেপ নল'লে লুপ্ত হ'ব পাৰে খামতি সমাজৰ লোক-সংস্কৃতিৰ বহুমূলীয়া উপাদানসমূহ।

খামতিসকলে পালন কৰা বসন্ত উৎসৱ চাংকেনৰ পৰম্পৰাই জীৱন্ত কৰি ৰাখিছে তেওঁলোকৰ বাবেৰহণীয়া সংস্কৃতি।•অক্ষুণ্ণ ৰাখিছে জাতিৰ ঐতিহ্য। অৰ্থনৈতিকভাৱে অনগ্ৰসৰ, জনসংখ্যাৰ ফালৰ পৰা তেনেই ক্ষুদ্ৰ তাই-খামতিসকলৰ দৰে জনজাতিসকলে স্বকীয় পৰিচয়েৰে বৃহত্তৰ অসমীয়া সামাজখনৰ সাংস্কৃতিক পৰিমণ্ডল জীপাল কৰি ৰাখিবলৈ সক্ষম হোৱাটোৱেই আজিৰ তাৰিখত এক ইতিবাচক দিশ। অসম আৰু উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰা বৌদ্ধ সম্প্ৰদায়সমূহৰ লগত দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ সাংস্কৃতিক আৰু বাণিজ্যিক সম্পৰ্ক অতীজৰ পৰাই চলি আহিছে। ভাৰত আৰু দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ মাজত শান্তি আৰু সহযোগিতা প্ৰতিষ্ঠাৰ বাবে ভাৰত চৰকাৰে গ্ৰহণ কৰা 'পূবলৈ চোৱা নীতি' সুদৃঢ় কৰাত উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰা তাই-খামতিকে আদি কৰি ক্ষুদ্ৰ ক্ষুদ্ৰ বৌদ্ধ ধৰ্মাৱলম্বী জনজাতিবোৰে লক্ষণীয় ভূমিকা গ্ৰহণ কৰিব পাৰে।

পাদটীকা ঃ

১। Jayanta Sarkar : Society, Culture and Ecological Adaptation among three Tribes of Arunachal Pradesh. Anthropological Survey of India. Calcutta. 1987. P. 147

২। প্ৰবীণ শইকীয়া ঃ 'খামতিৰ উৎসৱ পয়চাংকেন' আজিৰ অসম, গুৱাহাটী, ৯ জুলাই, ১৯৯৪।

৩। তুলিকা চেতিয়া য়েইন ঃ 'পয় চাংকেন' এনাজৰী, অসমীয়া প্ৰতিদিন, উত্তৰ লখিমপুৰ, ৯ আগষ্ট, ২০০৮।

৪। Leki Sitang : 'A Study on Thevavada Buddhism in Arunachal Pradesh' an unpublished Ph. D. thesis submitted to the Deptt. of History. R. G. University. Itanagar. P. 231 (নিজা অনুবাদ)

৫। ড° ভীমকান্ত বৰুৱা (সম্পাদক) ঃ পৃ-লান-চি, দ্বিতীয় সংখ্যা, অক্টোবৰ, ২০০২ খ্ৰীঃ, টাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠান, মৰাণহাট, পৃঃ ৬৮

৬। Meong Mounglang : 'Significance of Sangken' in souvenir Poi Pee Mau, Nalung, Dist. Lohit, Arunachal Pradesh, 2008. pp. 18-19 (নিজা অনুবাদ)

৭। Nang Tertia Namshum Sandhu : 'Sangken' in Souvenir Buddha Mahotsava, Chongkham, Lohit District, Arunachal Pradesh, 2008, p. 11 (নিজা অনুবাদ)

৮। Munindra Konwar : The Tai-Khamtis : 'A Study or Language And Socio Cultural life' in Indian Journal of Tai Studies, Vol-II, March, 2002, p. 86. (নিজা অনুবাদ)

৯। ধৰ্মেশ্বৰ দুৱৰা ঃ 'অসমৰ তাই বৌদ্ধ ঃ এখন শান্তিপূৰ্ণ সমাজ', বৰ্ণালী, আজিৰ অসম, গুৱাহাটী, ৩০ ডিচেম্বৰ, ১৯৯৫

১০। Chau Khouk Manpoong : Buddhism as it is practised by the Khamptis and Singpho of Chongkham Namsai area in Souvenir Buddha Mahotsava, Chongkham, Arunachal Pradesh. p. 48

১১। Jayanta Sarkar : Op. cit. p. 150

১২। Dr. B.K. Singh : Encyclopaedia of Ai Tai-Khampti. Chongkham. Arunachal Pradesh. 2010. pp. 71-72

১৩। তুলিকা চেতিয়া য়েইন ঃ 'পয় চাংকেন' এনাজৰী, অসমীয়া প্ৰতিদিন, ৯ আগষ্ট, ২০০৮

১৪। Chau Khouk Manpoong : Op.cit. p. 48

১৫। Leki Sitang : Op. cit. p. 232

১৬। প্ৰবীণ শইকীয়া ঃ পূৰ্বোল্লিখিত গ্ৰন্থ।

দেউৰী সমাজৰ বসন্তকালীন উৎসৱ আৰু দেউৰী ধৰ্ম-সমাজ-সংস্কৃতি

কৰবী দেউৰী

বিহু হ'ল অসম আৰু অসমীয়া জাতীয় জীৱনৰ সাংস্কৃতিক মহোৎসৱ। কেতিয়া ক'ত কেনেকৈ এইহেন উৎসৱটিৰ পাতনি হ'ল, তাৰ উত্তৰ পিছে আজিলৈকে কোনো এজন অসমীয়াই সঠিককৈ দিব পৰা নাই। অসমৰ অন্যতম আদিম এক জনগোষ্ঠী হ'ল দেউৰীসকল। তেওঁলোকৰ মতে এই পৃথিৱী স্ৰজোতা, পালোতা পৰমেশ্বৰ কুণ্ডি মামাই প্ৰকৃতি আৰু মানুহ সৃষ্টি কৰোতে 'বিচু' বা 'বিহু'ও স্ৰজ্ কৰিলে। তেওঁলোকৰ ধৰ্মবিশ্বাস অনুসৰি 'এই বিশ্ব-ব্ৰহ্মাণ্ড অচিন্ত্য, অব্যক্ত মহাশক্তিৰ মূল আধাৰ, তথা নিৰাকাৰ নিৰ্গুণ পৰম-পুৰুষ আৰু পৰমা প্ৰকৃতি হ'ল কুণ্ডি-মামা বা গিৰা-গিৰাচি (বুঢ়া-বুঢ়ী)। পুৰুষ-প্ৰকৃতিৰ এই ব্ৰহ্মময়ী ৰূপ-স্বৰূপ কুণ্ডি মামাই এই বিশ্বৰ স্থিতি, সৃষ্টি আৰু প্ৰাণশক্তিৰ প্ৰাণকেন্দ্ৰ। কুণ্ডি-মামাই জানে, তেওঁ নিজে সন্তুষ্ট নহ'লে সৃষ্টিশক্তিৰ পূৰ্ণসত্তা জাগ্ৰত হ'ব নোৱাৰে। আনহাতে তেওঁৰ সৃষ্টি জীৱশ্ৰেষ্ঠ মানুহৰ পূজা-সেৱা নহ'লে ডেকা-গাভৰুৰ গীত-নৃত্য, ৰং-ধেমালি নহ'লে, ইষ্টদেৱতা সন্তুষ্ট নহয়। ইষ্টদেৱতা সন্তুষ্ট নহ'লে প্ৰকৃতিৰ বুকুলৈ যৌৱন দেৱতাৰ আগমন নহয়। আৰু প্ৰকৃতি দেৱী যদি যৌৱনমতীয়েই নহয় তাত নতুন নতুন বীজ অংকুৰণ হয়েই বা কেনেকৈ? সঁচাকৈয়ে শীতকাল অন্ত হ'লেও প্ৰকৃতিদেৱীয়ে পুৰণি সাজ সলাই ন-সাজে নিজকে অপৰূপা সুন্দৰীৰূপে ধৰা দিয়ে। এই ৰং মিলাই গছ-লতা, পশু-পক্ষী, পখিলা-ভোমোৰা, নদী-নিজৰা আটায়ে যৌৱন-দেৱতা বসন্তৰ আগমনৰ বাবে উদ্বাউল হৈ পৰে।

এনে ৰূপ-লাৱণ্যপূৰ্ণ বিনন্দীয়া পৰিৱেশত প্ৰকৃতিৰ বুকুতে লালিত-পালিত দেউৰী মানুহখিনিয়েও যৌৱন-দেৱতাৰ লগতে তেওঁলোকৰ চিৰ আৰাধ্য দেৱ-দেৱীক মহা সমাৰোহেৰে সৰগৰ্ পৰা মৰ্ত্যলৈ আদৰি আনিবলৈ নানাভাৱে যো-জা চলায় বছৰি বছৰি। এয়া যে তেওঁলোকৰ জনজীৱনৰ হিয়াৰ আমঠু ব'হাগৰ 'বৰবিচু' মহোৎসৱ। দেউৰীসকলে বিহুক 'বিচু' বা 'বিযু' বুলি কয়। অৱশ্যে এওঁলোকৰ বাহিৰেও অসমৰ তথা ভাৰতৰ ভালেমান কেইটা জাতি-জনজাতিয়ে বসন্তকালীন উৎসৱক 'বিযু' বা বিচু বুলি কয়।

ফাগুনৰ পছোৱা বতাহত গছ-বনৰ পাত সৰা আৰম্ভ হ'লেই সমাজৰ লোকসকলেই গাঁৱে প্ৰতি বিহু উৎসৱ আদৰাৰ প্ৰস্তুতি চলায়। এইখিনিতে উল্লেখ

কৰা হওক যে দেউৰী জনগোষ্ঠীয় লোকসকলে সুদূৰ অতীতৰ পৰা নিজ নিজ খেল বা ফৈদ অনুসৰিহে নিজা নিজা ইষ্ট দেৱতাৰ নামত দেৱালয় বা দেওঘৰ স্থাপন কৰি বসবাস কৰাৰ নীতি। সেইমতে পূজা-সেৱা আদিও নিজ নিজ খেলাৰে দেওশালত নিজৰ পৰম্পৰাগত ৰীতিমতে সম্পন্ন হয়। বৰ্তমান দেউৰীসকল তিনি খেল বা ফৈদত বিভক্ত—

১। কুণ্ডি-মামা বা গিৰা-গিৰাচিৰ উপাসক দিবঙীয়া ফৈদ,

২। পিচা ডেমা বা বলিয়া বাবাৰ উপাসক টেঙাপনীয়া ফৈদ আৰু

৩। কেঁচাইখাতী তাম্ৰেশ্বৰী দেৱী বা পিশাচি-ডেমাৰ উপাসক বৰগঞা ফৈদ।

অতীজৰ কুণ্ডিল ৰাজ্য তিনিটা অঞ্চলৰ তিনিখন নদী দিবাং, টেঙাপানী আৰু বৰনদী লুইতৰ পাৰত বসবাস কৰিছিল বাবে আজিও এওঁলোক এই নামেৰে সুপৰিচিত। বুৰঞ্জীয়ে কৈ থকা চতুৰ্থ খেল পাটৰশালৰ উপাসক পাটৰগঞা ফৈদৰ দেউৰীসকল বৰ্তমান সময়ৰ বুকুত হেৰাই গ'ল। অৰ্থাৎ হয়তো তেওঁলোক অসমৰ আন কোনো কোনো জনগোষ্ঠীৰ মানুহৰ মাজত বিলীন হৈ গ'ল।

দেউৰীসকল কৃষিজীৱী লোক। তেওঁলোকৰ সামাজিকভাৱে উদ্‌যাপিত কেউটা উৎসৱ-পাৰ্বণেই সেয়ে বাৰ্ষিক কৃষিচক্ৰৰ সৈতে জড়িত। এনে উৎসৱ-পাৰ্বণসমূহ আয়োজনত ঘাইকৈ চাৰি প্ৰকাৰৰ উদ্দেশ্য নিহিত থকা লক্ষ্য কৰা যায়—

১। নিজৰ লগতে সমাজ আৰু দেশৰ মংগলৰ হকে ইষ্টদেৱতাক সন্তুষ্ট কৰা।

২। উৎসৱৰ অংগাংগী স্বৰূপ ৰং-ধেমালি উপভোগ কৰি মানসিক আৰু শাৰীৰিক স্বাস্থ্যৰ উন্নতি সাধন কৰা।

৩। সামাজিক বান্ধোন তথা নীতি-নিয়ম দৃঢ় কৰা আৰু

৪। অপদেৱতা, মাৰি-মৰক আদি আঁতৰাই গাঁৱৰ পৰা অপায়-অমংগল দূৰ কৰা।

নিজৰ ধৰ্মত অতিকৈ বিশ্বাসী দেউৰীসকলে সেয়ে প্ৰতিটো উৎসৱৰ লগত পূজা-পাতল আৰু কেতবোৰ চিৰাচৰিত লোকাচাৰ পালন কৰিবই লাগে। প্ৰথমে পূজা-পাতল অনুষ্ঠিত হয়, তাৰ পিছত উৎসৱৰ ৰং-ধেমালি, খোৱা-লোৱা বা অন্যান্য লোকাচাৰসমূহৰ প্ৰসংগ আহে। দেউৰীসকলে পালন কৰা বছৰটোৰ সবাতোকৈ গুৰুত্বপূৰ্ণ বা সৰ্বশ্ৰেষ্ঠ পূজা-উৎসৱ হ'ল বসন্ত কালৰ ব'হাগ বিহু-পূজা উৎসৱ। পূৰ্বতে এওঁলোকে এই উৎসৱক বাসন্তী পূজা উৎসৱ বুলিহে কৈছিল বুলি জনা যায়।

উৎসৱৰ আয়োজন ঃ

(ক) চ'ত মাহৰ ৰাতি বিহু ঃ 'পালেহি চ'ত, বিহু মাৰো ক'ত, আহ ঐ, আহ ঐ লগৰীহঁত।' চ'ত মাহৰ শুক্লপক্ষৰ নৱমী তিথিৰ দিনা গধূলি প্ৰত্যেকখন দেউৰী গাঁৱৰ ডেকা আৰু গাভৰুসকলে ভাগে ভাগে গোট খায় গাঁৱৰে সবাতোকৈ মাননীয়ৰূপে

বিবেচিত ব্যক্তি বৰদেউৰী বা গাঁওবুঢ়াজনৰ ঘৰৰ বহল চোতাল বা ওচৰতে থকা মুকলি পথাৰত। তাতে তেওঁলোকে বেলেগে বেলেগে সেই উপলক্ষত উপস্থিত থকা জ্যেষ্ঠসকলৰ ওচৰত সেইদিনাৰ পৰা সেই ঠাইতে চ'তৰ ৰাতিবিহু অনুষ্ঠিত কৰিবলৈ লোৱা কথাটো গুৱা-পাণৰ শৰাইৰে সৈতে আঁঠু লৈ আনুষ্ঠানিকভাৱে জনায় আৰু ইয়াত কোনো অপায়-অমংগল নহওক বুলি ইষ্ট-দেৱতাৰ নামত মদ বাকি বিহু মাৰিবলৈ আৰম্ভ কৰে। সেইদিনাৰে পৰা প্ৰতিটো গধূলি এপৰলৈকে এই অনুষ্ঠান অনেক-প্ৰকাৰৰ বিহুনাম, বিহুনাচ আদিৰে তেওঁলোকে বিহুতলী উখল-মাখল কৰি তোলে। চ'তৰ সংক্ৰান্তিৰ ৰাতি ওৰেটো নিশা খপি এই বিহুৰ আনুষ্ঠানিকভাৱে সামৰণি মাৰে।

ৰাতিবিহুৰ নাম শুনিলেই আমাৰ সমাজৰ বহু লোকে তাত অশ্লীলতাৰ ৰূপ এটা দিব বিচাৰে। কিন্তু দেউৰীসকলৰ ৰাতিবিহু সমাজ স্বীকৃত। সমাজে বান্ধি দিয়া নিয়মৰ প্ৰতি একান্ত আনুগত্য ৰাখি ভৰযৌৱনপ্ৰাপ্ত যুৱক-যুৱতীসকল মুকলিমূৰীয়াকৈ ওলাই আহে বিহুৰ ৰং-ৰহইচত দেহ-প্ৰাণ উজান দিবলৈ। ঢোল, তাল, পেঁপা আদিৰ মাতত বিহুতলী ৰজন্‌জনাই উঠে। আঁঠুৰ তললৈকে বোৱাই ঘৰতে বোৱা চুৰিয়া পিন্ধি পাহোৱাল ডেকাহঁতে সুঠাম কলাফুল উলিয়াই বলিষ্ঠ আৰু ধীৰ গতিত নাচিবলৈ ধৰে নানা ভংগিমাত। নাতিদূৰত গাভৰুহঁতেও নানা ধৰণৰ বিহুগীতৰ উপৰিও জাকৰুৱা হাত-চাপৰি আৰু ভৰিৰ গিৰিপনি মাৰি হুৰাই ৰাঙলি, হাঁচতি, লহৰী আদি গাই মণ্ডলাকাৰে সুকীয়াকৈ বিহু-খোলা পাতি নাচিবলৈ ধৰে। এনে পৰিৱেশত যৌৱন বলিয়া, মন চেঙেলীয়া, কোনো কোনো গাভৰুৰ মাজত চকু তথা মনৰ মিলনো ঘটে। সেয়ে এনে সময়তে বহুজনে জীৱনৰ লগৰীও বাছি ল'বলৈ আগবাঢ়ি আহে। সেয়ে হ'লেও অবৈধ প্ৰেম-পিৰীতি বা সমাজ-বিগৰ্হিত কামনা-বাসনাৰ পৰা সদায় দূৰতে থাকিবলৈ যত্ন কৰে এওঁলোকে। কাৰণ কেনেবাকৈ এনে হ'ব লাগিলে দণ্ডিত হ'বই লাগিব গুৰুতকৈও গুৰুদণ্ডেৰে। গতিকে এনে দিশত অভিভাৱকসকল সিয়ান হৈ থাকে।

ঢোল-তাল, পেঁপাৰ ঝন্‌ঝননি, ডেকা-গাভৰুৰ বিহুবলিয়া ৰং-ৰহইচত সৰগৰ দেৱ-দেৱী জাগ্ৰত হয়। মৰ্ত্যালোকৰ আহ্বান পাই সন্তুষ্ট হৈ, মৰ্ত্যৰ পৃথিৱীৰ আনন্দোৎসৱত ভাগ ল'বলৈ বুলি নামি আহে তেওঁলোক সোণৰ জখলা বগাই—

কুণ্ডিলৰ আগাৰিত গুদাকৈ শিমলু
তাতে লয় কুৰুৱাই বাহে কি না।।
আই অই গোসাঁনী নামি যে আহিলে
চ'তাই পৰেবতৰ পৰা না অই।।
ন-ডুলি নামৰে ছ-ডুলি আনিলে

জপাৰো ছিঙিলে কাঠী না অই।
চাৰিদেউ গোসাঁনী নামি যে আহিলে
সোণৰে জখলা পাৰি না ঐ
সোণৰে জখলা ৰূপৰ হেতা মাৰি
আহে পৃথিৰীলৈ নামি না ঐ।।...

(খ) দেৱালয় বা দেওঘৰ, ঘৰ আদি শুচি কৰা আৰু সুবচনী পূজা পতা আদি ঃ উৰুকাৰ দিনা গৃহস্থ-গৃহিণীসকলে সকলো বস্তু চাফ-চিকুণ কৰে। দেওঘৰৰ পৰীয়া লগুৱাসকলে দেৱালয়ৰ সকলো ঠাই মচি-সাজি জেওৰা-জপনা, মণিকূট আদি সুসজ্জিত কৰি তোলে। সন্ধ্যা হ'লে বৰদেউৰী বা বৰপূজাৰীয়ে তামৰ লোটাত তংলতি পত্ৰ আৰু পানী লৈ এক আছুতীয়া বিশেষ মন্ত্ৰ মাতি কেউফালে পানী ছটিয়াই নতুন বছৰটোৰ বাবে দেৱালয়ৰ সকলো ঠাই আৰু দ্ৰব্যাদি শুদ্ধ কৰে। একেদৰে কোনোবাজন বিষয়া নহ'লে পৰিয়ালটোৰ ভিতৰত সবাতোকৈ জনা ব্যক্তিজনেও দেওধাই হৈ একে ধৰণৰ শুচিকৰণ কৰ্ম নিজৰ ঘৰে-ঘৰে সমাধা কৰে। শুচিকৰণৰ এই বিশেষ কৰ্মটোক দেউৰীসকলে 'খিন্‌পেলোৱা' বুলি কয়।

বুধবাৰ বিহুৰ দিনা দেওঘৰৰ পূজা-পাতল হোৱাৰ আগতে প্ৰতি ঘৰে ঘৰে এটা অপৰিহাৰ্য ধৰ্মীয় কৰ্ম কৰা হয়। ইয়াৰ বাবে ঘাই ঘৰৰ ভিতৰত সদায়ে এটা আছুতীয়া কোঠা থাকে। এই কোঠাটোকে 'সুবচনী' কোঠা বোলে। 'ঘৰৰ দেৱতা' অৰ্থাৎ 'বুঢ়া-ডাঙৰীয়া'ৰ নামত কৰা এই পূজাটোক সুবচনী পূজা বোলে। বৰগঞা খেলৰ মানুহে সুবচনী পূজাৰ সলনি 'ঘৰদেউ পূজা' পাতে। ঘৰদেউ পূজাৰ কাৰণে আছুতীয়া কোঠা নথয়। ইয়াৰ সলনি তেওঁলোকে ঘাই ৰন্ধনশালৰ মূল খুঁটা আৰু বেৰখনৰ কাষৰ নিৰ্দিষ্ট ঠাই এডোখৰতহে সদায় এই পূজা কৰে। পূজাৰ কাৰণে এটা ৰঙা বৰণৰ পৈণত ডাক-কুকুৰা আৰু এজনী একে বৰণৰ কুকুৰা লাগে। কুকুৰাহালক লৈ পুৰোহিত বা দেওধাইজনে এক বিশেষ মন্ত্ৰ উচ্চাৰণ কৰি ঘৰৰ দেও অৰ্থাৎ 'কালিকা'ক সন্তুষ্ট কৰিবলৈ এই কৰ্ম কৰে। অৱশ্যে এই পূজাত বলি-বিধান নাই বৰং নিজে নমৰালৈকে কুকুৰাহালক কোনেও মাৰিব নাপায় বুলিহে বিশ্বাস আছে।

গো-সেৱা ঃ কৃষিজীৱী জীৱনৰ প্ৰধান অৱলম্বন হ'ল গৰু; গৰু বিনে কৃষকৰ দিনতে আন্ধাৰ। দেউৰীসকলেও গৰুক অতি পবিত্ৰ জ্ঞান কৰে। মানুহৰ বিহুৰ লগতে সেয়ে একে দিনাই তেওঁলোকে গৰুবিহু পাতি গৰুক দিনটোৰ বাবে নানা প্ৰকাৰে সেৱা-শুশ্ৰূষা কৰে। পুৱাতেই দীঘলতি-মাখিয়তীৰে গৰুবিলাকক গোহালিৰ পৰা খেদি উলিয়াই নি ওচৰৰ নৈ, বিল আদিৰ ন-পানীৰে গাত মাহ-হালধি সানি গা ধুওৱা হয়। আগদিনাই প্ৰস্তুত কৰি ৰখা জাতিলাউ, বেঙেনা, থেকেৰা আদি খাবলৈ দিয়া

হয়। গধূলি হ'লে নতুন পঘা বা তৰা জৰীৰে গোহালিত বান্ধি ধূপ-ধূনা আদি দি নতুনকৈ যাগ দিয়া আৰম্ভ কৰা হয় আৰু সিহঁতক পিঠা-পনা, মিঠৈ আদি খাবলৈ দিয়া হয়। দেউৰী জনগোষ্ঠীৰ লোকসকলে চ'তৰ সংক্ৰান্তিৰ দিনা গৰুবিহু নাপাতি ব'হাগ মাহৰ শুক্লপক্ষৰ প্ৰথম বুধবাৰেহে গৰুবিহু পালন কৰে। অৱশ্যে আজিকালি বহুতে বিশেষকৈ বৰগএগ্ৰা খেলৰ দেউৰীসকলে চ'তৰ সংক্ৰান্তিৰ দিনাহে গৰুবিহু পালন কৰি মানুহৰ বিহুৰ দিনটোলৈ অৰ্থাৎ বুধবাৰলৈ অপেক্ষা কৰে।

বুধবাৰৰ দিনা 'ঘৰদেউ পূজা' বা 'সুবচনী পূজা' আদি অনুষ্ঠিত কৰাৰ আগতে সকলোৱে গাত মাহ-হালধি সানি গা ধোৱে। প্ৰত্যেকেই সাধ্যমতে ঘৰতৈ বৈ লোৱা নতুন কাপোৰ-কানি পিন্ধে। সৰুসকলে ডাঙৰসকলক সেৱা কৰে, আপোনসকলক নতুন কাপোৰ বা অইন বস্তু মৰমৰ চিনস্বৰূপে উপহাৰ দিয়ে। গৃহিণী, জীয়ৰী-বোৱাৰীসকলে আলহীৰ লগতে ঘৰৰ লোকসকলকো পিঠা-পনা, জা-জলপান, মদ বা চুজেঁ-খাজিৰে (মাছ-মঙহেৰে তৈয়াৰী মদৰ সৈতে খোৱা ভাজি) আপ্যায়িত কৰে।

দেওঘৰৰ বিহু-পূজা উৎসৱ ঃ একে বুধবাৰ দিনটোতে দেউৰীসকলৰ প্ৰত্যেকটো খেলৰে নিজা নিজা দেৱালয় বা দেওঘৰত 'বৰ বিচু পূজা' অনুষ্ঠিত হয়। গাঁৱৰ পুৰুষসকল বিশেষকৈ জ্যেষ্ঠসকলে গা ধুই, নতুন কাপোৰ পিন্ধি দিনটোৰ বাবে দেওঘৰলৈ ওলায়। দেওঘৰত অনুষ্ঠিত ব'হাগ বিহুৰ পূজা উৎসৱ সাদিনীয়া। আনহাতে মাঘবিহু পূজা ন-ধান বা শাওণৰ পূজা অম্বুবাচী নিবৃত্তি পূজা বা অইন মাহেকীয়া পূজাসমূহ এদিনীয়া।

ব'হাগ বিহুৰ পূজা উৎসৱ হ'ল বৰ আড়ম্বৰপূৰ্ণ। মূলতঃ তিনিটা ভাগত এই পূজা ভগাব পাৰি— সাত্ত্বিক, ৰাজসিক আৰু তামসিক।

১। প্ৰথম প্ৰাংগতিৰ সাত্ত্বিক পূজাভাগ ঃ পূজাৰ অংশৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহ নানা তৰহৰ কেঁচা উপকৰণ মাহ-প্ৰসাদ, কুঁহিয়াৰ, ধূপ-দীপ, কেঁচা তামোল-পাণ, তংলতি বা কিমাৰু পত্ৰ আৰু ৰক্ত-চন্দন আদি। তংলতি হ'ল দেউৰীসকলৰ বাবে অতি পৱিত্ৰ জোপোহা জাতীয় উদ্ভিদ; ইয়াক সত্ফুল নামেও জনা যায়। দেউৰী পূজাৰীসকলে পূজাৰ মাংগলিক কৰ্মত তুলসী আৰু ফুল ব্যৱহাৰ নকৰি ইয়াৰ সলনি তংলতি পত্ৰ আৰু সোণ, ৰূপ বা তাম ধাতুৰে তৈয়াৰী ফুল ব্যৱহাৰ কৰে। দেওঘৰৰ বৰপূজাৰীগবাকীয়ে আন আন বিষয়া সমন্বিতে ৰক্ত-চন্দনৰ ফোঁট লৈ দেউৰী ভাষাৰ মন্ত্ৰেৰে আৰাধ্য দেৱ-দেৱীৰ অৰ্থে মন্ত্ৰ বা স্তোত্ৰ পাঠ কৰি নানা ধৰণৰ স্তুতি-মিনতি কৰে আৰু শংখ, ঘণ্টা, তাল আদি বাদ্য বজাই দেৱালয়ৰ চৌহদ গহীন কৰি তোলে। পূজাৰ এই অংশই দেৱ-দেৱীৰ আৰাধনাৰ মূল অংশ বুলি কোৱা হয়।

২। **দ্বিতীয় প্ৰাংগতিৰ ৰাজসিক পূজাভাগ ঃ** পূজাৰ এই ভাগত দেৱ-দেৱীৰ নামত বলি-বিধান হয়। পূজাৰ বাবে একে বৰণৰ মতা হাঁহ, পাৰ আৰু পঠা ছাগলী আগবঢ়োৱা হয়। দেৱতাৰ আজ্ঞা হ'লে প্ৰতি তিনি বা পাঁচ বছৰৰ মূৰত 'বৰবলি'ৰ ৰূপত এটা দমৰা ম'হ উছৰ্গা কৰা নিয়মো আছে। বহুবছৰৰ আগতে শদিয়াৰ কেঁচাইখাতী মন্দিৰত নৰবলিও দিয়া হৈছিল বুলি বুৰঞ্জীয়ে কয়। বলি-বিধানৰ নীতি-নিয়মসমূহ শাক্তধৰ্মী হিন্দুসকলৰ সৈতে একে। পূজাৰ মন্ত্ৰ-পাঠ দেউৰীসকলৰ নিজা ভাষাতেই হয় যদিও জনা লোকসকলৰ মতে এই মন্ত্ৰসমূহো সংস্কৃতগন্ধী। মূল বলিদান বৰদেউৰীৰ দ্বাৰাই হয়। তেওঁৰ অনুপস্থিতিতহে সৰুদেউৰী বা বৰভঁৰালীগৰাকীয়ে এই কাম কৰিব পাৰে। উল্লেখ্য যে বলিবিধান মূল মন্দিৰত অনুষ্ঠিত নহয়; চৌহদৰ আন এটুকুৰা আচুতীয়া ঠাইতহে হয়। বলি-বিধানৰ সময়ত মহিলা আৰু ল'ৰা-ছোৱালী দেৱালয়ত থকা নিষেধ। এই কাম সদায় দিনৰ আগবেলাতেই সম্পন্ন কৰা হয়। উল্লেখ্য যে বৰদেউৰী বা বৰপূজাৰীকে ধৰি দেৱালয়ৰ কামত নিয়োগ হোৱা বিষয়া, পৰীয়াসকল পূজাৰ কেইদিনৰ উপৰিও কেইবাদিনৰো আগৰে পৰা যথেষ্ট শুচি-সংযমী হৈ থাকি পাৰ্যমানে উপবাসেও থাকিব লাগে।

৩। **তৃতীয় প্ৰাংগতিৰ তামসিক পূজা ঃ** পূজাৰ এই ভাগ হ'ল উপভোগৰ। দেৱ-দেৱীৰ নামত উছৰ্গিত বলি দিয়া হাঁহ, ছাগলী আদি মঙহেৰে বন্ধা আঞ্জাৰে অন্ন-মদিৰা আদি পূজাৰীয়ে প্ৰথম শংখ, ঘণ্টা আদি বজাই মন্ত্ৰ উচ্চাৰণ কৰি ইষ্টদেৱতাৰ নামত আগবঢ়ায়, পিছত সমৱেত সকলোৱে লগে-ভাগে বহি ভোজ খাই দিনৰ ভাগতে পূজাৰ মূল পৰ্বৰ অন্ত কৰে।

দেউৰীসকলৰ দেৱালয়ৰ পূজা-পাৰ্বণ সাৰ্বজনীন। শাক্ত ধৰ্মত বিশ্বাসী হিন্দু সমাজৰ সকলো সম্প্ৰদায়ৰ লোকে ইয়াত থাকিব পাৰে আৰু পূজাৰ নৈৱেদ্য, হাঁহ, পাৰ, ছাগলী আদি মাননি স্বৰূপে আগবঢ়াব পাৰে। কথিত আছে যে তাহানিৰ কুণ্ডিল ৰাজ্যৰ দেওশালত বৰবিচুৰ পূজা উৎসৱৰ সময়ত দেশ-বিদেশৰ পৰা অহা লোকেৰে দেৱালয়ৰ চৌহদ আৰু ওচৰে-পাঁজৰে লোকাৰণ্য হৈ পৰিছিল।

ব'হাগ মানেই ৰঙালী অৰ্থাৎ ৰং-ৰহইচৰ উৎসৱ। বুধবাৰৰ দিনা দেওঘৰত সাৰ্বজনীনভাৱে পূজা-পাৰ্বণ আৰু সমূহীয়া ভোজ হৈ যোৱাৰ পিছত গাঁৱৰ ঘৰে ঘৰে বিহু উপলক্ষত মাংগলিক কৰ্ম, খোৱা-বোৱা আদিৰ লগতে বিহুৰ ৰং-ৰহইচ আৰম্ভ হয় আৰু ই সাদিন নহয় মানে অন্ত নহয়।

দেওঘৰত দেওধ্বনি ঃ প্ৰথম বিহু পূজাৰ পিছদিনাৰ পৰা দেউৰীসকলৰ আটাইকেইটা খেলতে ব'হাগ বিহুৰ সময়ত দেওধ্বনি উঠে। পুৰণি কালৰে পৰা দেউৰীসকলে দেওধ্বনিৰ ৰূপটো পৱিত্ৰ জ্ঞান কৰি আহিছে। আটাইকেইটা খেলৰে

কোনো এক নিৰ্দিষ্ট বংশৰ শুদ্ধ সদাচাৰী এক বিবাহিত পুৰুষ বা মহিলাৰ গাত সেই ফৈদটোৰ আৰাধ্য দেৱতাৰ দৈৱিক শক্তিৰ প্ৰকট হয়। দেৱালয়লৈ নিৰ্দিষ্ট সময়ত তেওঁৰ ওচৰত নানা প্ৰকাৰ সেৱা জনাই ৰাইজে ঢোল-দগৰ বজাই আদৰি আনে। পৰীয়া-পাঁচনিয়ে ফুল-তংলতিসহ তামৰ পাত্ৰৰ লোটা, কলহ আদিত যুগুতাই দিয়া পৱিত্ৰ পানীৰে তেওঁ স্নান কৰে আৰু দেৱালয়ত আছুতীয়াকৈ থৈ দিয়া নতুন বগা বস্ত্ৰ, সোণ, ৰূপৰ আ-অলংকাৰ, ফুল আদি পিন্ধি সুসজ্জিত হয়। ইয়াৰ পিছতে তেওঁৰ বাবে সাজু কৰি ৰখা বিশেষ আসন 'হাদুৰা'ত বহে, সকলোকে শান্তিজল দি আশীৰ্বাদ জনায়। তাৰ পিছত এক বিশিষ্ট সুৰেৰে গীত জুৰি ৰাইজক উদ্দেশ্যি আগন্তুক বছৰটোৰ কুশল-মংগল, বিঘিনি-বিপত্তি আদিৰ বিষয়ে ভৱিষ্যদ্বাণী কৰে। ইয়াৰ পিছতে হয় দেওধ্বনিৰ নাচ। দেওধ্বনিৰ নৃত্য অতি মনোৰম, অতি বিস্ময়কৰ। নিজ চকুৰে নেদেখাজনক আনে ক'লে কেতিয়াও উপলব্ধি কৰিব নোৱাৰি। দেওধ্বনি নৃত্য সুকীয়া গীত-মালিতা, ঢোলৰ চাপ আদিৰে সৈতে সংগত কৰা হয় শংখ, ঘণ্টা, তাল, দবা, বৰকাঁহ আদি গগন ভেদি যোৱা অপূৰ্ব সুৰ ঝংকাৰ।

দেওঘৰত ডেকা-গাভৰুৰ বিহু, আবৰৰ, হাঁচতি গীত-নৃত্য আদি ঃ দেওঘৰত দেওধ্বনি উঠাৰ দিনা গাঁৱৰ ডেকা, গাভৰু, আদহীয়া আটায়ে গা-পা ধুই বগা বস্ত্ৰ, আ-অলংকাৰ পৰিধান কৰি দেওঘৰলৈ যায় আৰু জয়জয়তে দেওধ্বনি বা ইষ্টদেৱতাৰ উপলক্ষে আঁঠু কাঢ়ি আশীৰ্বাদ লয়। ইয়াৰ পিছত লিংগ আৰু বয়সভেদে সুকীয়াকৈ খোলা পাতি বিহুৰ পূজা আৰু উৎসৱৰ সৈতে জড়িত হাঁচতি, আবৰৰ, হুৰাই-ৰাঙলি আদি সুৰ, তাল আৰু ছন্দত বন্ধা গীত-মালিতা গাই আৰু পদ-হস্ত চালনাৰে মণ্ডলাকৃতিত সমূহীয়া নৃত্য কৰে। দেৱ-দেৱীৰ মনোৰঞ্জনৰ অৰ্থে গোৱা এই বন্দনাসূচক গীত-মালিতাৰ মাজেদি জাতিটোৰ অতীত, ইতিহাস, লোককথা, তথা লোক-জীৱনৰ দৈনন্দিন জীৱন পদ্ধতিৰ মনোৰম আভাস পোৱা যায়। উল্লেখ্য যে এই বিশেষ গীত-মালিতাবোৰ ব'হাগ বিহু উৎসৱ আৰু নিজ খেলৰ গঞ্জা-জ্ঞাতি সমাজৰ বাহিৰে অইন সময় বা ঠাইত পৰিৱেশন কৰাটো দেৱতা আৰু সমাজৰ বাধা আছে বুলি বিশ্বাস আছে।

গাঁৱৰ ঘৰে ঘৰে বিহু উৎসৱ ঃ বুধবাৰৰ দিনা দেৱালয়ত পূজা আৰু বিহু উৎসৱ আৰম্ভ হৈ যোৱাৰ পিছত গাঁৱৰ ঘৰে ঘৰে বিহুৰ-বা বলিবলৈ ধৰে। প্ৰতিঘৰ গৃহস্থই গাঁৱৰ বুঢ়া-মেথাসকলক নিমন্ত্ৰণ কৰি আনুষ্ঠানিকভাৱে বিহু-খুউৱা পাতে আৰু বছৰটোৰ শুভকামনা বিচাৰি আশিস লয়। বৃদ্ধ-বৃদ্ধাসকলৰ উপৰি এই পৰ্বটিত গাঁৱৰ সকলোৰে জুমে জুমে লগ হৈ ঘৰে ঘৰে 'বিহু খুউৱা'ৰ উপলক্ষে আয়োজিত মাছ-মাংসৰ ভাজি বা ভাজিৰে সৈতে মদ-চুজে আদি পান কৰি ৰঙতে ৰঙিয়াল হৈ বিহু গাই নাচি ফুৰা দৃশ্য অতি উপভোগ্য।

ডেকা-গাভৰুৰ বিহু ঃ সুদূৰ অতীজৰ পৰাই দেউৰী সমাজৰ পুৰুষ-মহিলাসকলে পৃথকে পৃথকে বিহু মাৰে। অৱশ্যে এওঁলোকৰ দিবঙীয়া খেলৰ ডেকা-গাভৰুৰ মাজত একেলগে বিহুমৰাৰ নিয়মো দেখা যায়। মুকলি মনেৰে অনুষ্ঠিত কৰা এই বিহু ধৰ্মীয় নীতি-নিয়মৰ পৰা বহুখিনি মুক্ত। ঢোল-তাল, পেঁপা আদি ডেকাহঁতৰ বিহুৰ অপৰিহাৰ্য বাদ্য। এই বাদ্যসমূহৰ উত্তাল শব্দৰ ছেৱে ছেৱে পাহোৱাল ডেকাহঁতে দ্ৰুতগতিত দীঘলীয়াকৈ, চুটিকৈ নানান ভংগী দি উদ্দাম নৃত্য কৰে। ডেকা-বিহুৰ বাদ্যযন্ত্ৰ, গীত আৰু বিহুনাচত বীৰৰসৰ মনোমোহা আকৰ্ষণ ফুটি উঠে। বিহু-ৰাগিত মতলীয়া ডেকাহঁতৰ সাদিন সাত ৰাতি বিহুমাৰিও যেন হেঁপাহ নুগুচে।

ডেকাসকলৰ দৰে সমনীয়া গাভৰুসকলেও সাজি-কাচি ওলাই আহে ঘৰে ঘৰে বিহু মাৰিবলৈ। দেউৰী ছোৱালীসকল স্বাভাৱিকতেই ধুনীয়া। ল-নিকৈ দেহাটিত মেৰিয়াই লয় নিজে বৈ লোৱা ধুনীয়া ফুলবছা, বনকৰা ৰিহা-মেখেলা, পাউঁগা, খনি, তেজগোৰা কপালত জিলিকে ৰঙা সেন্দূৰৰ ফোঁট, কাণত কাণফুলি, থুৰীয়া বা জাংফাই কেৰু, ডিঙিত শুৱাই পৰে সোণৰ গলপতা, ডুগ্‌ডুগী, গেজেৰা, পোৱালমণি, হাত ৰুণ-জুনু কৰে চিড়িখাৰু, গোটাখাৰু, পাতি খাৰু, গামখাৰু, হাস-মৰা। তদুপৰি জেতুকাৰ বোল সনা হাতৰ আঙুলিয়ে প্ৰতি একোটাকৈ আঙঠি; সিবোৰ হ'ল বাখৰ খটোৱা জাপি টুপীয়া, জেঠীনেজীয়া আদি। কিচ্‌কিচীয়া ক'লা চুলিৰে কলডিলীয়া খোপাটিত আকৌ কপৌফুল, মৰুৱাফুল, নাহৰফুল আদিৰে শোভা বঢ়াই তামোলৰ সেলেঙী লগাই লাজকুৰীয়াভাৱেৰে গাভৰুজাক ওলাই আহে বিহু মাৰিবলৈ। ইয়াৰ উপৰিও এওঁলোকে প্ৰতিগৰাকীয়ে শুৱনিকৈ মূৰ ঢাকি উৰি লয় একোখনি তৰা ফুলৰ গুটিবছা সৰু সূতাৰ চেলেঙ চাদৰ।

গাভৰুসকলেও প্ৰথমে দেওধ্বনি বা প্ৰধান পূজাৰীগৰাকীৰ ঘৰতে বিহু আৰম্ভ কৰে আৰু সাত দিনৰ ভিতৰতে এঘৰো বাদ নিদিয়াকৈ বিহুমাৰি অন্ত কৰে। গাভৰু বিহুত বাদ্যযন্ত্ৰৰ প্ৰাধান্য নাই। টকা-মাৰি, গগনা বা সুতুলি আদি দুই-এপদ লোকবাদ্যৰ বাদে হাতচাপৰিহে এওঁলোকৰ বিহুনাম তথা নাচৰ মুখ্য আকৰ্ষণ। সুৰুচিপূৰ্ণ অথচ জীৱন-যৌৱনৰ ৰসে উপচোৱা নানা ছেও, নানা ঢেকৰ বিহুনামৰ সৈতে সংগতি ৰাখি সমূহীয়া হাতচাপৰি, শান্ত, ধীৰ গতিৰ লয়লাস, জাকৰুৱা বিহুনাচে গাভৰু বিহুক অতিকৈ প্ৰাণৱন্ত আৰু মোহনীয় কৰি তোলে। গাভৰু বিহুত যেন যাদু আছে। সেয়ে কয়— 'এইহেন বতৰত কোন থাকে ভিতৰত', 'এইহেন বিহুটি যাবলৈ ওলালে ধনেদি ৰাখোতা নাই' বুলি বুজি পাই ঘৰৰ ৰখীয়া শান্ত বোৱাৰীসকলেও গাভৰুসকলৰ লগতে এপাক যেন নাচিহে বিহু উতলা মনটো শীতল কৰিব পাৰে।

বিহুমৰা অন্ত হ'লে ঘৰৰ গৃহস্থই গুৱা-পাণৰ শৰাইত সামৰ্থ অনুসৰি ধন, গামোচা, চেলেং কাপোৰ আদিৰে মাননি আগবঢ়াই বিহুৱাসকলৰ ওচৰত আঁঠু লয়। সদৌ অন্তত যতনাই ৰখা জা-জলপান, মদ, খাজি আদিৰে আপ্যায়িত কৰি সকলোকে বিদায় দিয়ে।

হুঁচৰি গোৱা ঃ বিজ্ঞ লোকসকলৰ মতে হুঁচৰি শব্দটি আহিছে 'হিচৰি', 'হেচাৰি', বা 'ভুঁচৰি' শব্দৰ পৰা। সেইদৰে হাঁচতি শব্দৰ 'হা' শব্দ নতুবা 'হি', 'ভূঁ' আদি শব্দই মাটি বা পৃথিৱীক বুজায়। গতিকে 'হুঁচৰি' বা 'হাঁচতি' শব্দৰ ব্যুৎপত্তিৰে চালে দুয়োটা শব্দই 'চৰি-চৰি' বা 'ঘূৰি-ঘূৰি' অৰ্থাৎ মণ্ডলাকাৰে গোৱা একপ্ৰকাৰ নাম-মালিতা বা লোকনৃত্যকে বুজায়। উজনি অসমৰ বহু ঠাইত অতি পুৰণি কালৰে পৰা হুঁচৰি বা হাঁচতি গোৱা ৰীতি প্ৰচলন আছে যদিও জাতি-জনগোষ্ঠী তথা অঞ্চলবিশেষে ইয়াৰ পৰিৱেশন ৰীতিত কিছু কিছু পাৰ্থক্য লক্ষ্য কৰা হয়।

দেউৰী সমাজে সুদূৰ অতীতৰ পৰা ব'হাগ বিহুত হুঁচৰি বা হাঁচতি গোৱা বিষয়টো এক মৰ্যাদাসম্পন্ন ধৰ্মীয় পৰম্পৰাৰূপে মান্যতা দি আহিছে। বিশেষ নীতি-নিয়মৰ অধীন হোৱা হেতু সাধাৰণতে প্ৰতিবছৰে নহৈ তিনি বছৰৰ মূৰে মূৰেহে দেৱালয় বা গাঁৱৰ মুৰব্বীসকলৰ অনুমোদন সাপেক্ষে হুঁচৰি, হাঁচতি আদি গোৱা হয়। ইয়াত কেৱল পুৰুষসকলেহে অংশ ল'ব পাৰে।

দেউৰীসকলৰ হুঁচৰি প্ৰথম দেওঘৰ বা দেৱালয়ৰ পৰাই আৰম্ভ হয়। ইয়াতে হুঁচৰি দলে সমূহীয়াকৈ ইষ্ট দেৱ-দেৱীৰ অৰ্থে শৰাই আগবঢ়াই আশিস নিৰ্মালি আৰু শান্তিয়নী জল গ্ৰহণ কৰে। হুঁচৰি দলটো এটা বিৰাট দল। এগৰাকী ঘাই নামতী, চাৰি-পাঁচগৰাকী নাচনী, ধন-ভঁৰালী পাইক, টেকেলা আদি আগতীয়াকৈ স্থিৰ কৰি লোৱা হয়। প্ৰতিঘৰ মানুহৰে যুৱক, পুৰুষসকলে ইয়াত ভাগ লোৱাটো বাধ্যতামূলক হ'লেও পিতা-পুত্ৰ, দদাই-ভতিজা আনকি শহুৰ-জোঁৱাই আদিয়েও এই হুঁচৰি দলত মুকলিমূৰীয়াকৈ একেলগে অংশ লৈ সমানে আনন্দ উপভোগ কৰে। হুঁচৰি দলৰ ঘাই নামতী আদিৰ সাজ-পাৰ মন কৰিবলগীয়া। বৰনামতীয়ে সদায়ে নিজকে আছুতীয়াকৈ সজাই লয় এনেদৰে— গাত পিন্ধে মুগাৰ হলৌ চোলাৰে সৈতে এঢ়ি এঙাচোলা, মূৰত মুগাৰ বৰপাগ, কাণত উন্টি বা মতাকেৰু, ডিঙিত মতা কণ্ঠহাৰ, কঁকালত ৰূপৰ কিংকিনী, বাহুত বাজু বা কৰধনী আদি।

হুঁচৰিৰ বাবে ৩ বা ৪ ডাল দীঘল গোটা বাঁহ লাগে। বাঁহকেইডাল মাটিৰ পৰা এহাতমান ওপৰত আয়তাকাৰে বান্ধি লোৱা হয়। আয়তটোৰ মাজত নামতী আৰু নাচনীসকল থাকে। নামতীয়ে হুঁচৰি, হাঁচতি, লহৰী আদি গীতৰ ঘাই আৰু মালিতাসমূহ এটাৰ পিছত এটাকৈ এক অপূৰ্ব ছন্দ, তাল, লয় আৰু সুৰত পদ-হস্ত চালনাৰে

বাঁহকেইডালক কেউকাষৰ পৰা একেই তাল বা ছন্দ মিলাই পদচালনা কৰি কৰি বাঁহৰ টকা মাৰিবে কোবাই কোবাই নাম আৰু মালিতাবোৰ ঘাই নামতীক অনুসৰণ কৰি গাই যায়। সমান্তৰালভাৱে পুৰুষ নাচনিকেইজনেও আয়তটোৰ ভিতৰত হুঁচৰি আদি গীতৰ নাম-মালিতাবোৰ একেলগেই দোহাৰি যোৱাৰ লগতে বিশেষ ভংগিমাৰে হস্ত-পদ চালনা কৰি নৃত্য কৰি কৰি সকলোকে উৎসাহিত কৰে। গাত এঙাচোলা, মূৰত পাগুৰি বা ৰঙা আঁচুৰে পাৰি দিয়া গামোচা তথা আঁঠুৰ তললৈকে পৰাকৈ থুৰিয়াই পিন্ধা কপাহী বা মুগা সূতাৰ চুৰিয়াখনিৰে সৈতে সুঠাম-সবল দেহৰ এই ডেকাসকলৰ হুঁচৰি নৃত্যত এক যাদুকৰী আকৰ্ষণ আছে। উল্লেখ্য যে দেউৰীসকলৰ হুঁচৰি, আবৰৰ, হুঁৰাই ৰাঙলী আদিৰ পৰিৱেশন-ৰীতিত ঘাইকৈ ধৰ্মীয় ভাবনা জড়িত থাকে। সেয়ে এনে গীত-মালিতাসমূহত জনগোষ্ঠীটোৰ ধৰ্মীয় তথা সাংস্কৃতিক জীৱনৰ ভালেখিনি কথাৰ আভাস পোৱা যায়। সাধাৰণ চহা-জীৱনৰ দাপোণ স্বৰূপ এই গীত বা মালিতাসমূহত জাতিটোৰ ইষ্ট দেৱ-দেৱতাৰ গুণানুকীৰ্তন, অতীতৰ ইতিহাস, সামাজিক-সাংসাৰিক তথা লোকজীৱনৰ আচাৰ-বিচাৰ, মনস্তত্ত্ব, দেহতত্ত্ব আদিৰ লগতে অনেক মুখৰোচক ব্যংগ নিহিত আছে। উদাহৰণস্বৰূপে এটি চানেকী হ'ল—

গুটি ঃ হুৰে হুৰে বাই ডলাত কাপো ঘূৰে।
মালিতা ঃ হুৰে হুৰে নামকে কোনে সৰজিলে।
আই নো গোসাঁনী সেয়ে সৰজিলে।
হুৰে হুৰে নামকে কোনে সৰজিলে।
শদিয়াৰ চাৰিশাল দেৱে সৰিজলে।।...

আন এটি মালিতাৰ ৰূপ, যেনে—
'ক'ৰ পৰা আহিলা ঐ ক'ত ক'ত দিলা ভৰি।
চ'তালখন ফাটিলে চেৰ্চেৰ্ কৰি।।
হুৰ্ হুৰ্ হুৰণি ঐ ৰুক্মিণী ঘূৰে
বছৰেকৰ বিহুত ঐ ঘৰে ঘৰে ঘূৰে।।...'

সেইদৰে হাঁহিৰ খোৰাক তোলা খুহুতীয়া গীত-মালিতাৰ ৰূপ এনেধৰণৰ—
গুটি ঃ 'হুঁচৰি বাই অ' জপা নিলে চোৰে।
চাৰি চোৰ লৰ মাৰে জপাৰ ভিতৰে।।
মালিতা ঃ চা অ' বোৱাৰী কি কি নিলে
কানি-কাপোৰ থৈ গ'ল জপাটোকে নিলে।।...'
গুটি ঃ 'হিঁয়ৰি হুঁচৰি, হিঁয়ৰি হুঁচৰি

মালিতা ঃ হে পাই ডাঙৰজনী বাই
খৰি মুঠা আনিবি ডাঙৰকৈ চাই।।
খুড়ীয়ে চাকি দিলে মদবাতি খাম।
দদায়ে মাৰি দিলে কুকুৰা খাম।।
খুড়ীয়ে চকা মদ বৰকৈ টেঙা।
দদায়ে মৰা কুকুৰা বৰকৈ চেঙা।।...
আমাৰে বায়ে সূতা কাটে সবাতোকৈ সৰু।
বান্ধিবলৈ হে গ'ল ভতৰা গৰু।।
এ ঘেউ কাটিলে ৰে'ঘেউ তেও।
তাৰে বান্ধি গ'ল বোন্দা মেও।।...'

একেৰাহে গহীন গহীন গীত-নাচ পৰিৱেশন কিছু হ'লেও আমনিদায়ক। সেয়ে ইয়াৰ মাজে মাজে কেইজনমান লোকে নানাৰূপে বহুৰা সাজি বাৰেভচহু সাজ-পোছাক পিন্ধি বহুৰা বিহু-হুঁচৰি কৰি ল'ৰা-বুঢ়া আটাইকে কৌতুক বা ব্যংগ ৰসৰ আমোদো দিয়ে।

পূৰ্বতে উনুকিওৱা হৈছে যে দেউৰীসকলৰ বিহু উপলক্ষে পৰিৱেশন কৰা গীত-মাতসমূহ মন গ'লেই য'তে-ত'তে গোৱাৰ নীতি নাই। দেৱালয়ত দেওধ্বনি নৃত্যত যিবোৰ গীত-পদ গোৱা হয়, সিবোৰ কেতিয়াও অইনত গাব নাপায় বুলি বিশ্বাস কৰা হয়। সেইদৰে হুঁচৰি, হাঁচতি আৰু আবৰৰ গীত-মালিতা কেৱল 'হুঁচৰি গোৱা' পৰ্বতহে গোৱা নিয়ম। গাভৰু বা তিৰোতা মানুহে দেওঘৰৰ বাহিৰে এনেধৰণৰ গীত-মালিতা গাঁও বা অন্য ঠাইত কেতিয়াও নাগায় যদিও দেওঘৰীয়া বিহু-উৎসৱত দেৱালয়ৰ চৌহদৰ ভিতৰত এওঁলোকৰ দ্বাৰা পৰিৱেশন হোৱা আবৰৰ, হুৰাই ৰাঙলী, হাঁচতি, লহৰী আদি গীত-মাত তথা নাম-মালিতা অতিকৈ মনোমোহা। উদাহৰণস্বৰূপে, আবৰৰ গীতৰ দুটামান শাৰী ইয়াত উল্লেখ কৰা হ'ল—

গুটি ঃ 'আবৰৰ নাহাঙা আবৰ বচে।।
মালিতা ঃ জোনবে সাৰথি জোনাকী পৰুৱা
সৰগৰ সাৰথি তৰা কি না।।
আমাৰে সাৰথি আমাৰে গোসাঁনী
গা-ধুই কৰি যাওঁ সেৱা কি না।।
শদিয়াৰ শালতে চাৰিশাল গোসাঁনী
তালৈকে মানি যাওঁ ছাগে দিনা।।...'

গাভৰুসকলৰ হাঁচতি নামৰ এশাৰী হ'ল—

গুটি ঃ 'হাঁচতি ঐ আ যাওঁ ওমলোগৈ

মালিতা ঃ এৰী পুহিবলৈ এৰেণা ভেৰেণা

মুগা পুহিবলৈ চোমে না ঐ

লোকৰ ধানে বানি বনিয়াই আহিলো

মুগাৰে ৰিহাখন ল'লো না ঐ

ধুইয়ে আনিলো মুগাৰ ৰিহা-মেখেলা

জোকাৰি চিকুণকৈ মোলোনা ঐ

খিয়াল নকৰিবি বুকুৰে বৌ মোৰ

কটনা-কাটিয়ে লোৰা না ঐ।।...'

হাঁচতি আৰু হুৰাই-ৰাঙলী নাম-মালিতাৰ মাজত পাৰ্থক্য ধৰা টান। কিছুমান গুটি বা ঘাইটোৰে বেলেগ, মালিতাবোৰ একেই থাকে। তলত হুৰাই ৰাঙলী নাম-মালিতাৰ এটি চানেকী দিয়া হ'ল—

গুটি ঃ 'হুৰাই ৰাঙলী ঐ হেই।।

মালিতা ঃ ... কালৈ সাঁচিলি জপাৰ বৰকাপোৰ

কালৈ সাঁচিলি ধন।

জপাৰ বৰকাপোৰ জপাতে পচিব

হাড়তো গজিব বন।।

শদিয়াৰ জীয়ৰী নানিবি ককাইদেউ

উঘা ঘূৰাহেনে ঘূৰে।

গৰুচৰ ৰাজৰে জীয়ৰী নানিবি

লোকৰ ঘৰে ঘৰে ফুৰে।

কুণ্ডিলৰ জীয়ৰী আনিবি ককাইদেউ

মূৰতে মৰুৰা ফুলে।...'

উল্লেখ্য যে পুৰুষ আৰু মহিলা সকলোৰে গোৱা গীত-বন্দনাৰ ভাব-ভাষা আদি একে যদিও পৰিৱেশন ৰীতি বা সুৰ-তালৰ ক্ষেত্ৰত ভালেখিনি তাৰতম্য থকা পৰিলক্ষিত হয়। দৰাচলতে এনে নৃত্য-গীতত মানুহৰ আদিম গীত আৰু নৃত্য সৃষ্টিৰ উমান পোৱা যায়। যুগ যুগ ধৰি এনে গীত-বন্দনা বা মালিতাসমূহ মুখে মুখে চলি আহিছে। দুখৰ কথা আজিও ইবিলাকৰ অধ্যয়ন বা সংস্কৰণ তথা চৰ্চা আদিৰ দিশত কোনো ধৰণৰ বিজ্ঞানসুলভ দৃষ্টিভংগী গ্ৰহণ কৰা নাই। প্ৰকৃতিৰ বুকুত জন্ম লোৱা সহজ-সৰল চহা জীৱনৰ এনে হাজাৰ-বিজাৰ গীত-মাত আৰু লোক কৃষ্টি-সংস্কৃতিমূলক অমূল্য

সম্পদসমূহ বৈজ্ঞানিক চিন্তা-চৰ্চাৰে অধ্যয়ন আৰু সংগ্ৰহ কৰা বিষয়টো অতিকৈ প্ৰয়োজন হৈছে।

হুঁচৰি গোৱাৰ অন্তত প্ৰতিঘৰ গৃহস্থই এখন শালেকটা গামোচা বা চেলেং কাপোৰৰে সৈতে সাধ্যানুসাৰে ধন, তামোল-পাণ আদিৰে এখন ৰাঙলী শৰাইৰে ৰাইজৰ ওচৰত আঁঠু লৈ আশীৰ্বাদ লয়। সদৌ শেষত পূৰ্বৰে পৰা সাজু কৰি ৰখা মদ-খাজী বা অন্য জলপানেৰে ৰাইজক আপ্যায়িত কৰি অন্য এঘৰলৈ হুঁচৰি গোৱাৰ বাবে গৃহস্থই আগবঢ়াই দিয়ে।

ব'হাগ বিহু পূজা উৎসৱৰ শেষ পৰ্ব ঃ ব'হাগ মাহৰ প্ৰথম বুধবাৰে প্ৰথমটো পূজা হৈ যোৱাৰ এসপ্তাহৰ পিছত অহা বুধবাৰটোত পুনৰ দেওশালত পূজা অনুষ্ঠিত হয়। এই পূজাক 'গোসাঁনী পাটত তোলা' বুলি কোৱা হয়। সেইদিনা যিকোনো প্ৰকাৰে গাঁৱৰ বিহুমৰা বা হুঁচৰি গোৱা আদিও শেষ কৰাৰ নিয়ম। পিছদিনা অৰ্থাৎ বৃহস্পতিবাৰে গাঁৱৰ ৰাইজ, ডেকা-গাভৰু আদি সকলোৱে আকৌ বৰ ধুম্‌ধামকৈ দেওঘৰত বিহুৰ ৰং-ধেমালি উপভোগ কৰে। দেওধ্বনি নৃত্যও হয়।

বিহু উৰুওৱা ঃ দেওঘৰত বছৰটোৰ বাবে বিহু সামৰি মুনি-চুনি বেলি পৰত সকলো ৰাইজ বিহু উৰুৱাবলৈ ওলায়। 'বিহু যায় অ' হেমালী ঐ' আদি নানা ধৰণৰ বিহু গাই, ঢোল-দগৰ আদিৰে সৈতে নানা তৰহৰ ৰং-ধেমালি কৰি তেওঁলোক সকলো মিলি গাঁৱৰ ওচৰৰ নৈ, জান, জুৰি নহ'লে হাবিয়নীৰ দাঁতিলৈ গৈ তাতে হুঁচৰি গোৱা বাঁহ, টকা, মাৰি আদি পেলাই পানী ছটিওৱা-ছটি কৰি পিছলৈ উভতি নাচাই তাতে তেনেকৈ বিহু বিদায় দি ঘৰলৈ ওভতে। সেইদিনাৰ পৰা পুনৰ চ'ত আহি নাপায় মানে ঢোল-পেঁপা আদি বজাব নাপায় বুলি লোকবিশ্বাস আছে। ইয়াৰ পিছত দিন-ক্ষণ মিলাই বিহু বা হুঁচৰিত উঠা ধনৰ একাংশৰে পুৰুযে পুৰুষৰ ভাগে আৰু মহিলা বা যুৱতীসকলে বেলেগে সমূহীয়া ভোজ খায়। ধনৰ আনটো ভাগ ৰাইজৰ পুঁজিলৈ আগবঢ়োৱা নিয়ম।

ৰাজবন্ধ ঃ 'ৰাজবন্ধ' অৰ্থাৎ 'ৰাইজবন্ধ'। বিহু উৰুওৱাৰ ঠিক পিছ দিনা শুক্ৰবাৰৰ দিনটোক দেউৰীসকলে 'ৰাজবন্ধ' বোলে। সেইদিনা গাঁওখনৰ কোনো মানুহে বাৰী বান বা পথাৰৰ কাম নকৰে। জীয়াৰী-বোৱাৰীসকলেও একেদৰে পথাৰৰ কাম, ধান-মৰা, ধান-বনা, তাঁত-সূত বোৱাকে ধৰি ঘৰুৱা সকাম-নিকাম আদি নকৰি একান্তমনে ঘৰ-বাৰী চাফ-চিকুণ কৰা, চৰু-হাড়ী আদিৰ ছাই গুচোৱা আদি কৰি অঁতাই ঘৰে ঘৰে পিঠা-পনা আদি তৈয়াৰী কৰাৰ কামত ব্ৰতী হয়।

পুৰুষসকলে বৃদ্ধৰ পৰা বালকলৈকে কাষৰ নৈ, জান বা পুখুৰীৰ পাৰত আটায়ে সমবেত হয়। আৰু তাতে তেওঁলোকৰ আৰাধ্য দেৱ-দেৱীৰ লগতে আন সকলো

অশৰীৰী আত্মাবিলাকক মৰ্ত্য দেশ এৰি নিজ নিজ ঠাইলৈ যোৱাৰ অৰ্থে বিশেষ ধৰণৰ পূজা-পাতল অনুষ্ঠিত কৰে। পূজাৰ শেষত এক সমূহীয়া ভোজ-ভাতত সকলোৱে অংশগ্ৰহণ কৰে। সন্ধিয়ালৈ ভোজৰ স্থলীত পুৰোহিতগৰাকীয়ে অপদেৱতাসকলক নেওচা দিয়াৰ কাৰণে তিনি ঠাইত তিনিটা মেগেলা বা খাগৰি বনৰ ঠাল পেলাই মন্ত্ৰ মাতে আৰু ল'ৰা-বুঢ়া প্ৰতিজনে থু আদি পেলাই দেও দি দি আহি নিজ নিজ ঘৰ পায়হি। ঘৰ সোমোৱাৰ পূৰ্বে তেওঁলোকে বাহিৰে বাহিৰে গা-ধুই কানি-কাপোৰ সলাই জুইত সেক লৈ গৃহত সোমায়।

নৌকা উটুৱা সবাহ ঃ 'ৰাজবন্ধ' হৈ যোৱাৰ পিছত গাঁৱৰ কেনিও ক'তো ঢোল-পেঁপাৰ শব্দৰ কথা বাদেই বিহুগীত এফাঁকিও শুনিবলৈ নাই। কেউফালে নিজম পৰে। তেনেতে আহি পৰে আকৌ এটা বুধবাৰ। সেইদিনাই দেউৰী সমাজে বসন্তকালীন শেষ ৰাজহুৱা কৰ্ম 'নৌকা উটুৱা সবাহ' অনুষ্ঠিত কৰে। কোনোৱে এই সবাহক 'পীৰি' বুলিও কয়। ন-গৰাকী 'আই' বা অপেশ্বৰী অৰ্থাৎ 'ন ভনী'ৰ উদ্দেশ্যে পতা এই অনুষ্ঠানত মহিলাসকলেও অংশগ্ৰহণ কৰে। গাঁৱৰ নামনি ফালে নৈ, জান বা বিলৰ পাৰত নহ'লে হাবিৰ কাষত আয়োজন হোৱা এই সাত্ত্বিক কৰ্মটোৰ বাবে প্ৰয়োজন হয়— কেঁচা পিঠাগুড়ি, মাহ-প্ৰসাদ, কল, কুঁহিয়াৰ, এৰাঁ গাখীৰ আদি। দুজনমান জনা লোকে একেলগে অতি পৱিত্ৰভাৱে ফুল-জালি, শুদ্ধ বগা বস্ত্ৰ আৰু কলপটুৱাৰে এখনি অতি মনোৰম নৌকা সাজে, তাতে আটাইখিনি পূজা-উপচাৰেৰে ন-গছি বন্তি জ্বলাই লৈ শৰাই সঁফুৰাৰে সৈতে আসনত ৰাখি লয়। ইয়াকে কেন্দ্ৰ কৰি পুৰুষসকলে দিনজোৰাকৈ হৰি-কীৰ্তন আৰু মহিলাসকলে ন-ভনীৰ নানা মহিমা বখানি আইনাম গায়। নামৰ অন্তত সকলোৱে বছৰটোৰ বাবে সকলোপ্ৰকাৰৰ আলৈ আহুকাল, ৰোগ-ব্যাধি দূৰ হোৱাৰ কামনাৰে ন-ভনীৰ উদ্দেশ্যে সেৱা লয় আৰু পূজাৰী, ৰাজমেধিসকলে আশীৰ্বাদ দিয়ে। ইয়াতেই দেউৰী সমাজৰ বসন্তকালীন উৎসৱৰ আটাইখিনি ৰীতি-নীতি, পূজা-পাতল, সামাজিক আচাৰ-বিচাৰ আদিৰো আনুষ্ঠানিকভাৱে পৰিসমাপ্তি হয়।

আনহাতে ব'হাগ মাহৰ সামাজিক লোকাচাৰ হিচাপে বিহু উৎসৱৰ অন্তত গাভৰুসকলৰ বাবে 'চামত তোলা' অনুষ্ঠান এটিও আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত কৰে। 'চামত তোলা' কামটোৰ জৰিয়তে গাঁৱৰ আটাইতকৈ ডাঙৰ চামটোৰ গাভৰুসকলে পাটগাভৰু আৰু কিশোৰীসকলক 'পাউগা মৰা' অৰ্থাৎ বক্ষদেহত এখনি দীঘল গামোচা মেৰিয়াবলৈ দিয়া আৰু ইয়াৰ ওপৰ চামৰ যুৱতীসকলক বক্ষদেহৰ ওপৰলৈ মেখেলা উজাই পিন্ধি কঁকালত টঙালি বা 'কঁকাল বন্ধা' পিন্ধিবলৈ দি বিবাহৰ উপযুক্ত হোৱা বুলি স্বীকৃতি দিয়া হয় সামাজিক তথা আনুষ্ঠানিকভাৱে।

অতীজৰ দেউৰীসকলে তেওঁলোকৰ নিজ নিজ খেল-ৰবীয়া দেৱালয়ত নিজ নিজ উপাস্য দেৱতাসকলৰহে পূজা-সেৱা উপাসনা কৰিছিল যদিও সনাতন হিন্দু ধৰ্মই মানি চলা সকলো দেৱ-দেৱীৰ পূজা-অৰ্চনাও কৰা দেখা যায়। নানা উদ্দেশ্যত নানা দেৱতাৰ পূজা কৰাত এওঁলোকৰ কোনো সামাজিক বাধা নাই। আনহাতে ফৈদভেদে, গাঁওভেদে বা ঘৰ-গৃহস্থীভেদে ধৰ্মীয় ৰীতি-নীতিৰ লগতে আন আন লোকাচাৰ আদিতো বেছ তাৰতম্য দেখা যায়। সময় বাগৰি যোৱাৰ লগে লগে আকৌ মানুহৰ জীৱন-ধাৰণ প্ৰণালী, চিন্তা-চৰ্চা, ধৰ্ম-সংস্কৃতি, ৰীতি-নীতিৰ ক্ষেত্ৰত চিৰাচৰিত প্ৰথাৰ পৰা ক'ব নোৱাৰাকৈয়ে ভালেখিনি পৰিৱৰ্তন অহাটো নিশ্চিত। আমাৰ এই লেখাটো সেয়ে বিজ্ঞজনৰ দৃষ্টিত কিছু কিছু হীন-ডেঢ়ি হ'ব। তদুপৰি লেখিকাৰ এই প্ৰবন্ধৰ দ্বাৰা ঘাইকৈ বৰগঞা আৰু টেঙাপনীয়া এই দুই ফৈদৰহে বিহু-পূজা বা উৎসৱ পালনৰ বিষয়ে আলোকপাত কৰিব খোজা হৈছে। সেয়ে হ'লেও এনে ক্ষুদ্ৰ লেখাত সকলো কথা খৰচি মাৰি প্ৰকাশ কৰিবলৈ যোৱা দুঃসাধ্য। গতিকে আমি সদৌ সুধী সমাজৰ ওচৰত ক্ষমা বিচাৰিছো।

প্ৰবন্ধৰ উৎস ঃ

১। দেউৰী ডম্বৰুধৰ, 'দেউৰী সংস্কৃতি' প্ৰকাশ- ১৯৬৪ চন।

২। দেউৰী কৰবী, (সম্পাদনা), 'জাংফাই' স্মাৰক গ্ৰন্থ অসম দেউৰী সাহিত্য সভা— ২০০৫।

৩। মণিকূট স্মাৰক গ্ৰন্থ, ৮ম বাৰ্ষিক টেঙাপনীয়া দেউৰী পূজাৰী সন্মিলন— ২০০৬।

৪। চিগাচি, ৪ৰ্থ, ৫ম সংখ্যা, মুখপত্ৰ দেউৰী সাহিত্য সভা।

কৃতজ্ঞতা ঃ

ভিন ভিন ক্ষেত্ৰত মৌখিকভাৱে তথ্য-পাতি জনোৱাৰ বাবে নিম্ন উল্লেখিত বয়োবৃদ্ধ জ্যেষ্ঠ ব্যক্তিসকলৰ নাম কৃতজ্ঞতাৰে উল্লেখ কৰিলো—

(ক) শ্ৰীযুত কুলাধৰ দেউৰী (টেঙাপনীয়া ফৈদ), বৰদেউৰী বিযয়া, বিজয়পুৰ দেউৰী গাঁও, জোনাই, ধেমাজি।

(খ) ˚যোগানন্দ দেউৰী (বৰগঞা ফৈদ), কোৰুকানি বৰগঞা দেউৰী গাঁও, শিৱসাগৰ।

(গ) শ্ৰীযুত ৰোমেশ্বৰ দেউৰী (বৰগঞা ফৈদ), ধুনাগুৰি দেউৰী গাও, ধেমাজি।

(ঘ) শ্ৰীযুতা কমলাৱতী দেউৰী (টেঙাপনীয়া ফৈদ), ধেমাজি।

হাজংসকলৰ বসন্ত উৎসৱ বিছুৱী

ৰতন কুমাৰ ৰায় হাজং

বসন্তকালীন উৎসৱ ব'হাগ বিহু, ৰঙালী বিহু, বৈসাগু, বায়খু বিসু-বসু, আলি আই লৃগাং, বিষুৱা, চ'ত সংক্ৰান্তি আৰু বহু নামেৰে পালন কৰি আহিছে অসমৰ জাতি-জনজাতিসকলে যুগে যুগে স্থানে স্থানে। বসন্তকালীন উৎসৱ বা কৃষি উৎসৱ আৰু এই উৎসৱৰ পাৰম্পৰিক মুখ্য উদ্দেশ্য হৈছে প্ৰজনন যাদু সম্পাদন। তাহানি কালত মানুহে বিশ্বাস কৰিছিল যে যৌনমূলক নৃত্য-গীতৰ মাজেদি মাতৃ বসুমতীৰ প্ৰজনন শক্তি বৃদ্ধি কৰিব পাৰে। যি শক্তি নহ'লে মাতৃ ধৰিত্ৰীয়ে প্ৰচুৰ পৰিমাণৰ শস্য উৎপাদন কৰিব নোৱাৰে। শস্য আৰু সন্তানৰ মাজত পাৰ্থক্য নাই। আদিম কালত বা তেওঁলোকৰ দৃষ্টিভংগীৰ দ্বাৰা যেনেকৈ মাতৃ সন্তানসম্ভৱা হয়, তেনে প্ৰক্ৰিয়াৰে বসুমতী মাতৃও শস্যসম্ভৱা হয় আৰু সেই বিশ্বাসৰ আধাৰতে সকলো ঋতুকালীন উৎসৱ উদ্ভৱ আৰু বিকাশ সম্ভৱ হৈ উঠিছে।

বসন্তকালীন উৎসৱ ৰঙালী বিহু আঞ্চলিকভাৱে জনগোষ্ঠীসকলৰ মাজত বেলেগ বেলেগ সময়ত বেলেগ বেলেগ নামেৰে পালন কৰা দেখা যায়। পূৰ্বপুৰুষৰ পৰা পালন কৰি অহা আদৰৰ ৰঙালী বিহুৰ দৰে বড়োসকলে বৈশাগু বা ৰংজালী, ৰাভাসকলৰ বায়খু বা খোকচি, গাৰোসকলৰ ওয়াংগালা, মিচিংসকলৰ আলি আই লৃগাং বা ঐনিতম, ডিমাচাসকলৰ বসু, বিযু, সেইদৰে দেউৰী, লালুং আৰু হাজংসকলেও এই ৰঙালী বিহুক নিজস্ব ধৰণে পালন কৰে। বসন্তকালীন উৎসৱ এই ৰঙালী বিহুক বিছুৱী বা নয়া বছৰ বুলি হাজংসকলে পালন কৰি আহিছে। ইয়াত কেৱল হাজংসকলৰ বিহু সম্পৰ্কেহে থূলমূলকৈ আলোচনা কৰিবলৈ প্ৰয়াস কৰিছো।

ঢুকি নোপোৱা দিনৰে পৰা হাজংসকলে বসতি কৰা অঞ্চলসমূহ এনেদৰে ভাগ কৰা হৈছে— ১। মেচপাৰা অঞ্চল, ২। কৰাইবাৰী অঞ্চল, ৩। বাৰ' হাজাৰী অঞ্চল, ৪। দশ কাহনিয়া অঞ্চল আৰু ৫। সুসং অঞ্চল।

উল্লিখিত অঞ্চলৰ বাহিৰেও বৰ্তমানে অসমৰ বাহিৰে অৰুণাচল প্ৰদেশ আৰু উত্তৰ-পূব ভাৰতবৰ্ষত সিঁচৰতিভাৱে হাজংসকল বসবাস কৰি আছে। সেয়ে কিছু ক্ষেত্ৰত দেখা যায় নামনি অসমৰ গোৱালপাৰা জিলাৰ লক্ষীপুৰ, ছোৱাৰকোণা, মানসপাৰা, ভাই-ভনী পাৰা, ধামৰ হাজং গাঁও, হাড়িমুৰা, খাৰদাং, পাইকান, শৌলমাৰী, মাটিয়া, ধাইগাঁও, ডোবাপাৰা, সিদাবাৰী, বিযুওপুৰ, ৰূপনগৰ, বকো আদি। আৰু মেচপাৰা

অঞ্চলৰ বালুপাৰা, বিৰুপাৰা, কাঠলবাৰী, টিক্রিকিল্লা, ফুলবাৰী আদি অঞ্চলৰ লগতে উজনি অসমৰ ধেমাজি জিলাৰ জয়ৰামপুৰ, শংকৰপুৰ, বাৰভূঞা, হৰিনাথপুৰ, নলবাৰী, মাজৰবাৰী, চিমেনমুখ, লিকাবালি, জোনাই, পাণবাৰী, লখিমপুৰ জিলাৰ চাউলধোৱা, কদম হাজং গাঁও, নকাৰি, শোণিতপুৰ, ওদালগুৰি, নগাঁও, কাৰ্বি আংলং, কামৰূপ আদি অঞ্চলত বসবাস কৰা হাজংসকলে বিহু বা দোমাহী হিচাপে পালন কৰে। আনহাতে অসমৰে ধুবুৰী জিলাৰ পুঠিমাৰী, কোৰালভাংগা, ধানুৱা, কোৰালভাঙা, বান্দৰ পানী খোৱা আয়ডোবা, জেকাবাৰী, ধাপাবিল আৰু মেঘালয়ৰ গাৰোপাহাৰ জিলাত বসবাস কৰা হাজংসকলে বিছুৱা-বিহু বুলি পালন কৰে। আৰু একে সময়তে সুসং অঞ্চল পূব গাৰোপাহাৰ জিলা আৰু ওচৰ-পাঁজৰ এলেকাৰ হাজংসকলে হঙ'ৰাণী চৈত্ৰ সংক্ৰান্তি বা নয়া বছৰ হিচাপে পালন কৰি আহিছে। হাজংসকল সিঁচৰতিভাৱে বসবাস কৰি থকা বাবে অঞ্চলবিশেষে আঞ্চলিকভাৱে পৰিৱেশ-পৰিস্থিতিৰ লগত মিলি যাব পাৰিছে।

হাজংসকলে এই ৰঙালী বিহু হঙ'ৰাণী বা বিছুৱীৰ সময়ত বাৰী-ঘৰ, চোতাল পৰিষ্কাৰ কৰি লেপি-মচি লোৱাৰ উপৰিও ঘৰৰ বয়বস্তু ধুই-পখালি চাফ-চিকুণাই লয়। ঘৰৰ টেবুল-চকী, খাট-পালেং, পীৰা-বিচনী, বাচন-বৰ্তন, নাঙল-মৈ, কাপোৰ-কানি, ডলা-কুলা আদি ধুই-পখালি লয়।

হাজংসকলৰ এই বিছুৱাৰ সময়ত নিয়মানুযায়ী ঘৰ গৃহিণীজনীয়ে গৃহস্থজনক স্বহস্তে তৈয়াৰ কৰা নতুন কাপোৰ দি সেৱা ভক্তি কৰিব লাগে। সেইদৰে গৃহস্থজনে ঘৰৰ গৃহিণীজনীক নতুনকৈ শংখৰ শাখা (খাৰু) আদি হাতত পিন্ধাব লাগে, নহ'লে ঘৰৰ লক্ষ্মী ঠাকুৰাণীয়ে বেয়া পাই স্থান ত্যাগ কৰে বুলি বিশ্বাস ৰাখি চলি আহিছে। ইফালে গাভৰুসকলেও নিজৰ তাঁতশালত বৈ লোৱা ফুলাম গামোচা মনেলগা ডেকাটিক উপহাৰ দিয়ে। আৰু ন-কৈ বৈ লোৱা ৰাঙা পাঠিন পিন্ধি যেতিয়া পদূলিমুখেদি ওচৰৰ গাঁৱত হোৱা মেলা চাবলৈ যায় তেতিয়া সঁচাকৈ উৰি ফুৰা পখিলাৰ দৰেই দেখি।

হাজংসকলৰ পৰম্পৰা অনুযায়ী নদী বা খাল-বিল বা পুখুৰীত গৰু-ম'হক গা-ধোওৱা নিয়ম আছে। গো-পূজা কৰাৰ উপৰিও সন্ধ্যাবেলা গোহালিঘৰৰ গৰুবন্ধা পঘাবোৰ নতুনকৈ সলনি কৰা হয়। এই বিছুৱী বা নতুন বছৰত আৰু এটি ঐতিহ্যপূৰ্ণ বৈশিষ্ট্য হৈছে ইকবাৰে বনোৱা টিপ পানীত পুতি ৰাখে আৰু সেই টিপৰ কাষত মানুহে গা ধোৱে। এনেকৈ গা ধুলে হেনো মানুহৰ স্বাস্থ্য-পাতি ভালে থাকে। সেই বিশ্বাস হাজংসকলে মানি চলি আহিছে পূৰ্বজৰ পৰাই। তদুপৰি ঘৰৰ চালত 'গৌৰ মাও পাখা' এবিধ পৰজীৱী গছ, 'ডাইনী হকা', লতাজাতীয় গছ আৰু 'বসবন' গুঁজি ৰাখে। হাজংসকলে আদি কালৰ পৰা বিশ্বাস কৰি আহিছে যে— তেনে কাৰ্য কৰিলে হেনো ভূত-প্ৰেত, ডাইনী-ভূতিয়া, বেমাৰ-আজাৰ, মাৰি-মৰকৰ পৰা আঁতৰি থাকিব

পাৰে আৰু সু-স্বাস্থ্যৰে থাকিব পাৰে। এই বিছুৰী বা সংক্ৰান্তিৰ দিনা হাজংসকলে বিভিন্ন ধৰণৰ তিতা-মিঠা শাক খায়। সেইবোৰ হ'ল— চুনচনি তিতা, ভিনিজাবা (তেজপাতৰ লেখীয়া কিন্তু তেজপাততকৈ দীঘল), দংক্লে শাক (দোৰোণ), মানিমুনি, কুছৰি শাক, চিক্রিশাক, ভিকি তিতা, বাহক তিতা, নিম তিতা ইত্যাদি শাক-পাত খোৱাৰ নিয়ম প্ৰচলন আছে। হাজং জনবিশ্বাস মতে বিছুৰীৰ দিনা তিতা-মিঠা-কেঁহা আদি খালে বিভিন্ন ৰোগ-ব্যাধিৰ পৰা হাত সাৰি থাকিব পাৰি।

অঞ্চলবিশেষে গৰু, ম'হৰ যুঁজ। ডেকাসকলৰ মাজত কুস্তি খেলা, মল্লযুদ্ধ কৰা দেখা যায়। হাজংসকলে ইয়াক হুমলি খেলা বুলি কয়। এই বিছুৰী বা হঙ'ৰাণীৰ সময়ত হাজংসকলে খোৱা খাদ্যৰ ভিতৰত প্ৰধানকৈ—-

দৈ, চিৰা বিসি ভাত
খাৰ পানী লেবা শাক
কাউছা মাসাং হিদুল মাছ
গুষ্টিঘৰত বুকনি ভাত
আৰু ৰহি মদ।

শ্ৰমকেন্দ্ৰিক প্ৰেম আৰু ভৰযৌৱনৰ প্ৰতীক বসন্ত উৎসৱ ৰঙালী বিহু পৰম্পৰাগতভাৱে মানৱ জীৱনত পালন কৰি আহিছে যুগে যুগে। এফালে যেনেকৈ শ্ৰমৰ সুফল পোৱাৰ আকাংক্ষা অন্যফালে প্ৰেম নিবেদন কৰাৰ পুলকিত সুৰ শুনা যায়।

নৈ-পৰীয়াত ডাঙৰ-দীঘল হোৱা ডেকা-গাভৰুৰ মাজতো বসন্তৰ পগলা বতাহ লাগে। ফাগুনৰ বলিয়া বতাহজাকে সিহঁতৰ গা-মন হিৰহিৰাই লৈ যায়। সৃষ্টি হয় প্ৰেমমূলক গীত—

বিছুৰালৌ ভিয়াননি আউয়াল বাতাজা
কাণে কাণে ফুলে ম'গে ত'লা কথাৰা।

আকৌ কৈছে—

বিছুৰী সুমাইতে গামছা বানাবাৰা
ত'গে দিবাগে বাস্নে থাকিবৗন।

ডেকা ঃ তকলে বাৰী ঘোপাতে
তকলে ফল পাকিছে
চ আমি খাবাগৈ যাং

গাভৰু ঃ তকলে বাৰী নাযায় ময়
তকলে ফল নাখায় ময়
তকলে খালে মুখ কালা হয়

আদি কালৰ পৰা বৰ্তমানলৈকে হাজং সমাজ-ব্যৱস্থা যে কটকটীয়া আছিল ওপৰত উল্লেখ কৰা গীতৰ কথাৰ পৰাই বুজা যায়। কাৰণ ডেকা ল'ৰা এজনৰ লগত পাহাৰ ঘূলিত অকলে ফল খাবলৈ যোৱা মানে বদনামৰ ভাগী হোৱা।

ডেকা ঃ গাং বীলী চৰাতে কাউছী ডিমী পাৰিছে
চ বুইনি বিছুৱীবীগে যায়।

গাভৰু ঃ সাতাৰ পানী ডাঙৰ গাং
কিংকী পাৰ হুব' ময়
ডাঙৰ গাং ভয় লাগে ম'গে
কি ৰামই ৰাম...।

নৈৰ সিপাৰে বালিচৰত কাছৰ কণী বুটলিবলৈ ডেকা ল'ৰাই মনেলগা চেনাইজনীক আহ্বান কৰাত, তাই উত্তৰত— 'নৈৰ পানী বৰ দ গতিকে মই যাব নোৱাৰিম' বুলি প্ৰত্যাখ্যান কৰিছে।

ছল পাই গাভৰুৱে কৈছে—

গাভৰু ঃ লিংলিঙা গাছনি মাও বাহা লাগিছে
দাদা ম'গে পাৰি দিহা খাং।

ডেকা ঃ ধৰিবকৈ' লেৰা নাই হুজী বাক' ভালা নাই
ডাঙৰ মাও পাৰিবা নাপায়।

আকৌ জোকাই লোৱাৰ ছলেৰে ডেকাসকলে গাইছে—

ডেকা ঃ গজা কাটে ধামা ও গজা কাটে ধামা
তয় চেংৰি ভালা হুবীন সনা ৰাণী ও
পেট ধামধামা।

লাজ পাই গাভৰুসকলে উত্তৰ দিয়ে—

গাভৰু ঃ গজা কাটে জং ও গজা কাটে জং
ভয় চেংৰা ভালা হুবীন সনা ৰাজা ও
দাত খং খং।

গীতসমূহ টুকুৰা-টুকুৰ কৰি ৰচা হয়। সুৰ-তাল একেটা ঢঙত বন্ধা, আৰু গীতৰ শেষৰ শাৰীত ৰামই ৰাম বুলি শেষ কৰে। বাদ্যৰ ভিতৰত ঢোল, তাল, বাঁহী, দোতৰা আদিয়েই প্ৰধান।

গতিকে দেখা যায় আন আন জনগোষ্ঠীবিলাকৰ দৰে হাজংসকলেও বসন্তকালীন উৎসৱ ৰঙালী বিহুৰ দৰে বিছুৱী, হঙ'ৰাণী বা চৈত্ৰ সংক্ৰান্তি পালন কৰি পৰম্পৰা ৰক্ষা কৰি আহিছে বছৰে বছৰে, যুগে যুগে।

চাহ জনজাতিসকলৰ বসন্ত উৎসৱ

সুশীল কুৰ্মী

সংস্কাৰৰ পৰা সংস্কৃতি শব্দৰ উৎপত্তি বুলি ক'ব পাৰি। সমাজত চলি অহা ৰীতি-নীতিবোৰ প্ৰকৃতি, পৰিৱেশ আৰু যুগৰ লগত সামঞ্জস্য ৰাখি সংস্কাৰ কৰাৰ পৰা সংস্কৃতি নাম পায়। সমাজ-বান্ধোনৰ মাজত থাকি জন্মৰ পৰা মৃত্যুলৈকে এজন মানুহে যি ৰীতি-নীতি মানিবলগা হয়, যি হাঁহি-কান্দোনৰ মাজেৰে যাবলগা হয়, যি সাজ-পোছাক পিন্ধি কৃষ্টিৰ উৎস স্বৰূপ পথাৰত বাদ্য-যন্ত্ৰসহ নৃত্য-গীত প্ৰদৰ্শন কৰিবলগা হয়, সেই সকলোবোৰ মিলিয়েই হয় সংস্কৃতি। সংস্কৃতিয়ে দিয়ে জাতিৰ পৰিচয়। সংস্কৃতিয়ে দিয়ে সমাজৰ পৰিচয়। সংস্কৃতি হৈছে জাতি আৰু সমাজৰ দাপোণ স্বৰূপ। ই এটা জাতিৰ পৰিচয় দাঙি ধৰাৰ লগতে বহু জাতি সম্বলিত এখন সমাজৰ পৰিচয়ো দাঙি ধৰে। এটা জাতি বা এখন সমাজক বুজিবলৈ বা চিনি পাবলৈ সংস্কৃতিয়ে যিদৰে সহায় কৰিব পাৰে অন্য একোৱে তেনেদৰে সহায় কৰিব নোৱাৰে।

বুৰঞ্জীয়ে স্মৰণ কৰিব পৰা যুগৰে পৰা সময়সাপেক্ষে ভাৰতীয় সংস্কৃতি সংস্কাৰৰ মাজেৰে পৰিৱৰ্তিত হৈ আহিছে। চাহ জনজাতিৰ সংস্কৃতি তাৰ ব্যতিক্ৰম নহয়। অসমৰ হাৱা-পানীৰ মাজত থকা চাহ বাগিচাৰ সংমিশ্ৰিত সংস্কৃতিত অসমীয়া সংস্কৃতিৰ প্ৰভাৱ পৰিছে। যাৰ ফলত দুয়োটা সংস্কৃতি অজানিতভাৱে দুয়ো দুয়োৰে ওচৰ চাপি যাবলৈ বাধ্য হৈছে— সংশ্লেষণ প্ৰক্ৰিয়াৰ সংযোগত। ব'হাগ বিহুত গো-সেৱা কৰা আৰু হুঁচৰি গোৱা যিদৰে অসমীয়াসকলৰ সংস্কৃতি ঠিক সেইদৰে 'সঁহৰাই পৰব'ত গো-সেৱা আৰু হুঁচৰিৰ দৰে 'জাহলী গীত' গোৱাটো চাহ জনজাতি সমাজৰ সংস্কৃতি। হুঁচৰিত আছে— 'দেউতাৰ পদূলিত গোন্ধাইছে মাধুৰী/কেতেকী মলেমলাই ঐ গোবিন্দাই ৰাম।' ঠিক সেইদৰে 'জাহলী গীত'ত আছে— 'ফালানাকে ঘৰে ভালা তুলসীকা পিন্ডা হো/ওপৰে যে উড়ে হাঁসা ৰাজা ৰে' দুয়োটা গীতৰ ভাবাৰ্থ একেই। ব'হাগ বিহুত অসমীয়া সমাজৰ দ্বাৰা আঁহতৰ তলত নৃত্য-গীত অনুষ্ঠিত হোৱাৰ দৰে 'কৰম পৰব'ত চাহ জনজাতি সমাজৰ দ্বাৰা কৰম গছৰ তলত নৃত্য-গীত অনুষ্ঠিত হয়। কৃষি উৎসৱৰ লগত দুয়োটাৰে সম্বন্ধ লক্ষ্য কৰিব পাৰি। বিহুৰ প্ৰভাৱ চাহ সংস্কৃতিৰ ওপৰত পৰিছে বাবে চাহ জনজাতি সমাজে তেওঁলোকৰ প্ৰিয় লোকগীত ঝুমইৰ গীতত গাইছে এইবুলি—

'আসাম দেশেৰ বৈশাখ বিহু কৰম পূজাৰ সমান ৰে
সৃষ্টিৰ কথা আছে গাঁথা দুনুতে সমান ৰে—'

আলোচ্য বিষয়ৰ প্ৰতি লক্ষ্য ৰাখি বসন্ত কালত চাহ জনজাতি সমাজে উদ্‌যাপন কৰা অন্যতম প্ৰধান উৎসৱ হিচাপে চৈত পৰৱৰ কথা ক'ব পৰা যায়। এই পৰৱক চাহ জনজাতি সমাজে এক স্বকীয় ৰূপত পালন কৰে। চ'ত মাহৰ শেষৰ দিনাৰ পৰা এই পৰৱ আৰম্ভ হোৱাৰ কাৰণে ইয়াক 'চৈত পৰৱ' বোলে। চৈত পৰৱক 'চড়ক পূজা' বুলিও কোৱা হয়। 'চড়ক পূজা'ৰ পৰম্পৰা পশ্চিমবংগত দূৰ অতীতৰ পৰা চলি থকাৰ কাৰণে তাৰ পুৰুলীয়া আদি জিলাৰ পৰা অহা চাহ জনজাতি সমাজৰ লোকসকলৰ মাজত ইয়াৰ প্ৰভাৱৰ গভীৰতা অতিকে ব্যাপক। এই পূজা পালনত সকলো ফালৰ পৰা তেওঁলোকেই সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। আগভাগ ল'লেও সামূহিকভাৱে পতা হয় কাৰণে চাহ জনজাতি সমাজৰ মাজত থকা আন জাতি-গোষ্ঠীৰ লোকসকলেও সমানে অংশগ্ৰহণ কৰে। অসমৰ সকলো ঠাইতে এই পূজা বা পৰৱ পালন কৰা নহয়। ইয়াৰ কৰণীয় বিধি-বিধান কঠিন হোৱাৰ কাৰণে সকলো ঠাইতে পাতিব পৰাটো সম্ভৱপৰ হৈ নুঠে। গতিকে আগৰে পৰা পাতি অহা অসমৰ কেইখনমান ঠাইতহে ই অনুষ্ঠিত হয় আৰু তাতে গৈ চাহ বাগিচাৰ ৰাইজে যোগ দিয়ে। শোণিতপুৰ জিলাৰ পাভৈ আৰু উজনি অসমৰ মাকুম, সাপেখাতী আদি কেইখনমান ঠাইতহে বিশেষভাৱে চড়ক পূজা পতা হয়। সকলো ঠাইতে পতা নহয় বাবে সকলো ঠাইৰ মানুহে এই পূজা-পৰৱ উপভোগ কৰাৰ পৰা বঞ্চিত হৈ আছে। এই পূজাৰ গুৰিব'ঠা ধৰাজনক 'নায়ক' বোলে। তেৱেঁই পূজাৰ যাৱতীয় সকলো কাম পৰিচালনা কৰে। পাভৈ পাঁচআলিৰ ওচৰতে থকা পাভৈ চাহ বাগিচাৰ নিচেই কাষতে তেওঁলোকে নিজে স্থাপন কৰা এটা শিৱমন্দিৰ আছে। পূজাত অংশগ্ৰহণকাৰী চাহ জনজাতি ভক্তসকলে পূজাৰ দুদিন আগৰে পৰা উপবাসে থাকি এই মন্দিৰত শিৱ-মহাদেউৰ উদ্দেশ্যে পূজা-সেৱা আগবঢ়ায়। দোমাহীত অনুষ্ঠিত এই পূজাৰ দিনা পুৱাৰ ভাগত সকলো ভক্তই একেলগে পাভৈ নদীত স্নান কৰে। যিখন কাপোৰ পিন্ধি স্নান কৰে সেইখন কাপোৰ নসলায়। সকলোৱে ভিজা কাপোৰেৰে পাৰত থিয় হয় আৰু নায়কজনে 'বিশ্বনাথেৰ বিশ্ব বাবাহে' বুলি জয়ধ্বনি দি ভক্তসকলৰ প্ৰত্যেকৰে ভিজা ডিঙি, বুকু আৰু পিঠিত ছাতিৰ তাঁৰৰ সমান মোটা তাঁৰ দুই-তিনিডালকৈ সকলোৱে দেখাকৈ সমৱেত ৰাইজৰ আগত বিন্ধাই সুমুৱাই দিয়ে। তাঁৰ সোমোৱা ঠাইত লগে লগে অকণমান সেন্দূৰ আৰু ঘিউ দি দিয়ে। ভক্তিৰ কি মহিমা যে, তাঁৰবোৰ সুমুৱাই দিওঁতে ভক্তসকলে অলপো দুখ অনুভৱ নকৰে। আনকি তেজ এটোপাও তাঁৰে বিন্ধা অংশৰ পৰা নোলায়। তাৰপিছত সকলোকে শাৰী পতাই উল্লেখিত মন্দিৰটোলৈ লৈ যায় আৰু তাত যথাবিহিত পূজা-উপাসনা সম্পাদন কৰে। উজনি অসমৰ মাকুমতো তাৰ দৈনিক বজাৰৰ কাষতে থকা মুকলি ঠাইখনৰ সোঁমাজতে

এটা ডাঙৰ বাঁহৰ খুঁটা পোতে। পাভৈত অনুষ্ঠিত হোৱাৰ দৰে ইয়াতো ভক্ত এজনৰ পিঠিত লোহাৰ জোঙা ৰিংসদৃশ 'আঁকুশ' এটাৰে বিন্ধাই দিয়ে। বিন্ধাই দিওঁতে সেই ভক্তজনে একো দুখ অনুভৱ নকৰে আৰু বিন্ধাই দিয়া ঠাইৰ পৰা তেজো নোলায়। তাৰপিছত সেই 'আঁকুশ'ত এডাল টান ৰছী বান্ধি সেই খুঁটাটোত ওলোমাই দিয়ে। প্ৰায় ২০/৩০ মিনিট তেওঁ তলফালে হাত-ভৰি মেলি দুলি থাকে। সমৱেত ৰাইজৰ মাজৰ পৰা যিয়ে যি পাৰে, ফলমূল ওপৰলৈ দলি মাৰি তেওঁৰ হাতত পৰাকৈ দিয়ে। দলিয়াই দিয়া বস্তুবোৰৰ ভিতৰৰ পৰা তেওঁ যি পাৰে ওপৰতে ধৰি দুলি দুলি খায়।

সাপেখাতী ৰেলষ্টেচনৰ পিছফালে থকা পুখুৰীটোৰ কাষতে এখন আহল-বহল মুকলি পথাৰ আছে। পুখুৰীটোত এটা ডাঙৰ শালখুঁটা পেলাই থোৱা আছে। দীঘলে প্ৰায় ৫০ ফুট হ'ব। সেই খুঁটাটো চড়ক পূজাৰ দিনটোৰ বাহিৰে আন সময়ত পুখুৰীৰ পৰা তোলা নহয়। পূজাৰ দিনা খুঁটাটো পানীৰ পৰা তুলি কাষতে থকা মুকলি ঠাইত পোতে আৰু মাকুমত কৰাৰ দৰে তাৰ ভক্ত এজনৰ পিঠিত লোহাৰ 'আঁকুশ' এটা সুমুৱাই দি ৰছীৰে বান্ধি খুঁটাটোত ওলোমাই দি পূৰ্ণগতিত ঘূৰায়। ঘূৰোতে মানুহজনে তললৈ হাত-ভৰি মেলি দিয়ে। ঘূৰি থাকোতে সমৱেত ৰাইজৰ ফালৰ পৰা তেওঁলৈ ফল-মূল দলিয়াই দিয়ে। কিছুমানে পাৰ চৰাই আদিও দলি মাৰি দিয়া দেখা যায়। তেওঁ পাৰ চৰাইবোৰ ওপৰতে থাপমাৰি ধৰি ফালি-ছিৰি তেজ পান কৰে। পূজা শেষ হোৱাৰ পিছত খুঁটাটো আগৰ নিচিনাকৈ পুখুৰীটোতে পিছৰ বছৰৰ বাবে পেলাই থৈ আহে। এইদৰে বসন্ত কালত চাহ জনজাতিসকলে পালন কৰে 'চৈত পৰৱ' বা 'চড়ক পূজা'।

বসন্ত কালত চাহ জনজাতি সমাজৰ কিছুমান ফৈদে 'চাৰুল পূজা' পাতে। 'চাৰুল পূজা'ত ৯বিধ শাক-পাচলিৰ আঞ্জা তৈয়াৰ কৰি খোৱাৰ নিয়ম। এই পূজা দুদিন ধৰি চলে। পূজাত মুৰ্গী বলি দিয়ে। পূজাৰ সময়ত ঘৰবোৰে ফুলেৰে সজোৱা হয়। ফুল বিচাৰি গোটাই মেলি আনি ঘৰে ঘৰে যোগান দিয়াৰ দায়িত্ব ৰাইজে এজনক দি দিয়ে। যোগানৰ দায়িত্ব দিয়াজনক 'ফুলধৰীয়া' বোলে। ফুল প্ৰথমে মুখীয়ালৰ ঘৰত দিয়ে। তাৰ পিছতহে বাকীবোৰ ঘৰত দিয়ে। ফুলধৰীয়াই ফুল দিওঁতে ঘৰৰ গৃহস্থনীয়ে পীৰা এখনৰ ওপৰত এটা থালী থৈ তেওঁৰ ভৰি ধুৱাই দি সন্মান যাচে। সেইদৰে মুখীয়ালজনৰো ভৰি ধুৱাই দিয়া হয়। পৰম্পৰাগত বিশ্বাসমতে ভৰি ধোৱা পানীখিনি ঘৰৰ চালৰ ওপৰত ছটিয়াই দিব লাগে। ভৰি ধোৱা ঠাইতে পিছত নৃত্য-গীত অনুষ্ঠান কৰে। পূজাৰ দিনা দোকমোকালিতে সকলোৱে গা-পা ধোৱে। ওৰাং, মুণ্ডা, চাওতাল আৰু খেৰীয়া লোকসকলৰ মাজত এইবিধ পূজা বিশেষভাৱে সীমিত। মুণ্ডা আৰু খেৰীয়াসকলে ইয়াক 'বেওচাৰলী' বোলে।

বসন্ত কালত কিছুমানে 'সূৰ্যাহী পূজা' পাতে। পাঁচ বছৰৰ বা বাৰ বছৰৰ অন্তৰে অন্তৰে এই পূজা পতাৰ নিয়ম। সূৰ্যোদয়ৰ লগে লগে গা-পা ধুই ঢাক-ঢোল বজাই ঘৰৰ বাহিৰত 'সূৰ্যাহী পূজা' পাতে। পূজাত হাঁহ-ছাগলী বলি দিয়ে। পূজাৰ প্ৰসাদ ঘৰৰ ভিতৰত নিবলৈ দিয়া নহয়। ৰীতি অনুসাৰে ঘট এটাত পানী লৈ গৃহস্থই চোতালৰ এটা মূৰৰ পৰা আন এটা মূৰলৈ খোজাকাঢ়ি যায় আৰু পূজাৰ বেদীৰ ওপৰত ঘটটো স্থাপন কৰে। ভূত-প্ৰেত, মাৰি-মৰক, অপায়-অমংগলৰ পৰা ৰক্ষা পাবলৈ এই পূজা পাতে। পূজাত শক্তিৰ প্ৰতীক হিচাপে সূৰ্য দেৱতাৰ আৰাধনা কৰে। পূজাত ঝুপান উঠে। ঝুপান নৃত্যৰ প্ৰসংগত দেও লম্ভাজনে নাচি নাচি অপায়-অমংগল আৰু ইয়াৰ নিৰাকৰণৰ উপায় বিৱৰি কয়। উড়িয়া সম্প্ৰদায়ৰ লোকসকলে এই সময়তে দণ্ড নাচ নাচে। কিছুমানে 'ঝাণ্ডা নাচ' বোলে। দণ্ড অথবা ঝাণ্ডা লৈ নাচে কাৰণে এই নাচৰ নাম দণ্ড নাচ বা 'ঝাণ্ডা নাচ'। ঠায়ে ঠায়ে পূজা-পৰৱো পাতে। দহ ফুটমান দীঘল, দুই ফুটমান বহল আৰু দুই ফুটমান দ খাল এটা খান্দি তাত জুইৰ অঙঠা ভৰাই দিয়ে। সেই জ্বলন্ত অঙঠাৰ ওপৰেদি খালী ভৰিৰে পূজাৰীয়ে খোজকাঢ়ি পাৰ হয়। জুয়ে ভৰি নোপোৰে। নেদেখিলে বিশ্বাস কৰিব নোৱাৰি। মনোবাঞ্ছা পূৰণ হোৱাৰ কামনা কৰি বহুতে এই পূজাত ভাগ লয়। ই হ'ল অগ্নি দেৱতাৰ পূজা।

বসন্ত কালত চাহ জনজাতিসকলে এইদৰে তেওঁলোকৰ পূজা-পৰৱবোৰ পালন কৰে স্বকীয় বৈশিষ্ট্য ৰক্ষা কৰি।

কোচ-ৰাজবংশীসকলৰ লোকাচাৰ তথা জাতীয় উৎসৱ ঃ বিষুৱা

কৰুণাকান্ত ৰায়

বৰ্ণময় তথা সংমিশ্ৰিত সাংস্কৃতিক উপাদানৰ জৰিয়তে গঠন হোৱা অসমীয়া জাতীয় জীৱনত যিসকলে স্বকীয় বৈশিষ্ট্য আৰু ঐতিহ্যৰে বৰ অসমৰ সংস্কৃতি চহকী কৰি তুলিছে তাৰ ভিতৰত পশ্চিম অসমৰ কোচ-ৰাজবংশীসকলৰ অৱদান বিশেষভাৱে উল্লেখযোগ্য। জাতি এটাৰ জীৱন ধাৰণৰ চালিকাশক্তিস্বৰূপা সংস্কৃতিয়ে মানুহৰ চিন্তা-ভাবনা, আশা-আকাংক্ষাক এক সৌন্দৰ্যৰ জৰিয়তে প্ৰকাশ কৰি আহিছে। ভাষা, সাহিত্য, ধৰ্ম, লোক পৰম্পৰা, শিল্পকলা আদি হ'ল এটা জাতিৰ জাতীয় সম্পদ। একোটা জনগোষ্ঠীৰ লোকবিশ্বাস, ভৌগোলিক অৱস্থান, ৰীতি-নীতি আদিৰ ভিত্তিত সেই জনগোষ্ঠীৰ সাংস্কৃতিক জীৱন গঢ়ি উঠে। অসমৰ কোচ-ৰাজবংশী জাতিৰ যি সংস্কৃতি সেয়া বৃহত্তৰ জাতীয় সংস্কৃতিৰ এক অংগবিশেষ। সাধাৰণতে কোচ-ৰাজবংশী বুলি ক'লে আমি অবিভক্ত গোৱালপাৰা জিলাত বসবাস কৰি অহা মংগোলীয়ান বংশোদ্ভৱ তথা কমতাপুৰৰ নৃপতি নৰনাৰায়ণৰ বংশধৰ বুলি পৰিচয় দিয়া সকলক বুজো। আনহাতে অবিভক্ত গোৱালপাৰা জিলাৰ বাদে অসমৰ অন্যান্য ঠাইত বসবাস কৰি অহা এই একে জনগোষ্ঠীৰ লোকসকলে নিজকে কেৱল কোচ বা কুচ বুলি পৰিচয় দি আহিছে। তদুপৰি গাৰো সম্প্ৰদায়ৰ মাজত থকা কোচ সম্প্ৰদায় আৰু ৰাভাসকলৰ মাজত থকা কোচ ৰাভাই কিন্তু কোচ-ৰাজবংশীৰ কলা-সংস্কৃতিক প্ৰতিনিধিত্ব নকৰে। এই লেখাত অবিভক্ত গোৱালপাৰা জিলাত বসবাস কৰি অহা কোচ-ৰাজবংশী জাতিৰ লোকগীত, লোকনৃত্য, লোকনাট্য, সামাজিক পূজা-পাৰ্বণ, সাজপাৰ, খাদ্যাভ্যাস, ফকৰা-যোজনা, প্ৰবচন, ৰীতি-নীতি, ভাষা-সাহিত্য, বাদ্যযন্ত্ৰ আদিৰ স্বকীয় ঐতিহ্য আৰু সভ্যতাৰ প্ৰতিফলনৰ বিষয়েহে সামান্যভাৱে আভাস দিয়াৰ চেষ্টা কৰা হৈছে।

(ক) লোকগীত ঃ লোকগীত মূলতঃ লোক সমাজত পৰম্পৰাগতভাৱে চলি অহা গীত। লোকগীতসমূহত সমাজ এখনৰ জীৱন-ধাৰা পদ্ধতি, হৰ্ষ-বিষাদ, প্ৰেম-পিৰীতি আদিয়েই প্ৰতিফলিত হৈ আহিছে। কোচ-ৰাজবংশী সম্প্ৰদায়ৰ মাজত প্ৰচলিত লোকগীতসমূহৰ বেছিভাগেই বিৰহজনিত গীত। গ্ৰাম্য জীৱনৰ পটভূমিত ৰচিত এই গীতবোৰৰ সৰহভাগেই নাৰী মনক কেন্দ্ৰ কৰি ৰচনা কৰা আৰু প্ৰেমমূলক। কোচ-

ৰাজবংশী লোকগীতসমূহৰ অধিকাংশ গীততে নাৰী আৰু পুৰুষৰ আকৰ্ষণ তথা প্ৰেমৰ পূৰ্বৰাগ, মান-অভিমান, সন্দেহ, শংকা, আক্ষেপ আদি ৰূপ চিত্ৰিত হৈ আহিছে।

কোচ-ৰাজবংশী সম্প্ৰদায়ৰ জাতীয় সংস্কৃতিৰ বাহক কুশান গীতসমূহ অধিক জনপ্ৰিয়। তেনেকৈ মৈশাল গীত, মাহুত বন্ধু, ভাওৱাল গীত আদি প্ৰাচীন কালৰ পৰাই চলি আহিছে। বাঁশ পূজাৰ গীত শৈৰ প্ৰধান আৰু সোণাৰায়ৰ গীত কোচ-ৰাজবংশী আৰু পূৰ্ববংগীয় মূলৰ মুছলমান সম্প্ৰদায়ৰ উমৈহতীয়া অৱদান। কাৰ্তিক পূজাত যিবোৰ গীত গোৱা হয় সেইবোৰ অতি ৰসাত্মক আৰু হাস্যৰসপূৰ্ণ। এই গীতসমূহ আৰ্য আৰু ম্লেচ্ছৰ সংমিশ্ৰণৰ সৃষ্টি। শালিখেতি চপোৱাৰ পিছত গাঁৱৰ ডেকাবিলাকে আঘোণ মাহৰ পূৰ্ণিমাৰ ৰাতি গৃহস্থৰ ঘৰত ধান মাগিবলৈ বুলি গৰখীয়া ল'ৰাই জাকপাতি গৃহস্থৰ চোতালত পৰিৱেশন কৰা গীতক এওৰি বা অ'ৰিমগা গীত বোলে। গীতবোৰ হ'ল এনেধৰণৰ—

অৰি, অৰি
অৰি মহ দিলোৰে
টেপল টেঙা খালুৰে
টেপলত নাই নুন (লোণ)
ধান দিবি একো দুন (দোণ)।

(খ) লোকনৃত্য ঃ গোৱালনী নাচ, কাতিপূজাৰ নাচ, মনসাৰ নৃত্য, বাঁশপূজাৰ নৃত্য, চণ্ডীনাচ আদি প্ৰধান। কুশান নৃত্য ৰাজবংশীসকলৰ সম্পূৰ্ণ স্বকীয় সৃষ্টি। ৰামায়ণৰ কাহিনীৰ আধাৰত কুশান লোকনাট্যৰ গীতসমূহ ৰচিত।

শ্ৰীৰাম ৰাৱন যুদ্ধ লাগিল আবাৰ ।
বাছিয়া বাছিয়া ৰাম কৰে প্ৰহাৰ ।।
শ্ৰীৰামেৰ বাণে ৰাজা কৰে ধৰফৰ ।
সহিতে নাপাৰি ৰাজা উঠি দিল লৰ।।

(গ) সামাজিক পূজা-পাৰ্বণ ঃ পূজা-পাৰ্বণৰ ক্ষেত্ৰত ৰাজবংশীসকলৰ এক বেলেগ সভ্যতা লুকাই আছে। ৰাজবংশীসকলৰ স্বকীয় পূজাত ব্ৰাহ্মণৰ ব্যৱহাৰ নাই। ভংৰীয়া, দেওবংশী আদিৰ দ্বাৰাই পূজা-পাতল কৰা হয়। মনসাপূজা, বাঁশপূজা, সোণাৰায়, কাতিপূজা আদি পূজা-পাতল কৰা হয়। এই পূজাসমূহ বিশেষ বিশেষ কিছুমান উদ্দেশ্য আগত ৰাখি কৰা হয়। যেনে— অবিভক্ত গোৱালপাৰা জিলাৰ পশ্চিম প্ৰান্তত বিশেষকৈ ধুবুৰী জিলাৰ কিছু কিছু অঞ্চলত প্ৰচলিত হুদুম পূজা বৰষুণৰ বাবে কৰা হয়। স্ত্ৰী আচাৰেৰে এই পূজা কৰা হয়। প্ৰথমতে পথাৰ বা নদীৰ পাৰত হুদুমদেও পূজা অমাৱস্যা ৰাতি কৰা হয়। এডাল কলগছ পুতি তাৰ গুৰিত

মাটিৰ চপৰাৰে হুদু চৰাইৰ এটি প্ৰতিকৃতি নিৰ্মাণ কৰা হয়। অনাবৃষ্টিৰ বাবে পালন কৰা হুদুমদেও পূজাত নামতীসকলে উলংগ হৈ নাচ-গান কৰে আৰু এনে কৰিলে বৃষ্টিপাত হয় বুলি এক লোকবিশ্বাস জড়িত হৈ আছে।

কাৰ্তিক পূজাও পুৰোহিত অবিহনে কাতি সংক্ৰান্তিৰ দিনা তিৰোতাসকলে অনুষ্ঠিত কৰে। সন্তান কামনা কৰাই এই পূজাৰ মূল উদ্দেশ্য। ঠিক তেনেকৈ সোণাৰায় পূজা হ'ল ব্যাঘ্ৰপূজা। লোকবিশ্বাসমতে এই পূজা কৰিলে মানুহ-দুনুহ আৰু গৰু-ম'হ সকলো নিৰাপদে থাকিব পাৰে। কোচ-ৰাজবংশীসকলে ঘৰে ঘৰে মনসাপূজা কৰে। মনসা হৈছে সৰ্পৰ অধিষ্ঠাত্ৰী দেৱী। সাপৰ পৰা হাত সাৰিবলৈ এই পূজা কৰা হয়। সুবচনী পূজা গৃহস্থৰ মংগলৰ কাৰণে পতা হয়।

(ঘ) সাজ-পাৰ ঃ জীৱন ধাৰণৰ বাবে যিদৰে খাদ্য প্ৰয়োজনীয় আছিলা, তেনেদৰে সাজ-পাৰে এটা জাতিৰ স্বকীয়তা দাঙি ধৰে। অসমৰ ভূমিপুত্ৰ মংগোলীয় ফৈদৰ এই কোচ-ৰাজবংশী তিৰোতাসকলে ব্যৱহাৰ কৰা সাজ-পোছাক হ'ল পাটানি আৰু আগৰণ। পাঁচটা পাৰিযুক্ত পাটানিখন ৰঙা, নীলা, সেউজীয়া সূতাৰে বোৱা হয়। “এণ্ডি পোকা” বা “এৰী পলু” পোহাৰ চখ ৰাজবংশী তিৰোতাসকলৰ আন এক বৈশিষ্ট্য। এৰি পোক পুহি লেটাৰ পৰা ঘৰতে সূতা কাটি উলিয়াই বোৱা এৰী চাদৰ, যাক ৰাজবংশী সমাজত এণ্ডি পাচাৰা বুলি জনাজাত।

ঠিক তেনেকৈ পুৰুষসকলে ঘৰৰ তাঁতশালত বোৱা ছয় হাত দীঘল আৰু তেৰ হাত বহল এক ধৰণৰ গামোচা পৰিধান কৰে। অৱশ্যে সভ্যতাৰ অগ্ৰগতিৰ লগে লগে তিৰোতাসকলৰ পাটানি ব্যৱহাৰ লুপ্ত পোৱাৰ দৰে হৈছে যদিও গ্ৰামাঞ্চলৰ কিছুমান বুঢ়ী তিৰোতাৰ মাজত পাটানিৰ ব্যৱহাৰ অটুট আছে।

(ঙ) খাদ্যাভ্যাস ঃ ৰাজবংশীসকলৰ ভাতেই প্ৰধান আহাৰ। খাৰ, শুকান মাছ, শুকাতি(মৰাপাটৰ শুকান পাত), টোপোলা ভাত, সাত বিষুৱাত সাত শাক খোৱা প্ৰথা, বাঁহৰ গজালি আদি বিভিন্ন ধৰণৰ খাদ্যৰ ব্যৱহাৰ দেখা যায়। টেকেলি পিঠা, তেল পিঠা, তিল পিঠা, নাৰিকলৰ লাড়ু, বৰা চাউলৰ চিৰা, উখোৱা চাউলৰ সান্দহ গুৰা আদি জলপান হিচাপে ব্যৱহাৰ কৰা হয়। দৈ, চিৰা, গুৰৰ ব্যৱহাৰো উল্লেখনীয়।

(চ) ফকৰা যোজনা ঃ কোচ-ৰাজবংশী সমাজত তাহানিৰে পৰাই ফকৰা-প্ৰবচনৰ প্ৰচলন দেখা যায়। পাণ্ডিত্যতকৈ বুদ্ধিমত্তাৰ পৰিচয় থকা এই ফকৰা প্ৰবচনবোৰে সাহিত্যৰ ভঁৰাল চহকী কৰাৰ লগতে মানুহৰ মাজত মনোৰঞ্জন প্ৰদান কৰিছে।

(ছ) বাদ্য-যন্ত্ৰ ঃ ৰাজবংশীসকলৰ বাদ্য-যন্ত্ৰৰ ভিতৰত খোল, বাঁহী, দোতোৰা, একতাৰা, সাৰেংগী আদি উল্লেখযোগ্য। ৰাজবংশীসকলৰ বাদ্য-যন্ত্ৰসমূহ তেওঁলোকৰ

প্ৰাত্যহিক জীৱনৰ লগত ওতপ্ৰোতভাৱে সম্পৰ্কিত। প্ৰায়বোৰ কৰ্মতে দোতোৰাৰ ব্যৱহাৰ দেখা যায়। মনসা পূজাতো দোতোৰা, খোলৰ ব্যৱহাৰ দেখা যায়।

কোচ-ৰাজবংশীসকলৰ সংস্কৃতিত লোকগীতে যেনেকৈ ব্যক্তি জীৱনৰ আশা-নিৰাশা, আনন্দ-বেদনাৰ ছবিখন ফুটাই তোলে, তদ্ৰূপ লোক-নৃত্যই বহন কৰে জাতিটোৰ স্বকীয় সত্তা। তেনেকৈ সাজ-পাৰ বা খাদ্যাভ্যাসে জাতিটোৰ ৰুচিবোধৰ পৰিচয় বহন কৰে। পাণ্ডিত্যতকৈ বুদ্ধিমত্তাৰ পৰিচয় বহন কৰা ফকৰা প্ৰবচনে মানুহৰ মাজত মনোৰঞ্জন প্ৰদান কৰি আহিছে। তেনেকৈ সামাজিক পূজা-পাৰ্বণৰ যোগেদি জাতিটোৰ লোকবিশ্বাসৰ কথা জানিব পাৰি। বিভিন্ন পূজা-পাৰ্বণৰ উপৰিও জাতীয় উৎসৱো পৰম্পৰাগতভাৱে প্ৰাচীন কালৰে পৰা পালন কৰি অহা হৈছে।

বিষুৱা উৎসৱ ঃ অসমৰ আন আন জাতি-জনগোষ্ঠীসমূহে ব'হাগ মাহত পালন কৰা উৎসৱসমূহৰ লেখীয়াকৈ কোচ-ৰাজবংশীসকলেও বিষুৱা উৎসৱ পালন কৰে। এই বিষুৱা উৎসৱ চ'তৰ সংক্ৰান্তিৰ দিনৰ পৰা আৰম্ভ কৰি সাত দিন পৰ্যন্ত পালন কৰা হয়। পুৰণিক বিদায় দি নতুনৰ আগমন ঘটাৰ সময়ছোৱাত প্ৰকৃতি হৈ পৰে নতুনত্বৰে পৰিপূৰ্ণ। প্ৰকৃতিৰ পৰিৱৰ্তনৰ সময়ছোৱাত পালন কৰা এই বিষুৱা উৎসৱ সাত দিনৰ বাবে পালন কৰা হয়। সাত বিষুৱাৰ প্ৰতিটো দিনেই ভিন্ন নামেৰে নামকৰণ কৰা হৈছে। সেইবোৰ হৈছে — গৰু বিষুৱা(গৰু বিহু), মানষি বিষুৱা(মানুহ বিহু), গুষ্ঠি বিষুৱা(আলহী বিহু), সাত শাকী বিষুৱা, বাহে বিষুৱা, চিকাৰ বিষুৱা, দেও বিষুৱা।

বিষুৱা উৎসৱৰ প্ৰথম দিনা অৰ্থাৎ চ'তৰ সংক্ৰান্তিক গৰু বিষুৱা বুলি কোৱা হয়। এই দিনটোত বেলিৰ পোহৰ বসুমতীৰ বুকুত নৌপৰোঁতেই ডেকা-বুঢ়া সকলোৰে হাবি-বননিলৈ যায় বনৌষধি তুলিবলৈ। এই বনৌষধিক ৰাজবংশী ভাষাত আপ-ঝাপ বোলা হয়। আপ-ঝাপবোৰৰ ভিতৰত আছে— নৰসিংহৰ পাত, ভেবেলী লতাৰ পাত, বাঁহকা তিতাৰ পাত, গৰু তুপখা, বিহঢেঁকীয়াৰ পাত, দাৰুৱা হালধিৰ পাত, সিজুৰ পাত, নিমপাত, কাণাসিৰাৰ পাত, কাত্ৰী(কেঁতুৰি) ফুল, দীঘলতি পাত আদি। আপ-ঝাপসমূহ একলগ কৰি প্ৰতিটো ঘৰৰ মূধচত, পদূলি-মুখত, গোহালি ঘৰত, ভঁৰাল ঘৰত গুঁজি থয়। এয়া ৰাজবংশীসকলৰ মাজত পুৰুষাণুক্ৰমে চলি আহিছে। বেলি উঠাৰ লগে লগে কেঁচা হালধি, বাঁহকা তিতাৰ পাত, নিম তিতাৰ(মহানিম) পাত একলগ কৰি পিহি তাৰ ৰস উলিয়াই খোৱাৰ নিয়ম। এই ৰসখিনি ৰাজবংশী ভাষাত তিতা কসা বুলি কোৱা হয়। তিতা কসা খালে সৰ্প দংশনৰ পৰা হাত সাৰিব পাৰি বুলি এক লোকবিশ্বাস জড়িত হৈ আছে। 'সাতে তিতা মাহে পিঠা' কথাষাৰে মাহেকত পিঠা-পনা আৰু সপ্তাহত তিতা খালে বেমাৰ-আজাৰ কম হয় বুলি এটা বিশ্বাস ৰাজবংশীসকলৰ মনত প্ৰথিত হৈ আছিছে।

গৰু বিযুৱাৰ দিনা গৰখীয়া বা পৰিয়ালৰ ল'ৰাসকলে নৈ অথবা পুখুৰীত গৰুক গা ধুৱাবলৈ লৈ যায় আৰু সন্ধিয়া সময়ত গৰু-গাইক গোহালিঘৰত চাকি-বন্তি জ্বলাই নতুন পঘা পিন্ধাই দিয়ে।

ব'হাগ মাহৰ প্ৰথম দিনা মানযি বিযুৱা। এই দিনটোত ছোৱালীবোৰে "পাটানী" আৰু ল'ৰাবোৰে "আওছা' পিন্ধা নিয়ম। বয়োজ্যেষ্ঠসকলক কনিষ্ঠসকলে বিচনীৰে বিচি বিচি ভক্তি জনাই বিযুৱা বান (বিশেষ ধৰণৰ হালধীয়া গামোচা) দিয়াৰ নিয়ম। এই দিনটোত ভাতৰ লগত খাৰ, তিতা খালে বছৰটোলৈ পেটৰ বেমাৰ-আজাৰ নহয় বুলি বিশ্বাস কৰি আহিছে তেওঁলোকে।

গুষ্ঠি বিযুৱা ব'হাগ মাহৰ দ্বিতীয় দিনটোত পালন কৰা হয়। সিদিনা আলহী-অতিথিক মাতি আনি ভালকৈ এসাঁজ খুৱাই সোধ-পোছ কৰা নিয়ম। তাৰ পিছৰ দিনটোত সাত শাকী বিযুৱা। সাত শাকী বিযুৱাত সাত প্ৰকাৰৰ শাক খোৱাৰ নিয়ম। স্থানভেদে সাত শাক খোৱাৰ প্ৰথাক সুকাতি, সাত শাকী বুলিও কোৱা হয়।

বিযুৱা উৎসৱৰ কেইদিনত বিভিন্ন দেৱ-দেৱীৰ থানত পূজা-অৰ্চনা কৰা হয়। আৰু এই মেলাৰ সৈতে সংগতি ৰাখি কুশান নৃত্য অনুষ্ঠিত কৰা হয়। ৰাজবংশী জনগোষ্ঠী মূলতঃ শিৱভক্ত। শিৱৰ আশ্ৰয়স্থল হিমালয় বুলি বিশ্বাস কৰা ৰাজবংশীসকলে বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা পাহাৰবোৰকে হিমালয়ৰ প্ৰতীকৰূপে জ্ঞান কৰি শিৱ-পাৰ্বতীক বুঢ়া-বুঢ়ী বুলি প্ৰতীক হিচাপে লৈ শিলকেই পূজা কৰাৰ প্ৰথা অতীতৰ পৰা বৰ্তমানলৈকে চলি আহিছে। শিলা ঠাকুৰৰ পৰা আশীৰ্বাদ লৈ বছৰটো সুখ-শান্তিৰে পাৰ হওক বুলি ঠাকুৰলৈ পাৰ, ছাগলী আদিও আগবঢ়োৱা হয়।

বিযুৱা বা সাত তিথি পালনৰ ক্ষেত্ৰত কিছুমান বিধান দেখা যায়। সূৰ্যৰ ৰশ্মিৰ লগত সংগতি ৰাখি সাত ৰঙৰ সাতখন পতাকা উৰুৱাব লাগে আৰু প্ৰতিখন পতাকাৰ ৰঙৰ লগত সামঞ্জস্য ৰাখি অবিবাহিত যুৱতীয়ে পতাকাকেইখন উত্তোলন কৰিব লাগে। পতাকাৰ গুৰিত সৰু বাঁহৰ চুঙাত সাত প্ৰকাৰৰ ঔষধ ভৰাই থ'ব লাগে। পতাকা উত্তোলনৰ নিয়মবোৰ এনেধৰণৰ—

(ক) হালধীয়া পাটানী পিন্ধা যুৱতীয়ে হালধীয়া ৰঙৰ পতাকা উত্তোলন কৰিব। পতাকাখনৰ গুৰিত কেঁচা হালধিৰ ৰস বাঁহৰ চুঙাত ভৰোৱা থাকিব লাগিব।

(খ) হেঙুলীয়া ৰঙৰ পাটানী পিন্ধা যুৱতীয়ে হেঙুলীয়া ৰঙৰ পতাকা উত্তোলন কৰিব। পতাকাখনৰ গুৰিত বেত গাজৰ ৰস বাঁহৰ চুঙাত ভৰোৱা থাকিব লাগিব।

(গ) কমলা ৰঙৰ পাটানী পিন্ধা যুৱতীয়ে কমলা ৰঙৰ পতাকা উত্তোলন কৰিব। পতাকাখনৰ গুৰিত পচতীয়া তিতাৰ ৰস বাঁহৰ চুঙাত ভৰোৱা থাকিব লাগিব।

(ঘ) ৰঙা ৰঙৰ পাটানী পিন্ধা যুৱতীয়ে ৰঙা ৰঙৰ পতাকা উত্তোলন কৰিব। পতাকাখনৰ গুৰিত চিৰতা তিতাৰ ৰস বাঁহৰ চুঙাত ভৰোৱা থাকিব লাগিব।

(ঙ) কলপতীয়া ৰঙৰ পাটানী পিন্ধা যুৱতীয়ে কলপতীয়া ৰঙৰ পতাকা উত্তোলন কৰিব। পতাকাখনৰ গুৰিত সুকাতিৰ ৰস বাঁহৰ চুঙাত ভৰোৱা থাকিব লাগিব।

(চ) নীলা ৰঙৰ পাটানী পিন্ধা যুৱতীয়ে নীলা ৰঙৰ পতাকা উত্তোলন কৰিব। পতাকাখনৰ গুৰিত এৰাঁ গাখীৰ বাঁহৰ চুঙাত ভৰোৱা থাকিব লাগিব।

(ছ) গাঢ় নীলা ৰঙৰ পাটানী পিন্ধা যুৱতীয়ে গাঢ় নীলা ৰঙৰ পতাকা উত্তোলন কৰিব। পতাকাখনৰ গুৰিত বাঁহকা তিতাৰ ৰস বাঁহৰ চুঙাত ভৰোৱা থাকিব লাগিব।

কোচ-ৰাজবংশীসকলে দেহ তাত্ত্বিক বিধান অনুসৰি এই বিষুৱা বা সাত তিথি পালন কৰে। অবিভক্ত গোৱালপাৰা জিলাৰ কোকৰাঝাৰ, ধুবুৰী, বঙাইগাঁও অঞ্চলত বিষুৱা পালন কৰা হয় যদিও আজিকালি বিহু উৎসৱো পালন কৰা দেখা যায়। চহৰাঞ্চলসমূহত জাতীয় দল, সংগঠনে বিষুৱা উৎসৱ পালন কৰে যদিও গ্ৰামাঞ্চলত অৱশ্যে স্বতঃস্ফূৰ্ত ৰূপত বিষুৱা পালন কৰি আহিছে। কিন্তু বিষুৱাৰ পূৰ্বৰ নীতি-নিয়মলৈ সম্প্ৰতি পৰিৱৰ্তন অহা দেখা গৈছে। বৰ্তমান সাত বিষুৱাৰ ঠাইত তিনি দিনমানহে বিষুৱা পালন কৰা হয়। লক্ষণীয় যে পশ্চিম অঞ্চলৰ কোকৰাঝাৰ আৰু ধুবুৰী জিলাত বিষুৱাৰ ৰীতি-নীতি অক্ষুণ্ণ আছে যদিও বঙাইগাঁও জিলাৰ পূব প্ৰান্তত বিষুৱাৰ প্ৰভাৱ নাই বুলি ক'ব পাৰি। ইয়াত বিষুৱাৰ ঠাইত বিহু উৎসৱহে পালন কৰা দেখা যায়। তদুপৰি বঙাইগাঁও জিলাৰ পূব প্ৰান্তত বসবাস কৰা কোচ-ৰাজবংশীসকলৰ মাজত চুবুৰীয়া বৰপেটা জিলাৰ বিভিন্ন অঞ্চলৰ প্ৰভাৱ, চাকৰি তথা বৈবাহিক সূত্ৰে বিভিন্ন অঞ্চলৰ লোকৰ সৈতে হোৱা সাংস্কৃতিক সংমিশ্ৰণৰ ঘটি আৰু আধুনিকতাৰ প্ৰভাৱত ৰাজবংশীসকলৰ স্বকীয়তাত কৃত্ৰিমতাই স্থান দখল কৰা পৰিলক্ষিত হৈছে। তথাপি কিৰাট মংগোলীয় জনগোষ্ঠীৰ বৃহৎ ঠালৰ অন্তৰ্গত কোচ-ৰাজবংশীসকলৰ জাতীয় কৃষ্টি বিষুৱাৰ মহত্ত্ব আৰু তাৎপৰ্য কোনো গুণেই পিছপৰা নহয়।

কোচ-ৰাজবংশীসকলৰ সংস্কৃতিত বাৰেবৰণীয়া ৰূপ আছে। গ্ৰামাঞ্চলৰ সাধাৰণ গএগ্ৰ ৰাইজৰ মাজতে সংৰক্ষিত হৈ আহিছে এই সংস্কৃতি। কিন্তু বিশ্বায়নৰ যুগত আৰু মানুহৰ আধুনিক চিন্তাধাৰা, চাল-চলনত কোচ-ৰাজবংশীসকলৰ সংস্কৃতিৰ স্বকীয়তা কেনেদৰে সংৰক্ষিত হৈ থাকিব সেইটোহে ডাঙৰ প্ৰশ্ন।

(বিঃদ্ৰঃ লেখাটো যুগুত কৰোতে বিভিন্ন লোকৰ সহায় লোৱা হৈছে -লেখক)

ৰঙালী বিহু আৰু বৈশাখী ঃ অসমৰ শিখসকলৰ ঐতিহ্যপূৰ্ণ বসন্ত উৎসৱ

মনজিৎ সিং

শিখ ধৰ্মৰ প্ৰায় জন্মলগ্নৰে পৰা অসমৰ লগত শিখসকলৰ যোগসূত্ৰ স্থাপন হয়। শিখ ধৰ্মৰ প্ৰৱৰ্তক গুৰু নানকৰ জন্ম হৈছিল ১৪৬৯ খ্ৰীষ্টাব্দৰ কাতি মাহৰ পূৰ্ণিমা তিথিত তদানীন্তন পঞ্জাব প্ৰদেশৰ লাহোৰৰ (বৰ্তমান পাকিস্তানৰ অন্তৰ্গত) তালৱন্দী নামে এখন গাঁৱত। নানান ঐশ্বৰিক গুণৰে গুণসম্পন্ন নানকক সংসাৰৰ কোনো মোহেই বান্ধি ৰাখিব নোৱাৰিলে। একমাত্ৰ পৰমেশ্বৰৰ চিন্তান নিমগ্ন নানকে ১৪৯৮ খ্ৰীষ্টাব্দত এদিন 'বেইন' নদীত গা-ধুবলৈ গৈ অদৃশ্য হৈ যায় আৰু তিনি দিনৰ পিছত পুনৰ নদীৰ পাৰলৈ উঠি আহি প্ৰথম ধৰ্মোপদেশ উচ্চাৰণ কৰি ধৰ্মৰ পাতনি মেলে। তাৰ কেইবছৰমান পিছতে অৰ্থাৎ ১৫০৫ খ্ৰীষ্টাব্দত গুৰু নানকে তেওঁৰ প্ৰথম 'উদাসী' (ধৰ্ম প্ৰচাৰাৰ্থে কৰা পৱিত্ৰ ভ্ৰমণ)ৰ কালছোৱাত উত্তৰ-পূৰ্ব ভাৰতবৰ্ষৰ বিভিন্ন স্থানৰ লগতে তাহানিৰ কামৰূপলৈও আহে।

ইয়াৰ পিছতে নৱমজনা শিখ গুৰু— গুৰু টেগবাহাদুৰজী তেখেতৰ পৱিত্ৰ ভ্ৰমণ কালত অসমলৈ আহিছিল ১৬৬৭ খ্ৰীষ্টাব্দত। গুৰু টেগবাহাদুৰজীয়ে ধুবুৰীলৈ আহি পূৰ্বে গুৰু নানকে জিৰণি লোৱা ঠাইতে এটি গুৰুদ্বাৰ নিৰ্মাণ কৰায়। সিয়ে হ'ল অসমৰ প্ৰথমটি শিখধৰ্মীয় উপাসনা স্থলী 'গুৰুদ্বাৰ দমদমা চাহিব'— পিছলৈ যি 'গুৰুদ্বাৰ টেগবাহাদুৰ চাহিব' নামে খ্যাত হয়। গুৰু টেগবাহাদুৰজীয়ে অসম এৰি যোৱাৰ সময়ত ধুবুৰীৰ গুৰুদ্বাৰ দমদমা চাহিবত ভালেমান শিষ্য-প্ৰশিষ্য এৰি থৈ যায়। এইসকলক অসমত দমদমীয়া শিখ বুলি জনা যায়। ইয়াৰ পিছত কামৰূপৰ দুই প্ৰতাপী ভ্ৰাতৃদ্বয় হৰদত্ত-বীৰদত্তই গুৱাহাটীৰ বৰফুকনৰ বিৰুদ্ধে যি বিদ্ৰোহ ঘোষণা কৰিছিল— তাত এই দুই ভ্ৰাতৃদ্বয়ৰ আমন্ত্ৰণক্ৰমে যুদ্ধত অংশগ্ৰহণ কৰিবলৈ কুমেদান সিং নামৰ এগৰাকী সেনাধিপতিৰ অধীনত ভালেমান পেছাদাৰী শিখ সৈনিক অসমলৈ আহিছিল। পৰৱৰ্তী সময়ত উজনি অসমৰ প্ৰখ্যাত মোৱামৰীয়া বা মায়ামৰীয়া বিদ্ৰোহ দমন কৰিবলৈ কেপ্টেইন ৱেলচৰ লগত আৰু স্বৰ্গদেউ প্ৰতাপ সিংহৰ আমন্ত্ৰণক্ৰমে ৰহা চকী নিৰ্মাণ কৰিবলৈ বিভিন্ন সময়ত পেছাদাৰী শিখ সৈনিকসকল অহাৰ লগতে বেহা-বেপাৰৰ বাবেও বিভিন্ন সময়ত অসমলৈ শিখসকলৰ প্ৰব্ৰজন হৈছিল যদিও সণ্ডালনিকৈ অসমত শিখসকলৰ নিগাজি বসতি আৰম্ভ হয় হাদিৰাচকীত মানৰ বিৰুদ্ধে

আহোমৰ সন্মিলিত সমৰ শক্তিত যোগদান কৰা শিখসকলে নগাঁও জিলাৰ চাপৰমুখ তিতাইমৰা সুঁতিৰ পাৰত বসতি আৰম্ভ কৰাৰ পিছৰ পৰাহে।

সেই সময়ত অসমলৈ অহা এই শিখ লোকসকলে লগত কোনো নাৰী অনা নাছিল। সেয়ে অসমৰ সোণসেৰীয়া মাটিৰ মোহত বন্দী হোৱা এই শিখসকলে অসমৰ বিভিন্ন জাতি-জনজাতিৰ ছোৱালীৰ পাণিগ্ৰহণ কৰি সংসাৰ বিস্তাৰ কৰিব ধৰিলে। ইয়াৰ পৰৱৰ্তী সময়তো ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধি অনুসৰি অসম ইংৰাজৰ হাতলৈ যোৱাৰ পিছত অসমত ৰেলপথ, কল-কাৰখানা আদি নিৰ্মাণৰ বাবে বা বিভিন্ন বেহা-বেপাৰৰ বাবে তথা প্ৰথম মহাসমৰৰ সময়ত যুদ্ধৰ সৈনিকৰূপে বিভিন্ন সময়ত অসমলৈ শিখসকল আহি বহুতেই পুনৰ ঘূৰি নগৈ অসমত ইতিমধ্যে বসবাস কৰিবলৈ লোৱা শিখসকলৰ সংস্পৰ্শলৈ আহি অসমৰ থলুৱা নাৰীৰ বা ইতিপূৰ্বে অসমত বসবাস কৰিবলৈ লোৱা শিখ লোকসকলৰ ঔৰসত অসমীয়া মাতৃৰ গৰ্ভজাত ছোৱালীৰ লগত বিবাহপাশত আবদ্ধ হৈ অসমত নিগাজিকৈ বসবাস কৰিবলৈ ধৰিলে। পৰৱৰ্তী সময়ত অসমীয়া মাতৃ আৰু পঞ্জাবৰ শিখ পিতৃৰ ঔৰসজাত সন্তানসকলে পিতৃ পক্ষৰ শিখধৰ্মীয় পৰম্পৰা ৰক্ষা কৰি অসমীয়া ভাষা-সংস্কৃতি গ্ৰহণ কৰি এক নতুন অভিধা লাভ কৰিলে— সিয়ে হ'ল বৰ্তমানৰ অসমৰ এটি আনুবীক্ষণিক সম্প্ৰদায়— 'অসমীয়া শিখ' সমাজ।

সময়ৰ জোখেৰে ক'বলৈ গ'লে— ১৮২০ খ্ৰীষ্টাব্দ বা তাৰ পূৰ্বৰে পৰা ১৯২০ খ্ৰীষ্টাব্দ মানলৈকে প্ৰায় এটা শতিকাৰ ভিতৰত ভাৰতবৰ্ষৰ বিভিন্ন স্থানৰ পৰা বিভিন্ন কাৰণত অসমলৈ আহি নিগাজিকৈ বসবাস কৰিবলৈ লোৱা শিখ লোকসকলৰ বংশজসকলেই বৰ্তমানৰ অসমীয়া শিখ। অৱশ্যে ইয়াৰ পৰৱৰ্তী সময়তো স্বৰাজোত্তৰ কালত বিভিন্ন কাৰণত অসমলৈ অহা দুই-চাৰিটি পৰিয়ালে ক্ৰমান্বয়ে থলুৱা শিখসকলৰ সংস্পৰ্শলৈ আহি তেওঁলোকৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰি অসমীয়া ভাষা-সংস্কৃতি গ্ৰহণ কৰি, অসমকে নিজ মাতৃভূমি জ্ঞান কৰি অসমীয়া শিখ সমাজৰ অন্তৰ্ভুক্ত হৈছে। B. C. Allenৰ Assam District Gazzetteers : Goalparaত উল্লেখিত এইষাৰ উক্তিৰ পৰাই বৰ্তমানৰ অসমীয়া শিখসকল যে পঞ্জাবী পিতৃ আৰু অসমীয়া মাতৃৰ তেজৰ সংমিশ্ৰণৰ ফলশ্ৰুতি সেই কথা অনুধাৱন কৰিব পাৰি— 'The Sikh came to this province alongwith their nineth Gura Tegh Bahadur and also to serve at the time of Burmese invasion. The original settlers have inter marriages with the Kewats, Kacharis and kalitas and all except the latest arrivals from the Punjab, have now admixture of Assamese blood. The majority have taken to agriculture but the community includes few carpenters and contractors. They have their Gurdwara at Dhubri formerly called popularly Dam Dama Sahib.'

উল্লেখযোগ্য যে B. C. Allenৰ প্ৰতিবেদনত উল্লেখিত 'except to latest arrivals from the Punjab' বুলি যিখিনি মানুহৰ কথা কোৱা হৈছিল, সেই লোকসকলৰো বংশজসকলৰ সৰহভাগৰে পৰৱৰ্তী সময়ত বিভিন্ন থলুৱা অসমীয়া নাৰীৰ লগত বা অসমীয়া শিখসকলৰ লগত বৈবাহিক সম্পৰ্ক হৈ পৰৱৰ্তী সময়ত তেওঁলোকো হাড়ে-হিমজুৱে অসমীয়া হৈ অসমীয়া শিখসমাজৰ অন্তৰ্ভুক্ত হয়। ফলস্বৰূপে ভাষাৰ লগে লগে অসমীয়া শিখসকলৰ জনজীৱনলৈ অসমীয়া ৰীতি-নীতি আৰু সংস্কৃতি সোমাই আহিল।

সেয়ে অসমৰ অন্যান্য থলুৱা অসমীয়াৰ দৰে অসমীয়া শিখসকলৰো প্ৰধান বসন্ত উৎসৱ বুলি ক'লে অতিকৈ চেনেহৰ ব'হাগৰ বিহুটিৰ কথাই উল্লেখ কৰিব লাগিব। ব'হাগৰ বিহুটি আহিলেই অসমীয়া শিখ যুৱকৰো মন কমোৱা তুলাৰ দৰে উৰে। অসমীয়া শিখ বোৱাৰী-জীয়ৰীয়েও তাঁতশালত সপোন ৰচে। গৰুবিহুৰ দিনা ঘৰৰ গাই-গৰুক মাহ-হালধিৰে নোৱাই-ধুৱাই 'লাউ খা বেঙেনা খা বছৰি বছৰি বাঢ়ি যা / মাৰ সৰু বাপেৰ সৰু তই হ'বি বৰ গৰু' বুলি সিহঁতৰ কুশল-মংগল কামনা কৰি গধূলি ফুলাম গামোচা আৰু বিচনী লৈ সিহঁতক গোহালিলৈ আদৰি আনি নতুন পঘাৰে বান্ধে। ইয়াৰ উপৰিও এই ৰঙালী বিহুত হুঁচৰি গোৱা, বিহু মৰা, প্ৰিয়জনক বিহুৱান যচা, জ্যেষ্ঠসকলক বিহুৱবীয়া সেৰাভাগ কৰি আশীৰ্বাদ লোৱা আদি প্ৰতিটো অনুষ্ঠানতে অংশগ্ৰহণ কৰাটো অন্যান্য থলুৱা অসমীয়াৰ দৰে অসমীয়া শিখসকলৰো সামাজিক পৰম্পৰাত পৰিণত হৈছে। সাধাৰণতে অসমীয়া শিখ ডেকা বা সৰু সৰু ল'ৰা-ছোৱালীবোৰৰ একোটা গোটে গাঁৱত হুঁচৰি মাৰে। অন্যান্য থলুৱা অসমীয়াৰ দৰে অসমীয়া শিখ গাভৰুৱে ঘৰে ঘৰে হুঁচৰি নামাৰে। কিন্তু যিদৰে অসমীয়া শিখ যুৱকসকলৰ মাজত পাকৈত ঢুলীয়া আছে, সেইদৰে গামখাৰু পিন্ধি টকা-গগনা লৈ মঞ্চত বিহু নচা গাভৰুৰ অভাৱ নাই। কেৱল ৰঙালী বিহুটিয়ে নহয়, অসমীয়া শিখসকলে অন্যান্য অসমীয়াৰ দৰে কাতি বিহু আৰু মাঘ বা ভোগালী বিহুটিও একেই পৰম্পৰাৰে পালন কৰে।

উল্লেখযোগ্য যে সমগ্ৰ বিশ্বৰ শিখ সমাজৰ লগতে অসমীয়া শিখসকলেও অন্যতম বসন্ত উৎসৱ 'বৈশাখী'ও পালন কৰে অতি উৎসাহ-উদ্দীপনাৰে। অৱশ্যে অসমীয়া শিখসকলে 'বৈশাখী'ক সাধাৰণ সামাজিক উৎসৱ হিচাপে নহয় বৰং ধৰ্মীয় উৎসৱৰূপেহে পালন কৰি আহিছে। কাৰণ 'বৈশাখী' উৎসৱৰ লগত শিখসকলৰ 'খালছা পন্থ'ৰ জন্মৰ ঘটনাটো জড়িত হৈ আছে।

সেয়া আছিল ১৬৯৯ খ্ৰীষ্টাব্দৰ ১৩ এপ্ৰিলৰ কথা। শিখ 'মন্ত্ৰী' (কেলেণ্ডাৰ) মতে ব'হাগৰ পহিলা দিন। শিখসকলৰ দশম গুৰু গুৰু গোবিন্দ সিঙে পঞ্জাবৰ

আনন্দপুৰত সমগ্ৰ ভাৰতবৰ্ষৰ কেওদিশে সিঁচৰতি হৈ থকা শিখসকলক একত্ৰিত কৰি এখন বিৰাট ধৰ্মীয় সভাৰ আয়োজন কৰিলে। শিখ ধৰ্মত জাত-পাতৰ কোনো স্থান নাই। উচ্চ-নীচৰ কোনো ভেদাভেদ নাই। কিন্তু তেতিয়ালৈকে শিখ ধৰ্ম গ্ৰহণ কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে স্বকীয় উপাধিবোৰ পুৰুষাণুক্ৰমে গ্ৰহণ কৰি আহিছিল। আনকি গুৰুজনা নিজেই সেই সময়ত গোবিন্দ ৰায় নামেৰেহে পৰিচিত আছিল। গুৰু গোবিন্দ সিঙে সেয়ে সকলো শিখকে একত্ৰিত কৰি এক নিৰ্দিষ্ট বিশিষ্টতা প্ৰদান কৰিবলৈকে এই সভাখনৰ আয়োজন কৰিছিল। গুৰুজনাৰ উদ্দেশ্য আছিল শিখসকলক একক পৰিচয় প্ৰদানেৰে দয়া, মমতা তথা সম্পূৰ্ণ মানৱীয় গুণেৰে পুষ্ট এটি ধীৰ-স্থিৰ শক্তিশালী সাহসী জাতি হিচাপে পুনৰ জীৱিত কৰা।

নিৰ্দিষ্ট সময়ত সভা আৰম্ভ কৰি সভাসদক উদ্দেশ্য কৰি গুৰু গোবিন্দ সিঙে ক'লে— সমগ্ৰ জাতি আৰু ধৰ্মৰ মংগলৰ কাৰণে এটি 'শিৰ' লাগে। সেয়ে সভাসদৰ মাজত এই মহান কৰ্মৰ বাবে জীৱন আহুতি দিব পৰা কোনোবা যদি আছে মঞ্চলৈ আহিবলৈ আহ্বান জনালে। গুৰুৰ এই আচৰিত আহ্বানত সকলো হতচকিত হৈছিল। সভাত কাঁহ পৰি জীণ যোৱা অৱস্থাৰ পৰা সকলোকে বিস্মিত কৰি লাহোৰৰ এগৰাকী ক্ষেত্ৰীয় লোক ভাই দয়াৰামে অতি বিনম্ৰতাৰে গুৰুজনাৰ সন্মুখত থিয় হ'লহি। গুৰুজনাই পৰম সন্তোষেৰে কাযত নিৰ্মাণ কৰা তম্বুৰ ভিতৰলৈ তেওঁক লৈ গ'ল। খন্তেক পিছত তেজে তুমৰলি তেওঁৰ খোলা তৰোৱাল লৈ গুৰুজনাই পুনৰ মঞ্চলৈ আহি আন এজনক এই আত্ম উৎসৰ্গা কৰিবলৈ আহ্বান জনালে। সেইবাৰ আগবাঢ়ি গ'ল দিল্লীৰ এগৰাকী বাসিন্দা ভাই ধৰম দাস। এইদৰে গুৰুৱে আৰু আন তিনিজনক আত্মবলিদান দিবলৈ বুলি তম্বুৰ ভিতৰলৈ নিছিল। এইদৰে গুৰুজনাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই প্ৰাণাহুতি দিবলৈ আগবাঢ়ি যোৱা আন তিনিগৰাকী ব্যক্তি আছিল— দ্বাৰকাৰ ভাই মোহকম চাঁদ, বিদাৰৰ ভাই চাহিব চাঁদ আৰু জগন্নাথ পুৰীৰ ভাই হিম্মৎ চাঁদ।

সভাত সকলো ভয়ত বিতত হৈছিল— গুৰুৱে আৰু কাৰোবাৰ 'শিৰ' বিচাৰিবই নেকি! কিন্তু খন্তেক পিছতে সকলোকে হতবাক কৰি তম্বুৰ ভিতৰৰ পৰা নতুন পোছাক-পৰিচ্ছদ আৰু মূৰত পাগুৰিৰে সুশোভিত ইতিপূৰ্বে শিৰশ্ছেদ কৰিবলৈ নিয়া পাঁচোজন ব্যক্তিক লগত লৈ মঞ্চত প্ৰৱেশ কৰিলে। তেওঁলোকে পৰিধান কৰিছিল মূৰত নীলা ৰঙৰ পাগুৰি, শৰীৰত আহল-বহল হালধীয়া ৰঙৰ কামিজ আৰু একোটাকৈ অধঃ পৰিচ্ছদ। কঁকালত প্ৰত্যেকৰে আছিল কাপোৰৰ টঙালি আৰু সেই টঙালিত গুঁজি লৈছিল একোখন কৃপাণ। গুৰুজনাই সেই পাঁচোজন ব্যক্তিকে লগত বহুৱাই পানীৰে পূৰ্ণ এটি লোৰ পাত্ৰ লৈ তেওঁৰ হাতত থকা খাণ্ডা (দুয়োফালে ধাৰ থকা

এপাট অস্ত্র) লৈ পানীখিনি লৰাই অমৃত তৈয়াৰ কৰিছিল পাঁচটা বিশেষ প্ৰাৰ্থনা মন্ত্ৰৰে। এইদৰে গুৰুজনাই অমৃত তৈয়াৰ কৰি থাকোতে গুৰুপত্নীয়ে সেই পাত্ৰটোত কিছু চেনিৰ বাতাচা ঢালি দিলে। গুৰুজনাই এই কাৰ্যত সন্তোষ প্ৰকাশ কৰি ক'লে, দয়া-মমতা আৰু নম্ৰতাৰ অবিহনে তেওঁ নকৈ জন্ম দিব খোজা 'পন্থ'টো অসম্পূৰ্ণ হৈ থাকিব। নাৰীজাতিক হৃদয়ৰ কোমলতাৰে ইয়াক পৰিপূৰ্ণ কৰাত নতুন পন্থটোৰ লোকসকলৰো অন্তৰ বাতাচাৰ মিঠা সোৱাদৰ দৰে দয়া-মমতাৰে পৰিপূৰ্ণ হৈ থাকিব বুলি মন্তব্য দিয়ে।

যথা সময়ত গুৰুজনাই পাঠ কৰা 'জপজী সাহিব', 'চোপাই', 'জপ সাহিব', 'স্বৰই' আৰু 'আনন্দ সাহিব'— এই পাঁচবিধ প্ৰাৰ্থনা শেষ হোৱাৰ পিছত ইতিপূৰ্বে তৈয়াৰ কৰা 'অমৃত'ৰ পাত্ৰটো হাতত লৈ লগত থকা পাঁচোজন ব্যক্তিৰ সন্মুখত থিয় হৈ তেওঁলোকৰ চকুৰে-মুখে কিঞ্চিৎ 'অমৃত' ছটিয়াই তেওঁলোকক উচ্চাৰণ কৰিব দিছিল এই অমোঘ বাক্যশাৰী— 'ৱাহে গুৰুজীকা খালছা ৱাহে গুৰুজীকী ফটেহ' অৰ্থাৎ পৱিত্ৰ সদাচাৰী (খালছা) সকল পৰম পিতাৰ (ভগৱানৰ), ভগৱানৰ জয় হওক। তাৰ পিছত সেই একেটা পাত্ৰৰ পৰা প্ৰতিজনকে পাঁচ চলুকৈ 'অমৃত' পি খাবলৈ দিছিল।

ইয়াৰ পিছতে গুৰুজনাই ঘোষণা কৰিছিল— এতিয়াৰ পৰা এই পাঁচগৰাকী শিষ্য 'পঞ্চপ্যাৰা' (পঞ্চ প্ৰিয়)ৰূপে খ্যাত হ'ব। এই 'পঞ্চপ্যাৰা'ৰ পিছত যিকোনো পাঁচগৰাকী প্ৰকৃত শিখেই গুৰুৰ কৰ্তব্য পালন কৰিব আৰু শিষ্যক দীক্ষা দিব পাৰিব। সেই অনুসৰি গুৰুজনাই নিজেও এই 'পঞ্চপ্যাৰা'ৰ সন্মুখত আঁঠু লৈ যথাবিহিত নিয়মেৰে সেই অমৃত পান কৰিলে। লগে লগে গুৰুৱে ঘোষণা কৰিলে যে সেই মুহূৰ্তৰ পৰা সকলো পুৰুষ শিখে 'সিং' (গুৰুমুখীত লিখিত 'সিংঘ'— কিন্তু উচ্চাৰণ কৰোঁতে 'ঘ'টো উহ্য হৈ থাকে) আৰু মহিলা শিষ্যাসকলে 'কৌৰ' উপাধি গ্ৰহণ কৰিব। সেই অনুসৰি গুৰুজনাই নিজেই গোবিন্দ ৰায়ৰ সলনি গোবিন্দ সিং আৰু 'পঞ্চপ্যাৰা'সকল যথাক্ৰমে— দয়া সিং, ধৰম সিং, মোহকম সিং, হিম্মৎ সিং আৰু সাহিব সিংলৈ ৰূপান্তৰ হয়। ইয়াৰ লগে লগে দয়া, ধৰ্ম, শক্তি, সাহস আৰু মৰ্যাদাৰ অপূৰ্ব সমাহাৰেৰে সৃষ্টি হ'ল— গুৰুজনাৰ দ্বাৰা উদ্ভূত 'খালছা' (পৱিত্ৰ সদাচাৰী) পন্থৰ। গুৰুৱে ইয়াকো নিৰ্দেশ কৰিলে যে শিখসকলৰ খালছা পন্থৰ প্ৰতিজন সদস্যই বিশেষ পাঁচবিধ বস্তু ধাৰণ কৰিব বা ৰাখিব লাগিব। সেয়া হ'ল— তেওঁলোকে দাড়ি-চুলি (কেশ) ৰাখিব লাগিব আৰু ইয়াক সুবিন্যস্ত কৰি ৰাখিবৰ বাবে লগত এখনি ফণি (কাংঘা) ৰাখিব লাগিব। এওঁলোক সকলোৱে অধঃপৰিচ্ছদ (কচ্ছেৰা) পিন্ধিব লাগিব। হাতত এপাট তীখাৰ খাৰু (কাড়া) আৰু কঁকালত ল'ব লাগিব একোখন তৰোৱাল

(কৃপাণ)। 'ক' বৰ্ণমালাৰে আৰম্ভ হোৱা পাঁচোবিধ বস্তুক 'পঞ্চ ক' (গুৰুমুখী ভাষাত পঞ্চ কাক্‌কা) বুলি কোৱা হয়।

সকলোৰে মাজত জিলিকি থাকিব পৰাকৈ এনে বৈশিষ্ট্য প্ৰদানেৰে সকলো শিখকে জাত-পাতৰ বান্ধোন ছিঙি যিকোনো নাৰীৰে কোনো অপমান নকৰিবলৈ, ক্ষুধাতুৰক আহাৰ, তৃষ্ণাতুৰক পানী, নিৰ্বলীক নিৰাপত্তা প্ৰদান, নিৰাশ্ৰয় আৰু নিপীড়িতক আশ্ৰয় দান আৰু শোকাতুৰক সান্ত্বনা প্ৰদান কৰিবলৈ সংকল্পবদ্ধ কৰাই সত্য আৰু সংযমেৰে সদাচাৰী হ'বলৈ, ধনৱন্তসকলক জনতাৰ মংগলৰ বাবে ব্যয় কৰিবলৈ, উপাৰ্জনৰ এক দশমাংশ ধৰ্ম তথা জনহিতকৰ কাৰ্যৰ বাবে ব্যয় কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। এইদৰে প্ৰতিজন প্ৰকৃত শিখকে 'সাধু-সৈনিক'ৰূপে গঢ়ি তোলাই হ'ল খালছা পন্থৰ জন্মৰ ৰহস্য।

যিহেতু বসন্তকালৰ এক নিৰ্মল মুহূৰ্তত গুৰু গোবিন্দ সিঙে খালছা পন্থৰ জন্ম দিছিল— সেয়ে পৃথিৱীৰ সকলো শিখেই এই দিনটোক 'বৈশাখী' গুৰু পৰৱ হিচাপে উলহ-মালহেৰে পালন কৰে। অসমৰ শিখসকলেও ৰঙালী বিহুৰ আগদিনা (গৰু বিহুৰ দিনা) নিজ নিজ অঞ্চলৰ গুৰুদ্বাৰসমূহত একত্ৰিত হৈ ধৰ্মীয় শবদ-কীৰ্তন আৰু বিশেষ ধৰ্মালোচনা সভাৰে উলহ-মালহেৰে এই উৎসৱ পালন কৰে। কোনো কোনো গুৰুদ্বাৰত মূল পৰৱৰ কেইবাদিনো আগৰে পৰা গুৰু গ্ৰন্থসাহেৱ অখণ্ড পাঠৰে বিভিন্ন কাৰ্যসূচীৰে এই উৎসৱ পালন কৰাৰ পৰম্পৰা চলি আহিছে।

এই বৈশাখী উৎসৱৰ বাহিৰে দৰাচলতে অসমীয়া শিখসকলৰ সুকীয়া আন কোনো বসন্ত উৎসৱ নাই। বৃহত্তৰ অসমীয়া জাতিৰ বৰঘৰৰ এচুকত নতজানু হৈ বহি থকা অসমৰ এটি আনুবীক্ষণিক সম্প্ৰদায় অসমীয়া শিখসকলৰ বসন্ত উৎসৱ বুলি ক'লে সেয়ে অসমৰ আপামৰ জনসাধাৰণৰ উৎসৱ-পাৰ্বণসমূহকে আঙুলিয়াই দিব লাগিব।

মণিপুৰীসকলৰ বসন্ত উৎসৱ

খইদেম অমল সিংহ

সকলো সংস্কৃতিতেই উৎসৱসমূহ এক অপৰিহাৰ্য অংগৰূপে পৰিচিত হয়। সোঁৰৰণিৰ অতীতৰে পৰা উৎসৱবোৰ সকলো সমাজতে নীতি-নিয়ম অনুসৰি অথবা যিকোনো প্ৰকাৰে উদ্‌যাপন কৰা হয়। প্ৰতিবছৰে মণিপুৰী সমাজত বিভিন্ন উৎসৱ অনুষ্ঠিত হয়। প্ৰায় প্ৰত্যেক মাহত এটা বা দুটা উৎসৱ থাকেই। মণিপুৰীসকলৰ কাৰণে উৎসৱসমূহ সাংস্কৃতিক, সামাজিক আৰু ধৰ্মীয় আচৰণৰ প্ৰতিভূ হোৱাৰ উপৰিও এইবোৰৰ জৰিয়তে একঘেয়ামি আঁতৰায়, নতুনত্ব আহে, মানসিক সৃষ্টিশীলতা জাগ্ৰত হয় আৰু আৱেগিক সন্তুষ্টি পোৱা যায়। উৎসৱে জীৱনক শান্তি আৰু পৰিপূৰ্ণতা দিয়ে। মণিপুৰৰ উৎসৱসমূহক প্ৰধানকৈ দুটা ভাগত বিভক্ত কৰিব পাৰি, যেনে— পাৰম্পৰিক মণিপুৰী উৎসৱ আৰু হিন্দু ধৰ্মৰ উৎসৱ। অৱশ্যে বসন্ত কালত দুয়োবিধ উৎসৱেই পালন কৰা হয়। এনে প্ৰধান উৎসৱকেইটাৰ বিষয়ে তলত উল্লেখ কৰা হৈছে।

চাজিবু চেইৰাওবা (মেইতেই নতুন বছৰৰ দিন) ঃ মণিপুৰৰ প্ৰত্যেক মানুহৰ ঘৰতেই এই উৎসৱ উদ্‌যাপন কৰা হয়। এপ্ৰিলৰ (চাজিবু মাহৰ) প্ৰথম দিনত এই উৎসৱ হয়। চাজিবু আৰু চেইৰাওবাই দুটা অৰ্থ প্ৰকাশ কৰে। চাজিবুই প্ৰথম ঋতুক বুজায়। বছৰত ছটা ঋতু থাকে। চেইৰাওবাই বছৰৰ শেষ আৰু নতুন বছৰৰ আৰম্ভণিক বুজায়। পৰিয়ালবিলাকত এই উৎসৱ পালন কৰা হয় যাতে সুখ-শান্তি-সমৃদ্ধিৰে পৰিপূৰ্ণ হয়। এনে পাৰ্বণে শাৰীৰিক, মানসিক, আধ্যাত্মিক, সামাজিক আৰু আৱেগিক জীৱনক স্পৰ্শ কৰে। উৎসৱৰ কিছুদিন পূৰ্বেই সকলো ধৰণৰ প্ৰস্তুতি পালন কৰা হয়। ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰা, আচবাব, পাকঘৰৰ বাচন-বৰ্তন পৰিষ্কাৰ কৰা, পিতৃ-মাতৃ, ভাই-ভনীৰ কাৰণে নতুন কাপোৰ কিনা ইত্যাদি সম্পূৰ্ণ কৰা হয়।

উৎসৱ ৰাতিপুৱাই আৰম্ভ হয়। গৃহিণীসকলে নিজ নিজ ঘৰত 'আথেলপট' তৈয়াৰ কৰে। সুন্দৰ চাউলৰ ভাত ৰান্ধে, বিভিন্ন শাক-পাচলিৰে তৰকাৰী ৰান্ধে, ফল-মূল আৰু ফুল গোটায়। এইখিনি ঘৰৰ দক্ষিণ-পশ্চিম কোণ আৰু উত্তৰ-মধ্য স্থানত স্থাপন কৰা বেদীত ক্ৰমান্বয়ে 'লাইনিংথাও চানামাহী' আৰু 'লেইমাৰেল ইমা চিদাবী'ৰ নামত অৰ্পণ কৰা হয়। ঘৰৰ সকলোৱে প্ৰাৰ্থনা কৰাৰ পিছত এই উপকৰণখিনিৰে বিভিন্ন প্ৰকাৰৰ খাদ্য প্ৰস্তুত কৰা হয়। ৰন্ধাৰ পিছত ঘৃৰণীয়াকৈ কটা কলপাতত প্ৰথমতে আখলৰ ওচৰত 'ইমইনু ইমা'ক (পাৰম্পৰিক মণিপুৰী গোসাঁনী) দিয়া হয়।

একে ধৰণৰ খাদ্য পদুলিৰ ওচৰত 'হনু-কাকচাও' আৰু 'হনু লেইখাম'ৰ নামৰ দেৱদূতক অৰ্পণ কৰা হয় আৰু প্ৰাৰ্থনা কৰা হয় যাতে ঘৰৰ শান্তি বিঘ্ন নহয় আৰু দুখ-যন্ত্ৰণাৰ পৰা বছৰটোলৈ পৰিয়ালটোৱে নিবৃত্তি পায়। ইয়াৰ পিছত পৰিয়ালৰ সকলোৱে একগোট হৈ আনন্দেৰে খাদ্য গ্ৰহণ কৰে। ওচৰ-চুবুৰীয়াসকলৰ মাজত বিভিন্ন স্বাদৰ খাদ্যৰ আদান-প্ৰদান হয়। প্ৰত্যেক পৰিয়ালে নিজৰ ভাল লগা খাদ্য উপভোগ কৰে। গধূলি পুৰুষ-মহিলা, ডেকা-গাভৰু, বৃদ্ধ-বৃদ্ধা, ল'ৰা-ছোৱালী সকলোৱে ওচৰত থকা পাহাৰ বগাই গৈ তাত থকা দেৱ-দেৱীক পূজা-অৰ্চনা কৰে। শিৱ-দুৰ্গা, পানথৈবী আদিকো পূজা কৰে। ডেকাসকলে বিশেষকৈ নতুনকৈ বিবাহিত হোৱা মহিলাসকলে গধূলি নিজৰ পিতৃ-মাতৃৰ গৃহলৈ গৈ সকলোকে নতুন বস্ত্ৰ দি তেওঁলোকৰ আশীৰ্বাদ বিচাৰে। জ্যেষ্ঠজনক মৰম-স্নেহ আৰু সন্মান জনোৱা এই উৎসৱে প্ৰেম আৰু ঐক্যৰ সাক্ষ্য বহন কৰিছে।

চাজিবু চেইৰাওবাৰ বৈশিষ্ট্য ঃ চাজিবু মাহৰ (এপ্ৰিল) প্ৰথম দিনটোত ভগৱান 'চিদাবা লাইনিংথাও চানামাহী (চিৰসনাতন) ঘৰৰ দক্ষিণ-পশ্চিম কোণত বিৰাজিত হৈ, ভক্তসকলৰ পৰা অৰ্পিত নৈৱেদ্য গ্ৰহণ কৰিবলৈ ৰৈ থাকে বুলি বিশ্বাস কৰা হয়। এই দিনটো অতি পৱিত্ৰ আৰু বিৰল বুলি ধাৰণা কৰা ভক্তসকলে বিভিন্ন শাক-পাচলি, ফুল-ফল আদি 'লাইনিংথাও' চানামাহী'ক সাতটা 'ইয়েকচালাই' (গৰিষ্ঠ)ৰ লোকসকলে 'চানামাহী', লাইমেৰেন ইমা আৰু 'ইমইনু ইমা' আৰু অন্যান্য দেৱ-দেৱীক নতুন বছৰৰ সুখ-সমৃদ্ধিৰ কাৰণে পূজা-অৰ্চনা কৰি কৃপা বিচাৰে। প্ৰত্যেক পৰিয়ালেই ভোজৰ আয়োজন কৰি ওচৰ-চুবুৰীয়াৰ সৈতে খাই আনন্দ উপভোগ কৰে। ইয়াৰ আগৰ মাহ 'লামদা' (মাৰ্চ)ত ছটিওৱা শস্যৰ গজালি ওলায় আৰু প্ৰাকৃতিক ৰূপ আৰু ৰহণে সৌন্দৰ্য বৃদ্ধি কৰে। তুলনাত্মকৰূপে নৱিধ যেনে, মানুহ, জীৱ-জন্তু, মাছ, পোক-পটংগ, মহ, গছ-লতিকা, বাঁহ, নানাবিধ শস্য-উৰহী, মটৰ ইত্যাদি আৰু অন্যান্য জোপোহা বন আদিয়ে গজালি মেলি হৰিণাৰ শিঙৰ দৰে হয়। ঈশ্বৰে সৃষ্টি কৰা 'চাজি' (হৰিণা)য়ো শিং সলায়। এইবোৰ কাৰণতেই 'চাজিবু' মাহৰ প্ৰথম দিনটোত মানুহে উলহ-মালহ কৰে। প্ৰকৃতিয়েও সুন্দৰ বতৰ আৰু প্ৰাচুৰ্যৰে সহযোগ কৰে।

হোলী উৎসৱ (য়াওচাং) ঃ

ৰঙৰ উৎসৱ ঃ পূৰ্বতে পৰম্পৰা মানি চলা মণিপুৰীসকলে হোলী উৎসৱক 'লয়পান' বুলি কৈছিল। খ্ৰীঃ পূঃ ৭০০০ বছৰৰ আগৰে পৰা সৃষ্টিকৰ্তা দেৱ-দেৱীসকলে উদ্‌যাপন কৰি অহা এই উৎসৱ সময়ৰ সোঁতত হিন্দু উৎসৱ হোলীৰ সৈতে মিলি গ'ল। সেই সময়ত অৰ্থাৎ ১৭০৯ চনত গৰিব নাৱাজ মহাৰাজৰ ৰাজত্ব চলি আছিল আৰু সেই উৎসৱ 'য়াওচাং' নামে জনাজাত হৈছিল। মণিপুৰৰ সৰহভাগ উৎসৱ

প্ৰকৃতি আৰু আধ্যাত্মিক দিশৰ সৈতে জড়িত হৈ আছে। মেইতেইসকলে পালন কৰা এই উৎসৱ শ্ৰীকৃষ্ণ আৰু চৈতন্য মহাপ্ৰভুৰ জন্মদিনৰ সৈতে সাঙোৰ খাই আছে। লামদা পূৰ্ণিমা (March)ত চৈতন্য মহাপ্ৰভুৰ জন্মদিনত আৰম্ভ হৈ পাঁচ দিনলৈ এই উৎসৱ চলে। পৰম্পৰাগতভাৱে এই উৎসৱত এক গভীৰ বৈশিষ্ট্য আৰু আধ্যাত্মিক অৰ্থ নিহিত হৈ আছে। লামদা হৈছে বছৰটোৰ প্ৰথম মাহ যিহেতু সকলো প্ৰকাৰৰ শস্য, শাক-পাচলি আদিৰ পৃথিৱীত গজালি ওলায়। সেইকাৰণে লামদা সকলো মাহৰ ভিতৰত প্ৰধান মাহ। ফুল ফুলে, ফলত ৰং ওলায়। এনে পটভূমিত মানুহৰ মন কোমল, মৰমিয়াল আৰু ভগৱৎ প্ৰেমত উথলি উঠে। সেইকাৰণে পৰমস্ৰষ্টা (আতিয় গুৰু চিদাবা)ক ধন্যবাদ জনাই প্ৰাৰ্থনা কৰে। সৃষ্টিসম্পৰ্কীয় এই সংগীতক মেইতেইসকলে 'আউগুৰি' বোলে। নতুন সাজ-পোছাক পিন্ধা এই লোকসকলৰ মুখমণ্ডল আনন্দত উদ্ভাসিত হয়; বসন্ত কালৰ বতৰেও উজ্জ্বলতা দিয়ে। ৰিব্ ৰিব্ বতাহে মানুহক স্পৰ্শ কৰি সতেজ-সবল কৰে। বাঁহ গছৰ লিহিৰি পাতত বতাহৰ স্পৰ্শ লাগে। ডেকা-গাভৰুৰ মন উদ্বাউল হৈ উঠে (বসন্ত-মাৰ্চ)। সৰু সৰু গছবোৰ জাতিষ্কাৰ হয়। চৰাই-চিৰিকটিয়ে গছৰ ডালত বাহ সাজিবলৈ লয়। ফলবোৰ পকিবলৈ ধৰে। এই মাহতেই 'লেইপাক্-লেই' নামৰ ধুনীয়া ফুলবোৰ বেঙুনীয়া ৰঙেৰে সুশোভিত হৈ কঠিন মাটিৰ বুকু ফালি ওলাই আহি পৃথিৱী শুৱনি কৰে। এনে সুন্দৰ পৰিৱেশতেই হোলী উৎসৱ পাঁচ দিনজুৰি মণিপুৰী সমাজত উদ্‌যাপিত হয়। সেই সময়তেই লামদা মাহত 'চৰৈখাংবা' নামৰ এটা পাৰম্পৰিক উৎসৱ পালন কৰা হয়। তিনি ফালৰ পৰা আহি তিনিটা বাট যোৱা লগা ঠাইত বয়োজ্যেষ্ঠ মহিলাসকলে এই মাহৰ প্ৰথম আৰু দ্বিতীয় শনিবাৰত ৰাতিপুৱাৰ সূৰ্য উঠাৰ সময়ত প্ৰাৰ্থনা কৰি নৰন্ধা চাউল আৰু বিভিন্ন শাক-পাচলি, জলকীয়া, নিমখ আৰু খুচুৰা পইচা দি ভূত-প্ৰেতক পূজা কৰে যাতে মানুহে অনিষ্টকাৰী আৰু দুৰ্দশাৰ পৰা পৰিত্ৰাণ পায়। মহিলাসকলে উৎকৃষ্ট চাউলেৰে ভাত-তৰকাৰী ৰান্ধি 'চানামাহী' আৰু 'লেইমেৰেল ইমা চিদাবী'ক অৰ্পণ কৰে। ইয়াক 'সিধা থিনবা' বোলে। এটা বিশ্বাস আছে যে সকলো ঠাইতে থকা দেৱ-দেৱীসকলে এডোখৰ ঠাই বাছি লৈ মানুহক কেন্দ্ৰ কৰি নতুন বছৰৰ বিষয়বোৰ আলোচনা কৰে আৰু সেই বছৰত কাৰ মৃত্যু হ'ব তাকো বিচাৰ কৰি চায়। এনে আলোচনা 'লাইখুন্দিনাবা' নামে জনাজাত আৰু তাত প্ৰত্যেক ঘৰৰ গৃহদেৱতাই অংশগ্ৰহণ কৰে। সেইকাৰণে সকলোৱে 'চানামাহী'ক পূজা-অৰ্চনা কৰে যাতে বছৰটো সুকলমে অতিক্ৰম হয় আৰু পৰিয়ালৰ সকলোকে জৰা-মৃত্যুৰ পৰা ৰক্ষা কৰে। প্ৰথম আৰু দ্বিতীয় শনিবাৰৰ এই পূজা মেইতেইসকলৰ কাৰণে সেয়ে অপৰিহাৰ্য।

মন কৰিবলগীয়া কথা এয়ে যে বসন্ত উৎসৱ আৰু বৈষ্ণৱপন্থীসকলে পৰম্পৰাগতভাৱে পালন কৰা হোলী উৎসৱ একে সময়তে হয় আৰু মণিপুৰী সমাজৰ সকলোৱে উপভোগ কৰে। হোলী উৎসৱত প্ৰত্যেক চুবাতে খেৰৰ অস্থায়ী মন্দিৰ এটা স্থাপন কৰি তাত চৈতন্য মহাপ্ৰভুৰ মূৰ্তি প্ৰতিষ্ঠা কৰা হয়। ফল-মূল, ফুল, পতাকা, মিঠাই আদিৰে নৈৱেদ্য দি স্থানীয় লোকে সংকীৰ্তন কৰে। প্ৰাৰ্থনা শেষ হোৱাৰ পিছত সেই অস্থায়ী মন্দিৰবোৰ জুই লগাই পুৰি পেলোৱা হয়। ডেকা-বুঢ়া, ল'ৰা-ছোৱালী নিৰ্বিশেষে সকলোৱে মন্দিৰ জ্বলোৱা কাৰ্য উপভোগ কৰে। তাৰ পিছত সৰু সৰু ল'ৰা-ছোৱালীবোৰে ঘৰে ঘৰে গৈ পইচা খুজি আনে। ইয়াকে 'নাকাথেংবা' বোলে। পিছদিনা ৰাতিপুৱালৈকে এই কাৰ্য চলে য'ত পথচাৰীৰ পৰাও চান্দা সংগ্ৰহ কৰে। সাধাৰণতে সৰু ল'ৰা-ছোৱালীৰ লগত কোনো কোনো ডাঙৰ ছোৱালীয়েও অংশগ্ৰহণ কৰে।

আনহাতে পুৰুষ আৰু মহিলাই 'হোলী পলাচ' (দল) গঠন কৰে। সাধাৰণতে একে ঠাইৰ মানুহে গোট খাই এনে দল গঠন কৰে। তেওঁলোকে ঘৰে ঘৰে গৈ চোতালত 'হৰি সংকীৰ্তন' গায়। গৃহস্থই নিজৰ মৰ্যাদা ৰক্ষা কৰি আৰু সংকীৰ্তনকাৰীসকলৰ সন্মান ৰক্ষা কৰি যথেষ্ট পৰিমাণে দান দিয়ে।

প্ৰত্যেক চুবাতে নিশা ছোৱালীবিলাকে 'থাবল চোংবা' (ঘূৰণীয়াকৈ নচা লোকনৃত্য) ভ্ৰাতৃসকলৰ সহায়ত অনুষ্ঠিত কৰে। তাত পৰিৱেশন কৰা গীতসমূহ পৃথিৱীৰ সৃষ্টিসম্পৰ্কীয় আৰু অতীতৰ বিখ্যাত লোকে ৰচনা কৰা। কিন্তু বৰ্তমান বহুত পৰিৱৰ্তন হ'ল। এতিয়া গান গোৱা নহয়। তাৰ পৰিৱৰ্তে ডাঙৰ বেণ্ডপাৰ্টী বজোৱা হয় আৰু বহুতো লাইট জ্বলোৱা হয়। প্ৰায় যোৱা ৩০-৪০ বছৰৰ পৰা এই উৎসৱত পৰিৱৰ্তন হোৱা পৰিলক্ষিত হৈছে। কাৰণ সকলোৱে লগ হৈ 'য়াওচাং স্পৰ্ট' অনুষ্ঠিত কৰে বিশেষকৈ উপত্যকাৰ প্ৰত্যেক অঞ্চলতে এনে খেলৰ আয়োজন কৰা হয়। ল'ৰা-ছোৱালীসকলে পইচা বিচাৰি ফুৰাতকৈ খেল-ধেমালিত ব্যস্ত হৈ পৰে কাৰণে এতিয়া আৰু ঘৰে ঘৰে গৈ বা পথচাৰীক হাৰাশাস্তি নকৰে। আধুনিক সময়ত এইটো এটা উল্লেখযোগ্য সামাজিক পৰিৱৰ্তন। কিন্তু এতিয়াও বয়োজ্যেষ্ঠ 'হোলী পালচ'ৰ দ্বাৰা দিনত পৰিৱেশিত 'হৰি সংকীৰ্তন' আৰু নিশা ল'ৰা-ছোৱালীৰ দ্বাৰা অনুষ্ঠিত 'থাবল চাংবা' অতি জনপ্ৰিয় আৰু ৰাইজে এইকেইটাত উৎসাহিত কৰে। পাঁচ দিনত পালন কৰা এই উৎসৱৰ দ্বিতীয় দিনটো অতি আনন্দদায়ক আৰু মনোমুগ্ধকৰ। সেইদিনা ওচৰ আৰু দূৰ-দূৰণিৰ পৰা অসংখ্য 'হৰিপালচ' আহি ৰাতিপুৱাৰ পৰা নিশালৈকে সংকীৰ্তন কৰি গোবিন্দজীৰ মন্দিৰত ৰাধা-গোবিন্দক সেৱা অৰ্চনা কৰে। ধুনীয়া ধুনীয়া পতাকাবিলাকত 'হৰিপালচ'ৰ নাম, ঠাইৰ নাম লিখা থাকে। ৰঙীন

পেঁপা বজায়। গোবিন্দজীৰ মণ্ডপৰ মাজভাগত চলা এই সংকীৰ্তন এটা চাবলগীয়া আৰু বাছকবনীয়া দৃশ্য হৈ পৰে। হোলী উৎসৱ দৰ্শন কৰিবলৈ অহা লোকসকল আনন্দত বিভোৰ হয়, নিজকে পাহৰি যায় আৰু হোলীৰ ৰঙে সকলোকে ৰঙাই যায়। একে দৃশ্যৰ শেষৰ দিনা অৰ্থাৎ পঞ্চম দিনাও 'হৰিপালচ'সকলে ইম্ফলৰ ছাগলবান্ধত শ্ৰীগোবিন্দজীৰ মণ্ডপত পুনৰাবৃত্তি কৰে। আনহাতে যুৱক-যুৱতীসকলে দ্বিতীয় আৰু পঞ্চম দিনত ফাকু খেলি আনন্দ উপভোগ কৰে। হোলীৰ কেইদিনমানৰ পিছত আন এটি প্ৰাৰ্থনা আৰু উৎসৱৰ দিন পালন কৰা হয়। 'লামদা' মাহত অনুষ্ঠিত এই উৎসৱ 'বাৰুণি চিংকাবা' অথবা 'নংমাইচিংকাবা' নামে ইম্ফল উপত্যকাৰ পূব দিশত জনাজাত। নংমাইচিং পাহাৰলৈ গৈ মণিপুৰীসকলে 'নংপোক নিংথাও' আৰু পানথৈবী অথবা শিৱ মহাদেৱক প্ৰাৰ্থনা জনায়। নংমাইচিং পাহাৰৰ পদপৃষ্ঠত দক্ষিণৰ পৰা উত্তৰলৈ এখন সৰু নদী বৈ গৈছে আৰু সেই নদীটো 'চিংগয় টুৰেল' নামে জনাজাত। প্ৰচলিত বিশ্বাস আছে যে সেই নদীত স্নান কৰিলে ৰোগ নিৰ্মূল হয়। সেই বাবে মানুহ তালৈ গৈ নদীত স্নান কৰি, পাহাৰ বগাই গৈ দেৱ-দেৱীক পূজা-অৰ্চনা কৰে।

বসন্ত ৰাস ঃ বসন্ত ৰাস উৎসৱ হৈছে ভগৱান শ্ৰীকৃষ্ণৰ শ্ৰীমতীৰাধিকা আৰু অন্যান্য গোপীসকলৰ সৈতে অনুষ্ঠিত হোৱা বৃন্দাবনৰ এক নৃত্য উৎসৱ, যিটো বসন্ত কালত হয়। এয়া হৈছে এখন নৃত্য-নাটিকা (লীলা) য'ত শ্ৰীকৃষ্ণ ভগৱানৰ স্বৰ্গীয় প্ৰেমৰ বিষয়ে অংকিত কৰা হয় আৰু এই অনুষ্ঠান বৈষ্ণৱপন্থী মণিপুৰী লোকৰ সৈতে নিৰৱচ্ছিন্নভাৱে জড়িত। এই উৎসৱত ভক্তিযোগৰ বৈশিষ্ট্য বিদ্যমান আৰু এই অনুষ্ঠানে শ্ৰীমতী ৰাধিকা আৰু অন্যান্য গোপীৰ শ্ৰীকৃষ্ণৰ প্ৰতি প্ৰেমৰ নিদৰ্শন দাঙি ধৰে। সমগ্ৰ পৃথিৱীতে নৃত্য-গীতপ্ৰেমীসকলৰ মাজত এই নৃত্য উৎসৱ মণিপুৰী শাস্ত্ৰীয় নৃত্যৰূপে বিখ্যাত।

কাঞ্চিপুৰৰ ৰাসমণ্ডলত পোনপ্ৰথমবাৰৰ কাৰণে মণিপুৰৰ ৰজা শ্ৰীভাগ্যচন্দ্ৰ মহাৰাজে ৰাসলীলা উৎসৱৰ শুভ আৰম্ভণি কৰে। সেই সময়ত কাঞ্চিপুৰ মণিপুৰৰ ৰাজধানী আছিল। মন্দিৰৰ বিগ্ৰহো মহাৰাজেই প্ৰতিষ্ঠিত কৰিছিল। বিগ্ৰহৰ সন্মুখত নিশা এই অনুষ্ঠান শ্ৰীগোবিন্দজীৰ মণ্ডপত চলিছিল। অন্যান্য মন্দিৰতো অনুষ্ঠিত হৈছিল আৰু সকলোৱে গভীৰ ভক্তিভাবেৰে এই ৰাসলীলা প্ৰত্যক্ষ কৰিছিল। সমগ্ৰ নিশাজুৰি অনুষ্ঠিত হোৱা নৃত্য-নাটিকাত অকলে, দুগৰাকীয়ে আৰু শেষত এটা দলে প্ৰদৰ্শন কৰা নৃত্যৰ দ্বাৰা অনুষ্ঠান চলিছিল। নেপথ্যত সূত্ৰধাৰী নামে জনাজাত মহিলা গায়িকা আৰু ৰাসলীলা সম্পৰ্কে নিপুণ গায়কে ইয়াত অংশগ্ৰহণ কৰিছিল। এই উৎসৱৰ একমাত্ৰ উদ্দেশ্য হৈছে বৃহৎ মণ্ডপৰ মাজত অনুষ্ঠিত শ্ৰীগোবিন্দজী আৰু শ্ৰীমতী ৰাধেশ্বৰীৰ সুশোভন বিগ্ৰহক প্ৰশংসা কৰা, যিটো মণ্ডপ মণিপুৰৰ মহাৰাজৰ

(কনুং মণ্ডপ) ৰাজপ্ৰাসাদৰ চৌহদত অৱস্থিত। বৃন্দাবনৰ নিকুঞ্জ বনৰ পৰম প্ৰকাশ হৈছে এই ৰাসলীলা উৎসৱ। মণিপুৰৰ পৰম্পৰাগত সাজ-পোছাক আৰু নৃত্যৰ লয়লাস প্ৰতিফলিত হোৱা এই নৃত্য-নাটিকা ১৮শ শতিকাত (১৭৭৯) ৰাজশ্ৰী ভাগ্যচন্দ্ৰ মহাৰাজে উদ্ভাৱন কৰিছিল। পোছাকৰ জাকজমকতাই ৰাসলীলা নৃত্যৰ সৌন্দৰ্য বৃদ্ধি কৰে। মণিপুৰত এই উৎসৱ 'জাগয় ৰাস' নামে জনাজাত।

এই নৃত্য-নাটিকা আৰম্ভ হয় পুৰুষ নটৰ দ্বাৰা পৰিৱেশিত 'নুপ-পালা'ৰে। ইয়াৰ দ্বাৰা ৰাসলীলালৈ ভগৱানক আহ্বান কৰা হয়। 'নুপ-পালা'ত (কৰতল চোলোম অথবা তাল নৃত্য) মণিপুৰী ভক্তিমূলক নৃত্য-গীত প্ৰকাশ পায় আৰু শ্ৰীগৌৰচন্দ্ৰ মহাপ্ৰভুক প্ৰাৰ্থনা কৰা হয়। উজ্জ্বল তাল ব্যৱহাৰ কৰা এই নৃত্য পুৰুষে প্ৰদৰ্শন কৰে। তেওঁলোকে শুভ্ৰ 'ফেইজুম' (ধুতী) আৰু পাগুৰি পৰিধান কৰে। তেওঁলোকে 'পুং' (মৃদংগ)ৰ তালে তালে গায় আৰু নৃত্য কৰে। পাঁচবিধ 'জাগয়-ৰাস' আছে। যেনে—

১। বসন্ত ৰাস
২। কুঞ্জ ৰাস
৩। মহাৰাস
৪। নিত্য ৰাস আৰু
৫। দিব্য ৰাস

এই ৰাস-নৃত্যসমূহ বছৰৰ বিভিন্ন সময়ত অনুষ্ঠিত হয়।

অসমৰ বসন্তকালীন কৃষি উৎসৱ ৰঙালী বিহু আৰু বাসন্তী পূজা

ড° সূৰ্য দাস

'ৰঙালী বিহু অসমীয়াৰ জাতীয় উৎসৱ, বাপতিসাহোন'— কৈছিল ৰজনীকান্ত বৰদলৈয়ে। চ'তৰ সংক্ৰান্তি বা দোমাহীৰ দিনাৰে পৰা ব'হাগৰ বিহু বা ৰঙালী বিহুৰ আৰম্ভণি কৰি ব'হাগৰ ছদিনলৈ বিহু পালি, সেইদিনাই সাত বিহু উদ্‌যাপন কৰি বিহু উৰুৱাই দিয়া হয়। বিহু উৎসৱটি প্ৰকৃততে গোটেই মানৱ সমাজৰে কৃষি সভ্যতাৰ উৎসৱৰ প্ৰতীক। বহুতো দেশ আৰু বহু যুগত এই উৎসৱেই ভিন ভিন ৰূপ ধাৰণ কৰিছে। আমাৰ দেশৰ বিভিন্ন ৰাজ্যত এই ধৰণৰ উৎসৱ আছে। অসমত পালন কৰা ৰঙালী বিহু বা ব'হাগৰ বিহু হ'ল পথাৰৰ উৰ্বৰতা বৃদ্ধি কৰি উৎপাদন বৃদ্ধিৰ কামনাৰে অনুষ্ঠিত কৰা কৃষি উৎসৱ। চ'ত-ব'হাগ এই দুমাহ কাল হ'ল আহু ধানৰ আৰু বাও ধানৰ খেতি কৰাৰ সময়। এই খেতিত শুকান মাটি চহাই তাত ধানৰ বীজ সিঁচি দিয়া হয়। ব'হাগৰ প্ৰথম বৰষুণত এই ধান গজি আহে। ধান খেতিৰ বুৰঞ্জীত শালি খেতিতকৈ আহু খেতিহে আগ। দেখাতেই এক অনুন্নত কৃষি পদ্ধতি। মানুহে খেতি কৰিবলৈ আৰম্ভ কৰাৰ আদিম যুগত বসন্ত কালতে নাঙলৰ আৱিষ্কাৰ হোৱাৰ আগতে অনুন্নত সঁজুলিৰে মাটি চহাই বীজ সিঁচি ধান খেতি কৰিছিল। উন্নত লোহাৰ ফালযুক্ত নাঙল আৰু গৰু-ঘোঁৰা, ম'হেৰে হাল বাই, বাৰিষা বোকা কৰি, আলি বান্ধি পানী ৰাখি শালি খেতি কৰাৰ কৌশল তেতিয়াও আয়ত্ত কৰিব পৰা নাছিল। সাৰ ব্যৱহাৰ কৰি উৎপাদন বৃদ্ধি কৰাৰ কৌশল তেতিয়াও মানুহে জনা নাছিল। গতিকে মানুহে উৎপাদন বৃদ্ধিৰ বাবে সেই সময়ত মেজিক বা ইন্দ্ৰজাল বৃদ্ধিৰ সহায় লৈছিল। ৰঙালী বিহুকে ধৰি বাকী দুটা বিহুৰ লগতো জড়িত বিভিন্ন আচাৰ-অনুষ্ঠান আৰু নাচ-গান মেজিকৰ বাহিৰে আন একো নহয়। বৈদিক যুগৰ যজ্ঞানুষ্ঠানসমূহো অন্নৰ বাবে কৰা উপাসনা আৰু মেজিকৰ বাহিৰে আন একো নহয়।

আমাৰ বিহু তিনিটা যদিও ৰঙালী বিহুৰ আনন্দ-উল্লাস, নাচ-গান পাৰ ভাঙি যোৱা, বাকী দুটা বিহুৰ তুলনাত বহুত বেছি। এই সময়ছোৱাত প্ৰকৃতিক ন ন ৰূপত সজ্জিত হোৱা দেখি মানুহৰ মনত নতুনত্বৰ উন্মাদনা জাগে। নতুন বৰষুণৰ পানী পাই পৃথিৱী শস্যসম্ভৱা হয়, ন-পানী পাই মাছৰ উজান আহে; প্ৰজননৰ বাবে, নতুন সৃষ্টিৰ বাবে প্ৰাণী আৰু উদ্ভিদ সকলো মতলীয়া হৈ পৰে, ডেকা-গাভৰুৰ মন নতুন সৃষ্টিৰ

কামনাৰে ৰঙীন হৈ পৰে। সেই কাৰণে প্ৰজননৰ ইংগিতসূচক নৃত্য-গীতেৰে নিজৰ লগতে পৃথিৱীকো উত্তেজিত কৰি অধিক শস্যসম্ভৱা কৰি তুলিবলৈ বিচাৰে। সেয়ে ৰঙালী বিহু বা ব'হাগৰ লগত জড়িত নৃত্য-গীত মেজিক বা মন্ত্ৰমূলক। শস্য বৃদ্ধি আৰু জনবৃদ্ধিৰ লগত ইয়াৰ নিবিড় সম্পৰ্ক। সেই কাৰণে পুৰণি কালৰ অসমত, এতিয়াৰ পৰা ১০০ বছৰমান আগলৈকে ডেকা-গাভৰুৱে পথাৰতহে বিহুৰ নৃত্য-গীতৰ আয়োজন কৰিছিল। বিহুৰ নৃত্য আৰু গীতসমূহত যৌনতাৰ প্ৰকাশ দেখিবলৈ পোৱা যায়। এনেদৰে কৃষিভূমিত নাচ-গান কৰিলে পথাৰত শস্যৰ উৎপাদন বাঢ়ে বুলি বিশ্বাস কৰিছিল; কাৰণ ইয়াৰ বিকল্প সাৰ প্ৰয়োগ কৰি শস্যৰ উৎপাদন বৃদ্ধি কৰাৰ কৌশল পুৰণি কালৰ মানুহে নাজানিছিল। সেই কাৰণে বিহুৰ নৃত্য-গীতত যৌনতাৰ প্ৰকাশ হয়, ভদ্ৰলোকসকলে অশালীন বুলি 'ইতৰ লোকৰ উৎসৱ' বুলি নাক কোঁচালেও খেতিয়কসকলৰ বাবে সেয়া কোনো গুৰুত্ব দিবলগীয়া কথা নহয়। শইচৰ উৎপাদন বৃদ্ধি আৰু বংশবৃদ্ধিৰ উৎকট কামনাসমৃদ্ধ এই গীত-নাচসমূহে বহুসময়ত শালীনতাৰ সীমা পাৰ হৈ যায়। তেনে কেইবিধমান গীত হ'ল মংগলদৈৰ নাঙেলী গীত, ডিমৰীয়াৰ লালিলাং বা কেঁচা বিহুগীত আৰু শিৱসাগৰৰ অঘাইতং গীত। লোকালয়ৰ পৰা বহু দূৰৰ নিৰ্জন কৃষিভূমি, চৰণীয়া পথাৰ, পাহাৰ আৰু গৰু, ম'হ চৰাবলৈ যাওঁতে এই গীতসমূহ গোৱা হয়। শালীনতাৰ সীমা চেৰাই নোযোৱা অথচ তীব্ৰ যৌনতাৰ প্ৰকাশক তেনে দুফাঁকি গীত ইয়াত উদ্ধৃত কৰিছো।

(১)

আমনি ধানকে দাবলৈ গৈছিলো
বাউলী বতাহে পালে।
কাচি দলি মাৰি হাবিতে সোমালো
ওঁঠতে বৰলে খালে।।

(২)

লুইতৰে বালি বগী ঢকে ঢকি
কাছই কণী পাৰে লেখি।
গাত জুই জ্বলিছে সৰিয়হ ফুটিছে
ধনক পানী ঘাটত দেখি।।

মানুহৰ চিৰন্তন প্ৰবৃত্তি বা কামনা হ'ল জীয়াই থকাৰ তাড়না আৰু বংশবৃদ্ধিৰ কামনা। জীৱনধাৰণৰ বাবে খাদ্যৰ প্ৰয়োজন, খাদ্য শস্যৰ উৎপাদন বৃদ্ধিৰ বাবে প্ৰয়োজন জনবলৰ। বিহুৰ নৃত্য-গীতত এই জনবৃদ্ধিৰ কামনা আৰু শস্যৰ উৎপাদন

বৃদ্ধিৰ কামনাই জড়িত হৈ আছে। আমাৰ অসমৰ খেতিয়কসকলৰ দৰে পৃথিৱীৰ বহুতো দেশতেই ভাল খেতিৰ কামনা কৰি ডেকা-গাভৰুৱে মিলি পথাৰত নাচিছিল।

জৰ্জিয়াত মে' মাহৰ ২৩ তাৰিখৰ দিনা চেণ্টজন দিৱসত এনে উৎসৱৰ আয়োজন কৰা হয়। সেইদিনা প্ৰথমতে পুৰোহিতজনে খেতি পথাৰলৈ গৈ খেতিৰ শ্ৰীবৃদ্ধিৰ কামনা কৰি মন্ত্ৰ গাই আহে। পিছত ডেকা-গাভৰুসকলে যোৰে যোৰে গৈ খেতি পথাৰত বাগৰি পৰি লেটি ল'বলৈ ধৰে। পুৰণি কালত তেওঁলোকে ভাবিছিল যে তেনে কৰিলে খেতি পথাৰৰ উৎপাদন শক্তি বাঢ়ে। পুৰণি কালৰ মানুহে মন কৰি দেখিবলৈ পাইছিল যে খেতি পথাৰত নাচ-গান কৰিলে শইচৰ গুটি বেছিকৈ লাগে। উৎপাদন বাঢ়ে। এই কথা কৃষি বিজ্ঞানী আৰু উদ্ভিদ বিজ্ঞানীসকলে গৱেষণাগাৰত পৰীক্ষা কৰি প্ৰমাণ কৰি দেখুৱাইছে।

খেতি-বাতি সুকলমে চলিবলৈ হ'লে পানীৰ প্ৰয়োজন, বৰষুণৰ প্ৰয়োজন। ব'হাগৰ পৰা নৱবৰ্ষ আৰম্ভ হোৱাৰ লগে লগে বছৰৰ প্ৰথম বৰষুণ ব'হাগৰ পৰাই আৰম্ভ হয়। আৰম্ভ হয় বাৰিষাৰ খেতিৰ বতৰ। বৰষুণ নোহোৱাকৈ থাকিলে অসমৰ মানুহে ভেকুলী বিয়া পাতে, ঢেঁকী চুৰ কৰে। কৃষিৰ উৎপাদন বৃদ্ধি আৰু কৃষিৰ বাবে বৰষুণৰ কামনা কৰি কৃষিজীৱী মানুহে নাচিছিল, গান গাইছিল আৰু ইয়াৰ লগত নানান বাদ্যযন্ত্ৰ সংগত কৰিছিল। বিহুৰ নাচ-গানৰ লগত বজোৱা ঢোল-পেঁপা, টকাৰ কিবা এক অদৃশ্য যাদুকৰী শক্তি থকা বুলি বিশ্বাস কৰিছিল। ঢোলৰ বোল বা ছেও বাৰিষাৰ মেঘৰ গাজনিৰ অনুৰূপ। পেঁপাৰ মাত আৰু সুৰ বৰষুণৰ ৰিমঝিমনি, টকাৰ শব্দ বজ্ৰপাতৰ শব্দৰ অনুৰূপ। অৰ্থাৎ ঢোল-পেঁপা-টকা যেন ব'হাগৰ মেঘৰ গাজনিৰ সৈতে বৰষুণৰ প্ৰতিৰূপ মাথোন। গতিকে দেখা গ'ল যে বিহু উৎসৱৰ প্ৰধান প্ৰতিপাদ্য বিষয় কৃষি আৰু ইয়াৰ আনুষংগিক সকলোবোৰ ক্ষেত্ৰৰে উৎপাদন বৃদ্ধিৰ কামনা। উৎপাদন বৃদ্ধিৰ বাবে প্ৰয়োজন জনবলৰ বৃদ্ধি। জনবল বৃদ্ধি হ'লেহে কৃষিৰ উৎপাদন বৃদ্ধি কৰিব পৰা যাব পথাৰৰ পৰিমাণ বঢ়াই। সেয়ে কোৱা হয়—

ছয় পো বাৰ নাতি
তেহে কৰিবা কুঁহিয়াৰ খেতি।

জনবল বৃদ্ধি হ'ব প্ৰজননৰ দ্বাৰা। ব'হাগৰ দেহ-মন উতলা কৰা প্ৰাকৃতিক পৰিৱেশত ডেকা-গাভৰুৰ মন প্ৰজননৰ তাড়নাই বিতত কৰি তোলে। বসন্ত কাল হ'ল প্ৰজননৰ সময়। জনবৃদ্ধি হ'ব ডেকা-গাভৰুৰ প্ৰেম আৰু দৈহিক মিলনৰ দ্বাৰা। জনবৃদ্ধি হ'লেই বৰ্ধিতজনৰ বাবে প্ৰয়োজন হ'ব অধিক খাদ্যৰ। এই অধিক খাদ্যৰ সৃষ্টি হ'ব কৃষিৰ দ্বাৰা, শ্ৰমৰ দ্বাৰা। সেয়ে যৌনতাৰ লগতে বিহুগীতত শ্ৰম আৰু প্ৰেম একাকাৰ হৈ আছে।

(১)

তুমি কৰি যাবা　　　　　বোৱনী-দাৱনী
ময়ে বাই যাম হাল।
তুমি বৈয়ে যাবা　　　　　ফুলামকৈ গামোচা
মইনো পাতি দিমে শাল।।

(২)

আলিটি কাটি যাওঁ　　　　　চেপাটি পাতি যাওঁ
মাগুৰ মাছ এহালি পাওঁ।
নিজেও নাখাওঁ মই　　　　　লোককো নিদিওঁ মই
চেনাইলৈ সামৰি থওঁ।।

ভূমিৰ উৰ্বৰতা বৃদ্ধি কৰি শস্যৰ উৎপাদন বৃদ্ধিৰ বাবে আয়োজন কৰা সকলোবোৰ উৎসৱ বা পূজা, শস্য সিঁচাৰ বতৰ বা ঋতু বসন্ত কালতেই আয়োজন কৰা হয়। তদুপৰি জাৰ-জহৰ আধিক্য নথকা, ৰ'দে-বৰষুণে আমনি নকৰা এই সময়ছোৱাই হ'ল উৎসৱ পালনৰো উত্তম হয়। অসমত এতিয়ালৈকে চলি অহা বাসন্তী পূজাই হ'ল বসন্ত কালত শস্যৰ অধিষ্ঠাত্ৰী দেৱী হিচাপে দেৱী পূজাৰ জ্বলন্ত প্ৰমাণ। এই সম্পৰ্কে কালিকা পুৰাণত দেৱীয়ে কৈছে—

'এষা ললিতগায়ত্ৰী দেৱ্যা ইষ্টে প্ৰকীৰ্ত্তিতা
লোহিতাঙ্গস্য দিৱসঃ প্ৰিয়োহস্য পৰিকীৰ্ত্তিতঃ।।
কালো বসন্ত কালশ্চ স্বৰশ্চাপি তু পঞ্চমঃ।।

—সকলো ঋতুৰ ভিতৰত বসন্ত ঋতু, সপ্তাহটোৰ সকলোকেইটা দিনৰ ভিতৰত মংগলবাৰ আৰু সপ্তস্বৰৰ ভিতৰত পঞ্চম স্বৰ মোৰ প্ৰিয়।'

দেশৰ অইন সকলো ঠাইৰ দৰে অসমতো অতি প্ৰাচীন কালৰে পৰা বাসন্তী দুৰ্গা পূজা কৰা হৈছিল। অসমৰ পুৰাণ কালিকা পুৰাণত অকাল বোধনৰ কথা থাকিলেও বুঢ়া ৰজা প্ৰতাপ সিংহই মৰঙিয়াল খনিকৰক কোচবিহাৰ ৰাজ্যলৈ পঠিয়াই দুৰ্গাৰ প্ৰতিমা সাজিবলৈ শিকাই আনি শৰৎ কালত মাটিৰ প্ৰতিমা গঢ়ি শাৰদীয় দুৰ্গা পূজাৰ প্ৰচলন কৰাৰ আগলৈকে অসমৰ সকলোবোৰ শক্তি উপাসনাস্থলীত বাসন্তী পূজাহে কৰা হৈছিল। অসমৰ বিভিন্ন স্থানত এতিয়াও উলহ-মালহেৰে বাসন্তী পূজা কৰা হয়; এই স্থানসমূহৰ ভিতৰত ধেমাজি জিলাৰ অসম-অৰুণাচল সীমান্তৰ লিকাবালিৰ মালিনী থান, কাজিৰঙাৰ বাসন্তী থানৰ পূজা, গুৱাহাটীৰ পদুমবড়ী বাসন্তী পূজাৰ থানৰ নাম ল'ব পাৰি।

বসন্ত কালত শস্যৰ অধিষ্ঠাত্ৰী দেৱী হিচাপে কৰা দুৰ্গা বা বাসন্তী দেৱীৰ পূজা অতি প্ৰাচীন। এই পৰম্পৰা আৰম্ভ হৈছে সিন্ধু সভ্যতাৰ যুগৰ পৰাই। হৰপ্পাত আৱিষ্কাৰ হোৱা এটি আচৰিত ধৰণৰ শিল-মোহৰৰ এপিঠিত উত্তানপাদ দেৱীমূৰ্তি আৰু এই দেৱীমূৰ্তিৰ গৰ্ভৰ পৰাই উদ্ভিদ উদ্ভৱ হোৱাৰ চিত্ৰ অংকিত হৈছে। কেৱল ইয়াতেই নহয়, অন্যান্য শিলতো দেৱীক উদ্ভিদ পৰিবৃতা বা উদ্ভিদ অধিষ্ঠিতা হিচাপে অংকিত কৰা হৈছে। দেৱীৰ মহিমা প্ৰকাশক, দুৰ্গা পূজাৰ সৰ্বদেশ সামৰি ৰচিত মাৰ্কণ্ডেয় পুৰাণ বা অন্যান্য দেৱী পুৰাণতো শক্তি সাধনাৰ বিশেষ অংগই হ'ল উদ্ভিদ অধিষ্ঠাত্ৰী বা শস্যদেৱীৰ উপাসনা। এই শস্য দেৱীৰ উপাসনাৰ সময় হ'ল বসন্ত কাল কাৰণ বসন্ত কালেই হ'ল খেতিৰ আৰম্ভণিৰ সময়। আনহাতে শৰৎ কাল হ'ল পূৰ্ণতাৰ কাল, পথাৰৰ শস্য, গছ-বিৰিখৰ সকলো ফল-মূল পৈণত হোৱাৰ সময়। ভাৰতীয় পুৰাণৰ কল্পনামতে এই সময়ত দেৱ-দেৱীসকল নিদ্ৰিত হৈ থাকে। সিন্ধু সভ্যতাৰ যুগত দেৱীৰ গৰ্ভৰ পৰা শস্য জন্ম হোৱাৰ কল্পনাক মূৰ্তি সাজি প্ৰকাশ কৰা কাৰ্যৰ প্ৰতিধ্বনি ঘটিল বহু শতিকাৰ পিছত ৰচিত হোৱা মাৰ্কণ্ডেয় পুৰাণত ঃ

ততঃ অহম্ অখিলং লোকম্ আত্মদেহ সমুদ্ভৱৈঃ।
ভৰিষ্যামি সুৰাঃশাকৈৰাবৃষ্টৈঃ প্ৰাণধাৰকৈঃ।।
শাকম্ভৰীতি বিখ্যাতিং তদ্য যাস্যামি অহং ভুবি।
তত্ৰৈৱ বধিষ্যামি দুৰ্গমাখ্যং মহাসুৰম্।।

—যিমান দিনলৈ পৃথিৱীত বৰষুণ নহ'ব, সিমান দিনলৈকেহে সুৰগণ, আত্মদেহ সমুদ্ভুত, প্ৰাণধাৰক শাকৰ সহায়ত মই সমগ্ৰ জগতৰ লোকক পোষণ কৰিম। সেই কাৰণে মই জগতত শাকম্ভৰী নামে বিখ্যাত হ'ম। তাৰ পিছত দুৰ্গম নামৰ অসুৰক বধ কৰি দুৰ্গা নামেৰে বিখ্যাত হ'ম। শাকম্ভৰী নামৰ অৰ্থ হ'ল শাকাদি উদ্ভিদ বা শস্য দেৱীৰ গৰ্ভজাত। পৃথিৱী বা বসুমতীৰ প্ৰতিৰূপ হ'ল দেৱী দুৰ্গা। যাৰ নাম শাকম্ভৰী তেৱেঁই দুৰ্গা।

অসমৰ সকলো মানুহে পালন কৰা ৰঙালী বিহুৰ দৰেই দুৰ্গা পূজাৰো মূল বিষয় হ'ল ভূমিৰ উৰ্বৰতা বৃদ্ধি কৰি শস্যৰ উৎপাদন বৃদ্ধি কৰা আৰু অধিক শস্য উৎপাদনৰ বাবে জনবৃদ্ধিৰ কামনা। এই উক্তিৰ প্ৰমাণস্বৰূপে দুৰ্গা পূজাৰ মূল নীতি-নিয়ম আৰু উপকৰণসমূহত চকু ফুৰাও আহক।

দশভূজা দুৰ্গাৰ প্ৰতিমা সাজি দুৰ্গা পূজা কৰাৰ যি পৰম্পৰাৰ প্ৰচলন হ'ল এই পূজাত প্ৰতিমাৰ পূজা কৰা নহয়, পূজা হয় ভদ্ৰকালীৰ, পূজা হয় পূৰ্ণঘটৰ, দেৱীক আহ্বান কৰা হয় যন্ত্ৰত আৰু ঘটত। ঘটৰ ওপৰত যি নৱপত্ৰিকা স্থাপন কৰা হয়, দুৰ্গা পূজাৰ মূল অনুষ্ঠান এই নৱপত্ৰিকাক কেন্দ্ৰ কৰিয়েই ঘটটি স্থাপন কৰিবৰ বাবে 'সৰ্বতো ভদ্ৰ মণ্ডল' নামে এটা মণ্ডল আঁকিব লাগে। এই মণ্ডলটি হ'ল নাৰীৰ

জননাংগৰ প্ৰতীক। মণ্ডলটোৰ ওপৰত পঞ্চপল্লৱ— আম, অশোক, বট, আঁহত আৰু ডিমৰু গছৰ পাত আৰু এটি কেঁচা নাৰিকলেৰে সৈতে উপৰিউক্ত পূৰ্ণঘট স্থাপন কৰা হয় আৰু পুৰোহিতে পূজাৰ সময়ত সেইবিলাক স্পৰ্শ কৰি কয়— 'হে শক্তিমতী বৃক্ষ, তুমি বাঢ়ি উঠা আৰু ফলৱতী হোৱা, বনস্পতি পাতক সেৱা কৰি অন্ন প্ৰসৱ কৰাহঁক।' তদুপৰি পূজাৰ বাবে যি পূৰ্ণঘট লাগে, সি নাৰীৰ গৰ্ভৰ প্ৰতীক। এই পূজাত গণিকালয়ৰ মাটি লাগে আৰু পুৰোহিতে ইয়াত যোনিমুদ্ৰা দেখুৱায়। ঘটৰ ওপৰত যি নৱপত্ৰিকা স্থাপন কৰা হয়, সেয়া পাঁচবিধ গছৰ নতুন পাত; ইয়াৰ উপৰি নৱপত্ৰিকা শব্দেৰে আৰু ন বিধ গছকো বুজোৱা হয়; এই ন বিধ গছৰ পূজা হ'ল বাসন্তী পূজাৰ আন এক মূল পূজা। এই ন বিধ গছ বা উদ্ভিদ হ'ল কলগছ, কচু, হৰিদ্ৰা বা হালধি, জয়ন্তী ফুল, বিল্ব বা বেল, ডাড়িম্ব বা ডালিম, অশোক ফুল (এই ফুল বসন্ত কালতহে পোৱা যায়), মানকচু আৰু ধান। এই সকলোবোৰ উদ্ভিদ বা ইয়াৰ শস্য ডাল-পাতেৰে সৈতে একেলগ কৰি এজোপা কলগছত পাত, কলফুল আৰু ফলসহ একেলগ কৰি বগা অপৰাজিতা ফুলৰ লতা মেৰিয়াই কলজোপাত বান্ধি, ডাল আৰু পাতসহ দুটি বেলো কলগছজোপাত বান্ধি ৰঙা পাৰিযুক্ত বগা শাড়ীৰে মেৰিয়াই ওৰণি লোৱা বোৱাৰীৰ দৰে সজাই সেন্দূৰ সানি দেৱী মূৰ্তিটোৰ সোঁফালে গণেশৰ মূৰ্তিটোৰ কাষত থিয় কৰাই দিয়া হয়। অসমৰ লোকসমাজত ইয়াক বুঢ়ী গোসাঁনী, বংগ দেশত কালা বৌ বা গণেশৰ পত্নী বুলি কোৱা হয়। এই নৱপত্ৰিকাক নৱ দুৰ্গা নামেৰে পূজা কৰা হয় আৰু প্ৰতিজোপা উদ্ভিদক এগৰাকী দেৱীৰ প্ৰতিৰূপ বুলি কোৱা হয়। এই ন গৰাকী দেৱী হ'ল ঃ কলগছ বা ৰম্ভাধিষ্ঠাত্ৰী দেৱী হ'ল কালিকা। হালধি বা হৰিদ্ৰাৰ অধিষ্ঠাত্ৰী দেৱী হ'ল উমা, জয়ন্তী ফুল বা জয়ন্তাধিষ্ঠাত্ৰী দেৱী কাৰ্ত্তিকী, বেল বা বিল্বাধিষ্ঠাত্ৰী দেৱী হ'ল শিৱা, ডালিম বা ডাড়িম্বাধিষ্ঠাত্ৰী দেৱী হ'ল ৰক্তদন্তিকা, অশোকাধিষ্ঠাত্ৰী দেৱী হ'ল শোকৰহিতা, মানকচু বা মানাধিষ্ঠাত্ৰী দেৱী হ'ল চামুণ্ডা, ধান বা ধান্যাধিষ্ঠাত্ৰী দেৱী হ'ল লক্ষ্মী।

এই ন বিধ উদ্ভিদক একেলগ কৰি নৱপত্ৰিকা নৱদুৰ্গা নামেৰে 'নৱপত্ৰিকা বাসিন্যৈ, নৱদুৰ্গায়ৈ নমঃ' মন্ত্ৰেৰে পূজা কৰা হয়। দেৱী পূজাত নৱপত্ৰিকা পূজাৰ গুৰুত্বলৈ লক্ষ্য কৰি দেৱী পূজা মূলতঃ বসন্ত কালত কৰা শস্যৰ উৎপাদন বৃদ্ধিৰ কামনাৰে কৰা পূজা বুলি পণ্ডিতসকলে নিৰ্ণয় কৰিছে। বাসন্তী পূজাৰ প্ৰাচীনত্ব আৰু পূজাৰ লগত জড়িত উদ্ভিদ আৰু শস্যসমূহে দুৰ্গা পূজাক বসন্ত কালত হোৱা বাসন্তী উৎসৱ বুলি প্ৰমাণ কৰিছে।

নেপালী সমাজত প্ৰচলিত বসন্ত উৎসৱৰ লোকগীত

ড° ক্ষেমৰাজ নেপাল

চেতনশীল আৰু ভাবপ্ৰৱণ জীৱ মানুহে নিজৰ প্ৰতিভা আৰু চৈতন্যশক্তিৰ বলত প্ৰকৃতি জগতৰ অন্যান্য জীৱতকৈ কলা-কুশলতাৰ উৎকৰ্ষ সাধন কৰি সভ্যতা আৰু সংস্কৃতিৰ পাতনি মেলি জীৱজগতত শ্ৰেষ্ঠ আসন দখল কৰি আহিছে। প্ৰকৃতি ৰাজ্যত হোৱা সূৰ্যোদয়-সূৰ্যাস্ত, ধুমুহা-বতাহ-বৰষুণ, বিজুলী-ঢেৰেকনি, নদী-পৰ্বত-সাগৰ, গুহা-গহ্বৰ, শিলাবৃষ্টি, আগ্নেয়গিৰি-ভূমিকম্প আদিৰ দৃশ্যৰাজিয়ে কেতিয়াবা মানুহৰ মনত অপাৰ আনন্দ সৃষ্টি কৰাৰ বিপৰীতে কেতিয়াবা ভয় আৰু সন্ত্ৰাসৰ সৃষ্টি কৰাটো তেনেই স্বাভাৱিক আছিল। জন্ম-মৃত্যু, মিলন-বিচ্ছেদ আদিৰ হৰ্ষ-বিষাদৰ মুহূৰ্তবোৰত মানৱ-মস্তিষ্কত হোৱা সুখ-দুখৰ ভাব-উচ্ছ্বাসৰ প্ৰকাৰ মাধ্যম স্বৰূপে মানুহেও অন্যান্য পশু-পক্ষীৰ দৰে নিজ নিজ বাকযন্ত্ৰৰ ব্যৱহাৰ কৰিছিল। মানুহৰ বাকযন্ত্ৰ নাইবা মুখাবয়ৱৰ পৰা নিঃসৃত শব্দ অথবা ধ্বনিসমষ্টিকেই সাধাৰণতে ভাষা বুলি কোৱা হয়। আনন্দ-উল্লাস, দুখ-যন্ত্ৰণা, ভয়-সন্ত্ৰাস আদিৰ বিভিন্ন ক্ষণৰ অনুভৱ-অনুভূতিসমূহৰ প্ৰকাশ মাধ্যম স্বৰূপ নিজৰ ভাষাত মানুহে যেতিয়া সুৰ দি তাক লয়াত্মক কৰি তোলে তেতিয়া সেই ভাষাই গীতৰ আখ্যা পায়। জনজীৱনত নাইবা লোকসমাজত হৰ্ষ-বিষাদৰ বিভিন্ন ক্ষণত গোৱা আৰু যুগ যুগ ধৰি মৌখিক নাইবা অলিখিত ৰূপত প্ৰচলিত হৈ অহা তেনে লয়াত্মক ভাষা-শৈলীৰ বাণী বিশেষক লোকগীত বুলি কোৱা হয়।

উল্লেখনীয় যে ভাষা কেৱল জনজীৱনৰ ভাব প্ৰকাশৰ মাধ্যমেই নহয়, ই হ'ল বিভিন্ন জাতি-জনগোষ্ঠীৰ সভ্যতা আৰু সংস্কৃতিৰ ধাৰক আৰু বাহক। যুগ যুগ ধৰি ভাষাই যিদৰে জনসমাজত ভাব বিনিময় আৰু জনসংযোগৰ মাধ্যম হিচাপে কাম কৰি আহিছে, ঠিক সেইদৰে ই ইতিহাসৰ বিভিন্ন সময়ত হোৱা বিভিন্ন জনগোষ্ঠীৰ মিলন-বিচ্ছেদ, সংঘাত-সংঘৰ্ষ, সাংস্কৃতিক সমন্বয় আদিৰ উপাদানৰ উদাহৰণসমূহো ইয়াৰ বুকুত সংৰক্ষিত কৰি ৰখা দেখিবলৈ পোৱা যায়। এইদৰে যুগ যুগ ধৰি বিভিন্ন জনগোষ্ঠীৰ সহাৱস্থান আৰু পাৰস্পৰিক সন্মিলনৰ বাহক স্বৰূপে এটা নিশ্চিত ভূখণ্ডত কালক্ৰমত গঢ় লৈ উঠা এটা ভাষা আৰু সেই ভাষাৰ এনাজৰীৰ বান্ধোনে এটা জাতিৰ গঠন আৰু বিকাশ হোৱা কথাও প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি। এই প্ৰক্ৰিয়া অনুসৰি গঠন আৰু বিকাশ হোৱা এটা জাতি-জনগোষ্ঠীত ইয়াত সন্মিলিত সেই সেই জনগোষ্ঠীৰ সংমিশ্ৰণ আৰু সমন্বয়ৰ চানেকী স্বৰূপ শব্দসম্ভাৰকে আদি কৰি বিভিন্ন উৎসৱ-পৰ্ব, নৃত্য-গীত আদি বিবিধ সাংস্কৃতিক উপাদানসমূহ অন্তৰ্নিহিত হৈ থাকে।

নেপালী জাতি আৰু ভাষাও আৰ্য-মংগোলীয় আদি বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰণৰ ফলত গঢ় লৈ উঠাৰ বাবে ইয়াতো বিভিন্ন নৃগোষ্ঠীৰ সাংস্কৃতিক উপাদানসমূহ সংৰক্ষিত হৈ থকা দেখা যায়।

লোকগীতৰ ইতিহাস অতি প্ৰাচীন। তদুপৰি ইয়াৰ প্ৰকাৰ-ভেদো অনেক। বছৰৰ যিকোনো সময়ত ইয়াৰ প্ৰয়োগ আৰু প্ৰচলন হোৱা দেখা যায়। জন্ম-মৃত্যু-বিবাহ আদি সংস্কাৰজনিত কাৰ্যাৱলীৰ লগতে উৎসৱ-পৰ্ব, শ্ৰম-বিনোদন, খেল-ধেমালি আদি বিভিন্ন আচাৰ-অনুষ্ঠানৰ বেলিকা কিছুমান নিশ্চিত লোকগীত থকাৰ বিপৰীতে অন্য বহুতো অনানুষ্ঠানিক লোকগীতো নেপালী সমাজত প্ৰচলিত হৈ আহিছে।

এই বিভিন্ন ধৰণৰ লোকগীতসমূহক আলোচনাৰ সুবিধাৰ কাৰণে তলত দিয়া ধৰণে ভাগ কৰিব পাৰি—

১। সংস্কাৰজনিত লোকগীত, ২।ব্ৰত-উৎসৱজনিত গীত, ৩। শ্ৰমগীত, ৪। ঋতুবিষয়ক গীত, ৫। অন্যান্য নাইবা বিবিধ। এই চমু লিখনিত বসন্ত উৎসৱৰ লগত সম্পৰ্কিত নেপালী সমাজত প্ৰচলিত লোকগীত কিছুমানৰ আলোচনা কৰিব বিচৰা হৈছে।

সংসাৰ অনিত্য আৰু পৰিৱৰ্তনশীল। সৌৰজগতৰ গ্ৰহ-উপগ্ৰহবোৰৰ অন্যতম গ্ৰহ পৃথিৱী যিদৰে পৰিৱৰ্তনশীল ঠিক সেইদৰে ইয়াত আশ্ৰিত চৰাচৰ জীৱজগতো নিত্য গতিশীল। এই পৰিৱৰ্তন অথবা গতিশীলতাৰ বাবেই পৃথিৱীৰ ভূ-প্ৰকৃতি আদিতো এক নিশ্চিত সময়ৰ অন্তৰালত পৰিৱৰ্তন হোৱা দেখা যায়। প্ৰকৃতি ৰাজ্যত হোৱা সূৰ্যোদয়-সূৰ্যাস্তৰ হেঙুল বেঙনি, বন-উপবন, পৰ্বত-পাহাৰ, গিৰি-গহ্বৰ, জান-জুৰি, নদী-সৰোবৰ-সাগৰ আদিৰ মনোমোহা দৃশ্যই যুগে যুগে মানুহৰ মনত আনন্দ-উল্লাসৰ ভাব সঞ্চাৰিত কৰি আহিছে। এনে মনোমোহা আৰু আনন্দদায়ক পৰিৱেশেই হ'ল মানুহৰ কাম্য। ইয়াৰ বিপৰীতে সূৰ্যাস্তৰ পিছৰ গভীৰ আন্ধাৰ, বিজুলী-ঢেৰেকনি, ধুমুহা-বজ্ৰপাত-শিলাবৃষ্টি, আগ্নেয়গিৰি-ভূমিকম্প, যুদ্ধ-বিগ্ৰহ আদিৰ ভয়ানক পৰিস্থিতিয়ে মানুহৰ মনত ভয় আৰু সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে। এয়া সহজে অনুমেয় যে জীৱন-মৰণৰ ক্ষণ গণা এনে দাৰুণ পৰিস্থিতি কাৰোৰেই কাম্য নহয়। চমুকৈ ক'বলৈ হ'লে মানুহ মাত্ৰেই আনন্দ-উল্লাসেৰে জীয়াই থাকিব বিচাৰে আৰু মানুহৰ এনে প্ৰৱণতাই হ'ল বিভিন্ন উৎসৱ-পৰ্বৰ আৰম্ভণিৰ পটভূমি।

আমাৰ আলোচ্য বসন্ত কাল নাইবা বসন্ত ঋতু হ'ল চ'ত আৰু ব'হাগ মাহৰ সমষ্টি। এই সময়ছোৱাত সমগ্ৰ ভাৰতীয় উপ-মহাদেশতে জাৰ-জহৰ মাত্ৰা কম থাকে। ইতিমধ্যে শীতৰ প্ৰকোপত ঠৰঙা আৰু নগ্নপ্ৰায় হৈ পৰা গছ-বিৰিখত কুঁহিপাত মেলিবলৈ আৰম্ভ কৰে। এইদৰে প্ৰকৃতি জগতত লাহে লাহে নতুনত্বই বিৰাজ কৰিবলৈ লয়। মাটি ফুটি অংকুৰিত হোৱা গছ-লতাৰ নতুন মোলানবোৰে মানুহক যেন পৃথিৱীত নতুন বীজ ৰোপণ কৰিবলৈ যুগে যুগে প্ৰেৰণা দি আহিছে। বসন্ত ঋতু হ'ল সৌন্দৰ্য আৰু সৃষ্টিৰ প্ৰতীক। ই যিদৰে সৌন্দৰ্যৰ আকৰ, সেইদৰে নতুন সৃষ্টিৰ আধাৰ। সেয়ে

এই ঋতুত এফালে ৰং-ৰহইচ, আনন্দ-উল্লাস আদিৰ পয়োভৰ আৰু আনফালে পৃথিৱীৰ বুকুত নিত্য-নতুন শস্য উৎপাদনৰ ক্ষমতা নিহিত হৈ থকা বাবে ইয়াক ঋতুৰাজ বুলি কোৱা হয়। এইখিনিতে উল্লেখ কৰি থোৱা ভাল হ'ব যে আচলতে ঋতু শব্দও প্ৰতীকাত্মকহে। ই বিভিন্ন অৰ্থৰ বাহক।

বসন্তকালীন গীত বুলিলে বসন্ত কালৰ উৎসৱ-পৰ্বত ব্যৱহৃত হোৱা গীত-মাতক ঘাইকৈ বুজা যায়। নেপালী সমাজত বসন্তকালীন উৎসৱত অনুষ্ঠিত বিভিন্ন অনুষ্ঠানত ব্যৱহৃত গীতকেইটামানৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল।

হোলী নাইবা ফাগু গীত ঃ ভাৰতীয় সভ্যতা-সংস্কৃতিত বসন্ত কালত পালন কৰা বিভিন্ন উৎসৱ-পৰ্বৰ ভিতৰত অন্যতম হ'ল দৌলোৎসৱ নাইবা ফাকুৱা। প্ৰাচীন কালত এই উৎসৱ চ'তৰ শুক্লা পূৰ্ণিমাৰ দিনত পালন কৰা হৈছিল যদিও পিছত ইয়াক ফাগুন শুক্লা পূৰ্ণিমাত অনুষ্ঠিত কৰাৰ উদাহৰণ পোৱা যায় আৰু আজিও সেইমতে ফাগুন শুক্লা পূৰ্ণিমাত অনুষ্ঠিত কৰা হয়। (VD. Varman Shivaram Apte : Student's Sanskrit-English Dictionary, p. 479)। সৰ্বভাৰতীয় উৎসৱৰূপে পৰিগণিত এই উৎসৱ নেপালী সমাজতো পালন কৰা হয়। শ্ৰীমদ্ভাগৱতকে আদি কৰি বিভিন্ন পুৰাণসমূহত বৰ্ণিত ভগৱান শ্ৰীকৃষ্ণৰ শিশুলীলা আৰু হিৰণ্যকশিপুৰ ভনীয়েক হোলিকাৰ দাহন কাৰ্যৰ লগত সম্পৰ্কিত আখ্যান-উপাখ্যানেই হ'ল এই উৎসৱৰ আধাৰ। প্ৰাচীন ভাৰতীয় বিভিন্ন গ্ৰন্থসমূহত ৰঙৰ উৎসৱ ফাকুৱাৰ বেলিকা শ্ৰীকৃষ্ণৰ স্তুতি-বন্দনা কৰাৰ লগতে বিভিন্ন ৰঙৰ গুড়ি পৰস্পৰে পৰস্পৰক সানি মানুহে ৰং-ৰহইচ, আনন্দ-উল্লাস কৰাৰ বৰ্ণনা পোৱা যায়। সেই অনুসৰি বৰ্তমানেও ফাগু গীতত ৰাধা-কৃষ্ণ সম্বন্ধীয় স্তুতি-বন্দনা গোৱা হয়। নেপালী সমাজত পোৱা এনে ফাগু গীতৰ কেইটামান কলি হ'ল ঃ

নেপালী ঃ 'কৃষ্ণ গোপী জস্তে হোলী খেলৌঁ হৈ, আইজাউন গোৰী।
চৈতকো মাস য়ো ঋতুৰাজ, ফুল ছন্ বগৈচা ভৰি।।
নিষ্ঠুৰ বানী নগৰে নানী, কে লানু সংসাৰমা মৰী হৈ...
কৃষ্ণ গোপী জস্তে হোলী খেলৌঁ হৈ, আইজাউন গোৰী...'

অসমীয়া ঃ (কৃষ্ণ গোপীৰ দৰে ফাকু খেলো আহা, আইজনী কাষলৈ মোৰ।
ফাগুনৰে মাহ, ঋতুৰাজ আহিছে ফুলিছে বাগিচাত ফুল।।
অ' মোৰ আইজনী নিষ্ঠুৰ নহ'বা মৰিলে লৈ যাবা কিবা ঐ...
আইজনী মৰিনো লৈ যাবা কি?)

নেপালী ঃ 'অবিৰকো থালী অত্তৰৈ হালী নহান পিচকাৰী ভৰী।
বোলাউঁদাখেৰী নবোলী বস্নে কে গৰ্নু আৰ্কাকী ছোৰী মোৰী হৈ
কে গৰ্নু অৰ্কাকী ছোৰী...
কৃষ্ণ গোপী জস্তে হোলী খেলৌঁ হৈ, আইজাউন গোৰী...'

অসমীয়া ঃ (আবিৰৰ গুড়ি থালত ঢালি নামাৰিবা পিচকাৰী
মাতিলেও যে নমতাকৈ থাকা, এয়া কি স্বভাৱ—
তোমাৰে আইজনী, কি কৰো লোকৰে জী ঐ— আইজনী
কি কৰো লোকৰে জী।)

(দ্ৰ ড° ক্ষেমৰাজ নেপাল ঃ নেপালী লোকসাহিত্যকো ৰূপৰেখা, সাহিত্য অকাডেমী, নতুন দিল্লী, ২০০৩, পৃঃ ৭৬)

ফাগু গীত নাইবা হোলী গীতত সাধাৰণতে ভগৱান শ্ৰীকৃষ্ণৰ শিশুলীলা সম্বন্ধীয় গীত-মাত পৰিৱেশন কৰা দেখা যায়। ই এটা সৰ্বভাৰতীয় উৎসৱ আৰু উত্তৰ ভাৰতৰ বিশেষকৈ হিমাচল প্ৰদেশ, উত্তৰাঞ্চল আদিৰ নেপালী সমাজত এই উৎসৱ মহাপয়োভৰেৰে পালন কৰা হয়।

নেপালী ঃ 'কৃষ্ণলাল তিমী জশোদানন্দন সাথী ছন্ গোপকুমাৰ।
ৰাধিকা তিম্ৰী হিতকী সখী তিমীমা প্ৰীতি অপাৰ।।
তিমী ৱিনা হেৰ, গোপ-গোপী বাল ব্যাকুল সব ছন্ আজ।
আউ খেলৌঁ কৃষ্ণ ৰঙ্গকো ফাগু ৰমাইলো পাৰী সমাজ।।
কৃষ্ণ লাল তিমী...'

অসমীয়া ঃ (কৃষ্ণ বাপু তুমি যশোদানন্দন,
গোপ শিশু তোমাৰে লগ
ৰাধা সখী আকৌ তোমাৰ মৰমৰ
প্ৰেম কৰে তোমাক অপাৰ
তোমাৰ অবিহনে গোপ-গোপী শিশু
সকলো ব্যাকুল আজি
আহা কৃষ্ণ খেলো ৰঙৰে ফাকু
সবকে আনন্দ কৰি...
কৃষ্ণ বাপু তুমি...)

দসৈঁ উৎসৱ আৰু ইয়াৰ ব্যাপকতা ঃ দসৈঁ হ'ল নেপালী জনজীৱনত পালন কৰা অন্যতম প্ৰধান উৎসৱ। এই উৎসৱ বছৰত দুবাৰকৈ অনুষ্ঠিত হয়— বসন্ত আৰু শৰৎ কালত। বসন্ত কালত উদ্‌যাপিত এই উৎসৱক 'চৈতে-দসৈঁ' বোলা হয়। এইখিনিতে নেপালী সমাজৰ প্ৰধান উৎসৱৰূপে প্ৰচলিত দসৈঁৰ নামকৰণ আৰু ইয়াৰ আনুষ্ঠানিকতাৰ ওপৰত কিছু আলোচনা কৰাৰ অৱকাশ নথকা নহয়। দসৈঁ শব্দটো দৰাচলতে দশমী শব্দৰ পৰাই ক্ৰমে দসঈ > দসইঁ > দসৈঁ ৰূপে গঠিত আৰু বিকশিত হৈছে। আৰু এই দশমী শব্দ হ'ল চ'ত/আহিন শুক্লা দশমীৰ দ্যোতক। অৰ্থাৎ নৱৰাত্ৰৰ সময়ত আই ভগৱতীৰ পূজা-অৰ্চনা কৰাৰ পিছত দশমীৰ দিনা সেই পূজাভাগৰ প্ৰসাদ স্বৰূপে ভগৱতীৰ নিৰ্মালি লোৱা প্ৰথাটোৱে কালক্ৰমত জনসমাজত প্ৰাধান্য পায় আৰু সেই

উপলক্ষে প্ৰত্যেক পৰিয়ালতে আই-মাতৃৰ আশীৰ্বাদস্বৰূপে তিলক ধাৰণ কৰা হয়। সমগ্ৰ ভাৰতবৰ্ষত বসন্ত আৰু শৰৎ কালত দুৰ্গোৎসৱ অনুষ্ঠিত কৰা হয়। ইয়াৰে বসন্তকালীন দুৰ্গোৎসৱক বাসন্তী পূজাও বোলা হয়। আনহাতে শৰৎ কালত অনুষ্ঠিত দুৰ্গোৎসৱক শাৰদীয় দুৰ্গোৎসৱ বোলা হয়। এই দুয়োটা উৎসৱ নেপালী সমাজত প্ৰচলিত বুলি ইতিমধ্যে উল্লেখ কৰা হৈছে। ইয়াৰে প্ৰথমটো চৈতে দসৈঁ আৰু দ্বিতীয়টো কেৱল দসৈঁ ৰূপেহে জনাজাত। উল্লেখনীয় যে বৰ্তমানে নেপালী সমাজত দসৈঁ বুলিলে সাধাৰণতে শাৰদীয় দুৰ্গোৎসৱকহে বুজা যায়। এই উৎসৱ আহিন শুক্লা পক্ষৰ প্ৰতিপদৰ পৰা ঘটস্থাপন কৰি যিদৰে ভগৱতী দুৰ্গাদেৱীৰ পূজা-অৰ্চনা কৰি দশমীত বিসৰ্জন দিয়া হয় ঠিক সেইদৰে চৈতে দসৈঁৰ সময়তো চ'ত শুক্লা প্ৰতিপদৰ পৰা নৱমী অৰ্থাৎ ৰাম-নৱমী পৰ্যন্ত আই-ভগৱতীৰ পূজা-অৰ্চনা, স্তুতি-বন্দনা আদি কৰি বিসৰ্জন দিয়া হয়। আচলতে বৰ্তমানে দসৈঁ শব্দটোৱে নেপালী সমাজত আহিন শুক্লা প্ৰতিপদৰ কোজাগৰী পূৰ্ণিমা পৰ্যন্ত গোটেই পক্ষটোকেই সামৰি লয় বুলি ক'ব পাৰি। কিন্তু চৈতে দসৈঁ শব্দটোৰ অৰ্থ বৰ্তমান সমাজত সিমান ব্যাপক নহয়। অৱশ্যে, চৈতে দসৈঁও প্ৰাচীন কালত নেপালী সমাজত প্ৰচলিত প্ৰধান উৎসৱৰূপে পৰিগণিত আছিল আৰু বিভিন্ন বলি-বিধানেৰে মহাপয়োভৰেৰে ইয়াক পালন কৰা হৈছিল। উল্লেখনীয় যে পূজাত বলি দিয়া বিভিন্ন জীৱ-জন্তুৰ মাংস আৰু অন্যান্য খাদ্যোপকৰণেৰে উলহ-মালহেৰে ভোজ-ভাত খাই আনন্দ-উল্লাসেৰে এই উৎসৱ পালন কৰাৰ বাবে বিভিন্ন বেমাৰ-আজাৰৰ দ্বাৰা আক্ৰান্ত হৈ বহুতো মানুহ মৃত্যুমুখত পৰাৰ লগতে চ'ত মাহতে ভঁৰাল উদং কৰি পিছলৈ খুদকণো নোহোৱা অৱস্থা সৃষ্টি হোৱাত চ'ত মাহৰ এই উৎসৱক অনুষ্টুপীয়াকৈ পালন কৰিবলৈ লোৱা হয় বুলি জনপ্ৰবাদ প্ৰচলিত আছে। (দ্ৰ ঃ Dr. J. Das : Chief Editor : History and Culture of Assamese-Nepali : DHAS. Ghy. Assam, 2009. p. 459)।

চৈতে দসৈঁ নাইবা বাসন্তী পূজা যে সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰাচীন কালৰ পৰা উদ্‌যাপিত কৃষিভিত্তিক নাইবা ঋতুকালীন এটা প্ৰধান উৎসৱ আছিল আৰু আজিও যে ঠাই আৰু জনগোষ্ঠীভেদে ইয়াক পালন কৰি অহা হৈছে তাত সন্দেহ নাই। এনে সৰ্বভাৰতীয় স্তৰৰ এটা উৎসৱ অনুষ্টুপীয়াকৈ হ'লেও অসমৰ নেপালীসকলে পালন কৰি আহিছে আৰু এই প্ৰসংগত তেওঁলোকে বিভিন্ন ধৰণৰ গীত-মাত ব্যৱহাৰ কৰা দেখা যায়। তেওঁলোকে ব্যৱহাৰ কৰা গীত-মাতৰ কলিকেইটামান তলত উল্লেখ কৰা হ'ল ঃ

'দেৱী থানমা যাম তানি ভেট ছন পাম তনি।
মায়া লগাঙ্গৈ আম তনি চৈতে-দসৈঁমা।।
সাথী-সঁগী ঘেৰৌঁলা মেলা যাত্ৰা হেৰৌঁলা।
মনকো ধোকো ফেৰৌঁলা চৈতে-দসৈঁমা।।
খাউঁলা-পিউঁলা-নাচৌঁলা ঘূঁড়া-কম্মৰ ভাঁচৌঁলা

ত্যো দিন মনমা সাঁচৌলা চৈতে-দসৈঁমা।। আদি (হাম্ৰো ধ্বনি ঃ নেপালী, মাসিক, গুৱাহাটী ঃ এপ্ৰিল, ২০০৮)

(আই থানলৈ যাওঁতে, তোমাক লগ পাওঁতে।
মৰম লাগি যায় চৈতে দসৈঁৰ বেলা।।
বন্ধু-সখীৰ লগত থাকি যাত্ৰা-মেলা চাই ফুৰি।
মনৰ ইচ্ছা পূৰণ কৰিম চৈতে দসৈঁৰ বেলা।।
খাই-বৈ, নাচি-বাগি ৰং-ৰহইচ কৰি।
সজীৱ কৰি ৰাখিম স্মৃতি চৈতে দসৈঁৰ বেলা।।)

চৈতে দসৈঁ আৰু মালসিৰী ঃ এই উৎসৱত আই ভগৱতীৰ স্তুতি-বন্দনাৰূপে বিভিন্ন গীত-মাত, নৃত্যানুষ্ঠান আদিৰ আয়োজন কৰা হয় যদিও মালসিৰীয়েই এই সময়ত প্ৰধানকৈ পৰিৱেশন কৰা হয়। সংস্কৃতৰ মালশ্ৰী শব্দৰ পৰা মুখ বাগৰি নেপালীত মালসিৰী শব্দৰ গঠন আৰু বিকাশ হোৱা দেখা যায়। মালসিৰী হ'ল ৰাগ মালশ্ৰীত ৰচিত ভগৱতী দুৰ্গাদেৱীৰ স্তুতি-বন্দনা। মালশ্ৰী ৰাগত ৰচিত আৰু সেইমতে পৰিৱেশিত এইবিধ ভক্তিমূলক গীতি-অনুষ্ঠানত সেয়ে শাস্ত্ৰীয় সংগীতৰ প্ৰাধান্য থকা দেখা যায়। মালসিৰী নামৰ ভক্তিমূলক গীতৰ নমুনাকেইটামান হ'ল ঃ

'জয় দেৱী ভৈৰৱী গোৰখনাথ দৰ্শন দেউ ভৱানী এ...
প্ৰথম দেৱী উৎপন্ন ভই হৈ জনম লিয়ে কৈলাশ এ
জ্যোতি জগমগ চহুদিশি দেৱী চৌসঠ্‌ঠী যোগিনী সাথ এ
জয় দেৱী ভৈৰৱী গোৰখনাথ দৰ্শন দেউ ভৱানী এ...।
সপনা দিএহৈ গোৰখনাথকী ভৈৰৱী মনাইয়ে
বিশ্বাস য়ে ভোগ প্ৰসন্না ৱৰদান দিয়ে সব দেশ য়ে
শিৰমা সিঁদূৰ মুকুট ঝলকত কুণ্ডল ঝলকত কাণমা
জয়দেৱী ভৈৰৱী...'

(এ ৰাম! তুমি দেৱী ভগৱতী
এ ৰাম! গোৰক্ষনাথ ভৈৰৱী,
জয় জয় ভৱানী আই হে
দৰিশন দিয়াহি তুমি।
এ ৰাম! কৈলাস পৰ্বতে তোমাৰ
এ ৰাম! ভৈলা প্ৰথম অৱতাৰ
চাৰিও দিশতে কৰিলা প্ৰকাশ
চৌষষ্ঠি যোগিনী লগত। এ ৰাম! তুমি দেৱী...)

'জয় দেৱী কালিকা অম্বিকা মাতা, অসুৰ মাৰিণী চণ্ডিকা
প্ৰথম দেৱী জী কৈলাস জনম অম্বিকা নাম জো পাইয়ে

চণ্ডিকা ৰূপসে অসুৰ মাৰিণী কালিকা ৰূপ সঁঘাৰিয়ে...
জয় দেৱী কালিকা...
সত্য যুগমে সীতাজী কহিয়ে দ্বাপৰ যুগমে দ্ৰৌপদা
তৃতীয় যুগমে তুলসাজী কহিয়ে কলি যুগমে কালিকা..
জয় দেৱী কালিকা...
সমেৰু কৈলাসমা দেৱী জী জনমে জ্যোতি স্বৰূপ দেখাইয়ে
ব্ৰহ্মা বিষ্ণু আদি দেৱ গণ মিলি দৰিশন দেখন জাইয়ে...
জয় দেৱী কালিকা...
পুষ্প-গন্ধ-অক্ষতা-পাতী ধূপ-দীপ চঢ়াইয়ে
পঞ্চ পকৱান নৈৱেদ্য ভৱানী ভাউ ভক্তি লগাইয়ে
জয় দেৱী কালিকা...'
(জয় দেৱী কালিকা অম্বিকা আই অসুৰ মাৰিণী চণ্ডিকা
কৈলাস পৰ্বতে প্ৰথম জনম লৈ নাম ল'লা তুমি অম্বিকা
চণ্ডিকা ৰূপেৰে অসুৰক মাৰি সংহাৰা ৰূপ লৈ কালিকা
জয় দেৱী কালিকা...
সত্য যুগত তুমি সীতা হৈ আছিলা দ্বাপৰ যুগত দ্ৰৌপদী
তৃতীয় (ত্ৰেতা) যুগত তুলসী স্বৰূপে, কলি যুগত কালিকা
জয় দেৱী কালিকা...
সুমেৰু-কৈলাসত জ্যোতি স্বৰূপে জনম হৈছেহি তোমাৰ
ব্ৰহ্মা-বিষ্ণু আদি দেৱগণ মিলি কৰিলে দৰ্শন তোমাৰ
জয় দেৱী কালিকা...
পুষ্প-গন্ধ, অক্ষতা-পল্লৱ, ধূপ-দীপ, পঞ্চ পৰমান-
নৈৱেদ্য আদি মা ভৱানীক ভক্তি ভাবেৰে কৰা সমৰ্পণ
জয় দেৱী কালিকা...)

ইয়াৰ বাহিৰেও জনসমাজত প্ৰচলিত বিভিন্ন ধৰণৰ গীত-মাতৰ উদাহৰণ পোৱা যায়।

ইতিমধ্যে আমি উল্লেখ কৰি আহিছো যে নেপালী সমাজত বসন্ত কালত আয়োজিত উৎসৱৰ ভিতৰত হোলী নাইবা ফাকুৱা আৰু চৈতে দসৈঁ হ'ল অন্যতম। এই দুই উৎসৱত পৰিৱেশিত গীত-মাতৰ কিছু অংশ আমি ইয়াত আলোচনা কৰাৰ চেষ্টা কৰিছোহঁক। আমাৰ এই প্ৰচেষ্টাই সংকলক তথা জিজ্ঞাসু পাঠকৰ উদ্দেশ্য পূৰণ কৰাত এধানমান হ'লেও সহায় কৰিব বুলি আমাৰ বিশ্বাস।

অসমৰ ইছলামধৰ্মী খিলঞ্জীয়াসকল আৰু বসন্ত উৎসৱ

এম হাফিজ আলী

অসম ভাৰতবৰ্ষৰ ভিতৰতে এখন অন্যতম পৱিত্ৰ ভূমি। ইয়াৰ প্ৰতিটো অঞ্চলৰ দ'ল, দেৱালয়, আশ্ৰম, মন্দিৰ, মছজিদ, মাজাৰ, দৰগাহ, গিৰ্জা, নামঘৰ আদি সকলো ধৰ্মৰ উপসনা স্থলীৰে পৰিৱেষ্টিত হৈ আছে। সেইদৰে অসমীয়া সমাজৰ সৌষ্ঠৱ আৰু বৈচিত্ৰ্যলৈ, অসমীয়া সমাজত অন্তৰ্ভুক্ত জনগোষ্ঠীবোৰৰ সৃষ্টি, কৃষ্টি, ঐতিহ্য আৰু পৰম্পৰাই প্ৰভূত অৱদান আগবঢ়াই আহিছে। বৃহত্তৰ অসমীয়া জাতিলৈ বিভিন্ন সময়ত বিভিন্ন কাৰণত ধৰ্মান্তৰিত লোক আৰু বিভিন্ন ফালৰ পৰা অহা প্ৰব্ৰজনকাৰী জনগোষ্ঠী আহি উত্তৰ-পূব ভাৰত তথা অসমত বসবাস কৰি ইয়াৰ সমাজ আৰু সংস্কৃতিলৈ অৱদান আগবঢ়োৱাৰ কথা সৰ্বজনজ্ঞাত। অসমৰ খিলঞ্জীয়া ইছলামধৰ্মী জনগোষ্ঠীসমূহ অসমত ভূমিপুত্ৰ হিচাপে বাস কৰি নাইবা বিভিন্ন ঠাইৰ পৰা অসমলৈ আহি বসবাস কৰিবলৈ লৈ 'জনমে মৰণে অসমৰ অসমীয়া' হোৱাই নহয়, বাৰেৰহণীয়া বৃহত্তৰ অসমীয়া জাতি গঠনত অৰিহণা আগবঢ়াই আহিছে।

উল্লেখ্য যে অসমত মুছলমান বসতি প্ৰসাৰৰ প্ৰক্ৰিয়া অলপ সুকীয়া। অসমৰ মুছলমানসকলৰ মাজত চলি অহা পৰম্পৰা বা ঐতিহাসিকভাৱে অসমৰ ইছলামধৰ্মী খিলঞ্জীয়াসকলৰ সৰহসংখ্যক আহোম ৰাজত্ব কালত অসমীয়া নামৰ মহান জাতিটো গঠনৰ বহু পূৰ্বৰে পৰা অসমৰ এই দেশৰ ভূমিপুত্ৰ হিচাপে বসবাস কৰি আহিছে। কিয়নো ধৰ্মটো ইছলাম হ'লেও এই ইছলামধৰ্মী খিলঞ্জীয়াসকলৰ বেছিভাগ লোকেই অসমৰ জনজাতীয় আৰু খিলঞ্জীয়া হিন্দুৰ পৰা ধৰ্মান্তৰিত লোক। ড° সূৰ্য কুমাৰ ভূঞা, লীলা গগৈ আদি প্ৰখ্যাত বুৰঞ্জীবিদৰ মতে ইছলামধৰ্মী খিলঞ্জীয়াসকলে আহোম ৰাজত্ব কালত গৰিয়া, মৰিয়া, দেশী আদি গোষ্ঠীয় পৰিচয়ৰে কোচ, কলিতা, মৰাণ, মটক আদি জনগোষ্ঠীৰ দৰে অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ হিচাপে অসমৰ সমূহ খিলঞ্জীয়া জনগোষ্ঠীৰ স'তে সহাৱস্থান কৰি আহিছে। বৰ্তমান অসমৰ ইছলামধৰ্মী খিলঞ্জীয়াসকলক ঘাইকৈ পাঁচটা ভাগত ভাগ কৰিব পাৰি। সেই ভাগকেইটা হ'ল— (১) ইছলাম ধৰ্মত দীক্ষিত হোৱা স্থানীয় ধৰ্মান্তৰিত মুছলমানসকল (২) আহোম মুছলমানৰ সংঘৰ্ষৰ সময়ত যুদ্ধবন্দী হোৱা আৰু বিভিন্ন ঠাইত বসবাস কৰিবলৈ সুবিধা কৰি দিয়া মুছলমানসকল (৩) বিভিন্ন সময়ত অহা ইছলামধৰ্মীয় পীৰ, ফকীৰসকল (৪) কোচবংশীয় ৰজাসকলৰ দিনত আগমন ঘটা গৌড় ৰাজ্যৰ

মুছলমানসকল আৰু বাঢ়ে মুছলমানসকল (৫) ভাৰতৰ বাহিৰৰ পৰা অহা মুছলমানসকল আৰু ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা মুছলমানসকল।

উল্লেখ্য যে ত্ৰয়োদশ শতিকাৰ প্ৰথম ত্ৰিছটা বছৰৰ পিছৰ অসমৰ জনগাঁথনি সমাজ, সংস্কৃতি আৰু ৰাজনৈতিক অস্তিত্বৰ বাবে অতিশয় গুৰুত্বপূৰ্ণ। এই তিনিটা দশকৰ ভিতৰত ১২০৬ চনত অসমলৈ পশ্চিমৰ দিল্লীৰ তৎকালীন প্ৰতিষ্ঠিত মুছলমান বাদছাহৰ নিৰ্দেশত গৌড়ৰ পৰা ইফটিকাৰউদ্দিন বখটিয়াৰ খিলিজিৰ নেতৃত্বত মুছলমান আক্ৰমণকাৰীৰ দল কামৰূপৰ পৃথুৰ ৰাজ্যত সোমায়। ইয়াৰ ফলত অসমত প্ৰথমবাৰৰ বাবে পাতলীয়াকৈ হ'লেও প্ৰকৃত মুছলমান বসতি আৰম্ভ হয়। বখটিয়াৰ খিলিজিৰ পিছত গৌড়ত থকা বংগৰ নবাব গিয়াছুদ্দিনে ১২২৮ চনত আৰু তুঘ্ৰিলখাই ১২৫৭ চনত কামৰূপৰ ৰজাৰ ৰাজধানী উত্তৰ গুৱাহাটী অধিকাৰ কৰে। ১৪৯৮ চনত বংগৰ নবাব হুছেন ছাহে কমতাপুৰৰ ৰজা নীলাম্বৰক পৰাজিত কৰি কমতাপুৰ অধিকাৰ কৰি লয়। মুঠতে ১২০৬ খ্ৰীষ্টাব্দৰ পৰা ১৬৮২ খ্ৰীষ্টাব্দলৈ এই ৪৭৬ বছৰজোৰা সুদীৰ্ঘ কালছোৱা পশ্চিমৰ বাদছাহ নবাবসকলৰ নিৰ্দেশত মুঠতে ১৭ বাৰ অসম আক্ৰমণ কৰিছিল। এইবোৰ অভিযানত আক্ৰমণকাৰী সৈন্যবাহিনীবোৰৰ অধিকাংশ সৈন্যই আছিল মুছলমান। এই কাহিনীবোৰত বহুতো কাৰিকৰ, মিস্ত্ৰী, বৰতোপ মেৰামতি কৰা লোক, খাৰ-বাৰুদ প্ৰস্তুত কৰা লোক, কমাৰ, দৰ্জী, টোকা লিখক, পশু (ঘোঁৰা আৰু হাতীৰ) চিকিৎসক, জড়িৰ কাম কৰা লোক, বহুৱা (Court jester), গায়ক, বাদক, পুৰোহিত, চিকিৎসক (হেকিম) আদি লোকো আছিল। এনে ধৰণেৰে অহা সৈন্য আৰু সহযাত্ৰীসকলৰ কিছুসংখ্যক যুদ্ধৰ শেষত বন্দী অৱস্থাতেই হওক বা স্বইচ্ছাতেই হওক অসমত স্থায়ীভাৱে বাস কৰিবলৈ লৈছিল।

মন কৰিবলগীয়া যে অসমত মুছলমান বসতি বিস্তাৰৰ ক্ষেত্ৰত সপ্তদশ শতিকাটো ঐতিহাসিকভাৱে অতি তাৎপৰ্যপূৰ্ণ, কাৰণ এই শতিকাতে আহোম আৰু মোগলৰ মাজত কেইবাখনো গুৰুত্বপূৰ্ণ সমৰ সংঘটিত হোৱাৰ বাহিৰেও ইছলাম ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে কেইবাজনো ধৰ্ম গুৰুৱেও এই সময়ছোৱাতে অসমত উপস্থিত হৈছিল। সেই সময়ত অসমলৈ বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা পীৰ-ফকীৰসকল আহি অসমৰ ধৰ্মীয় আৰু সমাজ সংস্কাৰৰ দিশত যথেষ্ট অৱদান আগবঢ়াই থৈ গৈছে। এইসকল ধৰ্মীয় গুৰুৰ ভিতৰত ইৰাণৰ তাব্ৰিজত জন্মগ্ৰহণ কৰা পীৰ গিয়াছুদ্দিন আউলীয়া, ইৰাকৰ বাগদাদৰ হজৰত ছাহ মীৰাণ ওৰফে হজৰত আজান ফকীৰৰ নাম উল্লেখনীয়। এই দুজনা ধৰ্ম গুৰুৰ দেহাৱসান ঘটা ক্ৰমে হাজোৰ "পোৱামক্কা" আৰু শিৱসাগৰৰ "শৰাগুৰি চাপৰি" আজিও সম্প্ৰীতি, ঐক্য, সংহতি জাতি-উপজাতিৰ মিলনভূমি হৈ আছে।

উল্লেখযোগ্য যে অসমলৈ পৰৱৰ্তী সময়ত পূব বংগ (বৰ্তমান বাংলাদেশ)ৰ পৰা জাকে জাকে মুছলমান মানুহৰ প্ৰৱেশ ঘটিল আৰু ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰাও বহু মুছলমান লোক আহি ইয়াত স্থায়ীভাৱে বসবাস কৰিবলৈ ল'লে আৰু সকলো ইছলামধৰ্মী লোকেই অসমীয়া জাতীয় জীৱনৰ লগত মিলি অসমীয়া হৈ পৰিল। এইসকল লোকে অসমৰ বিভিন্ন স্থানত একো একোখন মুছলমান সমাজ গঢ়ি তুলিছিল যদিও স্থানীয় লোকৰ লগত সামাজিক সম্পৰ্ক স্থাপন হোৱাৰ ফলত স্বাভাৱিক কাৰণতে থলুৱা মাত-কথা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদি গ্ৰহণ কৰিছিল। সেয়ে অসমৰ ইছলামধৰ্মী খিলঞ্জীয়া লোকসকলৰ মাজতো অসমৰ বাপতি সাহোন বসন্ত উৎসৱৰ প্ৰভাৱ পৰাটো স্বাভাৱিক।

ওপৰত আলোচনা কৰা হৈছে যে অসমৰ মুছলমানসকলৰ এটা বৃহৎ অংশ থলুৱা লোকে, সমাজচ্যুত আৰু সমাজত অৱহেলিত বুলি গণ্য হৈ ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল যদিও তেওঁলোক নামতহে ইছলামধৰ্মী আছিল কামত নহয়। সেই কথা ১৬৬২-৬৩ চনত মীৰজুমলাৰ আক্ৰমণৰ সময়ত, গড়গাঁও, নাজিৰা, মথুৰাপুৰ আদিকে ধৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন ঠাইত মুছলমান বসতি থকাৰ কথা ছাহাবুদ্দিন তালিছৰ 'ফাতেহে ইব্ৰীয়া' বা 'তাৰিখে আশ্বামত' পোৱা যায়। তেওঁ অসমত আগৰে পৰা থকা মুছলমানসকল নামতহে মুছলমান, ধৰ্ম-কৰ্মত নহয় আৰু তেওঁলোকৰ অন্তৰ মুছলমানতকৈ থলুৱা অসমীয়া (অমুছলমান) সকলৰ প্ৰতিহে অধিক দোঁ খোৱা বুলি লিখিছিল। সেইদৰে হজৰত আজান ফকীৰ অসমলৈ অহাৰ সময়ত অসমৰ মুছলমানসকল নামতহে মুছলমান আছিল। ধৰ্মৰ কামত বিশেষ গুৰুত্ব দিয়া নাছিল। ইছলামৰ দীক্ষাৰ অভাৱত দিগ-বিদিক্ হেৰুৱাই মুছলমানসকলে ওজাপালিও গাই ফুৰিছিল। মুৰ্চিয়া গীত শুনি ৰাতি চাৰি পৰলৈকে জাগি আছিল অথচ ৰোজা নামাজৰ কথা শুনি মুছলমানসকলে আওকাণ কৰিছিল। সেই কথাৰ প্ৰমাণ ফকীৰৰ জিকিৰত পোৱা যায়।

'মুৰ্চিয়া গীতক শুনি বান্দা জাগে চৌপৰ ৰাতি
খোদা-মহম্মদৰ কথা শুনিলে গালক কৰে কাটি
বান্দাই বন্দেগী নকৰে, পালিৰ বোলাই ওজা
কাবালৈকো নোদোঁৱাই মূৰ, মূৰ হ'ল মূৰৰ বোজা।'

আৰু এঠাইত ফকীৰ চাহেবে কৈছে-

"নামাজক কৰে নিন্দা, চৰিয়তক কৰে বিতন্দা,
ৰছুলৰ নহয় উম্মত, খোদাৰ নহয় বান্দা
আজানৰ মাত শুনি শিয়ালো দিয়ে পটন্তৰ
তচবিহকো বোলে চানৰ মন্তৰ।"

মুছলমানৰ মাজত ধন দি সুদ খোৱা, কুকুৰা যুঁজাই ৰং চোৱা, উপ আৰু অপদেৱতাৰ পূজা, আই সকাম, ভকত সেৱা ইত্যাদি ইছলাম ধৰ্মৰ বিৰোধী কাম-কাজত ডুব গৈ আছিল। লগতে তেওঁ নিজে সেই সময়ত অসমত প্ৰচলিত আইনাম, বিয়ানাম, বিহুগীত, হুঁচৰি, লোকগীত, বৰগীত, কীৰ্ত্তনঘোষা আদিৰ গীত-মাতৰ ছন্দ আৰু সুৰ আয়ত্ত কৰিছিল। সামাজিক পৰিৱেশ আৰু পাৰিপাৰ্শ্বিকতাৰ ভিত্তিত সেই সময়ত নৱ-বৈষ্ণৱ আন্দোলনৰ দোলানিত বৰগীত আৰু নাম প্ৰসংগ আদিয়ে সমাজত আলোড়নৰ সৃষ্টি কৰিছিল গতিকে হাত চাপৰি বজাই নাম-প্ৰসংগ কৰাৰ দৰে থিয় হৈ হাত চাপৰি বজাই পদ সঞ্চালন কৰি ঘূৰি-ঘূৰি জিকিৰ-জাৰী গোৱা পদ্ধতি পৰিগ্ৰহণ কৰা একেবাৰে স্বাভাৱিক। এয়া আছিল সামাজিক আৰু সাংস্কৃতিক প্ৰভাৱৰ পৰা অহা পোনপটীয়া দান। বৰগীত আৰু দেহ বিচাৰৰ গীতৰ গুৰু-গম্ভীৰ সুৰ আৰু আধ্যাত্মিক ভাব ৰাশিয়ে জিকিৰ ৰচনাতো প্ৰভাৱ বিস্তাৰ কৰিছিল। সামাজিক-সাংস্কৃতিক সাহিত্যক নুই কৰি কোনো অসমীয়া মুছলমানে বৰ্তি থাকিব পৰা নাছিল কাৰণেই এনে সাংস্কৃতিক পৰিসৰে হিন্দু-মুছলমানৰ বিভেদ আঁতৰাই এখন সম্প্ৰীতিপূৰ্ণ সমাজ গঢ়ি তোলাত বিশেষ অৰিহণা যোগাইছিল।

হজৰত আজান ফকীৰ চাহেবৰ দৰে প্ৰয়াত নজৰ আলী পণ্ডিতে "মোৰ জীৱনৰ কিছু কথা" শীৰ্ষক গ্ৰন্থত দৰং তথা ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ মুছলমান সমাজখনৰ কথা এনেদৰে বৰ্ণাইছে— 'তেতিয়াৰ দিনত ইয়াৰ গাঁওবিলাকত মছজিদ নাছিল বোলে। ঘোপাত (বৰ্তমান মুছলিঘোপা) মাত্ৰ একোটি 'নামঘৰ' আছিল। তাতে পীৰৰ নামত ভোজ পাতি ৰঙা কুকুৰা কাটি তাৰ তেজৰ পিঠা তৈয়াৰ কৰি খাই ৰাইজে জাহেলী (নিষিদ্ধ) নাম-গীত গাইছিল। ঠায়ে ঠায়ে বিয়াই-সবাহে ঢোল-কালিৰ প্ৰচলন আছিল। মুছলমানৰ ভিতৰতে ঢুলীয়া, কালীয়া, দেউৰী, ওজাপালি পৰ্যন্ত আছিল। আনকি এই ঢুলীয়া-কালীয়া-ওজাসকল হিন্দু বিয়া-সবাহলৈকো সেই কামৰ বাবে নিমন্ত্ৰিতও হৈছিল। কালীয়াপাৰা গাঁও এতিয়াও আছে। মাৰৈৰ বৰ ওজাৰ বংশধৰসকল আজিও বিদ্যমান। আমাৰ সম্বন্ধীয় কৰিম 'আতৈ'ৰ "চান্দোৰ পুতেক লখীন্দৰ, সাজি পেলালে মেৰঘৰ" মাৰৈগীত সৰু কালতে শুনি তবধ মানিছিলো। বাবাজীৰ দৌল, গহীন শালৈৰ দৌল আৰু বেংনৈৰ দৌল উৎসৱত শুনা নামৰ লগত অকণো পাৰ্থক্য নাছিল।"

'জন' বা 'লোক' সমাজৰ পৰম্পৰাগতভাৱে পালন হৈ অহা ৰীতি-নীতি, আচাৰ-পদ্ধতিবোৰকেই লোকাচাৰ বোলা হয়। এই লোকাচাৰৰ পৰিধি বা পৰিসৰ বৰ বিশাল। প্ৰাগৈতিহাসিক কালৰ পৰা মানৱ জাতি নানা ঘাত-প্ৰতিঘাত, বিৱৰ্তন-পৰিৱৰ্তনৰ এক অনন্ত পৰিক্ৰমাৰ মাজেদি আজিৰ অৱস্থা পাইছেহি। ভৌগোলিক, ৰাজনৈতিক, সামাজিক, প্ৰাকৃতিক, আধ্যাত্মিক, সাংস্কৃতিক আদি ভিন্ন বৈষয়িক পৰিৱৰ্তনৰ মাজেদি

অহা সংঘাত আৰু সমন্বয়ৰ বৰ্ণিল অভিজ্ঞতাই লোক জীৱনত সৃষ্টি কৰা কিছুমান বিশ্বাস-অবিশ্বাস অথবা সংস্কাৰ, কু-সংস্কাৰ সম্বন্ধীয় ৰীতি-নীতি, আচাৰ-পদ্ধতিসমূহেই ব্যাপক অৰ্থত লোকাচাৰ। লোক জীৱনত পালিত ৰাজহুৱা উৎসৱ-অনুষ্ঠানৰ ভিতৰত পৰা নাচ, গান, সাজ-পোছাক, আ-অলংকাৰ, পূজা-প্ৰাৰ্থনা আদিও লোকাচাৰ।

সমন্বয় আৰু সংহতিয়েই হ'ল বৃহত্তৰ অসমীয়া সংস্কৃতিৰ মূল আধাৰ। এই বৈশিষ্ট্যলৈ চাই ক'ব পাৰি যে বিভিন্ন জাতি-উপজাতি, ধৰ্মীয় সম্প্ৰদায়ৰ লোকে বসবাস কৰা অসমৰ প্ৰতিটো উৎসৱ, কৃষ্টি সংস্কৃতিত অংশ লৈ এক বৃহৎ অসমীয়া জাতি হিচাপে পৰিগণিত হৈ আহিছে। সেয়ে অসমৰ অতি চেনেহৰ বিহু উৎসৱটিয়েও একতাৰ ডোলেৰে বান্ধ খুওৱাই ৰাখিছে অসমীয়া জাতিটোক। প্ৰকাশযোগ্য যে সৌ সিদিনালৈ দৰং জিলাৰ মুছলমানসকলেও কাতি বিহুত বাৰী চিকুণোৱা, শস্যৰ অপকাৰী পোক-পৰুৱা নিধন কৰাৰ উদ্দেশ্যে পথাৰত চাকি দিয়া কাৰ্য সমাপন কৰা আমি দেখিছিলো। সেইদৰে মাঘৰ বিহুতো ভেলাঘৰ সাজি ভোজ-ভাত খোৱা দেখিছিলো। আমি শিশু থকা অৱস্থাত মাঘৰ বিহুৰ দিনা কুকুৰাৰ ডাকতে উঠি ভেলাঘৰ, মেজিৰ জুই পুৱাব যোৱা মনত আছে। উৰুকাৰ দিনা গধূলি নাইবা মাঘৰ বিহুৰ দিনা ফলমূলৰ গছত খেৰ বন্ধা, বাঁহৰ গুৰিত মাটি দিয়া আদি কাৰ্য আজিও এৰা-চেগাকৈ লোকাচাৰ হিচাপে পালন কৰি অহা দেখা যায়।

অসমৰ লোক উৎসৱসমূহৰ ভিতৰত বসন্ত উৎসৱ ঘাইকৈ অন্যতম। এই উৎসৱৰ লগত আন জনগোষ্ঠীসমূহৰ দৰে বিশ্বাস-অবিশ্বাসৰ দোমোজাত থাকিয়েই হওক অসমৰ খিলঞ্জীয়া মুছলমানসকলো এই উৎসৱৰ লগতো জড়িত। সাতদিনীয়াকৈ পালন কৰা ব'হাগ বিহুৰ প্ৰথম দিনাখনেই গৰু বিহু। এই বিহুত অসমৰ প্ৰতিজন কৃষকে গৰুক গা ধুৱাই, নতুন পঘা (যাক গৰু বিহুৱানৰূপে জনা যায়)ৰে গৰু বিহুৰ দিনা ৰাতি গোহালিত গৰু বন্ধা হয়। গধূলি পৰত গৰু গোহালিলৈ অনাৰ আগতে গোহালি ঘৰৰ দুৱাৰ মুখত 'যগা' (যাগ) দিয়া হয়। এই যাগত বিহ ঢেঁকীয়া, বিহ লগনীৰ আগ, তুঁহ, গোবৰ, নৰসিংহৰ আগ দি এই যাগ বিচনীৰে গোহালিৰ ভিতৰলৈ ধোঁৱা সোমোৱাকৈ বিচি দিয়া হয়। পহিলা ব'হাগৰ পৰাই গৰু, ম'হক যাগ দিয়া প্ৰক্ৰিয়া আৰম্ভ কৰে। এয়া ইছলামধৰ্মী কৃষকসকলেও কোনো ধৰ্মীয় বান্ধোনত নহয় পৰম্পৰাগত লোকাচাৰ হিচাপে পালন কৰি আহিছে। সেইদৰে সাংস্কৃতিক মূল বাহক বিহুৱান (গামোচা) খনিও মানুহ বিহুৰ দিনা লোৱা হয়। আনকি প্ৰতিঘৰ খিলঞ্জীয়া অসমীয়া মুছলমানৰ ঘৰত ব্যৱহাৰ কৰিবলৈয়েই হওক কিম্বা মান ধৰিবলৈয়েই হওক অসমৰ চেনেহৰ বিহুৱানখনেই ব্যৱহাৰ কৰা দেখা যায়। সেইদৰে বিহুৱতী সাজ মুগাৰ মেখেলা, ন-কইনাৰ পাটৰ কাপোৰ, গামখাৰু, ঢোল-মাদলী আদি আ-অলংকাৰ অসমীয়া

মুছলমান গাভৰু-তিৰোতাই পৰিধান কৰি গৌৰৱ কৰে। উল্লেখ্য যে ব'হাগ মাহৰ সাংস্কৃতিক অনুষ্ঠান, হুঁচৰি, বিহুগীত, বিহুনৃত্য, ঢোল-পেঁপাৰ মাতত প্ৰতিজন অসমীয়াৰ দেহ-মনত এজাৰ, পলাশ, কপৌ, নাহৰ, কেতেকীৰ সুবাসত মন-প্ৰাণ ৰাই-জাই কৰিবলৈ ধৰে। সেয়া হিন্দুৱেই হওক কিম্বা মুছলমানেই হওক মনত অনুভূত হয়—

'চ'তে গৈয়ে গৈয়ে ব'হাগ পালেহি
ফুলিলে ভেবেলি লতা ৰুণুজুনু
ঢোলৰ মাতে শুনো
শু-শুনিলে ঢোলৰ মাত
ৰ-ৰব মই নোৱাৰো।'

মুঠতে বসন্তৰ পৰশত যৌৱন ন-পানী বঢ়াদি বাঢ়ে। আৱেগত আপোন পাহৰা হৈ খেতি-পথাৰত কাম কৰি থকাৰ পৰত, গো-চৰণীয়া পথাৰত গৰু-ম'হ চৰাই থকাৰ সময়ত, মাছ মাৰি থকা অৱস্থাত ডেকা-ডেকেৰীৰ মনত নানান ভাবৰ দোলনিৰ সৃষ্টি হয়। পোৱাৰ সুতীব্ৰ বাসনা অন্তৰত জাগ্ৰত হোৱাত মুকলিমূৰীয়াকৈ হাবি বা বনত কিছুমান গীতৰ সৃষ্টি হৈছিল। তীব্ৰ উত্তেজনাময়, যৌনগন্ধী গীতবোৰক হাবিগীত বা বনগীত নামেৰে জনা গৈছিল। পৰৱৰ্তী কালত এই অশ্লীল গীতখিনিক শ্লীলতা দান কৰি বনঘোষা নাম দি সাহিত্যিক মৰ্যাদা দিছিল। এনেবোৰ গীতৰ সাহিত্যিক সৌন্দৰ্যৰ ক্ষেত্ৰত নকুল চন্দ্ৰ ভূঞাই ব'হাগীৰ পাতনিত উল্লেখ কৰিছিল— "আমাৰ এই জাতীয় উৎসৱ ব'হাগৰ বিহুত ল'ৰা-ছোৱালীয়ে গোৱা গীতবিলাক বিহু গীত বোলে, বনগীতো বোলে। মনৰ ৰাগ, অনুৰাগ, প্ৰণয়, বিষাদ, প্ৰেম, বৈচিত্ৰ্য, সম্ভোগ, বিৰহ আদিৰ ৰং-ৰহইচ আৰু হা-হুমুনিয়াহ প্ৰাণ খুলি প্ৰকাশ কৰা গীতবিলাকত ভাব ভাষা আৰু সুৰ তিনিওটা মিলি অসমৰ গছ, লতা, হাবি, আকাশ, পানী, মাটি মধুময় কৰি তোলে।" ইয়াত ভূঞাদেৱে অসমৰ প্ৰতিজন অসমীয়াৰ বসন্ত কালৰ অনুভূতিৰ কথা প্ৰকাশ কৰিছে। কোনো হিন্দু কিম্বা মুছলমানৰ ডেকা-ডেকেৰীৰ কথা ক'ব বিচৰা নাই নিশ্চয়। এইখিনিতে মুছলমান সমাজত প্ৰচলিত দুটি মান বিহুগীতৰ কলি প্ৰকাশ কৰিলো—

'কিনো তামোলখনি
দিলি ঐ মাজনী
পাণতে নিদিলি চুণ।

আঠিয়া কলকে
কল ঐ নুবুলিবা
কেঁচাতে বাদুলী খায়।'

উজনিৰ বিহু, বনগীত বা বনঘোষাৰ দৰে দৰং জিলাতো কিছুমান বতৰৰ গীত আছে, যিবোৰ গীতক নাঙেলী গীত নামে জনা যায়। বনৰীয়া মাদকতাৰে পৰিপূৰ্ণ পথৰুৱা গীতসমূহৰ মাজেৰে দৰঙৰ মুছলমান গো, ম'হৰখীয়া ডেকাৰো অন্তৰৰ চিৰন্তন অনুভূতি অকৃত্ৰিম ভাৱে প্ৰকাশ পায়—

"হাবিতেই গোঁজোৰেই হোকোৰা বাঘে ভাই
পানীতে গোঁজোৰেই শাল
জীয়াৰ বুকু দেখি লিকিৰাই গোঁজোৰেই
নাঙলত গোঁজোৰেই ফাল।"

(অৰ্থ ঃ গোঁজোৰেই- চিএঞৰ, হোকোৰা- মতা বাঘ, জিয়া- ছোৱালী, লিকিৰা- ল'ৰা) উদ্দীপনা সমন্বয় উৎসৱ 'দেউল' দৰঙৰ বাহিৰে বাকী কোনো ঠাইত উদ্‌যাপন কৰা দেখা নাযায়। সমন্বয়ৰ মহামেলা সদৃশ বসন্তৰ অন্যতম দেউল দৰঙত যাউতিযুগীয়া বৈশিষ্ট্য তথা কৃষ্টি-সংস্কৃতিৰে উদ্‌যাপন কৰি আহিছে। পহিলা ব'হাগৰ পৰা জেঠ মাহ পৰ্যন্ত এই দেউল উৎসৱ উদ্‌যাপিত হৈ আহিছে। বিষ্ণু পূজাৰ এক মাংগলিক অনুষ্ঠান বসন্ত উৎসৱৰ দেউল খ্ৰীষ্টাব্দ একাদশ শতিকাৰ কোচৰজাৰ ৰাজত্বৰ পৰাই চলি আহিছে এই দেউল উৎসৱৰূপে। ইয়াত ধৰ্মীয় পৰম্পৰাখিনিৰ বাহিৰে দৰং জিলাৰেই নহয় অসমৰ প্ৰায় ঠাইৰ মুছলমান মানুহেও অংশগ্ৰহণ কৰি আহিছে এই দেউল উৎসৱত। বিভিন্ন কৃষ্টি-সংস্কৃতিৰ উপৰিও বিৰাট মেলাৰ আয়োজন কৰা হয়। বিশেষকৈ ১২ ব'হাগৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা বিখ্যাত ছিপাঝাৰ ঘোঁৰাবান্ধা দেউলত অসমৰ বিভিন্ন প্ৰান্তৰ বণিকৰ উপৰিও স্থানীয় থলুৱা কৃষকসকলৰ উৎপাদিত বস্তু বিক্ৰী কৰা হয়। ইয়াত হিন্দু-মুছলমান কৃষক সকলোৱে অংশগ্ৰহণ কৰে। সমন্বয়ৰ মেলাসদৃশ ঘোঁৰাবান্ধা দেউলতহে বিক্ৰী কৰিবলৈ বা কিনিবলৈ ক্ৰেতা-গ্ৰাহক অধীৰ আগ্ৰহেৰে বছৰ ধৰি বাট চায়। প্ৰসংগক্ৰমে উল্লেখ কৰা ভাল হ'ব যে অসমীয়া সমাজত কিছুমান লোকাচাৰ বা লোকবিশ্বাস প্ৰচলিত। এই লোকাচাৰৰ পৰা অসমীয়া খিলঞ্জীয়া ইছলামধৰ্মী লোকসকলো মুক্ত নহয়। যেনে ব'হাগৰ গৰু বিহু, মানুহ বিহু এইবোৰত প্ৰচলিত লোকাচাৰ পালন কৰি অহাৰ দৰে সাত বিহুৰ দিনাখন সাত বিধ বনৌষধিযুক্ত শাক বুটলি (সাতশেকী খোৱা) ব্যঞ্জন ৰান্ধি খোৱাৰ নিয়ম আছে। সেইদৰে সাতবিহু মানে ব'হাগৰ সাতদিন নোযোৱালৈ 'বিচনী'ৰ বা ল'ৰ নিদিয়া, মানুহ বিহুৰ দিনা হালধিৰে গা-পা ধোৱা, বিহুত তিতা খোৱা নিয়ম, বিহুত পিঠা-পনা আৰু জলপান খোৱা নিয়ম। অসমৰ খিলঞ্জীয়া ইছলামধৰ্মী তিৰোতাসকলেও তিলৰ পিঠা, নাৰিকলৰ লাড়ু, তুতুৰি পিঠা, হাপেনীয়া পিঠা, খোলাচাপৰি পিঠা, ভকা পিঠা, পিঠা চুঙা, দৈ-চিৰা আদি খাদ্য সম্ভাৰেৰে বিহুৰ অতিথিক নাইবা আন সময়তো

অতিথিক আপ্যায়ন কৰে। প্ৰকাশযোগ্য যে দৰঙৰ গণেশকুঁৱৰী বাঁহগড়াত মুছলমান তিৰোতাসকলে ব'হাগ-জেঠ মাহত আই বসন্ত ওলালে আজিও শীতলা পূজা কৰি আই গীত গাই গাই তুতি কৰি বসন্ত ৰোগ নিৰাময় কৰে। ইয়াতকৈ সমন্বয়ৰ উৎকৃষ্ট উদাহৰণ কি হ'ব পাৰে?

সমন্বয় আৰু সংহতিয়েই হ'ল বৃহত্তৰ অসমীয়া সংস্কৃতিৰ মূল আধাৰ। এই বৈশিষ্ট্য চাই ক'ব পাৰি যে বিভিন্ন জাতি-উপজাতি, ধৰ্মীয় সম্প্ৰদায়ৰ লোকে বসবাস কৰা অসমৰ প্ৰতিটো উৎসৱ, কৃষ্টি, সংস্কৃতিত অংশ লৈ এক বৃহৎ অসমীয়া জাতি হিচাপে পৰিগণিত হৈ আহিছে। সেয়ে অসমৰ অতি চেনেহৰ ব'হাগ বিহু উৎসৱটিয়েও একতাৰ ডোলেৰে বান্ধ খুৱাই ৰাখিছে অসমীয়া জাতিটোক। এই সমন্বয় সেতুস্বৰূপ ব'হাগক সকলোৱে আদৰো আহক—

"অসমীয়া পদূলি উদুলি মুদুলি
ব'হাগী আহিছে বুলি
আমাৰ বিহুতলী উদুলি মুদুলি
চেনেহ বিলাবলৈ বুলি।"

....

প্ৰসংগ পুথি ঃ

১। অসমৰ মুছলমানসকল (লিখক, আব্দুৰ ৰহমান)।

২। অসমীয়া লোক সংস্কৃতিৰ আভাস (ড° নবীন চন্দ্ৰ শৰ্মা)।

৩। স্মৃতিৰ জিলিঙনিত কেইগৰাকীমান অসমৰ মুছলমান (সম্পাদক কমৰুজ্জামান আহমেদ)।

৪। দৰঙৰ সাহিত্য সংস্কৃতিৰ ৰূপ-ৰেখা (সম্পাদক অক্ষয় কুমাৰ নাথ)

৫। দেউল স্মৰণিকা (সম্পাদক ৰণজিত কুমাৰ নাথ)।

৬। দৰং জিলা সাহিত্য সভাৰ পত্ৰিকা 'দৰঙৰ লোকাচাৰ', বিশেষ সংখ্যা (সম্পাদক এম. হাফিজ আলী)।

(লেখক ঃ সহঃ শিক্ষক, মাবৈ-বিজুলীবাৰী উচ্চ মাধ্যমিক বিদ্যালয়।)

বঙালীসকলৰ বসন্ত উৎসৱ

অনুলা দেৱ লস্কৰ

পাশ্চাত্যত ঋতু চাৰিটা হ'লেও ভাৰতত ঋতু ছটা আৰু প্ৰত্যেকটো ঋতুৱেই নিজ নিজ বৈশিষ্ট্যত উজ্জ্বল। গ্ৰীষ্মৰ প্ৰখৰ ৰ'দত পোৰা পৃথিৱী বৰ্ষাৰ বৰষুণত শান্ত হয়। ইয়াৰ পিছত পূজাৰ বতৰা লৈ আহে শৰৎ। লগে লগে আহে কঁহুৱা ফুল, শেৱালি আৰু নীলা আকাশত শুকুলা মেঘৰ নাও। শীতৰ জাননী লৈ আহে হেমন্ত; ইয়াৰ পিছত কুঁৱলীৰ ওৰণি লৈ আহে শীত— প্ৰকৃতি ঠেঁটুৰৈলগা শীতত কঁপে। কোনো কোনো কীট-পতংগ দীঘলীয়া নিদ্ৰাত সুপ্তিমগন হয়। শীতত গছৰ পাত সৰে তাৰ পিছত আহে বসন্ত। ঋতুৰাজ বসন্ত। কবি-সাহিত্যিকসকলে ইয়াক মধুমাহ বুলিও কয়। শীতৰ চাদৰ আঁতৰাই প্ৰকৃতি সজীৱ হৈ উঠে আৰু বিভিন্ন সাজেৰে সজ্জিত হয়। গছে গছে ফুলৰ সমাৰোহ সোণালী সূৰ্যৰ পোহৰে দক্ষিণী বতাহ বুলাই দিয়ে গছৰ ডাল-পাতৰ মাজেৰে। আমৰ গছত ফুল ফুলে; মলয়া বতাহত কুলি চৰাইৰ কণ্ঠৰ কুহু কুহু তান ভাহি যায়। ফুলে ফুলে পখিলা উৰে। মধুলোভত পদুমনিলৈ ভোমোৰা আহে। সমগ্ৰ বিশ্বৰ প্ৰকৃতিলৈ স্বৰ্গৰ নন্দন কাননৰ সৌন্দৰ্য নামি আহে। কবিয়ে গায়, 'বসন্ত জাগ্ৰত দ্বাৰে।' শীতত সৰি যোৱা গছবোৰত নতুন পাত গজে।

বসন্তৰ প্ৰধান উৎসৱ হৈছে দৌল উৎসৱ। এয়া হৈছে ৰঙৰ উৎসৱ। বৃন্দাবনত ৰাধা-কৃষ্ণৰ হোলী খেলাৰ অনুকৰণেৰে সমগ্ৰ দেশৰ লগতে বংগদেশতো হোলিকা দাহন, দৌল পূৰ্ণিমা অথবা ফাগুনৰ পূৰ্ণিমাৰ নিশা পালন কৰা হয়। প্ৰত্যেকে প্ৰত্যেকক ৰং সানি দিয়ে। ফাকু, কুমকুম, চন্দনৰ উপৰি আজিকালি বজাৰত বহুতো ৰং পোৱা যায়। কিছুমান প্ৰাকৃতিক ৰঙো পোৱা যায়। ৰং সনাৰ উপৰি বিভিন্ন মন্দিৰত ৰাধা-কৃষ্ণৰ পূজা-কীৰ্তন অনুষ্ঠিত হয়। ভোগ অৰ্পণ কৰা হয় আৰু শেষত প্ৰসাদ লোৱা হয়। শান্তিনিকেতনৰ পৰা ৰবীন্দ্ৰ সংগীত ভাহি আহে—

'ওৰে গৃহস্বামী। খোল দ্বাৰ খোল।
লাগলো যে দোল
ফুলে জলে, বনতলে
লাগলো যে দোল।'

শান্তিনিকেতনত মহা আড়ম্বৰেৰে দৌল উৎসৱ পালন কৰা হয়। সকলোৱে হালধীয়া শাড়ী পিন্ধি খোপাত ফুল গুঁজি নৃত্য-গীতৰ জৰিয়তে এই উৎসৱ পালন কৰে।

বসন্ত কালৰ বসন্ত পঞ্চমীত বাগ্‌দেৱীৰ আৰাধনা কৰা হয়। বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা স্কুল-কলেজ ইত্যাদিৰ উপৰি মানুহৰ ঘৰে ঘৰেও অনুষ্ঠিত হয়। কথিত আছে যে বসন্ত পঞ্চমীত কবি কালিদাসৰ জ্ঞানচকু উন্মিলিত অথবা প্ৰস্ফুটিত হৈছিল। সেই দিনটোত তেওঁ ব্ৰহ্মজ্ঞান লাভ কৰি দেৱীৰ স্তৱ আৰু পূজা কৰিছিল। প্ৰাচীন কালত আৰ্যসকলেও সৰস্বতী নদীৰ পাৰত সামগান গাই দেৱীৰ বন্দনা কৰিছিল। কালিদাসে বসন্তকালত পোনপ্ৰথমবাৰৰ কাৰণে দেৱী নীল সৰস্বতীৰ পূজা কৰিছিল।

বসন্ত কালত বাসন্তী দেৱীৰ পূজাও অনুষ্ঠিত হয়। তেওঁ মহামায়া, দুৰ্গা। প্ৰাচীন কালত ৰজা সুৰথ আৰু সমাধি বৈশ্য যেধ্‌স মুনিৰ আশ্ৰমত দেৱী মহামায়াৰ আৰাধনা কৰি দেৱীক তুষ্ট কৰিছিল। এই পূজা বসন্ত কালত অনুষ্ঠিত হোৱাৰ কাৰণে দেৱী বাসন্তী নামেৰেও অভিহিতা হ'ল। ৰামচন্দ্ৰই ৰাৱণক বধ কৰিবৰ কাৰণে শৰত কালত 'অকাল বোধন' কৰিছিল। কিন্তু প্ৰথমতে বসন্ত কালত অনুষ্ঠিত হোৱা কাৰণে বাসন্তী পূজাকেই মূল পূজা বুলি মনা হয়।

ফাগুন-চ'ত মাহ বসন্ত কাল হ'লেও ব'হাগ মাহক অৰ্থাৎ বাংলা পঞ্জিকাৰ প্ৰথম মাহকো বসন্ত কাল বুলি ধৰা হয়; কাৰণ প্ৰখৰ তাপ তেতিয়াও আৰম্ভ নহয়। অসমত বিহু উৎসৱ পালন কৰা হয়। প্ৰায় গোটেই ব'হাগ মাহজুৰি বিহুনৃত্য-গীত, হুঁচৰি, ঢোল-তালৰ জৰিয়তে চলি থাকে। অসমত বসবাসকাৰী বঙালীসকলেও সমগ্ৰ ব'হাগ মাহত অনুষ্ঠিত ৰঙালী বিহুত অংশগ্ৰহণ কৰে। অসম, উৰিষ্যা আৰু বংগৰ কৃষ্টি-সভ্যতা, ৰীতি-নিয়ম, সাহিত্য, খাদ্যাভ্যাস আৰু শিল্প-সংস্কৃতিত যথেষ্ট মিল পৰিলক্ষিত হয়। আনকি ভাষাগত মিলো আছে এই তিনি ৰাজ্যৰ। অসমীয়া আৰু বাংলা লিপিও (script) প্ৰায় একেই। আগতে দুই বংগ একেলগে আছিল। গৌড়বংগ অথবা বংগদেশ বুলি জনাজাত আছিল। ইংৰাজৰ শাসনৰ সময়ত লৰ্ড কাৰ্জনৰ দিনত বংগ দুভাগ হয়। পশ্চিমবংগ ভাৰতত থাকে আৰু পূৰ্ববংগ পাকিস্তানলৈ যায়। পূৰ্ববংগৰ শ্ৰীহট্ট আৰু কাছাৰ জিলা অসমৰ সৈতে সংযুক্ত হয় অতিৰিক্ত ৰাজহ আদায়ৰ কাৰণে।

১৯৭১ চনৰ মুক্তিযুদ্ধৰ পিছত বাংলাদেশ স্বাধীন সাৰ্বভৌম ৰাষ্ট্ৰ হিচাপে আত্মপ্ৰকাশ কৰে আৰু শ্ৰীহট্ট জিলা আৰু কাছাৰ জিলাৰ এটা অংশ গণভোটত বাংলাদেশৰ লগত সন্নিৱিষ্ট হয়। এই মাটি হস্তান্তৰ হয় ৰেডক্লিফ নামৰ ইংৰাজ ছাব-ডিভিজনেল অফিচাৰৰ (S.D.O.) দিনত নিৰ্ধাৰণ হোৱা মাটিৰ সীমা নিৰ্ধাৰণ অনুসৰি।

পিছলৈ কাছাৰ জিলাৰ তিনিখন জিলা কাছাৰ (শিলচৰ), কৰিমগঞ্জ আৰু হাইলাকান্দি হিচাপে বিস্তৃত হয়। এই তিনিখন জিলাক একেলগে বৰাক উপত্যকা বোলা হয়। এই তিনিখন জিলাৰ প্ৰধান নদী বৰাক।

পূৰ্ববংগ আৰু পশ্চিমবংগৰ প্ৰতিখন জিলাৰ ভাষা পৃথক পৃথক। পশ্চিমবংগৰ বাঁকুৰা, বীৰভূম, নদীয়া, মুৰ্শিদাবাদ ইত্যাদি জিলাৰ ভাষা যিদৰে ভিন ভিন সেইদৰে পূৰ্ববংগৰ ঢাকা, নোৱাখালি, চট্টগ্ৰাম, চিলেট ইত্যাদি জিলাৰ ভাষাও পৃথক পৃথক। কিন্তু লিখা-পঢ়াৰ ক্ষেত্ৰত সকলোৱে শুদ্ধ বাংলা অথবা প্ৰামাণ্য বাংলা ব্যৱহাৰ কৰে। সাহিত্য, শিল্প, সংস্কৃতি, কলা-কৃষ্টি, ৰীতি-নিয়মত দুই বংগই সমান, ত্ৰিপুৰাতো একেই।

কথিত আছে যে বঙালীৰ বাৰ মাহত তেৰটা পাৰ্বণ। প্ৰকৃততে সেয়ে। সুজলা-সুফলা, শস্য-শ্যামলা বাংলাৰ অন্ন-বস্ত্ৰৰ অভাৱ নাছিল কাৰণে সমগ্ৰ বছৰজুৰি উৎসৱৰ শেষ নাই। ইয়াৰ ভিতৰত বসন্ত উৎসৱ সকলোতকৈ ওপৰত। মানুহে কয়— দৌল-দুৰ্গোৎসৱ। দুৰ্গা পূজাৰ পিছতেই বঙালীৰ শ্ৰেষ্ঠ উৎসৱ হৈছে দৌল। ইতিপূৰ্বে এই উৎসৱ সম্পৰ্কে আলোচনা হৈছে।

দৌল পূৰ্ণিমাৰ আগনিশা সকলোৱে মিলি খোল, কৰতাল, মৃদংগৰ সহযোগত কীৰ্তন কৰি এটা খেৰৰ ঘৰ তৈয়াৰী কৰে। তাত এটা ময়দা অথবা আটাৰে তৈয়াৰ কৰা ছাগলী বা ভেড়া (Sheep) দাহ কৰা হয়। সকলোৱে সেই পোৰ পিঠা প্ৰসাদ হিচাপে খায়। কথিত আছে যে শ্ৰীকৃষ্ণই মেষাসুৰ নামে এটা অসুৰক বধ কৰি তাৰ তেজেৰে হোলী খেলিছিল।

উত্তৰ ভাৰতত এই উৎসৱক হোলিকা দাহন বোলা হয়। কথিত আছে যে ভক্ত প্ৰহ্লাদক তেওঁৰ পিতৃ হিৰণ্যকশিপুৱে জুইত পুৰিবলৈ চেষ্টা কৰিছিল। কিন্তু প্ৰহ্লাদ দগ্ধ নহ'ল। তেওঁৰ পেহীয়েক হোলিকাহে পুৰি ছাই হৈ যায়। প্ৰহ্লাদক তেওঁ কোলাত লৈ অগ্নিত প্ৰৱেশ কৰিছিল। ব্ৰহ্মাই তেওঁক অমৰত্ব দান কৰিছিল।

এক কথাত ক'বলৈ গ'লে— দুষ্টৰ দমন আৰু শিষ্টৰ পালন কৰে প্ৰভু শ্ৰীকৃষ্ণই আৰু সেই কাৰণেই এই উৎসৱ পালন কৰা হয়।

দৌল পূৰ্ণিমাত শ্ৰীকৃষ্ণৰ বিগ্ৰহ আৰু নাৰায়ণ শিলা (শালগ্ৰাম) মন্দিৰৰ বাহিৰত এটা পাত্ৰত ৰখা হয়। লগতে ৰাধাৰাণীৰ বিগ্ৰহকো ৰখা হয়। ভক্তসকলে তেতিয়া প্ৰভু শ্ৰীকৃষ্ণক ৰং সানি দিয়ে আৰু আবিৰ, কুমকুম আৰু চন্দনেৰে সৰ্জিত কৰে। তাৰ পিছত ভোগ নিৱেদন কৰা হয়। সকলোৱে প্ৰসাদ গ্ৰহণ কৰে। সমগ্ৰ দিন-ৰাতিজুৰি কীৰ্তন অনুষ্ঠিত হয়। পিছদিনা সকলোৱে ইজনে সিজনক ৰং সানি দিয়ে। সকলোৱে দৌলৰ আনন্দত আত্মহাৰা হয়।

পিছদিনা নাৰায়ণ শিলা আৰু বিগ্ৰহক পঞ্চদ্ৰব্যৰে স্নান কৰোৱা হয়। নতুন সাজ-সজ্জা আৰু নতুন বস্ত্ৰ পৰিধান কৰাই ভোগ নিৱেদন কৰা হয়।

বসন্ত উৎসৱৰ এটা বিজ্ঞানসন্মত দিশ আছে। ৰঙত ব্যৱহাৰ হোৱা বিভিন্ন উপাদান যেনে— আবিৰ, ফুলৰ ৰেণু, অভ্ৰচূৰ্ণ, নানান প্ৰাকৃতিক আৰু আয়ুৰ্বেদিক

পদাৰ্থই বসন্ত ৰোগ প্ৰতিষেধকৰ কাম কৰে। অৱশ্যে, বৰ্তমান সময়ত ৰাসায়নিক দ্ৰব্য ব্যৱহাৰৰ কাৰণে চুলি আৰু গাৰ ছালৰ বহুতো অনিষ্ট হয়। কিন্তু আজিকালি প্ৰায় সকলোৰেই স্বাস্থ্যৰ প্ৰতি সচেতন হোৱা কাৰণে খুব কমহে অঘটন ঘটে।

বাংলা পঞ্জিকাৰ নিৰ্ধাৰিত বা স্থিৰ কৰা দিন অনুসৰি ফাগুন মাহত আটাইতকৈ বেছি বিয়া সম্পন্ন হয়। এই মাহৰ শেষ লগ্ন (গধূলি)লৈকে বিয়াৰ দিন আৰু লগ্ন ধাৰ্য কৰা হয়। কাৰণ, চ'ত মাহত হিন্দু বিবাহ নিষিদ্ধ। পুহ, চ'ত আৰু ভাদ মাহক বাদ দি আন সকলো মাহতেই হিন্দু বিয়াৰ দিন ধাৰ্য কৰা হয়। কিন্তু ফাগুনৰ লগ্ন শ্ৰেষ্ঠ বুলি মনা হয়।

বসন্ত কালত বাংলাত আন এটা উৎসৱ পালন কৰা হয়। সেইটো হৈছে চড়ক পূজা।

চ'ত মাহজুৰি কোনো কোনো সাধুৱে (যিসকলে হঠযোগ কৰে) কষ্টসাধ্য ব্ৰত কৰে আৰু ভিক্ষা কৰি খাই দিন অতিবাহিত কৰে। তেনে লোকৰ মাজৰ পৰা দুজন কমবয়সীয়া সাধুক শিৱ-দুৰ্গা সজাই তেওঁলোকৰ নাচ দেখুৱাই ভিক্ষা বিচাৰে। চ'ত মাহৰ শেষৰ দিনটোত বা চ'তৰ সংক্ৰান্তিৰ দিনা সেই সাধুসকলে পিঠিত বৰশী লগাই চড়ক গছৰ পৰা ওলমে। কোনো কোনোৱে আকৌ ৰাম-দাৰ ওপৰত খোজ কাঢ়ে। কোনো কোনোৱে জুইৰ ওপৰেদি খোজ কাঢ়ে। কোনো কোনোৱে শৰীৰত বেজীৰে ফুটায়। কোনো কোনোৱে জিভাত বেজীৰে বিন্ধায়। এই উৎসৱ অতি ভয়ংকৰ। অৱশ্যে এইটো গাঁৱৰ লোক-উৎসৱ। শিক্ষিত সমাজ, বুদ্ধিজীৱী আৰু বিজ্ঞান-মনোবৃত্তিৰ লোকে এই উৎসৱত যোগদান অথবা অংশগ্ৰহণ নকৰে।

চ'তৰ সংক্ৰান্তিক মহাবিষুৱ সংক্ৰান্তি বোলা হয়। সেইদিনা সকলোৱে নিৰামিষ আহাৰ খায়। নিমপাত, কেৰেলা, বেতফল ইত্যাদি ভাজি খায়। আঠবিধ পাচলিৰে তৰকাৰী তৈয়াৰ কৰি খায়। কেঁচা আমেৰে দাইল ৰান্ধি খায়। সেই দিনটোত আমিষ খোৱা নিষেধ। গা ধোৱাৰ আগতে নিম, হালধি, মচুৰ দাইল বতি মিঠাতেল মিহলাই গাত সনা হয়। এনে নিয়ম মানিলে শৰীৰ ভালে থাকে।

ব'হাগ মাহৰ প্ৰথম দিনটোত বঙালীৰ নতুন বছৰৰ দিন হিচাপে উৎসৱ পালন কৰে। সকলোৱে সেইদিনা নতুন কাপোৰ পিন্ধে। ভাল বস্তু খায়। সকলোৱে সেইদিনা গণেশ পূজা কৰে। মাছ-মাংস, মিঠাই-দৈ ইত্যাদি খায়। সকলোৱে ভাবে যে বছৰৰ প্ৰথম দিনটো ভালদৰে অতিবাহিত হ'লে গোটেই বছৰটো ভালদৰে যাব। সকলোৱে ঘৰত নতুন পঞ্জিকা পঢ়ে— পুৰোহিত অথবা ঘৰৰ বয়োজ্যেষ্ঠ সদস্যই। দোকানে দোকানে হালখাতা উৎসৱ অনুষ্ঠিত হয় আৰু গণেশ পূজা কৰে। সেইদিনা গ্ৰাহকসকলে দোকানলৈ গৈ মিঠাই খায়।

তাৰ পিছৰ পৰাই সমগ্ৰ ব'হাগ মাহজুৰি ব'হাগী উৎসৱ বা বঙালী নিজৰ উৎসৱ চলে। নৃত্য-গীত আৰু নানান সাংস্কৃতিক চৰ্চা চলে। বিভিন্ন স্থানত ব'হাগী উৎসৱ অনুষ্ঠিত হয়। মঞ্চত সত্ৰীয়া নৃত্য, ঢোলবাদন, হুঁচৰি পৰিৱেশিত হয়। খোলা পথাৰত মুকলি বিহু হয়। কপৌফুল ফুলে। ছোৱালীসকলে মুগাৰ মেখেলা-চাদৰ আৰু ৰঙা ব্লাউজ পিন্ধে, খোপাত ফুল লয় আৰু ৰঙা ফোঁট লৈ বিহুনৃত্য কৰে। পুৰুষে ঢোল বজায় আৰু নাচে। অসমীয়া মানুহৰ প্ৰাণৰ উৎসৱ বিহু। অসমত বাস কৰা বঙালীসকলেও এই উৎসৱত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। ব'হাগী বিদায় উৎসৱত বিহু উৎসৱৰ পৰিসমাপ্তি হয়। বিহুত অসমীয়া আৰু বংগৰ সংস্কৃতি মিলিজুলি একাত্ম হয়। বৰাক-ব্ৰহ্মপুত্ৰ আৰু গংগা-পদ্মাৰ মিলন হয়। ২৫ ব'হাগত বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্মদিন। বিভিন্ন অনুষ্ঠান পাতি বঙালীসকলে এই দিনটো উদ্‌যাপন কৰে; ৰবীন্দ্ৰ সংগীত চৰ্চা কৰে। এইটোকো বসন্ত উৎসৱৰ অংগ বুলি ধৰা যায়। কাৰণ, ৰবীন্দ্ৰনাথ প্ৰেমৰ কবি, বসন্তৰ কবি। তেওঁ গাইছে—

'বসন্তে ফুল গাঁথন
আমাৰ জয়েৰ মালা
বইল প্ৰাণে দখিন হাওয়া।'

মাৰোৱাৰীসকলৰ বসন্ত উৎসৱ

কিশোৰ কুমাৰ জৈন

বিভিন্ন ধৰ্মাৱলম্বীৰ বিভিন্ন জাতীয় পৰম্পৰাৰে সমৃদ্ধ আমাৰ দেশ। ইয়াত ভাৰতীয় মাহ আৰু তিথি অনুযায়ী বিভিন্ন পৰ্ব পালন কৰা দেখা যায়।

ভাৰতৰ বাৰেৰহণীয়া সংস্কৃতিত ধৰ্ম-বৰ্ণ নিৰ্বিশেষে বিভিন্ন উৎসৱ, ধৰ্মীয় পৰ্ব আদি বিভিন্ন সময়ত উদ্‌যাপন কৰা হয়। এই উৎসবোৰ কৃষিভিত্তিক বা ঋতু অনুযায়ী নতুবা ধৰ্মীয় পৰম্পৰা অনুযায়ীও অনুষ্ঠিত হয়। অন্যান্য জনগোষ্ঠীৰ দৰেই অসমৰ মাৰোৱাৰী মহিলাসকলেও বিভিন্ন সময়ত বিভিন্ন উৎসৱ পৰম্পৰাগতভাৱে পালন কৰি আহিছে। হিন্দীভাষী সমাজত স্বামীৰ দীৰ্ঘায়ুৰ বাবে 'কৰৱা চৌথ' ব্ৰত এটা উৎসৱ হিচাপে পালন কৰে, য'ত মহিলাসকলে অনাহাৰে থাকি স্বামীৰ মুখ দেখাৰ পিছত অন্ন গ্ৰহণ কৰে। জৈন ধৰ্মাৱলম্বীসকলে এই পৰ্বটোক 'সুহাগ দশমী' হিচাপে পালন কৰে। অসমত বসবাস কৰি থকা ভাৰতৰ বিভিন্ন প্ৰান্তৰ লোকসকলেও বিভিন্ন পৰম্পৰা পালন কৰাৰ দৰে অসমত থকা ৰাজস্থানৰ লোকসকলেও বিভিন্ন ধৰ্মীয়, জাতীয় পৰম্পৰা পালন কৰে। যিহেতু অসমত থকা অন্য জনগোষ্ঠীসকলৰ ভিতৰত ৰাজস্থানৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ৰাজস্থানী লোকসকলো এটা জনগোষ্ঠী। এই জনগোষ্ঠীটো অসমত মাৰোৱাৰী বুলিয়েই জনাজাত। আকৌ এই মাৰোৱাৰী জনগোষ্ঠীটোৰ অন্তৰ্ভুক্ত হৈ আছে বিভিন্ন ধৰ্ম-সম্প্ৰদায়ৰ লোক। সেই সকলো লোকে বিভিন্ন ৰীতি-নীতি, পৰম্পৰাৰে বিভিন্ন অনুষ্ঠান-পৰ্ব-পাৰ্বণ আদি উলহ-মালহেৰে পালন কৰে।

বসন্ত উৎসৱ হিচাপে মাৰোৱাৰীসকলৰ মাজত অন্য জনগোষ্ঠীৰ দৰে পুৰুষসকলে সমজুৱাভাৱে ৰীতি-নীতি পালন নকৰে যদিও মহিলাসকলৰ মাজত বিশেষ ধৰণৰ কিছু ৰীতি-নীতি প্ৰচলিত আছে। মাৰোৱাৰী লোকসকলৰ মাজত থকা হিন্দুধৰ্মীয় লোকসকলে 'হোলী'ৰ পিছতে চ'ত মাহত ব'হাগ মাহৰ আগমনৰ পূৰ্বে 'গণগৌৰ' নামৰ উৎসৱ পালন কৰে।

'গণগৌৰ' পৰ্বটো চ'ত মাহৰ শুক্ল পক্ষৰ তৃতীয়াৰ পৰা আৰম্ভ হয়। হোলীৰ দ্বিতীয় দিনা (চ'তৰ কৃষ্ণ প্ৰতিপদ) ব্ৰত আৰম্ভ কৰাৰ পৰা নৱবিবাহিতাসকলে প্ৰতিদিনে 'গণগৌৰ' পূজা কৰি চ'ত মাহৰ শুক্লা দ্বিতীয়াৰ দিনাখন কোনো নদী বা পুখুৰীলৈ গৈ নিজৰ পূজিত 'গণগৌৰ'ক পানী খুৱায় আৰু পিছদিনাখন সন্ধিয়া সময়ত তাক বিসৰ্জন

দিয়ে। এই ব্রত কৰাৰ পৰিণাম বা বিশ্বাস এইটোৱেই যে বিবাহিতা তিৰোতাসকলে স্বামীৰ প্ৰতি অনুৰাগ উৎপন্ন কৰা আৰু অবিবাহিতা কুমাৰী কন্যাসকলে শ্ৰেষ্ঠ স্বামী লাভ কৰা, সধৱাৰ স্বামী নিৰাপদে নিৰ্বিঘ্ন প্ৰাৰ্থনা কৰা।

হোলীৰ দ্বিতীয় দিনাৰ পৰা 'গণগৌৰ' উৎসৱ আৰম্ভ হৈ সম্পূৰ্ণ ১৬ দিনলৈ অনবৰতে চলি থাকে। এই পৰ্ব অতি উৎসাহ, আনন্দেৰে উদ্‌যাপন কৰা হয়। এই উৎসৱ স্ফূৰ্তিৰ পৰ্ব। ইয়াত অবিবাহিত (কুমাৰী) আৰু বিবাহিত মহিলাসকলে মাটিৰ ঈছৰ (শংকৰ) আৰু গৌৰ (পাৰ্বতী) তৈয়াৰ কৰে। মাটিৰ এই পুতলাবোৰক ধুনীয়া সাজ-পাৰ পিন্ধাই তাত শৃংগাৰ কৰে। সেইদিনাখন মহিলা আৰু যুৱতীসকলে নিজেও বিভিন্ন আভূষণ আৰু ধুনীয়া সাজ-পাৰ পিন্ধি সাজি-কাচি থাকে। 'গণগৌৰ'ৰ দিনাখন এক বিশেষ ধৰণৰ খেল খেলা হয়। ইয়াত এজনীয়ে দৰা, আনজনীয়ে কইনাৰ ৰূপ ধাৰণ কৰে। যাক তেওঁলোকে ঈছপৰ আৰু গৌৰ বুলি কয় আৰু সখীসকলে তেওঁলোকৰ লগত নিজ ঘৰৰ পৰা বাহিৰলৈ ওলায় আৰু সকলোৰে এখন উদ্যানত সমৱেত হয়। এই গোটেইখিনি সময়ত তেওঁলোকে পৰম্পৰাগতভাৱে প্ৰচলিত গীতবোৰ গাই থাকে। উদ্যানলৈ গৈ আঁহত গছৰ চাৰিওফালে ঈছৰ আৰু গৌৰক পৰিক্ৰমা কৰোৱায়। পৰিক্ৰমা সম্পূৰ্ণ হোৱাৰ পিছত তেওঁলোকে নাচে আৰু গান গায়। তাৰ পিছত ঘৰলৈ গৈ তেওঁলোকৰ পূজা-অৰ্চনা কৰে, ভোগ আগবঢ়ায় আৰু পানী খুৱায়। পিছদিনাখন মাটিৰ সেই ঈছৰ আৰু গৌৰক ওচৰৰ যিকোনো নদীত বিসৰ্জন দিয়া হয়।

'নৱৰাত্ৰা'ৰ তৃতীয় দিনা অৰ্থাৎ চ'ত মাহৰ শুক্ল পক্ষৰ 'তীজ'ত 'গণগৌৰ' মাতা (মা পাৰ্বতী)ৰ পূজা-অৰ্চনা কৰা হয়। পাৰ্বতীৰ অৱতাৰ ৰূপত 'গণগৌৰ' মাতা তথা ভগৱান শংকৰৰ অৱতাৰ ৰূপত ঈছ্বৰৰ পূজা-পাঠ কৰা হয়। প্ৰাচীন সময়ত পাৰ্বতীয়ে শংকৰ ভগৱানক দৰাৰ ৰূপত পাবলৈ ব্ৰত আৰু তপস্যা কৰিছিল। শংকৰ ভগৱানে পাৰ্বতীৰ এই তপস্যাত প্ৰসন্ন হৈছিল আৰু বৰদান বিচাৰিবলৈ কৈছিল। পাৰ্বতীয়ে তেওঁকে দৰাৰ ৰূপত পোৱাৰ আকাংক্ষা প্ৰকাশ কৰিলে। পাৰ্বতীৰ অভিলাষ পূৰ্ণ হ'ল আৰু শিৱই তেওঁৰ লগত বিয়া পাতিলে। তেতিয়াৰ পৰা এইটো এটা বিশ্বাসত পৰিণত হ'ল যে কুমাৰী যুৱতীসকলে ঈপ্সিত দৰা পাবলৈ ঈছ্বৰ আৰু গণগৌৰৰ ওচৰত ভক্তি আৰু শ্ৰদ্ধাৰে পূজা-অৰ্চনা কৰে। সধৱা মহিলাসকলে স্বামীৰ দীৰ্ঘায়ুৰ বাবে এই পূজা কৰে। গণগৌৰ পূজা চ'ত মাহৰ কৃষ্ণ পক্ষৰ তৃতীয়া তিথিৰ পৰা আৰম্ভ হয়। ষোল্ল দিন পৰ্যন্ত ৰাতিপুৱাই সোনকালে উঠি উদ্যানলৈ গৈ দুবৰিবন আৰু ফুল সংগ্ৰহ কৰি ঘৰলৈ আনে। মাটিৰে সাজি লোৱা গণগৌৰ মাতাৰ মূৰ্তিৰ ওপৰত

সংগ্ৰহ কৰি অনা সেই ফুল-দুবৰিবনেৰে গাখীৰ ছটিয়াই দিয়ে। পূজাৰ থালখনত দৈ, পানী, চুপাৰী আৰু ৰূপৰ চাবি ৰিং আদি বস্তুৰে গণগৌৰ মাতাৰ পূজা কৰা হয়।

অষ্টম দিনা ঈছৰ দেৱতাই ঘৈণীয়েক (গণগৌৰ)ৰ লগত নিজৰ শহুৰৰ ঘৰলৈ যায়। সেইদিনা যুৱতীসকলে কুমাৰৰ ঘৰলৈ গৈ তাৰ পৰা মাটিৰ বাচন আৰু গণগৌৰৰ মূৰ্তিৰ বাবে মাটি আনে। সেই মাটিৰে ঈছৰ দেৱতা, গণগৌৰ মাতা, মালিনী আদিৰ সৰু সৰু মূৰ্তি তৈয়াৰ কৰে। য'ত পূজা কৰা হয় সেই স্থানক গণগৌৰৰ মাকৰ ঘৰ আৰু য'ত বিসৰ্জন কৰা হয় সেই ঠাইক শহুৰৰ ঘৰ বুলি জ্ঞান কৰা হয়।

'গণগৌৰ' ৰাজস্থানৰ অতি বিশিষ্ট উৎসৱ। সেইদিনাখন ভগৱান শিৱই পাৰ্বতীক আৰু পাৰ্বতীয়ে সমস্ত মহিলা সমাজক সৌভাগ্যৱতী হোৱাৰ বৰ দিছিল। সমগ্ৰ ৰাজস্থানত গণগৌৰ মাতাৰ পূজা কৰা হয়। সেইসূত্ৰে অসমত থকা মাৰোৱাৰীসকলেও শ্ৰদ্ধা আৰু ভক্তিৰে গণগৌৰ মাতাৰ পূজা-অৰ্চনা কৰে। সধৱাসকলে ব্ৰত পালন কৰা পূৰ্বে মাটিৰে সাজি লোৱা গৌৰীৰ প্ৰতিমা স্থাপন কৰি লয়। ইয়াৰ বাবে ঘৰৰ কোনো এটা কোঠাৰ এটা পৱিত্ৰ স্থানত চৌবিশ আঙুলি বহল আৰু চৌবিশ আঙুলি দীঘল বৰ্গাকাৰ বেদী তৈয়াৰ কৰি হালধি, চন্দন, কৰ্পূৰ, কেশৰ আদিৰে সেই চ'ক (২৪×২৪ আঙুলিৰ বেদী) পূৰ্ণ কৰা হয়। তাৰ পিছত বালিৰে গৌৰী অৰ্থাৎ পাৰ্বতী সাজি, স্থাপন কৰি সেই থাপনাৰ ওপৰত সধৱাৰ বস্তু— কাচৰ খাৰু, জেতুকা, সেন্দূৰ, ৰোলী, আলতা, টীকা, বিন্দি (ফোঁট), ফণি, আইনা, কাজল আদি অৰ্পণ কৰা হয়। চন্দন, অক্ষত (চাউল), ধূপ-দীপ, নৈবেদ্য আদিৰে বিধান অনুযায়ী পূজা-অৰ্চনা কৰি সধৱা (আয়তী)ৰ ব্যৱহাৰ্য সামগ্ৰী অৰ্পণ কৰা হয়। তাৰ পিছত ভোগ বনোৱাৰ পৰত গৌৰীৰ গুণানুকীৰ্তন কৰা হয়। গুণানুকীৰ্তনৰ পিছত গৌৰীৰ ওপৰত অৰ্পণ কৰা সেন্দূৰ মহিলাসকলে শিৰত লয়। দুপৰীয়া গৌৰীৰ পূজা-পাঠ কৰা হয়। ইয়াৰ পিছত মাত্ৰ এবাৰ খাদ্য গ্ৰহণ কৰি ব্ৰতৰ পাৰণা (সামৰণি) কৰা হয়। গণগৌৰৰ প্ৰসাদ পুৰুষসকলৰ বাবে বৰ্জিত। গণগৌৰৰ দিনা বিশেষভাৱে (ময়দাৰে তৈয়াৰী) 'গুণা' বনোৱা হয়। ছোৱালীৰ বিয়াৰ পিছত ছোৱালীয়ে প্ৰথমবাৰৰ বাবে 'গণগৌৰ'ক মাকৰ ঘৰত পালন কৰে আৰু ময়দাৰে বনোৱা গুণা তথা শাহুৰ বায়না (নতুন কাপোৰ) উলিয়াই শহুৰৰ ঘৰলৈ পঠিয়ায়। এই প্ৰথাটো প্ৰথম বছৰৰ বাবেহে; পিছলৈ প্ৰতিবছৰে ছোৱালীয়ে নিজৰ শহুৰেকৰ ঘৰতে 'গণগৌৰ' পালন কৰে। শহুৰেকৰ ঘৰত গণগৌৰ উদ্‌যাপন কৰোতে শাহুৱেকক বায়না কাপোৰ আৰু সধৱা (আয়তী)ক দিবলগা সকলোবোৰ সামগ্ৰী প্ৰদান কৰাৰ লগতে যোলগৰাকী সধৱাক ভোজন কৰায় আৰু প্ৰত্যেককে সম্পূৰ্ণ শৃংগাৰৰ সামগ্ৰীৰ লগতে দক্ষিণাও দিয়ে।

এইদৰে দেখা যায় যে প্ৰতিটো পৰ্ব বা উৎসৱৰে এটা তাৎপৰ্যপূৰ্ণ অৰ্থ আছে। পৰ্ব বা উৎসৱে সমাজৰ বাবে এটা সমন্বয়ৰ দিশো উন্মোচন কৰে। প্ৰতিটো ধৰ্ম বা জাতীয় পৰম্পৰা, ভাষা আদিত বিভিন্নতা থাকিলেও পৰ্ব উদযাপনৰ গুৰুত্বৰো এটা সাৰ্বজনীন তথা সৰ্বজনগ্ৰাহ্য ব্যাখ্যা আছে। মাৰোৱাৰী সমাজত ব'হাগ মাহত পালিত এটা তিথি আছে যাক 'অক্ষয় তৃতীয়া' বুলি কোৱা হয়। এই তিথিটোৰ বাবে প্ৰচলিত বিশ্বাস এইটোৱে যে উক্ত দিনাখন যিকোনো নতুন কাম পণ্ডিত বা বামুণক নেদেখুওৱাকৈ কৰিব পাৰি। অৰ্থাৎ এই দিনটো এটা ভাল মুহূৰ্তৰ দিন বুলি বিশ্বাস কৰা হয়। উক্ত দিনা গণকৰ ওচৰত চোৱা-চিতা নকৰাকৈয়ে বিয়া-বাৰু পৰ্যন্ত কৰিব পাৰি। তাৰ আগতে ৰাম নৱমী দিনটোকো বিশেষ দিন বুলি গণ্য কৰা হয়। সেই দিনটোত ব্যৱসায়ীসকলে ব্যৱসায়ৰ বাবে নতুন খাটা বহী পূজাৰীৰ দ্বাৰা পূজা কৰোৱাৰ পিছত ব্যৱহাৰ কৰে। একাদশীৰ দিনা হনুমান জয়ন্তী আৰু ত্ৰয়োদশীৰ দিনা জৈনসকলে উলহ-মালহেৰে মহাবীৰ জয়ন্তী পালন কৰে। এনেকৈয়ে অসমৰ মাৰোৱাৰীসকলে বসন্ত উৎসৱ পালন কৰে।

বৰাক উপত্যকাৰ বসন্তোৎসৱ

সুহাগমণি বৰ্মন

অসমৰ অন্যতম উপত্যকা বৰাক। পূৰ্বে ইয়াক সুৰমা উপত্যকা বোলা হৈছিল। একালত ইয়েই বৰবক্ৰ উপত্যকা আৰু কলংমা উপত্যকা নামেৰে জনাজাত আছিল। ইয়াত ব্ৰহ্মপুত্ৰ উপত্যকাৰ দৰে গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত, শীত আৰু বসন্ত ঋতুৰ পূৰ্ণ পয়োভৰ হয়। তাৰে একো একোটা ঋতুৱে একো একোটা মহাকাব্যৰ গুণ্‌গুণনিৰ ধ্বনি-প্ৰতিধ্বনি তোলে।

ইয়াতেই শীতৰ প্ৰকোপৰ অন্ত পৰি আহে বসন্ত কাল। মৰমৰ ফাগুন-চ'ত। চ'ত সংক্ৰান্তিৰ মহাধ্বনি। সিৰা-উপসিৰা হয় ৰোমাঞ্চিত। বিচু, ভিহু, কালবৈশাখ, বিহু, ব'হাগ বিহু, চ'ত বিহু, ৰঙৰে ৰঙালী বিহু, বৰদৈচিলাৰ বৰ বৰ পাখিৰে দপ্‌দপাই স্বামী আৰু মাকৰ ঘৰলৈ যাতায়াতৰ লয়লাস নৃত্যভংগীৰে কৰা লৰা-ঢাপলি। বসন্তৰ পৰা মহাবসন্তৰ ছন্দে ছন্দে যৌৱনৰ উন্মাদনাই ডেকা-বুঢ়াৰ প্ৰাণত মাদকতা জগাই তোলে। পৰ্বত-ভৈয়াম আনন্দত ৰাঙলী হয় মহাস্পন্দনৰ আতিশয্যত। নৱবিবাহিতা বোৱাৰীৰ বৌনাচৰ গীত আৰু নৃত্যৰ মাদকতাত যেন ধৰিত্ৰী হয় আনন্দবিহ্বলা ঃ

সোহাগ চান্দ বদনে ধনি
নাচত দেখি।
বালা নাচত দেখি
বালা নাচত দেখি
সোহাগ চান্দ বদনে ধনি
নাচত দেখি।।

ইয়াতেই শুনা যায় বৃন্দাবনৰ নটৰাজ শ্ৰীকৃষ্ণৰ পূৰ্ণ লীলাত হোলী-সুৰ। হোলীগীত বা ফাকুৱা গীত বা দোল গানৰ তান। ডেকা-গাভৰুৱে নাচিছে, গাইছে, আবিৰেৰে ৰাঙলী হৈছে; পৰ্বত-ভৈয়ামজুৰি আনন্দই আনন্দ। দিনে ৰাতিয়ে শুনা যায়—

(১)

'লাল সৰোবৰ লাল, হইয়াছে আবিৰে লাল।
আমি তোমাৰ মামী বটে ভাগিনা কানাইৰে।।
নন্দ ঘোষ তোৰ পিতা বটে, আয়ান ঘোষ তোৰ মামাৰে।
আমি তোমাৰ মামী বটে, ভাগিনা কানাইৰে।।

(২)

ছিঃ ছিঃ লাজ নাই, নিলাজুয়া প্যাৰী।
কোন মুখে বল মোৰে ভাগিনা তোমাৰি।।
আয়ানৰ বিয়াৰ কালে, আমি ছিলাম তাৰ কোলে।
পতি বলে ফুলেৰ মালা, দিলে মোৰ গলে।।

(৩)

নাকেৰ উপৰে আজ বেশৰ দিব।
প্ৰাণনাথ বন্ধুৰে আজ ৰমণি সাজাব।।
তোমাকে বানাব নাৰী আমৰা হব বংশীধাৰী।
নাৰী হইয়া মোহ বাঁশী আমৰা বাজাব।।

মাঘ মাহৰ ভৰ জাৰতো বৈবাহিক কাৰ্যৰ বৈধ স্বৈৰাচাৰী জীৱনৰ পাতনিৰ ওৰ নেপেলাই ফাগুনতো চলে তাৰ মেলা। বিয়াৰ জোৰোণত নাৰীকণ্ঠ ধ্বনিত হয় 'পদ্মপুৰাণ' বা 'ওজা কীৰ্তন'ৰ গীত আৰু গীত ছন্দায়িত হয় নৃত্যৰ সংযোগত ঃ

সনকা বলেশুন সাধুৰে চম্পকেৰ ঈশ্বৰ।
লক্ষ্মীন্দৰেৰ কন্যা জুড় উজানী নগৰ।।
সনকাৰ কথা শুনি ৰাজা চন্দ্ৰধৰ।
কুল পুৰোহিত ডাকাইলা পণ্ডিত শ্ৰীধৰ।।
নিবেদন কৰি শুন পণ্ডিত প্ৰবৰ।
শীঘ্ৰ কৰি চল পণ্ডিত উজানী নগৰ।।
আগে চলেন পণ্ডিত শ্ৰীধৰ পাছে চন্দ্ৰধৰ।
শুভলগ্নে যাত্ৰা কৰেন উজানী নগৰ।।
বসিয়াছেন শাহৰাজা সভাৰ ভিতৰ।
তথায় উপস্থিত হইলা ৰাজা চন্দ্ৰধৰ।।
শুন শুন শাহৰাজা কৰি নিবেদন।
জুড়িতে তোমাৰ কন্যা কৰি আগমন।।
কহে ষষ্ঠিবৰ কবি মনসাৰ বৰ।
লক্ষ্মীন্দৰেৰ কন্যা সাজান উজানী নগৰ।।

তাৰ পিছতেই আহিল তামোল-পাণৰ শৰাইৰ প্ৰস্তুতি। বৰাক উপত্যকাত তামোল এযোৰৰ মান শতলক্ষ কোটি টকাৰ সমান। তাতে সুৰুঙা পাই ব্ৰহ্মপুত্ৰ উপত্যকাৰ দৰে একে কথা-মাতে-কৃষ্টিয়ে সংস্কৃতিৰে অতি পিছপৰা হৈ থকা অভিশাপেৰে পুষ্ট অসমীয়াভাষী, খিলঞ্জীয়া কোনোবা ডেকাই দ্বাৰকাপুৰ, আদৰকোণা, বড়গোল,

কৈয়জানী, গড়ৰ ভিতৰ, গড়েৰবন্দ, ঝাপিৰবন্দ, হৰিনগৰ, লাৰছিংপাৰ, দেওয়ান, তাৰাপুৰ নাইবা নাৰায়ণপুৰৰ আমগছৰ ডালত বহি 'চেনাইধনক' সুৱৰি সুঁৱৰি গাই থাকে ঃ

কিনো তামোলখনি দিলা মোৰ লাহৰি
দুখনি হাতেৰে ল'লো।
সেইনো তামোলখনি খাবৰে পৰা মই
তোমাৰ লগত বলিয়া হ'লো।।

বৰাক উপত্যকাত তেতিয়া বিয়াৰ পাণখিলাৰে বিয়াৰ বন্ধন কটকটীয়া কৰা হয় গীতেৰে ঃ

সখী আইস শীঘ্ৰ কৰি।
শ্ৰীৰামেৰ পাণখিনি অযোধ্যা নগৰী।।
আসিলা সব পুৰবাসী হইয়া হৰষিত।
বিদ্যাধৰে নৃত্য কৰে সবে গায় গীত।। ইত্যাদি

বিয়াৰ ঠিক-ঠাক হ'ল— যথাসময়ত দৰা আৰু কইনাক নোৱাব, যাৰ নাম দিয়া হয় আদ্ৰিস্নান। আদ্ৰিস্নান অনুষংগত গোৱা হয় ঃ

আজি হিমালয় পুৰী।
আদ্ৰিস্নানে বসিলেন গিৰিবালা গৌৰী।।
ধান্য দুৰ্বা তৈল চন্দন অতি যত্ন কৰি।
ৰাখিলেন মংগল ঘটবাৰি পূৰ্ণ কৰি।।

এনেদৰে অধিবাসৰ সুন্দৰ গান গাই বিয়াৰ মাংগলিক কাৰ্য সমাপন কৰি নানা ৰং-ধেমালি, আনন্দ-বিষাদৰ মিশ্ৰণত বসন্তৰ ছন্দে ছন্দে দুই প্ৰাণীৰ মিলন ঘটোৱা হয় এখন ৰভাতলত, এই ৰভাখনক কোৱা হয় কুঞ্জ। তাৰ পিছত বসন্তৰ বা-মাৰলিৰে ৰচনা কৰা হয় ফুলশয্যা, তলৰ গীত ফাঁকিৰে ঃ

তোৰা চল সখিগণ।
বাসৰ সাজাইৰ আজি নিকুঞ্জ ভৱন।।
সোণাৰ পালঙ্কেৰ উপৰ বিছানা পাতিলা।
সুগন্ধ ফুলেৰ মালায় চৌদিক ঘেৰিলা।।
ৰংগীন বিছানাৰ উপৰে বসে বংশীধাৰী।
বামে লয়ে বিধুমুখী কি শোভা যে হায় মৰি।। ইত্যাদি

তাৰ পিছতেই এদিন বসন্তৰ বা-মাৰলিত ফুলৰ পৰা ফল হয়। সন্তানৰূপী ফলৰ পৰা তাহানিৰ অতীতক সুঁৱৰি নাৰীসকলে 'ৰূপসী পূজা' কৰে গীতৰ তালে তালে ঃ

'বাজেৰে মংগল ধ্বনি অতি সুমধুৰ।
কৌশল্যা কৰেন পূজা দেবী ৰূপসীৰ।।
ঢাক ঢোলক কাঁসী ঘণ্টা কত বাদ্য বাজে।
নাৰীগণে কৰে গান সাজি নানা সাজে।।' ইত্যাদি

এই সময়ত বৰাক উপত্যকাত ধ্বনিত হয় ব্ৰহ্মপুত্ৰ উপত্যকাৰ হুঁচৰি আৰু বিহুগীত। যেনে ঃ

'হুঁচৰি এ চ'ত
আমি যে ওলালো য'ত
দূবৰি নগজে ত'ত।
ন ঘৰ ঐ পুৰণি কামী।
হুঁচৰি গাবলৈ আহিছো আমি।
ৰংপুৰৰ ৰঙামণি
পিন্ধাই দিয়া সৰু ভনী
বিহু মাৰিবলৈ যাওঁ ঐ গোবিন্দাই ৰাম।
কৃষ্ণাইৰ মূৰতে বকুল ফুল এপাহি
নিয়ৰ পাই মুকলি হ'ল ঐ গোবিন্দাই ৰাম।।

এইদৰে গৰু বিহু, মানুহ বিহু, মুকলি বিহু, ন শাকি, সাত শাকি আদিৰ লগত পাণ, তামোল, গামোচা আদিৰে মাননি ধৰা হয়। এই প্ৰসংগত উদাত্ত কণ্ঠেৰে গোৱা শুনা যায় ঃ

বিহুৰে বিৰিণা পাত ঐ মইনা
বিহুৰে বিৰিণা পাত।
বিহু থাকে মানে বিহুকে বিনাবা
বিহু গ'লে বিনাবা কাক।।

এই উপত্যকাতেই বুচুৰ সময়ত ডিমাচাৰ খোলৰ বোলে আকাশ-বতাহ তাল মাৰি ধৰে। খোল বা খ্রামত মাত উঠে ঃ

তাও তাও খ্রি-খ্রি তাও
তাও তাও খ্রি-খ্রি তাও
তাত তা খিতি তাও, খিতাও।।
তাধে নিতা খিতি তাও
তাধে নিতা খিতি তাও
তাধি ধিন অধি দিন
তাখি নিতা খাত তাও।।

বসন্তৰ বা লাগি গছ-লতাৰ মিতিৰালিৰ দৰে ইয়াতো চলে সখি পতাৰ ধুমধাম, মহা আয়োজন। ধামাইল নৃত্যৰে নাৰী-পুৰুষে বসন্তৰ ধ্বজা উৰুৱায়। লগতে সৃষ্টিশীল নৃত্যৰে গাঁও-চহৰ মুখৰিত হয় বসন্তৰ জোৱাৰ। বৰাকৰ নদী-উপনদীক গংগা নদীৰূপে জ্ঞান কৰি বিশেষকৈ পানীকে গংগাদেৱী ভাবি বাৰুণী তিথিত গংগাস্নান উদ্‌যাপিত হয়। ইয়াৰ সকলো ঠাইৰ নদীত স্নান কৰিলেও বৰাক নদীত স্নান কৰাটোৰ ওপৰতহে অধিক গুৰুত্ব দিয়া হয়। এই প্ৰসংগত বদৰপুৰ আৰু পাঁচগ্ৰামৰ নিচেই ওচৰতে অৱস্থিত সিদ্ধেশ্বৰত 'বাৰুণী মেলা' বহে। বাৰুণীকৃত্যৰ অনুষংগত তৰ্পণ, দান আদি কৰা হয়। এই কৃত্যৰ সন্দৰ্ভত অনুষ্ঠিত মেলাত বিভিন্নজনৰ লগত আদান-প্ৰদান কৰাৰ সুবিধা হয়। 'বাৰুণী মেলা'ৰ অনুষংগত দৈ আৰু গুড়েৰে চিৰা খোৱা পৰম্পৰা বৰ্তমান। বাম্বু ডেন্সেৰ ছলেৰে মিজো আৰু ৰাংখলসকলে প্ৰে-প্ৰণয়ৰ জয়গান গায়। বাইডিমাৰে ডিমাচাসকলে আনন্দ উপভোগ কৰে। ঝুমুৰ আদি নৃত্য-গীতেৰে চাহ বাগিচা হয় মুখৰিত। ডিমাচাসকলে প্ৰায় ১.৭৫ মিটাৰ দীঘল বাঁহী (মুড়ি বা মড়ি) বজায় নিৰৱচ্ছিন্নভাৱে ঃ

'অৰ অথেন থৰ
থল অৰথেন অৰথেন
অৰ অথেন থৰৰ
অৰ অথেন থৰ
থেনৰে অথেন্ থৰৰ
থৰ থৰ থৰ
থে-ৰে ইয়ান্ থেন।' ইত্যাদি।
লগে লগে খ্ৰামত বোল উঠে ঃ
'টাং কিন টাং কিন্ টাং
টাং টাং
টাং কিন্‌ট্যাং-কিন্‌ট্যাং
টাং টাং।' ইত্যাদি।
খ্ৰাম ডিৰঙেয়েও বোল দিব ঃ
'জাং খিৰিম্-জাং
খ্ৰিম জাং খ্ৰিম জাং
জাং খ্ৰিৰিম্ জাং।' ইত্যাদি।

নামনি অসমৰ ঠাইবিশেষে চলা হৰ-পাৰ্বতীৰ গীতৰ দৰে বৰাক উপত্যকাত বসন্তকালত অনুষ্ঠিত হয় মহাদেৱৰ তাণ্ডৱ নৃত্য। চ'তৰ সমাপ্তিত পিঠিত বৰশী

সুমুৱাই চড়ক পূজা পাতে আৰু হৰ-পাৰ্বতীৰ নৃত্য-গীতেৰে এই পূজাৰ সামৰণি মৰা হয়। গাঁৱে গাঁৱে মহাদেৱক ত্ৰিনাথ বুলি নামকৰণ কৰি ত্ৰিনাথৰ সেৱা-পূজা কৰা হয় এইদৰে ঃ

'ভাং খাইয়া বিভোৰ হইয়া
নাচে ভোলানাথ।' ইত্যাদি
নাইবা
ভাং খেয়ে বিভোৰ ভোলানাথ
ভূতগণ সংগে নাচিছে।
ভূতগণ সংগে নাচিছেৰে, প্ৰেতগণ সংগে নাচিছে।।
(ভাং খেয়ে বিভোৰ ভোলানাথ ভূতগণ সংগে নাচিছে।।)
শেবেৰ ললাটে শোভিছে দেবী মন্দাকিনী।
বামেতে শোভিছে দেবী কাত্যায়নী।।
(ভাং খেয়ে বিভোৰ ভোলানাথ, ভূতগণ সংগে নাচিছে।।)
ঐ ব্যাঘ্ৰ চৰ্ম পৰিধান ঐ খসিয়া পড়িছে।।
শিবেৰ কৰ্ণেতে শোভিছে ধুতুৰাৰ ফুল।
ধুতুৰা বনেতে আখি তলমল।।
সদায় হৰি হৰি বলে, মধুৰ ডম্বৰু বাজিছে।।' ইত্যাদি।

গছ-লতা, তৃণ আদি সকলোতে বসন্তৰ বা লাগি বৰাক উপত্যকাৰ আকাশে-বতাহে মধুৰ ধ্বনিৰে অমৃতময় সুগন্ধি বায়ু প্ৰৱাহিত হয়। কোনোবাই আনন্দত গায় ঃ

'ৰসেৰ মিলন ৰে।
ৰসৰাজ ৰংগিণীৰ সনে,
দুহু দোহা দৰশনে,
প্ৰেম আলাপনে আজ মিলনৰে।।
বামে শোভে বিনোদিনী পূৰ্ণ চন্দ্ৰ নিবাসিনী।
দক্ষিণে দাঁড়াইলা শ্যাম ত্ৰিভংগ ভংগিমে।
ওগো নীলমণি শোভিত যেমন জড়িত কাঞ্চনে।' ইত্যাদি

কোনোবাই গায় ঃ

'নিবেদন কৰি বন্ধুৰে তোমাৰি চৰণে।
আমি যে অভাগিনী নাথ দুঃখী আছি মনে।
অহল্যা দ্ৰৌপদী কুন্তী মন্দোদৰী তাৰা।
তোমাৰে ভজনা কৰি সতী হইয়া তাৰা।।' ইত্যাদি

বৰাক উপত্যকাত বসন্তকালত অনুষ্ঠিত হয় বাসন্তী পূজা। গীতেৰে তাৰ বৰ্ণনা কৰা হয় এইদৰে ঃ


'দেখ দেখ ওগো সখি অযোধ্যা নগৰে।
সুৰথ ৰাজা সাড়ম্বৰে পূজে অম্বিকাৰে।।' ইত্যাদি

ব'হাগ বিহুৰ দিনা বৰাক উপত্যকাৰ সকলো নামঘৰত ভকতসকলৰ সমাৱেশ হয়। শ্ৰীমন্ত শংকৰদেৱে দিয়া শিক্ষাৰে নামঘৰত কীৰ্তনৰ ৰৱ উঠে, ইয়াত জাতি-বৰ্ণ-ধৰ্মৰ পাৰ্থক্য নাথাকে ঃ-


শংকৰ গুৰু আমাৰে জগত গুৰু আমাৰে
লুকাই আছা দেখা নেদা
মণিকূটৰ ভিতৰে।।
ৰাম নাম নলৈলো হৰি নভজিলো
কি কাম কৰিলো
আমি হে ৰাম ৰাম।। ইত্যাদি

বৰাক উপত্যকাৰ স্থানবিশেষে ব'হাগ বিহুৰ অনুষংগত পুতলা বিয়া পতা হৈছিল। দৰঙৰ অঞ্চলবিশেষেও ৭ বিহুত (অৰ্থাৎ ৬ ব'হাগত) পুতলা বিয়া পতা পৰম্পৰা বৰ্তমানো প্ৰচলিত।

এই উপত্যকাৰ আছে হিন্দু, মুছলমান, খ্ৰীষ্টান, জৈন আদি নানা ধৰ্মৰ, নানা সম্প্ৰদায়ৰ, নানা কৃষ্টি-সংস্কৃতিৰে বৰ্ণাঢ্য নানা জাতি-উপজাতি। তেওঁলোকে বসন্ত উৎসৱ পালন কৰি শান্তিৰে জীৱন নিৰ্বাহ কৰিবলৈ শিকে। বসন্তৰ চিৰ আনন্দত বৰাকবাসীয়ে আনন্দ আৰু শান্তিৰে বসবাস কৰি থকাটো শুভলক্ষণ বুলি ক'ব পাৰি।



ভঠেলি / পাউৰা উৎসৱ, কামৰূপ



দৰঙৰ দেউল উৎসৱ




পূৰ্বৰ বৈসাগী নৃত্য (বড়ো)



বাগ্‌ৰুম্বা নৃত্য (বড়ো)



গৰুবিহুৰ দিনা গৰুক ফোঁট দিয়াৰ দৃশ্য (ৰাভা)




বসন্তকালীন নৃত্য (পাতিৰাভা)




বসন্তকালীন নৃত্য (কাৰ্বি)



হাছা কেকান (কাৰ্বি)



মিচিংসকলৰ ঐ-নিতম



মিচিংসকলৰ ঐ-নিতমৰ এটি বিশেষ দৃশ্য




তিৰাসকলৰ বসন্তকালীন নৃত্য



ডিমাচা মহিলাসকলৰ বসন্তকালীন নৃত্য




ডিমাচাসকলৰ বুচু নৃত্য



সোণোৱালসকলৰ হাইদাং গীতৰ এটি দিশ



তাইফাকেসকলৰ বসন্তকালীন উৎসৱৰ এটি দৃশ্য



খাম্‌তিসকলৰ পয়চাংকেন উৎসৱৰ এটি দৃশ্য



দেউৰী মহিলাৰ বিহুৱান প্ৰস্তুতি-পৰ্ব



দেউৰী মহিলাৰ বিহু নৃত্য




হাজং মহিলাৰ বসন্তকালীন নৃত্য



চাহ জনজাতিসকলৰ ঝুমুৰ নাচ



মণিপুৰীসকলৰ বসন্তকালীন ৰাস নৃত্য



বঙালীসকলৰ চড়ক পূজাৰ এটি দৃশ্য



বঙালীসকলৰ চড়ক পূজাৰ তাৎপৰ্য্যপূৰ্ণ এটি দৃশ্য




অ-জনজাতীয়সকলৰ বিহু নৃত্য




ব'হাগ বিহুত শিশুসকলে ঘৰে ঘৰে গৈ বিহু মৰা দৃশ্য



পাৰদৰ্শিতামূলক বিহু প্ৰদৰ্শন (১)



পাৰদৰ্শিতামূলক বিহু প্ৰদৰ্শন (২)



তাই-আহোমসকলৰ পৰম্পৰাগত বিহু-হুঁচৰি



বিহু পৰম্পৰাত ম'হ যুঁজ



বসন্তত কপৌফুলৰ অনন্য ৰূপ